গোৱালপৰীয়া লোক-সংস্কৃতি আৰু লোকগীত

ড° ধীৰেন দাস

Goalpariya Loka Sanskriti Aru Lokagit : A descriptive and analytical study on the various elements of the Goalpariya folk culture and folk song written by Dr. Dhiren Das and published by Sree Rajen Sarma, the owner of M/S. Chandra Prakash, Panbazar, Guwahati – 1.

প্রকাশক : শ্রীৰাজেন শর্মা।

প্রথম প্রকাশ : ইং ১৯৯৪, ডিচেম্বৰ।

লিখক : ড ধীৰেন দাস।

ৱত্ব : সর্ব ৱত্ব লিখকৰ।

মূল্য : ৮০'০০ টকা।

মুদ্রণ : লাবণ্য প্রিণ্টার্ছ,
ৰু বোড, ওৱাহাটী— ২৪।
ওৱাহাটী, অসম।

উৎসর্গ

অতীত, বর্তমান
আৰু
ভবিষ্যতৰ
অবিৰত, একনিষ্ঠ
লোক-সংস্কৃতিৰ
সাধকসকলৰ
উদ্দেশ্যে

ঃ প্রকাশকৰ নিবেদন ঃ

প্রাচীন অসমৰ পশ্চিমৰ ভৌগোলিক আৰু সাংস্কৃতিক সীমা পুন্যতোৱা কৰতোৱালৈ আছিল। কিন্তু ৰাজনৈতিকভাবে উত্তৰবঙ্গ অসমৰ পৰা বিচ্ছিন্ন হোৱাত সেই মূলুকৰ সংস্কৃতি আমাৰে পৃথক হোৱা বুলি ভাব হয়। আচলতে কিন্তু সেইটো হোৱা নাই। অবিভক্ত কামৰূপ জিলাৰ লোক-সংস্কৃতিৰ আঁত ধৰি অবিভক্ত গোৱালপাৰা জিলাৰ সংস্কৃতিৰ অধ্যয়নেৰে কৰতোৱাৰ পূৰ পাৰলৈ গলে এক নিৰবিচ্ছিন্ন সাংস্কৃতিক প্রবাহ বৈ থকাটো গম পোৱা যায়। গোৱালপৰীয়া সংস্কৃতি ইয়াৰ পূৰ আৰু পশ্চিমৰ ভূ-ভাগৰ সংস্কৃতিৰ সংযোগ সেতু। এই লোক সংস্কৃতি বৈচিত্র আৰু বৈশিষ্ট্যৰে এক বিশেষত্বপূর্ণ সংস্কৃতি। ইয়াৰ পৰিসৰ অতি বিস্তীর্ণ আৰু গভীৰতাও অথাউনি। কিন্তু ই দেশীয় অন্যান্য সংস্কৃতিৰ তুলনাত এই লোক সংস্কৃতিৰ অধ্যয়ন আৰু আলোচনা এতিয়াও বহুত পিছ পৰি আছে। এই সংস্কৃতি সম্বন্ধে কিছু সংখ্যক পণ্ডিত সাহিত্যিকে চিন্তা-চর্চা আৰু লিখা মিলা কৰি আছে। সেই সকলৰ ভিতৰতে ড° ধীৰেন দাসো এজন।। ১৯৬৮ চনৰ পৰা বর্তমানলৈকে এই বিষয়ে অধ্যয়ন কৰি থকা দাসে লিখি উলিওৱা 'গোৱালপৰীয়া লোক সংস্কৃতি আৰু লোকগীত' গ্রন্থখন ছপাই উলিওৱা হ'ল। হেজাৰ হেজাৰ বছৰৰ ঐতিহ্যৰে পৰিপূর্ণ এই লোক সংস্কৃতিৰ বর্ণনা আৰু বিশ্লেষণেৰে লিখি উলিওৱা দাসৰ সদ্য প্রকাশিত 'গোৱালপৰীয়া লোক সংস্কৃতি আৰু লোকগীত' গ্রন্থখনে পঢ়ুৱৈ সমাজক বহু দিশৰ তত্ত্ব ও তথ্যগত উমান দি পৰিতুষ্ট কৰিব পাৰিব বুলি প্রত্যয় জন্মিছে। গ্রন্থখনে পঢ়ুৱৈ সমাজৰ সমাদৰ পাব বুলি আশা কৰিলোঁ।

শ্রীৰাজেন শর্মা
চন্দ্রপ্রকাশ, পানবজাৰ।
গুৱাহাটী—১।
৯।১২।৯৪ ইংৰাজী।

আগকথা

'গোৱালপৰীয়া লোক-সংস্কৃতি আৰু লোকগীত' বোলতে অবিভক্ত গোৱালপাৰা জিলাৰ কথাহে কোৱা হৈছে। বৰ্তমানে এই নামখ্যাৰে যি সংস্কৃতি আৰু লোকগীত ভাৰত মুৰি অতি সুখ্যাতিৰে প্ৰচাৰ হৈছে যেন্না কিন্তু মুখ্যত আৰু মৌলিকভাবে পশ্চিম আৰু মধ্য গোৱালপৰীয়াহে। গোৱালপাৰা নগৰ, অভয়াপুৰী বিজনীকে সীমাকৈ পূবফালে এই সংস্কৃতি আৰু গীতৰ প্ৰভাব কম আৰু সেই অঞ্চলৰ লোক সংস্কৃতি পশ্চিম কামৰূপী (অবিভক্ত অৰ্থ) সংস্কৃতিৰ একাকাৰ হৈ গৈছে। বিজ্ঞান, প্ৰযুক্তি বিদ্যাই মানৱ সভ্যতাৰ নতুন দিগ উন্মোচন আৰু নিৰ্ণয় কৰা কাৰ্যৰ প্ৰভাৱ আৰু আধুনিক যুক্তিবাদী আৰু বিশ্লেষণশীল লোক মানসিকতাই লোক সংস্কৃতিৰ আনকি উজ্জ্বলতৰ উপাদানকো অবজ্ঞা আৰু পৰিহাৰ কৰাৰ সময় সমাগত হৈছে। সেয়ে এই সংস্কৃতিৰ প্ৰভাৱ পূবলৈ ক্ৰমে ক্ষিণ হৈ গৈছে। কিন্তু একালত ইয়াৰ সুদৃঢ় বিস্তৃতি পুবণি দৰং, নগাওঁ থকা বুলি বিশ্বাস কৰাৰ যথেষ্ট থল আছে। কামৰূপ, গোৱালপাৰাৰ সংস্কৃতিৰ মিল আৰু সামাঞ্জস্যৰ কিছু কথা ইয়াত উল্লেখ কৰা হৈছে যদিও এই সংস্কৃতিৰ পূবৰ সীমা নিৰ্ণয় কৰাটো এক গবেষণাৰ বিষয়। পশ্চিমলৈ এই সংস্কৃতিয়ে পুন্যতোৱা কৰতোৱা চুইছেগৈ। বাংলাদেশৰ অন্তৰ্গত ৰংপুৰ দিনাজপুৰ, বঙ্গৰ অন্তৰ্গত দিনাজপুৰ, মালদহকে ধৰি উত্তৰবঙ্গৰ পাঁচখন জিলাত এই সংস্কৃতিৰ অম্লান পৰোচৰ আজিও পূৰ্ণভাবে বিদ্যমান। এই ভূভাগকে লৈ অতীতত ক্ষমতাশালী কামৰূপ কমতা, আৰু কমতা বিহাৰ৷ ৰাজ্য আছিল। ভাৰতীয় গণতন্ত্ৰৰ কালত স্থানীয় দক্ষ নেতৃত্বৰ অভাৱৰ সুযোগ লৈ প্ৰাগজ্যোতিষৰ ৰাজ্যৰ প্ৰতিনিধিত্ব কৰা কামৰূপ, কামৰূপ-কমতা, কমতা-বিহাৰ ৰাজ্য নানা ভাগে বিভক্ত কৰি নিশ্চিহ্ন কৰি দিয়া হ'ল যদিও এই ৰাজ্যৰ বহু শতাব্দী যোৱা ঐতিহ্যৰে বিমণ্ডিত সুদৃঢ় সংস্কৃতিৰ অখণ্ড ৰূপ সেই বিভাগবোৰত আজিও অবিকল ৰূপত বিদ্যমান। কাৰণ ৰাজনৈতিক বিভাজনে সাংস্কৃতিক বিভাজন নিৰ্ণয় ও নিৰূপন নকৰে। সেয়ে সমপৰ্যায় আৰু সমমৰ্যদাৰে জীৱন্ত এই অখণ্ড সাংস্কৃতিক ৰূপটোক কামৰূপী সংস্কৃতি বুলিব পাৰি নেকি ?

এই ৰাজ্যৰ অতীত নিগুঢ়ভাবে জৰিত হৈ আছে। ৰামায়ণ উল্লিখিত প্ৰাগ-জ্যোতিষ ৰামৰূপ ৰাষ্ট্ৰৰ লগত আৰু নৰক গোত্ৰৰ তেতিয়াৰ পৰা এতিয়ালৈ বসবাস কৰি থকা অধিকাৰী, বৰ্মন, ৰাজবংশী, সেন, খেন, কায়স্থ, কলিতা, দাস, সূত্ৰধাৰ, কুমাৰ, কামাৰ, পাল, পোদ্দাৰ, নাপিত, কেওঁট, নাথ, ভকত, ব্ৰাহ্মণ আদি বহুধা বিভক্ত আলপাইন গোষ্ঠীৰ লোকসকলৰ লগত (আলপাইন কলিতা গোষ্ঠীৰ ইতিহাস কিংকৰ, ১৯৮৯)। গতিকে এই সংস্কৃতিৰ বহুত উপাদান সুদূৰ প্ৰাগজ্যোতিষ-কামৰূপ ৰাজ্যৰ সাংস্কৃতিক উৎসৰ পৰা অহাৰ সম্ভাবনা নুই কৰিব নোৱাৰি। সেয়ে গোৱালপৰীয়া তথা বড়ুপীঠৰ লোক সংস্কৃতিৰ গবেষণাই প্ৰাগজ্যোতিষ ৰাষ্ট্ৰৰ পৰা বৰ্ত্তমানলৈ অতীতে সামৰা বহু হেজাৰ বছৰৰ পূৰ্ব-ভাৰতীয় সংস্কৃতিৰ নানা দিশ উজ্জ্বল কৰি তোলাৰ সঁচা আঁক নিশ্চিত সম্ভাবনা আছে। 'প্ৰদীপ চলিহাদেৱে পাছাপাৰীয়া শাৰি আৰু হাজোৱালী নাচ বঙলুৱা বুলি উল্লেখ কৰিলেও সেয়া বড়ুপীঠৰহে। মানাহৰ পূৰ (পশ্চিম) পাৰে অধ্যয়ন নকৰি অসমীয়া সংস্কৃতিৰ আলোচনা কৰা তথাকথিত বিজ্ঞলোকসকল উজনীয়াহে হ'ব পাৰে। প্ৰকৃত অসমীয়া হ'ব নোৱাৰে।" (শিবানন্দ শৰ্মা, বন্দনা, ধুবুৰী ১৯৮৯) গতিকে এই সংস্কৃতিৰ আলোচনা ব্যতিৰেকে অসমীয়া কিয় পূৰ্ব ভাৰতীয় সংস্কৃতিৰ কোনো সমালোচনা পূৰ্ণ হ'ব নোৱাৰে। সেয়ে এতিয়ালৈকে এই সম্বন্ধে হোৱা সকলোখিনি আলোচনাকেই ছিন্নমূল আলোচনাহে বুলিব পাৰি।

আলপাইনসকলৰ শক্তি-ক্ষমতাৰ বেলি লহিওৱাত বড়ুপীঠৰ শাসনৰ ভাৰ ১৫১৫ চনত মঙ্গোলীয় গোষ্ঠীসম্ভূত বিশ্বসিংহৰ হাতলৈ আহে। তেওঁৰ পুত্ৰ পূৰ্ব ভাৰতৰ বিক্ৰমাদিত্য নৰনাৰায়ণ আৰু ভাতৃ মহাবীৰ চিলাৰায়ৰ শাসন কালতএই ৰাজ্যৰ সৰ্ব-দিশৰ উৎকৰ্ষই শীৰ্ষস্থান পায়। সময়ত আলপাইন আৰু মঙ্গোলীয় গোষ্ঠীৰ বৈবাহিক সম্বন্ধ (চিলাৰায় আৰু ভুবদেশ্বৰীৰ বিয়া উৎকৃষ্ট নিদৰ্শন) ঘটে আৰু দুয়ো গোষ্ঠীৰ সাংস্কৃতিক উপাদানৰ মিশ্ৰণো আৰম্ভ হয়। কিন্তু গণতন্ত্ৰৰ যুগত আলপাইন-ৰাজবংশীসকলক মঙ্গোলীয়সকলেৰে (বঙ্গত) একে তপসিলী জাতিভুক্ত কৰাত তেওঁলোকে তাৰ বিৰুদ্ধে ১৯১০ চনত ক্ষাত্ৰ আন্দোলন কৰে আৰু ১৯১৩ চনত এই আন্দোলনে চৰকাৰৰ তৰফৰ পৰা স্বীকৃতি পায়: "ভোট গণনাৰ তালিকাৰ ৪৪৫ পৃষ্ঠাত চৰকাৰী মন্তব্য যোগ দি (কোচ হইতে ৰাজবংশী জাতিৰ ভিন্নভাব দাবী) অসংকোচে মঞ্জুৰ কৰা গেলো, জাতিৰ উৎপত্তি সম্বন্ধে যতই প্ৰশ্ন থাকুক না কেন, আজ ইহা নিসন্দেহে বলা যায় যে ৰাজবংশীও কোচ পৃথক জাতি।" (আলপাইন কলিতা জাতিৰ ইতিহাস পৃষ্ঠা ৯২) দুয়ো নৰগোষ্ঠীৰ সাংস্কৃতিক মিলন কোচ শাসনৰ

পূর্বত হ'লেও পৰবৰ্তি কালতহে এই মিশ্রণৰ ভিত্তি গভীৰ আৰু প্ৰশস্থ হৈ পৰে। এনেদৰে কেৱা হেজাৰ বছৰ অতীতৰ পৰা মিলাপ্ৰীতিৰে বসবাস কৰি থকা আলপাইন, দ্রাবিড়, অষ্ট্রীক, মঙ্গোলীয় আদি নৰগোষ্ঠীৰ বিভিন্ন উপাদানৰ মিশ্রণেৰে সৃষ্টি হোৱা এই ভূভাগৰ সমন্বয়ৰ সংস্কৃতিৰ কোন'টা উপাদ'ন কোন নৰগোষ্ঠীৰ তাক নিৰূপন কৰা টান হৈ পৰিছে।

সাহিত্যিক পেঞ্চনাৰ শ্রদ্ধেয় অম্বিকা চৰণ চৌধুৰীয়ে 'ৰঙপীঠত এভুমুকি' গ্রন্থত ৰঙপীঠৰ কথা কৈছে। প্রাক্‌জ্যোতিষ-কামৰূপ ৰাজ্যৰ কাম, ৰঙ, সোমাৰ, ৰ্ম এই চাৰি পীঠৰ ভিতৰত এই বৃহৎ অঞ্চল যুগ পৰম্পৰাভাবে ৰঙপীঠ নামে জনাজাত। সেয়ে শ্রদ্ধেয় শিৱানন্দ শর্মাই এই বৃহৎ অঞ্চলত প্রবাহিত সাংস্কৃতিক প্রবাহটোক ৰঙপীঠৰ সংস্কৃতি বোলাৰ মানসিকতা প্রকাশ কৰিছে। গোৱালপাৰা নামটি পৰবৰ্তি কালতহে হৈছে। ১৯৮২ চনত গোৱালপাৰাৰ পৰা প্রকাশিত 'উত্তৰণ' স্মৃতি গ্রন্থত শ্রদ্ধেয় তাৰিণী কান্ত শর্মাই গোৱালপাৰা নাম সম্পর্কে দুটি মত প্রকাশ কৰিছে : ১। ঈশ্বৰ ঘোষৰ শাসন কালত তেওঁ গোৱালি-টিপ্লিকা অঞ্চলত এজন ব্রাহ্মণক এডোখৰ মাটি দান কৰিছিল। সেই গোৱালিটিপ্লিকা নামৰ পৰাই পৰবৰ্তি কালত গোৱালপাৰা নাম হয়। ২। মির্জা নাথনৰ 'বাহাৰিস্তান ই ঘাইবী'ত ঘালোৱাগাৰা বা গালোৱাপাৰা খৃষ্টাব্দৰ ওচৰত এটি চুবুৰী আছিল। এই গালোৱাপাৰাৰ পৰাই পৰবৰ্তি কালত গোৱালপাৰা হয়। 'দশম শতিকাৰ ঈশ্বৰ ঘোষৰ তাম্রলিপি মতে তেতিয়াৰ নামনি কামৰূপ ৰাজ্যৰ ঘিটো মণ্ডল তাৰ নাম আছিল 'গাল্লিটিপ্লক মণ্ডল।' ইয়াৰ সীমা আছিল পশ্চিমৰ কৰতোৱাৰ পৰা পূবৰ মানাহলৈকে। হলেও এই অংশই গাল্লিটিপ্লক মণ্ডল বা ৰঙপীঠৰ পুৰণি সংস্কৃতিৰ ধাৰা বর্তমানেও বহন কৰি আছে। সোণকোষৰ পৰা মানাহলৈকে ঘোৰা এলকাত এই সংস্কৃতিৰ সংগীত নৃত্যৰ নাম 'গোৱালপৰীয়া।' সেয়ে গোৱালপৰীয়া লোক সংস্কৃতিৰ উপাদান ইমান বহল আৰু বিস্তৃত যে পৃথিবীৰ কোনো প্রান্ততে সংস্কৃতিৰ এনে বৈচিত্ৰময়ৰূপ আৰু উপাদান, আৰু বিভিন্ন নৰগোষ্ঠীৰ সাংস্কৃতিক উপাদানৰ সমন্বয়ৰে সজীবভাবে সৃষ্ট সংস্কৃতি পাবলৈ নাই বুলি ডাঠি ক'ব পাৰি। ৰাজনৈতিক ৰাগী কুঠাৰাঘাতত ৰঙপীঠ ভাগি খণ্ড-বিখণ্ড হোৱাৰ পিছত গোৱালপাৰাকো ৰাজনৈতিক চাতুর্যৰে চীনবল কৰিবলৈ চাৰি ভাগ কৰা হ'ল। কিন্তু এই সংস্কৃতিয়ে নিজৰ সম্পূর্ণ নিজস্ব বৈশিষ্ট্য ৰক্ষা কৰি অম্লান বদনে আজিও সকলো ভাগ-বিভাগতে জীবন্তৰূপ গতিশীল হৈ আছে। ৰঙা, ৰাভা, গাৰো, চাওতালসকলৰ লোক সংস্কৃতিৰ প্রস্তুত সমল থকাতো অনিবার্য কাৰণ-বশতঃ সেইবোৰ ইয়াত সামৰি লোৱা নহ'ল।

কামৰূপ, কমতা অঞ্চলত বিভিন্ন ধৰ্ম প্ৰবাহৰ সহবস্থান হৈছে। সেয়া শৈব, শাক্ত, গাণপত্য, সৌৰীয়, বৌদ্ধ, জৈন ইত্যাদি। কামৰূপ ভূমিৰ এই অঞ্চলতে বৌদ্ধ বিহাৰ থকাৰ কথাও পণ্ডিতসকলে কয়। শ্ৰীসূর্য পাহাৰত আবিষ্কৃত জৈন মূৰ্তি আৰু জৈন তীৰ্থংকৰ মন্দিৰৰ পৰা বুজা যায় যে, জৈন ধৰ্ম বা ধৰ্মাবলম্বীৰ প্ৰভাৱো ইয়াত প্ৰগাঢ় আছিল। শংকৰ মাধবৰ বৈষ্ণৱ মতবাদ ৰাজ স্বীকৃতিপ্ৰাপ্ত হৈ এই বৃহৎ অঞ্চলত প্ৰচাৰ হৈছিল। কিন্তু গুৰু গোসাইৰ অবহেলাৰ বাবে এই মতবাদৰ জয়ধ্বনি ম্লান পৰিল আৰু ধৰ্মপ্ৰাণ জনসাধাৰণে গৌৰীয় বৈষ্ণৱ মতবাদ আকোৱালী ললে। ইচলাম মতবাদ বৈদিক মতবাদৰ তুলনাত সৌ সিদিনাহে এই অঞ্চলত প্ৰবেশ কৰিছে। কিন্তু বিশ্বভাতৃত্ববোধ, মানবতাবাদ আৰু আচৰণৰ নিশ্ছিদ্ৰ দায়বদ্ধতাৰ বাবে এই মতবাদে এই অঞ্চলৰ ইচলাম ধৰ্মাবলম্বীৰ ওপৰত বাৰুকৈয়ে গভীৰ প্ৰভাৱ বিস্তাৰ কৰিছে।

বিশেষভাবে মন কৰিবলগীয়া বিষয় যে, ৰতনপীঠ ভাস্কৰ্য, স্থাপত্য আৰু পুৰাতত্ত্ব এটি বহল দ আকৰ। হেজাৰ হেজাৰ বছৰ অতীতৰ ভাস্কৰ্য-স্থাপত্যই এই জিলাৰ মঠ-মন্দিৰ, সত্ৰ-দেৱালয়, মছজিদ দৰগাহ, প্ৰাসাদ-পাথৰত ক্ষয়মান অবস্থাতো বিশ্লেষণৰ পৰম আশাত এতিয়াও প্ৰতিক্ষাৰে ৰৈ আছে। ১৯২৫ চনতেই ভাৰতৰ প্ৰত্নতত্ত্বৰ জৰিপৰ পূৰ্বাঞ্চলৰ তত্ত্বধায়ক আৰ, চি, বেণাৰ্জীয়ে মত প্ৰকাশ কৰিছিল যে, "ভাৰতৰ ভিতৰত অসমেই একমাত্ৰ ৰাজ্য যাৰ স্থাপত্য আৰু ভাস্কৰ্যৰ ইতিহাস বৰ্তমানলৈ অজ্ঞাত হৈ আছে।" এই শতিকাৰ আৰম্ভণিতে কৰা বেণাৰ্জীৰ মন্তব্য শতিকাৰ শেষলৈ অলৰ-অচৰ হৈ ৰ'ল আৰু হয়তো অনাগত ভবিষ্যতলৈকো তেনেদৰে থাকিব। অসমত চলি থকা ৰাজনৈতিক তল্লা মল্লা যুদ্ধৰ পৰিবেশ-ঠেলি কোনো নতুন পুৰুষে এনেবোৰ কথাৰ গবেষণা কৰিবলৈ ওলাই আহিবনে? সময়ৰ এই আহ্বান প্ৰত্যাহ্বান হিচাবে গ্ৰহণ কৰাটো পূৰ্বাঞ্চলৰ সচেতন ৰাইজে বিচাৰে। বিভিন্ন মঠ-মন্দিৰ, থান-সত্ৰত শিলত কটা নানা দেব-দেবীৰ মূৰ্তি, বাঘ আদি জন্তুৰ মূৰ্তি, শিবলিংগ, শিলৰ খৰম আদিৰ পৰা আৰু সন্ধিৎসু-অসন্ধিৎসু মানুহৰ অগোচৰীভূত হৈ থকা সময়ৰ মামৰে ধৰা অনেক স্থাপত্য-ভাস্কৰ্যৰ উপাদানৰ পৰা অনুমান হয় যে, ৰতনপীঠত এনে কাৰ্যৰ কেন্দ্ৰস্থান আৰু প্ৰশিক্ষণ কেন্দ্ৰ আছিল আৰু তাত শিল্পীসকলক এনে কামৰ প্ৰশিক্ষণ দিয়া হৈছিল। ব্ৰহ্মপুত্ৰৰ উত্তৰ পাৰৰ যোগীঘোপা আৰু দক্ষিণ পাৰৰ পঞ্চৰত্নৰ শিলৰ গুহাই শিল্প কাৰ্যৰ উপৰি ৰতনপীঠৰ বসবাসকাৰী যোগীসকলৰ যোগ সাধন আৰু ধৰ্ম

১। শিৱানন্দ শৰ্মা— বন্দনা, ধুবুৰী ১৯৮৯ চন।

২। শেখ ছাদুল্লা : নতুন দৈনিক ২৬।৬।৯৪, ১০।৭।৯৪, ৩১।৭।৯৪ সংখ্যা।

৩। গোৱালপাৰা জিলাৰ ইতিহাস ১৯৭৬ আৰু বিভিন্ন প্ৰবন্ধ।

কার্যৰ তাৎপর্যপূর্ণ নিদর্শন দাঙি ধৰে। দক্ষিণ পাৰৰ শ্রীসূর্য পাহাৰৰ ভাস্কর্য স্থাপত্যৰ পৰা এই শিল্পৰ উজ্জ্বল নিদর্শনৰ উপৰি তাত শাক্ত, শৈব, বৈষ্ণৱ, জৈন, বৌদ্ধ আদি মতবাদৰ সমন্বয়ৰ শিল্প কার্যৰ অদ্ভুত উদাহৰণ ৰক্ষিত হৈছে।[১] ইদেশীয় পণ্ডিতৰ অভাৱত ৰত্নপীঠৰ প্রাচীন সভ্যতাৰ ৰহস্যবোৰ অনাবিষ্কৃত; অনাদৃত, অবহেলিত, অবিশ্লেষিতভাবে নিশ্চিহ্ন হোৱাৰ পথত আগবাঢ়ি আছে। এই দেশে, এই জাতিয়ে এই বিষয়ৰ সন্ধান কৰিবলৈ কেতিয়াকৈ উপযুক্ত পণ্ডিত গবেষকক জন্ম দিব?

শিবানন্দ শর্মা[৩] ঋতেন্দ্রমোহন দত্ত[৪] শ্যামাচৰণ নাথ[৫]

মদন ঠাকুৰীয়া[৬] আদি শ্রদ্ধেয় ব্যক্তিসকলে শ্রীসূর্য পাহাৰ, মৰনৈ, কোদালধোৱা আৰু ডাকাইডল গাওঁ, নং শ্বৰ দেৱালয়, দখলেং পাহাৰ, দুক্রেশ্বৰী পাহাৰ, পঞ্চৰত্ন পাহাৰ যোগীঘোপা, বঙ্কটবাৰীৰ মন্দিৰ শিবলিংগ, চান্দৰ ডিঙা, ৰঘুদেৱ-পৰীক্ষিতৰ ৰাজধানী লালকুৰা, 'য়াৰ ওচৰতে থকা আঠাৰকোটা', কাশ্যপ নগৰ, টোকৰাবান্ধা পাহাৰৰ শিলৰ যোৰ মূর্তি, শালকোচাৰ চক্রশিলা বগৰীবাৰীৰ মহামায়া, ধুবুৰীৰ নেতাই ধুবুনীঘাট ভৈৰৱ পাহাৰ, মহাদেৱ পাহাৰ, নুঙাই পাহাৰ, লালমাটিৰ গনেশ মন্দিৰ, পশ্চিম গোৱালপাৰাৰ শিঙিমাৰী, চোৰাইখোলা, শ্যামচৰণৰ কুঠি তামাহাট, কামানভাঙা দোতমা আদি বিভিন্ন ঠাইৰ লগত প্রাচীন কীর্তি কলাপ জৰিত হৈ আছে আৰু সেইবোৰ ঠাইত ৰত্নপীঠৰ আদ্যুতীয়া ভাস্কর্য স্থাপত্য আৰু লগতে পুৰাতত্ত্বও জৰিত হৈ আছে বুলি ন দি কৈ আহিছে। অতীতৰ এই গৌৰৱৰ তথ্যবোৰৰ আঁৰত সুসভ্য দ্রাবিড়ৰ মহীৰঙ্গ দানব আৰু অসুৰ বংশীয় ভাস্কৰ বর্মন আৰু মহাৰাজ মহেন্দ্র নাৰায়ণৰ ৰাজধানী থকাৰ কথাও উল্লেখ কৰিছে। এইয়াই নহয়, গোটেই ৰত্নপীঠ মুৰি প্রবাল, মণি মুকুতা সদৃশ ভাস্কর্য-স্থাপত্য পুৰাতত্ত্বৰ ষিবোৰ সমলৰ আজিও উদ্ধাৰ, তত্ত্ব ও তথ্যগত বিচাৰ-বিশ্লেষণ আৰু প্রচাৰ-সংৰক্ষণ হোৱা নাই সেইবোৰে নতুন পুৰুষ উদ্যমী লিখকসকলক গবেষণা কার্যলৈ উদ্ধাৰ কৰি ঘোপমৰা এন্ধাৰৰ পৰা পোহৰলৈ আনিবলৈ আহ্বান জনাই আছে। কিন্তু দুর্ভাগ্যৰ বিষয় এই যে,

৪। গোৱালপাৰা জিলাৰ পুৰাতত্ত্ব : অসম সাহিত্য সভা ধুবুৰী অধিবেশন : স্মৃতিগ্রন্থ ১৯৭২ চন।

৫। গোৱালপাৰাৰ প্রাচীন ভাস্কর্য আৰু স্থাপত্যৰ কেইটিমান নিদর্শন : ৰত্নপীঠ ১৯৮৭ ৮৮; খৰবোজা ঘাট— পুস্তিকা।

৬। ৰত্নপীঠৰ স্থাপত্য আৰু ভাস্কর্য, ৰত্নপীঠ, গোৱালপাৰা জিলা সাহিত্য পৰিষদ ১৯৮১—১৯৮২ চন।

বৈজ্ঞানিক পদ্ধতিৰে সেইবোৰৰ বিচাৰ বিশ্লেষণ আজিও আৰম্ভ নহ'ল। ফলত এই সম্পদ আৰু সম্পদবোৰৰ অপ্রকাশিত আৰু ও মৰ্ম কথা বিজ্ঞ বিশেষজ্ঞজনৰ দৰ্শন-স্পৰ্শন সান্নিধ্যলৈ নহাকৈয়ে কালৰ আঘাত আৰু গৰাহত দিনে দিনে ক্ষয়, ধ্বংস আৰু নিশ্চিহ্ন হ'ব ধৰিছে আৰু তেনেদৰেই ভবিষ্যতে এদিন লুপ্ত হ'ব। কিন্তু গোৱালপাৰা, অসম, ভাৰতৰ কেৱে এই বিষয়ে কাম কৰিবলৈ আগবাঢ়ি নহাটো কেবল আশ্চর্যৰে কথাই নহয়, মর্মভেদ কৰি যোৱা ধৰণৰ দুখৰ কথাও।

পশ্চাদপদ পুৰণি গোৱালপাৰা জিলাত যিখিনি শিক্ষাৰ বিস্তাৰ হৈছে সেইখিনি কেবল ব্যক্তিগত লাভালাভ আৰু প্রতিষ্ঠাৰ বাবেহে বুলি ক'ব পাৰি। এই জিলাৰ প্রতিখন মহাবিদ্যালয়তে বুৰঞ্জী আৰু সাহিত্য বিষয়ৰ ক.মও চাৰিজনকৈ অধ্যয়নপুষ্ট অধ্যাপক আছে। কিন্তু গোৱালপাৰা বা বতুপীঠৰ ইতিহাস ভাষা-সংস্কৃতি, ভাস্কর্য-স্থাপত্য আজিও অস্পর্শিত অবিশ্লেষিত। গোৱালপাৰা জিলা সাহিত' পৰিষদৰ ১৯৮২-৮৪ চনৰ কার্যকৰী কমিটিৰ কালত অধ্যাপক চিত্তৰঞ্জন চৌধুৰীৰ সভাপতিত্বত গোৱাল-পৰীয়া ভাষাৰ শব্দকোষ প্রণয়ন উপ সমিতি আৰু শিৱানন্দ শর্মাৰ সভাপতিত্বত বুৰঞ্জী প্রণয়ন উপ সমিতি গঠন কৰা হৈছিল। কিন্তু সমিতি দুখনে অশেষ চেষ্টা কৰি যিটো ফল পাইছিল সি আছিল কেবল মা.এটি শূণ্য। আমাৰ শিক্ষা আৰু জ্ঞানে নিজক নিচিনি, নেজানি আনক চিনিব, জানিব শিকাইছে। গতিকে বতুপীঠৰ বেলিমাৰ নগৈ ইংলণ্ডৰ গৌৰবৰ বেলি মাৰ যাবনে?

প্রাগজ্যোতিষ, কামৰূপ. কমতা, বিহাৰ হৈ নানা দ্বন্দ সংঘাতেৰে বৈ অহা আৰু বর্তমানো সঞ্জীবিত এই সংস্কৃতিলৈ ইছলামকে ধৰি বিভিন্ন ধর্মৰ প্রভাব পৰাৰ উপৰি নানা নৰগোষ্ঠীৰ কৃষ্টিৰ প্রভাবো পৰিছে। বতুপীঠৰে নহয় অবিভক্ত বঙ্গ উৰিষ্যাত বসবাস কৰা মুছলমানসকল নৰগোষ্ঠীৰ ফালৰ পৰা আলপাইন আৰু মঙ্গোলীয়। ১০।১২ বছৰমান আগতে গৌৰীপুৰৰ বন্ধু অঞ্জাগৰ আলিয়ে বর্তমানৰ পৰা ৬০।৭০ বছৰৰ আগৰ সংবাদ দি কৈছিল যে এই জিলাৰ ভাটীয়া মুছলমানসকল বঙ্গদেশতে নানা দ্বন্দ সংঘাতেৰে মুছলমান হৈ অহা মানুহ গোৱালপৰীয়া দেশী মুছলমানসকলৰ এওঁলোকৰে বিয়া-বাক এতিয়াও প্রচলন হোৱাহি নাই। গোৱালপাৰাৰ দেশী-মুছলমানসকলে তেতিয়া হিন্দুৰ দৰেই দেব-দেবীৰ পূজা-পার্বন কৰিছিল আৰু চৌলে-দগৰে, শাখাই-সেন্দুৰে, চাইলন-বাঁতিৰে, মাহ-হালধিৰে বিয়া পাতিছিল। মেছৰ ভাইৰৰ ৮কৰিমুল্লা 'ভঙৰীয়া'ৰ ঘৰৰ আগিলা-পাছিলাত দুখন 'ঠাকুৰৰ পাট' থকা আৰু তাত বিধি মতে পূজাদি হোৱা নিজ চকুৰে দেখা মানুহ এই অঞ্চলত এতিয়াও বহুত আছে। আলিয়ে কোৱা মতে ঢাকেৰা মুছলমান মৌলবীসকলে ইয়ালৈ গালি-

পাৰি পাৰি এইবোৰ মানুহক আজিৰ মুছলমান কৰিছিল। কিন্তু ভেতিয়া এনে কামত বাধা দিবলৈ ইয়াত আজিৰ দৰে ভাবাবেগযুক্ত কোনো হিন্দু নাছিল। সেয়ে গোৱালপাৰাৰ বহুত গাওঁত দেশী হিন্দু-মুছলমানৰ সহবস্থান দেখিব পোৱা যায়। আনহাতে মধ্য ভাৰতীয় প্ৰভাবতহে এই অঞ্চলৰ আজিৰ হিন্দুবোৰ হিন্দু হ'ল। ভেতিয়া গোৱালপৰীয়া হিন্দু-মুছলমানসকল ভাব-ভাষাই, আচাৰে-অনুষ্ঠানে আৰু আন বহুতো লোক সংস্কৃতিৰ উপাদানেৰে কেবল মানুহ আছিল- হিন্দুও নাছিল, মুছলমানো নাছিল। এয়া গোৱালপাৰা, বঙ্গপীঠৰে নহয় গোটেই ভাৰতৰে একালৰ ছবি। সি যি নহওঁক পৰম্পৰাগতভাবে প্ৰাগজ্যোতিষ শাসন কৰি অহা দানৱ (দ্ৰাবিড়) বংশৰ মহীৰঙ্গক বধ কৰি আলপাইন নৰকে প্ৰাগজ্যোতিষৰ ৰজা হয়। মহীৰঙ্গ আৰু তেওঁৰ পূৰ্বপুৰুষসকল দ্ৰাবিড় নৰগোষ্ঠীৰ মানুহ বুলি পণ্ডিতসকলে কেতিয়াবাই থাৰৰ কৰিছে। গতিকে প্ৰাগৈতিহাসিক যুগত সিন্ধু উপত্যকাৰ হৰপ্পা, মহেঞ্জোদাৰৰ পৰ্যায়ৰ দ্ৰাবিড় সভ্যতা ব্ৰহ্মপুত্ৰ উপত্যকালৈকো গঢ় লৈ উঠাৰ কথাও চিন্তা কৰিব পাৰি। কিন্তু পূৰ্ব ভাৰতবাসী মানসিকভাবে মধ্য ভাৰতবাসী হৈ এনেবোৰ সাংস্কৃতিক আৰু পুৰাতত্বমূলক কামৰ প্ৰতি বিতৰাগ, বিতশ্ৰদ্ধ আৰু বিতস্পৃহ হোৱা বাবে এনে শ শ বিষয়ৰ অন্বেষণ আৰু উদ্ধাৰ অতীতত হোৱা নাই আৰু ভবিষ্যতে হোৱাৰো চন্ন-নিচন্ন নাই। বৰ্তমান এই অঞ্চলত দ্ৰাবিড় নিশ্চিহ্ন, অষ্ট্ৰিকৰ প্ৰভাব কম। আগ্নিক সংস্কৃতি সময়ত এই দেশলৈ আহিলেও আৰ্যৰ আগমনৰ কথা সন্দেহাতীত নহয়। মগধৰ পূৰে ম্লেচ্ছদেশলৈ আৰ্যৰ আগমন হোৱা নাছিল বুলি শাস্ত্ৰোক্তি আছে। গতিকে বঙ্গপীঠৰ লোক সংস্কৃতি প্ৰধানকৈ আলপাইন মঙ্গোলীয় বুলিয়ে ক'ব পাৰি। অম্বিকা চৌধুৰীয়ে লিখিছে, "এই বাৰেৰবণীয়া নৃত্য-গীতবোৰৰ বিষয়ে ঠোৱতে ক'ব লাগিলে এই জিলাৰ মুখোস নৃত্য আৰু হুদুম দেউৰ নৃত্য প্ৰাকবৈদিক যুগৰ আলপাইন-সকলৰ অবদান ; ময়নামতী বা মৰিচমতী গীত তান্ত্ৰিক প্ৰধান, সোণাৰায় গীত কোচ মুছলমানৰ অবদান ; বাঁশ পূজাৰ গীত শৈব প্ৰধান, শিব আৰু শক্তিৰ সংঘাতৰ প্ৰতীক পদ্ম পুৰাণ। বাঁশী পুৰাণ বৌদ্ধ যুগৰ শেষ ভাগৰ উত্তৰ অঞ্চলৰ সৃষ্টি, কাতি পূজাৰ গীত আৰ্য ম্লেচ্ছৰ সংমিশ্ৰণত সৃষ্টি হৈছে, কুশান গান কোচসকলৰ সম্পূৰ্ণ নিজৰ অবদান। দেহতত্বৰ গীতত বৈষ্ণৱ মতবাদৰ উপৰি পীৰফকিৰসকলৰ প্ৰভাব বিদ্যমান। সত্যপীৰৰ মনাই যাত্ৰা আৰু নাওখেলৰ গীতত মুছলমান আৰু কিৰাতীসকলৰ প্ৰভাব পৰিলক্ষিত হয়। ভাটীয়ালী, ভাৰাইয়া, চটকা আদি গীত নানান সংমিশ্ৰণৰ ফল। নামতী বা বিয়াগীতত উত্তৰ ভাৰতীয় হিন্দুস্থানীসকলৰ প্ৰভাব পৰিছে।[৭] এই ক্ষেত্ৰত শিবানন্দ শৰ্মাৰ মন্তো উল্লেখনীয়। : "কোচসকলৰ বহুবছৰ পূৰ্বৰ পৰাই এই অঞ্চলত

মুখে মুখে গোৰক্ষনাথৰ গীত, বেউলা-লখীন্দাৰৰ গীত, বাঁশ, হুদুম, কাতি আদি ঠাকুৰৰ গীত সোনাৰায় ঠাকুৰৰ গীত প্ৰচলিত আছিল। পালসকলৰ পৰাই 'ময়নামতীৰ গীত' গীদালসকলে পালাগীত হিচাবে গাইছিল। ১২ শ শতিকাৰ পৰাই বাঁশী পুৰাণ, পদ্ম পুৰাণৰ গীত গোৱাৰ প্ৰচলন থকা যেন লাগে। পাঠান, মোগল আমোলত গীত নাটাসমূহৰ সুৰ পৰিবৰ্তন হয়। পীৰ আৰু বাদছাহসকলৰ আখ্যান গীতাংশত সোমাই পৰে। বাঁশ পূজাৰ লগত মাদাৰৰ বাঁশ' (মুছলমানৰ) আহি পৰে। বাঁশ নৃত্যৰ বগা চোঙৰ সম্বন্ধে এই গীতত মঙ্গোলীয় ঐতিহ্য পোৱা যায়। সোনাৰায় গীতৰ বাঘ পূজাত এই সম্পৰ্কে ইঙ্গিত স্পষ্ট। পাটানি পিন্ধাৰ ধৰণ বড়ো মহিলাই 'দোখনা' বা গাৰো মহিলাই দাখমান্দা' পিন্ধা ধৰণৰ লগত প্ৰায় একেই।"৮ শৰ্মাই আকৌ সম্পাদকৰ কলমৰ পৰা লিখিছে, "মুখা পিন্ধি নৃত্য কৰা ৰীতি এই জিলাৰ বহু পুৰণি সম্পদ। আনকি ২০।২৬ বছৰ আগতেও মুখোস নৃত্যৰ প্ৰচলন আছিল ..। তিব্বতবৰ্মী গোষ্ঠীৰ লোকসকলে এই অঞ্চলত নিগাজিকৈ বসবাস কৰাৰ আগতে পশ্চিম এচিয়াৰ পৰা ভাৰতত প্ৰবেশ কৰা আলপাইনসকলে লাহে লাহে পূবলৈ বসতি বিস্তাৰ কৰি উত্তৰ পূব ভাৰতত থিতাপি লয় বুলি শ্ৰীএন, এন ঘোষ মহাশয়ে তেখেতৰ "ইণ্ডো এৰিয়ান লিটাৰেচাৰ এণ্ড কালচাৰ" বোলা পুথিত উল্লেখ কৰিছে। পশ্চিম অসমত এওঁলোকৰ অবদান যথেষ্ট। পিশাচ ভাষা আৰু আন সংস্কৃতি লগত লৈ অনাৰ লগতে মুখোস নৃত্যৰ ৰীতিও এওঁলোকৰ দ্বাৰা প্ৰচলিত হয়।"৯ শ্ৰী শৰ্মাৰ কথাৰ সমৰ্থনত আৰু এষাৰি কথা সংযোজন কৰাৰ লোভ সামৰিব নোৱাৰিলোঁ। : "গতিকে ৰামপ্ৰসাদ ছন্দৰ, আলপাইন মিশ্ৰিত এদল মানুহ পূৰ্ব ভাৰতত বসবাস কৰি পিশাচী ভাষাৰ জন্ম দিছিল বোলা কথাষাৰহে পণ্ডিতসকলে গ্ৰহণ কৰিছে।"১০ কেবল মুখোস নৃত্যই নহয় মুখাকে আদি কৰি কুহিলাৰে নিৰ্মিত সকলো কুটিৰ শিল্পজাত কলাত্মক বস্তু, মাটিৰ পৰা তৈয়াৰ কৰা কৰ্মাত্মক-কলাত্মক বস্তু, কাঠৰ পুতুলা, খেলৰ বস্তু, নাও, সোণ-ৰূপৰ অলংকাৰ, মাছ মাৰা সাঁ-সঁজুলি আদি বহুতো উপাদান আলপাইন নৰগোষ্ঠীৰ যথাক্ৰমে মালাকৰ পাল, সূত্ৰধৰ, বণিয়া, কৈবৰ্তসকলৰ অবদান বুলি ভাবিবৰ থল আছে। এই জিলাৰ থলুৱা বাদ্যযন্ত্ৰ বাঁহী, বেনা, সাৰিন্দা, দোতাৰা, একতাঁৰা, গোপীযন্ত্ৰ, খোল, মন্দিৰা, তাল, গগনা, ঢোল, কৰথা, শফ, বাঁহী, সানাই,ঢাক আদি কোন নৰগোষ্ঠীৰ পৰা কোনটি আহিছে আৰ বৈজ্ঞানিক আলোচনা এতিয়াও বাকী। বাঁহী শ্ৰীকৃষ্ণৰ লগত বিশেষভাবে জৰিত। শ্ৰীকৃষ্ণ আলপাইন নৰগোষ্ঠীৰ মানুহ আৰু তেওঁৰ ভাষাও আলপাইন ভাষা।১১ বাঁহী সুষিৰ যন্ত্ৰ। গতিকে এই শ্ৰেণীৰ শিঙা, শঙ্খ, সানাই, আঁৰবাঁহী মুখবাঁহী, যোৱাবাঁহী আলপাইন নৰগোষ্ঠীৰ বুলি ভাবিব পাৰি।

নৰগোষ্ঠী হিচাবে পূৰ্বভাৰতত ককেচিয়ান, নিগ্ৰোয়ড, আলপাইনয়ড, মঙ্গোলয়ড আৰু অষ্ট্ৰোলয়ড শ্ৰেণীৰ মানুহ এই ভূভাগত বসবাস কৰে। ধৰ্মৰ ফালৰ পৰা হিন্দুৰ শৈব, শক্তি, গাণপত্য, সৌৰীয়, বৈষ্ণব, বৌদ্ধ, জৈন আৰু ইছলাম, খৃষ্টান জৰ উপাসক আদিৰ কথা ক'ব পাৰি। একে নৰগোষ্ঠীৰ মানুহ ভিন্ন ভাষা-ভাষী আৰু ধৰ্মাবলম্বী হ'ব পাৰে। একে ভাষা-ভাষীৰ মাজত ভিন্ন ধৰ্মাবলম্বী আৰু ভিন্ন নৰ-গোষ্ঠীৰ আৰু একে ধৰ্মাবলম্বীৰ মাজতো ভিন্ন ভাষাভাষী আৰু ভিন্ন নৰগোষ্ঠীৰ মানুহ থাকিব পাৰে। লোক সংস্কৃতি আৰু ধৰ্ম বেলেগ বিষয়। ক্ষেত্ৰ বিশেষে উভয়ৰ ওপৰত উভয়ৰে প্ৰভাব পৰিব পাৰে। ইয়াক সহবস্থান জনিত পাৰস্পৰিক প্ৰভাব বোলা যায়। মদ লোক সংস্কৃতিমূলক উপাদান। কিন্তু কালী পূজাত মদ অপৰিহাৰ্য। ধুমসীয়া ঠাকুৰৰ পূজা লোক সংস্কৃতিমূলক অনুষ্ঠান। কিন্তু এই পূজাত হোৱা অষ্ট প্ৰহৰ নাম যোগ্য ধৰ্মীয় প্ৰভাব। আচলতে কিন্তু লোক সংস্কৃতিৰ মূল শিপাডাল নৰগোষ্ঠী কেন্দ্ৰিকহে এটা অঞ্চলত বসবাস কৰি থকা ভিন্ন নৰগোষ্ঠীৰ বিভিন্ন লোক সংস্কৃতিৰ উপাদানেৰে সেই অঞ্চলৰ উমৈহতীয়া সংস্কৃতি গঢ় লৈ উঠে। এই প্ৰক্ৰিয়া গোৱালপাৰাৰ ক্ষেত্ৰতেই নহয়, সৰ্বত্ৰই প্ৰযোজ্য। প্ৰাক বৈদিক কালৰেপৰা বসবাস কৰি অহা আলপাইন নৰগোষ্ঠীয়ে বৰ্মন, পাল খেন আদি বংশৰ ৰজাসকলে এই ভূভাগ শাসনো কৰিছিল। ৰত্নপীঠৰ অধিকাৰীসকলত বৰ্তমানে ত্ৰিবেণী সংগম হৈছে। তেওঁলোক মূলতঃ আলপাইন কলিতা ব্ৰাহ্মণ। পিছত শঙ্কৰীয় মতবাদৰ 'ধামসত্ৰ' লৈ অধিকাৰী হ'ল। তাৰ পিছত দক্ষিণকালৰপৰা অহা গৌৰীয় বৈষ্ণব মতবাদৰ আচাৰ অনুষ্ঠান, ব্ৰত-উপবাস গ্ৰহণ ক'ৰিছে। বৰ্তমানে তেওঁলোকে গোটেই ৰত্নপীঠত সকলো আচাৰ অনুষ্ঠানত ব্ৰাহ্মণ-পুৰোহিতৰ দৰে কাম কৰে। এই অঞ্চলত সিচৰিত ভাবে বসবাস কৰি থকা সিংহ উপাধি বা পদবী থকা মানুহ-সকল সাধাৰণ ধাৰণাৰে কোচ-ৰাজবংশী বুলি ধৰা হয়। কিন্তু ড অতুল সুৰৰ মতে তেওঁলোক সিংভূম জিলাৰ সিংহ উপাধিধাৰী কোনো উপজাতি। তেওঁলোকে ৰত্নপীঠলৈ আহি আত্ম পৰিচয় হেকৰাই কোচ-ৰাজবংশী হৈ পৰিছে মাত্ৰ। কিন্তু

৭। ৰত্নপীঠত এভুমুকি ১৯৬১ পৃঃ ১১০।

৮। গোৱালপাৰা জিলাৰ ইতিহাস ১৯৭৬ পৃষ্ঠা ১১৪ — ১১৬।

৯। স্মৃতিগ্ৰন্থ ঃ গোৱালপাৰা জিলা সংস্কৃতি সংৰক্ষণ, পৃঃ ১৩৯—১৪০।

১০। আলপাইন কলিতা গোষ্ঠীৰ ইতিহাস, কিংকৰ, পৃঃ ১২৩—২৪।

১১। সময় প্ৰবাহ সাপ্তাহিকী ঃ ৰবিবাৰ ৩ আগষ্ট, নাৰায়ণ সৰকাৰ।

নৃগোষ্ঠীৰ বিচাৰত তেওঁলোক আলপাইনহে হ'ব লাগে। সি যি কি নহওঁক এই আটাইকেইটি নৰগোষ্ঠীৰ সাংস্কৃতিক উপাদানৰ সমন্বয়ত গোৱালপৰীয়া তথা ব্ৰহ্মপুত্ৰীয় লোক সংস্কৃতি গঢ় লৈ উঠিছে। আৰ্য, দ্ৰাবিড়, অষ্ট্ৰিক উপাদান থাকিলেও এই সংস্কৃতি আলপাইন মঙ্গোলীয় সাংস্কৃতিক উপাদান বিশিষ্টহে। বিভিন্ন নৰ-গোষ্ঠীৰ সাংস্কৃতিক উপাদানবোৰৰ কথা এনেদৰে উল্লেখ কৰিব পাৰি। যেনে:

১। অষ্ট্ৰিক: 'আনোহে গুৱা-পাণ কাটোহে খাই।

হাঁসি মনে আমৰা চলিয়া যাই॥

ব্ৰহ্মপুত্ৰীয়েই নহয় পূৰ্বভাৰতত তাম্বোল পাণ ব্যতিৰেকে কোনো মাঙ্গলিক অনুষ্ঠানেই সম্পন্ন নহয়। মানুহৰ জন্মৰ পৰা মৃত্যুলৈ শুভ অশুভ সকলো অনুষ্ঠানতেই গুৱা-পাণ অপৰিহাৰ্য। পণ্ডিতসকলে এই তাম্বোলৰ ব্যবহাৰ অষ্ট্ৰিকৰ বুলি কৈছে। হালধি সেন্দুৰ নহলে বৰ্তমান ভাৰতীয় জীবন যাত্ৰাই অচল হ'ব বুলি ক'ব পাৰি। তিৰোতাৰ কপালত ফোট, ঘটত ফোট, কুলাত ফোট, কলপাতত, তাম্বোলত, পাণত, কলত ফোট আদি ঘৰুৱা জীবন, ধৰ্মীয় জীবন সেন্দুৰে আৱৰি আছে। খোৱা খাদ্যৰ ভিতৰত হালধি এক অপৰিহাৰ্য বিষয়। এয়াও অষ্ট্ৰিকৰ অবদান।

২। দ্ৰাবিড: বঙ্গদেশৰ কোচসকলৰ লগত দ্ৰাবিড়ৰ মিশ্ৰণ হৈছিল বুলি বিজলী নামৰ পণ্ডিতজনাই কৈছে। পণ্ডিতসকলে 'পূজা দ্ৰাবিড়ে উৎপন্ন' বুলিছে। ফাৰ্গুচনকে আদি কৰি বহুতো পণ্ডিতে সৰ্প পূজাৰ আদি স্থান বুলি দ্ৰাবিড়ৰ দক্ষিণ ভাৰতকে নিৰ্ণয় কৰিছে। শ্ৰীমদ্ভাগবতত কালী নাগক দাক্ষিণাত্যৰ ৰমনক হ্ৰদলৈ পঠোৱা কথাৰ উল্লেখো আছে। ব্ৰহ্মপুত্ৰীয় মনসা পূজা আৰু মনসাৰ বিভিন্ন ৰূপৰ পূজাত দুৱণিবতীয়া হলেও দ্ৰাবিড়ৰ সৰ্প পূজাৰ প্ৰভাব আছে। ব্ৰহ্মপুত্ৰীয় বসন্তৰ মহৌষধ 'কাঞ্জিপানী' এক বিশিষ্ট সাংস্কৃতিক উপাদান। বিৰিঞ্চি কুমাৰ বৰুৱাৰ মতে ইয়ো দ্ৰাবিড়ৰে উপাদান। তেওঁৰ মতে কুটি-কুঠি শব্দটিও দ্ৰাবিড়ৰ পৰাহ অহা। ইয়াৰ অৰ্থ কুটিৰ, ঘৰ। ব্ৰহ্মপুত্ৰীয়ত কুটি শব্দ শেষত থকা অসংখ্য আছে। যেনে: হৰিয়াৰ কুটি, ৰামচৰণৰ কুটি, সায়ঞ্জাৰ কুটি, নাওকুটি, ঘাত কুটি, বক্সী কুটি, ৰামৰায় কুটি ইত্যাদি। দ্ৰাবিড় 'খল' শব্দৰ পৰাই খোলাম বা খোলানু শব্দ আৰু ধান, মাহ, সৰিয়হ আদিৰ মৰণা মাৰা প্ৰথা বা কাৰ্য আহিছে বুলি ভৰা হয়। এনে ধৰণৰ আৰু বহুতো সকৰৰ বিষয় ওলাব পাৰে যিবোৰ আচলতে দ্ৰাবিড় সংস্কৃতিৰ উপাদান: কিন্তু সমন্বয়ত ব্ৰহ্মপুত্ৰীয় সংস্কৃতিৰ লগত অভেদ্য, অপৰিহাৰ্যভাবে জাহ গৈছে, লীন হৈছে বা জীণ গৈছে।

মঙ্গোলীয়ঃ লাফা, ঢেঁকিয়া শাক, বাঁহৰ গজালিৰ তয় তৰকাৰী, কুচিয়া, গুই, কেকোৱা, পথকৰা শামুক, নেউল, শেলা (শহাপহু) গাহৰি, জহামাল আদি খোৱা প্ৰথা মঙ্গোলীয় সকলৰপৰা অহা। বিয়াৰ দৰাক বাচত হেঙাৰ ধৰা, ঘৰ জোঁৱাই থকা প্ৰথা মাতৃগণ্ডী মঙ্গোলীয় সমাজ ব্যবস্থাৰ অবদান। মঙ্গোলীয় নৰগোষ্ঠী মাতৃগণ্ডী সমাজ ব্যবস্থাৰ লোক। গতিকে সমাজ আৰু ধৰ্মৰ জীবনত ঠিৰোতাৰ স্থান আৰু ভূমিকা অতি গুৰুত্বপূৰ্ণ। সেই হিচাবে গোৱালপৰীয়া লোক সংস্কৃতিৰ হুদুম পূজা আৰু কাতি পূজা নাৰী সমাজৰ বিষয়। এই পূজাত পুৰুষৰ উপস্থিতিও নিষেধ। গতিকে দুয়োটি অনুষ্ঠানকে মাতৃগণ্ডী সমাজ ব্যবস্থাৰ বিষয় বুলি ভৱা হয়। কিন্তু পুৰাণৰ ভিত্তিত প্ৰতিষ্ঠিত বৰ্তমানৰ কাতি (<কাৰ্তিক) পূজা জনজাতীয় উৎসব বুলি ভাবিব নোৱাৰি। তথাপি তেনে বুলি ভাবিবলৈ হলে ইয়াৰ পূৰ্বতম অবস্থাৰ সংবাদ ল'ব লগীয়া হয় যিটো গবেষণাৰহে বিষয়। শিবানন্দ শৰ্মাই নাৰীৰ পৰিধেয় 'পাটানি' মঙ্গোলীয় অবদান বুলি কৈছে। সোনাৰায় পূজা আৰু মনসা পূজাৰ লগত থকা সিজু গছৰ আগমন মঙ্গোলীয়-সকলৰ পৰা হৈছে বুলি পণ্ডিতসকলে কয়।

৩। আলপাইনঃ ৰত্নপীঠত আলপাইন নৰগোষ্ঠীৰ মানুহেই সংখ্যা গৰিষ্ঠ আৰু ইয়াৰ সংস্কৃতিৰ অধিক অংশ উপাদানেই এই নৰগোষ্ঠীৰ পৰা অহা। বিয়া অনুষ্ঠানৰ অগ্নিকৰ্মক বাদ দি বাকী সকলো অনুষ্ঠানেই আলপাইনৰ পৰা অহা। আলপাইনৰ পৰা কৃষি কৰ্ম আৰু তাৰ লগত জৰিত কৃষি-সংস্কৃতিমূলক অনুষ্ঠান বোৰ সৃষ্টি হৈছে। আলপাইন অধিকাৰীসকলে গৃহ নিৰ্মাণ পূজা-পাৰ্বণ, অন্নপ্ৰাসনকে আদি কৰি নানা সামাজিক অনুষ্ঠান নিজস্ব বিধি বিধানেৰে আজিও কৰি আছে। মঙ্গোলীয় বিয়া প্ৰথাই জোৱকৈ টানি নিয়া বা ৰাভাসকলৰ দৰে ঘৰ জোঁৱাই থকাৰ কথা প্ৰমাণ কৰে। মধ্যস্থতাকাৰী ব্যক্তিৰ সহযোগত কথা-বতৰা পাতি বিয়া পতা পদ্ধতি দ্ৰাবিড় আলপাইনৰ যুগ্ম অবদান। বিধবা বিয়া নিশ্চিতকৈ আলপাইনমূলজ। যোগ সাধন আৰু ইয়াৰ অলৌকিক কাৰ্য-কলাপ আলপাইনৰ নাথ বা যোগী সম্প্ৰদায়ৰ। তান্ত্ৰিক প্ৰধান ময়নামতী বা মৰিচমতীৰ গান নাথ-সকলৰ লগত জৰিত হৈ আছে। গতিকে ৰত্নপীঠৰ গুহা, যোগ সাধন আৰু যোগ সাধনেৰে জৰিত ময়নামতী আদি গান আলপাইন নৰগোষ্ঠীৰ অবদান। কুহিলাৰে নিৰ্মাণ কৰা নানা দেৱ-দেবী, চৰাই-চিৰিকতি, জীৱ-জন্তু আৰু নানা ধৰণৰ মনো-মোহা ফুল গোৱালপাৰাৰে নহয় অসম, ভাৰতৰে গৌৰৱৰ বিষয়। এই শিল্প

কার্যই গোটেই ভাৰতৰ উপৰি লণ্ডন পেৰিচকে ধৰি প্ৰাচ্য — পাশ্চাত্যৰ বহু দেশত প্ৰদৰ্শিত হৈ ভূয়সী প্ৰশংসা পাইছে। এই শিল্পবিধ বিশেষকৈ পশ্চিম গোৱালপাৰাৰ একশ্ৰেণীৰ মানুহৰ মাজতেই সীমাবদ্ধ হৈ আছে। তেওঁলোক মালাকাৰ নামে পৰিচিত। গতিকে এইবিধ শিল্পও আলপাইনৰ লগত জৰিত।

'কুশান গান কোচসকলৰ সম্পূৰ্ণ নিজস্ব অবদান' বোলা অম্বিকাচৰণ চৌধুৰীৰ কথাষাৰ আৰু বাঁহ পূজাত ব্যবহৃত 'বগা চৌৱৰ'ৰ ভিত্তিত মঙ্গোলীয় ঐতিহ্য পোৱা যায়' বোলা শিবানন্দ শৰ্মাৰ কথাষাৰৰ লগত আমি একমত হ'ব নোৱাৰিলোঁ। কাৰণ ৰামায়ণৰ কাহিনীৰ লগত মঙ্গোলীয় কোচৰ সম্বন্ধ কম আৰু মঙ্গোলীয় কোনো ধৰ্মতৰ মাজত বাঁহ পূজা নাই। সংস্কৃতিৰ এই অবদান আলপাইনৰহে। ধান বগা ঢেঁকী আলপাইনৰ, উৰলা গাইন মঙ্গোলীয় বুলি ধাৰণা হয়।

৪। আৰ্য : পূৰ ভাৰতত আৰ্যৰ বসতি সম্বন্ধে এতিয়াও সন্দেহৰ অবকাশ আছে। কিন্তু আৰ্য সংস্কাৰৰ প্ৰভাৱৰ কথা নুই কৰিব নোৱাৰি। সাগ্নিক হোমযজ্ঞ, বিভিন্ন দেব-দেবীৰ পূজা আৰু শ্ৰাদ্ধাদি পাৰলৌকিক সকলোবোৰ ক্ৰিয়া-কৰ্ম আৰু কাল-বিলম্ব আঁচনিবোৰৰ আৰু এইবোৰেই তাহানিৰ পৰা বৰ্তমানলৈকে সমাজৰ অচ্ছেদ্য গ্ৰন্থি হিচাবে বান্ধি ৰাখিছে। বৈদিক যুগৰ সত্য দ্ৰষ্টা ঋষিসকলৰ বৈদিক মন্ত্ৰ বিধি বিধানৰ ওচ্চ মানী কিতা আজিৰ বিশ্লেষিত জনসমাজৰ লোকায়ত মানসিকতালৈ অবনমিত হৈছে আৰু সেই বৈদিক সংস্কৃতি আজি জন সংস্কৃতি বা লোক-সংস্কৃতিৰ প্ৰায় অভিন্নৰূপত সহবস্থান কৰি ৰৈছে আছে। পণ্ডিতপ্ৰৱৰ সুনীতি কুমাৰ চট্টোপাধ্যায় কৈছে, "ইহাৰা (অষ্ট্ৰিক) মানুষৰ একাধিক আত্মাত বিশ্বাস কৰিছে— মানুষৰ মৃত্যুৰ পৰে তাহাৰা আন গাছে, পাহাৰে অথবা অন্য জীব-জন্তুৰ ভিতৰ প্ৰবেশ কৰিছে এৰূপ ধাৰণা ইহাদেৰ ছিল। এই ধাৰণাই পৰবৰ্তি কালে ইহাদেৰ লইয়া হিন্দু জাতি সৃষ্টি হোৱাৰ পৰে, হিন্দুদেৰ মধ্যে উদ্ভূত পুনৰ্জন্ম বাদে পৰিণত হয়। শ্ৰাদ্ধৰ অনুৰূপ ৰীতি-মৃতকৰ মধ্যে মধ্যে আহাৰ দান— ইহাদেৰ মধ্যেও ছিল বলিয়া মনে হয়।"[১২] এয়া সত্য হলে পুৰোহিতৰ পাৰলৌকিক কাৰ্যাদি ব্যবস্থা অষ্ট্ৰিকৰ পৰা ধাৰ কৰা বুলি ক'ব পাৰি।

গতিকে দেখা যায় যে, ৰঙপাঠৰ সংস্কৃতি বিভিন্ন নৰগোষ্ঠী আৰু ধৰ্মগোষ্ঠীৰ বিভিন্ন উপাদান মিশ্ৰিত এক সমন্বয়ৰ সংস্কৃতিৰ উপাদানবোৰ প্ৰাক বৈদিক যুগৰ পৰা প্ৰাহিত হৈ আহিছে। এই সংস্কৃতিৰ অধ্যয়ন অতীব জৰুৰী। ইয়াৰ অধ্যয়নেহে প্ৰাগজ্যোতিষ-কামৰূপ, কামৰূপ-কমতা আৰু কমতা-কোহাৰ ৰাজ্যৰ

১২। ভাৰত সংস্কৃতি : পৃঃ ৯৪ (বাঢ়ৰ সংস্কৃতি ও ধৰ্ম ঠাকুৰ পৃঃ ১১১।

সংস্কৃতিৰ অধ্যয়ন পূৰ্ণ কৰিব। অসমীয়া বঙালী সংস্কৃতিৰ অধ্যয়নৰ ক্ষেত্ৰত পণ্ডিত-সকলে ৰত্নপীঠৰ সংস্কৃতিলৈ পিঠি দি গৈছে। ৰত্নপাঠবাসীৰ মনকুহৰত আজি এই সুদৃঢ় সংস্কৃতিৰ অধ্যয়ন, বিশ্লেষণৰ নবজাগৰণ সৃষ্টি হৈছে। গতিকে পূৰ্ব-ভাৰতৰ আটাইকেইখন বিশ্ববিদ্যালয়ে বিভিন্ন জনক বিভিন্ন দিশত দায়িত্ব দি এই সংস্কৃতিৰ স্বৰূপ নিৰ্ণয় কৰি তাৰ মাতৃতা প্ৰতিষ্ঠা কৰাৰ লগতে সংৰক্ষণৰ ইয়াৰ ধাৰাবাহিকতা নিশ্চিত কৰা উচিত। ই এক সময়ৰ জৰুৰী আহ্বান। কালক্ষয় নকৰি এই আহ্বানৰ প্ৰতি সহানুভূতিৰে সহাৰি দিয়াটো একান্তই কৰ্তব্য আৰু দায়িত্ব বুলি বিবেচিত হয়।

ৰত্নপীঠৰ শত-সহস্ৰমুখী লোক সংস্কৃতিৰ এটি গুৰুত্বপূৰ্ণ স্থান অধিকাৰ কৰি আছে লৌকিক ধৰ্মীয় জীবনে। মনৰ প্ৰগাঢ় বিশ্বাস, অন্তৰৰ একাগ্ৰতা আৰু হৃদয়ৰ ভক্তিৰে এই জনজীবন বহু দেব দেবীৰ চৰণ প্ৰান্তত নিক্ৰয় কৰি দিছে—জগত, জাতি, মানব সমাজ, পৰিয়াল আৰু ব্যক্তিগত জীবনৰ স্বাচ্ছন্দ আৰু প্ৰশান্তিৰ বাবে। শুভ-অশুভ শক্তিৰ অধিকাৰী-অধিকাৰিণী দেব-দেবীবোৰক মূৰ্তিমান ৰূপত দেখা যায় জনজীবনৰ ঠাকুৰৰ পাটত। ঠাকুৰ পাট বা ধাম হ'ল দেব দেবীবোৰৰ থান। গোৱালপৰীয়া লোক সংস্কৃতিৰ আধাতকৈয়ো বেছি অংশ হ সামৰি ৰাখিছে আৰু লোক-জীবনৰ নান দিশ ই নিয়ন্ত্ৰণ আৰু নিৰূপিত কৰি আছে। সেয়ে লোক-জীবনৰ ওপৰত ইয়াৰ প্ৰভাব অপৰিসীম। ঠাকুৰৰ পাটৰ দেব-দেবীবোৰৰ বৈদিক-লৌকিক যিয়েই নহওঁক পূজা-অৰ্চনা, ভক্তি-প্ৰাৰ্থনাৰ ক্ষেত্ৰত কিন্তু লৌকিকতাই প্ৰাধান্য পায়। বেদাচাৰ থাকিলেও সি অতি নগণ্য আৰু নৈমিত্তিক মাত্ৰ। ভক্তিৰ ক্ষেত্ৰত জনজীবনৰ সকলোখিনিয়ে থুপ খাই আছে পাটত। শুভাশুভ সকলো ক্ষেত্ৰতেই ফুল এপাহ দি ভক্তি কৰা, অসুখ-বিসুখ নিৰাময়ৰ বাবে, শুভ-পৰিণৰৰ বাবে মানস-মানাসিনা, পূজা-অৰ্চনা কৰা হয় ঠাকুৰৰ পাটত। সেয়ে ঠাকুৰৰ পাট গোৱালপৰীয়া সংস্কৃতিৰ প্ৰধান অঙ্গ। এই পাট বহু ভাগ আৰু শাখাত বিভক্ত। যেনে :

১। দশংগতি পাট : ৰাজহুৱা থান।
২। মাৰেয়াৰ পাট : গৃহস্থৰ থান।

মাৰেয়াৰ পাট বহু ভাগে বিভক্ত। সেইবোৰ এনে ধৰণৰ :

ক] ভিতৰবাৰীৰ পাট, খ] জাইগনাৰ পাট— ১। তুলসীৰ পাট ২। জইন দেব-দেবীৰ পাট, গ] খোলানবাৰীৰ পাট, ঘ] ভিটাবাৰীৰ পাট, ঙ] ভুঁই-বাৰীৰ পাট।

১। দশংগতি পাট : ই বাইজৰ প্রতিষ্ঠান আৰু বাইজৰ প্রতিজনেই ইয়াৰ অংশীদাৰ। এখন পাটৰ সীমাৰেখা বা গণ্ডীৰ ভিতৰত থকা বাইজৰ উপাসনীয় বা পূজনীয় সকলোবোৰ দেব-দেবীয়ে এই পাটত থান পায়। গতিকে এই পাটৰ পূজা উপাসনাত বাইজৰ সকলে দেব দেবীৰ পূজা উপাসনা হয়। শ্মশান কালীক বাদ দি আন সকলোবোৰ দেব-দেবীয়ে পাটত ঠাই পাব পাৰে আৰু পায়। সেই দেব দেবীবোৰৰ কিছুমান হ'ল :

হৰি, মহাদেব, বলোৰাম, গণেশ, কার্তিক, পার্বতী, মহামায়া, কালী ভগবতী, মগংলচণ্ডী, মা ঠাকুৰাণী - ৭ ভনী শিতলা, সন্ন্যাসী, ধর্ম, মদনকাম, কামদেব বা বাঁশ, ধর্ম, শিব, সুবচনী পঞ্চদেবতা (ব্রহ্মা, বিষ্ণু, মহাদেব, গণেশ, কার্তিক) বুঢ়াবুঢ়ী, ভদ্রকালী, লক্ষ্মী, সৰস্বতী তিননাথ, বাস্তু, মনসা, মাৰাই, বিষহৰি, আমাতী চাঁইডল, আজাঙ্গ কাণী বিষহৰি নাৰায়ণ গোপাল, বিশ্বকর্মা, শিব-পার্বতী, সত্য নাৰায়ণ, গোসাঁথ জগন্নাথ, বাখাল হনুমান, চন্দ্র, সূর্য, বায়ু, বৰুণ, ইন্দ্র, সত্যপীৰ, মাধৰ গোসাই শণি, দুর্গা তুলসী, জগন্নাথ, নাৰায়ণ, বাসন্তী, দৌল, বাসপূজা।

সোনাৰায়, বাননী, নিৰবধি, বড়াকড়ি, নেৰানেৰী, চৰক গুচুম, ঢেলখাওৱা, তেপইটা ঠাকুৰ দাৰা ৰ দাহ ডাইন-ডাইনী পেতনোনী যকা-কালযকা, বৈষ্টম যকা, অবলা পাগলা-পাগলী, ডাকাইত অচিন, গগণা, ডাকেশ্বৰী, পটেশ্বৰী, ধুমসয়া, ৰণপাগলী, বনৰাসী, জীন বাবা পৰি পেত্নী, ব্রহ্মদৈত্য ময়লাদেও, মাশান, শ্মশান চেৰা মাশান, নাৰীয়া মাশান মৃৰীয়া মাশান, ঢেকুৰা মাশান, ঘাউৰা মাশান পুৰা মাশান, মুখীয়া মাশান, কাসুৰা মাশান পেটুৰা মাশান ঘেগুৱা মাশান, চর্দাৰ ঠাকুৰ, গাবুৰ ঠাকুৰ, খুজানি ঠাকুৰ হাগুৰা ঠাকুৰাণী, মুতুৰী ঠাকুৰাণী ইত্যাদি।

২। মাৰেয়াৰ পাট : মাৰেয়াৰ বহু পাটৰ কথা ইতিমধ্যে কৈ অহা হৈছে। বহুত পাটত বহুত দেব-দেবী বহুবায় আৰু তিথি, বাৰ বছৰ হিচাবত সেইবোৰৰ যথাবিধি পূজা-উপাসনা হয়। প্রতি গৃহস্থৰ পাটতে তুলসী, হৰি মহাদেব, বাস্তু, লক্ষ্মী, গণেশ থাকিবই। তাৰ উপৰি পিতৃ পৰম্পৰাগতভাবে অহা দেব-দেবীও নিশ্চিতকৈ থাকিব। কোনো গৃহস্থই ইয়াৰ লগতে মাতৃ বংশৰ দেব-দেবীও পাটত ৰাখে। অন্যান্য দেব-দেবীবোৰ গৃহস্থই পূজিবও পাৰে নুপূজিবও পাৰে। সেইটো তেওঁৰ ইচ্ছাধীন। মাৰেয়াৰ বিভিন্ন পাটত কেনে ধৰণৰ ঠাকুৰ থাকে তাৰ সাধাৰণ নির্দেশ তলত দিয়া হ'ল। যেনে—

ক। ভিতৰবাৰীৰ পাট (ঘৰৰ ভিতৰৰ থান) : প্ৰত্যেক গৃহস্থৰ ঘৰৰ ভিতৰত প্ৰধানকৈ তিনিটা ঠাকুৰে থান পায়। সেয়া বাস্তু, গনেশ আৰু লক্ষ্মী।

খ। আইগ্‌নাৰ পাট : ই হ'ল ভিতৰ চোতালৰ থান। ই দুই ভাগত বিভক্ত : ১। প্ৰথম ভাগত তুলসীৰ পাট আৰু ২। দ্বিতীয় ভাগত হৰি, মহাদেৱ, বলৰাম, বংশৰ ঠাকুৰ আৰু মানাসিনাৰ ঠাকুৰ থাকে। এই পাট প্ৰকৃতত্তে দুখন হলেও কিছুমান গৃহস্থই অজ্ঞানতাবশতঃ বা অসুবিধাবশতঃ একেখনেই কৰে।

গ। খোলানবাৰীৰ পাট : আগফালৰ চোতালৰ কাষত থকা দেবতাৰ থান। ইয়াত সাধাৰণতে শুভ-অশুভ বেমাৰ-আজাৰ মাৰিমৰক আদি শক্তিৰে সংযুক্ত দেব-দেবীবোৰ থাকে। এই পাট সামুহিক ঠাকুৰঘৰো হয় আৰু বেলেগ বেলেগ ঠাকুৰঘৰো হয়। এই পাটত সাধাৰণতে এইবোৰ দেব-দেবী স্থাপন কৰা হয়। যেনে : বুঢা-বুঢ়ী, মহামায়া শিতলা বিষহৰি, অবলা, মঙ্গলচণ্ডী।

ঘ। ভিটাবাৰীৰ পাট : ইয়াৰ অৰ্থ হ'ল ঘৰ চোতালৰ বাহিৰত ওচৰে-পাজৰে থকা বাঁহবাৰী বা গাছনি বাৰীত পৰা দেব-দেবীৰ থান। সমাজত এনে কিছুমান দেব-দেবীৰ কল্পনা আৰু বিশ্বাস আছে। যিবোৰে মানুহৰ অনিষ্ট সাধন কৰাৰ সম্ভবনা বেছি। অশুভ আৰু অনিষ্টকাৰী শক্তিৰ গৰাকী বিবেচনাৰে বাসগৃহৰ পৰা আঁতৰত এইবোৰৰ পাট নিৰ্মাণ কৰা হয় আৰু পূজা কৰা হয়। এনেবোৰ দেব-দেবী হ'ল ছয় কুৰি মাশান যকা, সন্ন্যাসী, ব্ৰহ্মদৈত্য, কাণী বিষহৰি পেত্নীতানী শ্মশান কালী ইত্যাদি।

ঙ। ভূঁইবাৰীৰ পাট : খেতি পথাৰৰ দেবতাৰ থান। এইবোৰ ঠাকুৰৰ স্থায়ী পাট নাই। কেবল পূজাৰ সময়ত সাময়িকভাবে অস্থায়ী পাটত বহুৱাই এইবোৰৰ পূজা কৰা হয়। তেনে দেবতাৰ সংখ্যা কম। যেনে : ধুনুম, সোনাৰায়, শ্মশান কালী আৰু কাতি। কাতিপূজা পৰিবেশ পৰিস্থিতি অনুযায়ী আইগ্‌না, খোলানবাৰী বা ভূইবাৰীত হ'ব পাৰে। বাৰৎ ই সম্পূৰ্ণকৈ স্ত্ৰী আচাৰযুক্ত অনুষ্ঠান। গভিকে পুৰুষৰ উপস্থিতি অপৰিহাৰ্যভাবে পৰিহাৰ্য। সেয়ে পুৰুষৰ শ্ৰৱন-দৰ্শনৰ আঁতৰত এই পূজা পতা হয়।

এই জীৱন আৰু দেব-দেবীবোৰে আধুনিক গবেষণাধৰ্মী বিশ্লেষণেৰে পৰিচ্ছন্ন হৈ বিশ্ব মানবৰ সম্মুখলৈ ওলাই আহিবলৈ উপযুক্ত আৰু সুদক্ষ খনিকৰ-শিল্পীলৈ বাট চাই আছে। এই জিলাত স্থায়ীভাবে প্ৰতিষ্ঠিত মঠ, মন্দিৰ, দেৱালয়বোৰত

প্রতিষ্ঠিত দেব-দেবীৰ পূজা-উপাসনা প্রত্যহ হয়। এই পূজা কিছুমানত বেদাচাৰ কিছুমানত লোকাচাৰ আৰু কিছুমানত মিশ্রিতভাৱ হয়। যেনে ঃ

১। থানৰ দেবতা ঃ বুঢ়া-বুঢ়ীৰ থান, মহামায়াৰ থান, পাগলাবাবাৰ থান, মাধৱ গোসাঁইৰ থান, ভৈৰৱ থান মহাদেৱৰ থান, বাঘেশ্বৰী থান, জগন্নাথ থান, ৰঘুনাথৰ থান, আই শাখাতীৰ থান, শ্রীসূর্য থান, দুধবৌৰৰ থান, ৰামচন্দ্রৰ থান ইত্যাদি।

২। মন্দিৰৰ দেবতা ঃ গণেশ মন্দিৰ, জলেশ্বৰ মন্দিৰ, মহাকালৰ মন্দিৰ, শনি মন্দিৰ, হৰিহৰ মন্দিৰ, কামাখ্যা মন্দিৰ, মহামায়া মন্দিৰ, ঢেল খাওৱা ঠাকুৰৰ মন্দিৰ ইত্যাদি।

৩। দেৱালয় ঃ দুৰ্গানাথ দেৱালয়, নন্দেশ্বৰ দেৱালয় তুক্রেশ্বৰী দেৱালয়।

৪। লিঙ্গ পূজা ঃ ই শিৱ পূজাৰ আন এটি ৰূপ। এই পূজাৰ লগত প্রজনন শক্তিৰ সম্পর্ক আছে। জনবিশ্বাস মতে শ্রীসূর্য পাহাৰতে এটা কম এক লাখ শিৱলিঙ্গ আছে।

৫। সত্র ঃ দ শশাল, বিষ্ণুপুৰ, ধর্মপুৰ, বাঙাপানী, নাওকাটা, গোপীনাথ, ৰঘুনাথ, জিনাৰাটা ন সত্র, জিনকাটা, ৰাজভুৱা সত্র, শিমলাবাৰী, হাতীৰ ডুবা, দলগোমা কৈ পুখুৰী, ঘিলাধাৰা, খেৰাপাৰা, চৌতাৰা, জাহলাই, টিপলাই, ফুলগুৰি, শ্রীৰামপুৰ, গোসাঁইগাওঁ বালীজানা বগুৰান, নলনা, বেতমাৰী ইত্যাদি।

৬। দৰগাহ ঃ দুখুৰীৰ পাঁচ পীৰ দৰগাহ, ভেগধোৱা পাহাৰৰ দৰগাহ, পাঞ্জাতল ৰ ডাকাইতৰ দৰগাহ ইত্যাদি।

৭। মছজিদ ঃ দুখুৰী (একাধিক), গৌৰীপুৰ (একাধিক), বিলাসীপাৰা, বগৰীবাৰী, সাপট গাম বড়াহাগাওঁ, চাপৰ বিজনী, লক্ষাপুৰ, অভয়াপুৰী, গোৱালপাৰা, জলেশ্বৰ, ফকিৰগঞ্জ সুবচৰ মণিচাচৰ কোকৰাঝাৰ আগমণি আদি নগৰ অঞ্চলৰ উপৰি মুছলমান বসতি প্রধান গাওঁত একাটৈকে সৰু হওঁক ডাঙৰ হওঁক মছজিদ আছে আৰু প্রত্যেকটিতে পাঁচোক্ত নামাজ হয় প্রত্যহ হয়।

শিৱানন্দ শর্মাই গোৱালপৰীয়া লোক সংগীতৰ দেশী আৰু শাস্ত্রীয় এই দুটি ধাৰা থকাৰ কথা উল্লেখ কৰিছে। সংগীতৰ ওজাসকলৰ মতে ভাৰতীয় সংগীতৰ দুটি ধাৰা— শাস্ত্রীয় আৰু লোকসংগীত। জ্যোতি আৰু বিষ্ণু প্রসাদেও কামৰূপী শাস্ত্রীয় সংগীতৰ ধাৰাৰ কথা উল্লেখ কৰিছে। তেওঁলোকৰ মতে হিন্দুস্থানী, কর্ণাটকী সংগীত ধাৰাৰ পৰা পৃথক আৰু নিজস্ব বিশেষত্বপূর্ণ উচ্চাঙ্গ সাংগীতিক ধাৰাৰে উক্ত দুয়ো শ্রেণীৰ সমপর্যায়ৰ কামৰূপী সংগীত ধাৰা আছে। উক্ত শর্মাৰ উচ্চাংগত

আজ সকালসাত, এসময়ত বিদ্যাপীঠাত অনুষ্ঠিত গোৱালপৰীয়া লোক সংস্কৃতিৰ মেলা উৎসৱক লগতে এটি আলোচনা চক্রৰো আয়োজন কৰা হৈছিল। তাত অঙ্কীয়নী নাম্নীয়া সংগীতক ধাৰাৰ ওপৰত ভিত্তি কৰি গোৱালপৰীয়া নাম্নীয়া সংগীতৰ ধাৰাৰ কথা আলোচিত হৈছিল। এই ধাৰাটো চর্যাগীত, শ্রীকৃষ্ণ কীর্তন ৰচনীত, মঙ্গলকাব্য যা পদ্মাপুৰাণ, কৃষ্ণান গান, পালা গান, বাঘমাৰী গান আদিৰ অবিহনে ভৰে ভৰে প্রবাহিত হৈ অহা বুলি অনুমান কৰা হয়। অবিভক্ত কামৰূপ জিলাৰ ওজাপালি চুলীয়া গীতসমূহ ভেদে প্রবাহৰ ধাৰণা কৰাৰ যথেষ্ট বল আছে। সংগীত শাস্ত্রত বিশেষ যুৎপত্তি নথকা শুদ্ধ পদস্পৰাভাৱে প্রচলিত বাঁশীপুৰাণ, পালাগান, দোতৰাগান আদিত গীদাল-দোতৰীয়ে, ওজা-ডাইনাপালিয়ে বাগ প্রধান হাক-ডাক দিয়ে। এইবোৰৰ বহস্য কোনে উদঘাটন কৰিব? এইবোৰৰ প্রত্যয়াত্মক বিশ্লেষণ কৰিবলৈ এই দেশলৈ জ্যোতি বিষ্ণু আকৌ আহিব নে?

ব্যক্তিগত প্রসঙ্গ :

'গোৱালপৰীয়া লোক সংস্কৃতি আৰু লোকগীত'ৰ পটভূমি ১৯৬৮ চনৰ পৰা আৰম্ভ কৰি ১৯৭৬ চনলৈ বিয়পা আৰু ১৯৭২ চনৰ পৰা আৰম্ভ কৰি ১৯৭৬ চনৰ ভিতৰত সদাশয় ব্যক্তি মাননীয় শ্রীদেৱেশ বিশ্বাস (ইণ্ডিয়া প্রেছ) শ্রীশান্তিৰঞ্জন দে (বীণা লাইব্রেৰী) আৰু (বর্তমান অধ্যক্ষ) শ্রীগজানন প্রসাদ কানু (বাজকমল প্রেছ) ৰ তত্ত্বাৱধানত তিনিটা খণ্ডত ই আত্মপ্রকাশ কৰিছিল। খণ্ড তিনিটি প্রকাশৰ শিক্ষাগুৰু ড° মহেশ্বৰ নেওগ ছাৰৰ হাতত পৰাত মোলৈ উপদেশ দি লিখিছিল "গোৱালপৰীয়া লোকগীত খণ্ড তিনিটি পাই আনন্দ পালোঁ। এয়া অতি প্রশংসনীয় কাম হৈছে আৰু এনে চেষ্টাত বিৰাম নপৰিব, ইয়াকে আশা কৰিলোঁ।" কিন্তু লিখক হওঁতাৱে চৰিত্রে ৰক্ষ খামখিয়ালী ধৰণৰ আৰু ধাদ খোৱৰ দুই দবে আত্মপ্রকাশ আৰু হৃদ্যগত চলা মানুহ। সেয়ে উপযুক্ত শুকৰ অনুশাসনৰ শিষ্যই ছাৰৰ কথাখাৰ শুকৰ সহকাৰে ধৰি থাকিব নোৱাৰিলে। ১৯৭৫ চনত গোৱালপৰীয়া ভাষা অধ্যয়নৰ বাবে বিশ্বাসক প্রকেছৰ ড° উপেন্দ্রনাথ গোস্বামী ছাৰ গৌহাটীলৈকে আহিল। তেওঁ আমাক উক্ত কাম দেখি ভাকে ওপৰতে ভিত্তি কৰি পৰেষণা কাম কৰিবলৈ উপদেশ দিছিল আৰু ছাৰৰ ১৯৭৫ চনৰ পৰা ১৯৮১ চনলৈ তেওঁৰ এই উপদেশ অব্যাহত আছিল। বাৰংবাৰ মিঠা উপদেশতো মই হেঙুকেন্ত মকমাত তেওঁ কৈছিল, 'তোমাক ভুল বুজি এনিল দুখ কৰিবা'। তথাপি খণ্ড তিনিটি একগোট কৰি হাতোৱাক

ব্যবস্থা কৰা।' সঁচা মৰম-চেনেহেৰে উপদেশ দিয়া নিৰ্ভাৰ্থ শুকান লেখক লক্ষ্মণ কৰা অপৰাধ শ্ৰদ্ধেয় ছাৰ যেন ক্ষমা কৰে। তেওঁৰে উপদেশমতে শ্ৰদ্ধেয় শান্তি বাবুক লগ ধৰিছিলোঁ। কিন্তু শান্তি বাবুৰে অশান্তিকে অমালি-থোমালিকৈ মই জোকোৱাত মইও শব্দ শুনা নিশ্চুতৰ (নিগনি দৰে নিশব্দ নিতাল মাৰি থাকিলোঁ। কিন্তু তেভিয়া মুবুজিলেও এতিয়া বুজিছোঁ যে উক্ত খণ্ড তিনিটাত গৱেষণাৰ বাবে সংগ্ৰহ কৰিবলগীয়া সমল আছে। কিন্তু সেই সমলৰ উপযুক্ত অধ্যয়ন, তুলনামূলক বিশ্লেষণ আৰু সমন্বয়ৰ অভাৱ তেভিয়াও আছিল আৰু বৰ্তমানো সেই অভাৱ গ্ৰন্থখনিত হৈ গৈছে। ১৯৬৮ চনৰ পৰা ১৯৯৪ চনলৈ এই সংস্কৃতিৰ বহুতো সমলৰ আলোচনা বাতৰি কাকত, আলোচনী আৰু গ্ৰন্থত প্ৰকাশ পাইছে। কিন্তু দুই চাৰি ঠাইত বাদ দি সেই সমলৰ সংযোগেৰে এই গ্ৰন্থখন পুনৰ লিখি উলিয়াবলৈকো নোৱাৰিলোঁ। 'খোৱা আৰু শুবাই তোমাৰ জীবন' বুলি নীলিম নৰৌৰে মোক উদ্দেশ্য কৰি কৰা মন্তব্যটি মোৰ ক্ষেত্ৰত নিশ্চিত সত্য বুলি মই মানি লৈছোঁ। সত্যদ্ৰষ্টা ঋষিতুল্য ৰবীন্দ্ৰনাথে কৈছিল বোলে যে পৃথিবীত কোনা কামেই অথলে পেলনি নেযায়। সেয়ে বোধহয় চন্দ্ৰ প্ৰকাশৰ সঙ্গদম গৰাকীয়ে বিজনী মহাবিদ্যালয়ক অধ্যাপক জীৱনৰ বায়নৰ জৰিয়তে সংযোগ স্থাপন কৰি লোকগীতৰ খণ্ড তিনিটি নতুন সাজেৰে নতুন নামেৰে বৰ্ধিত আকাৰত প্ৰকাশ কৰাৰ দায়িত্ব মৰ পাতি ললে। তেওঁ নিজে উপযুক্তি এই দায়িত্ব লোৱাৰ পৰ তেওঁৰ এই লোক সংস্কৃতি আৰু লোকসাহিত্যলৈ গভীৰ আন্তৰিক অনুৰাগ থকাৰ কথা প্ৰকাশ পাইছে। এনে ধৰণে পশ্চিম অসমৰ লিখক-সকলে গুৰুত্বপূৰ্ণ প্ৰকাশসমূহক ওচৰত চিৰদিনেই 'নাপাত্তা' হৈ আহিছে। কিন্তু চন্দ্ৰ প্ৰকাশৰ গৰাকী শ্ৰদ্ধেয় শৰ্মাত এয়ান ব্যতিক্ৰম দেখা গ'লো। পশ্চিম অসমৰ লিখক আৰু তেওঁলোকৰ লিখা গ্ৰন্থ সম্পাদন কৰি গোটেইবোৰ অনাই উদাৰ মনোভাবেৰে যি শুভ দায়িত্ব লৈছে সেয়া প্ৰশংসনীয় আৰু অভিনন্দনীয়। তেওঁৰ নতুন লিখক, নতুন ক্ষেত্ৰ আৰু নতুন লিখনিৰ অনুসন্ধানৰ দৃষ্টিও আছে। আমাৰ পশ্চিমৰ লিখকসকলৰ বাবে তেওঁ এক অনুপ্ৰেৰণাৰ উৎস হ'ব। আজি বহু বছৰে অনাদৃতভাবে পৰি থকা গ্ৰন্থখনি প্ৰকাশ কৰা বাবে তেওঁৰ অকৃত্ৰিম উদাৰতা আৰু মানসিকতাৰ প্ৰতি নোৱাৰিলোঁ। এইখিনিতে আমাৰ কৃতজ্ঞতাও প্ৰকাশ কৰিলোঁ।

এই সংস্কৃতিৰ জানপুষ্ট ভিংভিত্তাৰ শ্ৰদ্ধেয় নীলকমল বাবুৱে লিখিছিল, "মোৰ পথীয়া লোকগীতক সাহিত্যিক ৰূপ দিখলৈ গৈ আপুনি যেনেকৈ ৰাজবংশী ৰাজ্যৰ কথাকবিৰ ভদ্ৰাহক প্ৰাণটোকে সজীৱনা মন্ত্ৰপুত অমৃত দিলে, কবিক ধৰিবলৈ মই যেন দেখিবলৈ পাইছোঁ স্বৰ্গকাতৰ সৌন্দৰ্যবোধ। এনে ৰাজী ৰাজ্যৰ সোণোৱাৰ

[illegible] বিষয়ে ব্যাকুলভাবে ভাবিছে আছে। মিত্রাহত গোৱালপৰীয়া লোকগীতৰ আপুনি সৌৰ কাঠিৰ দোহাৰ দি প্রেম সঞ্চাৰ কৰিলে দৰদী লেখনিৰে যি চেষ্টা চলাইছে এই অপূর্ব চেষ্টাৰ বাবে আপোনালৈ আমাৰ হিয়াভৰা কৃতজ্ঞতা জনাইছোঁ।

ইতি, আপোনাৰ

স্নাকৰণ নীলকমল দাস।

২৮।১।৭৮ ইংৰাজী।

সমীহ, লাজ, ভয়ৰ বেৰ ভাগি মৰসাহ কৰি ১৯৭২ চনত গোৱালপৰীয়া লোকগীতৰ ১ম খণ্ড প্রকাশ কৰোঁ। তেতিয়া দেবেশ বিশ্বাস মোৰ মনৰ আৰু বাহুৰ বল আছিল আৰু আজিও তেনে ৰূপতে তেওঁ মোৰ কাষতে আছে। এই গ্রন্থত মৰে-গৃহস্থে, বাটে ঘাটে, হাটে-পথে, গাড়ীয়ে-বিকাই লগ পোৱা আৰু লগ ধৰা বিমান পুৰুষ-মহিলাৰ সহায়-সাহায্য আছে তাৰ লেখ মই দিব নোৱাৰিম। যিবোৰ পত্র-পত্রিকা আৰু গ্রন্থৰ সহায় পোন বাটে নাইবা একো-বেকাঁকৈ লৈছোঁ তাৰ তালিকা এখন গ্রন্থৰ শেষত সংযোগ কৰি দিছোঁ। গ্রন্থকাৰসকলৰ ওচৰত মোৰ হিয়াভৰা কৃতজ্ঞতা নিবেদন কৰিলোঁ।

বৰ্তমানে পশ্চিম গোৱালপাৰাৰ বহু শিক্ষিত ব্যক্তিয়ে এয়া বোলে 'উই কি জানে?' 'সি কি জানে?' এই লিখকক উদ্দেশ্য কৰি কোৱা কথাযাৰ সত্য। কাৰণ লিখকৰ জন্ম গোৱালপাৰাত নহয়। সেয়ে গোৱালপৰীয়া সংস্কৃতি তেওঁৰ মাদ-মজ্জাত নাই। গতিকে গোৱালপাৰাৰ যি কোনো ব্যক্তিৰ তুলনাত এই সংস্কৃতিৰ কথা তেওঁ কম জানে। কিন্তু তেওঁতকৈ বহুত বেছি সুদক্ষ আৰু সুজান ব্যক্তি থকাতো আধুনিকতাৰ অত্যাচাৰত প্রত্যহ তিলতিলকৈ ক্ষয়মান এই আপুৰুগীয়া সাংস্কৃতিক সম্পদৰ সংৰক্ষণৰ কামটো কেৰেঁ হাতত নোলোৱাতকৈ তেওঁ এই ব্রত হাত দিলে। কিন্তু এইটো জনা কথা যে এই কাম এতিয়াও অপূর্ণ। সেয়ে অবিভক্ত জিলাখনৰ সুদক্ষ পণ্ডিত গবেষকসকল আগবাঢ়ি আহক আৰু বহু হেজাৰ বছৰ বিৰূপা বহুপাঠৰ লোক সংস্কৃতি, স্থাপত্য-ভাস্কর্যৰ অধ্যয়ন কৰক, এইবোৰৰ নিভুল ও সঠিক মূল্যায়ন কৰক। কিন্তু নিজে একো নকৰি 'উই কি জানে' বুলি সাঙুনা আৰু তৃপ্তি লভি হাত সাৰটি বহি থাকিলে এই সংস্কৃতিৰ অধ্যয়ন-বিশ্লেষণ, উৎকর্ষ সংৰক্ষণ নহ'ব। গতিকে যোগ্যজনক হাতে কামে আগবাঢ়ি আহিবলৈ অনুৰোধ আৰু আহ্বান জনালোঁ।

'পক্ষীসব উৰয় যেন পখা অনুসাৰে।' মাধব কন্দলিদেবৰ এই উক্তিৰে আমালৈ চাব। বেলেগ বেলেগ খণ্ড তিনিটিৰ ওপৰত ভিত্তি কৰি পাণ্ডুলিপিটো খৰখেদাকৈ

কৰা হ'ল যদিও ই সুসংগত নহ'ল। সেয়ে গ্ৰন্থখনিত পুনৰুক্তি দোষ, অসংগতি আৰু একে শব্দৰে ভিন্ন ভাষান হৈছে। তদুপৰি, তথ্য আৰু নিয়ন্ত্ৰণৰ উপস্থাপনত অসংগতি-বদ্ধ ৰূপ সন্নিহিত কৰাতো ত্ৰুটি বিচ্যুতি ৰৈ গৈছে। সত্য কথা ক'বলৈ হলে বিষয় বস্তুৰে কাণ্ডৰ হাতত নাবিকল পৰা যেন হৈছে। ভবিষ্যতে গ্ৰন্থখনি সুসংগত, পৰিমাৰ্জিত আৰু নিখুঁত ৰূপত প্ৰকাশ কৰা যাবে উপদেশ, পৰামৰ্শৰে লিখকক সহায় কৰি অনুগৃহীত কৰিবলৈ সুধী পঢ়ুৱৈসকলৰ ওচৰত বিনীত আৰু বিনম্ৰ অনুৰোধ জনালোঁ।

অবাঞ্ছিত মন্তব্য, বহা-টুটা দোষ-ত্ৰুটি আৰু অক্ষমতাহেতু এবাৰ নোৱাৰা ভুল-ভ্ৰান্তিৰ অপৰাধৰ বাবে পাঠক-পাঠিকাসকলৰ ওচৰত মাৰ্জনা বিচাৰিলোঁ। পৰম আশা ওক বাক্যৰে আপোনালোকে আমালৈ চাব আৰু বিচাৰ কৰিব—

আমি সমস্তৰে শিষ্য,
জানি কৰা বিমৰিষ,
মহন্তৰ ক্ষমাসে ভূষণ।

ধীৰেন দাস।
গৌৰীপুৰ, অসম।
৪।১২।৯৪

সূচীপত্র

	লোকগীত	১
১।	লোক-সংস্কৃতি	৩
২।	কৃষ্টি-সংস্কৃতি	৪
৩।	কামরূপ-গোয়ালপরীয়া লোক-সংস্কৃতি	৭
৪।	গোয়ালপরীয়া লোক-সংস্কৃতি	১২
৪। ক।	সামাজিক ব্যবস্থা	১২
৪। ক। ১।	জন্ম	১৪
৪। ক। ২।	বিয়া	১৫
৪। ক। ৩।	মৃত্যু	১৮
৪। ক। ৪।	আচাৰ অনুষ্ঠান	২০
৪। ক। ৫।	স্ত্রী-আচাৰ	২৩
৪। ক। ৬।	চাল-চলন	২৫
৪। ক। ৭।	কথা-বতৰা	২৬
৪। ক। ৮	হাই-দম্ভ-কাজিয়া	২৮
৪। ক। ৯।	লুপ্তপ্রায় বদ অভ্যাস	২৯
৪। ক। ১০।	হাঁহি-কান্দোন	৩০
৪। ক। ১১।	ঘৰ-দুৱাৰ নির্মাণ	৩১
৪। ক। ১২।	ঘৰ-দুৱাৰ সজাৰ সঁজুলী	৩৩
৪। ক। ১৩।	শিল্প	৩৩
৪। ক। ১৪।	অলঙ্কাৰ-অলংকাৰ	৩৬
৪। ক। ১৫।	খেতি-বাতি	৩৭
৪। ক। ১৬।	বেপাৰ বাণিজ্য	৩৭
৪। ক। ১৭।	খোৱা খাদ্য	৩৮
৪। ক। ১৮।	পূজা-পার্বণ	৪৩
৪। ক। ১৯।	ভূত-প্রেত	৪৫
৪। ক। ২০।	তন্ত্র-মন্ত্র	৪৬
৪। ক। ২১।	লোক বিশ্বাস	৪৮
৪। ক। ২২।	দেহাৰ ঔষধ	৪৯

৪। ক। ২৩। নামৰ বিশেষত্ব ৫০
৪। ক। ২৪। গোৱালপৰীয়া মানুহ ৫৩
৫। লোক কৰ্মৰ আহিলাপাতি ৫৪
৫। ক। কৰ্মাত্মক আহিলাপাতি ৫৫
৫। খ। কলাত্মক আহিলাপাতি ৫৬
৬। গোৱালপৰীয়া লোক সাহিত্য ৫৮
৬। ক। গোৱালপৰীয়া লোকগীত ৫৯
৬। খ। গোৱালপৰীয়া লোকগীতৰ কাৰিক সৌন্দৰ্য ৬০
৬। খ। ১। গীতৰ বিষয় বস্তু ৬১
৬। খ। ২। প্ৰতীক আৰু প্ৰকৃতি ৬২
৬ খ। ৩। ৰস-অলংকাৰ ছন্দ ৬৫
৬। খ। ৪। প্ৰকাশভঙ্গী ৭২
৬। গ। গোৱালপৰীয়া লোকগীতৰ চৰিত্ৰ ৭৩
৬। গ। ১। গোৱালপৰীয়া লোকগীতৰ তিনি চাৰিটি চৰিত্ৰ ৭৮
৬। গ। ২। গোদা-দোৱাৰী-গীদাল ৯৫
৬। ঘ। গোৱালপৰীয়া লোকগীতৰ সমাজৰ চিত্ৰ ৯৭
৬। ঙ। গোৱালপৰীয়া লোক নৃত্য ১৩২
৬। চ। গোৱালপৰীয়া লোকগীতৰ সুৰ-তাল ১৩৫
৬। ছ। বনঘোষা ও প্ৰেমমূলক গীতত শৃঙ্গাৰ ৰস ১৪২
৬। জ। গোৱালপৰীয়া উপভাষা : ধ্বনি আৰু ৰূপতত্ত্ব ১৪১
৭। গোৱালপৰীয়া লোকগীতৰ শ্ৰেণী বিভাগ ১৬০
৭। ক। পূজা-পাৰ্বনৰ গীত ১৬১
৭। ক। ১। যকা পূজা ১৬২
৭। ক। ২। মাগান পূজা ১৬৩
৭। ক। ৩। বান্নী বা বাৰুণী পূজা ১৬৪
৭। ক। ৪। বাস্তু পূজা ১৬৫
৭। ক। ৫। নিৱকলি পূজা ১৬৬
৭। ক। ৬। বুঢ়া-বুঢ়ী পূজা ১৬৮
৭। ক। ৭। কড়া কড়ী পূজা ১৭০

৭। ক। ৮। সত্যনাৰায়ণ পূজা ১৪২
৭। ক। ৯। বলোৰাম পূজা ১৪২
৭। ক। ১০। গোৰক্ষনাথৰ পূজা ১৪২
৭। ক। ১১। ত্রিনাথ পূজা ১৪৮
৭। ক। ১২। হুদুম পূজা ১৫০
৭। ক। ১৩। কাতি পূজা ১৫৯
৭। ক। ১৪। খাঁজ পূজা ১৬৫
৭। ক। ১৫। সোণাৰায় পূজা ১৭৫
৭। ক। ১৬। সুবচনী পূজা ১৭৮
৭। ক। ১৭। শিতলা পূজা ১৮১
৭। ক। ১৮। লক্ষ্মী পূজা ১৮৩
৭। ক। ১৯। মনসা পূজা ১৮৪
৭। ক। ২০। আজাঙৰ পূজা ১৯০
৭। ক। ২১। চড়ক পূজা ১৯১
৭। ক। ২২। ধুমসীয়া ঠাকুৰ পূজা ১৯৫
৭। ক। ২৩। জগন্নাথ পূজা ১৯৭
৭। খ। দেহাত্মা তত্ত্বমূলক গীত ১৯৯
৭। গ। গোৱালপৰীয়া প্রেমমূলক লোকগীত ২১৮
৭। গ। ১। সাধাৰণ প্রেম ২১৯
৭। গ। ২। পৰকীয় প্রেম ২২৬
৭। গ। ৩। দাম্পত প্রেম ২৫৬
৭। গ। ৪। বাধা-কৃষ্ণৰ প্রেম ২৪৯
৭। গ। ৫। সাধাৰণ প্রেমৰ গীত ২৪৫
৭। গ। ৬। পৰকীয়া প্রেমৰ গীত ২৫১
৭। গ। ৭। দাম্পত্য প্রেমৰ গীত ২৫৮
৭। গ। ৮। বাধা-কৃষ্ণৰ প্রেমৰ গীত ২৬৫
৭। গ। ৯। গোৱালপৰীয়া বিৰহৰ গীত ২৭২
৭। ঘ। বিবিধ বিষয়ৰ গীত ২৮৩
৭। ঘ। ১। মাছ মাৰা বিষয়ৰ গীত ২৮৩

৭। ঘ। ২। খেল-ধেমালির গীত— নাও খেল, ইহন মিহন একাডুম বেকাডুম ইত্যাদি ২৮৭
৭। ঘ। ৩। হাস্তরসর গীত ২৯৭
৭। ঘ। ৪। সামাজিক উৎসবর গীত ক। বিয়া উৎসব, খ। ধুবলি উৎসব, গ। এউরী মাগা ঘ। দৌল, ফাকু বা হোলী উৎসব ৩০৬
৭। ঘ। ৫। নিচুকনি গীত (নিন্দালি) ৩২২
৭। গ। ৬। ঘরুরা জীবন বিষয়ক গীত — বন্ধা-বঢ়া, অভাব-অনাটন, ধান বন্ধা ইত্যাদি ৩২৬
৭। ঘ। ৭। ছটক আরু ঘটকর গীত ৩৩৪
৭। ঘ। ৮। কাহিনীমূলক গীত ৩৪৩
৭। ঘ। ৯। বারমাহী গীত ৩৪৬
৭। ঘ। ১০। কুশান গান ৩৫০
৭। ঘ। ১১। অন্যান্য ৩৫৫
৮। শ্লোক শোলোক, ফাকিলি বা ছিলকা ৩৭৪
প্রবাদ বাকা ৩৭৫
মানষের লোভ শ্মশান পর্যন্ত ৩৭৭
সহায় লোৱা গ্রন্থ সমূহ ৩৭৯

লোকগীত

ভাই মোর গোরালপারীয়া
আয়রে জুঁতি আয়,
কোনবা-দরদী আমার আইস্‌ছে উঠিয়া ॥
আমাক চাইছে দেখিবার
আমার চাইছে শুনিবার,
কোন ঢঙে চালাই আমরা দুঃখের সংসার ॥
আমার বাপ-দাদার আচার,
আমার পূজার কারবার,
কোন ঢঙে করি পূজা চাইছে দেখিবার ॥
আমার জাইত ভুলিয়া
আমাক ভাই বুলিয়া,
নাম দিছেরে আমার ভাই গোরালপারীয়া ॥
আমার গোরাল্লনী গীত
আমরা যেদিয়া পাইতাই চিত
আমার গোরালপারী গান দেখিয়া চানরান ॥
দেশ বিদেশর কাছত না পৈ অপমান
ও তার উপায় করিয়া
ডাক দিছেরে আমাক ভাই ভাই বুলিয়া ॥
আমার দয়ার সত্যপীর,
আমার কাতির ধনু-তীর
আমার হুদুম দেবের ঝারি,
আমার হাউচের নয়ানমুরী,
আমার মনসা দেবীর পূজা
আমার সুবচনী সুজা,
আমার মাদার দেবের বাঁশ,
আমার গোরাল্লনী নাচ,
আমার ঠাকুর সোনারায়ক,
আমার মারায় পূজাক,
খিজনে ভাই দিলে জাগেয়া
প্রণাম জানাই আমরা গোরালপারীয়া ॥
ও ভাই নাযান ভুলিয়া
গরীব দেখিয়া কৃষ্টি আমার নাদেন ফেলেয়া ॥

রচয়িতা — মফিজুদ্দিন আহম্মদ

১। লোক-সংস্কৃতি

সর্বসাধাৰণ মানুহৰ লোকায়ত জীবনকেন্দ্ৰিক যি সংস্কৃতি সিয়ে লোক-সংস্কৃতি। আজিৰ বিশ্লেষণশীল যুগত জন-জীবন আৰু জন-সংস্কৃতি এক অতি গুৰুত্বপূৰ্ণ বিষয়। কাৰণ পৃথিবীত ধৰ্ম-বিজ্ঞান, কলা-সাহিত্য, ভাষা-সংস্কৃতি আৰু নৃগোষ্ঠীৰ অনুসন্ধানৰ ক্ষেত্ৰত এই জন জীবনেই প্ৰকৃত পটভূমি। পণ্ডিতসকলে কয় যে জন-জীবন আৰু জন সংস্কৃতিৰ অধ্যয়ন ব্যতিৰেকে যি কোনো গোষ্ঠীৰ পূৰ্ব-পুৰুষৰ অনুসন্ধান সম্ভবপৰ নহয়। সেয়ে বৰ্তমানে পৃথিবীৰ প্ৰান্তে প্ৰান্তে ইয়াৰ অনুসন্ধান আৰু অধ্যয়নত বহুতো পণ্ডিত ব্যস্ত আৰু মুখৰ।

এই বিষয়ৰ অধ্যয়নত নাম জলা পণ্ডিত আশুতোষ ভট্টাচাৰ্যদেৱে লিখিছে যে পশুজীবী আৰ্যগোষ্ঠীৰ মানুহবোৰে অতীতত গো চাৰণ কৰি বন্য যাযাবৰী জীবন-যাপন কৰোঁতে সুৰ দি গোৱা গীতবোৰেই পৰবৰ্তী কালত সংগৃহীত হৈ পবিত্ৰ বেদসূত্ৰ নামে প্ৰখ্যাত হৈছে। বেদৰ বাণীৰ নিচিনাকৈ আন বহুতো ক্ষেত্ৰৰে ভিত্তিমূলত আছে লোক জীবন আৰু লোক-সংস্কৃতি। পৃথিবীত জুইৰ আবিষ্কাৰ লোক জীবনেই কৰি ৷। লোক জীবনে আজিও গভীৰ বিশ্বাসেৰে ধৰি ৰখা বেজ বেজালিয়ে আধুনিক চিকিৎসা বিজ্ঞানৰ দিশ সামৰি ৰাখিছে। শিল কাটি তৈয়াৰ কৰা ব্যৱহাৰ্য আৰু চিকাৰৰ উপকৰণবোৰেই আধুনিক ব্যৱহাৰ্য আৰু যুদ্ধ বিগহৰ অস্ত্ৰ-শস্ত্ৰ তৈয়াৰৰ পটভূমি। আজিৰ ট্ৰেক্টৰৰ পটভূমি জন-জীবনৰ নাঙল। গতিকে সেই আদিম মানুহবোৰক বৈজ্ঞানিক নুবুলিলেও বিজ্ঞান আচলতে জ্ঞাতে-অজ্ঞাতে তেওঁলোকতেই আৰম্ভ হৈছে। বৰ্তমানৰ বিজ্ঞান আৰু প্ৰযুক্তি বিদ্যাৰ ক্ষেত্ৰত লোক জীবন আৰু লোক-সংস্কৃতিৰ দূৰণিবটীয়া হলেও আচাৰ আচোৰ আছে।

তেখেতে এই কথাও কৈছে যে লিখিত আৰু মৌখিক সাহিত্যৰ মাজত এক অতি গুৰুত্বপূৰ্ণ আৰু তাৎপৰ্যপূৰ্ণ পাৰ্থক্য আছে। প্ৰথম বিধ জন্ম হোৱা যুগৰ সংবাদ সম্বলিত আৰু শিলাবেখ যেন অপৰিবৰ্তিত। কিন্তু জন-জীবনৰ মৌখিক সাহিত্যই পৰিবৰ্তনৰ প্ৰবাহেৰে অতিক্ৰম কৰি অহা যুগৰ সংবাদ নিৰপেক্ষভাবে কঢ়িয়াই আনে। জন জীবন বেচিভাগ ক্ষেত্ৰত পৰিবৰ্তনশীল। এই সাহিত্যও পৰিবৰ্তিত জীবন ধাৰাৰ ধাৰক বাহক। গতি আৰু পৰিবৰ্তনশীল হোৱা বাবে জন সাহিত্য জীবন্ত। কিন্তু অপৰিবৰ্তিত হোৱা বাবে লিখিত সাহিত্য মৃতপ্ৰায়। ধৰ্মগ্ৰন্থৰ বাণী যুগ সাপেক্ষে ৰচিত অক্ষৰ বহাৰৰ দিশৰ কালৰ পৰাও প্ৰধানকৈ

যুগ সাপেক্ষ। কিন্তু সেই যুগ অতীত আৰু তাৰ যুগ সাপেক্ষ বহুত কথাই বৰ্তমান বাস্তৱ ও বৈজ্ঞানিক দৃষ্টিত অদৰ্কাৰী। আনহাতে যুগ-পৰিবৰ্তনত সৃষ্টি হোৱা নৱা জীবন-ধৰ্ম-সংস্কৃতিৰ ধাৰা তাত সন্নিবিষ্ট হ'ব নোৱাৰে। সেয়ে বিজ্ঞান সন্মতভাবে সেই গ্ৰন্থৰ বহুত কথা অদৰ্কাৰী হোৱাতো পৃথিবীৰ সকলো প্ৰান্তৰ মানুহে তাক মানি আহে। কিন্তু লোক জীবনৰ পৰিবৰ্তনৰ লগতে লোক ধৰ্ম-প্ৰথা-সাহিত্যবো পৰিবৰ্তন হয়। এইবোৰে অতীতৰ স্বাক্ষৰ ৰাখিও বৰ্তমানৰ সকলো লৌকিক উপাদান সাৱতি লৈ আগবাঢ়ি আহে আৰু বোৱতী নদীৰ প্ৰবাহেৰে ভবিষ্যতলৈ গতি কৰে। এই লোক জীবনে সাহিত্য, সংস্কৃতি আৰু বিজ্ঞানৰ পটভূমি। গতিকে লোক-সংস্কৃতিৰ আলোচনা আজিৰ বিজ্ঞান আৰু প্ৰযুক্তি বিদ্যাৰ ক্ৰমোৎকৰ্ষৰ দিনতো অপৰিহাৰ্য হৈ আছে।

— —

২। কৃষ্টি—সংস্কৃতি ঃ

আমি যাক কৃষ্টি বলোঁ ইংৰাজীত তাক Culture বোলে। Culture সম্বন্ধে আলোচনা কৰি Mathew Arnold এ তেওঁৰ "Sweetness and Light" গ্ৰন্থত জ্ঞানান্বেষনেই কৃষ্টি বোলা কথাটোৰ সমালোচনা কৰি লিখিছে "There is a view in which all the love of our neighbour, the impulses to-wards action, help and beneficence, the desire for removing human error, clearing human confusion, diminishing human misery, the noble aspiration to leave the world better and happier than we found it, motives eminently such as are called social — come in as part of the grounds of culture and the main and pre-eminent part"

কথাখিনিৰ ভাৱাৰ্থ হ'ল ঃ "কৃষ্টিৰ এনে এটা দৃষ্টিভঙ্গীও আছে য'ত ওচৰ চুবুৰীয়াৰ মৰম-চেনেহ, কাৰ্য-কাৰণৰ আবেগ-অনুভূতি সহায়-সম্বল মানবীয় ভুল-ভ্ৰান্তি দুখ-বেদনাৰ নূন্যতা সাধনৰ চেষ্টা আৰু শান্ত সাত্ত্বিক উপায়েৰে পৃথিবীৰ পৰা আঁতৰি যোৱাৰ উচ্চাকাঙ্ক্ষা — সামাজিক দস্তুৰ বুলি কোৱা এইবোৰ কৃষ্টিৰ একো একোটি প্ৰধান আৰু অপৰিহাৰ্য অঙ্গ।" তদুপৰি T. S. Eliot এ কৈছে ঃ "By culture I mean first of all what the anthropoligists mean : the way of life of a particular people living together in one place. That culture is made visible in their arts ; in their social system, in their habits and customs, in their religion. But these things added together do not constitute the culture, though we often speak for convenience as if they did. These things are simply the parts into which a culture can be anatomised, as a human body can. But just as a man is something more than an assemblage of the various constituent parts of his body, so a culture is more than the assemblage of its arts, customs, and religious beliefs." কথাখিনিৰ ভাৱাৰ্থ হ'ল ঃ "নৃতত্ত্ববিদ্-সকলৰ নিচিনাকৈ এডোখৰ ঠাইত বসবাস কৰা এচাম মানুহৰ জীবন ধাৰণৰ প্ৰণালীক মই প্ৰথম দৃষ্টিত কৃষ্টি বোলোঁ। এই কৃষ্টি তেওঁলোকৰ শিল্পকলা, সামাজিক ৰীতি-নীতি আৰু ধৰ্মানুষ্ঠানত স্পষ্টভাবে পৰিস্ফুট হয়। গতানুগতিক

ভাবে কলেও কিন্তু এইখিনিয়ে কৃষ্টি নহয়। এইবোৰ মানৱ দেহৰ অঙ্গ-প্ৰত্যঙ্গৰ নিচিনাকৈ কৃষ্টিৰ একো একোটি ক্ষুদ্ৰাঙ্গহে মাথোন। মানুহৰ বিভিন্ন অঙ্গ-প্ৰত্যঙ্গৰ থুপ এটিয়ে এজন সম্পূৰ্ণ মানুহ হব নোৱাৰাৰ নিচিনাকৈ শিল্প-কলা, সামাজিক ব্যবস্থা আৰু ধৰ্মৰ অনুশাসনৰ থুপ এটিয়ে কৃষ্টি হব নোৱাৰে। মানুহ অঙ্গ-সমষ্টিৰ উপৰি আন এটিহে।" কৃষ্টিও তেনে এটা বিষয়হে।"

পণ্ডিত দুজনৰ উপৰোক্ত উদ্ধৃতি দুটাৰ পৰা কৃষ্টি সম্বন্ধে এনে ধাৰণা হয় যে মানুহৰ মৰম-চেনেহ, আবেগ অনুভূতি, ভুল-ভ্ৰান্তি, দুখ-বেদনা দূৰীকৰণৰ চেষ্টা, মুক্তিৰ উচ্চাকাঙ্ক্ষা; শিল্প-কলা, সামাজিক আৰু ধৰ্মীয় অনুষ্ঠানত প্ৰকাশ পোৱা কলা-কৌশল, ৰীতি-নীতি, আচাৰ-ব্যহাৰ, বিশ্বাস-অবিশ্বাস, জীবিকা নিৰ্বাহ আৰু জীবন ধাৰণৰ প্ৰণালী, আৰু ইন্দ্ৰিয় অতীন্দ্ৰিয়, লৌকিক পাৰ-লৌকিক কেন্দ্ৰিক সূক্ষ্ম চিন্তা-চৰ্চ্চা এতে কটোৱেই কৃষ্টিৰ একো একোটি অবিচ্ছেদ্য আৰু অপৰিহাৰ্য অঙ্গ। তেনেহলে কি এই সকলোবোৰ অঙ্গৰ সুসমন্বিত মিশ্ৰণতে পূৰ্ণ কৃষ্টি প্ৰস্ফুটিত, পৰিপুষ্ট আৰু প্ৰতিভাত হয়? এই কথাটো বুজাবলৈ I S. Eliotএ দাঙি ধৰা উদাহৰণটো এই ক্ষেত্ৰত বৰ তাৎপৰ্যপূৰ্ণ। মানুহৰ অঙ্গ-প্ৰত্যঙ্গৰ থুপ এটি হ'লেই এজন মানুহ হব নোৱাৰে। হাত, ভৰি, মুৰ আদি অঙ্গ-প্ৰত্যঙ্গবোৰ শৰিৰ বোজা বন্ধা দি মিশ্ৰণ কৰিলে সি মানুহৰ আকৃতি লব নোৱাৰে। যথাস্থানত অঙ্গবোৰ দি মিশ্ৰণ কৰিলেহে সি মানুহৰ আকৃতি ল'ব। কিন্তু অঙ্গৰ সুসমন্বিত মিশ্ৰণেৰে গঢ়' কেবল আকৃতিটোৱেই মানুহ হ'ব নোৱাৰে। মানুহ বুলি কলে অঙ্গ-মিশ্ৰণৰ উপৰিও আন কিবা এটিক বুজায়। সেয়া হ'ল মানবীয় সত্তা। ই বুদ্ধি-বিবেক, চেতনা অনুভূতিৰ একক ৰূপ। কৃষ্টিও হ'ল এটি সত্তা স্বৰূপ। এই সত্তাৰ আত্মপ্ৰকাশ হয় কৃষ্টিৰ অঙ্গ-সমষ্টিৰ ধমনীক কেন্দ্ৰ কৰি। কৃষ্টি হ'ল এক অভিব্যক্তি। ই মূৰ্ত হয় কৃষ্টিৰ অঙ্গ-সমষ্টিৰ প্ৰাণ হিচাবে। গতিকে কৃষ্টি বুলিলে ওপৰত উল্লেখ কৰা অঙ্গ নাইবা অঙ্গ-সমষ্টিক নুবুজি তাৰ সামগ্ৰিক সত্বাটোকহে বুজিব লাগিব।

কৃষ্টি শব্দটি ওলাইছে √কৃষ ধাতুৰ পৰা। ইয়াৰ অৰ্থ হ'ল কৰ্ষণ কৰা বা চহোৱা। মাটি এডৰা কৰ্ষণ কৰা হয় তাত সুফল ফলাবৰ বাবে। ঠিক তেনেকৈ সমাজত কিছুমান নিয়ম-নীতি কৰা হয় সমাজ সুস্থ আৰু শুদ্ধভাবে নিয়ন্ত্ৰিত কৰিবলৈ। এই নিয়ম-নীতিবোৰ মানৱৰ সৰ্ব দিশত বিয়পি থাকে আৰু মানুহক জন্মৰ পৰা মৃত্যুলৈকে, জাগ্ৰত আৰু নিদ্ৰিত দুয়ো অবস্থাতে আবৰি থাকে। এই সকলোবোৰৰ মাজেৰে যি একক অভিব্যক্তি প্ৰতিভাত হয় সিয়েই কৃষ্টি।

মানৱ প্ৰকৃতজ। কিন্তু কৃষ্টি মানৱ জাত। সেয়ে কৃষ্টি প্ৰকৃতজ নহয়। প্ৰকৃতজ

হোৱা বাবে পৃথিবীৰ সকলো মানুহেই অঙ্গ-প্ৰত্যঙ্গৰ ফালৰ পৰা একে আৰু কিছুমান প্ৰাকৃতিক নিয়মতো একে। সকলো মানুহেই মুখেৰে খায়, কাণেৰে শুনে। সকলো মানুহৰ নিদ্ৰা একে, গৰ্ভপ্ৰদান আৰু গৰ্ভধাৰণ একে, জন্ম একে, মৃত্যু একে। এইয়া হ'ল প্ৰকৃতি। প্ৰকৃতি কৃষ্টি নহয়, হ'বও নোৱাৰে। সেয়ে এই একে বিন্দুৰ পিছত মানবীয় যি কাৰ্যাকাৰ্য আৰম্ভ হয় তাতেই কৃষ্টিৰো আৰম্ভণি হয়, গোৰাপত্তন হয়। অৰ্থাৎ "যিবিলাকত প্ৰকৃতিৰ প্ৰেৰণা থাকিলেও কেবল প্ৰাকৃতিক নিয়মত হোৱা নাই, কিন্তু মানুহে নিজৰ শৰীৰ আৰু মনৰ বিকাশৰ বাবে, সমাজৰ কল্যাণৰ অৰ্থে সৃষ্টি কৰিছে আৰু মানি লৈছে আৰু লগে লগে তাৰ বিকাশ সাধন কৰিছে সেয়ে হ'ল কৃষ্টি।" গতিকে কৃষ্টি কল্পনা প্ৰসূত নহয়। ই সম্পূৰ্ণকৈ জীবন আৰু বাস্তৱ জীবন বোধৰ ওপৰত প্ৰতিষ্ঠিত। যি কোনো এজন শিল্পীয়ে ললিত কলাৰ সহায়ত কল্পনাৰ প্ৰাচুৰ্যৰে মানুহৰ বিশ্বাস্য আৰু মনঃপুত কৰি নেদেখা-নুশুনা দেশৰো ৰূপদান কৰিব পাৰে। তাৰ বাবে ভূৰি ভূৰি প্ৰশংসাও পাব পাৰে। কিন্তু কৃষ্টিৰ বেলিকা তেনেকুৱা কথা নেখাটে। মানবীয় ক্ষুধা লজ্জা আৰু আশ্ৰয়ৰ লগত কৃষ্টিৰ জন্ম ৰহস্যৰ নিগুঢ় সম্বন্ধ আছে। ভোক নিবৃত্তি, লজ্জা নিবাৰণ আৰু আশ্ৰয় গহণৰ অন্বেষণত মানুহে প্ৰথমতে কৰ্মৰ সহায় ল'ব লাগে। কৰ্মৰ জৰিয়তে যেতিয়া জীবন ধাৰণ স্বচ্ছল হৈ পৰে তেতিয়াহে মানব মনত মানবীয় আদৰ্শ আৰু মুক্তিৰ আকাঙ্ক্ষা জাগি উঠে। গতিকে কৃষ্টিৰ মূল শিপা হ'ল জীয়াই থকাৰে জৰিত কৰ্ম। অন্যান্য কথাবোৰ পিছতহে আহে। মানুহৰ প্ৰথম কথা জীয়াই থকা। তাৰ পিছতহে ভাল ঘৰ, ভাল তিৰোতা, ভাল কাপোৰৰ কথা। জীয়াই থাকিবলৈ আহাৰৰ আবশ্যক। আহাৰৰ বাবে যি কৰ্ম সূচনা কৰা হয় তাতেই মানবীয় কৃষ্টিৰ বীজাঙ্কুৰিত হয়। অন্যান্য কৰ্মেৰে ই বৃক্ষত পৰিণত হয়। শ্ৰমৰ আনন্দকণ বিশ্ৰামতহে অনুভূত হয়। এই আনন্দই এই বৃক্ষক পল্লবিত কৰে। স্বচ্ছন্দ জীবনে মানবত কচিজ্ঞান আৰু কলাবোধ সৃষ্টি কৰে আৰু আধ্যাত্মিক চিন্তাৰ দুৱাৰ মুকলি কৰে। ইয়েই এই বৃক্ষ ফলান্বিত কৰি তুলে। ফুল পাত, ফল-মূলেৰে পৰিপূৰ্ণ গছডালৰ সৌন্দৰ্যই হ'ল কৃষ্টি। কৃষ্টি মানে সজা বিষয় নহয়। প্ৰকৃতিৰ পিছত মানুহে যি যাত্ৰা আৰম্ভ কৰে তাতেই কৃষ্টি গঢ় লৈ উঠে। এই যাত্ৰা বাস্তৱ। গতিকে কৃষ্টিও বাস্তৱ জীবন কেন্দ্ৰিকহে।

মুঠতে কৃষ্টি বুলি কলে মানবৰ জন্মৰ পৰা মৃত্যুলৈ, ইহলোক আৰু পৰলোক-মুখী যাত্ৰা বুজা যায় যি যাত্ৰাত সাধাৰণ মানবৰ খেতি-বাতি, আহাৰ-বিহাৰ, আচাৰ-অনুষ্ঠান, পূজা-পাৰ্বন, মাত-কথা, হাঁহি-কান্দোন, চাল-চলন, গীত-বাদ্য-নৃত্য, অলঙ্কাৰ, পোছাক পৰিচ্ছদ, দ্বন্দ্ব-খৰিয়াল, জীবন ধাৰণৰ প্ৰণালী, জন্ম-মৃত্যু-বিয়া আহি পৰে। এই সকলোবোৰৰ একক আভিব্যক্তিয়ে কৃষ্টি। গতিকে তলত এইবোৰ বিষয়ৰ আলোচনাৰে গোৱালপৰীয়া লোক কৃষ্টিৰ স্বৰূপ নিৰ্ণয় কৰিবলৈ যত্ন কৰা হ'ল।

৩। কামৰূপ–গোৱালপৰীয়া লোক সংস্কৃতি

কামৰূপ-গোৱালপাৰাৰ লোক-কৃষ্টি ভিন্ন নে অভিন্ন এইটো এটা ডাঙৰ প্ৰশ্ন। শাসনকাৰ্যৰ সুবিধাৰ বাবে কৰা প্ৰদেশ, জিলা, মহকুমাৰ সীমাৰেখাৰে কৃষ্টিৰ সীমা সীমাবদ্ধ কৰাটো মুঠেই সম্ভবপৰ নহয়। গোৱালপাৰাৰ পশ্চিম প্ৰান্তৰ আৰু কামৰূপৰ পূব-প্ৰান্তৰ মানুহ দুজনৰ মাজত কিছুমান বিষয়ত পাৰ্থক্য ওলাব ঠিক। কিন্তু যি মানাহ নদীয়ে কামৰূপ-গোৱালপাৰাৰ সীমাৰেখা তাৰ ইপাৰে সিপাৰে বাস কৰা মানুহ দুজনৰ ভিতৰত কি বিষয়ত পাথক্য পোৱা যাব তাক বিচাৰি উলিওৱাটো নিশ্চিতভাবে টান হ'ব। সেইদৰে সীমান্তবাসী অসমীয়া আৰু উত্তৰ বঙ্গৰ দুজন মানুহৰ ভিতৰত পাৰ্থক্য উলিওৱাটো টান কথা। সেয়ে ৰাজনৈতিক সীমাৰেখাৰ কথা বাদ দি প্ৰথমত ভৌগোলিক পৰিবেশ আৰু দ্বিতীয়ত গোষ্ঠী-ধৰ্ম-মাতকথা — এই তুলাচনীৰে বিষয়টো চালিজাৰি চাব লোৱা হৈছে।

ইতিমধ্যে কৈ অহা হৈছে যে প্ৰকৃতিৰ পিছতেই মানবীয় কাৰ্যাকাৰ্যৰে কৃষ্টিৰ সৃষ্টিৰ পাতনি মেলা হয়। এই কাৰ্য কাৰণবোৰ ঠাই ভেদে বেলেগ বেলেগ হয়। এই পাৰ্থক্যৰ মূলতেই আছে প্ৰথমতে ভৌগোলিক পৰিবেশ, দ্বিতীয়তে ধৰ্মীয় অনুশাসন আৰু নৰগোষ্ঠী। ভৌগোলিক পৰিবেশৰ বাবেই কিছুমান দেশ গ্ৰীষ্ম প্ৰধান আৰু কিছুমান দেশ শীত প্ৰধান। এই পৰিবেশে মানুহৰ স্বভাব চৰিত্ৰ, খাদ্য পোছাক, কথা বতৰাৰ ওপৰত প্ৰভাব পেলায়। ফলত এই দুই পৰিবেশত বাস কৰা জন-গোষ্ঠীৰ কিছুমান ভিন ভিন স্বকীয় বৈশিষ্ট্যৰ জন্ম হয় য'ত কৃষ্টিৰ মূল লুকাই থাকে। গতিকে ভৌগোলিক পৰিবেশ ভেদে কৃষ্টিৰ তাৰতম্য হয়। গোটেই ভাৰতবৰ্ষ খুৰি এক ভাৰতীয় কৃষ্টি। কিন্তু ভাৰতৰ উপকূলীয় অঞ্চলৰ মানুহ হিমালয়ৰ নামনি অঞ্চলত বাস কৰা মানুহৰ পৰা বহুক্ষেত্ৰত পৃথক। তেনেকৈ মৰুভূমিৰ দাঁতি-কাষৰীয়া ঠাইৰ মানুহৰ কিছুমান বিষয়ত পাহাকৰা নাইবা সমভূমি অঞ্চলত বাস কৰা মানুহৰ লগত অমিল আছে। গতিকে উক্ত ভৌগোলিক পৰিবেশ ভেদে এক ভাৰতীয় কৃষ্টিৰ তলতেই একো-একোটি আঞ্চলিক কৃষ্টিৰ জন্ম হ'ব পাৰে। এই কৃষ্টিবোৰ সুকীয়া, একক আৰু নিজস্ব বৈশিষ্ট্যযুক্ত। ভাৰতীয় কৃষ্টি এই সকলোবোৰক লৈয়ে মূৰ্তিমন্ত হৈ উঠিছে। ধৰ্ম আৰু ধৰ্মৰ বিশ্বাস কেতিয়াও কৃষ্টি নহয়; কিন্তু কৃষ্টিৰ

অঙ্গ। ধর্মীয় অনুশাসন আৰু যুক্তি কাৰণবোৰ মানব গোষ্ঠীত অভেদ্য ভাবে শিপাই যায় আৰু বহু ক্ষেত্ৰত ই কৃষ্টিৰ সংস্কাৰ সাধন কৰি ন ৰূপ, ন গঢ় দি মাৰ্জিত আৰু মজবুত কৰি তুলে।

ভৌগোলিক পৰিবেশ ভেদে কৃষ্টি বেলেগ হয়। কিন্তু একেটি ভৌগোলিক পৰিবেশত একোটি কৃষ্টিৰ সৃষ্টি হয়। কামৰূপ গোৱালপৰীয়াৰ একেটি ভৌগোলিক পৰিবেশ। একে পাহাৰ একে টিলা, একে মানাহ, একে ব্ৰহ্মপুত্ৰ, একে পানী, একে মাটি, একে জলবায়ু, একে জীবজন্তু একে শাল, একে শিমলু। ফলত দুয়োখন জিলাতে একে ধৰণৰ কৃষিকাৰ্য, গৃহ নিৰ্মাণ বন্ধন ভোজন-পিন্ধন আৰু জন্ম-বিয়া মৃত্যুৰ একে পদ্ধতিৰ বিধি বিধানৰ ওপৰত ভিত্তি কৰি সামাজিক ব্যবস্থা গঢ় লৈ উঠিছে। ধৰক'বা যাবতীয় বস্তুৰ নামকৰণত কৰবাত সাধাৰণত পার্থক্য হ'ব পাৰে। কিন্তু বস্তুবোৰৰ নিৰ্মাণ পদ্ধতি আৰু আকৃতিত এধানমানো পার্থক্য নাই। কৃষিকাৰ্য, গৃহনিৰ্মাণ আৰু মাছ মাৰাৰ সা সঁজুলিবোৰলৈ চালেই এই কথা ওলাই পৰিব।

এইখিনিতেই গোষ্ঠী, ধৰ্ম আৰু গোষ্ঠীগত কৃষ্টিয়ে খেলি-মেলিৰ সৃষ্টি কৰিব পাৰে। কিন্তু কৃষ্টিৰ সৃষ্টিত ধৰ্মতকৈ ভৌগোলিক পৰিবেশৰ গুৰুত্ব অধিক। কাৰণ একেটি ভৌগোলিক পৰিবেশত বাস কৰা কেবাটাও ধৰ্মৰ মানুহৰ কৃষ্টি একেটাই হ'ব পাৰে। গোৱালপাৰা জিলাৰ বহু ঠাৰ উদাহৰণ স্বৰূপে লোৱা হ'ল। এই কথা ভবাৰ লগে লগেই কিছ নামঘৰ, কালীমন্দিৰ আৰু মছজিদেই যে কৃষ্টি নহয়, কৃষ্টিৰ অঙ্গতে মাথোন এনে সিদ্ধান্ত মনত কৰি ল'ব লাগিব। কাৰণ ধৰ্মীয় বিশ্বাস আৰু মুক্তিৰ অন্বেষণেই জাতি এটাৰ পূৰ্ণ জীবন নহয়। এই অংশটিক বাদ দি চালে দেখা যায় যে প্ৰতিটো জাতিৰ একোটি সুবৃহৎ জীবনাংশ বৈ আছে। গোৱালপাৰা জিলাত ধৰ্ম হিচাবে হিন্দু হছলামৰ কথা কব পাৰি। নগৰৰ কথা নকৰেই একোখন গাঁওতেই দুই ধৰ্মৰ মানুহৰ সহ-বসতি বিশেষত্ব পূৰ্ণ। "বিহান বিকাল'ত একেখন ঠাইৰেই পৰা আজান আৰু হৰিধ্বনি একেখন আকাশলৈ একেজনা মঙ্গলময়ক উদ্দেশ্য কৰি আগ বাঢিছে। ফলত দুয়ো ধৰ্মৰ মানুহৰ মাজত এক প্ৰীতিৰ সৃষ্টি হৈছে। প্ৰীতি সদ্ভাবৰ কথা কণ্ঠতে দুই ধৰ্ম এক হৈ যোৱাৰ কথা কোৱা হোৱা নাই। কাৰণ ভাৰতবৰ্ষত বিশেষ ভাবে ধৰ্মীয় অনুশাসনগত পার্থক্যযুক্ত ধৰ্ম হ'ল হিন্দু-ইছলাম। ওপৰত উল্লেখ কৰা প্ৰীতি-সদ্ভাব, সহবসতি কৃষ্টিমূলীয়হে। ইয়াক ধৰ্মীয় অনুশাসনবোৰে পৃথক আৰু বিচ্ছিন্ন কৰিব নোৱাৰে। কাৰণ উভয়ৰে কৃষিকাৰ্য, গৃহ নিৰ্মাণ, অস্ত্র-অলঙ্কাৰৰ মিল আছে। উভয়ৰে একে খাৰ-সিদল, গীত-মাত। পার্থক্য মন্দিৰ-মছজিদত। এনে হোৱাৰ

মূল হ'ল ভৌগোলিক পৰিবেশ। একে ভৌগোলিক পৰিবেশৰ মাজত বাস কৰা ভিন্ন ধৰ্মীয় মানুহৰ যিমান মিল বেলেগ ভৌগোলিক পৰিবেশত বাস কৰা একে ধৰ্মীয় মানুহৰ মিল তাতোকৈ কম। কৃষ্টিবোৰ মিল নেথাকেই ধৰ্মৰ অনুশাসনবোৰতেই অমিল হ'ব পাৰে। পশ্চিম পাকিস্থানৰ মুছলমান এজনৰ লগত গোৱালপৰীয়া মুছলমান এজনৰ মিল কেবল ইছলামত আৰু তাতেই শেষ। কিন্তু গোৱালপৰীয়া হিন্দু-মুছলমানৰ মিল ম্যাদ-মজ্জা, শিৰা-উপশিৰাগত। একেটি ভৌগোলিক পৰিবেশত জন্মৰ পৰা মৃত্যুলৈকে বসবাস কৰাত পৰিবেশৰ প্ৰভাৱত এইবোৰৰ স্বাভাৱিকতে মিল হয়। কিয়নো একে বতাহ সেবন কৰা, একেখন আকাশৰ তলত থকা, একেখন পথাৰৰ চাউল, একেডৰা শাকনিৰ শাক, একেখন নৈৰ পানী খোৱা মানুহৰ তেজ-পানী, ম্যাদ-মজ্জা একে নোহোৱাটোহে অস্বাভাৱিক। এই ক্ষেত্ৰত ধৰ্মীয় অনুশাসনবোৰ আতৰি থাকে। ভৌগোলিক পৰিবেশেহে প্ৰাধান্য লাভ কৰে।

কৃষ্টিৰ প্ৰধান বাসস্থান হ'ল গাওঁ আৰু নাৰী। নগৰত কৃষ্টি নাই বুলি নকওঁ। কিন্তু গাওঁৰ কৃষ্টিক প্ৰকৃত বুলি নগৰৰ কৃষ্টিক 'খিচৰি' কৃষ্টি বুলিব পাৰি। কাৰণ নগৰত বিভিন্ন কৃষ্টিৰ মানুহ বাস কৰে। ফলত নগৰৰ সকলোবোৰ কৃষ্টিৰ এটি সান-মিহলি ৰূপ হয়। তাতে শক্তিশালী কৃষ্টিৰ প্ৰভাৱত নিশক্ত কৃষ্টিবোৰে 'চুক-ভেকুলী' হৈ থাকে। মুছলমানৰ মূৰ্তি পূজা নাই। কিন্তু নগৰত জন্মাষ্টমী-মনছাৰ আলিয়ে দুৰ্গা পূজাও পৰিচালনা কৰিছে। পশ্চিম গোৱালপাৰাৰ কোনো এখন নগৰতে গোৱালপৰীয়া লোক কৃষ্টিৰ স্থান নাই। আমি গোৱালপৰীয়া, আমি অসমীয়া বুলি ভৰা আৰু কোৱা আমালোকৰ এতিয়াও এই বিষয়ত চকু ফুঁকোৱা নাই। বাঁশপূজা, সোনাৰায় পূজা, কাতি পূজাৰ কি চিন মোকাম কোনখন নগৰত প্ৰতিষ্ঠিত হৈছে বাৰু? নগৰত বাস কৰা খাচ গোৱালপৰীয়া আমাক নিজৰ কোনটো আনেহে দেখুৱাই দিব লগা হৈছে। 'চেকা-সিদল' খালে ভট্টাচাৰ্য বাবুৰে হাঁহে, প্ৰাকৃত বোলে বাবে 'ঝাল চৰচৰী' খাই 'ৰায় মশায়ে' কোচ বিহাৰত 'পেটকটাৰ' কথা কোনজন নগৰবাসী খাচ গোৱালপৰীয়াই মনত ৰাখিছে? কামৰূপী সকলোৰো একে দশা, একে বিস্মৃতি। একে তেজ, একে স্বভাব, একে প্ৰকৃতি, একে স্মৃতি নহলে জানো দুয়ো জিলাৰ মানুহে একে ধৰণৰ দশাত ভুগে?

আপোনাৰ যদি কামৰূপ গোৱালপাৰাৰ লোককৃষ্টিৰ মিল চাবলৈ মন আছে তেন্তে গাওঁলৈ আহক। গাওঁত তিৰোতাসকলৰ মাজত 'সাতাম পুৰুষীয়া' লোক-কৃষ্টিৰ সকলোখিনি সম্পদেই বাচি আছে। সন্তান সম্ভবা নাৰী আৰু প্ৰসূতীৰ ক্ষেত্ৰত পালন কৰা সকলোবোৰ আচাৰ-অনুষ্ঠান কামৰূপ গোৱালপাৰাত একে। বাতিপুৱা শুই উঠি প্ৰথমেই বাঢ়নীটাৰেৰে ঘৰ-চোতাল সাৰি 'ছানপাৰা' [কামঃ ছান

চিটা দিয়া : গোবৰ পানী চটিয়াই দিয়া], চুৰাক (incense) প্ৰকৃত চুৰা হিচাবে নিয়ম-নীতিবে মানা দুয়োখন জিলাবে একে বস্তু। দিনটোত যিমানবাৰ শৌচ কৰিবলৈ যাব সিমানবাৰেই গা ধুৱা ৰীতি দুয়ো জিলাতে একে। প্ৰস্ৰাব কৰাৰ পিছত দুয়ো জিলাৰ তিৰোতাসকলে যোনী মণ্ডল পানীবে ধুৱে। মুছলমান সকলৰ ভিতৰতো এই প্ৰথা আছে। আনক অনুকৰণ কৰি নগৰবাসী দুই-এজনী জীয়াৰী বোৱাৰীয়ে তিনি দিনৰ বাহি গাৰে ভাত বান্ধি খুওৱা দেখা যায়। তেওঁ খাচ গোৱালপৰীয়া হলেও ব্যতিক্ৰমহে। বিয়া আৰু ধোৱনীৰ আয়তীসকলৰ আচাৰ অনুষ্ঠানবোৰ একে। আপুনি বন্ধন শালৈ চাওঁক, ঢেঁকি ঘৰলৈ চাওঁক, তাতশালৈ চাওঁক, গোহালি ঘৰলৈ চাওঁক সকলোবোৰতে কামৰূপ-গোৱালপৰীয়া নাৰীক একোটি ৰূপ গঢ়তে দেখিব। এনেদৰে খেতি পথাৰ, নামঘৰ, ভাই ককাই, বাই-ভনী সকলৰ আচাৰ-অনুষ্ঠান, খেল ধেমালিবোৰলৈ চাওঁক সকলোতে এক অভিন্ন ৰূপ দেখিব পাব।

দুয়ো জিলাৰ ভাষাৰ কথা দ্বিতীয় খণ্ড লোকগীতত আলোচনা কৰা হৈছে। দুয়ো জিলাৰ সামাজিক জীবন কেন্দ্ৰিক লোক-কৃষ্টিৰ মিলবোৰ ঠায়ে ঠায়ে উল্লেখ কৰা হৈছে। সেয়ে সেইবোৰ কথা ইয়ালৈ আৰু অনা নহ'ল। সকলোবোৰ কথা বিবেচনা কৰি আঞ্চলিক প্ৰভেদযুক্ত দুই-চাৰিটা সৰু সৰু কথা বাদ দি কামৰূপ গোৱালপাৰা জিলাৰ লোক কৃষ্টি একে আৰু অভিন্ন বুলি কব পাৰি। ইয়াতেই দুটি প্ৰশ্ন হব পাৰে। (১) কামৰূপ গোৱালপাৰাৰ লোক-কৃষ্টিৰ কোনটো কোনটোৰ পৰা ধাৰ কৰা বা জন্ম পোৱা ? (২) যদি একে মাতৃকা তেন্তে সেইয়া কোন ? ইয়াৰ প্ৰথম প্ৰশ্নটো অবান্তৰ আৰু ভ্ৰান্ত। দ্বিতীয়টোৰ মৌলিক ভিত্তি আছে। বৰ্তমান কামৰূপ গোৱালপাৰাৰ কৃষ্টি হৈছে প্ৰাচীন কামৰূপ ৰাজ্যৰ প্ৰাচীন কামৰূপী কৃষ্টি। অবশ্যে এই কামৰূপী কৃষ্টৰ ভিতৰুৱা আছিল উত্তৰবঙ্গ আৰু বংপুৰ। কিন্তু এই কথা আজি কোৱাৰ আৰু সাৰ্থকতাই বা ক'ত, অথই বা কি ? কাৰণ প্ৰবল শক্তিশালী বঙালী কৃষ্টিৰ প্ৰভাবত কেইপুৰুষমান আগবেই পৰা উক্ত অঞ্চলৰ মানুহৰ আত্মবিস্মৃতি আৰু বিলুপ্তি ঘটিছে। তেওঁলোকে কৃষ্টি বুলি যিটো কৰিছে সেইটো তেওঁলোকৰ নহয় তেওঁলোক প্ৰাচীন কামৰূপী কৃষ্টিৰ থুলৰহে মানুহ, তেওঁলোকৰ কৃষ্টিগত মিল বৰ্তমান কামৰূপ-গোৱালপাৰাৰ লোক-কৃষ্টিৰ লগতহে — এনেবোৰ কথা কোৱাৰ সময় কেতিয়াবাই পাৰ হৈ গ'ল। এতিয়া এইবোৰ কথাই উত্তৰবঙ্গ আৰু বংপুৰৰ মানুহক চাহিবহে মাত্ৰ সময় দিব। গতিকে এইবোৰ কথা আৰু ইয়ালৈ টানি নানো। কিন্তু এইটো ঠিক যে প্ৰাচীন কামৰূপ ৰাজ্যৰ কৃষ্টি

ৰৈ আছে অভিন্ন কামৰূপ-গোৱালপাৰাৰ লোককৃষ্টিত। বিভিন্ন কাৰণবশত এই প্ৰাচীন কামৰূপী কৃষ্টিয়ে আত্ম-বিকাশ আৰু প্ৰতিষ্ঠাৰে নিশ্বৰ স্বীকৃতি নেপালে সঁচা, অবদ্ধা এই কৃষ্টিয়ে জন্ম দিলে অসমীয়া কৃষ্টিৰ। কামৰূপী কৃষ্টিয়ে অসমীয়া কৃষ্টি নহয় সঁচা, কিন্তু বৰ্তমান কামৰূপ-গোৱালপাৰাৰ লোককৃষ্টিয়ে হৈছে অসমীয়া কৃষ্টিৰ মূল শিপা। এই মূল শিপাক কেন্দ্ৰ কৰি অসমৰ পৰ্বত-ভৈয়ামৰ নানা জাতি-উপজাতিৰ বিভিন্ন সম্ভাৰেৰে অসমীয়া কৃষ্টিৰ সৃষ্টি হৈছে। এইয়া কিন্তু অনস্বীকাৰ্য কথা।

গোৱালপৰীয়া লোককৃষ্টি কোনো সাম্প্ৰদায়িক কৃষ্টি নহয়। অৰ্থাৎ গোৱালপাৰা জিলাত বাস কৰা কোচ-ৰাজবংশী, বড়ো-কছাৰী, যোগী বা নাথ, কলিতা, কেওট, নাপিত, মুছলমান, গাৰো, চাওতাল আদি সম্প্ৰদায়বোৰৰ কোনো এটিৰে বাপতি সাহোন নহয়। গোৱালপাৰা জিলাৰ সম্প্ৰদায়ৰ কথা উল্লেখ কৰোঁতে বিশেষকৈ বিহাৰী, মাৰোৱাৰী আৰু বঙালা ভাষা-ভাষী সম্প্ৰদায়ৰ কথা উল্লেখ কৰা হোৱা নাই। কাৰণ এই সম্প্ৰদায়ে যি কোনো কাৰণতেই নহওক কিয় গোৱালপৰীয়া লোককৃষ্টিৰ সংস্পৰ্শলৈ অহা নাই। মাৰোৱাৰী আৰু বিহাৰী সকলে নিজৰ ভিতৰতে নিজৰখিনি লৈ আছে। বঙালীসকলে তেওঁলোকৰ শক্তিশালী কৃষ্টিৰে প্ৰায়বোৰ নগৰ দখল কৰি লৈছে আৰু তেওঁলোকৰ দুই এপদ বস্তু গাওঁলৈকো বিলাইছে। কিন্তু নিজকে গোৱালপাৰাৰ লোককৃষ্টিৰ আঁৰে আঁৰে ৰাখিছে। শক্তিশালী কৃষ্টিয়ে ওচৰতে থকা নিশকতীয়া কৃষ্টিলৈ সহানুভূতিহে দেখুৱায় তাৰে কেতিয়াও জীণ নেযায়। জগতৰ এই চিৰাচৰিত ৰীতিৰে চালে বঙালী কৃষ্টিৰ গোৱালপৰীয়া লোককৃষ্টিলৈ এই ব্যবহাৰ স্বাভাবিক যেন লাগে।

গোৱালপাৰা জিলাত বাস কৰিলেও গোৱালপৰীয়া লোককৃষ্টিৰ লগত সম্পৰ্ক নোহোৱা বাবে এই আলোচনাৰ প্ৰসঙ্গত এই তিনি সম্প্ৰদায়ক বাদ দিয়া হৈছে। ওপৰত উল্লেখ কৰা সম্প্ৰদায়ৰ কোনোটিয়ে যদি কয় গোৱালপৰীয়া লোককৃষ্টি আমাৰ কৃষ্টি তেতিয়া আনবোৰে কি ভাবে আৰু কি কয় সেইটো সময়ত আবশ্যক হলে তেওঁলোকে ক'ব। কিন্তু ইয়াত তেনেকুৱা কোনো কথাৰ প্ৰশ্ৰয় দিয়া হোৱা নাই। গোৱালপৰীয়া লোককৃষ্টিৰ নাম-মাত্ৰ আলোচনাৰ পৰবৰ্তি ছেদবোৰত উল্লেখ কৰা কথাবোৰ সমূহ গোৱালপৰীয়া লোককৃষ্টিৰহে কথা। এই সংক্ষিপ্ত আলোচনাত বড়ো, কছাৰী, চাওতাল আৰু গাৰো-বাঙা সম্প্ৰদায়ৰ কিছু কথা বাদ পৰিব পাৰে। সেয়া কিন্তু মোৰ ইচ্ছাকৃত নহয়, অজ্ঞানতা আৰু অসমৰ্থতা জনিতহে।

৪। গোৱালপৰীয়া লোক-সংস্কৃতি

গোৱালপৰীয়া লোক-সংস্কৃতি শব্দটিৰে অবিভক্ত গোৱালপাৰা জিলাৰ লোক-সংস্কৃতিৰ বুজোৱা হৈছে। এই সংস্কৃতি আচলতে এক বিশাল আৰু অতি প্ৰাচীন সংস্কৃতি। ইয়াৰ ক্ষেত্ৰ পূৰ্বে অবিভক্ত কামৰূপ, দৰং জিলালৈ আৰু পশ্চিমে উত্তৰ-বঙ্গৰ ধৰি ৰংপুৰ, অবিভক্ত দিনাজপুৰ, মালদহলৈ বিয়পি আছে। এই সংস্কৃতিৰ ঐতিহ্য প্ৰাচীন প্ৰাগ্‌জ্যোতিষ-কামৰূপ ৰাজ্যৰে জৰিত। ইয়াৰ আঁৰত আৰ্য, আলপাইন আৰু মঙ্গোলীয় নৰগোষ্ঠীৰ অবদান আছে। গোৱালপৰীয়া সংস্কৃতিত সেই ঐতিহ্যপূৰ্ণ সংস্কৃতিৰ ৰূপ প্ৰতিফলিত। ইয়াৰ পূৰ্ণাঙ্গ আলোচনা বিনে অসমীয়া সংস্কৃতিৰ আলোচনা অপূৰ্ণাঙ্গ। গতিকে ইয়াৰ আলোচনা অতীব আবশ্যক।

লোক সংস্কৃতিক প্ৰধানকৈ দুটা ভাগত বিভক্ত কৰিব পাৰি ঃ সামাজিক ব্যবস্থা আয়তনিক ও ভাবানুভূতি, কল্পনা-আদৰ্শ আয়তনিক। প্ৰথম ভাগক দুটা ভাগত ভগোৱা হয় ঃ লোকধৰ্ম, লোক আহিলাপাতি। দ্বিতীয় ভাগত পৰে লোক সাহিত্য। লোক সংস্কৃতিৰ বিষয় বস্তুৱে আত্ম প্ৰকাশৰ স্থায়িত্ব পায় লোক সাহিত্যত। এই সাহিত্য গীত, সাধুকথা, প্ৰবাদ-প্ৰবচন আদি উপাদানেৰে পৰিপূৰ্ণ হয়। এইবোৰ বিষয়ৰ আলোচনাৰে এই গ্ৰন্থত গোৱালপৰীয়া লোক-সংস্কৃতিৰ আলোচনা কৰিবলৈ চেষ্টা কৰা হৈছে।

৪। ক। সামাজিক ব্যবস্থা

এটা নদীৰ ইপাৰ সিপাৰতে ভাষাৰ পৰিবৰ্তন হ'ব পাৰে। তেনে ক্ষেত্ৰত সুবৃহৎ গোৱালপাৰাৰ এটা অঞ্চলৰ কোনোবাটি সক সুৰা কথা আন অঞ্চলৰ লগত নিমিলিবও পাৰে। তদুপৰি কোনোবা অঞ্চলৰ মানুহে তেওঁৰ অঞ্চলত অপ্ৰচলিত দুই এটি সক-সুৰা কথাও ইয়াত পাব পাৰে। তেনে ক্ষেত্ৰত প্ৰথম দৃষ্টিতেই এইটো গোৱালপৰীয়া নহয় বুলি সিদ্ধান্ত নকৰিবলৈ অনুৰোধ জনাই আলোচনাত আগবঢ়া হ'ল।

গোৱালপৰীয়া সমাজ মূলত পিতৃগণ্ডী। মাতৃগণ্ডী সমাজ ব্যবস্থাৰ মানুহ বুলিবলৈ কেবল মাত্ৰ ব্ৰহ্মপুত্ৰৰ দক্ষিণ পাৰৰ গাৰো আৰু দক্ষিণ উত্তৰ পাৰৰ বাঙালী মানুহখিনিকহে ক'ব পাৰি। পিতৃগণ্ডী হোৱা স্বত্বেও কিন্তু মুছলমান আইন অনুসৰি

মুছলমান জীয়ৰীসকলে ১ ভাই : ২ ভনী অনুপাতে পিতৃ-সম্পত্তিৰ ভাগ পায়। সমাজ পাতি বাস কৰা মানুহৰ সহজাত বৃত্তি। সৰু সৰু সমাজ একোখনক 'গাম' বা 'গাঙ' বোলা হয়। নগৰবোৰ আধুনিক যুগৰহে সৃষ্টি। ৰজা-জমিদাৰৰ শাসন কালৰে পৰা বৰ্তমান কোৰ্ট-কাছাৰী হোৱা দিনলৈকে গাওঁবোৰত 'গ্রাম্য-পঞ্চায়ত' থকাৰ কথা জানিব পাৰি। মুছলমান সকলে এই পঞ্চায়তক গাঁইয়া শালিস', চাওতাল সকলে 'মাঝি', ৰাজবংশী সকলে 'দশজন' আন কিছুমানে পঞ্চায়েত বুলিছিল। ৰাজহুৱা ধনৰ শৰাধ কৰা সৌ সিদিনা জন্ম হোৱা পঞ্চায়তৰ লগত ইয়াৰ কোনো যোগসূত্ৰ নাই। প্ৰাচীন কালৰে পৰা চলি অহা এই পঞ্চায়তবোৰে গাওঁৰ কাজিয়া পেচালৰ পৰা আৰম্ভ কৰি প্ৰায়বোৰ কথাৰে মিমাংসা কৰিছিল। শুভংকাৰত এই পঞ্চায়তৰ সহায় আৰু আশীৰ্বাদ অপৰিহাৰ্য আছিল। কামৰূপত এনে পঞ্চায়তে আনকি ধন সংগ্ৰহ কৰি গাওঁলীয় ৰাস্তা-ঘাট ঠিক কৰি লৈছিল। ইতিহাসৰ পাত মেলি চালে দেখা যায় যে গোৱালপাৰীয়ে বহুতো যুদ্ধৰ কেবল মাত্ৰ প্ৰত্যক্ষদৰ্শী সাক্ষী নহয়, ধৈর্য সহ্যহীন যুদ্ধৰ তাণ্ডৱ-নৃত্য নিজৰ বুকুতেই অনুভৱ কৰিছিল। সময়ে সময়ে অহা অন্য দেশীয় মানুহৰে জীৰ্ণ-অজীৰ্ণ মিশ্ৰণ ঘটিব লগীয়া হৈছিল। ৰজা-জমিদাৰসকলৰ দিনত বঙ্গীয় শাসন আৰু ধৰ্মৰ প্ৰভাৱৰ নতুন কলপ লাগিবলগা হৈছিল। যুদ্ধ-বিগ্ৰহ আৰু আমোদ-প্ৰমোদৰ বাবে শাসক গোষ্ঠীৰ যুগ-পৰম্পৰা শোষণ-নিষ্পেষণ মূৰ পাতি লৈ ৰ লাগিছিল। প্ৰাকৃতিক দুৰ্যোগতো আছেই। এই সকলোবোৰেই প্ৰকৃতপক্ষে এটি সুস্থসবল সামাজিক ব্যবস্থা পূৰ্ণভাবে বিকশিত হোৱাত বাধাৰ সৃষ্টি কৰিছিল। এই সকলোবোৰ ঘাত-প্ৰতিঘাত আৰু প্ৰতিবন্ধকতা অতিক্ৰম কৰি আহি বৰ্তমানৰ ৰূপ পৰিগ্ৰহ কৰাৰ পৰা অনুমান কৰিব পাৰি যে এই সমাজ ব্যবস্থা অতি শক্তিশালী ধাতুৰে নিৰ্মিত আছিল। তলৰ আলোচনাৰ পৰা বুজা যাব যে প্ৰধানতঃ ই হিন্দু মৌলিক।

কৃষ্টিৰ প্ৰাণসম অঙ্গ হ'ল সামাজিক ব্যবস্থা। এখন সমাজৰ সামাজিক ব্যবস্থাৰ সকু বৰ সকলোবোৰ কথা নিখুঁতকৈ লিখি উলিওৱা সহজ কথা নহয়। বহুতো ব্যক্তিৰ সমষ্টিয়ে একোখন সমাজ। গতিকে ব্যক্তি আৰু সমাজৰ মাজত এটি নেৱা-নেপেৰা সম্বন্ধ আছে। সেয়ে বহুতো ব্যক্তিৰ সাধাৰণ ব্যবস্থাবোৰেই ব্যক্তি সকলৰ সমাজৰ ব্যবস্থা বুলি কোৱা হয়। এই সামাজিক ব্যবস্থা সমজুৰাৰ আটাইয়ে সাধাৰণ-ভাবে মানি চলে। গতিকে সামাজিক ব্যবস্থা গঠন কৰাত সামূহিক ভাবে সমজুৰাৰ আৰু সমজুৰাৰ প্ৰত্যেক জনৰেই দায়িত্ব স্বীকাৰ্য। এনে ব্যবস্থাৰ ভিতৰত জন্ম-

বিবাহ-মৃত্যু, প্রধানকৈ উল্লেখনীয়। সেয়ে প্রথমতে গোৱালপাৰা জিলাত এই তিনি বিষয়ক লৈ প্রচলিত ব্যবস্থাবোৰৰ কথা আলোচনা কৰিবলৈ লোৱা হৈছে।

৪। ক। ১। জন্ম ঃ—

প্রথম সন্তান মাক দেউতাকৰ ঘৰত হব লাগে। সেয়ে নব-বিবাহিতা নাৰী যেতিয়া সন্তানৰ মাক হবলৈ আগবাঢ়ে তেতিয়া ঠিক সাত মাহত কেইগৰাকীমান আয়তী বা আত্মীয়ই আহি সন্তান সম্ভবা নাৰীজনীক মাতৃগৃহলৈ লৈ যায়। সাত মাহ হোৱাৰ আগতে বিশেষকৈ তিনি মাহ আৰু পাঁচ মাহত আৰো দুটি অনুষ্ঠান থাকে। এইবোৰ কথাও বিশেষ মন কৰিবলগীয়া। সন্তান জন্ম হলে যদি ল'ৰা হয় তেন্তে নাভীৰ পৰা সাত আঙুলি আৰু ছোৱালী হ'লে পাঁচ আঙুলিলৈ তাত সূতাৰে টানি বান্ধি যাঁতৰ 'চেউচকা' (গাঁহ) ৰে গাঁঠনি আনফালে নাভী কাটিব। কটা কাম মাকে কৰিব। তাত কোনো উপস্থিত নেথাকিব। সন্তান ল'ৰা হ'লে পাঁচবাৰ জোকাৰ বা উকলি দিয়ে আৰু পাঁচবাৰ ঘৰৰ বেৰত কোবায়। আনহাতে ছোৱালী হলে চাৰিবাৰ উকলি দিয়ে আৰু চাৰিবাৰ বেৰত কোবায়। মাটি বা পিতলৰ পাত্ৰত সন্তান ধুবাই কুলাত শুবাই থয়। মানুহে বিশ্বাস ক ৰ যে কুলাত শুৱাই থলে সন্তানৰ বুক্ কুলাৰ দৰে বহল আৰু হৃদয় উদাৰ হয়। সন্তানৰ হাতত ঘৰৰ মূৰব্বীজনে নাইবা মোমায়েকে কিবা এটা দি মুখত প্রথমে মৌ নাইবা মৌজাতীয় বস্তু দিব লাগে। ল'ৰা হ'লে সাত দিনত ছোৱালী হ'লে পাঁচ দিনত [মত ভেদে ৫ আৰু ৪ দিনত] প্রথম 'কামান' (মূৰৰ চুলি নখ কটা) দিয়ে আৰু পৰিয়ালৰ সকলোৱে নখ কাটি ব্যবহার্য কানি কাপোৰ তিয়াই পাক ঘৰক আদি কৰি সকলোবোৰ পৰিষ্কাৰ কৰি শুচি হয়। তাৰ পিছত ১৩ দিনত দ্বিতীয় কামান' দিব আৰু চুৰা খেদাব। ব্রাহ্মণ মাতি আনি গণি-পিতি নাম-বাশি বাখিব। ল'ৰাৰ ৮ বা ১০ মাহত ছোৱালীৰ ৫ বা ৭ মাহত অন্নপ্রাসন পাতিব।

পূৰ গোৱালপাৰাত নাভী কটা সময়ত ঘৰত থকা তিৰোতা আৰু আত্মীয়-স্বজনৰ তিৰোতাবোৰক পিছত ভোজভাত খুৱায়। তাক 'নাড়ী-কটা' উৎসব বোলে। বড়ো সকলে ইয়াক 'ভৈ ছাৱনাই' বোলে। এই উৎসব সন্তান জন্মাৰ এমাহ নাইবা বিশেষ কাৰণত দুমাহ পিছতো হব পাৰে।

সন্তান উপজাৰ সময়ত ঘৰৰ বেৰত কোবোৱাৰ অর্থ হ'ল ভূত-পিশাচক খেদি শিশুক নির্ভয় দিয়া। ভূত-পিশাচে অনিষ্ট কৰিব নোৱাৰিবৰ বাবে নবজাতকক 'ঝাপ' (মন্ত্রপুত কৰি) বিছনাত দি বাখে, লগতে দা-কটাৰী আদিও বিছনাৰ তলত

ৰাখে। সন্তান জন্মিয়ে মৰি যোৱা নাৰীৰ সন্তান জন্মিলে মাঝিৰ জালেৰে, শামুক, বগৰীৰ কাইট, আঠিয়া কলৰ চোচা (নাকলী) গাঁঠি মালা কৰি দুৱাৰ মুখত আঁৰি দিয়ে।

পুনৰ বিয়া :— সৰু ছোৱালী সময়ৰ সোঁতত বাল্যকাল অতিক্ৰম কৰি যৌবনৰ দুৱাৰ দলিত এদিনাখন থিয় হয় আৰু প্ৰকৃতিৰ নিয়মেৰে পুষ্পিতা হয়। এই প্ৰথম ঋতুমতী হোৱা অবস্থাত এটি উৎসৱ পতা হয়। ইয়াক গোৱালপাৰীয়া অঞ্চলভেদে পুষ্পিতা হোৱা, শান্তি হোৱা, পুহন বিয়া, পুনৰ বিয়া, পাছ বিয়া হোৱা বুলি কয়। 'পাছ বিয়া' শব্দটিয়ে কামৰূপ জিলাত বিয়াক বুজায়। তদুপৰি কামৰূপ জিলাত 'ডাঙৰ হোৱা', 'মানুহ হোৱা', 'বুকুত কাপোৰ পিন্ধা', কথাবোৰেৰেও পুষ্পিতা হোৱা অৰ্থকে বুজায়।

ইয়াৰ পুনৰ বিয়া, পুহন বিয়া, পাছ বিয়া কথাটোৰ লগত বাল্য বিয়াৰ কথা জৰিত হৈ আছে। অকুমাৰী ছোৱালী বিয়া দিলে বিয়াৰ পিছত ঋতুমতী হয়। সেয়ে বিবাহিতা অকুমাৰী ছোৱালী প্ৰথম ঋতুমতী হোৱাত যি উৎসৱ পতা হয়, তাক পুনৰ বিয়া, পাছ বিয়া, পুহন, পুনৰ বিয়া বুলি কয়। এই ক্ষেত্ৰত উদ্‌যাপিত উৎসৱক সাধাৰণতে 'ধুৱনী' উৎসৱ বুলি কয়।

এনে সময়ত বিবাহিত হওঁক বা অবিবাহিত হওঁক ছোৱালীজনীক কোনো পুৰুষে নেদেখাকৈ তিনিদিন ৰাখে। তিনি দিনৰ মূৰত উৎসৱ পাতি কেঁচা মাহ-হালধি আৰু আন কিছুমান বস্তুৰে গা ধুৱাই পবিত্ৰ কৰে। পিছদিনাখন ব্ৰাহ্মণৰ হতুৱাই ছোৱালীৰ গণনা কৰে আৰু ব্ৰাহ্মণৰ নিৰ্দেশানুযায়ী আৱশ্যকীয় দিন কেইটি হবিষ্যান্ন খুৱায় আৰু পৰৱৰ্তী বিধি-নিষেধবোৰ মানি চলে।

বিয়াৰ পিছত ঋতুমতী হ'লে, দেউতাকৰ ঘৰত হ'লে দেউতাকৰ ঘৰত আৰু স্বামীগৃহত হ'লে তাতেই সেই কেইদিন থাকিব। শুচি হোৱাৰ পাছতহে আহ-যাহ কৰিব পাৰিব। ঘৰুৱা দিগদাৰীৰ বাবে স্বামীৰ মুখ দেখিবলগীয়া হ'লে কিছুমান নিয়ম-নীতি কৰি দেখিব পাৰে। কামৰূপ জিলাত 'জাপা দিয়া' প্ৰথা এটি এই ক্ষেত্ৰত আছে। তাক বাদ দি দুয়োখন জিলাৰ এই বিষয়ৰ সকলোবোৰ কথাই একে।

৪। ক। ২। **বিয়া :**—বিয়া অনুষ্ঠানত কৃষ্টিমূলক বহু কথাবেই প্ৰকাশ পায়। মানুহৰ সমাজৰ জন্ম-বিয়া-মৃত্যুৰ উৎসৱৰ ভিতৰত বিয়া উৎসৱ বিশেষভাবে উল্লেখনীয়। গোৱালপাৰা জিলাৰ ব্ৰহ্মপুত্ৰৰ দক্ষিণ পাৰৰ 'অখণ্ডীয়া সাংসাৰিক' গাৰো প্ৰধান অঞ্চলৰ সমাজ ব্যৱস্থা 'মাতৃগতী' হোৱা হেতুকে দৰাই কন্যা ঘৰত কিছুদিন ঘৰজোঁৱাই হৈ থাকি দিব লাগে। মধ্য গোৱালপাৰাৰ বড়ো (উত্তৰস্থ কোকৰাঝাৰ মহকুমা) সমাজৰ নিজস্ব বিবাহ পদ্ধতিৰ সময়ৰ সোঁতত বৰ্তমানে পৰিবৰ্তন হ'ব ধৰিছে। পূৱ আৰু পশ্চিম গোৱালপাৰাৰ বিবাহ পদ্ধতি, কামৰূপ আৰু আহোমৰ

'চকলং' প্ৰথাক বাদ দি, উজনী অসমৰে একে। মাত্ৰ পশ্চিম গোৱালপাৰীয়া কিছুমান ক্ষেত্ৰত মঙলী প্ৰথাৰ পৰা দেখা পোৱা যায়। বিশেষ কাৰণত একাধিক বিয়া আৰু বিধবা বিয়া বা নিয়া প্ৰথা হিয়াত আছিল আৰু আছে। বাল্য বিবাহ প্ৰথা উঠি গৈছে যদিও পূৰ্ণ বয়সৰ পুৰুষ কোমল বয়সৰ ছোৱালী বিয়া কৰাই আঁকে প্ৰকাৰে সেই প্ৰথাই বচাই ৰখা যেন লাগে আৰু এই কাৰণেই পশ্চিম গোৱালপাৰীয়া বিধবাৰ সংখ্যা অস্বাভাবিক ভাবেই বেছি যেন লাগে। বিবাহ সম্বন্ধীয় কেইটিমান কথা ইয়াত উল্লেখ কৰা হ'ল ঃ

তেজৰ ভাৰ ঃ দৰা কন্যাৰ বিয়া ঠিক হোৱাৰ পিছত বিয়াৰ তিনিদিন আগত দৰাপক্ষৰ পৰা কন্যা পক্ষৰ ঘৰলৈ, সাধাৰণতে কন্যাক দিব লগা অলঙ্কাৰ, কাপোৰ-কানি, তেল-সেন্দুৰ, মাছ, (বাকলি থকা) তামোল-পান আৰু নিয়মানুসাৰে আন বস্তু লৈ আহে আৰু সামাজিক নিয়মানুসাৰে এইবাৰ বস্তু সমহুবাৰ আগত পদান কৰে। পশ্চিম গোৱালপাৰীয়াত বঙ্গীয় 'আশীৰ্বাদ' প্ৰথাই এইটো পাছ স্থানচ্যুত কৰি পেলাইছে আৰু বৰ্তমান গোৱালপাৰাৰ পশ্চিমাঞ্চলৰ মানহে এনে নীতিৰ কথা প্ৰায়েই নেজানি বুলিয়েই কব পাৰি। এই জিলাৰ বড়ো সমাজৰ মাজত 'তেজৰ ভাৰ' পথা প্ৰচলিত আছে। কিন্তু তেওঁলোকে বিয়াৰ কেই দিনমান আগতেহে ইয়াক অনুষ্ঠিত কৰে। তেওঁলোকে ইয়াক 'বিবান' বুলি কয়।

ব্ৰাহ্মণ পুৰোহিতৰ বৈদিক কাৰ্য আৰু বৈবাহিত আৰু আত্মীয় সকলৰ পানী তোলা, সোৱাগ তোলা, দৰা কন্যাক গা ধুওৱা আৰু নাপিতে যথাসময়ত দৰাৰ চুলি-দাঢ়ি-নখ আৰু কন্যাৰ নখ কাটা পথাৰ কথা সৰ্বসাধাৰণ কথা। এই জিলাৰ 'খাটাৰ দিন,' 'গুৱা কটা' আৰু 'পোন দিয়া (উক্ত বিতি কামৰূপ জিলাৰ বৰপেটা মহকুমাৰ বিশেষ দস্তুৰ) এই তিনিটা কথা মন কৰিবলগীয়া। খাটাৰ ভাৰৰ দিনাখন কন্যা- ব্ৰত বিয়াৰ দিন ঠিক কৰে। 'গুৱা কটা'ত কন্যাৰ ঘৰলৈ দৰা পক্ষৰ মানুহ যায় আৰু দুজনী সধবাই তামোল পান কাটি আত্মীয়-স্বজনক খুৱায়। দুখীয়া পিতৃ-মাতৃয়ে ছোৱালী বিয়া দিয়া ক্ষেত্ৰত দৰা পক্ষৰ পৰা সাহায্য ৰ বাবে টকা লয়। আনুষ্ঠানিক ভাবে লোৱা টকাক 'পোন দিয়া বা লোৱা' বুলি কয়। ইয়াত দুখীয়া পিতৃক কন্যাদানৰ সময়ত আৰ্থিক সাহায্য আগ বঢ়োৱাৰ উদৰতা প্ৰকাশ পাইছে।

দৰা কন্যাই 'কটাৰী সলোৱা' (উক্ত দস্তুৰ গোৱালপাৰাৰ পশ্চিমাংশত প্ৰচলিত), বিয়াৰ পিছদিনাখন দৰা ঘৰত আনুষ্ঠানিক ভাবে 'পাশা খেল' খেলোৱা আৰু 'আঠ মঙলা' প্ৰথা প্ৰচলিত আছে। পশ্চিম গোৱালপাৰাত উদ্‌যাপিত

'কালৰাত্ৰি' অনুষ্ঠান বিশেষকৈ মন কৰিবলগীয়া। বিয়াৰ শেষত দৰা-কন্যা ঘৰত সোমাই খেলা শেষ কৰাৰ পিছত 'বৈৰাতী'য়ে দৰা-কন্যাক এখন বিছনাত শুৱাই থৈ বাহিৰৰ পৰা দুৱাৰ বন্ধ কৰি দিয়ে আৰু ৫/১০ মিনিটৰ পিছত বৈৰাতী পুনঃ ঘৰত সোমাই পানী ছটিয়াই দিয়ে আৰু দৰা-কন্যাই বিছনাৰ পৰা উঠে। ইয়াক 'কালৰাত্ৰি' যাপন বুলি কয়। কিন্তু ই আজি-কালি লুপ্তপ্ৰায়।

বিয়াগীত, 'নাৱন্দেৰ গুৱাকে' আদি কৰি, কোৱাণ উক্ত নীতিবিধিনিক বাদ দি, প্ৰায়বোৰ কথাই মুছলমান সকলেও বিয়া উৎসৱত মানে। বঙো-কছাৰী সকলৰ ক্ষেত্ৰতো তেনে কথা কব পাৰি। দুই এটি সাম্প্ৰদায়িক বিশেষত্ব নিশ্চিত ভাবেই থাকিব। 'ঘৰজা', 'ঘৰজিয়া' [কামঃ ঘইজ্জা < সং গৃহ-জামাতৃকা] আৰু 'ঢকা', থকাৰো উদাহৰণ গোৱালপাৰীয়া প্ৰত্যেকটো সম্প্ৰদায়ৰ মাজতে দেখিব পোৱা যায়। কামৰূপ জিলাত 'ঢকা বেটাক' [ৰৱপেটা অঞ্চলত] গুৱা গুইৰা বোলে।

কাঁচা কল কাটি হোৱা বিয়া :— বিশেষ কাৰণবশতঃ কেই ঘণ্টামানৰ ভিতৰতে বিয়া হব লাগিলে বিয়াৰ তিনি দিন যোৱা অনুষ্ঠানবোৰ বাদ পৰে। ব্ৰাহ্মণে কেৱল কেঁচা কল কাটিয়ে সাধাৰণ বিধি কৰি বিয়া সম্পাদন কৰি দিয়ে। কামৰূপ-গোৱালপাৰীয়াত এনে বিয়াক কাঁচা কল কাটি হোৱা বিয়া বুলি কয়।

আগ চাউল দি হোৱা বিয়া :— সম্পূৰ্ণ লোকাচাৰ জনিত বিয়া। স্বামী পৰিত্যক্ত তিৰোতাই সমাজৰ সন্মতি ক্ৰমে আন পুৰুষৰে বিয়া হব পাৰে। লোকাচাৰ মতে এনে তিৰোতাজনীক পুৰুষজনৰ ঘৰলৈ লৈ যায়। পুৰুষ আৰু তিৰোতাজনীক দৰা কন্যাকৈ সজায়। পিছত চোতালত কল গছৰ চাৰিটি পুলি পুতি থাপনা সজাই তাৰ সন্মুখত নগুণ গাঁঠি দি পাতিত বহুৱায়। তাৰ পিছত সেই দিনাখনে বান্ধি উলিওৱা আতপ চাউল সিঁহত দুজনলৈ এজনীৰ পিছত এজনী আত্মীয়াই ছটিয়াই দিয়ে। তেনে দৰে চাউল ছটিওৱাওঁতে সাধাৰণতে সিঁহতৰ সন্মুখত বহি সোহাতখন বাওঁহাতৰ ওপৰেদি পাৰ কৰি লয়। ইয়াত ব্ৰাহ্মণ পুৰোহিত নেথাকে। বৰ্তমানে লোপ পোৱাৰ পথত যদিও কামৰূপ-গোৱালপাৰীয়াত এই প্ৰথা প্ৰচলিত আছিল।

পাণ ছিৰি বিদায় দেওয়া :— মুছলমানৰ 'তালাক'ৰ পৰ্যায়ৰ কথা। বিশেষ কাৰণবশতঃ স্বামী-স্ত্ৰীৰ চিৰদিনৰ বাবে এৰা এৰি হব লাগিলে সমাজ পাতি সমাজৰ সন্মুখত স্বামী-স্ত্ৰীয়ে পাণ ছিৰি এৰা এৰি হয়। কিছুমানত স্বামী স্ত্ৰীয়ে দুখিলা পাণ ছিৰি পেলায় প্ৰত্যেকে এখনকৈ, কিছুমানত এখিলা পাণত স্বামী-স্ত্ৰীয়ে ধৰি ফালি পেলায়। বঙো সকলৰ ক্ষেত্ৰত মুখীয়ালজনে পাণখিলাৰ দুফালে

ধৰি ছিৰি পেলায়। কাৰণ-গোৱালপাৰীয়া এই প্ৰথা আধুনিক 'divorce' ৰ অনুৰূপ প্ৰথা। বিশেষ কাৰণত এনেদৰে এৰি দিয়া ভিৰোতা পুনঃ আনিব লাগিলে পুৰুষজনে সমাজৰ সম্মুখত কাপোৰ মেৰিয়াই তৰ্জনী আঙুলিত জুই লগাই পুৰি ক্ষত কৰিহ আনিব পাৰে।

৪। ক। ৩। মৃত্যু ঃ

মানুহ ঘৰৰ ভিতৰত মৰাটো বেয়া ভাবি মৃত্যুৰ আগ মুহূৰ্তত ঘৰৰ পৰা বাহিৰ কৰি আনি তুলসী থানৰ সম্মুখত উত্তৰ শিতান কৰি কুশৰ' ওপৰত (ঠায়ে ঠায়ে নতুন ঢাৰি বা পাটিত)শুৱাই থয় আৰু নতুন বগা কাপোৰেৰে ঢাকি থয়। তুলসী থানত বখা মৰাশটোৰ লগত এজন মানুহ বহি হাতেৰে নাইবা বাঁহৰ চেকনিৰে নাইবা কোনো কাপোৰেৰে বান্ধি চুই থাকিব লাগে। প্ৰবাদ মতে যদি কোনো মৰাশই ইয়াক নেপাক্ষ তেন্তে তাক 'বাওটিয়া' মৰা বুলি কয়। বিলাসীপাৰাৰ পূৰ্বাঞ্চলত মৃতকৰ শোৱা ঠাইত দা এখন বাখি এজন মানুহে এডাল মাৰিৰে মৃতকক বখা বিছনা বা খাটখন নাইবা মৃতকৰ দেহাটো চুই থাকে। (উক্ত প্ৰথা দক্ষিণ গোৱালপাৰাত একেবাৰেই নাই।)

মৃতকৰ লগত কলৰ গছ, তুলসীৰ ডাল আৰু আমৰ ডাল আদি থয়। কেঁচা বাঁহৰ 'খাটলি' সাজি তাৰ ওপৰত 'মছলি' (সাধাৰণ কাপোৰৰ বিছনা) পাৰি মৃতকক বগা কাপোৰেৰে ঢাকি শুৱাই থয়। মৃতকৰ দাহন কাৰ্যত আবশ্যকীয় "বাৰশস্য" (বাৰ বিধৰ ফল) গোটা পুৰ্ণ বাঁহ, মাটিৰ কলহ, হালধি, তেল, শিলিখা (হৰিতকী), কড়ি, তামৰ পইচা সৰিয়হ, মাহ, ঘিউ আৰু শুকাভি (এই দস্তুৰটো পশ্চিমাংশত প্ৰচলিত) আদি আবশ্যকীয় বস্তুবোৰ যা-যোগাৰ কৰি লয়। তাৰ পাছত 'হৰিধ্বনি' কৰি চাৰিজনে (নিজৰ লোক) মৰাশ শ্মশানলৈ লৈ যায়। মৰাশটো নিয়াৰ পাছত চুৰা বাঢনীৰে গোবৰ পানী দি ঠাইডোখৰ বাঢ়নী নুতুলাকৈ সাৰি পেলাব লাগে। তাক 'পথ চৰানী' বুলি কয়।

শ্মশানত চিতা সজাই মৃতকক গা ধুৱাই পুৰুষ হলে উবুৰি কৰি আৰু ভিৰোতা হলে চিত কৰি শুৱাই 'মুখাগ্নি' (চিতাৰ চাৰিওফালে ৭ বাৰ ঘুৰিয়েহে মুখাগ্নি কৰা হয়) কৰি দাহ কৰে। দাহনৰ শেষত অবশিষ্ট হিখিনি নাড়ীভুৰী থাকে সেইখিনি কাপোৰত বান্ধি মুখাগ্নি কৰোঁতাজনে দুই হাতেৰে ধৰি পানীত দলিয়াই পেলাই দি ডুব মাৰি উঠিব লাগে। সেই অবশিষ্ট নাড়ীভুৰীখিনিক 'বুন্দি' বুলি কোৱা হয়। লগে লগে এজনে বাৰশস্যৰ হাড়ীটো একে কোবে ভাঙি পানীত ডুব

মাৰি উঠিব লাগে। ইয়াৰ অর্থ এনে হব পাৰে যে মৃতকে ভবিষ্যতে জন্ম গ্রহণ কৰিলে এই লগত দিয়া বাৰশস্যৰ সৈতে জন্ম গ্রহণ কৰিব পাৰে।

মৰাশ দাহন কৰা ঠাইত চান্দোৱা' (চান্দ : কামৰূপী) টাঙি দি মানুহবোৰ ঘৰলৈ আহে। তাৰ পাছত নদীত গা-পা ধুই ধান খেৰৰ জুইত 'শুকুতা' (মৰাপাটৰ শুকান পাত) তুঁহ, শিল দি হাত-ভৰি সেকি ঘৰলৈ আহে। মৃতকৰ অস্থি অনা প্রথাটো জনজাতি আৰু মুছলমান সকলৰ মাজত নাই। হিন্দুসকলে অস্থি আনি চোতালৰ তুলসী গছৰ তলত বাঁহৰ চুঙাত সুমাই পুতি থয় আৰু দহ কর্মলৈ বাখি দহ দিনে প্রদীপ জ্বলাই গাখীৰ পানী আৰু পিঠা শুৱি প্রদান কৰে। দহকর্মৰ দিনা খেৰেৰে মানুহৰ মূর্তি সাজি পুনৰায় জুইৰে পুৰে আৰু অস্থিখিনি দহোটা ভাগ কৰি ব্রাহ্মণৰ সহায়ত মাঙ্গলিক ভাবে উৎসর্গা কৰি এটি কাঁচৰ নাইবা তেনে পাত্রত ভৰাই ঘৰলৈ আনি পবিত্র স্থানত বাখে। হিন্দুসকলে অস্থি গঙ্গাত পেলাই দিব পাৰিলে মৃতকৰ আত্মাৰ সদগতি হয় বুলি বিশ্বাস কৰে।

স্বামী : স্বামী মৰিলে মৃত স্বামীৰ ভৰিৰ বুঢ়া আঙুলিৰে স্ত্রী-জনীৰ কপাল আৰু শিৰৰ সেন্দুৰ মচি দিয়ে। শ্মশানলৈ গৈ সধবাৰ শাখা ভাঙি দিয়ে। তিৰোতাজনীৰ মেখেলাৰ বা শাৰীৰ পাৰি ছিৰি (ফাঁৰি) পেলায়। পিছত মাছ-মঙহ এৰি নিয়ম-নীতি পালি বৈধব জীবন যাপন কৰে।

স্ত্রী : স্ত্রী মৰিলে গিৰিয়েকে সেন্দুৰ, শাখা পিন্ধাই দি দাহন কৰে।

সকলোবোৰ মৃতকৰ ক্ষেত্রতেই দহ দিনত 'দহা' আৰু এমাহত শ্রাদ্ধ শুদ্ধি আৰু ভোজ পাতে। আজিকালি অবশ্যে এমাহৰ ঠাইত ১৩ দিনতেই এই সকলো-বোৰ শেষ কৰা দেখা যায়। মানুহ মৰিলে গৃহস্থৰ মানুহবোৰে কাম-কাজ শেষ নোহোৱালৈ হবিষ্যান্ন খায়। এখন কাপোৰ পিন্ধি থাকে। এই ক্ষেত্রত ব্রাহ্মণৰ কার্য কাৰণবোৰ প্রায় সকলো ঠাইতে একে। গিৰিয়েক মৰিলে যৈণীয়েকে, দেউতাক মৰিলে পুতেকসকলে তিনি দিন 'মুখ লাবিব' নেপায়। মোমায়েক মৰিলেও উপবাসে থাকি হবিষ্যান্ন খাব লাগে।

নাথ বা যোগী (কামঃ যুগী) সম্প্রদায়ৰ অধিক সংখ্যক মানুহৰ বাসস্থান হ'ল বিলাসীপাৰা আৰু ইয়াৰ উত্তৰ অঞ্চল। তেওঁলোকৰ মাজত মৰাশ দাহন প্রথা নাই। যোগ সাধন কৰে বুলিয়েই তেওঁলোক যোগী। তেওঁলোকে মৰাশ মাটিত পুতি থয়। প্রথমতে এটা যথোচিত পৰিমাণত গাঁত খান্দিব। তাত মৰাশটো উত্তৰ মুখকৈ যোগ আসনত বহুৱাই থব। যোগীৰ প্রতীক স্বৰূপ কাষত এখন নতুন

কাপোৰৰ জোলোঙা দি তাৰ ভিতৰত সৰিয়হ, হালধি আৰু অন্যান্য ফল আদি দিব। তাৰ পিছত মাটিৰে গাঁতটো পূৰ্ণ কৰি পুতি থ'ব।

মুছলমান সম্প্রদায়ৰ মাজত দাহন প্রথা নাই। তেওঁলোকে মৰাশ কবৰহে দিয়ে। এই ক্ষেত্রত মুছলমানসকলে বিশেষকৈ ইছ্‌লাম ধর্মৰ গুৰুসকলৰ (কাজি, মৌলবী) নির্দেশিত নীতি অনুসাৰেই এই কার্য কৰে। কিছুমান গাৱো আৰু চাওতাল ইতিমধ্যে খৃষ্টান হৈ গৈছে। অখৃষ্টান এই দুয়ো সম্প্রদায়ৰ মানুহে হিন্দু প্রথা অনুসাৰেই মৃতকৰ মুখত জুই দিয়ে। তাৰ পিছত মৰাশটো কেতিয়াবা পুৰি পেলায়, কেতিয়াবা পুতি থয় নাইবা পানীত ভহাই দিয়ে। বেছি ভাগ ক্ষেত্রত বড়ো-কছাৰীসকলে মৰাশ পুৰি পেলায়। পশ্চিম গোৱালপাৰাত আকৌ মাক-দেউতাক মৰিলে বিবাহিত জীয়াৰীসকলেও স্বামী গৃহতেই মৃত মাক-দেউতাকৰ শুদ্ধি কর্ম কৰে।

সমাজৰ এই তিনি গুৰুত্বপূর্ণ অনুষ্ঠানৰ আৰু বহুতো খুটি-নাটি কথা আছে। এই সকলোবোৰ কথাৰে আঁতি-গুৰি মাৰি বিস্তাৰিত বর্ণনা নিদি থুলমুল ভাবেহে কথাখিনি ইয়াত কোৱা হ'ল।

৪। ক। ৪। আচাৰঅনুষ্ঠান ঃ

সামাজিক আচাৰ অনুষ্ঠানবোৰেও সমাজৰ কৃষ্টিৰ সৰু সৰু একোটা দিশ প্রকাশ কৰে। এনে বিষয়ক কেইটিমান কথা সংক্ষেপে ইয়াত উল্লেখ কৰা হ'ল। মাহৰ লগত সম্বন্ধ ৰাখি পতা অনুষ্ঠানবোৰ এইদৰে পোৱা যায়।

বহাগ	—	বিহুৱা (বিহু), বাঁশ পূজা।
জেঠ	—	জেঠুৱা উৎসব।
আহাৰ	—	আমতী পালা।
শাওন	—	টেঙা ঝৰা খোৱা, মাৰৈ পূজা।
ভাদ	—	জন্মাষ্টমী পালা।
আহিন	—	যাত্রা পূজা।
কাতি	—	কাতি ধ'গা।
আঘোণ	—	নয়া খোৱা, খেৰাই পূজা (বড়ো)।
পুহ	—	পুহণা।

মাঘ — সোণাৰায় পূজা।
ফাগুন — হোলি দোলযাত্ৰা।
চ'ত — চড়ক পূজা।

পুষ্‌ণা ঃ মাঘ বিহুৰ সমপৰ্যায়ৰ আৰু কিছু পৰিমাণে মিল থকা উৎসব। এই উৎসব পুহ আৰু মাঘ মাহৰ সংক্ৰান্তিত উদ্‌যাপিত হয় বুলিয়েই ইয়াক পুষ্‌ণা বোলা হয়। গোটেই পুহৰ মাহটোৱে পুষ্‌ণাৰ দলবোৰে ঘৰে ঘৰে মাগি ফুৰে আৰু যি চাউল, পইচা পায় তাৰেই মাঘ বিহুৰ উৰুকাৰ দিনাখন ভোজভাত খোৱাৰ নিচিনাকৈ ৰাতি মুকলি পথাৰত 'লগভাত' খায়। সেই দিনাখন প্ৰত্যেক গৃহস্থই নানা ধ'ণৰ ৰঙেৰে গৰুবোৰক ৰঞ্জিত কৰি, শিঙত সৰিয়হৰ তেল দি ওচৰৰ জলাশয়ত গা ধুৱায়। প্ৰত্যেক গৃহস্থৰ আটাইতকৈ বেয়া স্বভাৱৰ গৰুটোক লো গৰম কৰি দাগ' দিয়ে। তাক 'দাগি দেওয়া' বুলি কয়। কামৰূপ জিলাতো ইয়াৰ অনুৰূপ কাৰ্য কৰা হয়। কিন্তু মাঘ মাহৰ প্ৰথম দিনাখন নহৈ বহাগৰ প্ৰথম দিনাখনহে হয়। সেই দিনাখন ৰাতিপুৱাই গৰুবোৰক 'গৰগৰী' পিঠা খুৱায়। পুষ্‌ণাৰ লগত জড়িত হৈছে সোণাৰায় পূজা। এই বিষয় পিছত আলোচনা কৰা হৈছে। কামৰূপ জিলাৰে অকণমানো পাৰ্থক্য নোহোৱাকৈ মিলি যোৱা আন কেইটিমান ক্ষুদ্রানুষ্ঠান হ'ল --

নয়া খাওৱা ঃ শালি আৰু আহু ধান কটাৰ পিছত নতুন ধানৰ ভাত খোৱাত এটি আৰম্ভণী উৎসব পতা হয়। সেই দিনাখন নতুন চাউলৰ ভাত বনায়, মাছ মঙহৰ উপৰিও দৈ-চিৰা, পিঠা-পনা বনায় আৰু আত্মীয়-স্বজন, বন্ধু-বান্ধবক নিমন্ত্ৰণ কৰে। সন্ধিয়া প্ৰথমতে ধূপ দীপ জ্বলাই সিজোৱা শাক-পাভেৰে সেই ভাত হালোৱা গৰুক খুৱায়। ঠাই বিশেষে নিয়ম-নীতি অনুযায়ী শিৱ আৰু গোসাই ঠাকুৰক পাকান্ন দিয়ে। তাৰ পিছত সকলোৱে মিলি ভাত খায়। ৰাতি শিৱ ঠাকুৰৰ ভোগ দিয়ে। কিন্তু অভাব-অনাটনৰ বাবে বৰ্তমানে এই উৎসব খুব সীমিত হৈ পৰিছে।

গোৱালপাৰাৰ পশ্চিম অঞ্চলৰ কোচ-ৰাজবংশী সকলৰ মাজত থকা এটি বিশেষ দস্তুৰ মন কৰিবলগীয়া। সেয়া হ'ল সমাজ পাতি মানুহে ভাত খাবলৈ বহিলে বিশেষ বিশেষ ক্ষেত্ৰত (অন্নপ্ৰাসন, লগভাত আদিত) এনেবোৰ কথা চিঞৰি চিঞৰি কয়।

প্ৰথমজনে ঃ হ্যা-হ্যা। সাধুকে সাৱধান।

দ্বিতীয়জনে : এ হ্লা-হ্লা।

প্রথমজনে : আৰো বলি দোসৰাবাৰ।

দ্বিতীয়জনে : আচ্ছা।

প্রথমজনে : বানিয়া কৰে ঠাকাৰ ঠুকুৰ।

দ্বিতীয়জনে : মিশ্ৰী মাৰে খিল।

প্রথমজনে : জগন্নাথেৰ প্রসাদ খায়া শিকাই কৰি দেও ঢিল।

দ্বিতীয়জনে : দেও ঢিল।

'বলিহে সাধু মধু ৰসেৰ পানী হৰে হৰে হি. গৌৰ বলো নিতাই বলো বি':— এজনে বা বহুজনে এইখিনি কব। এনেদৰে এনে কথা দীঘলীয়াও কৰা যায়। বিচাৰিলে এনে কথাৰ আঁৰত কিবা গুচ কথাও ওলাব পাৰে।

গছা দেওৱা : আগ নেওৱা : ইয়াৰ প্রথমটো শালি ধানৰ প্রথম গছা দিয়েঁাত আৰু দ্বিতীয়টো আঘোণ মাহত প্রথম ধান কাটি ঘৰলৈ আনেঁাতে পালন কৰা হয়। যিজনে শালি ধানৰ প্রথম গছা পুতিব তেওঁ ৰাতিপুৱাৰ পৰা একো নোখোৱাকৈ থাকি, স্নান কৰি পবিত্রভাবে এনেদৰে কৈ গছা মেলিব : 'মা লক্ষ্মী চৰাই-চিৰিকতি, অথিত-ফকিৰ আৰু গৃহস্থই এমুঠা, একোঠা পাম বুলি গছা পুতিলোঁ।' এই মানুহজনে গোটেই দিন পবিত্রভাবে থাকিব আৰু ভঙা-পুৰা বস্তু নেখাব। আগ অনাৰ সময়তো তেনেকৈ পবিত্রভাবে থাকি লক্ষ্মীক ভক্তি জনাই প্রথম গছা ধান কাটিব।

আমতী পালা : অম্বুবাচীৰ শুদ্ধিৰ দিনাখন 'পাক' (ৰান্ধনী শাল) সাৰি মুচি পেলায়। ঘৰত ব্যবহাৰ কৰি থকা কাপোৰবোৰ ভিয়ায়। বিধবাসকলে চাৰি দিন ধৰি অসিদ্ধ আহাৰ খায় আৰু পবিত্রভাবে থাকে।

কাতি থগা বা ৰাতি লগা : কাতি মাহৰ শুক্লা পক্ষৰ প্রতিপদৰ দিনাখন ধাননীৰ মাজত বস্তি জ্বলোৱা প্রথা কামৰূপ, গোৱালপাৰীয়াত সমানেই প্রচলিত। গোৱালপাৰীয়াত ইয়াক 'কাতি থগা' বোলে। ই লক্ষ্মী পূজাৰে এটি ৰূপ মাত্র।

জেঠুৱা : জেঠ মাহত জন্মা সন্তানক প্রতি বছৰে জেঠুৱা উৎসবেৰে আদৰ সম্ভাষণ জনায়। ই জন্মোৎসব পর্যায়ৰ অনুষ্ঠান। নিয়ম-নীতিবে নানা বস্তু তৈয়াৰ কৰি জেঠুৱাজনক খুৱায়। অঞ্চলভেদে এনে ধৰণৰ আৰু দুই-চাৰিটা সৰু সুৰা অনুষ্ঠান থাকিব পাৰে। কিন্তু এই সংক্ষিপ্ত আলোচনাত সেই সকলোবোৰ ইয়াত সামৰি ল'ব পৰা সম্ভবপৰ নহ'ল।

৪। ক। ৫। স্ত্রী আচাৰ ঃ

তিৰোতাসকলে পুৰুষতকৈ আগতেই বাতিপুৱা বিছনা এৰে। বাহি চোতালত পুৰুষে ভৰি দিব নেপায়। 'সেয়ে ৰবে পুৱা'ই (দোকমোকালিতে) বাহি চোতাল সাৰি 'ছান ছাৰি' দিয়ে। তিৰোতাসকলে গা-পা নুধুৱাকৈ পুৰুষক বস্তু দিব নেপায়। গোৱালপাৰা, কামৰূপ যাদু-মন্ত্ৰৰ দেশ। সেয়ে পুৰুষে কটা তামোল তিৰোতাসকলে এতিয়াও নেখায়। ন বোৱাৰীয়ে শাহুয়েকৰ নিৰ্দেশমতেহে চলা নিয়ম। গা-পা নুধুৱাকৈ ৰান্ধনি শালত প্ৰবেশ নিষেধ। বন্ধা-বঢ়া সাজযোৰো আকৌ আচুতীয়া। খোৱা-লোৱাৰ পিছত ভাত খোৱা ঠাইডোখৰ পৰিষ্কাৰ কৰি আলতীয়া মাটিৰে মুচি পেলায়। তেনেদৰে মুচা মাটিৰ দীঘল বস্তুটোক কামৰূপত 'লেটি', গোৱালপাৰাত 'নেটি' বোলে। ঘৰ-কাঁঠি তেনেদৰে মুচিবৰ বাবে ছিবা কাপোৰৰ 'নেছা' (কামৰূপী লেছা) ব্যবহাৰ কৰে। তিৰোতাসকলে ব্যবহাৰ কৰা বাঢ়নীও বিধে বিধে কৰে। ঘৰৰ ভিতৰত ব্যবহাৰ কৰা বাঢ়নী চানথেৰৰ কৰে। বাহিৰত ব্যবহাৰৰ বাবে বাঁহৰ বাঢ়নী কৰে। তাক 'ঝাটা' বোলে। অপবিত্ৰ ঠাইবোৰত ব্যবহাৰ কৰা বাঢ়নীক 'চুৰাঝাটা' বোলে।

আধুনিকতাৰ মোহাৱৰিত নগৰত লুপ্তপ্ৰায় এটি বিশেষ স্ত্রী আচাৰ কামৰূপ, গোৱালপাৰাৰ গাওঁত এতিয়াও পূৰ্ণভাবে বাচি আছে। সেয়া হ'ল মাহেকীয়া অশৌচৰ সময়ত আৰম্ভণিৰ পৰা তিনি দিন আনে নুচুৱাকৈ থকা আৰু মাটিত বিছনা কৰি শুৱা। এইটো কৰা হয় সম্ভৱত অশৌচক উগ্ৰতৰ কৰি দেখুৱাই স্ত্রী-পুৰুষৰ যৌন মিলনক তিনিদিনলৈ বন্ধ কৰিবলৈ আৰু মাটিৰ পৰশেৰে অশৌচৰ পিছত অলপ বেছিকৈ হোৱা কাম উত্তেজনাক দমন কৰিবলৈ। কামৰূপ, গোৱালপাৰাত প্ৰচলিত এই প্ৰথাৰ উৎস প্ৰাচীন পুৰাণ যেন লাগে। কিয়নো এনে কথাৰ ইঙ্গিত দিয়েই পুৰাণকাৰ সকলে লিখিছে ঃ

'প্ৰথমেঽহনি চণ্ডালী, দ্বিতীয়ে ব্ৰহ্মঘাতিনী। তৃতীয়ে বজকী প্ৰোক্তা, চতুৰ্থেঽহনি শুদ্ধ্যতি ॥' অৰ্থ হ'ল ঃ ঋতুমতী নাৰী প্ৰথম দিনত চণ্ডালী, দ্বিতীয় দিনত ব্ৰহ্মঘাতিনী, তৃতীয় দিনত বজকিনী স্বৰূপা অশুদ্ধিনী হয়। চতুৰ্থ দিনত শুদ্ধ হয়। কিন্তু 'দৈব কৰ্ম্মণি পৈত্ৰ্যে চ পঞ্চমেঽহনি শুদ্ধ্যতি' অৰ্থাৎ দৈব কৰ্মৰ বাবে পঞ্চম দিনতহে শুদ্ধ হয়। এই সময়খিনিৰ ভিতৰত নাৰী সন্তান সম্ভৱা হ'লে সেই সন্তান কণা, কুজা, খোৰা ধৰণৰ বিকলাঙ্গ যুক্ত বা পতিত চৰিত্ৰৰ হয়।

বিয়া উৎসৱত বহুতো স্ত্রী আচাৰ যুক্ত হৈ আছে। বহুতো পূজা-পাৰ্বণ স্ত্রী

আচাৰ যুক্ত। সেইবোৰ কথা যথাস্থানত চমুকৈ আলোচনা কৰা হৈছে। ভাদ, পুহ, মাঘ, চ'ত মাহ অশুভ ভাবি 'পাগসাৰি' পেলায়। গৰ্ভবতী নাৰীৰ শিৰিয়েকে সাপ, বেঙ আদি মাৰিব নেপায়। মাৰিলে মৃত্যুৰ সময়ত সাপ, বেঙে জিভা উলিয়াই থকাৰ নিচিনাকৈ গৰ্ভস্থ সন্তানে জন্মৰ পিছত জিভা উলিয়াই থাকে। গৰ্ভবতীয়ে ইচ্ছা কৰা বস্তু খাব নেপালে গৰ্ভস্থ সন্তানৰ জন্মৰ পিছত মুখৰ পৰা লেল পৰি থকা হয়। লেল পৰি থকাবাবে ল'ৰাৰ নাম লেণ্টু, নেণ্টুও বথা দেখা যায়।

গোৱালপাৰা জিলাৰ মানুহৰ মাজত এটা বিশ্বাস আছে যে কোনো সংসাৰত যদি এটা ভাদমহীয়া সন্তান থাকে তেন্তে সেই সংসাৰখন কোনো ৰকম সুখে দুখে চলে। কিন্তু এটি সংসাৰত যদি দুজনকৈ ভাদমহীয়া সন্তান থাকে তেন্তে সেই সংসাৰৰ খুব অমঙ্গল হয়। সেয়ে সেইবোৰ সংসাৰত ভাদমহীয়া কোনো পোহনীয়া জন্তু পোহা হয়। কিন্তু সেই সংসাৰত যদি একেলগে তিনিটা ভাদমহীয়া সন্তান থাকে তেনেহলে সেই সংসাৰৰ খুব উন্নতি আৰু মঙ্গল হয় বুলি বিশ্বাস কৰে।

সেয়ে কয় ঃ "এক ভাদৰে লৰে চৰে,
দুই ভাদৰে পৰিয়া মৰে।
তিনি ভাদ্দৰ যাৰ,
সোণাৰ নাঙল তাৰ ॥"

তিৰোতাৰ পিন্ধা কাপোৰৰ (মেখেলা, শাৰী, পেটিকোট আদিৰ) তলেৰে স্বামী বা তেওঁতকৈ বয়সজেষ্ঠজন অহা যোৱা কৰিব নেপায়। তেনে কৰিলে পুৰুষজনৰ অপায় অমঙ্গল আৰু আয়ুক্ষয় হয় বুলি গোৱালপাৰা-কামৰূপ জিলাৰ মানুহৰ মাজত প্ৰগাঢ় বিশ্বাস আজিও প্ৰচলিত আছে। আধুনিক যোৱাৰীৰ এই জ্ঞান নথকাৰ বাবে তেওঁ শাহুআইৰ বিবাগ ভাজন হ'ব লাগে আৰু অকথাও শুনিব লাগে নীতি বিগৰ্হিত বুলি। জন্ম মাহত বিবাহ নিষেধ, স্বামী বা ভাঁতৰ পুত্ৰৰ জন্ম মাহত তিৰোতাই মুৰ মুধুৰে। পানী তলোৱা কলহ আনৰ চোতালেৰে নিব নেপায়। নতুন গৰু কিনি আনিলে ভবি ধুৱাই গলত নতুন পঘা দিব। তাৰ পিছত ধান-পানী খোৱাই গোহালিত বান্ধিব। কামৰূপতো ই সমানেই প্ৰচলিত।

কেচুৱা লগত লৈ আন ঠাইলৈ যাব লাগিলে তামোলৰ পিক্ মাটিত পেলাই তাৰে কপালত ফোঁট দিয়ে। শাহুৱেকৰ ঘৰৰ পৰা দেউতাকৰ ঘৰলৈ অহা-যোৱা কৰোঁতেও এনে কিছুমান আচাৰযুক্ত নিয়ম আছে। বৃহস্পতিবাৰত মাহ পুৰি

নেথায়। এনে ধৰণৰ সৰু-সুৰা কিছুমান স্ত্রী আচাৰে গোটেই গোৱালপৰীয়া নাৰী-সমাজক নিয়ন্ত্রিত কৰি আছে। এই স্ত্রী আচাৰবোৰৰ কিছুমান পুৰাণ নির্দেশিত, কিছুমান স্ব-ধর্ম নির্দেশিত, কিছুমান গোষ্ঠী নির্দেশিত আৰু কিছুমান সম্পূর্ণ থলুৱা।

৪। ক। ৬। চাল-চলন ঃ

ঘৰলৈ কোনোবা মানুহ আহিলে ঘৰৰ মুৰব্বীজনে প্রথমতে কথা বতৰা ক'ব। অতি ওচৰ সম্বন্ধীয় আত্মীয় স্বজনক বাদ দি জীয়ৰী-বোৱাৰীসকলে অইন পুৰুষৰ আগত নোলায়। আজিকালি নগৰত দেখিব পোৱা স্বামী-স্ত্রীয়ে একেলগে বহি কথাৰ চুপতি মাৰি ভাত খোৱা প্রথা গাঁৱে ভূঁইয়ে নাই। সাধাৰণতে পুৰুষসকলৰ পিছত তিৰোতাসকলে খোৱা-লোৱা কৰে। ঘৰৰ বোৱাৰীয়ে সদায় 'ঘুমটা' (ওৰণি) ল'ব লাগে। ভাই শহুৰেক, শহুৰেকৰ আগত মুৰত কাপোৰ নোলোৱাকৈ ওলোৱা নিষেধ। নগৰত যিজন ভাই শহুৰেকক দাদা বুলি মাতি মুকলি মুৰীয়াকৈ কথা কয় গাওঁত সেই জনেই ভাই বোৱাৰীয়েকৰ মুখ দেখিলে সেই মুখ দাহনৰ সময়ত পুৰা নেযায় বুলি বিশ্বাস কৰে। তিৰোতাবোৰে ডাঙৰকৈ কথা কোৱা আৰু হঁহা নিষেধ।

ডাঙৰে সৰুক মৰম চেনেহ কৰা, সৰুৱে ডাঙৰক শ্রদ্ধা-ভক্তি কৰা, এই বেদৰ যুগৰে পৰা ভাৰতীয় সমাজত প্রচলিত হৈ অহা প্রথা আজিও গোৱালপাৰাৰ সমাজত বর্তমান। কিন্তু অইনৰ প্রভাৱত আৰু অইনৰ পৰা শিকি দুই চাৰিজন ডেকাঁহ মাক-দেউতাকক উলঙ্ঘি ছোৱালী পলুৱাই নি বিয়া কৰোৱা দেখা যায়। ইয়াক এতিয়ালৈকে ব্যতিক্রম বুলিহে ধৰা হৈছে। ঘৰৰ মুৰব্বীজনৰ অনুমতি সাপেক্ষেহে ঘৰৰ পুৰুষ তিৰোতাই কোনো কাম কৰিব পাৰে বা আন ঠাইলৈ যাব পাৰে। মোমায়েক জ্ঞান আৰু বয়সত ধিমানেই ডাঙৰ নহওঁক কিয় ভাগিন কিন্তু বয়সত সৰু হ'লেও মোমায়েকতকৈ ডাঙৰ। ভাগিনক ভক্তি কৰি, গোৱালপাৰাৰ হিন্দু-মুছলমান অভেদে, কাশী-মক্কালৈ যোৱাৰ ফল পোৱা বুলি বিশ্বাস কৰে। সমাজক পৰিচালিত কৰা এনে ধৰণৰ বহুত কথাই হয়তো বিচাৰিলে ওলাব। উপৰোক্ত কথাখিনিবে এনে কথাৰ ইঙ্গিতহে মাথোন ইয়াত দিয়া হ'ল।

৪। ক। ৭। কথা-বতৰা ঃ

কথা-বতৰা মানে ভাষাৰ কথা নহয়। দুজন পৰিচিত মানুহৰ দেখাদেখি হ'লে, এজন মানুহ কাৰোবাৰ ঘৰলৈ গ'লে নাইবা এজন অপৰিচিত মানুহ কাৰোবাৰ ঘৰলৈ আহিলে দেখা সাক্ষাতত সম্ভাষণ জনোৱা আৰু কথা পতা চং দেশ আৰু জাতি ভেদে বেলেগ বেলেগ হয়। এই ছেদত গোৱালপাৰীয়া প্ৰচলিত এনে বিষয়ক দুই-এটি কথা কোৱা হ'ব। সমবয়সীয়া দুজনী গাভৰু, ভিৰোতা দুজন ডেকা বা পুৰুষৰ দেখা সাক্ষাৎ হ'লে প্ৰথম সাক্ষাতত হাঁহিৰে সম্ভাষণ জনোৱা হয়। আতা-আবু, নাতি-নাতিনীৰ ভিতৰত হ'লেও এই কথা খাটে। পৰিচিত মানুহ হ'লে আৰু বাট'ত সাক্ষাৎ হ'লে এজনে সুধিব ঃ আনজনে উত্তৰ দিব এনেদৰে ঃ—

১ম ঃ কুতি যান ?
২য় ঃ এতি বা এত্তি যাং। (ওচৰত হ'লে)
উতি বা ওতি বা ওত্তি যাং (দূৰত হ'লে)
সৰু সুৰা কথা বতৰা দুই চাৰিটাৰ পিছত কয় ঃ
১ম ঃ যাং এলা।
২য় ঃ যান, মুইয়ো যাং।
বুঢ়া দুজন হ'লে ঃ
১ম ঃ কুতি যান বাপুৰে ?
২য় ঃ নাকন। ওত্তি যাং বাপুৰে।

ভিৰোতাহঁতে পৰ্যায়ক্ৰমে ওপৰত কোৱা ধৰণে কথা কয়। সকলো ঠাইৰেই ভিৰোতাই কথা কবলৈ ভাল পায়। ই নাৰীৰ এক বৈশিষ্ট্য। কথাৰ লগত যোজনা ফঁকৰাও নাৰীয়ে বেছিকৈ ব্যবহাৰ কৰে। সেয়ে দুজনী বান্ধৱীৰ দেখা হ'লে ঃ এজনীয়ে যদি কয় ঃ কুতি যাবাৰ ধইছেন ?

আনজনীয়ে উত্তৰত কয় ঃ থন থন, ঐনা কয় বলে ঃ
'ঘাটাত দেইখ্‌লে ঝৰে মন
বাৰী গেইলে ঠন্ ঠন্ ॥'

খা-খৰৰ লোৱাৰ পিছত নাৰী মনৰ দুই-চাৰি কথা পাতি 'যাং এলা' বুলি বিদায় লয়। দুজনী গাভৰুৰ দেখা হ'লে প্ৰথমতে গাভৰু হাঁহিৰ বিনিময়, তাৰ পিছত খা-খৰৰ আৰু গাভৰু মনৰ খৰৰ লয় ; ঠাট্টা ইয়াৰ্কি কৰে। কেতিয়াবা

শ্লোক আদিৰে বিদায় লয় আৰু সম্ভাষণ জনায়। অপৰিচিত মানুহ যদিলে আহিলে পুৰুষ হ'লে পুৰুষে আৰু তিৰোতা হ'লে তিৰোতাই প্ৰথম কথা ক'ব এনেদৰে :

'তোমৰা কায়, চিনিৰ না পাইলং। কেনে আইসছেন কাক নাগে, লাগে?' পৰিচয় পোৱাৰ পিছত 'আইসো, বইসো' বুলি কথা আৰম্ভ কৰিব। ওচৰত বা দূৰত থকা মানুহক এনেদৰে মাতে- মাক দেউতাকে সম্ভানক মাতিলে যদি ওচৰত থাকে তেনেহলে 'নাম কাঢ়ি' মাতিব। গাওঁঞলৰ ভিতৰত আছে কিন্তু ক'ত আছে নেজানে তেতিয়া চিঞৰিব : 'বাবাৰে .....এ..... এ ..। মাইওঁ..... ওঁ.....ওঁ.....।

যদি ল'ৰাটোৰ নাম সেণ্টু হয় : সেণ্টুৰে.... এ . এ ..। দূৰত কিন্তু দৃষ্টিৰ ভিতৰত হ'লে : এ...বাবা, বা...এ...সেণ্টু।

সন্মানাৰ্থত দূৰৰ পৰা নেমাতে আবশ্যক হ'লে ওচৰলৈ গৈ কথা পাতে। সমবয়সীয়া বয়সস্থ ব্যক্তিৰ ক্ষেত্ৰতো একে কথা খাটে। নগৰীয়া ঢং অনুকৰণ কৰাত বাহিৰে স্বামীয়ে স্ত্ৰীক 'নাম কাঢ়ি' নেমাতে, ভাই শহুৰেক ভাই বোৱাৰীয়েকৰ মাজত কথাৰ মাধ্যম হ'ল সৰু ল'ৰা-ছোৱালী। ১/১॥ বছৰীয়া ল'ৰা-ছোৱালীক ভাই বোৱাৰীয়েকে শুনাকৈ ভাই শহুৰেকে কব : মাইও পানী দে এক লোটা' মাইৰ মুখত কথা ফুটাই নাই তথাপি ভাই বোৱাৰীয়েকে পানীৰ লোটাটো উলিয়াই দি কব : মাইও পানী দেওৱা বুলি ক।' কোনোৱে কাৰো মুখো নেদেখিলে অথচ কামটোও হ'ল।

বয়সত বুঢ়া বা বুঢ়ী কিন্তু কোনো প্ৰকাৰে কোনো সম্বন্ধ ধৰি মাতিব নোৱাৰা বিধৰ, অথচ নেমাতিলেও নহয়, তেনে ক্ষেত্ৰত বুঢ়াজনক 'বুঢ়াৰ বেটা' আৰু বুঢ়ীজনীক 'বুঢ়ীৰ বেটী' বুলি সম্বোধন কৰা হয়। ডেকা বয়সৰ হ'লে এনে ক্ষেত্ৰত 'মানুষিৰ ছাওৱা' বুলি সম্বোধন কৰে। চেংৰা, চেংৰী, আপি শব্দ কম বয়সৰ ল'ৰা-ছোৱালীৰ ক্ষেত্ৰত হয়। দিনৰ পোহৰতে গৃহস্থৰ অজ্ঞাতে কোনো এপদ বস্তু কোনোবাই নিব ওলালে আৰু সেইটো কোনোবা ল'ৰা-ছোৱালীয়ে দেখিলে গৃহস্থক অস্পষ্টভাবে জনায় এনেদৰে :

কামৰূপ জিলা :

'আকো মাকো কাৰ্‌বা সফ্‌ৰি আম খালাক্ এ।'

গোৱালপাৰা জিলা :

'আকো মাকো কাবাৰ সুপাৰী খাইল বে।'

ওপৰৰ কথাখিনি পশ্চিম গোৱালপাৰাৰ পটভূমিত লিখি উলিওৱা হৈছে। মধ্য,

দক্ষিণ আৰু পূব গোৱালপাৰাত উপৰোক্ত কথাখিনি একে হ'লেও ঢং আৰু উচ্চাৰণত উনিশ বিশ হ'ব পাৰে।

৪। কা ৮। হাই-দ্বন্দ্ব-কাজিয়া ঃ

কামিনী কাঞ্চনেই সকলো অনৰ্থৰ মূল। ইয়াত কাঞ্চন শব্দটো সোণৰ উপৰিও অন্যান্য সম্পত্তিকো বুজোৱা অৰ্থত ধৰা হৈছে। সাধাৰণতে কোনো এটি বিষয় লৈ যেতিয়ালৈকে বাক্ বিতণ্ডা, তর্ক-বিতর্ক চলি থাকে তেতিয়ালৈকে তাক তিৰোতাৰ হলে 'দন্' (দ্বন্দ্ব), পুৰুষৰ হলে 'হাই' বা 'তৰ্ক-বিতৰ্ক' লগা বুলি কয়। এই স্তৰ পাৰ হৈ যেতিয়া হাতাহাতি হয় তেতিয়া তাক কাইজা' মাৰামাৰি বুলি কয়। দ্বন্দ্ব তিনি প্ৰকাৰৰ হব পাৰে।

(১) সতিনীৰ দ্বন্দ্ব।

(২) ভাগীৰ দ্বন্দ্ব।

(৩) পাৰাপৰশীৰ দ্বন্দ্ব।

সবাতকৈ বিষময় হ'ল সতিনীৰ দ্বন্দ্ব। এই দ্বন্দ্বৰ উপকৰণ যিমানেই কাৰণ নেথাকক কিয় মূলত কিন্তু গিৰিয়েকৰ মৰম-চেনেহৰ অংশীদাৰ হোৱা বাবে সতিনীৰ ভিতৰত হোৱা ঈৰ্ষা, হিংসা।

'নাক কাটি সতিনীৰ যাত্ৰা ভঙ্গ কৰা' প্ৰবচনৰ এনেয়ে জন্ম হোৱা নাই। দুই সতিনীৰ দ্বন্দ্বৰপৰা কাজিয়া লাগি ইটোৱে আনটোক বিবস্ত্ৰা কৰি চোতালত লুটিয়া-লুটি কৰা গল্প গোৱালপাৰাৰ জন সমাজত শুনা যায়। ভাগীৰ দ্বন্দ্ব হয় সম্পত্তিক কেন্দ্ৰ কৰি। প্ৰতিবেশীৰ দ্বন্দ্ব হয় লৰা ছোৱালী গৰু-ছাগলী, হাঁহ-পাৰক কেন্দ্ৰ কৰি। সতিনীৰ দ্বন্দ্ব চিৰদিনীয়া, ভাগীৰ দ্বন্দ্ব দীৰ্ঘদিনীয়া আৰু ওচৰ চুবুৰীয়াৰ দ্বন্দ্ব সাময়িক।

খং নামেই চণ্ডাল—কথাষাৰ সঁচা। খং উঠাৰ লগে লগে মানুহৰ হিতাহিত জ্ঞান নেথাকে। খং উঠাৰ লগে লগে মানুহৰ সভ্য বা মার্জিত আৱৰণ সুলকি পৰে। তেতিয়া পুৰুষ-তিৰোতা উভয়ৰে মুখত কিছুমান অশ্লীল মাত ওলায়। নাৰীয়ে প্ৰতিদ্বন্দ্বীক জাত-পাত উঘালি গালি পাৰে। খণ্ডৰ প্ৰকোপত একো নাই হৈ পিন্ধা কাপোৰ দাঁতি প্ৰতিদ্বন্দ্বীক গুপ্তাঙ্গ দেখায়। কামৰূপ জিলাতো নাৰীৰ এনে অভ্যাস আছে। গোৱালপাৰাত কিছুমান অঞ্চলত আকৌ ৰবপেটাৰ নিচিনা-কৈ দ্বন্দ্ব ফুলাবে ঢাকি থৈ খোৱা লোৱাৰ পিছত কুলা তুলি পুনৰ দ্বন্দ্ব আৰম্ভ

কৰে। দ্বন্দ্ব কৰোঁতে তিৰোতাই শব্দবোৰ এটি ঢঙত প্ৰকাশ কৰে। এই ঢং সাধাৰণ কথা-বতৰাৰ পৰা পৃথক। গোৱালপৰীয়া দ্বন্দ্বৰ ঢঙৰ কামৰূপৰ লগত মিল আছে। দুয়ো জিলাত দ্বন্দ্বৰ সময়ত প্ৰয়োগ কৰা কিছুমান সমজাতীয় শব্দ হ'ল :

গোৱালপাৰা—	কামৰূপ—
বেশ্যা	বেশ্যা
ভেন্ত্রী	গৈৰেনী
ছিকো ছিকো	ছিকো ছিকো
বৈতেলী	বৈতেলী

অশ্লীল ভাষা আবাইচ মাতো মাতে।

নিজৰ দাঁত ওঁঠেই কামোৰ খায়। গতিকে বেলেগ বেলেগ মানুহৰ ভিতৰত কাজিয়া হোৱাটোনো আৰু কিমান ডাঙৰ কথা। সমাজ পাতি বাস কৰা মানুহৰ কাজিয়া হ'ব পাৰে। কিন্তু গোৱালপাৰা জিলাত এই কাজিয়া পৰিমাণত অলপ কম যেন লাগে। কাৰণ হয়তো সেমেকা ভৌগোলিক পৰিবেশ আৰু অনুত্তেজক খোৱা খাদ্য।

৪। ক। ৯। লুপ্তপ্ৰায় বদ্ অভ্যাস :

গোৱালপাৰা, কামৰূপ জিলাৰ মানুহৰ কিছুমান লুপ্তপ্ৰায় বদ্ অভ্যাস হ'ল এই :

তামোল দিওঁতে পাণ ফালি পিন্ধা কাপোৰত মুচি দিয়া অভ্যাস, থকা ঘৰৰ ওচৰতে গোবৰ জাবৰ ময়লা পেলাই অপবিচ্ছাৰ কৰি বখা, গোহালিৰ গোবৰ বাস্তাৰ কাষত পেলোৱা, দাঁত পৰিষ্কাৰ নকৰা আৰু লেতেৰা কাপোৰ পিন্ধা, য'তে ত'তে হাগা-মুতা, থু-সেঙুন পেলোৱা, সেঙুন পেলাই পিন্ধা কাপোৰত হাত মুচা, মাকৰ সম্মুখতে সৰু ল'ৰা-ছোৱালীয়ে জিভাৰে চেলেকি সেঙুন খোৱাতো মাকে মা ডাঙৰে চাই থকা, কেচুৱাৰ সেঙুন মাকে পিন্ধা কাপোৰেৰে মুচা, কেচুৱাৰ গু-মুত ভৰিৰ তলুৱাৰে মুচি পেলোৱা, তিৰোতাৰ বিড়ি খোৱা অভ্যাস— প্ৰত্যেক-টোৱে বদ্-অভ্যাসৰ ভিতৰুৱা বিষয়। কিছুমান তিৰোতাৰ ভাত বন্ধা পাওঁতেই খোৱা অভ্যাস আছে। এনে তিৰোতাক 'হাড়ীত খাতী বা খাইতী' বোলে। দুই প্ৰকাৰৰ

পিছলৈ এনেবোৰ কথা উদাহৰণৰ বাবেও আনকি ভিতৰুৱা গাঁও-ভূঁইতো পোৱাটো টান হ'ব বুলি আশা কৰিব পাৰি।

৪। ক। ১০। হাঁহি কান্দোন ঃ

লোকৰ প্ৰকাশ চকুলো আনন্দৰ প্ৰকাশ হাঁহি। গোৱালপাৰীয়াত বিভিন্ন ঢঙৰ হাঁহিক এনেদৰে নামকৰণ কৰিছে ঃ

১।	সম্ভাষণ সূচক	—	আদৰৰ হাঁসি।
২।	মিচিকিয়া হাঁহি	—	মুচ্‌কী হাঁসি।
৩।	ধেক্‌ধেকী হাঁহি	—	কুমুতুলি হাঁসি।
৪।	আনন্দৰ হাঁহি	—	আনন্দৰ হাঁসি।
৫।	অট্টহাঁহি	—	অট্টহাঁসি।
৬।	ব্যঙ্গহাঁহি	—	বিদ্রুপ হাঁসি।
৭।	বিজয়ৰ হাঁহি	—	গৌৰবৰ হাঁসি।
৮।	হতাশাৰ হাঁহি	—	নিৰস হাঁসি।

কান্দোন মানুহৰ শোক ব্যথাৰ প্ৰকাশ আৰু চকুলো তাৰ সাক্ষী। মানুহে বিভিন্ন কাৰণত দুখ-শোক পায়। এই দুখ-শোকে গভীৰতম অবস্থা পালে মানুহে অসহ্য হৈ ক্ৰন্দনৰ আশ্ৰয় লয়। কাৰণ কান্দিলে মনৰ দুখ শোক কিছু পৰিমাণে কমি যায়। কাৰণ একে হ'লেও দেশ ভেদে কান্দোনৰ ঢং বেলেগ হ'ব পাৰে। কান্দোন শুনিহে বুজিব পাৰি; লিখনিৰে বুজোৱা বস্তু নহয়। তথাপি দুটি এটি থূল কথা ইয়াত কোৱা হ'ল।

১। কেচুৱাৰ কান্দোন সকলো দেশতে একে। কান্দোনৰ কাৰণ হয়তো মঙ্গলময়ৰ পৰা বিচ্ছেদ, হয়তো মানবীয় ভোক-পিয়াহ, হয়তো ভয়। সুৰ—উঁ-আ, উঁ-আ। লোক বিশ্বাস মতে কেচুৱাৰ ক্ৰন্দনত 'ওঁম' মন্ত্ৰ প্ৰকাশ পায়।

২। ল'ৰা-ছোৱালীৰ কান্দোনৰ সাধাৰণতে কাৰণ হ'ল শাৰীৰিক দুখ আৰু আশ্ৰয়ৰ আকাঙ্ক্ষা। সুৰ ঃ আ ..। এ .....। ও .....। আ ..... দিদিয়ে। এ ..... বাবাৰে। ও মাৰে।

৩। মানসিক আঘাত চেংৰী কান্দোনৰ মূল কাৰণ। উচুপনি আৰু চকু-পানী পেলায়। কান্দোঁতে নাকৰ সেঙুন ওলায় আৰু মাজে মাজে পেলায়। উচুপনিৰ সুৰ—উঁস—উঁস। এই কান্দোনত নাক-মুখেৰে বতাহ ভিতৰলৈ টানি নিয়ে ঃ অন্তর্মুখী বায়ুৰ ঘৰ্ষণত সেঙুন ওলায়।

৪। বিচ্ছেদ বেথা কন্যা কান্দোনৰ মূল কাৰণ। সুৰ—'উ-উ-এ-এ' ফেডিয়াৰা সেউন ওলায়।

৫। মাতৃ কান্দোনৰ কাৰণ বিচ্ছেদ, শোক। সুৰ--বাপ-বে-এ, মাও-বে-এ। বুঢ়ীবোৰে জীৱনত বহুত দেখি বহুত ঠেকি শিকি আছে। গতিকে তিয়া টান হয়। যেই সেই কথাতে থৰক-বৰক নহয়। বুঢ়ী কান্দোনৰ মূল কাৰণ মৃত্যু শোক। সুৰ : আ-আ-আ, এ-এ-এ। বাবা-বে-এ। মাও-বে-এ-।

স্বামী বা সন্তানৰ মৃত্যুত ভিৰোতাই বিলাপ কৰি কান্দে। বিলাপৰ সুৰ :-- 'ওৱে ...বাপ... (নাম), মোকে—ফাঁকি—দিয়া—কুতি—গেলু—মোৰ— (নাম)—বে।' ধৰণ হিচাবে কান্দোনৰ নামবোৰ এই :

১। হুৰাও বাৰৈ কান্দা — ডুকৰি ডুকৰি কান্দা।
২। পেখন ধৰি কান্দা — পেখ্না কান্দা।
৩। মায়া কান্দা — নচ্লা কান্দা।
৪। ভেবা কান্দা — ভেৰভেৰি কান্দা।
৫। ভয়ত কান্দা -- চাপা কান্দা।
৬। বিলাপ — বিলাপ।
৭। উচুপি কান্দা -- হিকৰি কান্দা।
৮। ফেকুৰি কান্দা — ফেক্ৰা কান্দা।

কান্দোন প্ৰধানকৈ নাৰীৰ বস্তু। কিন্তু কিছুমান দুৰ্বল চেতা পুৰুষ আছে যি সকলে কান্দে। তদুপৰি এনেকুৱা ধৰণৰ কিছুমান আঘাত আছে যিবোৰে বজ্ৰ কঠিন পুৰুষকো কন্দুৱায়। পুৰুষে কান্দিলে সাধাৰণতে অ - আ—আ। উস—উস' ধ্বনি কৰে।

৪। কা ১১। ঘৰ-দুৱাৰ নিৰ্মাণ :

গোৱালপাৰীয়া ঘৰ-দুৱাৰ নিৰ্মাণ প্ৰণালী মনকৰিবলগীয়া। গঠন ৰীতিৰ কালৰ পৰা তিনি প্ৰকাৰৰ ঘৰ দেখিবলৈ পোৱা যায়।

১) চৌৰাখী।
২) বাংলা।
৩) চাপ্ৰা।

চৌৱাৰী ঘৰত চাৰিখন চাল থাকে। বাংলা ঘৰত দুখন চাল আৰু চাপৰাত মাত্ৰ এখন চাল থাকে। ব্যবহাৰৰ ফালৰপৰা আকৌ ইয়াক তলত দিয়া ধৰণে ভগাব পাৰি। যেনে ঃ

১। ৰৰ ঘৰ—মূল বা ঘাই ঘৰ।
২। ৰান্ধন বা আন্দন ঘৰ—পাক্ ঘৰ।
৩। নাকাৰী, নোৱাৰী বা ডাৰিঘৰ চৰা ঘৰ।
৪। গোলা ঘৰ—ডঁৰাল ঘৰ।
৫। গোলী ঘৰ, গোৱাইল ঘৰ—গোহালি ঘৰ।
৬। খৰিৰ ঘৰ- খৰি থোৱা ঘৰ।
৭। ঠাকুৰ ঘৰ—উপাস্য দেবতাৰ উপাসনাৰ বাবে সজা সৰু ঘৰ।
৮। ডুঁচিৰ ঘৰ- মাহ, মাটিকলাই, সৰিয়হ আদিৰ ডুঁচিবোৰ গৰুৰ খাদ্য হিচাবে বা কাপোৰ উহাবৰ বাবে বখা ঘৰ।
৯। মাচা—ডঁৰাল ঘৰ।
১০। ঢেঁকী ঘৰ—ঢেঁকী থকা ঘৰ।

'গোলা ঘৰ' আৰু 'মাচা ঘৰ' দুয়োটি শব্দই ধানৰ ডঁৰালকে বুজায় যদিও ইহঁতৰ মাজত পার্থক্য নোহোৱা নহয়। গোলা ঘৰ হল সম্পূর্ণ বেলেগকৈ সজা ধান থোৱা ডঁৰাল। আগিয়াকে আদি কৰি পূব গোৱালপাৰাত ইয়াক পশ্চিম কামৰূপৰ নিচিনাকৈ 'ভাখ্ৰী' বুলি কয়। মাচা হ'ল মূল ঘৰৰ ভিতৰতে সম্পূর্ণ নিৰাপদে ৰাখিবলৈ সজা ধান থোৱা ডঁৰাল। কিছুমানে আকৌ মূল ঘৰৰ ভিতৰতে বাঁহৰ চাং সাজি তাৰ ওপৰত বাঁহৰ ডাঙৰ ডলিত ধান ৰাখে। কিছুমানে তাকো 'মাচা' বোলে। এই অর্থত মাচা' শব্দৰ ব্যবহাৰ পশ্চিম গোৱালপাৰাতহে হয়। ই বিলাসী-পাৰাৰ পৰা আৰম্ভ কৰি পূবফালে সাধাৰণতে ধানৰ ডুলি নাইবা টিন থবলৈ খিকোনো ঘৰতেই সজা বাঁহৰ চাঙকহে বুজায়।

বর্তমান যুগত কাঠ, ইটা, চিমেণ্ট, টিনপাত, লোহ-সহকাৰেৰে সজা আসাম টাইপ ঘৰ, আৰ, চি, চি, বিল্ডিংবোৰৰ লগত গোৱালপাৰাৰ থলুৱা ঘৰ নির্মাণ প্রণালীৰ সম্পর্ক মুঠেই নাই। 'বাঁহ-কাঠ' খেৰ-বেঁত, বাতা-বিৰিণাৰে থলুৱা পদ্ধতিত সজা ঘৰ-দুৱাৰৰ লগতহে গোৱালপৰীয়া লোকসংস্কৃতিৰ সম্পর্ক। গোৱালপাৰৰ এইবোৰ সা-সঁজুলিৰে ঘৰ সজা প্রণালী কামৰূপেৰে অবিকল একে।

৪। ক। ১২। ঘৰ সঁজাৰ সঁজুলি :

গোৱালপাৰা	কামৰূপ	অসমীয়া
১। উৰা, কৰা	কৰা	কৰা
২। কাইম, কামি	কামি	কামি
৩। চন্না	চ'ডি	চ'ডি
৪। পাইৰ	মাল্লা, মাল্‌লি	মাকলি
৫। ভিৰ	দাং, পিতবাওনা	ভিৰ
৬। সুত্‌লি	গুৰি	গুৰি
৭। চামি, চাপ্‌ৰি	চাপ্‌লি	চাপলি
৮। সাৰগ	সাৰহ	
৯। তেমাল, তেঙল	ভাঙল, ভঙল	ভমাল

ঘৰৰ চাল আৰু বেৰবোৰত বাঁহ ভমালেৰে দিয়া বান্ধবোৰৰ প্ৰকাৰ হিচাবে এনেদৰে নামকৰণ কৰা হৈছে। যেনে :— কামৰা বান্ধ, মখা বান্ধ, পাউৰা চৌকা বান্ধ, পিহসা বান্ধ সৰগা গি.টা (কামৰূপী-সন্ত' গাঁঠি) দোমুখা বান্ধ, ঝুতি বান্ধ।

এইবোৰ সঁজুলিৰে চাস তৈয়াৰ কৰি মাটিৰ ওখ ভেঁটি সাঁজি কাঠ বা বাঁহৰ 'খাম' (খুটা) দি ঘৰ সঁজা হয়। চালবোৰ চানখেৰেৰে সুন্দৰকৈ তৈয়াৰ কৰি লয়। বেৰবোৰ বাঁহ, মতৰা (বাতা) নাইবা খিৰিণাৰে দি মাটি লিপি দিয়ে। এনে ঘৰত দৰজা, খিৰিকিৰ সংখ্যা সাধাৰণতে কম হয়। দৰজা খিৰিকিবোৰ আকৌ বাঁহৰেই আটোম চৌকাৰীকৈ তৈয়াৰ কৰি লোৱা হয়।

আইগ্‌লা হাঁস পাইছ্‌লা বাঁশ

সাধাৰণতে ডাক মহাপুৰুষৰ এই বচন মানিয়েই বাৰী-বস্তি পতা হয়। বাৰীত ডামোল-পাণ, কল-কুঁহিয়াৰ, আম-কঠাল, লেচেকু, পনিয়ল আদি ফল-মূলৰ গছ কৰা হয়।

৪। ক। ১৩। শিল্প :

শিল্প সম্ভাৰত ইয়াত গোৱালপাৰীয়া গাভুৰা বা কুটীৰ শিল্পৰ কথাহে কোৱা

হৈছে। এই জিলাৰ মানুহবোৰে দৈনন্দিন বিভিন্ন কাৰ্যত ব্যবহাৰ্য কিছুমান বস্তু ঘৰতেই নিজ হাতেৰে তৈয়াৰ কৰি লয়। তাৰ ভিতৰত পাচি-ডুলি, ধাৰা-টালাই বা কইটা (অমিহি ধাৰা), চাকি টালা আৰু আন আন বাঁহৰ বেঁতৰ পাত্ৰ; মাছমাৰা সঁজুলি—ভাইৰ, চহৰা, জাকা, বানা, পল, কোচা, খলাই। খেতিৰ সঁজুলি - নাঙল-যুৱলি, মৈ-বিধ-উখন ইত্যাদিৰ কথা উল্লেখ কৰিব পাৰি। কিন্তু অলপ বহল অৰ্থত শিল্প শব্দটো ধৰি ললে কুহিলা, বয়ন আৰু মাটিৰ পুতুলা নিৰ্মাণ শিল্পৰ কথাহে ক'ব লগা হয়। ইয়াৰ ভিতৰতো গোৱালপাৰা জিলা কুহিলা আৰু মাটিৰ পুতুলা নিৰ্মাণ শিল্পৰ বাবেহে বিখ্যাত বুলি ক'ব পাৰি।

১। বয়ন শিল্প (পোছাক-পৰিচ্ছদ) ঃ

'মাত্ৰ বাৰ আনা পইসা দিলে হাতেৰ মুঠিত গোটে নেওৱাৰ মতন এখান ধুতি পওৱা গেছিল। ধুতিয়ে নোআয় আৰো ব্যবহাৰী কাপোৰ পাওৱা গেছিল। সেই জন্য কাপোৰ বোৱা একেবাৰে বাদ দিয়া ঐ বিষয়ে একেবাৰে মুখ ঘুৰীয়া নিলে।' মধুমৌলমাৰীৰ ৺শিৱিশ চন্দ্ৰ ৰায়ে এইষাৰ সম্ভবত ১০০/১২০ বছৰ আগৰ কথা কৈছিল। আধুনিক যন্ত্ৰ যুগৰ শিল্প বিপ্লবত কুটিৰ শিল্পৰ অবক্ষয় আৰম্ভ হৈছে। যন্ত্ৰ শিল্প প্ৰসূত আৰু সুলভ মূল্যতে হাত মেলি পোৱা কাপোৰেৰে হোৱা প্ৰতিযোগিতাত থলুৱা বয়ন শিল্পৰ পৰাজয় হ'ল। কিন্তু ই সমূলঞ্চে ধ্বংস নহ'ল। মধ্য আৰু পূব গোৱালপাৰ, কামৰূপ আৰু উজনী অসমৰ ঘৰে ঘৰে আজিও সুন্দৰী আৰু সুদক্ষ শিপিনীৰ ভৰিৰ হেঁচাত গৰকাই কেৰ্‌কেৰায় শালে ছেৰে ছেৰে খট্‌খটায় আৰু মাকোৰে ছো ছোৱায়। গোৱালপাৰাৰ বড়ো ভাই-ভনীসকলে দখ্‌না-চেলেং গামোচা-এৰি কাপোৰ আজিও ঘৰতেই নিজৰ হাতেৰে তৈয়াৰ কৰি লয়। পূব আৰু মধ্য গোৱালপাৰাতো বয়ন শিল্প বৰ্তি আছে। কিন্তু পশ্চিম গোৱালপাৰাত বয়ন শিল্প লুপ্তপ্ৰায় হ'ল। এই ব্যতিক্ৰমৰ কাৰণ কেবল মাত্ৰ যন্ত্ৰ সভ্যতাই নে?

বৰ্তমান গোৱালপাৰাৰ পশ্চিম অঞ্চলত তিৰোতাসকলে হিন্দু-মুছলমান অভেদে বেছিভাগ ক্ষেত্ৰত বঙালীৰ আৰ্হিত সাজ-পাৰ পৰিধান কৰে। মধ্য আৰু পূব গোৱাল-পাৰাত প্ৰধানকৈ অসমীয়া সাজ-পাৰ পৰিধান কৰে। জিলাবাসী বড়োসকলে নিজস্ব পোছাক-পৰিচ্ছদৰ উপৰিও অসমীয়া সাজ-পাৰ পিন্ধে। ভেওঁলোকৰ মাজত বঙালী সাজ-পাৰৰ প্ৰচলন কম। মুছলমানৰ তিৰোতাসকলে এতিয়াও বোৰখা ব্যবহাৰ কৰে। পুৰুষসকলে ধুতি-চোলা, শিক্ষিত সকলে ইংৰাজীয় পোছাক পিন্ধে। ঘকৰা কাম বনত বা কৃষিকাৰ্যত গামোচা, পান গামোচা, মুগচা আদি ব্যৱহাৰ কৰে। এসময়ত গোৱালপাৰাৰ পশ্চিম অঞ্চলত নিজহাতে তৈয়াৰ কৰা 'বুকী'

পিন্ধিছিল। বুকী—মেখেলা, বুকুত পিন্ধে যাবে বুকী। পশ্চিমৰ কিছুমান ঠাইত ইয়াক চেঙতা, পাটানি আৰু বিসাসীপাৰা অঞ্চলত 'বুকোত' পিন্ধা' বুলি কয়। এই অঞ্চলৰ ঠায়ে ঠায়ে আজিও বুকীৰ ব্যবহাৰ দেখা যায়। বুকীখন পিন্ধি কল্‌দিলীয়া খোপাটোৰ ওপৰেদি গামোচাখন পেলাই লোৱা এজনী নাৰীৰ একেবাৰে সাধাৰণ পিন্ধনেৰে প্ৰকাশিত সৌন্দৰ্যৰ দেহ-ৰূপটো কল্পনা কৰোঁকচোন ; কিমান যে ভাল লাগিব। এইজনী যতেই নেথাকক কিয়, নিশ্চিতকৈ খাচ অসমীয়া তিৰোতা। আজি লুপ্তপ্ৰায় আন এবিধ তিৰোতাৰ পোছাক হ'ল 'চেমিজ'। আজি কালিৰ মাচুল ব্লাউজটো আৰু পেটিকোটটো যুক্ত কৰিলে যেনে হয়, চেমিজ হ'ল ঠিক তেনেকুৱা। গোৱালপাৰা-কামৰূপত গাঁৱে-ভূঁয়ে দুই একে আজিও 'চেমিজ' পিন্ধে।

পশ্চিম গোৱালপাৰাত লেংটিৰ প্ৰচলন আছে। লেংটি হ'ল কঁকালত এডাল চিকন মিহি বচি লগাই সেই বচিত এডোখৰ সৰু কাপোৰ ওলোমাই লোৱা প্ৰথা। কাপোৰ ডোখৰে কেবল পুৰুষাঙ্গ আৰু গুহ্যদ্বাৰহে ঢাক খুৱাই বাখে : বাকীখিনি উদং হৈ থাকে। গাওঁত সৰু ল'ৰাবোৰে এইটো পিন্ধে। এইটো প্ৰাচীন পিন্ধন ৰীতিৰ শেষ চিহ্ন। পশ্চিম গোৱালপাৰাত কোচ-ৰাজবংশীসকলে ডাঙৰ কাপোৰ পিন্ধিলেও কোঁচাই লওঁতে লওঁতে সি লেংটিৰ পৰ্যায় পায়গৈ। গাওঁত কামৰ বেলিকা এতিয়াওঁ এইটো দেখিব পোৱা যায়।

মধ্য আৰু পূৰ গোৱালপাৰাত অজিও বয়ন শিল্পৰ পৰোভৰ আছে। কিন্তু পশ্চিম গোৱালপাৰাত খেতা (কাম : কাথা) আৰু বেজীৰে কৰা সূতা আৰু উলৰ কামহে মাত্ৰ প্ৰচলন আছে। কেইবছৰমান আগৰ পৰা আন ঠাইৰ নিচিনাকৈ এই অঞ্চলতো চৰকাৰৰ সাহায্যত সমুহীয়া শিল্পই গা-কৰি উঠিব ধৰিছে।

২। **কুহিলা শিল্প :** কুহিলা শিল্প পূৰ্ব ভাৰতৰ এক বৈশিষ্ট্যপূৰ্ণ শিল্প। এটা সময়ত ই গোটেই নামনি অসম ব্যাপি আছিল। কিন্তু সময়ত সঙ্কুচিত হৈ গৈ বৰ্তমান কেবল পশ্চিম গোৱালপাৰাতহে ই বৰ্তি আছে। গৌৰীপুৰ গোলোকগঞ্জ এলেকাত এতিয়াও এই শিল্পই ন ন সৃজনী প্ৰতিভাৰ স্বাক্ষৰ বহন কৰিছে। কুহিলাৰ পৰা তৈয়াৰ কৰা বস্তুবোৰৰ ভিতৰত বিভিন্ন দেব-দেবীৰ মূৰ্তি, মুখা, নানা ডৰহৰ পুতুলা, নৃত্যৰত নাচনী, দৈত্য-দানৰৰ প্ৰতিকৃতি, খেলৰ নানান সামগ্ৰীয়ে প্ৰধান বুলি ক'ব পাৰি। উত্তৰবঙ্গৰ কুহিলা শিল্পৰ লগত এই শিল্পৰ সম্পূৰ্ণ সাদৃশ্য আছে। গোৱালপাৰা জিলাৰ কুহিলা শিল্প গোটেই অসমৰে গৌৰৱৰ কাৰণ।

মাটিৰ শিল্প : গোৱালপাৰা জিলাৰ মাটিৰ শিল্পও অসমবাসীৰেই গৌৰৱৰ কাৰণ। মাটিৰ পৰা তৈয়াৰী বস্তুবোৰক দুটা ভাগত ভগাব পাৰি। এটা হ'ল ব্যবহাৰ্য সামগ্ৰী আনটো হ'ল পুতুলা। ব্যবহাৰ্য বস্তুৰ ভিতৰত চাকি, কলহ, চক, টেকেলী, কুৱাৰ পাট (আধুনিক পদ্ধতিত তৈয়াৰ কৰা ইটা, ঘৰৰ টালি) ইত্যাদি প্ৰধান। মাটিৰ পুতুলাৰ ভিতৰত আকৌ দুই প্ৰকাৰৰ পুতুলা দেখিব পোৱা যায়। এবিধ হ'ল খেলৰ বাবে তৈয়াৰী পুতুলা, আনবিধ হ'ল দেব-দেবীৰ প্ৰতিকৃতিৰে গঢ়া পুতুলা। পিছৰবিধ পুতুলাবে মানুহৰ মনত ধৰ্মীয় বিশ্বাস গাঢ় কৰি তুলাৰ চেষ্টা সাৰ্থক হৈছে। বঙ্গদেশত কবিগুৰু ৰবীন্দ্ৰনাথ ঠাকুৰকে আদি কৰি বিখ্যাত মনীষী সকলৰ প্ৰতিকৃতিৰেও মাটিৰ পুতুলা তৈয়াৰ কৰা দেখা যায়। অসমৰ আন আন ঠাইতো মাটি পুৰি বস্তু তৈয়াৰ কৰা প্ৰথা প্ৰচলিত আছে। এইবোৰ কামকৰা মানুহক কুমাৰ বোলে। কুমাৰৰ শালৰ মাটি বহুত ঔষধত লাগে। অসমৰ আন ঠাইত কেবল ব্যবহাৰ্য বস্তু তৈয়াৰ কৰাতেই এই কাম সীমিত।

কাঠ শিল্প : মূলাবান কাঠৰ বাবে অসম প্ৰদেশ ভাৰতত বিখ্যাত। সেয়ে প্ৰাচীন কালৰেই পৰা বিভিন্ন ধৰণৰ কাঠৰ বস্তু তৈয়াৰ কৰা প্ৰথা চলি আহিছে। বৈজ্ঞানিক যুগৰ ন ন আবিষ্কাৰেও এইবোৰ শেষ কৰিব পৰা নাই। বস্তু-বাহানি ৰখা ধুনীয়া কাঠৰ বস্তু, বহা আচৰাব পত্ৰ, শালৰ সা-সঁজুলি আৰু আন আন কাঠৰ ব্যবহাৰ্য বস্তুৰ উপৰিও বান পানীত চলাচল কৰা আৰু বেহা বেপাৰ কৰা সৰু ডাঙৰ নাও এতিয়াও গোৱালপাৰাত তৈয়াৰ কৰে।

এইবোৰৰ উপৰিও জিলাখনত সোণ-ৰূপৰ বিভিন্ন কাৰুকাৰ্য খচিত নানা অলঙ্কাৰ তৈয়াৰ কৰা ৰীতি প্ৰাচীন কালৰেপৰা চলি আহিছে। বাঁহ-বেঁতেৰে তৈয়াৰ কৰা সামগ্ৰীও একেবাৰে নাই বুলি কব নোৱাৰি। তাৰ ভিতৰত গোলকগঞ্জৰ 'মোৰা' লেখত লৰলগীয়া।

৪। ক। ১৪। অঙ্গ-অলঙ্কাৰ :

গোৱালপাৰাত সোণ আৰু ৰূপৰ অঙ্গ-অলঙ্কাৰ ব্যবহাৰ কৰা দেখা যায়। সোণতকৈ ৰূপৰ অলঙ্কাৰৰ মাত্ৰা বেছি। গঠন আৰু আকৃতিৰ ফালৰ পৰা এই অলঙ্কাৰবোৰৰ কামৰূপ আৰু উত্তৰবঙ্গৰ অলঙ্কাৰৰ লগত সাদৃশ্য আছে। গোৱালপাৰা জিলাৰ অলঙ্কাৰবোৰ এই —

১। কপালত : টিকুলি, টিটা পাতি (আধুনিক)
২। নাকত : নোলো (নলক, নলোক), ফুল, নদ, ওলাপ।
৩। কাণত : বালি, অস্তি, খিবল কাণপাচা, মাকৰী, মাটিপাত, কদমা, কুণ্ডল (আধুনিক) ঝমকা, দুল, ৰিং ইত্যাদি।
৪। গলত : হাৰ, আধুলি গলকণ্ঠি, চন্দ্রহাৰ, পেচিহাৰ, প্রেমফাঁস, হাসুলি, গুলিহাৰ, কাটি (মণিৰ গুটি কৰা মালা)
৫। হাতত : শাখা, পালিসপাতা, চুৰী, বালা, গামখাৰু, মুঠিখাৰু, বজা শাখা (তামৰ ওপৰত সোণ খটোৱা)
৬। ককালত : গোট্।
৭। আঙুলিত : আঙুঠি।
৮। বাহুত : আমলেট, অনন্ত, বাজু।
৯। ভৰিত : খাৰু, কড়ি, ঝন্‌কা, ঠেং খাৰু, বাঘ খাৰু, গুজুৰী পাৱতাৰা, ছৰ, মল।
১০। খোপাত : কাটা, পিন, ক্লিপ চিকনী।
১১। বুকুত : সেপ্‌টিপিন (এতিয়া লুপ্তপ্রায়)

৪। ক। ১৫। খেতি-বাতি :

আহু শালী দুয়োবিধ ধানৰ খেতি, মৰাপাটৰ খেতি, বিভিন্ন শাক-পাচলিৰ খেতি, সৰিয়হ-কুঁহিয়াৰ-ধপাতৰ খেতি, মাহ-মুগ-মাটি কলাইৰ খেতি প্রাচীন কালৰ পৰা চলি অহা এই জিলাবাসীৰ প্রধান খেতি। খেতিয়ে এই জিলাবাসীৰ জীবিকা নির্বাহৰ প্রধান অবলম্বন।

৪। ক। ১৬। বেপাৰ-বাণিজ্য :

'বাণিজ্যে বসতি লক্ষ্মী'— অসম দেশৰ মানুহ দুখীয়া হোৱাৰ মূল কাৰণ বাণিজ্য নেজানাটো। অসম দেশৰ কোনো বাণিজ্য অসমীয়াৰ হাতত নাই। বৰ্তমানৰ এই অবস্থালৈ লক্ষ কৰি বৰ্তমান অসমীয়াৰ পূৰ্ব পুৰুষৰ বাণিজ্যৰ নমুনা বাকৈকৈয়ে কল্পনা কৰি ল'ব পাৰি। ভেনে ক্ষেত্রত গোৱালপাৰাও মুঠেই ব্যতিক্রম নহয়।

আমাৰ দেশত প্ৰচলিত যোজনাই আমাক কি শিকাইছে চাওঁক ঃ

'একশ এজোপা কৰা কল।
মাহে পখেকে চাচিবা তল॥
পাত পচলা লাভত খাবা।
লঙ্কাৰ বণিজ হাতত পাবা॥'

যোজনাবোৰ সমাজৰ অভিজ্ঞতাক কেন্দ্ৰ কৰি গঢি উঠে আৰু পৰবৰ্তী সমাজক নিয়ন্ত্ৰিত কৰে। উক্ত যোজনা যিখন দেশত জন্ম পাইছে সেইখন দেশৰ মানুহে বাণিজ্যলৈ পিঠি দি বাৰী-বস্তি পতাতেই মনোনিবেশ কৰাটো স্বাভাবিক। গোৱালপাৰা জিলাত কোনো বিশেষ শ্ৰেণীৰ ব্যবসায় প্ৰাচীন কালৰপৰা প্ৰচলিত হৈ অহাৰ সন্ধান পোৱা নেযায়। পৰ্যাপ্ত পৰিমাণৰ নহলেও বাস্তা-ঘাট নোহোৱা দিনবেপৰা ই দেশীয় মানুহে ওচৰ চুবুৰীয়া দেশৰ লগত নাওৰে শাখা-সেন্দুৰ, মা-মচলাৰ সাধাৰণ ব'বসায় কৰিছিল। কিন্তু জাত ব্যবসায় বুলিবলৈ বিশেষভাবে একো নাই বুলিলে বঢাই কোৱা নহ'ব।

৪। ক। ১৭। খোৱা খাদ্য ঃ

ভাৰতৰ পূৰাঞ্চলৰ সাধাৰণ খাদ্য ভাত-মাছ, মঙহ গাখীৰ, শাক-পাচলিৰ কথা ইয়াত আলোচনা নকৰি গোৱালপাৰীয়াসীৰ কেইটিমান বিশেষ খাদ্যৰ কথাহে চমুকৈ ক'বলৈ মানস কৰিছোঁ। এই খাদ্যবোৰৰ ভিতৰত প্ৰথম হ'ল 'সিদল'। এইবিধ খাদ্য তৈয়াৰ কৰাৰ সাধাৰণ প্ৰণালী হ'ল এনে ধৰণৰ ঃ

সিদল ঃ - শুকান মাছ (কিছুমানে ৰ'দত শুকায় আৰু কিছুমানে চালনীত লৈ তলত জুই দি সেকি শুকায়) নাইবা শুকান মাছৰ ভগা-চিগা টুকুৰা (সাধাৰণতে সৰু মাছ) আৰু মান কচুৰ ঠাৰি নাইবা কচু আবশ্যকীয় পৰিমাণে লৈ একেলগে নাইবা বেলেগে বেলেগে ঢেঁকী বা উৰালত খুন্দি গুৰি কৰি লোৱা হয়। তাৰ পিছত এই মিশ্ৰিত বস্তুটোৰ লগত খোৱা তেল আৰু অলপ হালধি 'মাখি' হাতেৰে ভালকৈ সকলোখিনি বস্তু একগোট কৰি ল'ব লাগে। তাৰ পিছত লাক বান্ধি ৰ'দত ভালকৈ শুকাই ল'ব লাগে। এনেকৈ পোৱা বস্তুটোৱে সিদল। ইয়াক বহুদিনলৈ সাঁচি থৈ খোৱা যায়। কল বা তামোলৰ চুকুৰাৰে পাত্ৰ বনাই ভাত সিদলখিনি থৈ তাৰ ওপৰত মাটিৰ লেপ দি ওলোমাই থ'ব লাগে। মাটিৰ লেপ দিয়াৰ উদ্দেশ্য যাতে বতাহ সোমাব নোৱাৰে। পিছত এই সিদল

যেতিয়াই তেতিয়াই যি কোনো তৰকাৰীৰ লগত খাব পাৰি। চোদা দিও সিদলৰ তৰকাৰী খোৱা যায়। এবাৰ ইয়াৰ জুতি পালে এবাটো টান।

সিদলৰ ঐতিহাসিক বিচাৰ আমাৰ ইয়াত হোৱা নাই। মাছ আৰু কচুৰ লগত সম্বন্ধ থকাৰ পৰা সিদল মাছ আৰু কচু প্ৰধান অঞ্চলৰ বস্তু যেন লাগে। বঙালীসকলক বাদ দি গোটেই জিলাবাসীয়ে কম বেছি পৰিমাণে সিদল খায়। সিদলৰ প্ৰচলন বৰ্তমান কামৰূপত নাই বুলিব পাৰি। কিন্তু দুই এজন বৃদ্ধ মানুহৰ পৰা জানিব পাৰি যে সৌ সিদিনাকৈলৈকে সিদল জাতীয় খাদ্য কামৰূপ জিলাবাসীয়েও খাইছিল।

শুকান মাছ ঃ শুকান মাছক 'শুট্‌কা' বুলি কয়। শুকান মাছ খোৱা প্ৰথা কম বেছি পৰিমাণে গোৱালপাৰাৰ প্ৰায়বোৰ ঠাইতেই প্ৰচলন আছে।

ছেকা বা খাৰ ঃ ভাৰতৰ আন জিলাৰ মানুহে অসমীয়াক খাৰ খোৱা অসমীয়া বুলি কয়। কলেও কিন্তু খাৰৰ লগত অসমীয়াৰ সম্বন্ধ আজিও ওতঃপ্ৰোত হৈয়ে আছে। গোৱালপাৰা জিলাৰ কিছুমান ঠাইত খাৰক 'ছেকা' বোলে। ছেকি তৈয়াৰ কৰা বাবেই সম্ভৱ খাৰক ছেকা বোলা হৈছে। ছেকা বা খাৰ তৈয়াৰ কৰা প্ৰণালী হ'ল এই ঃ

আহিন, কাতি মাহত ভীমকল বা আঠিয়া কলৰ গছ নাইবা কল গছৰ মূৰা কাটি ভালদৰে ছিৰি ৰ দত শুকাব দিয়া হয়। এই সময়ছোৱাত ৰবযুণ প্ৰায় নহয়। ৰবযুণ পৰিলে কলৰ 'ডক' বা 'ঢক' নষ্ট হয়। আনহাতে এই সময়ত ৰ'দ নিয়মীয়া হয়। এই ৰ'দত খাৰ শুকোৱা হয় বাবে কামৰূপত ইয়াক 'কলা খেইবা' ৰ'দ বোলে। ছিৰি দিয়া কলবোৰ ভালদৰে শুকালে একগোট কৰি পুৰি ছাইখিনি থৈ দিয়া হয়। তলিত ফুটা বা সোৰোঙা থকা বাঁহ বা কাঁহ-পিতলৰ পাত্ৰত তাৰ ছাই লৈ তাত পানী ধালি দি আন এটি পাত্ৰত সেই পানী ধৰি লোৱা হয়। তেনেদৰে পোৱা পানীখিনিয়ে খাৰ। খাৰ ছেকা বাবেই সম্ভৱ বাঁহ বা আন ধাতুৰ নিৰ্মিত তেনে পাত্ৰক 'খাৰে' বোলে। কলৰ বাকলিবোৰ শুকাই খাৰ তৈয়াৰ কৰিব পাৰি। খাৰ কেঁচায়ো খোৱা যায় আৰু মাছেৰে বান্ধিও খাব পাৰি। খাৰ স্বাস্থ্য বৰ্দ্ধনক; বিশেষকৈ ই পেটৰ মহৌষধ।

পেল্কা ঃ গোৱালপাৰা জিলাত, বিশেষকৈ গোৱালপাৰা জিলাৰ পশ্চিম অঞ্চলৰ বাসিন্দাসকলৰ 'পেল্কা' এবিধ বিশেষ খাদ্য। ই খাৰ দিয়া আঞ্জা। কিন্তু বিশেষ বস্তু দুটাতহে খাৰ দি বান্ধিলে তাক পেল্কা বুলি কোৱা হয়। এই বস্তু

দুটা হ'ল : (১) মৰাপাটৰ কেঁচা পাত আৰু (২) 'লাফা' বা 'ঢাপা' শাক। এই দুই বিধ শাকত খাৰ পানী দি 'পেল্কা' বন্ধা হয়। ই খাবলৈ ভাল আৰু মগজু ঠাণ্ডা ৰাখে।

মাছ খোৱাৰ পদ্ধতি : বাজি, ভাজি মাছ খোৱাৰ উপৰিও বাকলি থকা মাছ পুৰি খাৰ-জলকীয়া সানি খোৱা হয়। মাছৰ পোনা পাতত দি খোৱা আৰু মজলীয়া ধৰণৰ মাছ 'বিন্‌ধিত' দি খোৱাৰ প্ৰথাও ইয়াত প্ৰচলিত আছে। পশ্চিম গোৱালপাৰাত শাল-শিঙিৰ বিচাৰ কম।

পাত্‌ৰা : পাত্‌ৰাৰ আন দুটি নাম হ'ল পেনাভি আৰু পেন্নত। ইয়াক তৈয়াৰ কৰে এনেদৰে : কোমল কচুৰ পাত কিছুমান ধুই পখালি জাপি ল'ব। পাতখিনি পখলা পানীত উহাই ললে ভাল। তাৰ পিছত পাতৰ পৰিমাণত 'নুন' হালধি, নহক আদি ভিজৰত দি পাতখিনি মেৰিয়াই ল'ব। তেনেদৰে মেৰিয়াই পাতখিনি আকৌ কচুৰ ডাঙৰ পাত বা কলপাতেৰে মেৰিয়াই লৈ তুঁহৰ জুইত পুৰিব। পুৰা হলে তাক 'ঠাণ্ডা' কৰি খাব। এইয়াই পাত্‌ৰা। কিছু বছৰ আগলৈকে কামৰূপ জিলাতো ইয়াৰ প্ৰচলন আছিল।

বোকা চাউল : কোমল চাউল বা (কাম : বক্কা চাউল) বোকা চাউল খোৱা প্ৰথা এই জিলাত প্ৰচলিত আছে। ই এবিধ বিশেষ ধানৰ বিশেষ ধৰণে তৈয়াৰ কৰা চাউল। এই চাউল পানীত এক ডেৰ ঘণ্টা সময় তিয়াই থলে ভাতৰ নিচিনাকৈ সিজি সিদ্ধ হয়। দৈ, গাখীৰ, চেনি, কল দি খোৱা হয়। পিত্তৰ মহৌষধ। খুব সম্ভৱ মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱ ইয়াৰ উদ্ভাবক। মুছলমানসকলৰ মাজতো এইবিধ খাদ্যৰ প্ৰচলন আছে।

বাহি ভাত : কামৰূপী জকৰা ভাত বা পন্তা ভাত, গোৱালপৰীয়া তোলাভাত বা পন্তা ভাত খোৱা প্ৰথা একে। তোলা ভাত হ'ল পানীত তিয়াই থোৱা বাহি ভাত।

নহুল : সান্দহ, মুৰি, পিঠাগুৰি খোৱা প্ৰথা দুৱোখন জিলাৰে একে। নহুল হ'ল সান্দহৰ লগত কল সানি চেঁকিত খুন্দি খোৱা খাদ্য।

ৰুকুনী : ৰুকুনী গোৱালপাৰা জিলাৰ এবিধ বিশেষ খাদ্য। লাহে লাহে ই লোপ পাব ধৰিছে। ৰুকুনী বুলি কলে বৰ্তমান সময়ত গোৱালপাৰাৰে বহুত মানুহে কি বুলি প্ৰশ্ন কৰিবলগীয়া হৈছে। ৰুকুনী এনেদৰে তৈয়াৰ কৰে :

খোৱা মানুহৰ পৰিমাণত ধান ল'ব। সেই ধানখিনি জাৰি পানীত ভিজাই থ'ব। তাৰ পিছত 'বিধান'ৰ ধানৰ নিচিনাকৈ ধানখিনি পানীৰ পৰা তুলি বাঁহৰ পাত্ৰ এটাত বাখি কল নাইবা কচুৰ পাতেৰে ঢাকি থ'ব। ২/৩ দিন পিছত সক সকৰকৈ গজালি মেলিলে ৰ'দত শুকাই ধানখিনি বান্ধিব। তুঁহখিনি পেলাই চাউলৰ 'মইলা' (মল) খিনি ভাল কাপোৰ এখনত বান্ধি থ'ব। চাউলখিনি পানীত ভিজাই খুন্দি ল'ব। তাৰ পিছত আহু ধানৰ চাউলৰ ভাত বান্ধিব। এখন কলপাতত ভাতখিনি মেলি ল'ব। হাতেৰে লৰা-চৰা কৰিব পৰাকৈ ঠাণ্ডা হ'লে অলপ অলপকৈ চাউলৰ গুৰাখিনি মিহলাব আৰু বান্ধি থোৱা মলখিনি কপোৰৰ সৈতে পানীত ভিজাই পানীখিনি তাৰ লগত মিহলাই দি সানি ল'ব। ইয়াৰ আগতেই এটা মাটিৰ পাত্ৰ ধুই ভিতৰখন সৰিয়হৰ তেলেৰে মুচি লৈ ধুৱা কঠালৰ পাত পাত্ৰটোৰ ভিতৰত এনেদৰে দিব যাতে কোনো বস্তু থলে পাত্ৰটোৰ গাত বস্তুখিনি লাগিব নোৱাৰে। ওপৰত কৈ অহা ভাত, চাউলৰ গুৰা আৰু মলৰ পানী সানি লোৱা বস্তুখিনি অলপ অলপকৈ উক্ত পাত্ৰটোত ভৰাই মুখ ভালদৰে বন্ধ কৰি থ'ব। এবাতিৰ পিছতেই তাক খাব পৰা যায়। দৈ, চিৰা, মুৰি, 'মিঠাই' (গুৰ) চেনি সানি নাইবা এনেয়ে তাক খাব পাৰি। এয়ে বুকুনী। বুকুনী খাবলৈ বৰ সোৱাদ লাগে।

মেৰা : মেৰা হ'ল বড়ো ভাষাৰ শব্দ। ইয়াৰ অৰ্থ হ'ল খৰিচা। খৰিচা হ'ল বাঁহ গাজৰপৰা তৈয়াৰ কৰা এবিধ খাদ্য দ্ৰব্য। ই দুবিধ : পকা খৰিচা আৰু শুকান খৰিচা। বাঁহৰ গজালি কাটি আধা খুন্দাকৈ কলহত ভিজাই থলে সি টেঙা হয়। তাক 'পকা খৰিচা' বোলে। কুটা বাঁহ গাজ শুকাই গুৰি কৰিলে তাক 'শুকান খৰিচা' বা 'জিম খৰিচা' বোলে। গোৱালপাৰা জিলাত দুই প্ৰকাৰে খৰিচা বনায়। ১। বাঁহ গজালি কাটি আনি তাক কুটি বা খুন্দি তৰকাৰী বনাই খায়।

২। বাঁহৰ গজালি এবেগতমান ওলোৱাৰ পিছত ৰ'দ বতাহ লাগিব নোৱাৰাকৈ সেইটো মাটিৰ কলহেৰে ভালদৰে ঢাকি থয়। তেতিয়া গজালিটো কৰিব নিচিনাকৈ ফুলি উঠে। সেইটো কাটি আনি তৰকাৰী বনাই খায়। কিছুমানে আকৌ তাৰ লগত মা-মছলা দি আচাৰো বনায়।

আজি কালি নগৰৰ মানুহে এইবিধ খাদ্যৰ কথা পাহৰি যাব ধৰিছে। কিন্তু এটা সময়ত প্ৰাচীন কামৰূপ ৰাজ্যৰ মানুহ মাত্ৰেই ই মুখ ৰসক তৰকাৰী আছিল। বৰ্তমানো গাওঁ অঞ্চলত বাঁহৰ গাজৰ তৰকাৰী মানুহে খায়।

পিঠাপনা : অসমৰ আন জিলা কেইখনৰ নিচিনাকৈ গোৱালপাৰাতো পিঠাপনা তৈয়াৰ কৰি খায় আৰু আত্মীয় স্বজনক খুৱায়। সাধাৰণতে সময়

সাপেক্ষে দুই প্ৰকাৰৰ পিঠা তৈয়াৰ কৰা হয়। দৈনন্দিন জীৱনত পুৱা-গধুলি খাবৰ বাবে তৈয়াৰ কৰা সাধাৰণ শ্ৰেণীৰ পিঠা আৰু বিশেষ উৎসবত তৈয়াৰ কৰা বিশেষ শ্ৰেণীৰ পিঠা। বিশেষ শ্ৰেণীৰ পিঠাবোৰ যত্ন সহকাৰে ধুনীয়া আৰু সুস্বাদু কৰি তৈয়াৰ কৰা হয়। সাধাৰণ শ্ৰেণীৰ পিঠাবোৰ সুস্বাদু হলেও ধুনীয়া নহবও পাৰে। এই জিলাৰ বিভিন্ন অঞ্চল আৰু সম্প্ৰদায়ৰ মাজত প্ৰচলিত পিঠাবোৰ এনে ধৰণৰ ঃ

১। মুছলমান সম্প্ৰদায় ঃ তেল পিঠা পাত পিঠা, গৰগৰী পিঠা, সিমা পিঠা, চিটাই পিঠা, ভাপা পিঠা, কটি পিঠা।

২। বড়ো সম্প্ৰদায় ঃ

টেকৃলি পিঠা	—	ক্ষিষ্ঠা
চাউল পিঠা	—	চিথাও
ঘিলা পিঠা	—	এনৃথাফ
লাক পিঠা	—	লাক ফিষ্ঠা
চাপ্‌ৰী পিঠা	—	হাগ্রানি চিথাও
তিল পিঠা	—	চিথাও

৩। আন আন সম্প্ৰদায় ঃ যোৰহাট, পাতুৰা, তিলুৰা, গৰগৰী, পাতপিঠা, পাতিচেপটা পুৱা পিঠা, সিদ্ধপুৰী, সিমা পিঠা, তিল পিঠা, ধাপ্‌ৰী পিঠা, দাং পিঠা, পুলি পিঠা, ফুৰফুৰি পিঠা ঘোটি পিঠা, চেপ্‌টা গুৰা বা আধাফুটা।

পিঠাবোৰ চাউলৰ গুৰিবে তৈয়াৰ কৰে আৰু তাৰ লগত গাখীৰ, নাৰিকল, গুৰ, তিল আদি বিভিন্ন অনুপান দিয়ে। গোৱালপাৰাত একেবিধ পিঠাৰে অঞ্চল ভেদে বেলেগ বেলেগ নাম দিয়া দেখা যায়। যেনে—

গৌৰীপুৰ—	বিলাসীপাৰা—	আগিয়া -	কোকৰাঝাৰ—
চুঙা পিঠা	দাং পিঠা	দাং পিঠা	চুঙা পিঠা
ঘোটি পিঠা	ঘোটি পিঠা	টেকৃলি পিঠা	টেকৃলি পিঠা
বন্নী পিঠা	ফুৰফুৰি পিঠা	শুকান পিঠা	ি ল পিঠা
গৰগৰী	গৰগৰী	পানীলাক	লাক পিঠা
চিটাই বা ধাপৰী	ধাপৰী	খলাচাপৰী	চাপৰী পিঠা

অধ্যাপক ধনঞ্জয় ব্ৰহ্মৰ কয় যে বড়োসকলৰ মাজত পিঠাৰ জন্ম কথা লৈ জনকথা সমাজত প্ৰচলিত আছে। সেই মতে বড়োসকলৰ প্ৰথম বুঢ়াই শিব্রাই ওচৰত শুকমুগ লৱলৈ যাৰ ওলোৱাত দীঘলীয়া পথত যাতে অসুবিধা নহয় আৰু বুঢ়ীৰ কথা যাতে পাহৰি নেযায় সেয়ে বুঢ়ীৰ অঙ্গৰ আকৃতিত পিঠা তৈয়াৰ কৰি দিছিল। তাৰে পৰাই

বড়ো সমাজত পিঠাৰ প্ৰচলন হয়। বড়োসকলৰ পিঠা হ'ল : হাজুং পিঠা, পিঠা, চিটাও, লাৰু, দেই চিটাও ইত্যাদি।

মাঘ বিহুত গৰগৰী পিঠা গৰুক খুৱায়। ধাপৰী পিঠাৰ সাধাৰণ ব্যৱহাৰ। পুলি পিঠা পুষ্পাৰ সময়ত আৰু দাং পিঠা ভিল পিঠা বিশেষ ক্ষেত্ৰত তৈয়াৰ কৰে। গোৱালপাৰাৰ পিঠাবোৰৰ আকৃতি তৈয়াৰ কৰা পদ্ধতি আৰু উপজৰণৰ ফালৰ-পৰা অসমৰ আন ঠাইৰেএ কেৱতহে কৰবা যৎকিঞ্চিৎ উনিশ-বিশ হ'ব পাৰে। যেনে :

গোৱালপাৰা—	কামৰূপ	উজনি অসম
ধাপৰী	খলাচাপৰী	পানী পিঠা
গৰগৰী	পানী লাৰু	মুঠি পিঠা
ফুৰফুৰী	শুকান পিঠা	খোলা পিঠা
চুঙা পিঠা	চুঙা পিঠা	চুঙা পিঠা
ঘোটি পিঠা	টেকলী পিঠা	টেকেলী পিঠা

৪। ক। ১৮। পূজা-পাৰ্বণ :

ইয়াত এই বিষয়ে বহল আলোচনা নকৰি দুটি এটি কথা মাত্ৰ উল্লেখ কৰা হ'ল। গোৱালপাৰা জিলাৰ পূজা-পাৰ্বণৰ কথা কলেই সমপহিলতে নিঃসন্দেহে চকু পৰিব মহামায়া পূজাত, দ্বিতীয়তে কালীপূজাত আৰু তৃতীয়তে দুৰ্গা-শনি আদি পূজাবোৰত। কিন্তু লোককৃষ্টিৰে জৰিত নহয় আৰু লোককৃষ্টিৰ উৰ্ধৰ বিবেচনা কৰি এইবোৰ পূজা-পাৰ্বণ এই আলোচনাৰ ভিতৰলৈ অনা হোৱা নাই। কাৰণ ১। গোৱালপাৰা জিলাত এইবোৰ পূজা প্ৰতিষ্ঠা হোৱাৰ আয়ুস ২০০ ২৫০ বছৰৰ বেছি নহয়। কিয়নো এইটো লিখিত আৰু জনবিদিত কথা যে ২০০ বছৰ আগতহে মহামায়া আবিষ্কৃত হয়। তাৰ আগতে মহামায়াই আজিৰ পূজা পদ্ধতিৰে জনগণৰ ওচৰ চাপিব পৰা নাছিল। কালী আৰু দুৰ্গা পূজা জমিদাৰী শাসন কালত বঙ্গদেশৰপৰা অহা মানুহবোৰৰ লগতে এই দেশত প্ৰবেশ কৰিছে। শনি আদি পূজাতো সৌ সিদিনাৰ কথা বুলিহে কব পাৰি। এইবোৰ পূজাৰ স্পষ্ট আৰু প্ৰকট প্ৰভাব বিশেষকৈ পশ্চিম গোৱালপাৰাৰ বাইজৰ ওপৰত পৰিছে সঁচা। কিন্তু লোককৃষ্টিৰে জৰিত পূজাবোৰৰ নিচিনাকৈ এইবোৰে এতিয়াও গোৱালপাৰাবাসীৰ হাড়ে-হিমজুৰে, মাদ-মজ্জাই সিপাই যাব পৰা নাই। আনহাতে কেৱল উৎসবকেন্দ্ৰিক হৈহে আছে। ২। গোৱালপৰীয়া লোককৃষ্টিৰে জৰিত পূজাবোৰ নৈমূৰ্তিক। এই ক্ষেত্ৰত ওপৰৰ মূৰ্তি পূজাবোৰ বিসঙ্গতিপূৰ্ণ হৈ স্পষ্টভাবে ওলাই পৰে। ৩। খাচ গোৱালপৰীয়া বুলি বিবেচনা কৰা পূজাবোৰত বলি-বিধান নাই। পাঁঠাকে বলি বিধানযুক্ত মহামায়া, কালী আদি পূজাক এইবোৰ পূজাৰ ভিতৰলৈ

কৰা নহ'ল ৪। মহামায়া, কালী, দুৰ্গা আদি পূজাবোৰ পূজা বিধি যুক্ত। কিন্তু লোক-জীবনৰে জৰিত গোৱালপৰীয়া পূজাবোৰত পূজা বিধি সংযোগ কৰি দিয়া হৈছে। সেয়ে ওপৰোক্ত পূজাবোৰৰ বিপৰীতে ব্ৰাহ্মণ আৰু পূজাবিধি নোহোৱাকৈও এইবোৰ পূজা আজিও কৰা দেখা যায়। সেয়ে এইবোৰক লোকজীবন আৰু লোককৃষ্টিৰ ভিতৰুৱা পূজা-পাৰ্বণৰে একে বুলি ধৰা নহ'ল।

ইয়াত প্ৰায় ২২ প্ৰকাৰ পূজাৰ কথা সন্নিবিষ্ট কৰা হৈছে। তাৰে কিছুমান লোকাচাৰ আৰু কিছুমান বেদাচাৰ জনিত [পিছৰ আলোচনাত পাব]। ইয়াত সন্নিবিষ্ট কৰা সকলোবোৰ পূজাকেই থলুৱা বুলিব নোৱাৰি। মাশান পূজা, শীতলা পূজা, বাৰুণি পূজা পশ্চিমৰপৰা এই জিলাত প্ৰবেশ কৰিছে। মনসা আৰু আজাঙৰ পূজা পূৰ্ব ভাৰতৰ অনুৰূপত গঢ় লৈ উঠিছে। সদ্যহতে এইবোৰ পূজা লোক-জীবনৰে জীণ ষোৱালৈ চাই অথলুৱা বোলাই টান হৈ পৰিছে। খাচ গোৱালপৰীয়া বুলি বিবেচনা কৰা পূজাবোৰ হ'ল বাস্তু পূজা, বাঁশ-পূজা, হুদুম পূজা, বুঢ়াবুঢ়ী পূজা, যকা পূজা, সোনাৰায় পূজা, গোৰক্ষনাথ পূজা, সুবচনী পূজা, নিৰকলি পূজা, চড়ক পূজা, কাতি পূজা, লক্ষীপূজা, জগন্নাথ পূজা। ইয়াৰ শেষৰ তিনিটাত সদ্যহতে মূৰ্তি দেখি গোৱালপৰীয়া উক্ত পূজাবোৰ নৈমূৰ্তিক বোলা কথাটো ভ্ৰান্ত বুলিব পাৰে। কিন্তু গোৱালপাৰাত ধুনীয়া মাটিৰ মূৰ্তি সাজি যি লক্ষ্মী পূজা কৰা হয় সি বঙালীৰহে পূজা। খাচ গোৱালপৰীয়াই কাতি মাহৰ ধাননি পথাৰ আৰু বাস্তু ভিটাতহে মূৰ্তিহীন লক্ষ্মী পূজা কৰে। কাতি পূজাত ময়ূৰৰ ওপৰত বহি থকা কাৰ্তিকৰ মূৰ্তিটো পিছত সংযোগ কৰা। কাৰণ ১। খাচ গোৱালপৰীয়া কোনো পূজাত মূৰ্তি নাই। গতিকে ইয়াতো মূৰ্তি থাকিব নোৱাৰে। ২। পূজাত ব্যবহাৰ কৰা মূৰ্তি নিৰ্মাণৰ উন্নত প্ৰণালী ১০০ ১৫০ বছৰৰ পুৰণি নহয়। ৩। খাচ গোৱালপৰীয়া পূজাত ব্ৰাহ্মণ আৰু পূজা বিধি প্ৰবেশ কৰাৰ আগত কাতি পূজাত মূৰ্তি থাকিবই নোৱাৰে। এইটো সংযোজিত হয় জমিদাৰী শাসন প্ৰবৰ্তনৰ পিছত। গতিকে কাতিপূজাত মূলতঃ মূৰ্তি নাই বুলি কোৱা হৈছে।

পূজা বিধিৰে সদ্য প্ৰকাশিত ৰূপ পৰিগ্ৰহ কৰাৰ আগতে উপকৰ্ণ আলোচ্য পূজা-বোৰ উপাসনাহে আছিল। উপাসনা আছিল, কিন্তু মূৰ্তি নাছিল। তেন্তে কাক উপাসনা কৰিছিল? এই প্ৰশ্নোত্তৰত সামান্যভাবে হলেও গোৱালপৰীয়া পূজাবোৰ ফঁহিয়াই চাব লাগিব। এই পূজাবোৰৰ ভিতৰত সুবচনী, নিৰকলি, গোৰক্ষনাথ, কড়া কড়ী পূজাত আনকি উপাস্যজনৰ কোনো প্ৰতীক পৰ্যন্ত ব্যবহাৰ কৰা নহয়। 'আভাইল' (উপাস্যজনৰ বিভিন্ন উপাচাৰেৰে সজোৱা আঁচলডি

কলপাত) আৰু কেতিয়াবা ঘট স্থাপন কৰি মনৰ প্ৰাৰ্থনা জনোৱাতে এইবোৰৰ সমাপ্তি ঘটে। পুৰাণৰ ঘইনি খাই থকা এইবোৰ পূজা তুলনামূলকভাবে পৰবৰ্ত্তি কালত জন্ম পোৱা। বাকীবোৰৰ ভিতৰত বাস্তু পূজাত বাঁহৰ খুটি পুতা হয়, মকা পূজাৰ থানত গছৰ খুটি, বাঁশ পূজাত বাঁহ, হুহুম পূজাত কলৰ পুলি, বুঢ়াবুঢ়ী পূজাত দুজোপা বিৰিণা গছ কৰা হয় আৰু সোনাৰায় বনোৱা হয় 'মদুৱা'ৰে। এই ব্যবহাৰ্য প্ৰতীকবোৰৰ পৰা জড় উপসনাৰহে ইঙ্গিত পোৱা যায়। জনগণৰ ধৰ্ম্মীয় জীবনত আপেক্ষিকভাবে পিছত সোমাই পৰা শিব, বলোৰাম, বিষ্ণুৰ প্ৰতীক হ'ল বেলগছ, বাঁহৰ ওখ খুটি আৰু তুলসী গছ। গোৱালপাৰাতেই নহয় কামৰূপ জিলাতো বুঢ়া গোসাঁইৰ থান এডাল প্ৰকাণ্ড বটগছ, গোৰ্খা গোসাঁইৰ থান 'ভেলকৰ' গছ আছিল। কিন্তু বৈষ্ণৱ ধৰ্মৰ ঢৌৱে এইবোৰ এনেদৰে উটুৱাই নিলে যে আজি আৰু তাৰ কোনো চিন মোকাম নোপোৱা হ'ল। বড়ো-কছাৰী সকলৰ খেৱাই পূজা, বাথৌ পূজা, গাৰ্জা পূজাতো কোনো মূৰ্তি নাই। পৰিয়ালৰ যিকোনো বিষয়ত মঙ্গল কামনা কৰি কৰা বাথৌ পূজা' (শিবপূজা) কৰা হয় 'সিজু' গছৰ মূলত। ওপৰত উল্লেখ কৰা কথাৰ পৰা অনুমান কৰিব পাৰি নেকি যে শৈব-শাক্ত-বৈষ্ণৱ পূৰ্বত জড় উপাসনাই প্ৰাচীন কামৰূপ ৰাজ্য ব্যাপি আছিল আৰু তাৰেই শেষ নিদৰ্শন ৰক্ষিত হৈছে নগৰৰ আঁৰে আঁৰে গ্ৰাম্য জীবনৰে সঙ্গীতত হৈ থকা এইবোৰ পূজাত।

শৈব-শাক্ত-বৈষ্ণৱৰ ভিতৰত শৈবই পোন পহিলতে গোৱালপাৰাত খুটি পুতিছিল। কিন্তু গীত-মাত আৰু নাম-প্ৰসঙ্গৰে প্ৰচাৰিত বৈষ্ণৱ ধৰ্ম্মই কম সময়ৰ ভিতৰতে মানুহৰ মন জয় কৰি লৈছিল। মহাপুৰুষ শঙ্কৰদেৱৰ আবিৰ্ভাৱৰ পিছত এই জিলাত ছত্ৰশাল, জিন্‌কাট, ভেলাকোৱা, চৰাইখোৱা, হাকামা, ৰামৰায়, বেহুৰা, ভোটগাওঁ নগৰ, ফুটকীবাৰীৰ মাধ গোসাই সত্ৰ, বিষ্ণুপুৰ, বঙাপানী, ধৰ্মপুৰ, দলগমা আদি বৈষ্ণৱী সত্ৰবোৰ ঠন ধৰি উঠে। ফলত 'একদেৱ এক সেৱ'ই গোৱালপৰীয়া বাইজৰ জীবন দৰ্শন হৈ পৰে। কিন্তু জমিদাৰী শাসনত শক্তিশালী বঙ্গীয় ধৰ্ম্মীয় কৃষ্টিৰ প্ৰভাৱত পৰা পশ্চিম গোৱালপাৰা আজিও তেনে ভাৱাপন্ন হৈ আছে। এই একদেৱ এক সেৱ হ'ল জগন্নাথ অৰ্থাৎ জগত অধিপতি। এই কথা দেহতত্ত্বৰ গীতৰ ক্ষেত্ৰত আলোচনা কৰা হৈছে। ইয়াত সাধাৰণতে মূৰ্ত্তি নেথাকে। মহাপুৰুষৰ নাম ধৰেই এই কথাৰ সাক্ষ্য দিব।

৪। ক। ১৯। ভূত-প্ৰেত :

গোৱালপৰীয়া লোক সমাজত এইবোৰ ভূত-প্ৰেত থকা বুলি বিশ্বাস আছে— মাশান, ভেৰা মাশান, মুৰীয়া মাশান, জিন, বীৰা, পৰী, মখ-মখিনী, পেত্‌নী,

ব্ৰহ্মদৈত্য ইত্যাদি। যথা পূজা, মাশান পূজা, ভূত-প্ৰেতক উদ্দেশ্য কৰি আগবঢ়োৱা পূজা। বড়ো-কছাৰী সমাজতো 'গাৰ্জা, চিখ্‌লি চিখ্‌লা, ছাখাম দাৰা' আদি ভূতৰ বিশ্বাস আছে। সাধাৰণতে বিলনি, শ্মশান, নিৰ্জন ঠাই, বাৰী-বস্তিৰ পিছফালৰ ঝাৰণিত ভূত-প্ৰেত বাস কৰে বুলি মানুহে কয়।

৪। ক। ২০। তন্ত্ৰ-মন্ত্ৰ ঃ

গোৱালপাৰা জিলাত আজিও বহুত মন্ত্ৰ প্ৰচলিত আছে আৰু তন্ত্ৰ-মন্ত্ৰবোৰৰ প্ৰতি মানুহৰ অগাধ বিশ্বাসো আছে। ডাক্তৰ, ঔষধ নোহোৱা ঠাইত আৰু ডাক্তৰে ভাল কৰিব নোৱাৰা বেমাৰ আজিও ওঝাবোৰে তন্ত্ৰ-মন্ত্ৰৰে চিকিৎসা কৰে। এই মন্ত্ৰবোৰৰ কিছুমান হ'ল সাপৰ মন্ত্ৰ, ভূত-পিশাচৰ মন্ত্ৰ, বেমাৰ আজাৰৰ মন্ত্ৰ, বশীকৰণ মন্ত্ৰ ইত্যাদি। মন্ত্ৰবোৰে গাওঁলীয়া মানুহৰ জীবন যুৰি আছে। প্ৰসব বেদনা উপশম কৰিবলৈ আৰু সংজতে প্ৰসব কৰাবলৈ 'তেল পোৱা', 'পানী পোৱা' আজিও দিয়ে। কেচুৱাক ভূত-পিশাচৰ পৰা আঁতৰাই ৰাখিবলৈ মন্ত্ৰপুত ঝাপ (মন্ত্ৰযুক্ত সূতাৰ জৰি) দিয়ে। মন্ত্ৰ ভাল বেয়া দুয়ো প্ৰকাৰৰ আছে। বেয়া মন্ত্ৰেৰে শুভকাৰ্যত আহুকাল লগাব পাৰে। বেমাৰত মন্ত্ৰপুত তাবিজ ব্যবহাৰ কৰাও দেখা যায়। 'বাণমাৰা' আন এটি তন্ত্ৰ-মন্ত্ৰবেই বিশেষ ভাগ। হাতীধৰা, বাঘ খেদা মন্ত্ৰ এতিয়াও প্ৰচলিত আছে। হিন্দু-মুছলমান উভয় শ্ৰেণীয়ে তন্ত্ৰ-মন্ত্ৰ বিশ্বাস কৰে আৰু উভয়ৰে মাজত বেজ-বেজালি প্ৰচলিত আছে।

১। ব্ৰহ্মবাণ মন্ত্ৰ ঃ—ব্ৰহ্মাৰ আৰে জুৰিল বাণ।

ৰৰ ৰৰ বিষয় নাসয় টান॥
ধৰ্মেৰ ৰৰে বাণ তুলি নিনু হাতে।
দেব গন্ধৰ্ব আপোনাৰ দোষে।
দশ দিশে দশ বাণ একো নাই ছোটে।
কুমঠে থেকিল বাণ কুমাৰৰ পৃষ্ঠে॥

২। গা বান্ধি লৈ মৌ পাৰা মন্ত্ৰ ঃ

মন মন মাখি পৱনেশ্বৰ।
তামাৰ শৰীল লোহাৰ ঘৰ॥
ৰামৰ হুঙ্কাৰে মোৰ শৰীল অক্ষয় অমৰ।
ধৰ্ম্মৰ দোহাই দি কৰিলু বন॥
এই কথা হেলবু পেলবু।
ঈশ্বৰ মহাদেৱৰ মাথাত ছয় পাও মুচিবু॥

[এই মন্ত্ৰ তিনিবাৰ কৈ গা বান্ধি লৈ ফুঁমাৰি মৌচাকত হাত দিব। তেতিয়া মৌয়ে নেকামুৰে।]

৩। জল কসা বা ভয় ভাঙা মন্ত্ৰ ঃ

হৰিৰ নামোৰ ঘৰখানি, যাদুৰ নামোৰ চাল
কেশৱীৰ নামে নাগাইছং ধ্বনি গোপাল মুদ্দে সাৰ
বানায় ঘিৰিলেক ঘৰ ঠাই বান্ধে বসি
ঘৰখানি বিক্ৰমপুৰ দুবৰতে একাদশী
ঢাল চোৰ নেউল দুও আইল
মুই অমুক (নাম) পৰিছং নিন্ (টোপনি)
চোৰাই দিছে সিং (সিদ্ধি)
থাক থাক যমদূত কাল দূত শিয়ৰত বসিয়া
মোৰ ফল্লাৰ হীৰা মাণিক বহু থাকিতে
তোৰ ফল্লাৰ জীউ নিয়া যায় কাৰিয়া
হে গুৰু সত্যেশ্বৰ . . ..
তুমি শয়, তুমি শয়, তুমি॥

[উক্ত মন্ত্ৰ তিনিটা জিনকটাৰ পৰিত্ৰ ভক্ত শ্ৰীদ্বিজেন্দ্ৰ নাথ ভকতৰ পৰা পাইছোঁ।]

৪। নাড়ী লৰা মন্ত্ৰ ঃ

"নৱ নাড়ী সৱকটা
আল্লা সোহা কালিৰ ৱৰ
কন্যাৰ কুড়ি নাড়ী এফাগু
কৰ ওঁ ক্লিং কৃষ্ণ সহায়॥

(তিনিটা তুলসী পাত দি পানী কাটি দিব লাগে)

৫। মুহিনী বাজ :

মুহিনী বাজ মুহিনী গলাৰ সিতাৰ
শৰীৰ হাড় হেন্দু-মুছলমান বন্দ কৰ
কোল্লিৰ গোচৰ—তেল নাৰায়ণ তেলপানী
উপৰ ভাসে মোৰ কন্যাক দেখিয়া
কল্লি খলখলে হাঁসে
হাসে কল্লি কৰিম দূৰ আইজ হাতে
মোক কন্যাক দেখবু মাদাৰ ফুল
ক্লিং কিষ্ট সহায় ॥ (৭ বাৰ জপ)

[মন্ত্ৰ দুইটি পুৰণি পুথি এখনৰ পৰা তুলি দিয়া হৈছে। মূলৰ অস্পষ্টতা হেতু ভুল হব পাৰে]

৪। ক। ২১। লোক বিশ্বাস :

গোৱালপৰীয়া মানুহৰ সাধাৰণ লোক বিশ্বাস কেইটিমান হ'ল এই : মেকুৰীয়ে ঘৰৰ পানী খোৱা পাত্ৰত পানী খালে কোনোবা কুমা বা গুষ্টি' আহে বুলি বিশ্বাস কৰে। মূৰ ফণিয়াওঁতে হাতৰ পৰা ফণি পৰি গলে আত্মীয় ঘৰলৈ অহ বুলি নাৰী সমাজত বিশ্বাস আছে। কাউৰীয়ে চিয়ঁৰিলে, কেঁচাই মাতিলে হুদু চৰাই মাতিলে, জেঠিয়ে টিকৃটিকালে অমঙ্গল হয়, বিপদৰ সম্ভাবনা আছে বুলি বিশ্বাস কৰে। পোহনীয়া কুকুৰে গৃহস্থৰ ঘৰত গাঁত খান্দিলে বিপদ হয়, পাৰ চৰায়ে ৰ'দত পাখি শুকালে ধৰষুণ হয় বুলি বিশ্বাস কৰে। তিৰোতাই তামোল খাই ঘৰৰ খুটাত চূণ মুচিলে সন্তান জন্মি মৰে। লোক বিশ্বাস মতে নাৰীয়ে খুটাৰ ৰিমান তলত চূণ মুচে সিমান সকতেই সন্তান মৰে। যাত্ৰা কালত 'হাঁসি কাসি' বেয়া। আমৰ মুচি বেছিকৈ পেলালে ধুমুহা হয়। কচু বা বাঁহত ফুল ফুটিলে গৃহস্থৰ অমঙ্গল হয়। বাৰীত 'হাপাই' কান্দিলে, বাতি গোহালিত গৰুৰে হেম্বেলালে অমঙ্গল হয়। তিৰোতাই চাউল ধুই ঘৰৰ পানী পৰা ঠাইত পেলালে 'মইল্লাদেওৱে' ধৰে বুলি ভাবে। 'দুৱৰ গৰিয়াক' শিৱৰ জট আৰু 'ঝাটাক' শিৱৰ বুকু ভাবি পাৰ নেপেলায়। লোক বিশ্বাসৰ ওপৰত ভিত্তি কৰি আনকি লোক বচনো সৃষ্টি হৈছে। তাৰে এটি হল :

'ভৰাৰ চায়া খালি ভাল
যদি ভৰিবাৰ যায়,
আগৰ চায়া পাছত ভাল
যদি ডাকায় মায়ে।'

তামোল খাওঁতে এটি ওঁঠত চূণ লাগি'লে কোনোবাৰ লগত মনোমালিন্য আৰু দুই ওঁঠত চূণ লাগিলে স্বামী-স্ত্ৰীৰ মাজত মনোমালিন্য হোৱা বুলি বিশ্বাস কৰে। আকৌ কোনো কোনো ঠাইত ইয়াকো কয় যে সুবাসনীলৈ 'গুবাপাণ' মানস থাকিলেও হেনো ওঁঠত চূণ লাগে। মিৰিলাক তামোল খা'লে গাত খুব ধৰে তেন ধৰণৰ তামোল খোৱাৰ আগত অলপ সুঙি খা'লে গাত নধৰ বুলি বিশ্বাস কৰে।

খোৱা-লোৱা ক্ষেত্ৰতো লোক বিশ্বাসৰ বহু কথা আছে। তাৰ ভিতৰত লাও খাই লাওৰ গলখিনি এৰিব নেলাগে। গতিকে লাও খা'লে লাওৰ গলটোও খাব লাগে বুলি বিশ্বাস আছে। সেয়ে কোৱা হয় :

'লাউ খায়া নাখায় গালা
তাৰ ছাওৱা হয় উপজাল।

[উপজালা : কোনো শিশু জন্মৰ সময়ত যদি ভৰি দুখন প্ৰথমতে মাতৃৰ গৰ্ভৰ পৰা ওলায় তেন্তে তাক উপজালা বুলি কয়]

৪। ক। ২২। দেশজ ঔষধ :

আধুনিক বৈজ্ঞানিক চিকিৎসা প্ৰচলন হোৱাৰ আগতে এই জিলাৰ মানুহে প্ৰাকৃতজ গছ-লতিকাৰে বেমাৰ-আজাৰ চিকিৎসা কৰিছিল। বৰ্তমান বিজ্ঞানৰ এই প্ৰাদুৰ্ভাৱৰ দিনতো এই চিকিৎসা গাওঁ-ভূঁইৰ পৰা সমূলঞ্চে তিৰি যোৱা নাই। ইয়াৰ কাৰণ দুটি। প্ৰথম ত গাওঁ-ভূঁইত আধুনিক চিকিৎসাৰ অভাব আৰু দ্বিতীয়তে এইবোৰ দেৱাজ ঔষধৰ প্ৰতি মানুহৰ অগাধ বিশ্বাস। তাৰে কেইটা'মান হ'ল এই :

১। জুইয়ে পুৰিলে তিলৰ তেলত 'চেৰা (কেচু) দি তপতাই পিছত চেৰাটো পেলাই দি সেই তেল পুৰা ঠাইত দিলে প্ৰায় লগে লগে জ্বালা উপশম হয় আৰু দুই তিনি দিনৰ ভিতৰতে পুৰা ঘা শুকাই যায়। ২। কেচুৰ ৰ ৫ ৭ বৰৱৰ ল'ৰা-ছোৱালীৰ 'সৰ্দি' হ'লে 'বাসকৰ' (বাখাভিত') পাত বাটি ৰস উলিয়াই গৰম কৰি খুৱায়। 'কাণশিলা' (ব্ৰোণ) মূলৰ ৰস সৰিয়হৰ তেলৰ লগত গৰম কৰি খুৱায়। 'সিজি'

(সিথা) যিনি মুৰত 'ভৰণ' দিব পাৰে। ৩। আদ্‌কপালী মুৰৰ বিষ হ'লে সৰু কাচমণি এটা সৰু শিলৰ পাত্ৰ এটাত অলপ পানী লৈ ঘঁহিব। ঘঁহোঁতে ঘঁহোঁতে কাচমণিটো শেষ হৈ যাব। সেই পানী নাকেৰে ভিতৰলৈ টানি নিব। কমেও দুই তিনি বাৰ। তেতিয়া কপালত জমা হৈ থকা সেঙুনবোৰ ওলাব। শেষত হালধীয়া ৰঙৰ সেঙুনবোৰ ওলাব। তাৰ পিছত আকৌ তেনে বিষ হ'ব নোৱাৰে। ৪। পেটৰ অসুখত খুদি 'মনামনি' (কাম : মানমুনি) ৰ ৰস খুৱায়। ৫। ক্ৰিমি হ'লে আনাৰসৰ কোমল পাত, 'ভাটী' গছৰ কুঁহিপাত, কেল্লাৰ বই (কল্লা বনৰ আলু) একেলগে বটি ৰস উলিয়াই খুৱাব। ৬। দাঁতৰ বিষ গুচাবলৈ গৰম সৰিয়হৰ তেল লগাব। 'শিলিখা' বটি নাইবা আদা আৰু নহক একেলগে বটি লগালে বিষ উপশম হয়। ৭। কাঞ্জি : বসন্ত ৰোগৰ ঔষধ। কাঞ্জি তৈয়াৰ কৰে এনেদৰে :

ঢাকনিৰে সৈতে এটি হাড়ী আনিব। চ'ত মাহৰ সংক্ৰান্তিত চৰক পূজাৰ দিনাখন সেই হাড়ীটো ধুই-পখালি ভাতৰ চৌকাৰ ওচৰত পাৰিব। সেই দিনাখন ৰন্ধা ভাতৰ আগভাত' অলপ হাড়ীটোত দি পানী দিব। সেই দিনাখনৰ পৰাই দুই 'সাজতেই' হাড়ীটোত আগভাত দিব আৰু পানী দিব। মুঠতে কাঞ্জি হাড়ী উপবাসে থাকিব লাগিব। গা-নুধুৱাকৈ কাঞ্জি হাড়ী লৰাচৰা কৰিব নোৱাৰে। ই বংশানুক্ৰমে চলি অহা বস্তু। হিন্দু-মুছলমান উভয়ৰে ঘৰত কাঞ্জি হাড়ী এতিয়াও আছে। মানুহ বা গৰু-মহঁৰ বসন্ত ৰোগ হ'লে কাঞ্জিৰ পানী খুওৱা হয়। ইয়াক বসন্তৰ মহৌষধ বোলে।

৪। ক। ২৩। নামৰ বিশেষত্ব :

গোৱালপাৰা জিলাত মানুহৰ আৰু গাওঁৰ নামকৰণতো এক সুকীয়া বিশেষত্ব দেখিব পোৱা যায় আৰু ই কামৰূপ জিলাৰে পাৰ্থক্য কৰিব লাগিবাকৈ একে। মহাপুৰুষ, ডাঙৰ নেতা বা পণ্ডিতৰ নামেৰে, গুণবাচক বিশেষণৰে নাইবা ফুলৰ নামেৰে, নামকৰণ কৰা ৰীতি অত্যাধুনিক যুগৰ বস্তু। আধুনিকতাৰ পৰশ নপৰা সময়ত এই নামকৰণ কেনেদৰে কৰা হৈছিল আৰু গাওঁ-ভূঁইত আজিও কৰা হয় তাৰেহে কথা ইয়াত কোৱা হৈছে।

মানুহৰ নাম :

১। মাহৰ নামৰ ওপৰত ভিত্তি কৰি :

	গোৱালপাৰা	কামৰূপ
বহাগত জন্ম হলে	বৈশাগু	বৈহাগু
ভাদত „ „	ভাদো	ভৈদা
পুহত „ „	পুষু	পুহা
কাতিত „ „	কাতিয়া	কাইতা
আহিনত „ „	আহিনা	আইহ্না

২। বাৰৰ নামৰ ওপৰত ভিত্তি কৰি :

মঙলবাৰত জন্ম হলে	মঙ্লু	মঙ্লা
ৰবিবাৰত „ „	ৰবি	ৰবি
সোমবাৰত „ „	সোম্বাক	সোম

৩। মানুহৰ আকৃতিৰ ওপৰত ভিত্তি কৰি :

কুজ থকা বাবে	কুজা	কুজা
চকু মুজা হোৱা বাবে	চকু মুজা	চকুমুজা
খৰা হোৱা বাবে	লেংৰা	খৰা
ভেকুলীৰ নিচিনা „	ভেক্লী	ভেক্লী
এন্দুৰৰ নিচিনা „	এন্দুৰ	এন্দুৰ
নিগনিৰ নিচিনা „	নিংনা, ধৰেয়া	নিংনা, ধইৰা

৪। মানুহৰ প্ৰকৃতিৰ ওপৰত ভিত্তি কৰি :

হাগি থকা বাবে	হাগুৰা	হাগ্ৰা
কান্দি „ „	কান্দুৰা	কান্দ্রা
মুতি „ „	মুতুৰা	মুত্ৰা
চকুৰ কেতাৰ ওলাই থকা বাবে	কেতাক	কেত্ৰা।

ঠাইৰ নাম ঃ

১। গছৰ নামৰ ওপৰত ভিত্তি কৰি ঃ গোৱালপাৰা কামৰূপ

কঠালবাৰী	পলাশবাৰী
কলাবাৰী	কলবাৰী
বাঁশবাৰী	বাঁশবাৰী
পাণবাৰী	পাণবাৰী
আমবাৰী	আমবাৰী
খাগ্ৰাবাৰী	খাগ্ৰাবাৰী
বগৰীবাৰী	বগ্‌ৰীবাৰী।

২। জীৱ-জন্তুৰ নামৰ ওপৰত ভিত্তি কৰি ঃ

হুদু	হুদুম খাটা	হুদু খাটা
ভালুক	ভালুকমাৰী	ভালুকী, ভালুকঘাটা
সাপ	সাপকাটা	সাপে খাইতি
গেৰা, বাঘ	গেৰামাৰী	বাঘমাৰা
শিঙি	শিঙিমাৰী	শিঙিমাৰী

৩। পুৰ, পাৰা হাট, গঞ্জ, গাওঁ আদি শব্দ সংযোগ কৰিও কিছুমান গাওঁৰ নাম ৰখা হৈছে।

ক] পুৰ শব্দৰ সংযোগত ঃ গৌৰীপুৰ, ৰতনপুৰ,
লক্ষ্মীপুৰ, ভবানীপুৰ
শ্ৰীৰামপুৰ তাম্বুলপুৰ।

খ] পাৰা শব্দৰ সংযোগত ঃ গোৱালপাৰা সৰপাৰা
বিলাসীপাৰা বামুণপাৰা
খেকাপাৰা ৰেঙাপাৰা
ডেলীপাৰা ডেলীপাৰা

গ] হাট শব্দৰ সংযোগ ঃ বন্ধীৰহাট নয়াহাট, বটৈৰহাট, হৰিৰহাট, কাছাৰীহাট জামাদাৰহাট।

ঘ] গঞ্জ শব্দৰ সংযোগত ঃ আলমগঞ্জ, গোলকগঞ্জ, প্ৰতাপগঞ্জ, কুমাৰগঞ্জ, লক্ষীগঞ্জ, ফকিৰগঞ্জ।

ঙ] চৰ শব্দৰ অৰ্থ হ'ল নদীৰ বালিচৰ। নদীৰ চৰ, এলেকাত সাধাৰণতে মুছলমানসকলে বাস কৰে। এই শব্দৰ সংযোগত হোৱা নাম : শুকচৰ, মানিকাচৰ, মাজৈৰচৰ খোদাবচৰ।

চ] গ্ৰাম আৰু গাওঁ শব্দৰ সংযোগত : ফকিৰাগ্ৰাম সাপটগ্ৰাম, সৃজনগ্ৰাম, গোসাইগাওঁ, বাচুগাওঁ, বঙাইগাওঁ, কচুগাওঁ।

আধুনিকতাৰ বা লগা গোৱালপাৰীয়া নামকৰণৰ এই ৰীতি অপ্ৰচলিত সঁচা। কিন্তু ওপৰুক্ত নামবোৰে প্ৰাচীন গোৱালপৰীয়া মানুহৰ নামকৰণ ৰীতিৰ স্বাক্ষৰ বহন কৰিছে। নামকৰণ ৰীতি কৃষ্টিমূলীয়া। সেয়ে ওপৰৰ নামবোৰত কৃষ্টিগত মনৰ আঁচ পৰি আছে।

৪। ক। ২৪। গোৱালপৰীয়া মানুহ :

গোৱালপৰীয়া মানুহ স্বভাৱত সৰল আৰু প্ৰকৃতিত উদাৰ। খাচ গোৱালপৰীয়া মানুহে দুই পইচা লোকচান ভৰিব নাইবা সীমাৰ এহাত মাটিকে এৰি দিব তথাপি হাই-কাজিয়ালৈ নেযাব। মানুহবোৰৰ চিন্তা আৰু কাম সৰল। ঠগ্ প্ৰবঞ্চকৰ সংখ্যা কম। মিঠা মাত, আদৰ সম্ভাষণত গোৱালপাৰাবাসীৰ কৃপণালি নাই। দুপৰীয়াৰ অতিথিক ভাত খুওৱা আৰু ৰাতিৰ অতিথিক খাৱ-শুবলৈ দিয়া এটা ধৰ্মীয় ৰীতি বুলি মানুহৰ এতিয়াও বিশ্বাস আছে। তথাকথিত শিক্ষাত গোৱালপাৰা পিছ পৰা। কিন্তু সহজাত মানবীয় শিক্ষাত কেতিয়াও নহয়। জলবায়ুৰ প্ৰভাৱৰ হাত সাৰি কোনো দেশৰ মানুহেই থাকিব নোৱাৰে। গোৱালপাৰাৰ সেমেকা জলবায়ুয়ে মানুহবোৰক কিছু পৰিমাণে চিন্তা আৰু কৰ্মত 'আলসিয়া' কৰি তুলিছে। কিন্তু আলস্যৰ বিৰুদ্ধে ৰণং দেহি মনোভাৱ গোৱালপাৰাবাসীৰ আছে। গোৱালপৰীয়া মানুহৰ শাৰীৰিক শক্তি আছে। দীৰ্ঘদিনীয়া জমিদাৰী শাসনৰ প্ৰভাৱ পশ্চিম গোৱালপাৰা বাসীৰ মনৰ পৰা এতিয়াও সমূলঞ্চে ধ্বংস হোৱা নাই। অজ্ঞানতাই মানুহৰ ভয়ৰ সবাতকৈ ডাঙৰ কাৰণ। শিক্ষাই অজ্ঞানতা দূৰ কৰে। জ্ঞানে মানুহৰ মনৰ পৰা ভয়-ভূত আঁতৰায়। সেই জ্ঞানে গোটেই গোৱালপাৰা প্লাবিত কৰোঁক—এয়াই পৰম আশা।

৫। লোক-কৰ্মৰ আহিলাপাতি

আদিম মানুহ যুগ পৰম্পৰা আৰু প্ৰজন্ম পৰম্পৰাগতভাবে আজিৰ দিনলৈ আগবাঢ়ি আহোঁতে বুদ্ধিৰ ক্ৰমবিকাশ ঘটি আহিছে। মানুহৰ যাযাবৰী জীবনে যেতিয়া গৃহবাসী জীবন পৰ্যায় পালে, তেতিয়া সাচ্ছন্দ জীবন নিৰ্বাহৰ বাবে মানুহক নানা সা-সঁজুলিৰ আবশ্যক হ'ল। আবশ্যকেই আবিষ্কাৰৰ মূল। সেয়ে মানুহে নিৰিঘ্ন জীবন-যাপন কৰিবলৈ হাতৰ ওচৰতে পোৱা প্ৰাকৃতিক বস্তুৰে প্ৰয়োজন অনুসাৰে নানা ধৰণৰ আহিলা-পাতি তৈয়াৰ কৰি লৈছিল। সেইবোৰ তেনে ৰূপত নহলেও পৰিবৰ্তিত উন্নত ৰূপত অপৰিহাৰ্যভাবে জন-জীবনত প্ৰচলিত হৈ আছে। সাধাৰণতে মানুহে জীবন-যাপন কৰোঁতে যিবোৰ কৰ্ম কৰিব লাগে সেইবোৰতেই এই আহিলা-পাতিবোৰ ব্যবহাৰ কৰে। এনে আহিলা-পাতিৰ সংখ্যা আৰু পৰিমাণ বহুত বেছি। কাৰণ মানৱ জীবন বিভিন্ন দিশ সম্বলিত আৰু সেইবোৰ দিশ পৰিপূৰ্ণ কৰি ৰাখিবলৈ মানুহে বহুত কথাই চিন্তা কৰিব লাগে। আহাৰ, আশ্ৰয়, বস্ত্ৰ এই কেওটি হ'ল মানুহৰ প্ৰথম আবশ্যকীয় বিষয়। বন্য যাযাবৰী জীবনৰ অবসান ঘটাই স্থায়ী বসবাসৰ ব্যবস্থা কৰিবলৈ প্ৰথমে দৰকাৰ হ'ল ঘৰ-বাৰী। উলঙ্গ অবস্থাৰ পিছত লজ্জা সৰমৰ আবেগে গছৰ বাকলি পিন্ধান কৰিবলৈ মানুহক বাধ্য কৰিছিল। পিছলৈ লোক-জীবনে তৈয়াৰ কৰিলে কাপোৰ। দৰকাৰ হ'ল বয়ন শিল্প। জীবন-যাপনৰ বাবে পশুজীবী মানুহে আৰম্ভ কৰিলে কৃষি। তাৰ পিছত আহিল বন্ধন প্ৰকৰণ।

মানৱ জীবন বিভিন্ন দিশ সম্বলিত আৰু পৰিব্যাপ্ত। এই সকলোবোৰ দিশ পৰিপূৰ্ণ কৰিবলৈ মানুহক বহুতো আহিলা-পাতিৰ দৰকাৰ হয়। এইবোৰে মানুহৰ কৰ্মময় জীবন পৰিপূৰ্ণ কৰে। মানুহৰ দেহৰ উপৰি এটি মন আছে। পেটৰ দৰে মানুহৰ মনেও আহাৰ খোৰাক বিচাৰে। মনৰ সুখ-দুখ, আনন্দ-নিৰানন্দ, আশা-নিৰাশা আদি গুণাত্মক বিষয়বোৰৰ গভীৰ অনুভূতি আছে। এইবোৰে যেতিয়া মানৱ মন অভিভূত কৰি তোলে তেতিয়া সেইবোৰৰ প্ৰকাশৰ বাবে প্ৰাণ বিগলিত হয়। মানুহে দৈহিক অঙ্গি-ভঙ্গি কৰি, সুৰ ধৰি বা লেলিয়াই চিঞৰি নাইবা অঙ্গি-ভঙ্গিৰ সৈতে কথা কৈ সেই ভাবৰ প্ৰকাশ কৰে। পৰবৰ্তি কালত নিৰবিচ্ছিন্ন এই প্ৰকাশৰ

ধাৰাটোৱে গীত-নৃত্য-নাটৰূপে আত্ম প্ৰকাশ কৰিলে। পিছলৈ গীত-নৃত্য-নাট পৰিবেশনৰ বাবত কিছুমান আহিলা-পাতিৰ আবশ্যক হ'ল। এই আহিলা-পাতিবোৰ মানুহৰ সুকুমাৰ কলাত্মক ভাব, অনুভূতি, কল্পনা, আদৰ্শ প্ৰকাশৰ বাবে পৰিবেশিত গীত-নৃত্য-নাট আদি অনুষ্ঠানত ব্যবহাৰ কৰা হয়। কৰ্ম আৰু কলাৰ ক্ষেত্ৰত আহিলা-পাতিবোৰ ব্যবহাৰ কৰা বাবে এইবোৰক মুখ্যকৈ কৰ্মাত্মক আৰু কলাত্মক ভাবে বিভক্ত কৰা হৈছে।

৫। ক। কৰ্মাত্মক আহিলাপাতি ঃ

১। হাড়ীবাৰীত (পাকঘৰ) ব্যবহাৰ্য ঃ

চোকা, আখা, হাড়ী ডেকচি কাৰাই'কৰেয়া/তোসলা'নোইয়া (কৰাহী), হাতা, খন্টি, শিলপাতা, গামলা ছড়িয়া, থালি, বাটি, গোলাচ, ঘোটি, লটা, ঘাড়া, চামুচ, ছেকনি, ঘুটুনী (ঘাঁটনি), ডিব্বৰী, চাভি।

২। ঘৰুৱা কামত ব্যবহাৰ্য ঃ ঝাটা, বান্‌নী, কুলা, ডোল, চাইলোন/চালাঙী, ডুকি পাছী, টালা/ডুন, ধাৰাই/টালাই, ঘট, গাছা, ধূপাতি/ধূপবাঁতি, খাচা, ডালা, ডুলি।

৩। মাছ মৰাৰ সঁজুলি ঃ আছড়া / দাফিজাল, দোফিজাল, জাকা, জাখা, ফাঁচিজাল,, খলৈ, খলাই, চাক, জোলোঙ্গা, ঝিলা টাঙা জাল, দাম বৰশী, বৰশী, ঢোৰক্যা নোলি নল/নল বৰশী, পাতা/বোমা (মুছলমানৰ)/ বাম্না, হেঙা, পল, কোচা ইত্যাদি।

৪। কৃষি কৰ্মৰ সঁজুলি ঃ ইশ, কাড়াইল কাড়ালী, কস্নি/দলিবাৰী, জোঙাল। জোঙায় (যুঁৰলী), ঝাপি, ঢোকন, নাটি/লাঠি, বেধা/বেদা, বাকুৰা/বাউঙ্কা, ফালা/বয়েনা, শোল্লি (যুঁৰলীৰ খুটি) নাঙল/নাঙোল, মোই, হাতচিনি/হাচিনি/হাতচাপনি ইত্যাদি।

৫। লোৰে তৈয়াৰী আন আন বস্তু ঃ দাও, কুড়াল, কোদাল, খন্টা, পাচোন, সট্টা, সুই, কোচা, খাপৰ, শোলি, কাচি, কৰট, বাতাল, বাইস, হাটুৰা, আগৰ, বেন্দা, বোটি, কাটাৰী ইত্যাদি।

৬। হাতশাল/তাঁত ঃ খুটি, গাড়ী, মাকু, বাস (বাহ) গড়কা, চেৰকি, নাটাই, ঘঁতৰ, কাটা/ছক, তাকুৰা, ব, খাটি ইত্যাদি।

এনেধৰণৰ মানুহৰ জীবন-নিৰ্বাহৰ বাবে কৰা কৰ্মৰ লগত জৰিত আৰু বহুতো সৰু সুৰা সা-সঁজুলি হয়তো আছে। আমি ইয়াত সেইবোৰৰ তালিকা দীঘলীয়া নকৰি কলাত্মক আহিল-পাতি বাৰৰ কথাহে আহিলোঁ।

৫। খ। ঃ

গাৱালপৰীয়া লোক সংস্কৃতিৰ কলাত্মক দিশ প্ৰকাশ পায় পৰিবেশিত গীত-নৃত্য আৰু লোকনাট্যত। এইবোৰ সুসঙ্গত আৰু মনোগ্ৰাহী কৰি তুলিবলৈ পৰিবেশনৰ সময়ত তলত উল্লেখিত বাদ্যযন্ত্ৰ আৰু আন সামগ্ৰীবোৰ ব্যবহাৰ কৰা হয়। বাদ্য যন্ত্ৰবোৰক সাধাৰণতে চাৰিটা ভাগত বিভক্ত কৰা হয়। যেনে ঃ

১। তত যন্ত্ৰ ঃ তত তন্ত্ৰ অৰ্থাৎ তাঁৰ সংযোগ হৈ থকা যন্ত্ৰ। যেনে ঃ তানপুৰা, বেহলা বেঞ্জু আদি। গোৱালপৰীয়া লোক-সংস্কৃতিৰ লগত একতাঁৰা, দোতৰা, গোপীযন্ত্ৰ সাৰিন্দা বৰণা, চৰ ব্যবহাৰ হয়।

২। বিতত অনদ্ধ ঃ বিতত (বি নাই তত<তাঁৰ) অৰ্থাৎ তাঁৰহীন যন্ত্ৰ। গোৱালপাৰাত কৰলা, খোল ঢাক ঢোল দগৰ, নাগাৰা আদি বিতত যন্ত্ৰৰ ব্যবহাৰ আছে।

৩। সুষিৰ ঃ বতাহক আশ্ৰয় কৰি বজোৱা যন্ত্ৰ। গোৱালপৰীয়া লোক-সংস্কৃতিৰ লগত সংগত কৰা এই শ্ৰেণীৰ যন্ত্ৰ হ'ল ঃ শিঙা, শঙ্খ, সানাই, বাঁহী, আৰবাঁহী, মুখবাঁহী, যোৰাবাঁহী। বৰ্তমান সময়ত এইবোৰৰ লগতে হাৰমনিয়ামৰো ব্যহাৰ অপৰিহাৰ্য হৈছে।

৪। ঘণ যন্ত্ৰ ঃ এইবোৰ যন্ত্ৰ ধাতু বা কাঠেৰে তৈয়াৰ কৰা হয়। কৰতাল, মন্দিৰা, কাষ্ঠতৰঙ্গ, জলতৰঙ্গ এই শ্ৰেণীৰ ভিতৰত পৰে। গোৱালপাৰাত তাল, কৰতাল, মন্দিৰা ঘুঙুৰা, ঘণ্টা কাঁহ আদি ঘণজাতীয় বাদ্যযন্ত্ৰ ব্যবহাৰ কৰা হয়।

এইবোৰৰ উপৰি গোৱালপৰীয়া লোকনৃত্য আৰু লোকনাট্য পৰিবেশনৰ সময়তো কিছুমান আহিলা পাতি ব্যবহাৰ কৰা হয়। তাৰ ভিতৰত মুখা প্ৰধান। মুখাকোচ সাধাৰণতে অসুৰ, ৰাক্ষস বান্দৰ আৰু বিভিন্ন দেৱ-দেৱীৰ হয়। এইবোৰ তৈয়াৰ কৰা হয় বিভিন্ন আকৃতিৰ লাওটোকোৰাৰ ওপৰত আবশ্যকীয় ভিন ভিন ৰং দি আৰু শোলাৰ (কুঁহিলা) পৰা। এই ধৰণৰ মুখাৰ ভিতৰত কালী আৰু ৰাৱণৰ মুখা প্ৰখ্যাত আৰু ইয়াক ক্ৰমে নৃত্য আৰু লোকনাট্যত ব্যবহাৰ কৰা

হয়। লোক-পূজা-পার্বণবোৰতো লোক কলাৰ প্রকাশ পায়। লোক-জীবনে কৰা মনসা, কার্তিক, গণেশ, হুদুম, মাশান, মনসা আদি পূজাত কুহিয়াৰে নির্মিত সেই সেই দেৱতা-উপ-দেৱতাৰ প্রতিকৃতি ব্যবহাৰ কৰা হয়। ইয়াত লোক-মানসৰ কলাত্মক অভি-ব্যঞ্জণাৰ প্রকাশ পায়।

গোৱালপৰীয়া কিছুমান বিশেষ শ্রেণীৰ নৃত্য-গীত পৰিবেশন কৰোঁতে হাতত প্রতীকধর্মী কিছুমান আহিলা-পাতি লয়। কাতি পূজাৰ গীত-নৃত্যত ধনু-কাড় গোৱাল্‌লনী গীত-নৃত্যত কুলা, কুশান আদি লোক-নাট্যত চোঁৰৰ, চণ্ডী নৃত্য-গীতত তৰোৱাল ব্যবহাৰ কৰা দেখা যায়। এইবোৰ সা সামগ্রীও কলাত্মকৰ ভিতৰত পৰে।

এইবোৰ কর্মাত্মক আৰু কলাত্মক আহিলা-পাতি ব্যবহাৰ কৰি গোৱালপৰীয়া জন-জীবনে জীবিকা নির্বাহ আৰু সুকুমাৰ কলাত্মক মনৰ প্রকাশ কৰি আছে।

৬। গোৱালপৰীয়া লোক-সাহিত্য

লোক-জীবনেই যি সাহিত্যৰ উৎস সাধাৰণ অৰ্থত সিয়েই লোক-সাহিত্য। প্ৰাকৃতিক ভয়-ভীতি, হৰ্ষ-বিষাদ, আশা নিৰাশা, প্ৰেম-প্ৰীতিয়ে হ'ল এইবিধ সাহিত্যৰ পটভূমি। নিৰক্ষৰ, ভাব-কল্পনাপ্ৰবণ চহা ৰচকৰ ৰচিত এইবিধ জনপ্ৰিয় লোক-সাহিত্যৰ বিশেষ বৈশিষ্ট্যাবোৰৰ কথা পণ্ডিতসকলে এনে ধৰণৰ বুলি উল্লেখ কৰিছে।

১। লোক-সাহিত্য অলিখিত, মুখে মুখে ৰচিত আৰু প্ৰচলিত। সেয়ে বিভিন্ন যুগ আৰু পৰিবেশৰ মাজেৰে সৰকি আহোঁতে এই সাহিত্যবোৰে মোট সলাব পাৰে।

২। লোক-সাহিত্যবোৰে ইয়াৰ ৰচকৰ নামৰ কোনো বিজ্ঞাপন নিদিয়ে। পৰৱৰ্তি কালৰ ৰচকৰ নাম থকা ভণিতাযুক্ত পদ-পুথিৰ বিপৰীতে এইবোৰ ভণিতাহীন আৰু ৰচকৰ নাম বিহীন। অতীতত ৰচকৰ নাম থাকিলেও মানুহৰ মুখে মুখে প্ৰচলিত হৈ যুগৰ দেওনা হেৰাই আহোঁতে ক্ষয় ষোৱা পইচাৰ নিচিনাকৈ ই ৰচকসকলৰ নাম পাহৰি গৈছে।

৩। ব্যক্তিৰ উপৰি সমষ্টিগত আত্মাৰ প্ৰকাশ লোক-সাহিত্যৰ এটি প্ৰধান লক্ষণ। এইবোৰে ব্যক্তিৰ উপৰি সমষ্টিগত জীবনৰ বহু কথাই কঢ়িয়াই আনে আৰু ভবিষ্যত পুৰুষক সেইবোৰৰ সংবাদ দিয়ে।

৪। ৰচনা ৰীতিৰ শৈথিল্য লোক-সাহিত্যৰ আন এটি বৈশিষ্ট্য। শিথিল ছন্দৰ প্ৰয়োগেৰে ভাবানুভূতিৰ সাবলিল প্ৰকাশত ছন্দবদ্ধ লোক-সাহিত্যবোৰৰ বিশেষত্ব নিহিত হৈ আছে। বিষয় বস্তুৰ পাৰ্থক্য আৰু ৰচনা কালৰ ব্যবধান থাকিলেও লোক-সাহিত্যবোৰৰ প্ৰকাশ ভংগিমাত এটি অন্তৰ্নিহিত সাদৃশ্য পৰিলক্ষিত হয়। জটিলতাহীন খোকোজা নলগা সৰল ভাষা, ঘৰুৱা চিত্ৰ, ভাবৰ মুকলি প্ৰকাশ আৰু সৰল বিশ্বাস লোক-সাহিত্যৰ বিশেষ গুণ।

৫। অলৌকিক বা অবাস্তব পৰিবেশ বা কাৰ্য কলাপো লোক-সাহিত্যৰ বুকুত থাকিব পাৰে আৰু সেই অবাস্তব-অলৌকিকতাত জন জীবন আজিও গভীৰভাবে বিশ্বাসী। লোক-সাহিত্যৰ বুকুত প্ৰকৃতি চিৰদিনেই বিৰাজমান। মানুহৰ প্ৰকৃতিৰ লগত থকা নিবিড় সম্বন্ধৰ ইংগিতো লোক সাহিত্যত আছে।

৬। লোক-সাহিত্য লোক-জীবনৰ ইতিহাস। প্ৰতিটো নৰগোষ্ঠীৰ পূৰ্ব-পুৰুষৰ

বহুত কথাৰ ইংগিত এইবোৰে আধুনিক যুগৰ মানুহক দি আছে। আজি জগতৰ যিকোনো নৰগোষ্ঠীৰ ভাষা-সংস্কৃতি সাহিত্যৰ অধ্যয়নৰ বাবে এই অলিখিত লোক সাহিত্যই বহুতো তথ্যৰ যোগান ধৰিছে।

লোক-সাহিত্যই লোক-জীবনৰ সৰ্ব দিশ সামৰি থাকে। আজিৰ অত্যাধুনিক যুগৰ সুসভ্য মানুহৰ পূর্ব-পুৰুষৰ সকলো দিশৰ সংবাদ লবলৈ এইবিধ সাহিত্যৰ উদ্ধাৰ, অনুসন্ধান আৰু অধ্যয়নৰ প্রয়োজন পণ্ডিত সমাজে বাৰুকৈ উপলব্ধি কৰিছে আৰু পৃথিবীৰ প্রায় সকলো প্রান্ততে এই কাম খৰতৰ গতিত আগবাঢ়ি গৈছে। কিন্তু পুৰণি গোৱালপাৰা জিলাত বিস্তাৰিত ক্ষেত্র আৰু লোক-সংস্কৃতিৰ সুবৃহৎ ভাণ্ডাৰ থকাতো এই বিষয়ৰ প্রণালীবদ্ধ গবেষণামূলক কাম কমেই হৈছে। অসম সাহিত্য সভাৰ ৩৯ তম ধুবুৰী অধিবেশনৰ স্মৃতিগ্রন্থত মনৰ দুখত অম্বিকাচৰণ চৌধুৰীয়ে লিখিছে, "প্রকৃততে এই জিলাৰ বুৰঞ্জী, কথিত ভাষা সংস্কৃতি আদিৰ বিষয়ে তথ্য-পাতি পৰি আছে সেইবোৰ সম্পর্কে অনুসন্ধান হোৱা দূৰৰ কথা চেষ্টাও হোৱা নাই। এইবোৰ সম্পর্কে গবেষণা হ'লে এদিন প্রমাণ হ ব যে গোৱালপাৰাই আছিল প্রকৃত অসমীয়া সংস্কৃতি আৰু সভ্যতাৰ লীলাভূমি।" কেবল গোৱালপাৰাৰ কথা ক'লে নহ'ব, প্রকৃত বিচাৰত গোটেই উত্তৰবঙ্গকলৈ কলেহে কথাটো প্রকৃত সত্য হ'ব। এই ক্ষেত্রত অসমৰ মহাবিদ্যালয়, বিশ্ববিদ্যালয়ৰ পাঠ্য ক্রমণিকাত পশ্চিম অসমৰ ভাষা, সংস্কৃতি-ইতিহাস বিষয়ৰ কথা অচিৰেই সন্নিবিষ্ট কৰা দৰকাৰ। এনে কৰিলে উক্ত বিষয়বোৰৰ প্রণালীবদ্ধ আলোচনা নিশ্চয় হ'ব।

লোক-সাহিত্যক সাধাৰণতে তিনিটা প্রধান ভাগত বিভক্ত কৰা হয়। যেনে : লোকগীত, সাধুকথা, আৰু প্রবাদ প্রবচন। গোৱালপাৰাৰ কথিত ভাষাত এইবোৰক ক্রমে লোকগীত, কেচ্ছা/কেচ্ছাবন্দী আৰু ফাকিলি ছিল্কা বা শ্লোক-শোলোক ছিল্কা আৰু প্রবাদ বোলে। এই তিনিওটি ভাগৰ আলোচনা তলত পর্যায়ক্রমে কৰা হ'ল :

৬। ক। গোৱালপৰীয়া লোকগীত :

লোকগীত সহজ-সৰল লোক প্রাণৰ স্বচ্ছ উচ্ছ্বাস। মানুহৰ অন্তৰৰ বিমল আনন্দৰ থোকি-বাথোকিত নাইবা হিয়া-ভগা কাকণ্যৰ চটফটনিত চকুপানী নিজৰি ওলোৱাদি লোকগীতবোৰ জন্ম হয় সেই একে কাৰণতে। সাধাৰণতে মানুহৰ অন্তৰ যেতিয়া শোকত দ্রবীভূত হয় নাইবা এক অনাবিল আনন্দই মানুহৰ অন্তৰত যেতিয়া

যেতিয়া সুৰময় ঝঙ্কাৰ তোলে, তেতিয়া সেই শোক বা আনন্দই প্ৰকাশৰ মাধ্যম বিচাৰি অন্তৰত আগ্নেয় তোলপাৰ লগায়। এই মাধ্যম হয়তো গদ্য, হয়তো পদ্য হ'ব পাৰে। গদ্যতকৈ পদ্য ভাব প্ৰকাশৰ বেছি সহজ আৰু কোমল বাহন। সেয়ে সুৰ, তাল, লয়যুক্ত গীতেৰেই সেই ভাব প্ৰকাশ কৰিবলৈ লোৱা হয়। লোক-জীবনৰ এনে ভাব প্ৰকাশতেই লোকগীতৰ উৎপত্তি।

লোকগীত লোক জীবনৰ নিখুঁত দাপোন। যুগে যুগে নিৰক্ষৰ চহা কবি-সকলে ৰচনা কৰা গীত-মাতবোৰ মানুহৰ মুখে মুখে মুখ বাগৰি যুগৰ দেওনা চেৰাই ভবিষ্যতৰ বংশধৰসকললৈ আগবাঢ়ি আহে। এই লোকগীতবোৰ এনেদৰে সময়ৰ সোঁতত খোজ মিলাই আগবাঢ়ি আহোঁতে সেইবোৰে জন্ম যুগৰ সমাজৰ বিভিন্ন চিত্ৰ ফুটিয়াই আনে। সেয়ে লোক গীতবোৰ বিভিন্ন সমাজৰ আচাৰ-বিচাৰ, ধৰম-কৰম, ৰীতি-নীতি, সমাজ ব্যবস্থাৰ উপৰি সমাজৰ অৰ্থনীতি, ৰাজনীতি আদিবো আংশিক ইতিহাস হিচাবে পণ্ডিতৰ দৃষ্টিত ধৰা পৰে। A. R. Wright এ লোক-গীতৰ আলোচনা প্ৰসঙ্গত লিখিছে, "Folklore is the science which studies the expression in popular beliefs, institution, practices, oral literature and arts and pasttimes of mental and spiritual life of the Folk, the people in general, in every stage of barbarism and culture." এই গীতবোৰে সমাজৰ ভাবানুভূতি, চিন্তা-কল্পনা, সুকুমাৰ কলাবোধ আৰু শিল্প ৰুচি জানবো আংশিক জবাব দিব পাৰে। লোক-গীতবোৰে বুৰঞ্জীৰ যুগৰ অথচ বুৰঞ্জীয়ে দিব নোৱাৰা আৰু বুৰঞ্জীয়ে ঢুকি নোপোৱা যুগৰ কিছুমান কথাবো আংশিক হলেও উমান বা উত্তৰ দিব পাৰে। এনে ক্ষেত্ৰত লোক-গীতৰ মূল্য আৰু বেছি। লোকগীতৰ এই সাধাৰণ কথাবোৰ গোৱালপৰীয়া লোকগীতৰ লগতো বজিতা খায়। পৰবৰ্তি আলোচনাবোৰত এইবোৰ কথা স্পষ্ট-ভাবে জানিব পৰা হ'ব।

৬। খ। গোৱালপৰীয়া লোকগীতৰ কাব্যিক সৌন্দৰ্য ঃ

গীত বুলি কলেই সুৰ আৰু তালৰ কথা আহি পৰে। কবিতা গীত নহয় আৰু গীতো কবিতা নহয়। গীত কিন্তু কবিতাধৰ্মী। কবিতাত গীতৰ গুণ ৰূপ থাকক নেথাকক গীতত কিন্তু কবিতাৰ গুণ-ৰূপ থাকে। গতিকে গীতৰ কাব্যিক

সৌন্দৰ্যৰ কথাও আছে। গোৱালপৰীয়া (বেছিভাগ) লোকগীত আৰু নৃত্যৰ সম্বন্ধও অভিন্ন : এটি বুজন সংখ্যক গীতত এটি আনটিৰ পৰিপূৰক যেন আত্মীয়তাও থকা দেখা যায়। গীতৰ ভাষা আৰু উচ্চাৰণ ৰীতি বহিৰ্গোৱালপাৰাৰ মানুহৰ বাবে এটি জানিবৰ বিষয়। ইয়াত এনেধৰণৰ কথাবোৰ সংক্ষিপ্ত আলোচনা সংযোগ কৰি দিয়া হ'ল।

লোকগীত সুদক্ষ কবি সাহিত্যিকৰ সূক্ষ্ম বিচাৰ বুদ্ধিৰে কাব্য-কবিতাৰ সৰ্ব গুণান্বিত কবি নাইবা কাব্য-কবিতাৰ তুলাচনীৰে উপযুক্তভাবে জুখি মাখি সৃষ্টি কৰা পুৰঠ আৰু পক্ক কাব্য কবিতা নহয়। গতিকে সুদক্ষ কবিৰ কাব্য কবিতাৰ নিচিনাকৈ চোকা সমালোচকৰ তীক্ষ্ণ দৃষ্টিভঙ্গীৰে লোকগীতৰ কাব্যিক সৌন্দৰ্য বিচাৰ কৰা নেযায়। সেয়ে কাব্যিক সৌন্দৰ্য নিৰূপনৰ উপকৰণ তুলাচনীখনিও এই ক্ষেত্ৰত কটকটীয়াকৈ প্ৰয়োজ নহ'ব। লোকগীত অমাৰ্জিত আ'পানা আপুনি ফুলি উঠা বনৰীয়া ফুল। লাহতীৰ লাহৰী হাতৰ কোমল পৰশত ফুলা উদ্যানৰ ফুল স্বৰূপ কাব্য কবিতাৰে ইয়াৰ বিজনি নাহে। ইয়াৰ সৌন্দৰ্য সুকীয়া। গতিকে আলোচনাও অলপ সুকীয়া ধৰণৰ হোৱাটো স্বাভাবিক।

৬। খ। ১। গীতৰ বিষয়-বস্তু :

বিষয় বস্তুৰ ক্ষেত্ৰত গোৱালপৰীয়া লোকগীতবোৰে ৰাম ৰাধা-কৃষ্ণ আৰু আন পুৰাণ প্ৰসিদ্ধ চৰিত্ৰবোৰৰ সীমাৰেখা অতিক্ৰম কৰি গৈ গাওঁত বাস কৰা অনি-মণি-ধনিক সাৰতি লৈছে। গীতবোৰত সমাজৰ দৈনন্দিন জীবন নিৰ্বাহৰ বৰ্ণনা আছে। কাতি মহাদেৱ হুদুম সোণাৰায় বাঁশ, মাৰৈ, মাশান আদি দেৱ-দেৱীৰ পূজা-অৰ্চনাৰ বৰ্ণনা আছে, ব্যক্তি আৰু সামাজিক জীবনে জীবনৰ চাকনৈয়াত পৰি মানিৰ লগীয়া জীবনৰ জয়-পৰাজয়ৰ ইঙ্গিত আছে। ব্যক্তি আৰু সামাজিক জীবনত কি পালে নেপালে তাৰ হিচাপ-নিকাচো আছে। আৰু আছে ব্যক্তি আৰু বাজহুৱা জীবনৰ আশা-আকাঙ্খাৰ পূৰ্ণতা-অপূৰ্ণতাৰ, হোৱা-নোহোৱাৰ, পোৱা-নোপোৱাৰ ৰহস্যত ভাহি উঠা গভীৰ জীবন জিজ্ঞাসা। ইয়াত আছে 'নৰ-নাৰীৰ মানসিক তথা পাৰিবাৰিক জীবনৰ কাহিনী। শাশ্বত ভাব আৰু বাস্তৱ লৌকিক চিত্ৰই গীতবোৰৰ মাধুৰ্য প্ৰকাশ কৰিছে। এই মাধুৰ্য আৰু মনোৰম প্ৰকাশভঙ্গিয়ে গীতবোৰৰ প্ৰধান ৰস আৰু সঞ্জীবনী।' মুঠতে গোৱালপৰীয়া লোকগীত গোৱালপাৰা প্ৰতিবিম্বিত দাপোনহে এখনি। এই দাপোনত গোৱালপাৰাৰ নৈ-নলা, পাহাৰ-পৰ্বত প্ৰতিভাত ; জীৱ-জগত,

উদ্ভিদ জগত উদ্ভাসিত আবাল-বৃদ্ধ বণিতাৰ হাঁহোন-কান্দোন : পুৰুষ-নাৰীৰ শিল্প-জ্ঞান কলাবোধ প্রতিবিম্বিত হৈছে। গীতবোৰত সাৰুৱা মাটিৰ জীয়া উম, শস্য-শ্যামলা ধাননিৰ বংবহন আৰু ছয় ঋতুৰ আশা নিৰাশাৰ বহন সনা, মনোলোভা পৰিবেশ আছে। সেই পৰিবেশ ঠেলি ওলাই আহিছে চৰাই-চিৰিকতিৰ কূজন হাতী-মহৰ চিঞৰ, গাই-গৰুৰ হেম্বেলনী। এই লোকগীত দাপোনত মানবীয় প্রেম-প্রীতি, প্রকৃতি প্রেম ভাগবত প্রেম উপাস্যজনৰ পূজা উপাসনাৰ স্বাভাবিক বর্ণনা প্রতিফলিত ; নাইয়া, মাহুত, মইষাল আৰু ঘটক, দেবানী, দোৱাৰী জীবনৰ নানা চিত্র-বিচিত্র জীবন চিত্র প্রকাশ হৈছে, অভাব অভিযোগ অর্থনৈতিক, প্রাকৃতিক বিপর্যয়ৰ চাপ আছে ; বিৰহিণীৰ ক্রন্দন, বিৰহৰ হা-হুমুনিয়াহ আৰু প্রোষিতভর্তৃৰ বিষাদ-বেদনা আছে। এইয়াই গোৱালপৰীয়া লোকগীতৰ বিষয়বস্তু।

৬। খ। ২। প্রতীক আৰু প্রকৃতি ঃ

প্রতীক প্রধান নহলেও গোৱালপৰীয়া লোকগীতত প্রতীক প্রয়োগেৰে গীতৰ ভাব মুক্ত গতিত প্রকাশ কৰা দেখা যায়।

"দিনে দিনে খসিয়া পৰিবে
বঙ্গিলা দালানেৰ মাটি ॥"

ইয়াত 'বঙ্গিলা দালান'ক মানুহৰ বিনাশী আৰু ক্ষণস্থায়ী দেহৰ প্রতীক হিচাবে ব্যবহাৰ কৰা হৈছে। জীৱ বিষয়-বাসনা আৰু জীৱৰ জীবনৰ বন্ধনক তলৰ গীতটিত বগা. পুঠিমাছ আৰু ফান্দ প্রতীকেৰে প্রকাশ কৰা হৈছে।

"ফান্দ বসাইছে ফান্দি ভায়াবে
ওৰে পুঠি মাছ দিয়া।
পুঠি মাছেৰ লোভে বগা
পৰে উবাল (উবাও) দিয়াবে ॥"

প্রতীকৰ সহায়ত দেহতত্ত্ব কথা প্রকাশ কৰাৰ দৰে ইয়াৰ সহায়ত প্রিয়জনৰ সংবাদ প্রকাশ কৰা দেখা যায়।

'নাকান্দিস নাকান্দিসবে ভেলোৱা
ৰাত্রি নিশা কালে,
তোৰ ভেলোৱাৰ কান্দোন শুনিয়া
মন নাৱয় ঘৰে ৰে।'

প্ৰকৃতি আৰু কাৱ্যৰ সম্বন্ধ ওতঃপ্ৰোত। প্ৰকৃতিৰ দুটা ৰূপ : সৃষ্টিশীল, মহীয়সী, স্নেহশীলা মাতৃৰূপ আৰু ধ্বংসকাৰী, ভয়ঙ্কৰ, নিষ্ঠুৰা, ৰণচণ্ডীৰূপ। গোৱালপৰীয়া লোকগীতত দুয়োটি ৰূপৰ প্ৰকাশ থাকিলেও আনন্দময়ী ৰূপেই প্ৰাধান্য লাভ কৰিছে। গীতত খৰাং বতৰৰ উত্তপ্ত পৰিবেশৰ বৰ্ণনা আছে। মানুহে শুকান পৃথিবীক জীপাল কৰিবলৈ প্ৰকৃতিৰ হুদুম চৰাই ধৰি আনি 'হুদুম দেউ'ৰ পূজা পাতিছে। জলাধিপতি বৰুণদেৱ বহু দূৰত। দূৰৰ দেৱতাক দূৰতে থৈ লোক বিশ্বাসমতে 'হুদুমদেউ'ক পূজাৰে ৰৱযুণৰ বাৰে আইসকাল প্ৰাৰ্থনা জনায়। গীতবোৰত বৰ্ষাৰ প্ৰকৃতিৰ তাণ্ডৱ-নৃত্যৰ বৰ্ণনা আছে আৰু আছে বাৰিষাৰ বন্যাই গাওঁ-ভূঁই, গৰু-মানুহ, ঘৰ-দুৱাৰ উটুৱাই নিয়াৰ বৰ্ণনা :

'বানেৰ জলত ভাসিযা গেইছে
পুৰাণ কালেৰ নাও।
গাওঁ ভাসিল খেত ভাসিল
আৰো ভাসিল গাওঁ,
ছাগল গৰু সোগে ভাসিল
আৰো ভাসিল গাওঁ
ওৰে ভাসিয়া নিলু মোৰ
বাইগনতলি গাওঁ।'

এইয়াই নহয়, গীতবোৰত ধুমুহা তুফান, ভূঁইকঁপ শিলাবৃষ্টিৰ ভয়াবহ ৰূপ আৰু ভয়াবহতাৰ বৰ্ণনাও আছে। বিষাক্ত সাপ আৰু হিংস্ৰ বাঘৰ ভয়াবহতা আৰু সেই ভয় দূৰ কৰিবলৈ কৰা ক্ৰমে মনসা পূজা আৰু সোণাৰায় পূজাৰ বৰ্ণনাও আছে। কিন্তু প্ৰকৃতিৰ আনটি ৰূপৰ বৰ্ণনাতেই বেছি উজ্জলতৰ হৈ প্ৰকাশ পাইছে।

মানুহ প্ৰকৃতজ্ঞ। মানুহে প্ৰকৃতিৰ পৰা আঁতৰি আহিব বিচাৰিলেও প্ৰকৃতিত প্ৰকৃতিক বাদ দি চলিব নোৱাৰে। মানুহৰ প্ৰকৃতিৰ লগত নিবিড় সম্বন্ধ আছে। সেয়ে মানুহৰ কথা আৰু সুৰত প্ৰকৃতি বিৰাজমান। লোকগীতবোৰত চন্দ্ৰ-সূৰ্য, ভ'ৰা-ভ'ৰালি, মেঘ-মেঘালীৰপৰা আৰম্ভ কৰি নৈ নলা, পাহাৰ-পৰ্বত, মাছ-মগৰ, চৰাই চিৰিকতি, জীৱ-জন্তু সকলোটিয়ে স্থান পাইছে। কাব্যত প্ৰকৃতিক দুইটি দৃষ্টিকোণৰ পৰা ব্যবহাৰ কৰে। প্ৰথমতে সাহিত্যৰ জেউতি চৰাবলৈ আৰু

দ্বিতীয়তে মানুহৰ অনুভৱৰ ভাবানুভূতি প্ৰকাশৰ অৱলম্বন হিচাবে। গোৱালপৰীয়া লোকগীতত এই দুয়ো প্ৰকাৰৰ প্ৰকৃতিৰ ব্যবহাৰ দেখিব পোৱা যায়। প্ৰকৃতিয়ে মানৱ প্ৰাণত মৌলিক চিন্তা সৃষ্টিৰ আদি কাৰণ আৰু সেই অব ক্ত চিন্তাক বাঙ্‌ময় কৰি তুলাৰ প্ৰধান হেতু। সেয়ে আকাশেৰে উৰি যোৱা বগলিৰ জাক দেখি প্ৰোষিতভর্তৃ বিৰহিনী নাৰীৰ অন্তৰত প্ৰবাসী স্বামীৰ স্মৃতি-ছবি ভাহি উঠিছে আৰু সেই চিন্তাই 'ও কি বগলিৰে, জাকে জাকে উৰি যাওঁৰে উজানী দেশেৰ জন্ম দিছে। উপমাৰ জৰিয়তে প্ৰকৃতিৰ সৰ্ব সত্তাক লোকগীতৰ মাজলৈ টানি অনা হৈছে। 'আকাশতে নাইৰে চন্দ্ৰ, তাৰা কেমনে জ্বলে'ত আৰম্ভ কৰি 'ভাসিনু সাগৰৰ জলে'ত শেষ কৰোঁতে আকাশৰ পৰা সাগৰলৈকে প্ৰকৃতিৰ সৰু-বৰ এনে এটি বিষয় বাদ পৰি যোৱা নাই যিটো নেকি মানৱ প্ৰাণৰ ভাব প্ৰকাশৰ মনোৰম উপমান বাহক স্বৰূপে ব্যবহাৰ কৰা নাই। তলৰ গীতৰ কলি দুটিলৈ মন কৰক :

'বালু টিল টিল পত্নী কান্দে
বালুতে পৰিয়া,
ভৰ যুবতী নাৰী কান্দে ও
পালঙ্কে শুতিয়াৰে ৰে ॥'

'লোকে যেমন ময়নাৰ পোষে
পিঞ্জৰা ভৰিয়া,
ঐমতন নাৰীৰ যৈবন
ৰাখিছোং বান্ধিয়াৰে ॥'

গোৱালপৰীয়া লোকগীতৰ প্ৰকৃতি মূক বধিৰ নহয়, সজীব, সপ্ৰাণ, বাঙ্ময়। গীতৰ মাজতেই চৰাই চিৰিকতিৰ ৰাও, কুলি-কেতেকীৰ কুজন শুনিব পোৱা যায়। :

'আমেৰ গাছে কোকিল পৰে
কুহু কুহু ৰাও কাঢ়ে
'কুকিলাৰে কুহু কুহু মধুৰেৰ পেখম।'

আকৌ চাওঁক :

'জলেৰ কোড়াৰে
নাকান্দিস নাকান্দিস কোড়া
শোন দুপৰ সমে ॥
আৰ কোড়ায় কান্দে 'ডুক'

মনত নাই মোৰ সুখৰে,
কোঢ়াৰে তোৰ কান্দোনে
দুই আখি মোৰ ঝৰে[২] ৰে ॥
আৰ কোঢ়া কান্দে কুড়ী কান্দে
কান্দে বালি-হাঁস[৩],
ওৰে বনৰ হৰিণী কান্দে
ফেলেয়া মুখৰ ঘাসৰে ॥
ওৰে কোঢ়া কান্দে কুড়ী কান্দে
কান্দে বালি হাঁস,
ওৰে ডাউকীৰ[৪] কান্দোনে আই মুই
ছাৰিনু বাবাৰ দেশ ৰে ॥

এই উদাহৰণবোৰ সম্মুখত ৰাখি কোৱা যায় যে গোৱালপৰীয়া লোকগীতত প্ৰকৃতিপ্ৰাণ আৰু মানবপ্ৰাণৰ মাজত একাত্মবোধ স্থাপন কৰাৰ এটি প্ৰয়াস আছে। কিয়নো প্ৰকৃতিপ্ৰাণৰ কথা মানবপ্ৰাণেৰে আৰু মানবপ্ৰাণৰ সংবাদ প্ৰকৃতিপ্ৰাণেৰে ব্যক্ত কৰাৰ নমুনা গীতবোৰত পোৱা যায়। চহা গীতিকাৰৰ প্ৰকৃতিৰ এনে ৰূপ দান সঁচাকৈয়ে অপূৰ্ব আৰু বাস্তবত বখানিব লগীয়া।

৬। খ। ৩। বস-অলঙ্কাৰ-ছন্দ ঃ

"ও প্ৰাণ কুকিলা[১] ৰে,
যখন কুকিলা মুই আগিন[২] চামটং[৩]
তোৰ কুকিলাৰ মুই কান্দোন শোনং
ওৰে হাতেৰ বান্নি মাটিত থুইয়া বসিয়া ভাবোং।
ও প্ৰাণ কুকিলাৰে,
যখন কুকিলা মুই বাৰা[৪] বানোং,
তোৰ কুকিলা মুই কান্দোন শোনং,
হাতেৰ গাইন[৫] মাটিত থুইয়া বসিয়া ভাবোং ॥

১। এবিধ চৰাই, স্ত্ৰীলিংগ কুড়ী। ২। চকুপানী ওলোৱা। ৩+৪। একো জাতিৰ চৰাই।
১। কুলি চৰাই, ২। চোতাল ৩। সাৰা ৪। ধান বন্ধা। ৫। উৰলত ধান বন্ধা মাৰি। কামৰূপত উৰল গাঞ্জন তামোল থুওতে ব্যবহাৰ কৰে।

কোনোবা বিৰহিণীৰ বিৰহ বেদনাৰে কোমল অন্তৰ ভাৰাক্ৰান্ত-গীতাংশৰ সুৰময় ঝংকাৰত তাৰেই প্ৰকাশ। তেওঁৰ প্ৰিয় কাষত নাই। 'কুকিলাৰ ৰাওঁত বসন্তকালৰ আগমন বুজাইছে। বসন্তকালত প্ৰিয়জনৰ কথা মনত পৰি অন্তৰ পুৰিছে। কুলি চৰাই অভিলাষী বসন্তৰ নিচিনাকৈ প্ৰিয় অভিলাষী নাৰীপ্ৰাণ প্ৰিয়জনক কাষতে পাবলৈ উদ্‌গ্ৰীব। কিন্তু পোৱা নাই। সেয়ে প্ৰিয়ক 'প্ৰাণ কুকিল' বুলি সম্বোধন কৰি নোপোৱাৰ বেদনাত ক্লিষ্ট মনৰ দুখ প্ৰকাশ কৰিছে। মনৰ দুখেই দেহৰো দুখ। সেয়ে অবস হাতৰ পৰা ঘৰ-চোতাল সাৰা বান্‌নী, ধান বন্ধা 'গাইন' সৰি পৰে। তেওঁৰ মন উদাস, দেহ গধুৰ লাগে। সেয়ে কাম-বন বাদ দি মাটিত লেপেটা কাৰি বহি প্ৰিয়জনৰ কথাকেই চিন্তা কৰে। প্ৰিয়-বিৰহৰ জ্বালা অতি কৰুণ। এই কাৰুণ্যক কেন্দ্ৰ কৰি কাব্যোচিত কৰুণ ৰস সৃষ্টি হৈছে।

সূক্ষ্মভাবে বিচাৰ কৰিলে গোৱালপৰীয়া লোকগীতত নব ৰসৰ প্ৰয়োগ দেখিব পোৱা যায়। হলেও কিন্তু আদি, কৰুণ, শান্ত, হাস্য আদি ৰসবহে প্ৰাধান্য স্বীকাৰ কৰিবলগীয়া। ইয়াৰ ভিতৰতো আদি আৰু কৰুণ ৰসৰ মাহাত্ম্য বিশেষভাবে মন কৰিব লগীয়া। প্ৰেমমূলক গীতবোৰ এই দুই ৰসেৰে টুপটুপীয়া। প্ৰেম, দাম্পত্য প্ৰেম, পৰকীয়া প্ৰেমৰ প্ৰতিটো গীতেই একো-একোটি ৰসভাণ্ড। ৰসোপলব্ধি এক অনুভূতিৰ বিষয়। অনুভূতিৰ ৰসনাৰেহে ইয়াৰ সোৱাদ পাব পাৰি। অনুভূতিৰ সঞ্চাৰ হয় বিষয়েৰে একাত্মবোধ স্থাপনত। সেয়ে গীতৰ অন্তর্নিহিত বিষয় আৰু ভাবানুভূতিৰে পাঠক-শ্ৰোতাৰ হৃদয় মিলি গলেহে ৰসানুভূতিৰ উপলব্ধিত হৃদয় দ্ৰবীভূত হ'ব। প্ৰেমমূলক গীতবোৰত এক নিৰবচ্ছিন্ন আদি ৰসৰ ফল্গুধাৰা প্ৰবাহিত হৈ আছে। গীতৰ ৰসানুভূতিৰে একাত্মবোধ স্থাপন কৰা জনক এই কথা কোৱাৰ প্ৰয়োজন নাই। মনৰ ভাব নুবুজা প্ৰেমিকাক উদ্দেশ্য কৰি ডেকা প্ৰেমিকে গাইছে :

'তোমৰা জানিয়াও জানলেন না
শুনিয়াও শুনলেন না
জ্বলেৰা গেইলেন মনেৰ আগুন
নিবিয়া গেইলেন না।'

প্ৰিয়-মিলনৰ আকাঙ্খাত উজাগৰী নিশা কটোৱা বিৰহিণীৰ সৌভাগ্যৰ দিন উপস্থিত। সিদিনা ৰামী ঘৰত নাই। প্ৰেমিকৰে মিলনৰ আকাঙ্খাত দেহ উত্তপ্ত, মন ৰসময়। তাই গায় :

'ঘান বন্ধু-ধন আমাৰ বাৰী
স্বামী গেইছে ফুলবাৰী,
সাৰা ৰাত্ৰি কৰো দুঃখৰ কথা।"

কোনোবা পত্‌ধানীৰ (<প্রধানী) বেটী অনামিকাৰ লগত কোনোবা মণ্ডলৰ বেটা শ্রীকান্তৰ প্রেম হৈছিল। এই প্রেম ইমান গভীৰ যে 'তিলেক দণ্ড না দেখিলে মন হয় পাগল।' কিন্তু সামাজিক সংঘাতত এনে প্রেমো লণ্ড-ভণ্ড হ'ব পাৰে। অনামিকা শ্রীকান্তৰো সেয়ে হ'ল। বেজবৰুৱাৰ ৰতনীয়ে ধনবৰৰ মৰম-চেনেহ লুটি লৈ ঘৰলৈ গ'ল। ৰতনীহীন ধনবৰৰ জীবন ব্যর্থ। প্রকৃতিৰ মহামিলনৰ লগত নিজৰ নিসঙ্গ জীবনটো বিজাই চালে। ধনবৰে জীবনৰ অর্থ বিচাৰি নেপালে। শ্রীকান্তৰো একেই দশা। সেয়ে তাৰ আৰ্ত হিয়াৰ কৰুণ বিননি ওলাই আহিল :

'ও মোৰ কন্যাৰে কন্যা,
তোৰ কন্যা পীৰিতিৰ আশে
বাপ ভাই কন্যা ছাৰিনু দেশেৰে।
কন্যাৰে মায়া নাগেয়া (লাগেয়া
ছাৰিয়া গেইলেন মোকে বে ॥'

দেহাত্মাতত্ত্বমূলক আৰু পূজা-উপাসনাৰ গীতবোৰৰ মাজত ভক্তি বা শান্ত ৰসৰ ওক গম্ভীৰ মণ্ডাকিনী ধাৰা লক্ষ্যণীয়।

"বৈৰাগী না হইয়ো বাছা
সৈন্যাসী না হইয়ো
ঘৰে বসে কৃষ্ণৰ নামটি
বাছা মায়েৰে শুনাইয়ো।"
"বাল্য কাল গেল খেলিতে খেলিতে,
যৈবন কাল গেল বঙ্গ ৰসে।
বৃদ্ধ কাল গেল ভাবিতে চিন্তিতে,
ঐনা হৰি ভজিবি কোন দিনে ?"

সৰল, বুদ্ধিনিষ্ঠ আৰু ব্যঙ্গ—এই তিনি ভঙ্গিমাৰে গীতবোৰত হাস্যৰস সৃষ্টি কৰা হৈছে। হাস্যৰসৰ আঁৰত সমাজ সংস্কাৰৰ মনোভাব থকাৰো উমান পোৱা যায়। তলৰ গীতটিলৈ লক্ষ্য কৰিলেই চহা কবিৰ হাস্যৰসৰ উৎস, ৰস সৃষ্টিৰ প্রক্রিয়া আৰু হাস্যৰ আঁৰত থকা উদ্দেশ্যৰ কথা সহজতে ওলাই পৰে।

বুঢ়া হৰিৰ নামেৰ মালা জপে
একাদশী ব্রত পালে
ঐ বুঢ়াটায় বিদুৱা[১] নিবাৰ চায় ॥
উৱাৰ[২] বাপ, জেঠো, খুবায় কয়,
বিদুৱা নিয়াৰ হবাৰ নয় ;
বিদুৱা নিলে লোকে বয়া কয় ॥
উৱাৰ বৰ বেটায় শুনিয়া কয়,
বিদুৱা নিয়াৰ হবাৰ নয়,
ঐ বিদুৱা মোৰে নেওৱা খায় ॥
আৰে একটা বিদুৱা ধৰি,
বাপ-বেটায় কাৰা কাৰি,
এগ্‌লান্‌তা[৩] কেমন কথা হয় ॥

গীতটিত এখন গৃহস্থালিৰ দুখ আৰু হাঁহিৰে মিশ্রিত এটি আমোদজনক কিন্তু বেদনাদায়ক চিত্র প্রকাশ পাইছে। গীতটিৰ নায়ক হ'ল এজন বুঢ়া। তেওঁৰ দেউতাক, জেঠায়েক আৰু খুবাকো বাচি আছে। বুঢ়াৰ পুতেকো বিবাহ উপযুক্ত। বুঢ়াৰ বৃদ্ধ কাল। তেওঁ বৈষ্ণব ধর্মত দীক্ষিত আৰু মালা জপ কৰে আৰু একাদশী আদি ব্রত পালন কৰে। বৃদ্ধ, সদাচাৰী, বৈষ্ণব হিচাবে তেওঁ ইন্দ্রিয়-বিপুৰ তাড়নাৰ উর্ধত। কিন্তু 'ঐ বুঢ়াটায় বিদুৱা নিবাৰ চায়।' —এই কথাষাৰে বুঢ়াৰ প্রতি থকা উচ্চ ধাৰণা ধ্বংস কৰি দিয়ে। তেওঁৰ জৰা-বার্ধক্যৰ, ব্রত, নাম জপ আদি ভণ্ডামি আৰু শঠ প্রবঞ্চকৰ বৈষ্ণব-নামাবলী বুলি ধাৰণা জন্মায়।

সি যি কি নহওঁক, বুঢ়াৰ আত্মীয়সকলে বুঢ়াক বিধবা নিয়াৰপৰা বিৰত থাকিবলৈ ক'লে। এনে কথাত উৎসাহিত হৈ বুঢ়াৰ ডাঙৰ ল'ৰাটোৱে মনৰ ভাব প্রকাশ কৰি ক'লে, 'ঐ বিদুৱা মোৰে নেওৱা খায়।' এজনী বিধবাক লৈ পিতা-পুত্রৰ মাজত হোৱা দুখ আৰু পুতৌজনক বাদানুবাদত কাৰ বাক হাঁহি নুঠাকৈ থাকিব ?

চহা গীতিকাৰসকলে গীতবোৰত ব্যবহাৰ কৰা অলঙ্কাৰৰ কথাও মন কৰিব-লগীয়া। গীতবোৰ উপমা প্রধান।

১। বিধবা, ২। তাৰ মা তেওঁৰ, ৩। এইবোৰ : এ=এই, ল্লান=বোৰে, ন্তা=নো

'আকাশতে নাইবে চন্দ্র
তাৰা কেমনে জ্বলে,
যেৱা নাৰীৰ পুৰুষ নাই ও
তাৰ ৰূপে কি কাম কৰে।'

ইয়াত নাৰীক আকাশৰ লগত, নাৰীৰ যৌবনক তাৰকা মণ্ডলীৰ লগত আৰু স্বামীক চন্দ্রৰ লগত তুলনা কৰিছে। চন্দ্রহীন নৈশ আকাশৰ তাৰকা মণ্ডলী নিষ্প্রভ। তেনেদৰে স্বামীহীন নাৰীৰ জীবন-যৌবন, ৰূপ মাধুৰ্যৰো কোনো মূল্য নাই। গীতিকাৰসকলে আকাশ-সৰগ, চন্দ্র-সূর্য-তৰা আৰু কাব্য-পুৰাণ প্রসিদ্ধ চৰিত্রবোৰক উপমান হিচাবে ব্যবহাৰ কৰিলেও তাৰ মাত্রা কম। নিজস্ব বৈশিষ্ট্যতাবে তেওঁলোকে ওচৰৰ চিনাকি আৰু ঘৰুৱা বস্তুবোৰক গীতৰ বিষয় বস্তুৰ বিভিন্ন দিশৰ প্রকাশক্ষম উপমান হিচাবে ব্যবহাৰ কৰি গীতবোৰ মানৰ প্রাণৰ ওচৰ চপাই আনিছে। কিছুমান অতি সাধাৰণ বস্তুক কাব্যিক সৌন্দর্যপূর্ণকৈ এনেভাবে উপমান হিচাবে ব্যবহাৰ কৰিছে যে সেইবোৰ জনাৰ পিছত বিস্মিত নহৈ নোৱাৰি। যেনে :

১। নাৰীৰ যৈবন পাণেৰ বোটা[১]
ৰাখিম কত কাল।

২। ছোট ৰাণী গর্ভধাৰী,
চাৰি ৰাণী হইলে বৈৰী,
উকুণ[২] হইলে যেমন নখে তুলি মাৰে।

৩। দুই স্তন দেখো যেন আৱো ধুতুৰাৰ ফুল।
'যখন উঠে মোৰ প্রেম জ্বালা
চাপিয়া ধৰোং কলসিৰ গলা।'

গাভৰু বয়সত যৌবনে উদুলি মুদুলি দি ধৰা দেহত সৃষ্টি হোৱা প্রেমজ্বালা উপশম কৰিবলৈ, প্রেমোন্মত্ত শৰীৰক যুবক প্রেমিকে হেঁচি ধৰিব লাগে। কিন্তু দুর্ভাগ্য যে এইজনী যুবতীৰ প্রেমিক নাই। সেয়ে পানী আনিবলৈ যোৱা পিতলৰ কঠিন কলহটোকে তাই হেঁচি ধৰিছে নিজৰ দেহৰ অনুপশমনীয় প্রেমজ্বালা উপশম কৰিবলৈ। উপমা প্রয়োগৰ ক্ষেত্রত গীতিকাৰসকলৰ বুদ্ধি-বৃত্তি, পর্যবেক্ষণশীল দৃষ্টি আৰু অনুভূতিৰ বিচক্ষণতাই কিছুমান ক্ষেত্রত সুদক্ষ কবি-সাহিত্যিকৰ পর্যায়লৈ উন্নিত হৈছে। এই ক্ষেত্রত চহা কৰিয়ে পূবাল, পশ্চিমা আৰু দক্ষিণা বতাহৰ

১। বৃন্ত>বোটা, থাবি। ২। ওকণি।

বিষয় দিয়া বৰ্ণনা বৰ প্ৰণিধানযোগ্য। পশ্চিমা বতাহ ধ্বংসৰ কাৰণ। সেয়ে প্ৰচণ্ড পচোৱা বতাহৰ কথা কবলৈ গৈ বিখ্যাত ইংৰাজ কবি ছেলিয়ে কৈছে :

"O wild west wind,
Thou breath of Autumn's being,
Thou from whose unseen
Presence the leaves dead
Are driven, like ghosts
from an enchanter fleeing.

পূবাল বতাহ ধ্বংস কাৰণ নহয়, ইয়াত ভয়াবহতাও নাই। ই দেহ বৰ্ধনক আৰু দৈহিক আনন্দৰ কাৰণ। সেয়ে চহা গীতিকাৰে কৈছে, "যৈবন ঢোলে মোৰ পূবাল বাতাসে।" কিন্তু পশ্চিমা বতাহে কি কৰিছে চাওঁক :

"পূবাল বাতাসে পচিয়া বাতাসে
আই মোৰ উবাল মাথাৰ কাপোৰ
মুখ দেখিল ভাগুৰে ॥"

ভাই শহুৰেকে ভাই বোৱাৰীৰ মুখ দেখাটো সামাজিক বিধি মতে দোষণীয়। কিন্তু এই দুষ্ট পইছা (<পশ্চিমা > পচিআ > পইছা) বতাহ বৈ আহি ভাই বোৱাৰীয়েকৰ ঘুমুটা (ওৰণি) উৰাই লৈ যোৱাত তেওঁৰ মুখমণ্ডল ব্যক্ত হৈ পৰিল আৰু ভাই শহুৰেকে মুখখন দেখিলে। পশ্চিমা বতাহৰ বাবেহে এনে কাম হ'ল। কিন্তু দক্ষিণা বতাহ হ'ল মলয়া বতাহ। ই মনৰ প্ৰশান্তি আৰু আনন্দৰ কাৰণ। এই বতাহ মানুহৰ মনত প্ৰেম প্ৰীতিৰ সৃষ্টিৰ কাৰণ। সেয়ে দক্ষিণা বতাহৰ প্ৰভাবত প্ৰাণত হোৱা আনন্দোচ্ছ্বাসৰ সংবাদ দিছে এনেদৰে :

"আজি কিবে মজাৰ দক্ষিণা হাওৱা
বাইৰা খোলানে[১]।
ও মোৰ কলিজা জ্বলে
হায় বে হায় দক্ষিণা বাতাসে।"

গীতৰ সৌন্দৰ্যৰ কথা নকওঁতেই উপমাবোৰ বাদ দিলে কিমান গীতৰ অস্তিত্বই হেৰাই যাব যেন লাগে। যেনে :

আৰে ও প্ৰাণনাথ আইসো।
আইসোহে প্ৰাণনাথ বইসো ॥

১। আগচোভাল, পথাৰত ধান, মাহ, সবিয়হৰ মৰাণ মাখিথলৈ তৈয়াৰ কৰা চোভাল।

গঙ্গাধৰৰ যেমন ধু ধু বে বালা[১]।
পীৰিত কৰ্‌লাম বন্ধু গলাৰ মালা॥
গঙ্গাধৰৰ যেমন চিট্‌কাৰে[২] মাটি।
পীৰিত কৰ্‌লাম বন্ধু গলাৰ কাটি[৩]॥
শ্বেউৰাৰ[৪] গাছে যেমন ঘুগুৰে[৫] ভাসা।
দুৰৈৰ বন্ধুৰ আমাৰ কিসৰ আশা॥
ৰৰাইৰ[৬] গাছে যেমন আলোক নতা[৭]।
দুৰৈৰ বন্ধুৰ সঙ্গে কিসৰ কথা॥
কলাৰ গাছে যেমন বাদুৰ[৮] ঢোলে।
ঐ মতন ঢুলিম মুই বন্ধুৰ গলে॥

লোকগীতত ছন্দৰ বৈচিত্ৰতা আছে, কিন্তু ই ছন্দ শাস্ত্ৰৰ নিয়মৰ মাজত আবদ্ধ নেথাকে। কাৰণ গীতৰ সুৰে ছন্দৰ হীন-দেৰি পুৰাই যায়। পয়াৰ, ত্ৰিপদী আদি ছন্দৰ প্ৰয়োগ গীতবোৰত আছে।

১। পয়াৰ : হায়ৰে পিতলৰ কলস।
তোক নিয়া যাবো যমুনায়॥
যমুনাৰ জল দেখিতে কালো।
জল ভৰিতে লাগে ভালো॥
যখন উঠে মোৰ প্ৰেম জ্বালা।
চাপিয়া ধৰোং কলসিৰ গলা॥
যখন উঠে মোৰ প্ৰেম জ্বালা।
কলসিৰ জলে দেখোং যৈবনেৰ ছায়া॥
হায়ৰে পিতলেৰ কলস।
তোক নিয়া যাবো যমুনায়॥

২। দুলড়ী : দাঁত না ভাগিল চুল না পকিল
যৈবন হয়া গেল ভাটী।
(ওৰে) দেখিতে দেখিতে খসিয়া পৰিব
বঙ্গিলা দালানেৰ মাটি॥

১। বগা বালি ২। আলতীয়া মাটি, আঠা মাটি, কাম : আঠলা, আইঠলা মাটি। ৩। মালা ৪। এবিধ জোপোহা গছ। ৫। কপৌ চবাই, কাম : কপ্‌ভি, কপোভি। ৬। বগৰী, ৭। ঝুমুলা ৮। বাদুলী।

৬। খ। ৪। প্রকাশভঙ্গি ঃ

গোৱালপৰীয়া লোকগীতৰ এক নিজস্ব প্রকাশভঙ্গি আছে আৰু ই ভাব ব্যঞ্জিত ও মধুৰ। 'মানৱ দেহ মাটিৰ ভাণ্ড ভাঙিলে হইবে খণ্ডৰে খণ্ড।' —এই সৰু কথা-খিনিয়ে বেদান্ত ও গীতা-ভাগবতৰ তত্ত্ব গধুৰ মৰ্ম কথা প্রকাশ কৰিছে। 'বটবৃক্ষেৰ ছায়া যেমন ৰে, তোৰ বন্ধুৰ মায়া তেমন ৰে।' গীতৰ শাৰী দুটিয়ে সুদক্ষ পণ্ডিতৰ 'কুপোদকং বটচ্ছায়া নাৰীনাঞ্চ পয়োধৰা। শীতকালে ভবেদুষ্ণমুষ্ণ কালে চ শীতলম॥' কথাষাৰ মনত পেলাই দিয়ে। কিন্তু চহা গীতিকাৰৰ বটবৃক্ষৰ ছায়াক প্রেমিকৰ মায়া-মমতাৰ লগত তুলনা কৰাটোত স্বকীয়তা প্রকাশ পোৱাৰ উপৰি প্রকাশভঙ্গিয়ে মাধুৰ্য লাভ কৰিছে। অশ্লীলতাক শ্লীলতাৰ আৱেসেৰে প্রকাশ কৰাত এই গীতযোৰ অতুলনীয় বুলি ক'ব পাৰি।

'দাদ' আমাৰ নাইৰে বাৰীত,
মশাৰী[১] কেনে ডোলে।
আইসোক[২] দাদা কয়া দিম,
পৰাই বসত কৰে ৰে।'

গীত ফাঁকিৰ বচকে আচল কথা একো কোৱা নাই। কৈছে কেবল পৰিবেশৰ কথা: কিন্তু তেওঁ ক'বলৈ একো বাকী থোৱাও নাই। ঘৰৰ ভিতৰত, বিছনাৰ ওপৰত, আঠুৰাৰ তলত কি হৈছে সেইটো ভনীয়েকজনীয়ে চকুৰে নেদেখিলেও পৰিবেশৰ পৰাই জানিছে, বুজিছে। গীতৰ শ্রোতাইয়ো একো নেজানিও সকলো জানিছে, একো নেদেখিও মানস চকুৰে সকলো দেখিছে। আন এটি গীতলৈ চাওক ঃ

'কেশকোনা[৩] তোৰ আউলা ঝাউলা,
ও বৌদি পিঠিত কেনে মাটি ?'

আউল-ঝাউল চুলি আৰু পিঠিত লাগি থকা মাটি দেখি দেৱৰেকৰ সন্দেহ, সংশয়। পিছত 'ধুস্রাত অগ্নিবত' সত্য উদ্ঘাটন কৰি তেওঁ কলে ঃ

'কোন বসিয়াই বস কৰিছে,
ছিবছে গলাৰ কাট্টি ভাউজী[৪] ও ?

উদাহৰণ আৰু উদ্ধৃতিৰ সংখ্যা নবঢ়াই আমি ক'ব খোজো যে এনে ভাব প্রকাশ ভঙ্গিমা "কল্পনাৰ প্রাচুর্য নিবন্ধৰ চহাগীতিকাৰৰ বুলি ভাব নহয়। কিন্তু তেওঁলোক নিবন্ধৰ হলেও ভাব আৰু কল্পনাৰ ক্ষেত্রত, বস আৰু সৌন্দর্যবোধত, গঠন আৰু

১। আঠুৱা ২। আহোঁক ৩। চুলিকোছা—কেচা-চুলি, কোনা-চোৱা,
৪। ভাতৃজায়া > ভাউজী—নবৌ, বৌ।

প্রকাশভঙ্গীৰ লালিত্যত চহা নহয়, অতি দক্ষ, চতুৰ আৰু ভাৱবিলাসী। কবি ক'লেৰিজে কৈছে :

Behold ! her bosom and half her side
A sight to dream of, not to tell.'

কবিৰ কবিতাৰ নায়িকাই অকলসৰে ৰমৰ ভিতৰত পিন্ধা কাপোৰ গুচাই দেহাবয়ৱৰ আধাফাল উন্মুক্ত কৰি দিছে। সেই দৃশ্য পাঠকৰ সম্মুখত ছন্দেৰে তুলি ধৰি সকিয়াই দিছে যে, এই দৃশ্য বাস্তৱ চকুৰে চাবলৈ নহয়—কেৱল কোমল অনুভূতিৰে চাবলৈহে আৰু চকু মুজি কল্পনা কৰিবলৈহে। আমাৰ গীতিকাৰসকলেও প্রকৃত সভ্যক ডাঠ ঢাকনিৰে আবৰি থৈছে অথচ ভাবে সেই ঢাকনি ভেদ কৰি আত্মপ্রকাশ কৰিছে, উন্মুক্ত হৈছে। প্রকৃতিৰ ঘনঘোৰ ৰহস্যৰ দৰে সকলোখিনি সাথৰ। কিন্তু বিশাল আকাশ সকলোৰে বাবে উন্মুক্ত আৰু পৰিদৃশ্যমান হোৱাৰ দৰে গীতবোৰৰ অন্তর্নিহিত ভাৱো সকলোৰে বাবে ব্যক্ত, উন্মুক্ত। এই কল্পনা, কল্পনাৰ আঁৰত থকা অনুভূতি আৰু সেইবোৰৰ ৰসভঙ্গহীন প্রকাশভঙ্গিমাত সুদক্ষ কবিৰ কবি প্রতিভাৰে এই গীতবোৰ সমুজ্জ্বল।

এই সকলোখিনি কথা সম্মুখত ৰাখি গোৱালপৰীয়া লোকগীতৰ লোক সাহিত্য হিচাবে এটি উচ্চমান বিশিষ্ট কাব্যিক সৌন্দর্য থকা বুলি দ্বিধাহীনভাবে ক'ব পাৰি। পাঠকে লোক জীবনেৰে নিজৰ মন প্রাণক গাঁঠি লৈ এই সৌন্দর্যলৈ চালেহে ইয়াৰ কমণীয়, ৰমণীয়, মোহনীয় ৰূপ দেখিব ৰস আস্বাদন কৰিব পাৰিব। অন্যথাই অপাৰেচনত ডুবলৈ নাৰীৰ অপৰূপ সৌন্দর্য-বৈভৱৰ, বৈজ্ঞানিকলৈ বিজ্ঞানাগাৰত পৰীক্ষিত মনোমোহা ফুলৰ সৌন্দর্যৰ নিচিনাকৈ গীত-বোৰৰ সৌন্দর্যও নষ্ট হৈ যাব।

৬। গ। গোৱালপৰীয়া লোকগীতৰ চৰিত্র :

গোৱালপৰীয়া লোকগীতৰ এক বৈশিষ্ট্যপূর্ণ বিশেষত্ব হ'ল সমাজৰ সকলো শ্রেণীৰ মানুহৰ প্রতিনিধিত্ব কৰিব পৰা প্রতিভূ চৰিত্রৰ চিত্রন। কামৰূপী লোক-গীতৰ উপজীব্য কেন্দ্রস্থ চৰিত্র হ'ল কৃষ্ণ-ৰাম। সমাজৰ সাধাৰণ চৰিত্রক কেন্দ্র কৰি কামৰূপী লোকগীত ৰচিত হলেও তাৰ সংখ্যা নিচেই তাকৰ। পুৰাণ, কাব্য-মহাকাব্যৰ দেৱ-দেৱী আৰু প্রসিদ্ধ ৰজা-মহাৰজাৰ চৰিত্রবোৰে কামৰূপী লোকগীতৰ বিষয়বস্তু অধিকাৰ কৰি থকাৰ পৰা এনে অনুমান নহৈ নেথাকে

যে শ্ৰীমন্ত শঙ্কৰ-মাধৱ প্ৰচাৰিত ধৰ্মৰ প্ৰভাৱেৰে গীতবোৰ সম্পূৰ্ণকৈ প্ৰভাৱান্বিত আৰু পৰিপুষ্ট। তদুপৰি গুৰু দুজনাৰ ভাব-ভাষাৰ সম্পূৰ্ণ অনুৰণনেৰে এইবোৰ গীত ধ্বনিত প্ৰতিধ্বনিত। এনে চৰিত্ৰ আৰু ভাব যুক্ত হোৱা বাবে গীতবোৰে ৰচকসকলৰ ব্যক্তিগত বা সামাজিক জীবনৰ কোনো কথাৰ উমান নিদি কাব্য-পুৰাণৰ ভিতৰুৱা কথাহে আমাক জনায়। ফলত গীতবোৰ জনজীবনৰ নহৈ কাব্য-পুৰাণৰ ভিতৰুৱা সমাজৰহে দাপোন হৈ পৰিছে। বৰ্তমান আকাশ বাণীৰ পৰা প্ৰচাৰিত কামৰূপী লোকগীতবোৰতো কেবল মাত্ৰ কীৰ্ত্তন-ভাগবত বা তেনে কোনো পদ-পুথিৰ পদহে মাথোন। এইবোৰ কথা বিবেচনা কৰি এই শ্ৰেণীৰ কামৰূপী গীতক লোকগীত নুবুলি 'ধৰ্মীয় গীত' [divine song] বুলি নামকৰণ কৰিলেহে ভাল হব।

গোৱালপৰীয়া লোকগীতত ৰাম কৃষ্ণ, দেব-দেবী নাইবা পুৰাণ প্ৰসিদ্ধ চৰিত্ৰ নাই এনে নহয়। কিন্তু সৰহ সংখ্যক চৰিত্ৰই পাৰ্থিব চৰিত্ৰ। কামৰূপী লোক-গীতৰ চৰিত্ৰবোৰ সমাজৰ নহ'ল পুৰাণ কাব্যৰ চৰিত্ৰৰহে প্ৰতিভূ চৰিত্ৰ হৈ পৰিছে। কিন্তু গোৱালপৰীয়া লোকগীতত তাৰ বিপৰীতে সমাজৰ প্ৰত্যক্ষ চৰিত্ৰবোৰক স্থান দি অনুভূতিৰ সূক্ষ্ম বিচাৰ বিবেচনালৈ উলিয়াই অনাৰ বাস্তৱধৰ্মী প্ৰয়াস দেখিবলৈ পোৱা যায়।

গোৱালপৰীয়া লোকগীতত মানৱ, দেব দেবী আৰু জীব-জন্তুৰ চৰিত্ৰৰ চিত্ৰণ দেখিব পোৱা যায়। মানুহৰ পুৰুষ চৰিত্ৰবোৰৰ যোগেদি ল'ৰা-যুৱা-বৃদ্ধ কালৰ আৰু নাৰী চৰিত্ৰৰ যোগেদি আবাল বৃদ্ধা-বণিতাৰ হুবহু চাৰিত্ৰিক চিত্ৰ জীবন্ত কৰি তুলিছে। পুৰুষ চৰিত্ৰবোৰৰ ভিতৰত ঘটক, মাহুত, ঢাকুৰা, গাড়ীয়াল, মইষাল, ফান্দি, নাইয়া, দোতৰাবাদক, স্বামী, দেৱৰ, প্ৰেমিক, দেৱানী, কৃষক, মাছুৱৈ, সোণাৰী ইত্যাদি আৰু নাৰী চৰিত্ৰবোৰৰ ভিতৰত শাহু আই, ননদ, আবো, নাতিনী, ভাউজী, প্ৰেমিকা, গায়িকা, নাচনী আৰু আন বহুতো চৰিত্ৰৰ চিত্ৰণেৰে গোটেই গোৱালপৰীয়া সমাজৰ সামাজিক চৰিত্ৰটোকেই চহা ৰচকসকলে ভাল বেয়া কোনো দিশেই লুক ঢাক নকৰাকৈ স্পষ্ট ভাবে কাব্যিক দৃষ্টিভঙ্গীসম্মত ৰূপদানেৰে উপভোগ্য কৰি উদ্ভাসিত কৰি তুলিছে।

পাঠান্তৰত আলোচিত বাস্তৱ কাৰ্য্যাকাৰ্য, ঘটন-অঘটনেৰে ঘটক আজিও জীবন্ত চৰিত্ৰ। মাহুত, নাইয়া, ফান্দি, গাড়ীয়াল, মইষাল চৰিত্ৰ কেইটি সৰু হলেও মন কৰিবলগীয়া জীবিকা নিৰ্বাহৰ বাবে ধনীৰ ঘৰত চাকৰী কৰা এই

চৰিত্ৰবোৰে মৰমৰ ঘৰখন, চেনেহী ধৈণীয়েকজনীক এৰি থৈ হাতী-ঘহুৰ পিছে পিছে হাবী-বননিয়ে দুখ কষ্টেৰে ঘুৰি ফুৰোঁতে দয়িতাৰ প্ৰাণৰ সংবাদ শুনিবলৈ পায় :

"ছোট কালে হইছে বিয়া বে
মইষাল বয়স ভাটী গেলো।
না হইলং ছাওয়াৰ মাও
মোৰ মনে ৰইলো দুখ মইষাল বে॥
* * * * *
বাথান ছাৰো বাথান ছাৰো বে
মইষাল ঘুৰিয়া আইসো বে বাৰী।
গলাৰ হাৰ বেচেয়া[১] দিম মুই
ঐ চাকেৰীৰ কড়ি[২] মইষাল বে॥"

বিয়াৰ পিছত প্ৰত্যেক নাৰীয়ে কোলাত কেচুৱা লৈ মাতৃত্বৰ গৌৰবেৰে গৌৰবান্বিত হবলৈ বিচাৰে। কিন্তু মইষাল পত্নীৰ সেই আশা আজিও অপূৰণ। অপূৰণ আশাৰ তুঁহ জুইয়ে তাইক দিনে নিশাই পুৰে। তাইৰ পকাদেহ, ভৰা যৌবনত শেলুৱৈ ধৰে। বয়স বাঢ়ি অহাৰ লগে লগে তাইৰ এই চিন্তা আৰু গভীৰ হৈ পৰে। চিন্তাই তাইৰ মন পথাৰত বেদনাৰ বীজ সিঁচি যায়। হিয়াখন তাইৰ ভাঙি পৰে দুখ যাতনাত। আই ঐ দেহী, মৰমৰ ধৈণীয়েকজনীৰ মনৰ দুখ। এই সংবাদ পাই মইষালে বাৰু ধৈর্য্য ধৰে কেনেকৈ ? সিয়ো তেজ মঙহেৰে মানুহ। মানবীয় ভাব-অনুভূতি, আশা-আকাঙ্খা তাৰো আছে। ধন নাই কিন্তু মন তাৰো আছে। মইষাল জীবনৰ বিৰুদ্ধে তাৰ মানবীয় সৰ্ব সত্ত্বা বিদ্ৰোহী হৈ উঠে। অব্যক্ত বেদনাত তাৰ মনটোৱে গুজৰি গুমৰি কান্দে। গভীৰ নিশাৰ নিবিড় নিৰ্জনতাত বহি কপালত হাত থৈ সি ভাবে। এফালে বনৰ যাতনা আনফালে মনৰ যাতনা। অতীষ্ঠ হৈ মইষালৰ মন চাকৰীৰ প্ৰতি বিদ্ৰোহী হৈ পৰে। কিন্তু জীবিকা নিৰ্বাহৰ কথা ভাবি মনৰ বিদ্ৰোহ মনতেই জয় পৰি শেষ হয়। সেয়ে নেকি পণ্ডিতে লিখিছে : 'উত্থায় হৃদি লীয়ন্তে দৰিদ্ৰানাং মনোৰথাঃ'। একে দশাই হয় আনৰ ঘৰত চাকৰী কৰা মাহুত, নাইয়া, গাড়ীয়াল আদি চৰিত্ৰ-বোৰৰ। আশা-নিৰাশাৰ অলেখ ভাবনা বুকুত সাৰতি লৈ এইবোৰ চৰিত্ৰই গতানু-গতিক জীবনকেই বিধিৰ লিখন ভাবি আগ বাঢ়ে। এইয়াইতো মাহুত, মইষাল,

১। বিক্ৰি কৰি, ২। টকা-পইচা।

নাইয়াগাড়ীয়াল জীবন। জীবনৰে আন এটি নাম যাতনা। জীবিকা নির্বাহৰ তাড়নাৰ মানবীয় কর্তব্যবে হোৱা দুদ্দন্ত পত্নী পৰিয়ালৰ মৰম চেনেহৰ নিচিনা মানবীয় কোমল অনুভূতিবোৰবো পৰাজয় হয়। সেয়ে কান্দি ভাগৰি এইবোৰ চৰিত্রই ডাঠ-হাবি বননিৰ গভীৰ নির্জনতাত বহি সেউজ বুলীয়া প্রকৃতিৰ চিৰ আনন্দময়ী গছ-লতিকা, চৰাই-চিৰিকতিৰে একাত্মবোধ স্থাপনৰ চেষ্টা কৰে। 'মই নিরুপায়, মই নিরুপায়' বুলি ওপৰৰ উন্মুক্ত আকাশলৈ দীর্ঘ নিশ্বাস এৰি দি, পাহৰি যাব নোৱাৰাক পাহৰি যাবলৈ চেষ্টা কৰে, আৰু চাকৰী জীবনৰ কর্ম ব্যস্ততাত নিজকেই বিভোৰ কৰি ৰাখে এইবোৰ চৰিত্রই। জীবিকা আৰু জীবন, জীবন আৰু যাতনাৰ সংবাদ পোৱা যায় ওপৰুক্ত চৰিত্র কেন্দ্রিক গীতবোৰৰ মাজত।

গীতবোৰত দোতৰা বাদক, ঢাকুৰা ঢুলীয়া, ব্রাহ্মণ-পুৰোহিতৰ উপৰিও কৃষক-সকলৰ কর্মঠ আৰু কর্ম সংগ্রামী জীবনৰ ৰূপ দান পোৱা যায়। চহা গীতিকাব-সকলে খেতিয়কসকলক আহিন কাতি মাহৰ সেউজ বুলীয়া খেতি পথাৰলৈ নি নচুৱাইছে, আঘোণ মহীয়া সোণালী ধাননিৰ মাজত থিয় কৰাই হহুৱাইছে আৰু বর্ষাৰ বান বিধস্ত খেতি পথাৰত থিয় কৰাই কন্দুৱাইছে। লোকগীতত জুৱাৰী, মদপাৰ ব্যভিচাৰী জীবনৰ কদর্যতাও প্রকাশ পাইছে।

পুৰুষ চৰিত্রৰ ভিতৰত মনোৰম চৰিত্র হ'ল প্রেমিক আৰু নাৰী চৰিত্রৰ ভিতৰত মনোৰমা হ'ল প্রেমিকা চৰিত্র। প্রেমিক চৰিত্রৰ প্রেমৰ প্রতি থকা অন্তৰৰ সুগভীৰ টান, নিজৰ জীবনকো বিলাই দিব পৰা হিয়াৰ একাগ্রতা আৰু মনৰ একনিষ্ঠতা অতিকৈ মন কৰিবলগীয়া। আনহাতে প্রেমিকা প্রেমজাত সকলোবোৰ দুখ-কষ্ট স্বীকাৰ কৰিব পৰাকৈ সহনশীলা, প্রেমৰ কাঁইটীয়া পথত নির্বিঘ্নে খোজ কাঢ়িব পৰাকৈ বুদ্ধিমতী, প্রেমৰ পথত থিয় হোৱা সকলোবোৰ সংঘাতৰ সম্মুখীন হব পৰাকৈ সাহসী, প্রেমৰ সততা আৰু শৌচতা ৰক্ষা কৰিব পৰাকৈ চৰিত্রবতী, অসাধ্য সাধন কৰিব পৰাকৈ প্রেমাভিসাৰিকা। যেই সেই লোক-গীতত এনে চৰিত্র বিৰল বুলি ক'ব পাৰি।

স্বামী, শহুৰ, দাদা, দেৱৰ আদি পুৰুষ চৰিত্রবোৰক বাস্তবতাৰ বোলেৰে বোলাই ধৰিবলগত এনেদৰে উপস্থাপন কৰিছে যে তাত সঁচা মানুহৰ প্রাণ প্রাচুর্য আছে। শাহু আই, ননদ, আইতা আদি চৰিত্রত বিশ্বজনীন চাৰিত্রিক বৈশিষ্ট্যৰ কেঁচা গোন্ধ নিহিত হৈ আছে। 'ন আনন্দয়তি যাঃ সাঃ হি নন্দ' ৰূপেৰেই গোৱালপৰীয়া লোকগীতৰ ননদজনী ৰূপায়িত। আইতা আৰু নাতি-

নাতিনীৰ মাজত থকা মধুৰ সম্বন্ধৰ কথাও ইয়াত স্পষ্টভাবে প্ৰতিভাত। আন কাৰো আগত ক'ব নোৱাৰা অথচ নকলেও নোহোৱা কথাটি নাতিনীয়েকজনীয়ে মৰমী আইতাকত ব্যক্ত কৰিছে এনেদৰে ঃ

'আৰো মোক শাৰী কিনিয়া দে
সেই শাৰী পিন্ধিয়া যাইম মুই
বন্ধুক (প্ৰেমিকক) দেখিতে ॥'

জীৱ-জন্তুৰ চৰিত্ৰৰ ৰূপদান গোৱালপৰীয়া লোকগীতৰ আন এটি বিশেষত্বপূৰ্ণ দিশ। বগলী, কুলি চৰাই, মহ, ভেলোৰা, হাতী-বলদ, কোড়া কুডী, মেকুৰী আদি জীৱ-জন্তু, চৰাই-চিৰিকতিবোৰক গীতৰ মাজলৈ টানি আনি কিছুমান ক্ষেত্ৰত মানৱীয় সুখ-দুখৰ প্ৰকাশৰ মাধ্যম হিচাবে ব্যৱহাৰ কৰিছে আৰু আন কিছুমান ক্ষেত্ৰত সিহঁতৰ নিজস্ব আচৰণ-বিচৰণৰ আভাস দি সিহঁতক বুজিবলৈ সুবিধা দিছে।

অতি মানৱীয় চৰিত্ৰবোৰৰ ভিতৰত প্ৰথমতেই নাম ল'ব পাৰি ৰাধা-কৃষ্ণৰ। গোকুল বৃন্দাবন বনচাৰী ৰাধা-কৃষ্ণৰ চৰিত্ৰৰ বিশ্লেষণত গোৱালপাৰা-গৌৰীপুৰ নগৰচাৰী, চিকণপুৰ-বিহানপুৰ গ্ৰামচাৰী বহুত ৰাধা কৃষ্ণৰ বুকুৰ সংবাদ পোৱা যায়। গোৱালপৰীয়া লোকগীতৰ কৃষ্ণ গীতাৰ ব্যাখ্যাকাৰ বা কুৰুক্ষেত্ৰৰ ৰাজনীতিবিদ নহয়। ভাগবতৰ মোক্ষদাতা কৃষ্ণৰ ৰূপ ইয়াত সম্পূৰ্ণকৈ পোৱা নেযায়। হাতত মোহন বাঁহী, মুখত মধুৰ হাঁহি চকুত প্ৰেমৰ দুষ্টালিৰে ৰাধিকাৰ মনচোৰ লোকগীতৰ শ্ৰীকৃষ্ণহে ইয়াত বৰ্তমান। তেওঁ 'শ্যাম কালীয়া'হে।

মানুহে যুগে যুগে দেব-দেবীৰ কল্পনা আৰু মানুহৰ সুখ-শান্তিৰ বাবে সেই পূজন দেব-দেবীৰ পূজন-অৰ্চন-ভজন কৰি আহিছে। এই পৰম্পৰা ৰীতিকেই ভিত্তি কৰি লক্ষ্মীদেবী, শিতলা দেবী, কাৰ্ত্তিক, ত্ৰিনাথ আদি দেব চৰিত্ৰবোৰে গোৱালপৰীয়া লোকগীতত ঠাই পাইছে। কাৰণ, পুৰাণৰ পৰা লোৱা এই চৰিত্ৰবোৰ কাব্য, পুৰাণৰ ৰূপ গঢ়, আকৃতি প্ৰকৃতিৰেই গঢ়া হলেও মাজে মাজে লোক মানসৰ কল্পনাইয়ো স্পৰ্শ কৰি নোযোৱা নহয়। মৰিবলৈ কাৰ ভয় নাই ? সুখ-শান্তিত থাকিবলৈ কোনে নিবিচাৰে ? এনেবোৰ কাৰণতে দেব-দেবীৰ পূজা পাৰ্বণ আৰু চৰিত্ৰ ব্যাখ্যান জন মানসৰ দলৈকে শিপাই গৈছে। হলেও কিন্তু এই দেব-দেবীৰ পূজা-অৰ্চনাৰ মাজত পূজাৰী-পূজাৰিণী আৰু উপাসকসকলৰ ভাৱানুভূতিৰ প্ৰকাশেৰে এইবোৰ লোকগীতত মানৱীয় দিশ এটাৰ বিকাশ সাধনৰ ঠাই এডুখুৰি উলিয়াই গীতিকাৰসকলে চৰিত্ৰ চিত্ৰণৰ এটি অসন্ত সাধাৰণ দিশ প্ৰদৰ্শন কৰিব পাৰিছে।

৬। গ। ১। গোৱালপৰীয়া লোকগীতৰ আন চাৰিটি চৰিত্ৰ ঃ

বাস্তৱ সমাজ আৰু সামাজিক জীৱনত ৰৱ ৰেন্নাকৈ অৱহেলিত আৰু অনাদৃত আন কেইটিমান চৰিত্ৰই গোৱালপৰীয়া চহা গীতিকাৰৰ ৰচনাত মানুহক গভীৰ ভাৱে আকৰ্ষণ কৰিব পৰাকৈ প্ৰাণ পাই উঠিছে। সমাজৰ দৃষ্টিৰ পৰিসীমাৰ ভিতৰত ৰসবাস আৰু বিচৰণ কৰাৰ পিছতো বাস্তৱত সামাজিক আনুভূতিক দৃষ্টি ৰহিত মাহুত, গাড়ীয়াল, নাইয়া মইষাল চৰিএকেওটি চহা গীতিকাৰৰ হৃদ্যতাপূৰ্ণ সহানুভূতিত মানুহৰ মন-প্ৰাণ হৃদয়ৰ একেবাৰে ওচৰ চাপিছে। গীতিকাৰৰ দৃষ্টি-ভঙ্গী আৰু মানসিকতাৰে এইবোৰ চৰিত্ৰৰ আলোচনা কৰা হ'ল।

১। মাহুত (মাউত) ঃ পালকাপ্য মুনিয়ে এক্ষপুত্ৰই দক্ষিণফাললৈ গতি কৰা ঠাইত আশ্ৰম পাতি থাকোঁতে বন্য হাতীক মানুহৰ বশলৈ আনি পোহ মনায়। সেই হাতী চলাবলৈ আৰু চড়াবলৈ মানুহ নিয়োগ কৰা হ'ল। সেই হাতী চালকেই হ'ল মাহুত। পূৰ্বভাৰত হাতীৰ ক্ষেত্ৰত ৰৱ প্ৰখ্যাত। মহাভাৰতৰ যুদ্ধত ভগদত্তই ৰ বহাৰ কৰা হাতী বাহিনী তাৰ নিদৰ্শন। সেই কালৰপৰা আজিলৈকে ৰজা-মহাৰজা, জমিদাৰ প্ৰতিপত্তিশালী ব্যক্তিয়ে যুদ্ধ, চিকাৰ, ৰ বসায় আৰু হাতী ধৰা কামত হাতী ৰাবহাৰ কৰি আহিছে। এনেবোৰ ক্ষেত্ৰত মাহুতে নিজ জীৱন বিপন্ন কৰিও হাতী পৰিচালনা কৰে। হাতী ধৰা কামত মুখ্য ভূমিকা লয় ফান্দিয়ে। এওঁলোক গুৰু পৰম্পৰাগতভাৱে চলি অহা প্ৰশিক্ষণ প্ৰাপ্ত ব্যক্তি। এওঁলোক গৰীৱ, কৰ্মী ও চাকৰীজীৱি। এওঁলোকৰ সামাজিক পৰিচিতি কম, চৰিত্ৰও লেখত নপৰা ধৰণৰ। সামাজিক দায়িত্ব আৰু দায়িত্ববোধৰো আঁতৰত থাকে এওঁলোক। কিন্তু গোৱালপৰীয়া চহা গীতিকাৰসকলে লোকগীতত এই নগণ্য চৰিত্ৰবোৰৰ যি ৰূপ চিত্ৰণ কৰিছে সি অনুভূতিক জাগ্ৰত কৰিব পৰাৰ জোখেৰে আবেদনশীল হৈ উঠিছে। মানৱীয় বিভিন্ন দিশ প্ৰকাশ কৰা মাহুত এক অতি মনোৰম চৰিত্ৰ। সাধাৰণ চলেও মাহুত মানুহ। মাহুতৰো মন-প্ৰাণ-হৃদয় আছে, সুখ-দুখ, আশা-নিৰাশা, প্ৰেম-প্ৰীতি আছে। এইবোৰৰ উপলব্ধি অনুভূতি আছে আৰু আছে আনুভূতিক চপলতা ও চঞ্চলতা। মাহুত জীৱনৰ এনেবোৰ কথা গীতিকাৰসকলে শিল্পীৰ চিত্ৰপটৰ দৰে আকৰ্ষণীয়কৈ প্ৰকাশ কৰিছে।

বাস্তৱ জীৱনত সাধাৰণ শিক্ষা-দীক্ষাও নথকা, হাতীৰ মালিকৰ ঘৰত কম কৰ্মহাত চাকৰি কৰি জীৱন নিৰ্বাহ কৰা সমাজৰ নিম্ন পৰ্যায়ৰ আৰু আৰ্থিকভাৱে অতি দুৰ্বল শ্ৰেণীৰ মানুহ হ'ল মাহুত। জীৱন নিৰ্বাহৰ দৰে মাহুতৰ কৰ্মও

যন্ত্রণাময়। প্রকাণ্ড আৰু দুর্দান্ত হাতী চলাই ৰাৰ-ঝাৰণি, বন-বনানি, অৰণ্য আৰু দেশ-দেশান্তৰে ঘুৰি, ৰ'দ-বতাহ-বৰষুণক আওকান কৰি নিজৰ কৰ্তব্য কৰি যাব লাগে মাহুতে। খোৱা-থকা-শোৱাৰো কোনো ঠিক নাই। মাহুত-ফান্দি-ঘাঁসিৰ ভিতৰত আকৌ বহুতৰে মাটি-ভেঁটিও নাই। আনহাতে নাৰী স্বভাৱতে বিলাসপ্রিয়। টকা-পইচা, সা-সম্পত্তি, আ-অলংকাৰ, পোছাক-পৰিচ্ছদৰ প্রতি নাৰী বৰ দুর্বল। গতিকে বাস্তবতাৰ উপৰি মানসিকতাৰ ফালৰ পৰা মাহুতৰ লগত নাৰীৰ বাহি-যোৱা নাহে। কিন্তু গোৱালপৰীয়া লোকগীতত মাহুতৰ প্রতি নাৰী-প্রাণৰ আকুতি শুনিব পোৱা যায়। বাস্তবত মাহুতৰ লগত নাৰীৰ প্রেম হোৱাটো অতি আশ্চর্যৰে কথা। কিন্তু প্রেম, 'ভালবাসা' হৈছে। গোৱালপৰীয়া লোকগীতত নাৰীৰ মাহুতৰে হোৱা প্রেমৰ কোৰাল প্রবাহ জীবন্ত আৰু অবিচ্ছিন্ন-ভাবে প্রবাহমান। প্রায় সকলো দিশতে নিঃস্ব মাহুতৰ প্রতি নাৰীৰ আকর্ষণ, টান, দুর্বলতা ক'ত সেইটো নির্ণয় কৰাটো অতি কঠিন আৰু বহস্যপূর্ণ।

পুৰুষৰ নিঃসঙ্গ জীবনৰ প্রতি নাৰী প্রকৃতিৰ এক স্বভাৱ সুলভ দুর্বলতা আছে। এই দুর্বলতাত আছে গভীৰ ঐকান্তিকতা আৰু আন্তৰিকতা। 'হাতী মেৰী সাথী' বুলি মানব সমাজৰ প্রায় আঁতৰে আঁতৰে ঘুৰি ফুৰা মাহুতে হাতীৰ তদাৰক কৰাৰ উপৰি প্রকৃতি বিৰুদ্ধ হলেও বন্ধা-বঢ়া, কাপোৰ ধুৱা আদি নাৰীৰ কৰণীয় কামো কৰিব লাগে। তাকে দেখি নাৰী প্রাণত সৃষ্টি হয় 'আই ঐ দেহী' ভাব। পিছত পুতৌ, তাৰো পিছত মৰম। মৰমে বিভিন্ন দিশত পোখা মেলিলে ই হয় প্রেম। মাহুতৰ প্রেমৰ আঁৰত এনে পচ্ছাদপট থাকিব পাৰে নেকি ?

প্রেম প্রেমেই। ইয়াত বীজগণিত, জ্যামিতি বা বিজ্ঞানৰ কোনো সূত্র নেথাটে আৰু ইয়াৰ বিশ্লেষণো নাই। হাতীৰ পিঠিত বহি হাতী চড়াই ফুৰা অপৰিচিত মাহুতক উদ্দেশ্য কৰি কোনোবা নামবিহীনা যুবতীয়ে প্রশ্ন কৰিছে, হে মাহুত তোমাৰ ঘৰ ক'ত আৰু ঘৰত কিমানজনী বিবাহিত নাৰী আছে ? আৰু প্রশ্ন কৰিছে :

"তোমৰা গেইলে কি আসিবেন
মোৰ মাহুত বন্ধু বে ?"

প্রশ্নৰ উত্তৰত মাহুতে তাৰ ঘৰ গৌৰীপুৰত আৰু সি বিয়া নকৰা বুলি কৈছে। কিন্তু ঘৰলৈ গলে আকৌ উভতি আহিবনে তাৰ কোনো উত্তৰ দিয়া নাই। কিন্তু গীতটিৰ মর্মার্থ ইমানতে শেষ নহয়। যুবতীজনীয়ে মাহুতক বন্ধু অর্থাৎ প্রেমিক বুলি সম্বোধন কৰিছে। মাহুতৰে হোৱা প্রেমত যুবতীজনীয়ে সাঁতুৰি নাযুৰিও

ফুৰিছে। কিন্তু পাৰ পোৱাৰ আগতে তাইৰ 'হুঁচ' আহিল আৰু সেয়ে গাহুতক প্ৰশ্ন কৰিলে। কিন্তু মাহুতে গলে আকৌ উভতি আহিবনে সেইটো ক'ব নোৱাৰাত যুবতীজনীয়ে মাহুত-প্ৰেমৰ ইতিবাচক বা নেতিবাচক দিশ উদ্ঘাটনৰ হাতত তুলি দিয়াত বাহিৰে আন পথ পোৱা নাই। কাৰণ প্ৰেমৰ নিৰ্দিষ্ট পৰিসীমা কেতিয়াও আগতীয়াকৈ নিৰূপণ নহয়।

গোৱালপৰীয়া লোকগীতৰ মাহুত, মইষাল আদি চৰিত্ৰ উৰণীয়া পখী সদৃশ। বৈ যোৱা নদীয়ে, যোৱা পথত লগ পোৱা প্ৰতিটি ঘাটকে মৰমৰ শীতল চুম্বন দি যায়। কিন্তু কোনো ঘাটতেই বৈ নেথাকে। এই চৰিত্ৰও তেনে। শাৰদীয় দুৰ্গা পূজাৰ দেবী বিসৰ্জনৰ দিনটোক লোক বিশ্বাসমতে 'যাত্ৰাৰ দিন' অৰ্থাৎ যি কোনো কামৰ শুভ আৰম্ভণি কৰাৰ দিন বুলি বিশ্বাস কৰা হয়। গতিকে সেই দিনতেই হাতী চিকাৰৰ বাবে মাহুত ফান্দি অৰণ্যলৈ যাত্ৰা কৰে আৰু প্ৰায় এবছৰৰ শেষত ঘৰলৈ উভতি আহে। মাহুতে তেনে সময়ত এৰি থৈ যাব ওলোৱা প্ৰেমিকাই মাহুতৰ এই যাত্ৰাত ভীতি বিহ্বল হৈ কৈছে : 'তোমাৰ সান্নিধ্য, কথন-মথনৰ পৰা আঁতৰি সুদীৰ্ঘ কাল মই কেনেকৈ জীয়াই থাকিম।' প্ৰেমিক-প্ৰেমিকাই উভয়ে সিজনক নেদেখিলে 'তিলেক দণ্ডই দিন, দিনেই বছৰ, বছৰেই যুগ হয়।' তেনে ক্ষেত্ৰত প্ৰেমিকাজনীয়ে এই দীঘলীয়া সময় কেনেকৈ কটাব? আনহাতে হাতী চিকাৰৰ দৰে বিপদ সংকুল, দুখজনক পৰিবেশলৈ 'নিজেৰ মনেৰ মানুহ'জনক কি সতে যাব দিয়ে তাই? সেয়ে 'মন মোৰ কান্দেৰে প্ৰাণ মোৰ কান্দেৰে' হৈ তাই গীতৰ চলেৰে গায় :

ও কি মাহুতৰে,
পীৰিত কৰিয়া ছাড়িয়া গেইলেন মোকে।

গাওঁৰ মণ্ডলৰ (সম্পদ ও প্ৰতিপত্তিশালী ব্যক্তি) ঘৰৰ জীয়ৰীৰ হাতী মাহুতৰ লগত হোৱা 'ভালবাসাই' প্ৰমাণ কৰে যে প্ৰেমে জাত-পাত, ধনী-নিৰ্ধনী, উচ্চ-নীচৰ বিচাৰ নকৰে। ঢাকা বিলত দল (এবিধ ঘাঁহ) ভাঙিব যোৱা বজাঘৰীয়া হাতী মাহুতক মণ্ডলৰ বেটীয়ে খিৰিকি দুৱাৰেৰে পুন্ধা-সন্ধিয়া চাই থাকে। হাতীটোৱে তাৰ জীবিকাৰ পথ। গতিকে হাতীটোৰ প্ৰতি তাৰ খুব মায়া। এই কথাত মণ্ডলৰ বেটীৰ ঈৰ্ষা আৰু খং। হাতীৰ মায়াস্ত আবদ্ধ মাহুতক লিজৰ আজৰণ্ড ভুলি থকা মাহুত প্ৰেমৰ জুইকুৰা নুমাবলৈ মণ্ডলৰ বেটীয়ে গীতৰ চলেৰে কৈছে :

"হস্তী বান্ধেন হস্তী ছান্দেন
হস্তীৰ জানেন মায়া।
দিনে ৰাতি মোৰ নাৰীৰ
ঝুৰিয়া থাকে হিয়া ৰে॥"

আকৌ কয় : "মোক নিয়া যা মাহুত
তোৰ সাথেৰে॥"

নাৰীৰ মন, নাৰীৰ প্ৰাণ এক অবুজ সাঁথৰ, হিটো 'দেবাঃ অপি ন জানন্তি।' তেনে নাৰী প্ৰাণে কেতিয়াবা মাহুতৰে পৰকীয়া প্ৰেমত মজগুল হয়। তেনে প্ৰেম আসক্ত ৰমণীয়ে মাহুতক খঙৰ আৰৰণেৰে ভাল পোৱাৰ ভাব প্ৰকাশ কৰিছে এনেদৰে : হে মাহুত, হাতীৰ পিঠিত উঠি তুমি হাতেৰে বাটুল মাৰা, অন্যৰ ৰমণী দেখি জ্বলি পুৰি সেই ৰমণীৰ চকুলৈ চাই চকু মাৰা। দয়া-মায়াহীনভাবে আনৰ কলগছ ভঙাৰ দৰে তুমি আনৰ ৰমণীৰ প্ৰতিও নিৰ্মম। তুমি 'আউলাইলেন মোৰ বান্ধা ময়াল' (ময়াল : ফলন্ত গছ-গছনিৰে পূৰ্ণ নিৰ্জন ঠাইৰ গছৰ বাগান, গেৰাশ, চুবুৰী) অৰ্থাৎ জনৰৱ, কলৰবহীন গছৰ বাগান ধুমুহা বতাহে ভাঙি চুৰমাৰ কৰাদি জনৰৱ, কলৰবহীন অৰ্থাৎ আন কোনো পুৰুষৰ প্ৰতিচ্ছবি নভহা, প্ৰেমৰ কথাই বিশৃঙ্খল নকৰা মোৰ হৃদয় তুমি প্ৰেমৰ ধুমুহাৰে তছনছ কৰি দিয়া। তুমি আনৰ ৰমণীৰ মন প্ৰাণৰ সংবাদ কি জনা কি পোৱা? সেই ৰমণীলৈ কি তোমাৰ অন্তৰত দয়া-মায়া হ'ব?

"হাতীৰ পিঠিত ছড়িয়াৰে মাহুত,
হাতীৰ মায়া জানেন।
পৰাৰ ৰমণীৰ কথা,
তোমৰা কিবা জানেন ৰে॥"

হাতীৰ গৰাকীৰ ঘৰত চাকৰি কৰা মাউতৰ আউল লগা দাম্পত্য জীবনৰ মৰ্মন্তুদ দৃশ্য একোটাই শ্ৰোতা পাঠকৰ হিয়া বাৰুকৈয়ে কঁপাই যায়। জীবিকা নিৰ্বাহৰ তাড়নাত মাহুতৰ চাকৰি কৰা মানুহ একোজনৰ সংসাৰৰ না জল না স্থল হয়গৈ। পৰাধীন জীবন যাপন কৰা মাহুতে গৰাকীৰ নিৰ্দেশত চলিব লাগে, নিজৰ কোনো মতামত নেথাকে। নিজৰ ঘৰ-সংসাৰ আত্মীয় স্বজনক এৰি থৈ গৰাকীৰ নিৰ্দেশত দেশ-দেশান্তৰৰ বননিৰ প্ৰান্তে প্ৰান্তে ঘুৰি ফুৰা মাহুতৰ সান্নিধ্যৰ বাবে যেতিয়া বিবাহিত যুৱতী পত্নীয়ে দেহ মনত প্ৰবল উত্তাপ অনুভৱ কৰিও নিষ্ফল হয় তেতিয়া সেই নাৰীৰ হিয়াভঙা বেদনাৰ অবধি নোহোৱা হয়। তেতিয়া নাৰীপ্ৰাণ কান্দি

উঠে আৰু নাৰী প্ৰাণৰ সেই গোপন কথাটি প্ৰকাশ কৰে এনেদৰে :

"মুই নাৰী জ্বলিয়া মৰোং
যৈবন আগুনেৰে।"

টকা-কড়িৰ বাবে যদি সংসাৰ ত্যাগ তেন্তে টকা-কড়ি কিয় ? টকা-কড়িৰ বাবে যদি পুত্ৰ-কন্যা, ঘৰ-সংসাৰ, যুবতী পত্নী ত্যাগ তেন্তে সেই টকা কালৈ, কিহলৈ ? বজাৰ ঘৰত চাকৰি কৰি ঘৰ-সংসাৰৰ মায়া-মমতা ত্যাগ কৰাত মাহুতৰ হৃদয় পাষাণত পৰিণত হোৱা বুলি অভিযোগ উত্থাপন কৰিছে সেই প্ৰোষিতভৰ্তৃ মাহুত পত্নীয়ে এনেদৰে :

"বাজাৰ ঘৰৰ চাকৰি নিয়া
ছাৰিছেন ঘৰ বাৰী।
পাষাণ দিয়া বান্ধিলেন হিয়া
না আইসেন ফিৰি বে॥"

হাতী চিকাৰৰ প্ৰখ্যাত 'হস্তীকন্যা'ৰ গানটিত প্ৰকাশ পোৱা পত্নী-পুত্ৰৰ আসক্তিক জলাঞ্জলি দি হাতী চিকাৰলৈ যোৱা মাহুত আৰু তেওঁৰ পত্নীৰ বিদায়-বিচ্ছেদৰ মৰুৱা দৃশ্যটি অতিকৈ মৰ্মস্পৰ্শী। শুভক্ষণত বিধি অনুসাৰে মাঙ্গলিক অনুষ্ঠান কৰি হাতীৰ পিঠিত উঠি যাবা আৰম্ভ কৰা সময়তে 'মাথাৰ উপৰ কাল জিঠিও, কৰে পঞ্চ বাও।' অৰ্থাৎ মূৰৰ ওপৰত কাল জেঠিয়ে অশুভ অমঙ্গলসূচক পাঁচবাৰ ঠিক্ ঠিক্ কৰিলে। তথাপি মাহুত বিৰত নহ'ল। যথা সময়তে ফান্দিৰ লগত লগ লাগি মাহুত হাতী চিকাৰলৈ গুচি গ'ল। যুবতী পত্নীৰ মন-প্ৰাণৰ সংবাদ ল'বলৈ চেষ্টা নকৰিলে। ফলত সেই নাৰী-প্ৰাণ স্বামী বিচ্ছেদত গুজৰি-গুমৰি কান্দি উঠিল। বিৰহ বেথাত হিয়া ভগা ক্লান্তিত মাহুত পত্নীক কণমান শান্ত্বনা দিবলৈ ওচৰতে কোনো নথকাত, নিজৰ পিন্ধা কাপোৰৰ আঁচলেৰে অশ্রুসিক্ত মুখখন ঢাকি ধৰিলে। সেয়াই আছিল এনে মৰ্মন্তুদ মুহূর্তত একমাত্ৰ শান্ত্বনা।

বাতিৰ আকাশত অলেখ তৰা দেখা যায়। কিন্তু চন্দ্ৰহীন আকাশত তৰাৰ জেউতি আৰু উজ্বলতা নচৰে। আকাশৰ সৌন্দৰ্যও ম্লান হৈ থাকে। স্বামী ওচৰত নেথাকিলে নাৰীৰ অবস্থাও নিষ্প্ৰাণ, নিষ্প্ৰভ। গুণবতী স্ত্ৰীৰ গুণৰ প্ৰশংসা, ৰূপবতী স্ত্ৰীৰ ৰূপৰ প্ৰশংসা কৰিবলৈ যদি নিজৰ মানুহজনেই ওচৰত নেথাকে তেন্তে সেই ৰূপ, সেই গুণ থাকিল বা নেথাকিল। স্বামী ওচৰত নথকা নাৰী জীৱন চন্দ্ৰহীন

অমাবস্যাৰ আকাশৰ দৰে ম্লান আৰু ব্যৰ্থ। সেয়ে সেই মাহুত পত্নীয়ে কৈছে :

"আকাশতে নাইবে চন্দ্ৰ
তাৰ কেমনে জ্বল।
যেৱা নাৰীৰ পুৰুষ নাই ও
তাৰ ৰূপে কি কাম কৰে॥"

আনহাতে জীবিকাৰ দায়ত আৰু কৰ্তব্যৰ আহ্বানত পত্নী পৰিয়ালৰ মৰম-চেনেহ আৰু মায়া-মমতাক উলাই কৰি ফান্দিৰ লগত দন্তাল হাতীৰ ওপৰত উঠি হাতী চিকাৰলৈ গ'ল মাহুত। অৱশ্যে মোহ, হাতী চিকাৰৰ দক্ষতাৰ সামাজিক স্বীকৃতি আৰু অৰ্থ প্ৰাপ্তিৰ আশাত পত্নী পৰিয়ালৰ মায়া-মমতাক অতি দৃঢ়তাৰে বিসৰ্জন দিলে মাহুতে। অৱশ্যে মাজত হাতী চিকাৰত দেহ মনেৰে ব্যতিব্যস্ত হ'ল মাহুত। কিন্তু হিংস্ৰ জন্তুৰ প্ৰাণনাশৰ ভয় খোৱা-থকাৰ অত্যধিক কষ্ট আৰু অক্লান্ত পৰিশ্ৰমেও পৰাভূত কৰিব নোৱাৰা সকলো মোহ উদ্যম-উৎসাহ অৱশেষত মায়া-মমতাৰ ওচৰত পৰাজয় হ'ল। অৱশে মাজত হাতী চিকাৰত খুৰি ফুৰোঁতে মাহুত গৈ হাবিয়নিৰ নদীৰ সাধাৰণ বালি চাপৰত উপস্থিত হ'ল। মহামিলনৰ প্ৰকৃতি ৰাজ্যতো বিচ্ছেদৰ বিৰহ বিৰাজমান। মাহুতে তাত দেখিলে বালি চৰাই এটিয়ে মতা চৰাইটো তাইৰ ওচৰত নথকাত বালি খেল খেলাৰ নোৱাৰি কান্দিছে। মায়া-মমতাৰ এই দৃশ্য দেখাৰ লগে লগে মাহুতৰ হিয়াত বাজি উঠিল মায়া-মমতাৰ কাঁচক বেণু, কান্দি উঠিল প্ৰাণ। মৰমৰ যুবতী পত্নীৰ বিদায় মুহূৰ্তৰ বিষাদ নৈৰাশ্যৰে আচ্ছন্ন মুখছবি মাহুতৰ চকুৰ আগত জীৱন্ত হৈ ভাহি উঠিল। লগে লগে মাহুতৰ বজ্ৰ কঠিন হৃদয়ো কান্দি উঠিল :

"বালু টিল টিল পংখী কান্দে
ও হায় বালুতে পৰিয়া
গৌৰীপুৰীয়া মাহুত কান্দে ও
সখী ঘৰ বাৰী ছাৰিয়া যে॥"

জীবিকা, টকা চাকৰীয়ে মাহুত দম্পতীৰ মৰম-চেনেহক মুচুৰি মুচুৰি ছিন্ন-ভিন্ন কৰি পেলায়। সেয়ে মাহুত, মাহুত পত্নীয়ে ইটোৱে সিটোক অনিচ্ছাতে বিদায় দি চকুপানী টুকিছে এই বিদায়, এই বিচ্ছেদ অতি মৰ্মস্পৰ্শী। জীবিকা, দায়িত্ব আৰু কৰ্তব্যই মানুহক আপোনজনৰ ওচৰৰ পৰা অনিচ্ছাতো আঁতৰাই নিয়ে। মাহুত পত্নীৰ সেয়াই হৈছে।

চহা গীতিকাৰসকলে লোকগীতত মানুহৰ পাৰিবাৰিক, প্ৰেম-প্ৰীতিৰ আৰু কৰ্মময়ী জীবনৰ ছবি তুলি ধৰিছে। মানুহ সাধাৰণ মানুহ হলেও মানবীয় ভাব অনুভূতি, দায়িত্ব আৰু কৰ্তব্যবোধেৰে এজন সজীব, সপ্ৰাণ মানুহ। সমাজত বাস কৰা অনাদৃত, নগণ্য, মানবীয় প্ৰমূল্যত নিম্ন স্তৰত পৰি থকা এই শ্ৰেণীৰ চৰিত্ৰই চহা গীতিকাৰৰ ভাব কল্পনাৰে ৰচিত গীতবোৰত জীবন্ত ৰূপ লৈ মানুহৰ হিয়া চুই যোৱা ধৰণে প্ৰাণ পাই উঠিছে।

২। গাড়ীয়াল (গাড়োৱান) ঃ

"ও কি গাড়ীয়াল ভাই,
হাকাও[১] গাড়ী তুই,
শিলমাৰীৰ বন্দৰে বে॥
যেদিন গাড়ীয়াল উজান যান,
নাৰীৰ মন মোৰ ঝুৰিয়া ৰয়ৰে,
ও কি গাড়ীয়াল ভাই কতই থাকিম মুই,
পন্থৰ ভিতি[২] চায়াৰে॥"

সামাজিক জীবনত অকণো প্ৰাধান্য নোপোৱা গাড়ীয়াল চৰিত্ৰই চহাগীতিকাৰৰ ৰচনাত ঠন ধৰি উঠিছে। গীতবোৰত এই চৰিত্ৰৰ ব্যক্তিগত আৰু পাৰিবাৰিক জীবনৰ সুখ-দুখ, শান্তি-অশান্তিৰ কথা কোৱাতকৈ সমাজৰ আন ব্যক্তিৰ মন-প্ৰাণৰ সংবাদ দিবলৈহে প্ৰয়োগ কৰা দেখা যায়। উদ্ধৃত গীত ফাঁকিত গাড়ীয়ালৰ প্ৰতি আসক্তা আৰু অনুৰক্তা নাৰী হৃদয়ৰ কথা প্ৰকাশ পাইছে।

"ধীৰে বোলাও[৩] গাড়ীৰ গাড়ীয়াল
আস্তে বোলাও গাড়ী।
এক নজৰ দেখিয়া নেং মুই
দয়াৰ বাপেৰ বাৰী॥"

যৰৰ জীয়াৰী আনৰ বোৱাৰী হৈ পতিগৃহলৈ গাড়ীত উঠি যোৱাৰ সময়ত নাৰীপ্ৰাণ দ্বিধা বিভক্ত হৈ কান্দে। কাৰণ এফালে জন্ম গ্ৰহণ কৰি আপোনজনৰ আদৰ-চেনেহত ভাঙৰ-দীঘল হোৱা মায়া-মমতাৰে পৰিপূৰ্ণ পৰিবেশটো এৰি যৈ যাব ওলোৱাত

১। গাড়ী চলোৱা ২। বাটৰ ফালে ৩। চলোৱা।

মানসিক ভাৱসাম্য হেৰুৱা কাৰুণ্য আৰু আনফালে স্বামীগৃহৰ নতুন পৰিবেশত লগ-পাবলগীয়া শহুৰ শহুৰী, দেৱৰ-ননন্দৰ মাজত তাইৰ অনিশ্চিত ভবিষ্যতৰ হিঁয়ালি সম্বন্ধে হোৱা মানসিক সন্দেহ সংশয় আৰু আশংকা। ছৈ দিয়া গাড়ীত উঠি পিতৃ-গৃহ এৰি স্বামীগৃহলৈ যাব ধৰা সময়ত গাড়ীৰ ভিতৰৰ পৰা সদ্য বিবাহিতা সেই নাৰীয়ে তাইক বিদায় দি মাক-দেউতাকে কন্দা, ভনীয়েকক কোলাত লৈ প্ৰতিবেশীয়ে দীৰ্ঘ নিশ্বাস পেলোৱা দেখিছে। মমতাৰ ডোল অতি কঠিন ; সেই ডোল ছিগাটো আৰু কঠিন। ছৈইৰ সুকুতাবে দেখা এই দৃশ্যই নব বিবাহিতাক বিচলিত কৰিছে। কিন্তু তাইৰ উভতি যোৱাৰ পথো ৰুদ্ধ হৈ পৰিছে। সেই নব বিবাহিতাই গাড়ীয়ালক গাড়ী আস্তে চলাবলৈ কৈছে যাতে পিতৃগৃহৰ সেই কাৰুণ্যপূৰ্ণ পৰিবেশটো আকৌ এবাৰ, শেষ বাৰলৈ চাই ল'ব পাৰে। ঘৰৰ কাষেৰে ছৈ দিয়া গাড়ী যোৱা দেখি আন এজনী নাৰীৰ প্ৰাণ মাক-দেউতাকৰ ঘৰলৈ উৰা মাৰিছে। তেওঁ বহুত দিন পিতৃগৃহলৈ যোৱা নাই, তেওঁলোকৰ খবৰো পোৱা নাই। বোৱাৰী অনা-নিয়া কৰা ছৈ দিয়া গাড়ীখন দেখি তেওঁৰ পিতৃ-মাতৃ, ভাতৃ-ভগ্নীৰ আৰু ওচৰ-চুবুৰীয়াৰ কথা বৰকৈ মনত পৰিছে। অতীত স্মৃতিয়ে তাইক উতলা কৰাই নহয় বলিয়া কৰিছে। ভাই বুলি সম্বোধন কৰি তেওঁ গাড়ীয়ালক কৈছে যে তেওঁ যেন তেওঁৰ মাক দেউতাকক তেওঁক লৈ যাবলৈ কয়। দৰ্কাৰ হলে তেওঁ পিতৃগৃহত থাকি আনৰ ওচৰত কাম কৰি খাব।

"না কৰোং মুই এই সংসাৰ
বাপ মাওৰ বাৰী যায়া।
বাৰা বানেয়া[১] খাইমৰে মুই
গছ কাটিম মুই বুকেৰ পাষাণ দিয়া।"

হাতত পেন্টি (এছাৰি) লৈ গৰু বা মহৰ গাড়ী চলোৱা গাড়ীয়াল এক শ্ৰমজীবী নিৰপেক্ষ চৰিত্ৰ। বাৰ্ণাদ শ্বই নাটকত স্বগতোক্তি অপৰিহাৰ্য হোৱাত এটি ফৰিঙক সম্মুখত ৰাখি সেই স্বগতোক্তি কৰাইছে। ইয়াতো গীতিকাৰে গাড়ীয়ালক নাৰী জীবনৰ গোপন স্বগতোক্তিবোৰ প্ৰকাশৰ মাধ্যম হিচাবে ব্যবহাৰ কৰিছে। কিন্তু গাড়ীয়াল নিৰ্বাক। নাৰী প্ৰাণৰ অব্যক্ত বেদনাপুঞ্জ প্ৰকাশৰ মাধ্যম হিচাবে প্ৰয়োগ কৰা গাড়ীয়াল বোৱাৰী জীবনৰ বেথা-বেদনাৰ নীৰৱ সাক্ষী। বিশেষকৈ পিতৃগৃহৰ প্ৰতি থকা গভীৰ আসক্তিৰ ভাব, পিতৃগৃহ এৰি যোৱাত কান্দি উঠা নাৰী প্ৰাণৰ কথা আৰু স্বামীগৃহত থকাত পিতৃগৃহৰ পূৰ্ব স্মৃতিয়ে

১। আনৰ ঘৰত ধান বান্ধি।

সৃষ্টি কৰা বেদনাৰ কথা গীতযোৰত সুন্দৰভাবে প্ৰকাশ কৰিছে। এই সকলো-খিনিবে প্ৰকাশৰ মাধ্যম হ'ল গাড়ীয়াল চৰিত্ৰ।

৩। নাইয়া (নাওৱায়া) ঃ আনৰ ঘৰত চাকৰি কৰা আন এটি শ্ৰম-জীবী চৰিত্ৰ। গোৱালপাৰা কিম্ব উত্তৰবঙ্গকে ধৰি গোটেই অসমত নাওৱীয়া চৰিত্ৰক কেন্দ্ৰ কৰি কম সংখ্যক গীত ৰচিত হৈছে। এই বৃহৎ অঞ্চলত নাওৰে বণিজ কৰা প্ৰথা থাকিলেও মাহুত আদি চৰিত্ৰৰ দৰে নাইয়া চৰিত্ৰই লোকগীত ৰচনাত প্ৰাধান্য লাভ নকৰিলে। কম সংখ্যক গীতৰ মাজতে নাওৱীয়াক কেন্দ্ৰ কৰি প্ৰেমৰ, আধ্যাত্মিক ভাবৰ শ্ৰীকৃষ্ণ বিষয়ক আৰু দাম্পত্য জীবনৰ ইঙ্গিত-পূৰ্ণ কিছু সংখ্যক গীত পোৱা যায়।

বিধবা যুবতী নাৰীৰ ডেকা দেখনিয়াৰ নাইয়াৰ প্ৰতি আসক্তি-আকৰ্ষণ গীতত প্ৰকাশ পোৱা দেখা যায়।

'বিধাতায় কৰিছে মোৰে
কাঞ্চা[১] চুলৰ আৰী।'

(আৰী বাঁৰী অৰ্থাৎ বিধবা) চুলি নৌপকোতেই বিধবা হোৱা নাৰীজনীয়ে যুবক দেখনিয়াৰ নাইয়াৰ প্ৰেমত পৰিছে। চুলি পকাটো যৌবন অতিক্ৰান্ত হোৱাৰ লক্ষণ। কিন্তু গীতৰ নাইকা বিধবা হ'লেও তৰ যুবতী। তৰা যৌবন কালত বৈধব্য জীবন যাপন কৰাটো তেওঁৰ বাবে সম্ভব নহয়। কাৰণ যৌবনে তৰপক দিয়া দেহৰ দুৰ্দম্য যৌবনে মনৰ বৈধব্যৰ চাৰিবেৰ ভাগি পেলায়। যৌবনে আমনি কৰা মনে বিচাৰে পুৰুষৰ সঙ্গসুখ। কৃষ্ণ সাধনেৰে নহয়, কিন্তু ভোগ-সম্ভোগেৰে তাই সেই উতলা যৌবন নদী পাৰ হ'ব বিচাৰে। সেয়ে নদীৰে নাও বাই গৈ থকা নাওৱীয়াক উদ্দেশ্য কৰি অকাল বিধবা, সম্ভোগ বঞ্চীয়া নাৰীজনীয়ে কৈছে, "নাওৱীয়া তুমি নাও ঘাটত চপোৱা, আমাৰ ঘৰলৈ বোলা। মোৰ দেহ সৌষ্ঠব আৰু তৰা যৌবনলৈ চোৱা। মই যুবতী বিধবা। সম্ভোগ মোৰ বাকী। তুমি মোৰা বাদাম[২] দি নাও বাই মোৰা আৰু মই দুৱাৰ-খিৰিকিৰে তোমালৈ চাই থাকোঁ। যদি তুমি ঘৰলৈ নোযোৱা তেন্তে মই এতিয়াই তোমাৰ লগত শুচি যাম।

"নাও চাপাও, নাও চাপাও নাইয়া
নাও চাপাও বগলে[৩]।
কাছেৰ কলস ঘাটে থুইয়া,
যাবো তোমাৰ সাথেৰে॥"

১। কেঁচা ২। দুখন পাল ৩। কাষৰ।

যৌবন যৌবনেই, যৌবনৰ উৎপীড়ন উৎপীড়নেই, যুবতী, সধবা, বিধবা বুলি ইয়াৰ কোনো পাৰ্থক্য নাই আৰু এই উৎপীড়ন সহ্য কৰা আৰু তাক বাধা দিয়া অতি কঠিন গীতটিৰ বক্তব্যবে এই সত্য প্ৰতিপন্ন কৰিব বিচাৰিছে। 'বিদেশত যেহা কৰিবলৈ যোৱা স্বামীক সাধু বুলি সম্বোধন কৰি বিদেশত পৰনাৰীৰ লগত সম্বন্ধ স্থাপন নকৰিবলৈ সাবধান কৰি দিছে। বিপদহীন নদীৰ ঘোপাত নাও বান্ধিব কৈ ছ। বিদায় দিয়া মূহূৰ্তত সেই নাৰীয়ে উপস্থিত থকা ঘাটতে পুনৰাগমন আৰু পুনৰ্মিলনৰ বাবে সাধুলৈ বাট চাই থাকিব।

'ফোচেৰ কড়ি সাধু না কৰেন ব্যয়,
পৰাৰ নাৰী সাধু আপোন না হয়বে,
পৰাৰ নাৰী সাধু বধিবে পৰাণ বে॥"
"বণিজ কৰিয়া সাধু ভালে ভালে
আইসেন ফিৰিয়া[১] সাধু বাৰিষা কালেৰে
মুই নাৰী থাকিম নদীৰ ঘাটে বসি বে॥"

নাইয়া, মাঝি চৰিত্রক কেন্দ্ৰ কৰি ৰচিত আন এশ্ৰেণীৰ গীত আছে। এইবোৰ শ্ৰীকৃষ্ণ গোপী বিষয়ক বা আধ্যাত্মিক ভাব প্ৰকাশক। এনবোৰ গীতত মানব চৰিত্রৰ ৰূপদান নাই। 'কানাই পাৰ কৰা হে বেলিৰ ছায়া' কামৰূপী লোকগীতৰ নিচিনাকৈ শ্ৰীকৃষ্ণই ৰাধা আদি গোপিনাসকলক নাওৰীয়াবেশে নদী পাৰ কৰা সময়ত হোৱা নানা কৌতুক কথা আৰু ঘটনাৰ বৰ্ণনা আছে।

"আৰ সুন্দৰীক পাৰ কৰিতে বে,
কন্যা নিছোং আনা আনা।
তোক সুন্দৰীক পাৰ কৰিতে বে,
কন্যা খসাইম কাণেৰ সোণা।
ভৰা গাঙেৰ খেওৱা[২] দিয়া যাও॥"

আধ্যাত্মিক ভাব জ্ঞাপক গীতত দেহতৰী অৰ্থাৎ দেহৰূপ নাওৰ মাঝি (নাওৰীয়া) হ'ল ১৬ জন (দহ ইন্দ্রিয় + ছয় বিপু) আৰু মন মাঝি হ'ল 'হাইল ধৰেয়া' অৰ্থাৎ নাওৰ গুৰিয়াল। ভৰ নদীত এই নৌকা আগবাঢ়োতে বাঢ়োতে যিদিনাখন দেহ নৌকা বালিচৰত লাগি ধৰিব অৰ্থাৎ নাও আৰু আগবাঢ়ি যাব নোৱাৰিব অৰ্থাৎ দেহ স্বৰূপ নৌকা অচল হ'ব সিদিনাখন দেহ নৌকা এৰি ডাৰি মাঝি পলাই যাব।

১। উভতি ২। কাম : খেপ, নাওৰে নদী পাৰ হোৱা।

পিছৰ্ত দেহ নৌকা শেষ হ'ব। দেহ যিমান দিন জীয়াই থাকে সিমান দিনলৈ মন, ১০ ইন্দ্রিয়, ৬ বিপু দেহৰ লগত থাকে। কিন্তু দেহৰ মৃত্যু হোৱাৰ লগে লগে মন, ইন্দ্রিয় আৰু বিপুৰে দেহ এৰি গুচি যায়।

"দেহতৰীৰ মাঝি ষোল্লজন
ছয়জনে তাৰ বৈঠা মাৰে
গুণ টানে নয় জন॥
মন মাঝি হাইল ধৰেয়া
বসিয়া থাকি চালায় নৌকা
মনেৰ উল্লাসে॥
নৌকা যেদিন ঠেকিবে বালুচৰে
নৌকা ছাৰি ডাৰি মাঝি
সবে পলাইবে॥"

এনেদৰে লোকগীতযোৰত নাইয়া, মাঝি চৰিত্রক কেন্দ্র কৰি মানবীয় দিশ প্রকাশ কৰাৰ উপৰি আধ্যাত্মিক ভাবৰ এটি গভীৰ ধাৰা প্রকাশ কৰিছে।

৪। **মইষাল** ঃ ধিকো ধিকো ধিকো মইষাল ৰে
ওহো মইষাল ধিকো গাবুৰালী।
এহেন যুবতী নাৰী
কেমনে যাইবেন ছাড়ি মইষাল ৰে?
আৰ তখনে না ক'ইছোং মইষাল ৰে
ওহো মইষাল নাযান গুৱালপাৰা।
গুৱালপাৰাৰ চেংৰীওলায়
জানে ধূলা পোৰা মইষাল ৰে॥

চেংৰা-মইষালৰ প্রতি গভীৰভাবে আসক্তা আৰু অনুৰক্তা এজনী যুবতী নাৰীৰ সৰস প্রাণৰ কৰুণ ভাব মূৰ্ত হৈ উঠিছে এই গীতটিত। আনৰ মহ বাথানত কাম কৰা এই মইষালজনে গীতৰ গায়িকা নাৰীজনীৰ ওচৰতে দীৰ্ঘ দিন আশ্রয় লৈ আছিল। সংসর্গ আৰু সান্নিধ্যই মানুহৰ মাজত ৰাগ অনুৰাগ, মৰমপ্রীতি, আদৰ আসক্তি সৃষ্টি কৰে। সময়ত সেইটোৱে হৈছিল সেই নাৰী মইষালৰ ক্ষেত্রত। এদিন

হঠাতে চেংৰা মইষাল ঘাৰলৈ ওলাল। কিন্তু নিজৰ মৰমৰ মানুহজনক আনৰ মৰমৰ আকোৱালৰ মাজলৈ, কোনো নাৰী-প্ৰাণে ঘাব দিব নোৱাৰে। সি অসহনীয় আৰু কষ্টকৰ। মইষালে ওৱালপাৰালৈ অহা যোৱা কৰা জানি নাৰীজনীয়ে মইষালক তাললৈ নেযাবলৈ সাবধান কৰি দিছিল আৰু নিষেধো কৰিছিল। কাৰণ 'ওৱালপাৰাৰ চেংৰীওলায় ধূলা 'পোৱা' (ধূলাজাৰা) জানে। সিহঁতে মন্ত্ৰপুত ধূলাৰে মোহিত কৰি মইষালৰ হাতৰ বাঁহী, গলৰ মালা কাঢ়ি ল'ব। সেই গাভৰুবোৰ অতি চতুৰ। মইষালক কাটিলা দৈবে চিবা খুওৱাৰ পিছত মন্ত্ৰপুত তামোল-পাণ খুৱাব আৰু তাক বশ কৰিব। কিন্তু মইষালে সেই কথা উলঙ্ঘা কৰি ওৱালপাৰালৈ অহা যোৱা কৰিলে। ফলত গাভৰু নাৰীজনীয়ে সন্দেহবশতঃ ভবা আৰু কোৱা কথাবোৰ ইতিমধ্যে বাস্তবত ঘটি গ'ল। ডেকা মইষালে 'ঘাম' বুলি কলেও মইষাল প্ৰাণা নাৰীজনীয়ে ভবাই নাছিল যে মইষালে নাৰীজনীৰ লগতে ঠাইখনো এৰি ঘাব। কিন্তু মইষালে নিজৰ বিছনাপত্ৰ, ভাতৰ হাড়ী, মইষালী দোতৰা-লাঠী ও ছাটি বান্ধিলোৱাত নাৰীজনীয়ে জানিলে যে মইষালে তাইক এৰি থৈ ঘাব। মন-প্ৰাণৰ চেঙেৰা মইষালৰ বিচ্ছেদ তাই সহ্য কৰে কেনেকৈ? বিজনক যা বুলিবলে মনচিত কঁপে সেইজন শুচি গলে, তাইৰ মনৰ বা হ'ব কি, দেহৰ বা হ'ব কি? মইষালৰ অবিহনত তাই বাচি থাকিই কেনেকৈ? যাক কেন্দ্ৰ কৰি অলেখ কল্পনা, হাজাৰ মধুৰ স্বপ্ন, সীমাহীন আশা-আকাঙ্খা সেইজন ঘাব ওলোৱাৰ এই আশাভঙ্গৰ সন্ধিক্ষণত মনত সংগোপনে ৰখা কথাটো কলে এনেদৰে :

"এহেন যুবতী নাৰী
কেমনে যাইবেন ছাড়ি মইষাল বে?"

যৌবনে যৌবন বিচাৰে, যৌবনত আসক্ত হয়। কিন্তু তুমি? তোমাৰ ৰাবে উন্মুক্ত মোৰ এই যৌবন ভাও দেখিও তোমাৰ জন্মাল পুৰুষ মন কি গলি যোৱা নাই? এই যৌবন জুইৰ কাষতো তোমাৰ কামনা-বাসনা কি উত্তপ্ত হোৱা নাই? বাৰেকাই হেঁচি ধৰা মনৰ নিচিনাকৈ সি কি শিতোষ্ণ অনুভূতি হেকৰাই পেলাইছে? সেয়ে তোমাক ধিক, তোমাৰ যৌবনকো ধিক। আনৰচোন "তোৰ নাৰীৰ নয়া যৌবন তাকে দেখিয়া মন মোৰ দুল খেলায় বে।" হয়। তুমি কিন্তু সূত্ৰ বহির্গতভাবে নাৰী যৌবনক উলাই কৰিছা, এই নাৰীক এৰি ঘাব ওলাইছা।

সি সতে যাবা? তুমি কি ইমান নির্দয়, নির্মম, নিষ্ঠুৰ নে? এই যুবতী নাৰীক এৰি থৈ যাব পাৰিবা? কেনেকৈ যাবা?

চেংৰা মইষাল যাব ওলোৱাত যুবতী প্ৰাণ কান্দিছে। কিন্তু তাৰ কোনো প্ৰতিক্ৰিয়া, প্ৰতিধ্বনি মইষালত দেখা পোৱা নগ'ল। তেন্তে কি সেই নাৰী-প্ৰেম একপক্ষীয়? সকলো প্ৰেমৰ জ্বালা আছে। কিন্তু একপক্ষীয় প্ৰেমৰ জ্বালাই মানুহক দাহন কৰাৰ লগতে দংশন আৰু ছেদনো কৰে। 'জ্বলেয়া গেইলেন মনেৰ আগুন, নিবেয়া গেইলেন না' গীতৰ কলি এনে কাৰণতে সৃষ্টি হৈছে। সেয়ে মইষাল প্ৰেম অধীৰা নাৰী'য় মইষালক প্ৰশ্ন কৰিছ, 'কেমনে যাইবেন ছাড়ি?' বুলি। কিন্তু এই প্ৰশ্ন অনন্ত কাললৈ প্ৰশ্ন হৈয়ে ৰ'ল। মইষাল গ'ল নে নগ'ল তাৰো ইঙ্গিত নাই। গায়ক, শ্ৰোতা, পাঠকৰ সম্মুখত গমনোদ্যত মইষালৰ কাষত বিৰহ বিধুৰা গাভৰু নাৰীক থিয় কৰাই, কবিগুৰু ৰবীন্দ্ৰনাথৰ 'শেষ হয়ে হইল না শেষ'ৰ দৰে 'কেমনে যাইবেন ছাড়ি' বুলি এক গভীৰ কৌতুহল আৰু জীবন জিজ্ঞাসা সৃষ্টি কৰিছে মইষাল আৰু গাভৰুজনীক লৈ।

গোৱালপৰীয়া লোকগীতৰ মইষাল এক অতি মনোৰম আৰু আকৰ্ষণীয় চৰিত্ৰ। চহা গীতিকাৰসকলে এই চৰিত্ৰটিক কেন্দ্ৰ কৰি দাম্পত্য জীবন প্ৰেম-পৰকীয়া প্ৰেমৰ মনোৰম চিত্ৰ চিত্ৰিত কৰিছে। ৰূঢ় বাস্তৱতাৰ ওপৰত মইষাল জীবনক প্ৰতিষ্ঠিত কৰি মইষাল জীবনৰ জীবন যোৱা অভাব-অনাটন, আশা-নিৰাশা, দেহ মনোকষ্টৰ সঁচা চিত্ৰ ফুটাই তুলিছে।

ম'হ হালবোৱা, গাড়ী টনা আদি কামত ব্যবহাৰ হোৱাৰ উপৰি ম'হৰ গাখীৰ আৰু গাখীৰৰ পৰা তৈয়াৰ কৰা আন খাদ্য বস্তু মানুহৰ পুষ্টিকৰ আহাৰ। সেয়ে কৃষি কাৰ্যৰ বাবে কৃষকে এষোৰ-দুষোৰ ম'হ পোহাৰ উপৰি ধনিক শ্ৰেণীৰ মানুহে পালে পালে ম'হ পুহিছিল। সেই ম'হবোৰ কিছুমান গৰীব চাকৰীজীবী মানুহ ৰাখি প্ৰতিপালন কৰিছিল। সেই মানুহবোৰকেই মইষাল (< মহিষ + পালক) বা ম হ গুৱাল বোলে। মইষালবোৰৰ প্ৰধানজনক (মইষৰ) দাকাদাৰ বোলে। ম'হ ৰখা ঠাইক বাথান বা খুটি বোলে। ৫০।৬০ বছৰ পূৰ্বত কামৰূপ, গোৱাল-পাৰাত অসংখ্য ম'হৰ বাথান আছিল। তেতিয়া খৰালি কালত ম'হবোৰ নদীৰ চৰ-চাপৰিত আৰু বাৰিষা কালত পাহাৰৰ নামনি অঞ্চলত ৰাখিছিল। বৰ্তমান চৰ-চাপৰি আৰু পাহাৰৰ নামনি অঞ্চল জনাকীৰ্ণ হৈ পৰিল আৰু চৰণীয়া ঠাইৰ অভাৱত ম'হ পোহাটো অসুবিধা হৈ পৰিল। ঠাই বিশেষে ম'হৰ বাথান আছে যদিও ইয়াৰ সংখ্যা বহুত পৰিমাণে হ্ৰাস পাইছে।

মইষাল হ'ল ম'হ পোহা ধনী মানুহৰ ঘৰত জীবিকা নিৰ্বাহৰ বাবে চাকৰী কৰা ম'হগুৱাল। ম'হ গুৱালবোৰে জীবিকা নিৰ্বাহৰ দায়ত পৰি পিতৃ-মাতৃ, পুত্ৰ-কন্যা-পত্নীক ঘৰত এৰি থৈ আহি ম'হৰ বাথানত থাকি ম'হ চৰাই জীবন কটাব লগীয়া হয়। সিহঁতৰ নিসঙ্গ জীবনৰ সঙ্গী হ'ল দোতাৰা আৰু বাঁহী। খোৱা-লোৱাৰ পানীৰ অসুবিধা নহ'বৰ বাবে বাথানবোৰ সাধাৰণতে নদীক আশ্রয় কৰি পতা হয়। মইষাল নিঃকিন মানুহ; জনসমাজতো তেওঁলোকৰ পৰিচিতি কম। কিন্তু গোৱালপৰীয়া লোকগীত আৰু লোকগীতৰ বচকসকলৰ বাবে মইষাল উপেক্ষিত চৰিত্ৰ নহয়। সমাজ জীবনত গুৰুত্ব আৰু ভূমিকাহীন সেই মইষালো যে মানবীয় ভাব-অনুভূতি, প্ৰেম-প্ৰীতিৰ নিকটকটীয়া বান্ধোনেৰে শৃঙ্খলিত সেই কথা গোৱাল-পৰীয়া লোকগীতৰ চহা গীতিকাৰসকলে গীতৰ জৰিয়তে প্ৰকাশ কৰিছে। মানুহৰ বাবে নিষ্প্ৰাণ, গুৰুত্বহীন, অপৰিচিত সাধাৰণ মইষাল চৰিত্ৰই গীতৰ সুৰৰ মূৰ্চনাৰে সজীব সতেজ হৈ মানবীয় কোমল অনুভূতিৰে লোকক আকৰ্ষণ কৰাই নহয়, লোক হৃদয়ত স্থায়ীস্থান অধীকাৰ কৰি ল'ব পৰাকৈ প্ৰাণ পাই উঠিছে।

ধনীৰ ঘৰত চাকৰী কৰা মইষালে বিবাহিত যুবতী পত্নীক ঘৰত এৰি থৈ গৈছে। চাকৰী জীবন পৰাধীন, গোলামী। গৰাকীৰ ওচৰত চাকৰীয়ালৰ ইচ্ছা-অনিচ্ছাৰ কোনো কথা নাই। নল-খাগৰিৰ খোচ খাই ম'হ চৰাই থাকোঁতেই উজানৰ ফালে ডাঠ ঘন মেঘ ওলাল আৰু দক্ষিণত বান আহিল। প্ৰকৃতিৰ ভৰ বাৰিষা কালত নাৰী-জীবনৰো ভৰ বাৰিষা। এনে ৰৰ বাৰিষা কালত স্বামীসঙ্গ আকাঙ্খাৰে নাৰী-প্ৰাণ উদাউল হয়। সেয়ে মইষাল পত্নীৰ নাৰী-প্ৰাণৰ কাতৰ ভাব ব্যঞ্জিত হৈ উঠিল চহা গীতিকাৰৰ গীতৰ সুৰত ঃ

"ছোট কালে হইছে বিয়া বে।
মইষাল বয়স ভাটী গেলো॥
না হইলোং ছাওৱাৰ মাওবে।
মোৰ মনে বইলো দুঃখ মইষাল বে॥"

কম বয়সতে বিয়া হোৱা মইষাল পত্নীৰ বয়স এতিয়া ভাটী হৈছে। বিয়াতেই নাৰী জীবনৰ সকলো আশাৰ সমাপ্তি নহয়। নাৰীত্বই পূৰ্ণতাপ্ৰাপ্ত হয় কোলাত কেচুৱা লৈ। কিন্তু গীতৰ নাৰীজনীৰ পৰম দুৰ্ভাগ্য যে সেই পূৰ্ণতা, সেই সৌভাগ্য তেওঁৰ এতিয়াও হোৱাহি নাই। সেয়ে তেওঁ মইষালক বাথান এৰি গুচি আহিব কৈছে কমেও খৰালিৰ ছমাহ ঘৰত থকাকৈ। যদি গৰাকীয়ে নিদিয়ে তেন্তে

চাকৰিকে বাদ দি আহিব কৈছে।

'বাথান ছাৰো বাথান ছাৰো ৰে,
মইষাল ঘুৰিয়া আইসো বাৰী।
গলাৰ হাৰ বেচেয়া দিম মুই
ঐ চাকিৰিৰ কড়ি মইষাল ৰে॥'

নাৰী জীবন পতি আৰু অলংকাৰ সৰ্বস্ব। মইষাল পত্নীয়ে পতিৰ বাবে হাউচৰ গলৰ হাৰো বিক্রি কৰি দিবলৈ বাজি। মইষাল পত্নীৰ এই আকুল আবেদন কেবল মইষাল পত্নীৰে নহয়। মইষাল পত্নীৰ মনৰ বেথা, প্রাণৰ কথা আৰু হৃদয়ৰ আকুলতাত প্রকাশ পাইছে প্রোষিতভর্তৃকাৰ প্রাণৰ চিৰন্তন মৰ্ম কথা। এই মইষাল-পত্নীৰ হৃদয়ত বাজিছে নাৰী হৃদয়ৰ চিৰন্তন দোতাৰা। এই সুৰ, এই টান, এই গীতি-প্রাণ মধুৰ ও প্রাণস্পর্শী।

অবিবাহিত চেংৰা (যুবক) মইষালৰ এজনী যুবতীৰে প্রেম হৈছে। প্রেমৰ পথ কণ্টকাকীর্ণ। প্রেমত কেতিয়াবা বিপর্যয়ো আহে। মইষালৰ জীবন ম'হ আৰু বাথানেৰে জৰিত। ম'হ বাথান ষ'ত থাকিব, ষ'লৈ যাব ম'হ গুৱালো তাত থাকিব, তালৈ যাব। বাথান তুলি আন ঠাইলৈ যাব ওলোৱাত সেই চেংৰা মইষালক উদ্দেশ্য কৰি প্রেমিকাই কৈছে :

'বাথান তুলিয়া যাইবেন ছাৰি।
কেমনে থাকিম মুই একেলা নাৰী ৰে॥'

সময়ত সেই মইষাল শুচি গ'ল। কিন্তু যুবতী নাৰীৰ যৈবন জ্বালা চেঙেৰা মইষালে দেখিও নেদেখা, জানিও নেজানা, বুজিও নুবুজা বাবে তাইৰ প্রাণ কান্দি উঠে। নাৰী জীবনৰ যথা সৰ্বস্ব আনকি জাতি-কুলো মইষালক দিছিল। কিন্তু সেই মইষাল শুচি গ'ল। সেই মইষালৰ প্রেম সাগৰত, সাগৰত পানী মেতেকা ভহা দি ভাহি ফুৰিছে এই মইষাল পৰিত্যক্ত নাৰী।

মইষালী গীতত পৰকীয়া প্রেমৰ ছবিও দেখিব পোৱা যায়। নদীৰ ঘাটৰ কাষত বাথান পাতি থকা মইষালৰ প্রেমত পৰা পৰ নাৰীয়ে প্রেম-জ্বালা সহ্য কৰিব নোৱাৰি নাৰী জীবনৰ উৎকট লজ্জা সৰমকো ঠেলি দি মইষালক কৈছে :

"আম জাম আৰ পাণ গুপাৰি,
ঐটায় হয় মইষাল আমাৰ বাৰী।
দৈ দুধ ধৰি মইষাল যান আমাৰ বাৰী॥"

কিন্তু তাইৰ দুর্ভাগ্য। কাৰণ তাই বিবাহিতা আৰু তাইৰ স্বামী আছে, পুত্ৰ আছে। তাইৰ দুই ভৰি দুই নাওত। এফালে প্ৰেম আৰু প্ৰেমৰ পাত্ৰ আৰু আনফালে স্বামী আৰু পুত্ৰ। এফালে প্ৰেমৰ আকৰ্ষণ আনফালে পতি-পুত্ৰৰ মায়া-মমতা। এই সংকট তাই অতিক্ৰম কৰে কেনেকৈ? কোলাৰ সন্তানক পেলাই থৈ পৰকীয়া প্ৰেম বলিয়া সেই মাতৃ প্ৰেমিকৰ লগত যায় কেনেকৈ?

এটি চহা গীতৰ কম পৰিসৰৰ মাজত বিবেক আৰু হৃদয়ৰ এক জটিল প্ৰশ্ন, অন্তৰ্দ্বন্দ্ব সৃষ্টি কৰি মইষাল আৰু সেই মাতৃ-নাৰীৰ লগতে গায়ক-শ্ৰোতা-পাঠকক এক ঘনঘোৰ ৰহস্যৰ মাজত এৰি দিছে, এই ৰহস্য ভেদ কৰিবলৈ। নাৰী-প্ৰেমৰ মাজতে প্ৰকাশ পাইছে মইষাল জীবনৰ এটি মানবীয় আনুভূতিক প্ৰাণৰ দিশ।

এনেদৰে চৰ-চাপৰিৰ একেবাৰে ক্ষুদ্ৰ আৰু অস্থায়ী পৰিবেশত থাকি নল-খাগৰি, ঝাও-কাঁহি বনৰ মাজত ম'হ চৰাই ফুৰা, বতাহ-বৰষুণ মূৰৰ ওপৰেদি পাৰ কৰি কষ্টেৰে কাম কৰা মইষাল এটি শ্ৰমজীবী চৰিত্ৰ। নৰচা চাউলৰ চাউলীয়া ভাত, নদীৰ ঘোলা পানী খাই জীবন-যাপন কৰা মইষালে ভাত মুঠিও নিজে বান্ধি খাব লাগে। আশ্ৰয়ত এটি সাধাৰণ জুপুৰি, পিন্ধনত সাধাৰণ কাপোৰ, হাতত মইষালী লাঠি আৰু দোতাৰা লৈ থকা দীন জীবন-যাপন কৰা ব্যক্তি হ'ল মইষাল। বাথান আৰু ম'হেই মইষালী জীবন হলেও মইষাল মানুহ হিচাবে আন দহ জনেৰে একে। পিতৃ-মাতৃ, স্ত্ৰী-সন্তানেৰে মইষালৰো এটি সাধাৰণ মানব জীবন আছে। বাথানৰ কৰ্ম ব্যস্ততাৰ মাজতো সেই সামাজিক জীবন বোধেৰে কেতিয়াবা মইষাল সাৰ পাই উঠে! তেতিয়া ঘৰলৈ উভতি আহি আত্মীয়ৰ লগত মিলি যোৱাৰ এক অদম্য বাসনা জাগি উঠে। মানুহ হিচাবে মইষাল মানবীয় ভাব-অনুভূতিপ্ৰাণ। তেওঁৰ হৃদয়ো প্ৰেম-প্ৰীতিপূৰ্ণ। গতিকে মইষালৰো প্ৰেম-প্ৰীতি হ'ব পাৰে আৰু হয়। গীতত প্ৰকাশ পোৱা নাৰীৰ প্ৰেমৰ কাতৰ অনুভূতিয়ে আনকি মানব প্ৰাণ তলায়। চহা গীতিকাৰসকলে মইষালী গীতেৰে মইষাল বন্ধুক বাথান, ঘৰ আৰু প্ৰেমৰ পটত থিয় কৰাই মইষালৰ অভাব-অনাটনগ্ৰস্ত জীবন, প্ৰেম-প্ৰীতিৰে ভৰা ভাব-অনুভূতিপ্ৰাণ জীবনৰ সুন্দৰ বৰ্ণনা কৰিছে। বিশেষকৈ মন কৰিবলগীয়া কথা এই যে মইষালৰ নিচিনা সাধাৰণ চৰিত্ৰৰ লগত নাৰীক প্ৰেমৰ বান্ধোনেৰে বান্ধি নাৰী প্ৰেমৰ কোমল অনুভূতিযোৰৰ স্বৰূপ নিৰ্ণয় কৰিছে। মইষাল এটি বাস্তৱ চৰিত্ৰ। চহা গীতিকাৰৰ বচনাত এই চৰিত্ৰই শ্ৰোতা পাঠকৰ হৃদয়ত অনুভূতি সৃষ্টি কৰিব পৰা ধৰণে আত্মপ্ৰকাশ কৰিব পাৰিছে।

গীতত লগ পোৱা উক্ত চৰিত্ৰবোৰ কবিৰ কল্পিত নহয়। বাস্তৱ সামাজিক পটভূমিত প্ৰতিষ্ঠিত চৰিত্ৰ। মাহুত আদি চৰিত্ৰবোৰ সমাজৰ তল শ্ৰেণীৰ মানুহ। কিন্তু তেওঁলোকৰ কৰ্মৰ ক্ষেত্ৰবোৰ ভয় ভীতিপূৰ্ণ। সেই ক্ষেত্ৰবোৰ হ'ল পাহাৰ, গভীৰ অৰণ্য, চৰ-চাপৰি, পাহাৰৰ নামনি অঞ্চল আৰু দ-বহুল স্ৰোতস্বিনী নদী। মাহুত চৰিত্ৰই হাতী চিকাৰ নাইবা বাঘ চিকাৰৰ সময়ত জীবন বিপন্ন আশংকাত ভুগিব লাগে। জীবন নিপাতৰ ভয়াবহতাকো আওকান কৰি হাতী বা বাঘ চিকাৰৰ সময়ত মাহুতে নাচি উঠা মন লৈ আগ বাঢ়ে। কাৰণ এ'ন ক্ষেত্ৰত কৃৎকাৰ্যতাত মাউতৰ কৰ্ম কুশলতাৰ যশস্যা আছে। মইষাল জীবনো দুখ-কষ্টেৰে পৰিপূৰ্ণ। মইষালে ৰ'দ-বৰষুণ, ধুমুহা ৰ হাক আওকাণ কৰি কাঁহি-ঝাওঁ, নল-খাগৰিৰ মাজে মাজে মহৰ পালৰ পিছে পিছে ঘুৰি ফুৰিব লাগে। খোৱাৰো ঠিক নাই, শুৱাৰো ঠিক নাই। হাতীৰ স্বভাব-চৰিত্ৰ জানি হাতী চলোৱাটো যেনে কষ্টকৰ মহৰ গতি-প্ৰকৃতি জ'নি মহ চৰোৱাটোও তেনে কষ্টকৰ। গাড়ীয়াল চৰিত্ৰবো দুখ কষ্ট আছে। তথাপি আন তিনিটাৰ তুলনাত জীবন-আশংকা কম।

এই চৰিত্ৰবোৰৰ একোটি পৰিয়াল আছে, আত্মীয়ৰ প্ৰতি মায়া-মমতা আছে। একোখন সকলৰ সমাজ আছে, সমাজলৈ দায়িত্ব আছে। কিন্তু এইবাৰলৈ পিঠি দি গৰাকীৰ আঙুলিৰ নিৰ্দেশত এওঁলোকে কাম কৰি ফুৰিব লাগে। নিজৰ আশা আকাঙ্ক্ষা, সুখ-দুখ এই ক্ষেত্ৰত কম প্ৰাধান্য পায়। আনকি পুত্ৰ-পৰিয়ালৰ মায়া-মমতাও কৰ্তব্য সাধনৰ নামত দূৰতো বিন্দুৰ হয়। তথাপি মাহুত, মইষাল, নাইয়া চৰিত্ৰৰ যুবতী বা পৰনাৰীৰ লগত প্ৰেম-পীৰিত হৈছে। হাতী বা ম'হ চৰাই ফুৰিলেও, নদীয়েদি নাও চলাই ফুৰিলেও এই চৰিত্ৰবোৰ মানৱ সমাজ আৰু মানুহৰ সংসৰ্গৰ বহু দূৰত নেথাকে। এওঁলোকলৈ জন সমাজৰ এক কৌতুহলো থাকে। কাৰণ মানুহ হ'লেও কৰ্মৰ ক্ষেত্ৰত তেওঁলোক আন মানুহৰ পৰা পৃথক, জীবন ধাৰণো পৃথক। প্ৰকাণ্ড হাতীটোক ক্ষুদ্ৰ মাহুতটোৱে ভৰিৰ বুঢ়া আঙুলিৰ খোচেৰে চলাই লৈ ফুৰাটো, জোঙাল শিঙাল উদণ্ড মহবোৰ চৰোৱাটো কৌতুহল-জনক। নদীৰ বুকুত নাওৰ ওপৰত জীবন কটোৱাটোও সমাজলৈ এক বিস্ময়কৰ বিষয়। গতিকে নাৰীসঙ্গ বিবৰ্জিত এনে জীবন কটোৱা মানুহলৈ কৌতুহল হোৱাৰ লগতে সেই জীবন যাপন কৰা মানুহলৈ দয়া মৰমো উপজে। দয়া মৰমেই মমতাৰ কাৰণ। সেয়ে এইবোৰ চৰিত্ৰৰ লগত নাৰীৰ প্ৰেম হৈছে। প্ৰেমৰ সুখ-আনন্দ আছে। কিন্তু গীতত সেই জীবন আৰু জীবনানন্দময় পিছফালে থকা সাংসাৰিক দুঃসহ নৈৰাশ্যৰ প্ৰতিচ্ছবি নাই।

৬। গ। ২। গোদা-দোৱাৰী-গীদাল :

গোৱালপাৰীয়া কিছুমান লোকগীত আৰু লোকানুষ্ঠান পৰিবেশনৰ সময়ত ওপৰোক্ত চৰিত্ৰ তিনিটাৰ ভূমিকা বিশেষভাবে উল্লেখনীয়। 'গোদা' চৰিত্ৰটি 'চড়ক' পূজাত আৰু বাকী দুটা চৰিত্ৰ 'কুশান গান আৰু পালাগান'ত দেখিব পোৱা যায়। সেই বুলি চৰিত্ৰ তিনিটি গীতৰ অন্তৰ্গত চৰিত্ৰ নহয়। গীতানুষ্ঠান পৰিবেশনৰ বাবে আন সহযোগীসকলৰ নিচিনাকৈ বিশেষ কাৰ্যকাৰক হিচাবে সৃষ্টি কৰা সহযোগী চৰিত্ৰহে এই তিনিটি।

সাত দিন যোৱা 'চড়ক পূজা' অনুষ্ঠানত সক্ৰিয় অংশ গ্ৰহণ কৰে 'গোদা' চৰিত্ৰই। মূৰত জট, পিন্ধনত লেংটি, গাত ভস্মধূলি,কপালত ফোট, হাত-বাহুত বঙা ফিটা, গলত মালা, কাকালত চিৰা জাল হ'ল গোদা চৰিত্ৰৰ সাজ-পাৰ। চড়ক পূজাৰ প্ৰত্যেকটো অনুষ্ঠান'ত গোদা চৰিত্ৰই অংশ গ্ৰহণ কৰে। চৰিত্ৰটিৰ প্ৰথম আৰু মুখ্য কাম হ'ল সমজুৱাক হাঁহিৰ সমল যোগোৱা। পূজাৰ প্ৰত্যেকটি অনুষ্ঠান'ত অংশ গ্ৰহণ কৰি গোদা চৰিত্ৰই অনুষ্ঠানৰ কথা আৰু কাৰ্যবোৰ বুজাত সমজুৱাক বাকৈকৈয়ে সহায় কৰে। এয়া চৰিত্ৰটিৰ দ্বিতীয় কাৰ্যকৰণৰ বৈশিষ্ট্য। চৰিত্ৰটিৰ কাৰ্যবোৰলৈ লক্ষ্য কৰি চাৰ্কাচ পাৰ্টিৰ 'জকাৰ' চৰিত্ৰৰে ইয়াৰ সমিল মিলো দেখিব পোৱা যায়। সংস্কৃত নাটকৰ বহুৰা, বিদূষক চৰিত্ৰৰ তত্ত্বগধূৰ বচন গদা চৰিত্ৰত নেথাকিলেও দূৰণীবটীয়া প্ৰভাৱৰ আলেপন-প্ৰলেপন থাকিব পাৰে।

দোৱাৰী আৰু গীদাল চৰিত্ৰৰ ওজাপালি অনুষ্ঠানৰ যথাক্ৰমে ডাইনাপালি আৰু ওজাজনৰ লগত মিল দেখা যায়। ওজাপালি অনুষ্ঠানতে ওজাজনৰ নিচিনাকৈ 'কুশান গান' বা 'পালাগান'ত গীদালজনে কাহিনী ভাগৰ পদ পয়াৰ বা গীতৰ আঁত ধৰি বহি থকা পালিবোৰৰ সহায়ত গাই যায়। পিছত সেই পদখিনিকেই দোৱাৰী আৰু গীদালৰ ৰসপূৰ্ণ আলাপৰ মাজেৰে দৰ্শক আৰু শ্ৰোতা মণ্ডলীৰ আগত পুনঃ প্ৰকাশ কৰা হয় যাতে কাহিনী ভাগ বুজাত কোনো অসুবিধা হ'ব নোৱাৰে। এই আলাপ আলোচনা ৰসঘণ কৰি তুলিবলৈ প্ৰসঙ্গক্ৰমে দোৱাৰীয়ে ডাইনাপালিৰ নিচিনাকৈ খুহুটীয়া কথাৰো অৱতাৰণা কৰা দেখা যায়। তেনে আলোচনাত ডাইনাপালিয়ে কেতিয়াবা কয় :

'দিনত হলে কলো কপো
ৰাতি হলে ঘলো ঘপো
ভাই শউহৰেকে লাগাল পাই

কেইটামেন খড়ুৱা মাৰি গেই,
সিদ্‌নাৰ পেৰে সাৰি শব্দ নাই।

প্ৰথম দৃষ্টিত বেয়া যেন লাগিলেও কথাখিনিৰ অৰ্থ হ'ল এই : ভাই বোৱাৰীয়েকৰ ঘৰৰ চাল উকথে। সেয়ে বাৰিষাৰ বৰষুণত দিনৰ ভাগ কোনোমতে চলি যায়। কিন্তু বাতি বৰষুণ হলে ভীষণ দিগ্‌দাৰি হয়। পিছত ভাই শহুৰেকে এই কথা জানি চালৰ উকণা ঠাইবোৰত নতুন চানখেৰেৰে কেইটামান খচা মাৰি দিলে। ফলত বৰষুণৰ পানী ঘৰৰ ভিতৰত নপৰা হ'ল আৰু তেতিয়াৰ পৰা কোনো অসুবিধা নোহোৱাকৈ ভাই বোৱাৰীয়েকে শুব পৰা হ'ল। দোৱাৰীয়েও এনে ধৰণৰ কথাবে দৰ্শক-শ্ৰোতামণ্ডলীক আকৰ্ষণ কৰা দেখা যায়। যেনে, :

'গুৰু আসিলং কাজে নাকং লাজে।
ঐ জিনিস্‌টা তোমাৰ দুই চকৰ মাজে॥'

পীদালৰে হোৱা আলোচনাত দোৱাৰীয়ে হঠাতে কোৱা এইযাৰ কথা শুনি সমজুৱাই কাণত সোপা, নাকত হাত দিয়াটো স্বাভাবিক। কিন্তু দোৱাৰীয়ে কথাযাৰৰ ভেদ এনেদৰেহে ভাঙে :

এজনী ভিৰোতাই অতিথি অহাত নিজৰ ঘৰত গাখীৰ নোহোৱাত গুৰুৰ ঘৰৰ পৰাই অলপ গাখীৰ নিম বুলি আহি দেখিলে যে তেওঁ (গুৰুৱে) দুই চক (উৰত) ৰ মাজত গাখীৰ খিৰোৱা পাত্ৰটো লৈ গাইজনী খিৰাই আছে। গতিকে গাখীৰ খুজিব অহা বুলিলো কেনেকৈ কয়? সেয়ে লাজতে এইযাৰ কথাবেই মনৰ ভাবটি প্ৰকাশ কৰিলে।

দোৱাৰী আৰু ভাইনাপালিৰ এনেবোৰ প্ৰাসঙ্গিক কথাবে সমজুৱাক কাহিনী শুনি থকা কালছোৱাত সাময়িকভাবে মানসিক বিশ্ৰাম (mental relief) দি কাহিনী ভাগৰ পিছবখিনি শুনিবলৈ উৎসাহী, আগ্ৰহী আৰু প্ৰস্তুত কৰি তোলে। কিন্তু ভাইনাপালিৰ লগত একেবাৰে নিমিলা দোৱাৰী চৰিত্ৰৰ বিশেষ এটি দিশ হ'ল বাইজৰ অনুৰোধত 'দোৱাৰী উঠা'। আগৰ দিনত দোৱাৰী উঠা হৈছিল 'কুশান গান' বা 'পালা গান'ৰ একেবাৰে শেষত। কিন্তু পৰবৰ্তি কালত আৰু চলিত সময়ত অতি জনপ্ৰিয় হোৱা বাবে তেনে গীতৰ মাজতেই বাইজৰ অনুৰোধক্ৰমে দোৱাৰী উঠে। দোৱাৰী উঠিলে মূল কাহিনী ভাগৰ ছেদ পৰে। নতুন কাহিনীৰ অবতাৰণা কৰি দোৱাৰীয়ে একলে বা আন সহযোগীসকলৰ লগত লগ লাগি নানা ধৰণৰ কথা উপস্থাপনেৰে বাইজক হঁহুৱায়, কন্দুৱায় আৰু নচুৱায়। দোৱাৰীয়ে প্ৰয়োজনতো

কথাই অঙ্গি-ভঙ্গি আৰু নানান মুদ্ৰাৰে প্ৰকাশ কৰাৰ উপৰিও উপস্থাপিত ঘটনাৰে মুক্ত পুৰুষ নাৰী, জীৱ জন্তুৰ মাতবোলো অনুকৰণ কৰি কথাবোৰ সমজুৰাৰ আগত প্ৰকাশ কৰে। দোৱাৰীৰ এই পাৰ্শ্ব কাহিনীৰ শেষত আকৌ মূল কাহিনী আৰম্ভ হয়।

গীদালৰ সকলোবোৰ কাৰ্যকাৰণ আগত ৰাখি এনেদৰে ক'ব পাৰি যে তেওঁ একেধাৰে সঙ্গীতজ্ঞ নৃত পতিয়ন, সুবক্তা, ভাওৰীয়া, কাহিনী ব্যাখ্যাকাৰ, কথকী আৰু ৰসালাপী। কিন্তু দোৱাৰীজন তাতোকৈ এখোপ চৰা হ'ব লাগে। এইবোৰ গুণ থকাৰ উপৰিও দোৱাৰীজন হাস্যৰসিক, 'চাৰ্কাচ পাৰ্টিৰ জকাৰ' বা কামৰূপী 'ভাওৰীয়া' আৰু বিভিন্ন ধৰণৰ মানুহ আৰু জীৱ জন্তুৰ মাত অনুকৰণ কৰিব পৰা capacity থাকিব লাগে। ইয়াৰ পৰা সহজে অনুমান কৰিব পাৰি যে দোৱাৰীজন মহাপুৰুষৰ অঙ্কীয়া নাটকৰ সূত্ৰধাৰৰ নিচিনাকৈ সকলো দিশতেই ওস্তাদ হ'ব লাগে।

গীদালৰ পোছাক পৰিচ্ছদ ওজাজনৰ একে। কিন্তু দোৱাৰীৰ পোছাক ডাইনাপালিৰে নিমিলে। তেওঁৰ পোছাক সাধাৰণতে হাস্য ৰসসৃষ্টিৰ কাৰক, উদ্দীপক আৰু আহিলা হিচাবে ব্যবহাৰ কৰা হয়।

৬। ঘ। গোৱালপৰীয়া লোকগীতত সমাজৰ চিত্ৰ ঃ

লোকগীতবোৰ বিভিন্ন সমাজৰ আচাৰ-বিচাৰ, ধৰম-কৰম, ৰীতি নীতি, সমাজ ব্যবস্থা আৰু তদুপৰি সমাজৰ অৰ্থনীতি, ৰাজনীতি আদিৰো আংশিক ইতিহাসৰূপে ধৰা দিয়ে। লোকগীতবোৰত দোৱা-নাপিতৰ পৰা আৰম্ভ কৰি ৰজা-জমিদাৰলৈকে বিভিন্ন জাতি আৰু বিভিন্ন পৰ্যায়ৰ মানুহৰ জীৱন আৰু জীৱন-যাপনৰ পথ আৰু প্ৰণালীৰ কথা প্ৰকাশ পাইছে। অৱশ্যে চহাজীৱনৰ ৰূপ চিত্ৰণৰ ওঁৰত উচ্চ পৰ্যায়ৰ মানুহৰ কথাবোৰ নিষ্প্ৰভ আৰু অস্পষ্ট হৈ পৰা বুলি ক'ব পাৰি। সৰু-বৰ পৰিয়ালৰ সৰু-বৰ মানুহৰ আনন্দ নিৰানন্দৰ সৰু-বৰ কথাবোৰ গীতিকাৰসকলে মৰ্মস্পৰ্শী কৰি তুলিছে।

নাৰীমনৰ সংবাদ দিয়াত গীতিকাৰসকল খুবেই পাকৈত যেন লাগে। গীতত ব্যবহাৰ কৰা 'বেচেয় খা' কথাটোৱে ছোৱালীক গা ধন লৈ বিয়া দিয়া প্ৰথা আৰু পোন দিয়া কথা টিয়ে বিয়াৰ বন্দবস্তীক আগ ধন দি ঠিক কৰাৰ প্ৰথা প্ৰচলন থকাৰ ইঙ্গিত দিয়ে। গীতবোৰত দেৱৰেকৰ লগত বৌৰেকৰ যি সম্বন্ধৰ ইঙ্গিত দিয়া

হৈছে তাৰ মূল উৎস কি সি বিচাৰৰ বিষয়। হেমলেট নাটকত হেমলেটৰ খুৰাকে ৰৌৱেকৰ লগত ঘৰ কৰিছে। ৰামায়ণত অঙ্গদৰ খুৰাক সুগ্ৰীবে (বালীপত্নী) ৰৌৱেকৰ লগত ঘৰ কৰিছে। পঞ্চ-পাণ্ডৱৰ এক ভাৰ্যা দ্ৰোপদী। এনেবোৰ কথাৰ লগত গোৱালপৰীয়া লোকগীতৰ দেৱৰ প্ৰেমৰ কিবা সামঞ্জস্য আছে নেকি? গোৱাল-পৰীয়া 'দেওৰা' কামৰূপী 'দেঅৰ' অসমীয়া 'দেৱৰ' শব্দৰ একে উৎস : সংস্কৃত 'দ্বিৱৰ' শব্দ। দ্বিৱৰ শব্দৰ অৰ্থ দুই ধৰণে কৰিব পাৰি : ১। দ্বিতীয় স্বামী আৰু ২। স্বামীৰ সক ভায়েক। এনে ক্ষেত্ৰত গোৱালপৰীয়া লোকগীতৰ 'দেওৰা প্ৰেমৰ' কাহিনী আৰ্য সমাজৰ পৰাই চলি অহা প্ৰথা বুলি অনুমান কৰিব পাৰি নেকি? 'সাংনা ভাতাৰ' শব্দটোৱে আকৌ বিবাহিত পতিৰ মৃত্যুৰ পিছত নাইবা তেনে পতিয়ে পৰিত্যাগ কৰাৰ পিছত তিৰোতাই দ্বিতীয়বাৰ বিয়া হোৱা নাইবা আন সামাজিক নীতি অনুসাৰে আন পুৰুষৰ ঘৰলৈ যোৱা বুজায়। তেনে প্ৰথাক কামৰূপত 'ধেমুনা যোৱা' বা 'পাউছা নিয়া' বুলি কয়। তিৰোতাজনীক 'ধেমুনী' বোলে। 'ঐ বুঢ়াটাই বিদুৰা নিবাৰ চায়,' কথাষাৰে বিধবা বিয়া বা বিধবা' নিয়াৰ ইঙ্গিত দিয়ে।

উৎসব মুখৰ মানুহৰ আনন্দ-উচ্ছ্বাস, খেলুৱৈৰ হাঁহি-খিকিন্দালি, কৃষকৰ কৃষি জীবন, ভক্তি-প্ৰাণ, ধৰ্মভীৰু সমাজৰ পূজা-পাৰ্বণৰ চিত্ৰ গীতবোৰত আছে। বৈদিক আচাৰ-অনুষ্ঠানৰ উপৰিও কিছুমান অবৈদিক সামাজিক অনুষ্ঠান প্ৰচলন থকাৰ প্ৰমাণ পোৱা যায়। সোণাৰায় পূজা, যকা পূজা, হুদুম পূজা এলুৱা বস্তু যেন অনুমান হয়। ঘটক দেৱানীৰ কাৰ্য-কলাপৰ বিবৰণ গীতবোৰত আছে। সমাজৰ আচাৰ-বিচাৰ, আহাৰ-বিহাৰ, অলঙ্কাৰ, পোছাক-পৰিচ্ছদ, মৰম-চেনেহ, শ্ৰদ্ধা-ভক্তিৰ ইঙ্গিত গীতবোৰত পোৱা যায় (পাঠান্তৰত আলোচিত)। তলত উদ্ধৃত গীতৰ কলি দুটিয়ে সমাজৰ ভিতৰুৱা কথাৰ প্ৰকাশ কৰালৈ চালেই এই কথাৰ স্পষ্ট উমান পোৱা যায়।

'কিসেৰ মোৰ আতৰ,
কিসেৰ মোৰ পাতৰ,
কিসেৰ মোৰ মাথায় চাৰোন মাখা।
মোৰ স্বামী মৰিয়া গেইছে,
হস্তেৰ শাখা ভাঙাইছে,
সগাই যেলা শাখা পিন্ধে,
মোৰ সেলা মন কান্দে,

স্বামী ধন গৈছে মোৰ সেথা।
ও কি ভগবান, পতি ধন বে
নাই মোৰ দেখা ॥'

অন্ন-অলঙ্কাৰৰ বৰ্ণনা ঃ

'এখান শাৰি দিলেক হয়,
হাতত চুৰী দিলেক হয়,
গলাত মালা দিলেক হয়,
কাণত অস্তি দিলেক হয়,
ঠেঙত খাৰু দিলেক হয়,
নাকত নলো দিলেক হয়,
যদি কাইন বসিনু হয় ॥'

জীবিকা নির্বাহত কৃষিয়ে আছিল প্রধান অবলম্বন। কুমাৰ, কমাৰ, সোণাৰি, মিস্ত্রি, তাঁতিসকলে জাত কর্ম, ব্যবসায় কৰি জীবিকা উপার্জন কৰিছিল। 'পিন্ধা গৈছে বণিজ কৰিবাবে'—কথাষাৰৰ পৰা দেশ-দেশান্তৰে বেহা-বেপাৰ কৰাৰ তত্ত্ব পাৰি। শাক-শুকাতি, চেকা-সিদল খোৱা কথাৰ ইঙ্গিত আছে। ঘৰুৱা জীবন, ৰন্ধন প্রকৰণৰ কথা গীতবোৰত পোৱা যায়।

জেঠৰ মাত, কাউৰিৰ চিৎকাৰ, কেঁচাৰ উকলিয়ে ভবিষ্যত বিপদৰ ইঙ্গিত দিয়ে এনে লোক বিশ্বাসৰ কথাও গীতবোৰত পোৱা যায় ঃ

'পাত্তিৰা কৰিয়া হস্তীৰ
বাৰেয়া দিলং পাও।
মাথাৰ উপৰ কাল জিঠ,
কৰে পঞ্চ বাও ॥'

'বিহানে উঠিয়া মাও ছানহাৰি দিও' আৰু 'বাঁতি গছা দিয়া তোমৰা হৰি গুণ গাও' এই কথা দুফাঁকি যেন সুদক্ষ চিত্র-শিল্পীৰ গভীৰ অর্থ প্রকাশক দুডালি ৰেখা। প্রথম কথাখিনিৰে ৰাভিপুৱা শুই উঠি ঘৰ-চোতাল সাৰি-মুচি দিনটোৰ বাবে পবিত্র হৈ লোৱাৰ কথা আৰু দ্বিতীয়খিনিৰে সন্ধিয়া তুলসী তলত বতি জ্বগাই ভগবানৰ ওচৰত কর্মময় জীবনৰ আবেদন-নিবেদন কৰি ৰাতিটোৰ বাবে সাজু হোৱাৰ কথা কোৱা হৈছে। সৰু সৰু গীতৰ কলি দুটিয়ে ৰাতিপুৱা আৰু সন্ধিয়াৰ দুটি মধুৰ চিত্র মূর্ত কৰি তুলিছে।

প্রাচীন কামৰূপ ৰাজ্য তন্ত্র-মন্ত্রৰ দেশ। এই ৰাজ্যৰ ভিতৰুৱা গোৱালপাৰা

জিলাত তন্ত্র-মন্ত্র এতিয়াও প্রচলিত আছে। তাৰ স্বাক্ষৰ বহন কৰিছে তলৰ গীতাংশই ঃ

"হস্তীনৰান, হস্তী চৰান
কাকোৱা বাঁশেৰ আড়া।
ওৰে কি সাপে দংশিলেক বন্ধুৱাক
বন্ধুৰা হইল মোৰ খোৱা ৰে ॥
ৰোজায় ঝাৰে, গুণিকে ঝাৰে
ঢেঁকিয়াৰ আগাল দিয়া
ওৰে মুই নাৰীটায় ঝাৰং বন্ধুৱাক
কেশেৰ আগাল দিয়া।"

আন এটি গীতত আকৌ ঃ

"তখ্যান না কইছং মইষাল
নাযান গোৱালপাৰা,
গোৱালপাৰাৰ চেংৰীগুলা
জা ন ধূলা ঝাৰা (পোৰা)।"

নাড়ী ল'ৰা, মহিষাসুৰ সাধন, বশীকৰণ, মুহিনীৰাজ মন্ত্র, সাপৰ মন্ত্র আৰু অন্যান্য বহুতো মন্ত্রৰ গোৱালপাৰীয়াত এতিয়াও প্রচলন আছে।

আর্থিক অসমতা সকলো দেশৰ, সকলো সমাজৰ প্রাচীন অর্বাচীন দুয়োটি যুগৰেই চিৰন্তন ৰীতি। গোৱালপৰীয়া লোকগীতৰ সমাজখনো ইয়াৰ পৰা আতৰি থকা নাই। আর্থিক সমস্যাই আনি দিয়া ব্যক্তিগত আৰু সামাজিক জীবনৰ বিপর্যয়ৰ ইঙ্গিত তলৰ গীতটিত চাওঁক ঃ

"দাদা দুই শ টাকা পোন নিয়া
বেচেয়া খালু দাদা বুঢ়া বৰ দেখিয়া
দুঃখেৰ কথা শোন্‌বে দাদা
ৰাইত দিনে মোক বুঢ়াটা থাকে মাৰিয়া
এইবাৰ মাৰিলেক মুই আসিলং পালেয়া
যাবাৰ কইলে মুই মৰিম জলত ডুবিয়া
মৰি হায়ৰে হায়
শোন দয়াৰ দাদা, দাদা কওং তোৰ আগে
গাধুৰ বয়সে বুঢ়া পুরুষ মনত নাগে না।"

গীতত উল্লিখিত বুঢ়াজন ধনী। সেয়েহে দুই শ টকা আগধন দি নাতিনী যুবীয়া গাভৰু ছোৱালীজনীক বিয়া কৰাই আনিব পাৰিছে। আনহাতে ককায়েক নিৰ্ধনী বুলিহে ককাদেউতাকৰ বয়সৰ বুঢ়াজনলৈ মৰমৰ গাভৰু ভনীয়েকক উপায়ান্তৰ হৈ বিয়া দিছে। বুঢ়াই নাতিনী-যুবীয়া ষোড়শীক পাই আয় তৃপ্তি পাইছে সঁচা। কিন্তু গাভৰুজনীৰ মিঠা দেহৰ কেঁচা কঁপনিৰ উপশম জানো হৈছে? হোৱা নাই আৰু নহব। সেয়ে তাই পলাই আহিছে আৰু বুঢ়া স্বামীৰ ওচৰলৈ উভতি নেযায়। কাৰণ 'গাবুৰ বয়সে বুঢ়া পুৰুষ মনত নাগে না।' তেন্তে তাই কি কৰিব? ককায়েকৰ ঘৰতে থাকি ডেকা দেহ বুঢ়া কৰিবনে? তেন্তে .. .?? এই উত্তৰহীন প্ৰশ্নৰ মূল জানো অৰ্থ নহয়? কিছুমান খণ্ড গীতত আকৌ একোটি ডাঙৰ ৰাজ-নৈতিক ঘটনাৰ আঁচোৰ লাগি আছে ঃ

'আৰে মোৰ ভাবেৰ দেওৰা
থুইয়া আহসেক মোক সোণাৰ হিন্দুস্থানে॥
হিন্দুস্থানে মোৰ বাপ ভাই,
পাকিস্থানে* মোৰ কেহই নাই
হিন্দুস্থানে চলিয়া যাবো
বাৰানি বানিয়া খাবো রে॥'

গীতাংশত ভাৰত বিভাজন হৈ হিন্দুস্থান পাকিস্থান হোৱাৰ নিচিনা ৰাজনৈতিক কথাৰ উপৰিও এই বিভাজনে সামাজিক জীৱনত সৃষ্টি কৰা বিপৰ্যয়ৰ বৰ্ণনা পোৱা যায়। ভাৰত বিভাজনৰ পিছত গায়িকাজনীৰ গিৰিয়েকৰ ঘৰ পাকিস্থানত আৰু মাকহঁতৰ ঘৰ হিন্দুস্থানত পৰিল। বৈৰী ভাৱাপন্ন দুয়োখন ৰাজ্যৰ মানুহ ইখনৰ পৰা আনখনলৈ যাব নোৱাৰাত তেওঁ বিপাওত পৰিছে। সেয়ে দেৱৰেকক তেওঁক নি হিন্দুস্থানত থৈ আহিব কৈছে। তলৰ গীতাংশই আকৌ আন এটি ৰাজনৈতিক কথা চিন্তা কৰিবলৈ সুবিধা দিয়ে ঃ

'বাৰীৰ পাছিলাত তাঁতিয়া ভায়া
শাৰিখান বানেয়া দে,
ঐ শাৰি পিন্ধিয়া গেইলং
গৌৰীপুৰৰ হাটে।

* বৰ্তমান বাংলাদেশ।

গৌৰীপুৰৰ পাইক চিপাই
আঞ্চলে ধৰিয়া টানে
কায় শাৰি বানেয়া দিছে
তাৰ কথা কবাৰ বাদে।'

গৌৰীপুৰৰ পাইক চিপাই—কথাষাৰত চিপাহীক পাইক চিপাহী বোলা কথাটো মন কৰিবলগীয়া। পাইক নিবন্ধ বা প্ৰথা আহোম ৰাজত্বৰ বস্তু। এই পাইক প্ৰথা একালত হয়তো গোৱালপাৰা আৰু তাৰো পশ্চিমলৈ প্ৰচলিত আছিল নতুবা আহোম শাসনৰ কালতেই এই শব্দটি ইয়াত সোমাই পৰিছিল আৰু সময়ত মাত্ৰ চিপাহীকহে পাইক বোলা হৈছিল।

আধুনিকতাৰ বা লাগি গোৱালপৰীয়া লোকগীতবোৰ পৰিবৰ্তন আৰু পৰিবৰ্ধন হ'ব ধৰিছে। সমাজ আধুনিক হ'ব ধৰাৰ লগে লগে লোকগীতবোৰে আধুনিকতাৰ সাজ-সৰঞ্জামবোৰ এপদ দুপদকৈ নিজৰ কৰি লয়। সেয়ে কিছুমান লোকগীতত মটৰ, চাইকেল, ৰেল, জাহাজ, চিনেমা আদিৰ কথা সোমাই পৰিছে। গণতন্ত্ৰ প্ৰতিষ্ঠা হোৱাৰে পৰা ভোটে গাঁৱে-নগৰে প্ৰবেশ কৰি সমাজক ভূত ধৰাদি ধৰিছে। এই ভোটৰ কথাও লোকগীতত সোমাই পৰিছে :

"ভাই মোৰ দেশৰ জন্য যায় না কৰে
ভোটৰ জন্য, উৰাই ধৰে ৰে
ওৰে নানা দলৰ কথা শুনিয়া
ভাবিয়া তোমাৰ ভোট দিবেন ৰে॥" (গিঃ বঃ)

কাব্য-কবিতাত কবিৰ সমাজখনৰ ছাঁ পৰে। গীতৰ ক্ষেত্ৰতো এই কথা খাটে। লোকগীতত আকৌ এই ছাঁ ডাঠ আৰু ঘন হৈ পৰে। চহাগীতিকাৰসকলৰ ৰচিত গোৱালপৰীয়া লোকগীতত গোৱালপৰীয়া সমাজৰ ছাঁ পৰিছে। তাৰেই কেইটিমান কথা থোৱতেই ইয়াত উল্লেখ কৰা হ'ল মাথোন।

৬। ঙ। গোৱালপৰীয়া লোকনৃত্য :

চেংৰা বন্ধুৰে,
মোৰ ভাবেৰ বন্ধুৰে
মোৰ সোণা বন্ধুৰে
আমাৰ বাৰীত কাতি পূজা
তুই ঢাকৰ বায়না নে॥

ওৰে ঢাকুৱাটা চাং মুই সিতা পাৰা
বাইজখোনা চাং মুই চট্‌কা মাৰা
নাচোনখোনা নাচিম মুই থেৰ্‌কা মাৰা
আমাৰ বাৰীত কাতি পূজা
তুই ঢাকেৰ বায়েনা নে॥
তোমাৰ হাতেৰ মোহন বাঁশী সাথত আনিবেন
ঢাকুৱাটাৰ সাথে সাথে বাঁশী বাজাইবেন
চট্‌কা নাচোন নাচিম মুই মনেৰ হাউসে
আমাৰ বাৰীত কাতি পূজা
তুই ঢাকেৰ বায়না নে॥

এই গীতটি সংগ্ৰহ কৰাৰ পিছত 'ঠেৰ্‌কা' আৰু 'চট্‌কা' নাচোন এই দুই কথাত মনটো লাগি পৰিল। মনতে ভাব হ'ল যে গোৱালপৰীয়া থলুৱা নৃত্যবোৰৰ নামো থলুৱা ধৰণৰহে। এই বিষয়ে জনাৰ ঔৎসুক্যত মনটো লিক্‌লিকাবলৈ ধৰিলে। বহুতো জনৰ লগত আলোচনা কৰি জানিব পৰা মতে গোৱালপৰীয়া লোকনৃত্যৰ সাধাৰণ তালিকা এখন দিয়া হ'ল ঃ

১। কাতি পূজাৰ নৃত্য
২। বাঁশ পূজাৰ নৃত্য— (ক) মাদাৰ
(খ) চাতালী
৩। চৰক পূজাৰ নৃত্য— — (ক) চণ্ডীকাছ
(খ) গোৱাল্‌লনী
৪। হুদুম পূজাৰ নৃত্য
৫। সোণাৰায় পূজাৰ নৃত্য
৬। গোৰক্‌নাথৰ পূজাৰ নৃত্য
৭। ৰাৰান নৃত্য
৮। চণ্ডী নৃত্য
৯। মাগন নৃত্য
১০। চট্‌কা ৰা থেৰ্‌কা নৃত্য
১১। পয়াৰ নৃত্য— - (ক) কুশান পয়াৰ
(খ) পালাগানৰ পয়াৰ
(গ) পদ্মপুৰাণৰ পয়াৰ

লোকনৃত্যৰ প্ৰাণ হ'ল লোকগীত। লোকনৃত্যেৰে লোকগীতৰ মৰ্মকথা মূৰ্ত কৰি তোলা হয়। গীতিবচনে নৃত্যবচনেৰে আত্মপ্ৰকাশ কৰি লোক-মানসত আনন্দৰ জোৱাৰ তোলে। সেয়ে যুগ যুগ ধৰি এই লোকনৃত্যবোৰে লোক-সমাজত সমাদৰ লাভ কৰি আহিছে। লোকনৃত্য আৰু লোকগীতৰ সম্বন্ধ দেহ আৰু প্ৰাণৰ সম্বন্ধ। জন্মত দুয়ো যমজ। সেয়ে অবিচ্ছেদ্য। অন্তৰত যেতিয়া গীতৰ মূৰ্চনা জাগে তেতিয়া দেহত নৃত্যৰ স্পন্দন উঠে। দুয়োটিৰ সৃষ্টিৰ কাৰণ একেটি আৰু দুয়োটি শেষত লীন হয়গৈ একেটি বিন্দুত।

অন্যান্য নৃত্যৰ তুলনাত লোকনৃত্য সৰল। জটিলতা পৰিহাৰ কৰি সৰলতাত প্ৰাণ প্ৰতিষ্ঠা কৰা লোকনৃত্যৰ বিশেষ বিশেষত্ব। সেইবুলি ই লোক-মানসত ভাবানুভূতি সঞ্চাৰণৰ অযোগ্য, মানৱ প্ৰাণত আবেদন-নিবেদন কৰা শক্তি পৰিহাৰ্য নহয়। বৰং সৰল লোক-মানসত সহজতে শিপাই যোৱা বিধৰহে। লোকনৃত্য লোক-সমাজৰ আনন্দৰ স্বাক্ষৰ। যি জাতি লোক-নৃত্যত যিমান চহকী সেই জাতি লোক-জীবনত সিমানেই আনন্দমুখৰ বুলি ক'বিৰ থল আছে।

গোৱালপৰীয়া লোকনৃত্যত প্ৰাণ আছে। ই শুষ্ক, নিৰ্জীৱ, নিস্পন্দিত লোক-প্ৰাণ সহজতে জীপাল, সজীৱ আৰু স্পন্দিত কৰি তুলিব পাৰে। অতীত কালৰ কথা নকওৱেই আজিৰ এই আধুনিক বৈচিত্ৰ্যতাৰ মাজতো আৰু আৰ্থিক উৎকট সমস্যাৰ দিনতো লোক অনুষ্ঠানত পৰিবেশিত এই লোকনৃত চাই হেজাৰ হেজাৰ জনতাই উজাগৰী নিশা কটোৱা দেখা যায়। ই জানো নিষ্প্ৰাণত প্ৰাণ প্ৰতিষ্ঠা কৰাৰ ইঙ্গিত নহয়, সাংসাৰিক অবসাদ আঁতৰাই অনাবিল আনন্দ বৰষাৰ স্বাক্ষৰ নহয় ?

গোৱালপৰীয়া লোকনৃতৰ সহজতে অনুমেয় থুল কথা হ'ল ঃ ১। কিছুমান নৃত্যত কেবল দৈহিক অঙ্গ-প্ৰত্যঙ্গৰ সঞ্চালনেৰে নৃত্য-বচন প্ৰকাশ কৰা হয় আৰু কিছুমানত ইয়াৰ উপৰিও বাঁহৰ সৰু লাঠি (বাঁশ পূজাৰ নৃত্য), তৰোৱাল (চণ্ডীনৃত্য), চোঁৰৰ পালা গানৰ পয়াৰ নৃত্য), কুলা (গোৱালিনী নৃত্য), ধনু-কাড় (কাণ্ডি নৃত্য) আদি হাতত লৈ আৰু বিভিন্ন 'মুখা' পিন্ধি নৃত্য বচন প্ৰকাশ কৰা হয়। ২। বেচি ভাগ নৃত্যই ঘূৰণীয়া আৰু অথালি-পথালিকৈ নচা নৃত্য। ৩। নৃত্যত পদ আৰু হস্ত সঞ্চালন ধীৰ আৰু মন্থৰ ; উভয়ৰে সম আৰু বিষম সঞ্চালনো আছে। ৪। বেছি ভাগ নৃত্যই কোমল (Polite) ; কম সংখ্যক নৃত্যতহে তাণ্ডৱীয় (rough) গুণ আছে।

নৃত্য বিষয়ে কোনো মাত মতা মোৰ বাবে সমীচীন নহয়। কাৰণ ই মোৰ ক্ষমতাৰ বাহিৰৰ বস্তু। সেয়ে এই বিষয়ে কিবা কবলৈ গলে অ বুলিব নেজানি ৰঙাবলী পচিব যোৱাৰ নিচিনা হয়। সেয়ে নৃত্য বিষয়ক ওপৰৰ কথাখিনি ভবিষ্যত লিখক সমালোচক সকললৈ এটা ইঙ্গিত মাত্ৰ বুলি ধৰি ল'ব। গোৱাল-পৰীয়া লোকনৃত ৰ আলোচনা সম্পূৰ্ণকৈ অপূৰ্ণ হৈ আছে। এই লোকনৃত্যৰ মাজত এনে কোনো বিষয়ো থাকিব পাৰে, যাৰ সংযোগেৰে ভাৰতীয় নৃত্য আৰু নৃত্য শাস্ত্ৰৰ সৌষ্ঠবো বৰ্ধিত হ'ব পাৰে। সেয়ে নৃত্য পণ্ডিয়স-পণ্ডিয়সী আৰু নৃত্য বিশাৰদ সকলে এই লোকনত্যবোৰ তন্ন তন্নকৈ বিচাৰ কৰিবলৈ আগ বাঢ়ি আহক— এই আশা কৰিহে এই দু-আষাৰ কোৱা হ'ল।

৬। চ। গোৱালপৰীয়া লোকগীতৰ সুৰ-তাল ঃ

গোৱালপৰীয়া লোকগীতৰ সুৰ আৰু তাল সম্বন্ধে ভাল আলোচনা হোৱা নাই। যিখিনি হৈছে তাক কেবল পৰীক্ষা-নিৰীক্ষামূলক আলোচনা বুলিহে কব পাৰি। সেইবোৰ আলোচনাত কোৱা হৈছে যে দুখ-বেথা-বেদনা বিজৰিত ভাৰাবেগপূৰ্ণ গীতবোৰ ভাওৱাইয়া সুৰত গোৱা হয় আৰু পাতল হাস্যোদ্দীপক ভাবপূৰ্ণ গীতবোৰ চটকা সুৰত গোৱা হয়। ইয়াৰ পিছত আৰু তেওঁলোকে এই বিষয়ৰ আলোচনাত আগবঢ়া দেখা নেযায়। কিন্তু পূৰ্বৰ লিখকসকলৰ এইখিনি কথাও দ্বিধাহীনভাবে গ্ৰহণ কৰাটো টান হৈ পৰে। কাৰণ এনে কিছুমান গভীৰ বেদনাপূৰ্ণ গীত আছে যিবোৰ চটকা সুৰত গোৱা হয়। উদাহৰণ স্বৰূপে—

প্ৰেমমূলক ঃ ১। পাৰে বা ঘুঙুৰা বাজে বে,
আই মুই কেমনে বাইবা যাং।
২। কেনেহে বাধে তোৰ বিৰস মন
তোৰ কানায়া বাজায় বাঁশী।

দেহতত্ত্ব ঃ ৩। ভজো মন আপ্‌না আপ্‌নি
কেও নাই তোৰ সংসাৰৰ মাজে বে।

আদি লীৰ্ষক গীতবোৰ আৰু এনে ধৰণৰ আন বহুতো গীতৰ কথা উল্লেখ কৰিব পাৰি। পূৰ্ব লিখকসকলে এইবোৰ গীতৰ ভাবকো পাতল বুলি ক'ব পাৰে তেওঁলোকৰ যুক্তিৰ সমৰ্থনৰ বাবে। কিন্তু আমাৰ বিচাৰত এইবোৰ গীতৰ ভাব

গভীৰ। সেয়ে গভীৰ ভাবপূৰ্ণ হলেই ভাওৱাইয়া সুৰত আৰু পাতল ভাবপূৰ্ণ হলেই চট্‌কা সুৰত গাব এনে নির্দিষ্ট সীমাৰেখা টনাটো কিমান যুক্তিসন্মত সি এতিয়াও চিন্তাৰ বিষয় হৈ আছে।

এটা গীতৰ সুৰ অর্থাৎ লয় (melodic pattern) ভাওৱাইয়া, চট্‌কা নে আন কিবা সেইটো ক'ব পৰা যাব গীতৰ লগত সংগত কৰা তালৰ পৰাহে। কাৰণ গীতৰ সুৰ বা লয় সদায় নিয়ন্ত্রিত হয় তবলা বা খোলৰ মাত্রা বা বোলৰ অর্থাৎ তালৰ দ্বাৰায়। তেনে ক্ষেত্রত গোৱালপৰীয়া লোকগীতৰ সুৰৰ কথা চিন্তা কৰোঁতে তালৰ কথাও চিন্তা কৰিব লাগিব। লোকগীত পৰিবেশনত দোতৰা বাদ্য যন্ত্র অপৰিহার্য। গতিকে গোৱালপৰীয়া লোকগীতৰ সুৰৰ লগত দোতৰা বজোৱা পদ্ধতিও মন কৰিবলগীয়া হয়। গীতৰ সুৰৰ লগত দোতৰা বজোৱা পদ্ধতিৰ সামাঞ্জস্য নেথাকিলে কামৰূপী লোকগীতৰ দোতৰা বজোৱা পদ্ধতিৰ মিল থাকিল-হেঁতেন। কেবল অমিল থকাই নহয় কামৰূপী লোকগীতৰ সুদক্ষ দোতৰা বাদকে গোৱালপৰীয়া লোকগীতৰ লগত দোতৰা সংগত কৰাটো আৰু গোৱালপৰীয়া লোকগীতৰ সুদক্ষ দোতৰা বাদকে কামৰূপী লোকগীতৰ লগত দোতৰা সংগত কৰাটো কষ্টকৰ আৰু টান। ই বাস্তব ক্ষেত্রত দেখা কথা। কাৰণ গীতৰ সুৰ বা লয় খোল বা তবলাৰ মাত্রা বা বোল আৰু দোতৰাৰ বাজন (কাঃ দোতৰাৰ ঝুৰ, গোঃ দোতৰাৰ ডাং) ৰ এটি সামাঞ্জস্য আছে। সেয়ে গোৱালপৰীয়া লোক-গীতৰ সুৰ বা লয়ৰ কথা কওঁতে এই কথাও বিবেচনা কৰিবলগীয়া হয়।

এইখিনি কথা আগত ৰাখি গোৱালপৰীয়া লোকগীতৰ সুৰ বা লয়ক তলত দিয়া ধৰণে বিভক্ত কৰিব পাৰি।

১। ভাওৱাইয়া, ভাসান বা চিতান।

২। চট্‌কা।

৩। মইষালী।

৪। চকৰা।

১। ভাওয়াইয়া ঃ ভাওয়াইয়া শব্দটি সম্বন্ধে শিবানন্দ শর্মা মহাশয়ে তেওঁৰ সম্পাদনাত ওলোৱা স্মৃতিগ্রন্থৰ 'ভাওয়াইয়া' শীর্ষক প্রবন্ধত লিখিছে যে, ভাওয়াইয়া শব্দটি ক'ৰ পৰা কেনেকৈ উৎপন্ন হ'ল এই বিষয়ে খাটাংকৈ কোৱা টান। 'ভাব'ৰ পৰা ভাওয়াইয়া হ'ব পাৰে। উক্ত স্মৃতি গ্রন্থতে মাস্তবৰ ৺শিবেন্দ্র নাৰায়ণ মণ্ডল মহাশয়ে লিখিছে, "বহুতৰ মতে ভাব+ইয়া 'ভাবিয়া'ৰ পৰা ভাওয়াইয়া হৈছে।" শ্রদ্ধেয় ৺প্রভাত চন্দ্র ৰায়ে লিখিছে, "ভাব+ইয়া=ভাওয়াইয়া।

'ভাব' অৰ্থ দুবিধ হ'ব পাৰে। ভাব—ভালপোৱা শব্দৰ প্ৰতিশব্দ বা অৰ্থ প্ৰকাশক ; ভাব-মনৰ পূৰ্ণ বিকাশশীল ৰস।"

ব্যাকৰণৰ ফালৰ পৰা চালে 'আইয়া' প্ৰত্যয়ৰ সংযোগত সৃষ্ট শব্দই noun of agency অৰ্থাৎ কৰ্ম কৰোঁতাজনক বুজায়। যেনে : ক + আইয়া > কৰাইয়া, খা + আইয়া > খৰাইয়া, যা + আইয়া > যাৰাইয়া হয়। তেনেদৰে ভাব + আইয়া > ভাৰাইয়া হ'ব লাগে। আৰু দ্বিজেন নাথকে আদি কৰি মধ্য গোৱালপাৰীয়া লিখকসকলে পিছৰ বানানটোকে গ্ৰহণ কৰিছে। কিন্তু পশ্চিমাঞ্চলৰ লিখকসকলে শ্ৰদ্ধেয় শিৱানন্দ শৰ্মাই কোৱাৰ দৰে শব্দটিৰ উৎপত্তি নজনাকৈয়ে এই বানানটো পৰম্পৰাগতভাবে লিখি আহিছে। উক্ত শব্দৰ ওয়' আৰু 'বা'ৰ উচ্চাৰণ একে। বঙালী 'ৱ' ধ্বনি আছে কিন্তু বৰ্ণ 'ৱ', ক্ৰমতা অঞ্চলৰ কথিতৰূপ ভাষাতে 'ৱ' ধ্বনি আৰু ই তাৰ বৰ্ণও। তেনে ক্ষেত্ৰত ভাওয়াইয়া শব্দটি পূৰ্ববঙ্গৰ পৰা অহা বুলি কৰা মন্তব্য ভাবিবলগীয়া। কিছুমানে কয় যে ক্ৰমতা অঞ্চলত এই গীতক পূৰ্বত ভাসান বা চিতান বুলিছিল। কিন্তু বৰ্তমানে ভাওয়াইয়া শব্দই সেই স্থান অধিকাৰ কৰি লৈছে। উক্ত স্মৃতিগ্ৰন্থৰ সম্পাদকে লিখিছে, 'অসম সাহিত্য সভাই প্ৰকাশ কৰা 'অসমীয়া সংস্কৃতি' নামৰ পুথিৰ ২৫৯ পৃষ্ঠাত ভাৰাইয়া আৰু ভাসান গীত একে বুলি কোৱা হৈছে। ভাসান গীত আমি ভাসান যাত্ৰা হিচাবে ইতিপূৰ্বেই আমাৰ এই সংকলনৰ ৩২ পিঠিত উল্লেখ কৰিছোঁ।" ভাসান যাত্ৰা বুলি তেওঁ উল্লেখ কৰা গীতটি পদ্মপুৰাণৰ ভাটীয়ালী অংশ য'ত বেউলাই স্বামীৰ মৃতদেহ কলৰ ভূৰত তুলি লৈ নদীৰে ভাহি ভটিয়াই দেবপুৰীলৈ যাত্ৰা কৰিছিল। ভাসি যোৱাৰ পৰা ভাসান শব্দটিৰ অৰ্থ কবি তেওঁ পদ্ম পুৰাণৰ এই অংশক 'ভাসান যাত্ৰা' নামকৰণ কৰিছে। 'ভাসা'ৰ পৰা ভাসান (ওপঙা) হৈছে ঠিক। কিন্তু এই শব্দই মন ভহাৰ কথাহে কৈছে।

সাধাৰণতে বিষাদ বেদনাপূৰ্ণ বা গভীৰ আবেগপূৰ্ণ গীতবোৰ যেতিয়া দীঘল কৰুণ সুৰত গোৱা হয় তেতিয়া গায়ক আৰু শ্ৰোতাৰ মন অধীৰ অস্থিৰ হৈ পৰে। তেনে গীতৰ লয়ৰ ঢৌৰে ঢৌৰে মন-প্ৰাণ-হিয়া ভাহি যায়, গীতৰ জগত-খনত উৰি ফুৰে বিশেষকৈ নাৰীৰ মন।

"তোৰ দোতৰাৰ খীৰল ভাঙে,
নাৰীৰ মন মোৰ নাৱয় ঘৰে"
"চিকণ কালাৰ দোতৰাৰ ভাং,
ঘৰত নাৱয় নাৰীৰ প্ৰাণৰে।"

ভাসান বা ভাৱাইয়া গানত বজোৱা দোতৰাৰ সুৰ শুনি ঘৰৰ তিৰোতাই মাজ নিশা পতি-পুত্ৰক এৰি থৈ বাঁহীৰ সুৰত কৃষ্ণ-ভক্তা গোপিনীৰ নিচিনাকৈ ওলাই অহা বুলি লোক কথা সমাজত প্ৰচলিত আছে। গতিকে এনে অৰ্থতে ভাসান কথাটো ব্যবহাৰ হৈছে আৰু সেয়ে ভাসান আৰু ভাৱাইয়াৰ মাজত পাৰ্থক্যও নোহোৱা হৈ পৰিছে। ভাৱাইয়া এটি সুৰ বা লয়। তবলা বিজ্ঞানমতে ইয়াত বিলম্বিত কাহাৰবা তাল হয়। গতিকে ভাৱাইয়া বিলম্বিত কাঠাৰবা লয়। এই গানৰ লগত বজোৱা মাত্ৰা হ'ল :

'ডোলো, ডোলো ডোলো ডং
ডোলো ডোলে, নোলো ডং

ইয়াৰ চাবি আংৰ পিছত 'খাবল ডাং' পৰিব পাৰে।

ভাৱাইয়া গানৰ সংগাৰ কথা আলোচনা কাৰ ৺শিবেন্দ্ৰ নাৰায়ণ মণ্ডল মহাশয়ে কৈছে যে, যি গানৰ সুৰ আৰু বিষয়-বস্তুৰে অন্তৰত শিহৰণ তোলে আৰু ভাবত আপ্লুত কৰে সিয়ে ভাৱাইয়া। ইয়াৰ সুৰ দীঘলীয়া, তাল বিলম্বিত, ইয়াত সুৰ বৈচিত্ৰ সৃষ্টি কৰাত সুবিধা আছে। ই অনুৰাগ, বিৰহ, বিচ্ছেদ ভাগে বিভক্ত। ডঃ অজয় কুমাৰ চক্ৰবৰ্তীৰ মতে 'জীবনৰ দুখ বেদনাৰ অনুভূতি এই গীতবোৰত প্ৰকাশ পায়।' দ্বিজননাথে কয় যে ভাৱাইয়া গীতত আদি ৰসৰ প্ৰাধান্য থাকিলেও কৰুণ ৰসৰ প্ৰাধান্যও মন কৰিবলগীয়া। ৺প্ৰভাত ৰায়ৰ মতে ভাৱাইয়া গীতত নায়ক-নায়িকাৰ মনৰ অভিব্যক্তি সৰলভাবে প্ৰকাশ কৰা হয়। শিবানন্দ শৰ্মাৰ মতে নাৰী মনৰ সন্ধানৰ বাতৰিৰ দ্বাৰা ভাৱাইয়া গীত পৰিপূৰ্ণ। ইয়াৰ প্ৰধান সুৰ বিৰহ। সেই কাৰণে ভাৱাইয়া গীতত বিৰহৰ মৰ্মভেদি দীৰ্ঘ নিশ্বাস শুনা যায়। ইয়াৰ পৰা এইটো স্পষ্ট হৈ পৰে যে, এই গীতৰ মূল প্ৰেম। গতিকে প্ৰেমৰ ভাব-অনুভাব, ৰাগ-অনুৰাগ, মিলন বিচ্ছেদ, বিৰহ-কাৰুণ্য ভাৱাইয়া গীতৰ মূল উপজীব্য। এই প্ৰেম ডেকা-গাভৰুৰ, স্বামী-স্ত্ৰীৰ, পৰ পুৰুষ-নাৰীৰ, ৰাধা-কৃষ্ণৰ প্ৰেম হ'ব পাৰে। প্ৰেমৰ ভাবানুভূতি, বিষাদ-নৈৰাশ্য আৰু কাৰুণ্যৰ প্ৰকাশতে এই গীতৰ মাহাত্ম্য আৰু এই মাহাত্ম্যৰ বাবেই এই গীত সবাতকৈ প্ৰিয়। এই গীতৰ সংখ্যাও অধিক আৰু অনুষ্ঠানত ই প্ৰাধান্যও পায় বেছি। কমতা বাজ্য অঞ্চলত অনুষ্ঠিত যি কোনো মঞ্চত এই গীতে মুখ্য স্থান পায়। আনকি সামাজিকভাবে অনুষ্ঠিত দোতৰাৰ গান, পালা গানতো এই গীতৰ প্ৰাধান্য যথেষ্ট। সবাতকৈ আশ্চৰ্যৰ কথা হ'ল চৰক পূজা, হুদুম পূজা, কাতি পূজা আদি ধৰ্মীয় পূজা অনুষ্ঠানতো

এইবোৰ গীতৰ প্ৰাধান্য। এই গীতৰ আবেদন সবাতকৈ বেছি। কাৰণ এইবোৰে মানুহৰ মন-প্ৰাণ-অন্তৰ, হৃদয়-আত্মাৰ ভালপোৱাৰ বিশ্বজনীন সুকোমল অনুভূতি, বিচ্ছেদৰ হিয়াভগা যাতনা আৰু বিৰহৰ হৃদয় বিদাৰক কাৰুণ্য প্ৰকাশ কৰে মিয়ে মানুহৰ মন-প্ৰাণ-হৃদয়ৰ গভীৰতম স্থলত দাগ কটা ধৰণে স্পৰ্শ কৰি যায়। এনে মাহাত্মাৰ বাবে গোটেই কমতা অঞ্চলৰ গীতকে ওৰাইয়া লোক সংগীত বুলি আখ্যায়িতও কৰে। এই গীত ভাব-অনুভূতি প্ৰকাশক আৰু নাৰীপ্ৰাণৰ আকুতি প্ৰকাশত তুলনাবিহীন। কিন্তু পুৰুষ গীতিকাৰসকলে নাৰী হৃদয়ৰ চুকে কোণে সংগোপনে থকা ভাব-অনুভূতি উপলব্ধি কৰি সুৰৰে বাধায় কৰি তোলাটো অতিকৈ আশ্চৰ্যৰ বিষয়। কিমান সূক্ষ্ম অনুভূতি প্ৰাণ হলে এনে ৰচনা সম্ভৱ হ'ব পাৰে সি কল্পনাৰ বিষয় মাত্ৰ। এই গ্ৰন্থত এই গীতবোৰক প্ৰেমমূলক গীতৰ অন্তৰ্গত কৰি চাৰি দিশ মাৰি আলোচনা কৰৰ চেষ্টা কৰা হৈছে।

পৃথিবীৰ প্ৰান্তে প্ৰান্তে প্ৰেমানুভূতিৰ সূক্ষ্মাতিসূক্ষ্ম ভাব প্ৰকাশক প্ৰেমৰ গীত ৰচিত হৈছে। বহির্জগতৰ কথা নেজানিলেও অন্তৰ্ভাৰতৰ কোনো প্ৰান্তৰ লোক-গীতত কমতা ৰাজ্য অঞ্চলৰ দৰে প্ৰেমৰ আনুভূতিক গভীৰতাৰে আৰু সংখ্যাৰ পৰিধিহীনতাৰে প্ৰেমমূলক লোকগীত ৰচনা নোহোৱা বুলি ক'ব পাৰি। প্ৰেম-অনুভূতি প্ৰধান (love sentiment) এই শ্ৰেণীৰ গীতে এই ভৌগোলিক ক্ষেত্ৰ অঞ্চলত প্ৰাধান্য পালে কিয়— ই এক সঁচা চিন্তাৰ বিষয়।

পূৰ্বভাৰত প্ৰকৃতিৰ লীলাভূমি। প্ৰকৃতিৰ সুৰম্য পৰিবেশে মানুহৰ বিশেষকৈ যৌবনৰ উৰ্বৰা মনত প্ৰেমৰ বীজ সিঁচি দিয়ে। তুলনামূলকভাবে পূৰ্ব ভাৰতৰ জলবায়ু সেমেকা বাবে অধিবাসীসকল কৰ্মবিলাসী নহৈ ভাববিলাসী। ভাববিলাসীৰ মনত প্ৰণয় আৰু প্ৰণয়ৰ গীতে বাহ লয়। সমাজ আৰু লোকগীতত বিয়াক 'বেচেয়া খাওৱা' বুলি কয়। বিয়াৰ ক্ষেত্ৰত টকাৰ লেনদেনতকৈ মনৰ অৰ্থাৎ প্ৰেমৰ লেন-দেন ভাল বিবেচিত হ'ব পাৰে। ডেকা-গাভৰুৰ অবাধ মিলনে প্ৰণয় আৰু প্ৰণয়ৰ গীত ৰচনাৰ কাৰণ হ'ব পাৰে।

পূৰ্ব ভাৰত আলপাইন আৰু মঙ্গোলীয়সকলৰ গৃহভূমি। ইয়াত অষ্ট্ৰিক সংখ্যা লঘিষ্ঠ, অবিমিশ্ৰিত দ্ৰাবিড় নাই, ককেচিয়ান আৰ্য ইয়ালৈ অহা নাই। সাহা, সুৰি, সেন, খেন, বামোণ, কায়স্থ, ৰাজবংশী, কলিতা, নাপিত, কেওট আদি বহু-ভাগে বিভক্ত আলপাইনসকল। মুছলমানসকল আলপাইন আৰু মঙ্গোলীয়। কমতা অঞ্চলৰ কোচ-ৰাভাসকল মঙ্গোলীয়, উজনিৰ, আহোমসকল শ্যামীয় মঙ্গোলীয়।

সহবস্থানৰ বাবে আলপাইন আৰু মঙ্গোলীয়ৰ মিশ্রণ ঘটিছে। এনে মিলনে প্রেম আৰু প্রেমমূলক গীতৰ সৃষ্টিৰ কাৰণ হ'ব পাৰে নেকি যিহেতু উজনি আৰু কমতা অঞ্চলত প্রেমমূলক গীতৰ সংখ্যা অধিক?

চট্‌কা আৰু ভাৱাইয়া গীতৰ মূল পার্থক্য ঃ ১। বিষয় বস্তুৰ গুৰুত্ব আৰু লঘুত্ব। ভাৱাইয়াত বিষয়বস্তু গুৰু, কিন্তু চটকাত লঘু। ২। ভাৱাইয়াত আবেগধর্মী দীঘলীয়া লয় বাবে বিলম্বিত তাল। কিন্তু চট্‌কাত লয়ৰ গতি দ্রুত। ৩। ভাৱাইয়া গীতৰ ৰস প্রধানত আদি আৰু কৰুণ। কিন্তু চট্‌কা'ৰ ৰস প্রধানকৈ হাস্য আৰু হাস্য মিশ্রিত কৰুণ। ৪। ভাৱাইয়া গীতৰ বিষয়-বস্তু ৰাগ-অনুৰাগ, ভাব-অনুভাব, প্রেম, মিলন, বিচ্ছেদ, বিৰহ আৰু কাৰুণ্যৰে বিজড়িত। কিন্তু চট্‌কাৰ বিষয়-বস্তু সমাজৰ যি কোনো ক্ষেত্রৰ পৰা লোৱা হয়।

২। চট্‌কা ঃ এটি লয়। তবলা বিজ্ঞানমতে ইয়াত খেম্‌টা আৰু ভাঙ্‌ৰী একতাল বজোৱা হয়। গতিকে গোৱালপৰীয়া চট্‌কা খেম্‌টা বা ভাঙ্‌ৰী একতাল লয়। চট্‌কা এটি লয়ৰ নাম। ই গীতৰ শ্রেণী বিভাজনৰ নাম নহয়। বিভিন্ন শ্রেণীত বিভাগ কৰা যি কোনো শ্রেণীৰ গীতেই এই লয় বা তালত গাব পাৰে। এই লয়ৰ লগত বজোৱা দোতৰাৰ মাত্রা হ'ল ঃ

ডোলো / ডোং / নোলো / ডোং

ইয়াতো পূর্ণ মাত্রাৰ শেষত খীৱল ডং পৰিব পাৰে।

৩। মইষালী ঃ এটি লয়। মইষালৰ পৰা মইষালী লয়ৰ জন্ম হৈছে। এই লয়ত তবলা বিজ্ঞানৰ তেউৰা, ঝাপ, দাদ্‌ৰা তাল সংগত কৰা হয়। গতিকে গোৱালপৰীয়া মইষালী লয় তেউৰা, ঝাপ, দাদ্‌ৰা (কেতিয়াবা বিলম্বিত) লয়। এই লয়ৰ লগত বজোৱা দোতৰাৰ মাত্রা হ'ল ঃ

ঝাপ— ডো লো / ডং

নো লো / ডং

মাত্রান্তে চুটী খীৱল পৰিব পাৰে। গোৱালপাৰীয়া ইয়াক চাচৰ ভাং বোলে।

৪। চৰুৱা ঃ এটি লয়। চৰুৱা শব্দটি হৈছে নদীৰ চৰ শব্দৰ পৰা। চৰুৱা শব্দই নদীৰ চৰত বাস কৰা মানুহক বুজায়। সেই মানুহবোৰৰ গীতৰ লয়কে এই শব্দটিয়ে সামৰি লৈছে। কামৰূপ জিলাত 'চৰত' বাস কৰা মানুহবোৰক 'চৈৱা' বুলি কয়। সাধাৰণতে পুৱণি বঙ্গৰ পৰা অহা মুছলমান মানুহবোৰে নদীৰ চৰত বাস কৰিছিল বুলিয়েই 'চৈৱা' শব্দটিৰে কেৱল মুছলমান সম্প্রদায়কহে বুজোৱা হয়।

চকুৰা লয়ৰ বিভিন্ন গীতত বিভিন্ন তাল বজোৱা হয়। গতিকে গোৱালপৰীয়া চকুৰা লয় তবলা বিজ্ঞানৰ বিভিন্ন তালৰ লয়। এই লয়ৰ লগত বজোৱা দোতৰাৰ মাত্ৰাও বিভিন্ন ধৰণৰ হ'ব পাৰে। ওপৰত উল্লেখ কৰা মাত্ৰাবোৰৰ উপৰিও এই লয়ত -- ঢোলো ঢোলো নোলো/তং এই মাত্ৰা বজোৱা হয়। এই মাত্ৰাৰ অন্তৰ্ভুক্ত আন মাত্ৰাৰ নিচিনাকৈ চুটী খীৰল পৰিব পাৰে। (তাল লয় সংক্ৰান্তৰ কথাখিনি শীৰলোতৰি ৰায়ৰ সহায়ত লিখি উলিওৱা হৈছে।)

ওপৰৰ আলোচনাত তবলা বিজ্ঞানৰ কথ কোৱা হৈছে যদিও প্ৰকৃতপক্ষে গোৱালপৰীয়া লোকগীতত খোলহে ব্যবহাৰ কৰা হয়। বুজাত উজু হ'ব পাৰিছে মাত্ৰ তবলাৰ নাম উল্লেখ কৰা হৈছে। কিন্তু লোকগীতৰ লয় বা সুৰক তবলা বিজ্ঞানৰ নিবন্ধনে বান্ধি নেযায় লোকগীতৰ লগত এইবোৰৰ মাত্ৰা বা বোলৰ সকলো সময়তে ঠিক নেথাকে। কেতিয়াবা বৰ্ধিত আৰু কেতিয়াবা সঙ্কুচিত হ'ব পাৰে। তেনে ক্ষেত্ৰতো এই কথাৰ আশ্ৰয় লোৱা হৈছে কেবল মাত্ৰ গোৱালপৰীয়া লোকগীতৰ লয় বা সুৰ নিৰ্ণয় কৰাৰ উদ্দেশ্যেহে।

দুই একে ইতিমধ্যে ভাটীয়ালী গীতৰ কথা উল্লেখ কৰিছে। কিন্তু প্ৰকৃততে ভাটীয়ালী গীত গোৱালপাৰাৰ মৌলিক সম্পত্তি নহয়। পূৰ্ব ভাৰতৰ পূৰ্ববঙ্গই হৈছে ভাটীয়ালীৰ জন্মভূমি। সময়ে সময়ে পূৰ্ব বঙ্গৰ পৰা অহা মানুহৰ লগতেই কিছুমান ভাটীয়ালী গীত কামৰূপ, গোৱালপাৰা আৰু উত্তৰ বঙ্গত সোমাই পৰিছে। পূৰ্ব বঙ্গৰ পৰা অহা মানুহবোৰ হিন্দু ৰাজ ওঁক বা মুছলমানেই হওঁক --নদীৰ চৰত বাস কৰিছিল। এইবোৰ মানুহৰ মুখত দুই চাৰিটা ভাটীয়ালী গীত শুনা যায়। কিন্তু সেইবোৰ গীতৰ কথা বহুলাইহে। সেইবোৰ মানুহ বহুদিন বাস কৰাৰ পিছত গোৱালপৰীয়া ভাষাত চৰবাসী বসিকসবলৰ কণ্ঠত যিবোৰ গোৱালপৰীয়া গীত ৰচিত হ'ল সেইবোৰৰ মাজত ভাটীয়ালী লয় খণ্ড খণ্ডভাবে সোমাই পৰিছে মাত্ৰ। সেয়েহে এই আলোচনাত সম্পূৰ্ণ ভাটীয়ালী গীত বা লয় গোৱালপৰীয়া বুলি সামৰি লোৱা নহ'ল।

প্ৰত্যেকবিধ গীতৰে একো একোটি নিজস্ব ঢং আছে। মহাপুৰুষদুয়জন ৰচিত গীতৰ ঢং, ৰবীন্দ্ৰ সংগীতৰ ৰাবীন্দ্ৰিক ঢং। তেনেকৈয়ে গোৱালপাৰাৰ গীতবোৰো এটি নিজস্ব ঢং আছে। আন বহু ক্ষেত্ৰত কামৰূপী আৰু গোৱালপৰীয়া লোকগীতৰ সাদৃশ্য থকা বুলি কলেও ঢঙৰ ক্ষেত্ৰত এই দুয়ো শ্ৰেণীৰ লোকগীতৰ বৈশাদৃশ্যহে বেছি। গোৱালপৰীয়া লোকগীতৰ ঢং আৰু চলন ৰীতি যে উত্তৰবঙ্গ আৰু বাংলাদেশৰ লোকগীতৰে নিৰ্ভুলভাবে সাদৃশ্যপূৰ্ণ এই কথা অনস্বীকাৰ্য। ইয়াৰ পৰা এনে অনুমান

কৰিব পাৰি নেকি যে প্ৰাচীন কামৰূপ ৰাজ্যৰ ভিতৰৰা উত্তৰবঙ্গ আৰু বাংলা-দেশৰ ৰংপুৰ অঞ্চলত এই বিশেষ ঢং আৰু চলন ৰীতিযুক্ত লোকগীত প্ৰাচীন কালৰ পৰা প্ৰচলিত হৈ আহিছে? সি যি কি নহওঁক, এই ক্ষেত্ৰত গোৱালপৰীয়া লোকগীতক কামৰূপী লোকগীতৰ ওচৰলৈ টনাটো মুঠেই সমীচীন নহব। পণ্ডিত ব্যক্তিসকলৰ বাবে এইয়াও আলোচনাৰ এটি দিশ হৈ আছে।

৬। ছ। বনঘোষা ও প্ৰেমমূলক গীতত শৃংগাৰ ৰস :

সাহিত্যৰ নব ৰসৰ ভিতৰত শৃংগাৰ এবিধ। গুৰুত্বত ই অতি গধুৰ, মাহাত্ম্যত অতি মহৎ। সৃষ্টি ও প্ৰজন্মৰ মূলতঃ শৃংগাৰ বা আদি ৰসৰ মাহাত্ম্য ও প্ৰাধান্য অনস্বীকাৰ্য। কাব্যতো এই ৰসৰ প্ৰাধান্য অস্বীকাৰ কৰা নেযায়। এই ৰস প্ৰধান সাহিত্য প্ৰাচ্য-পাশ্চাত্য উভয় দেশতে ৰচিত হৈছে। বেদ-বেদান্তৰ যুগ বিগত হোৱাৰ পিছৰে পৰা ভাৰতীয় সাহিত্যৰ ইতিহাসত শৃংগাৰ ৰসাত্মক সাহিত্য সৃষ্টিৰ বহুলতাৰ স্বাক্ষৰ পোৱা যায়। ভাৰতীয় সাহিত্যৰ দৰে অসমীয়া সাহিত্যয়ো এই ৰসৰ ধাৰাটো পৰম্পৰাগতভাবে বহন কৰি আছে। শ্ৰীমন্তশঙ্কৰদেবে কবি পীতাম্বৰক আদি ৰসাত্মক সাহিত্য প্ৰণেতা বুলি দূষলৈ ঠেলি দিছিল। কিন্তু ভাগবতৰ ৰাসলীলাত শৃংগাৰ ৰসে আছে যাৰ ৰতি। তাকে শুনি হওঁক নির্মল মতি॥' বুলি লিখি তাত তেওঁ নিজে আদি ৰস প্ৰয়োগৰ কথা স্বীকাৰ কৰিছে। গতিকে পৌৰাণিক যুগ সৰহি আহি কাব্যত শৃংগাৰ ৰস প্ৰয়োগৰ পৰম্পৰা এই দেশৰ সাহিত্যত আজিও প্ৰচলিত হৈ আছে।

লোকগীত যুগ নিৰপেক্ষ যুগৰ সাহিত্য। বিহুগীত আৰু গোৱালপৰীয়া লোকগীতো এই শ্ৰেণীভুক্ত। বিহুগীত বসন্ত উৎসবৰ গীত। বসন্তকাল চ'তৰ আৰম্ভণিৰ পৰা বহাগৰ শেষলৈকে। বিহু উৎসব এই ঋতুৰ মধ্য কালছোৱাত আৰম্ভ হয়— চ'তৰ সংক্ৰান্তিৰ পৰা বহাগৰ ছদিনলৈ। বসন্তকাল প্ৰকৃতিৰ যৌবন কাল। গতিকে পৃথিবী আৰু জীব জগতৰো ই যৌবন কাল। এই কালতে প্ৰকৃতিয়ে সৃষ্টিৰ পাতনি মেলে। এই কাল পৃথিবীৰ চাৰিমুঠি জীবলৈ সমানেই সৃষ্টিমুখী উদ্যমৰ কাল। মানুহ ইয়াৰ ব তিক্ৰম নহয়। বিশেষকৈ ডেকা গাভৰুৰ দেহ-মনত এই সময়ত সৃষ্টিমুখী শৃংগাৰ ৰসে ভৰপক দিয়ে।

'তোৰ নাৰীৰ নয়া যৈবন
তাকে দেখিয়া মন মোৰ দুল খেলায় ৰে।'

যুবতীৰ নতুন যৌবন দেখি ডেকাৰ ডেকা-মন প্ৰেমত দোদুল্যমান। জীবনৰ যৌবন অতি গুৰুত্বপূৰ্ণ কাল। যৌবনত দেহৰ পবিপক্কতাৰ লগতে মন-প্ৰাণৰো পবিপক্কতা আহে। এই সময়ত প্ৰেম-প্ৰীতিৰ ভাব বৰ উগ্ৰ হয়। কাম ভাবে দেহ মনক বৰকৈ পীড়া কৰে। মনে বিচাৰে প্ৰাণে ভাল পোৱা জনৰ লগত মৰম-চেনেহৰ আদান-প্ৰদান কৰিবলৈ আৰু বিচাৰে ডেকা তেজৰ যৌন সম্ভোগৰ ক্ষুধা চৰিতাৰ্থ কৰিবলৈ। সেয়ে প্ৰকৃতিৰ লগতে ডেকা-গাভৰুৰ প্ৰাণত উঠে শৃংগাৰ বসাত্মক ভাবৰ উচ্ছ্বাস। এই আনন্দোচ্ছ্বাসে প্ৰকাশ বিচাৰে আৰু বিহু উৎসবক কেন্দ্ৰ কৰি ৰচিত আৰু গোৱা গীতবোৰেৰে এই আনন্দ উচ্ছ্বাস প্ৰকাশ কৰা হয়।

বিহুগীতৰ দুটা ভাগ—হুচৰিৰ গীত আৰু বনঘোষা। হুচৰিৰ গীত গৃহস্থৰ ঘৰে ঘৰে আশীৰ্বাদ দি গাই ফুৰা গীত। এইবোৰত কাম-প্ৰেম-ভাবৰ পৰশ কম আৰু ধৰ্মীয় ভাবৰ প্ৰভাব গাঢ়। কিন্তু বনঘোষা 'যৌন জীবনৰ অভিব্যক্তি', 'যৌবনৰ গীত, প্ৰীতিৰো গীত।' 'প্ৰকৃতি পুৰুষৰ আকৰ্ষণ সৃষ্টিৰ আদিম সত্য।' এই সত্যৰ, এই আকৰ্ষণৰ মুক্ত প্ৰকাশৰ মাধ্যম এই বনঘোষা।

গোৱালপৰীয়া লোকগীত আৰু বিহুগীত অসমীয়া লোকগীতৰ অন্তৰ্গত। বিহুগীত মানেই আদি বসাত্মক প্ৰেমৰ গীত নহয়। বনঘোষাবোৰেহে প্ৰেমৰ গীত। গোৱালপৰীয়া লোকগীত বুলি ক'লে এক বৃহৎ পৰিসৰৰ গীতক বুজায়। এই সকলোবোৰ গীতেই প্ৰেমমূলক গীত নহয়। গোৱালপৰীয়া অগণন লোকগীতৰ ভিতৰত বনঘোষাৰ দৰে এক বুজন সংখ্যক প্ৰেমমূলক গীত আছে। এইবোৰক যৌন জীবন কেন্দ্ৰিক গীত বুলি ক'ব পাৰি। এই প্ৰেমমূলক (গোৱালপৰীয়া গীতৰ অৰ্থত) বা যৌন জীবন কেন্দ্ৰিক গীতবোৰ বহুধা বিভক্ত : প্ৰেম, দাম্পত্য প্ৰেম, পৰকীয়া প্ৰেম, ৰাধা-কৃষ্ণৰ প্ৰেম। সেয়ে এইবোৰ বনঘোষাৰ দৰে কেবল যৌবনৰ গীত নহয়। যৌন জীবন আৰু যৌবন জীবন দুটি বেলেগ বিষয়। বনঘোষাত যৌবনৰ যৌন জীবন আৰু গোৱালপৰীয়া লোকগীতত জীবনৰ যৌন জীবনৰ প্ৰগাঢ় আকৰ্ষণৰ প্ৰকট বৰ্ণনা আছে। সেয়ে এই দুয়োবিধ গীতত সৃষ্টিৰে জড়িত আদি বা শৃংগাৰ বসৰ প্ৰাধান্য স্পষ্টভাবে প্ৰকাশ পাইছে। এই গীতবোৰত প্ৰেম আছে, প্ৰেমৰ ভাব-অনুভাব, ৰাগ-অনুৰাগ আছে, মিলন-বিচ্ছেদ আৰু মিলনৰ আনন্দ, বিচ্ছেদৰ কাকণ্য আৰু হা-হুমুনিয়াহ আছে।

প্ৰেম-প্ৰীতিক কেন্দ্ৰ কৰি সাহিত্যত আদি বা শৃংগাৰ বস-সৃষ্টি হয়। প্ৰেমে জাত-অজাত, ধনী-নিৰ্ধনী আৰু সামাজিক বন্ধনৰ সীমাবেখা নেমানে। প্ৰেম

প্ৰেমেই। ইয়াত থাকে দৈহিক আৰু মানসিক সৌন্দৰ্যৰ আকৰ্ষণ আৰু ভালপোৱা গতিকে প্ৰাণে ভাল পোৱা, মনে বিছৰা জন বা জনী ধনী নে দুখীয়া, জাতৰ নে অজাতৰ তেনে কথাৰ ভাব-ভাবনাও নাই। সেয়ে বনঘোষাত কৈছে :

'তোৰো মন গ'লে মোৰো মন গ'লে
কি কৰিব কলিতা কুলে।'

গাওঁৰ সম্পদ ও প্ৰতিপত্তিশালী ব্যক্তি মণ্ডলৰ বেটীয়ে আনৰ ঘৰত চাকৰি কৰা দীন হীন মানুহৰ প্ৰেমত পৰিল। Love is blind. প্ৰেম অন্ধ ভাবে হয়। এই অসম্ভৱ প্ৰেম কিয় সম্ভৱ হ'ল তাৰ কোনো উত্তৰ নাই। গোৱালপৰীয়া প্ৰেমমূলক গীতৰ এইজনী প্ৰেম বলীয়া মণ্ডলৰ বেটীয়ে দেউতাক মণ্ডলৰ মৰ্যাদা আৰু আভিজাত্য ঠেঙেৰে গছকি সেই হাভী মানুহক কাতৰ আহ্বান জনাইছে এই বুলি :

'ৰাজাৰ ঘৰৰ মানুহ তুই,
মণ্ডল ঘৰৰ বেটী মুই,
মোক নিয়া যা মানুহ
তোৰ সাথেৰে॥'

প্ৰেমৰ জুই আৰু ইয়াৰ জ্বালা অতি সাংঘাতিক। প্ৰেমত নপৰা দুৰ্ভগীয়াজনে ইয়াৰ উমান নেপায়। এই জুইয়ে মানুহক মানুহৰ অলক্ষিতে পুৰে, দহিয়ো নিয়ে :

"ওৰে নলেৰ আগুন তলে তলে
কাশিয়াৰ আগুন জ্বলে।
আৰ মোৰ অভাগীৰ মনেৰ আগুন
দিনে ৰাতি জ্বলে ৰে॥'

নল খাগৰিত জুই লাগিলে সেই জুইয়ে তলৰ অংশত থকা শুকান ডাল-পাতবোৰ পুৰি নুমাই যায়। সেয়ে দূৰৰ পৰা এই জুই দেখা নেযায়। কিন্তু কাঁহি বনত জুই লাগিলে সেই জুই দপ্‌দপাই জ্বলি উঠে আৰু তাক দূৰৰ পৰাও দেখা যায়। 'কিন্তু প্ৰেম আগুন'ৰ দহন বাস্তৱ জুইতকৈ বেলেগ। বাহিৰ, দূৰ, ওচৰৰ পৰা অৰ্থাৎ সকলো ফালৰ পৰা অদৃশ্য আৰু সকলোৰে অলক্ষিতে আৰু অজ্ঞাতে অভাগিনী প্ৰেমিকাক প্ৰেমৰ জুইয়ে পুৰে— মনো পুৰে, দেহো পুৰে। কৱৰাত জুই লাগিলে তাত তিনিটা বস্তু—জুই শিখা, ছাই আৰু ধোৱা দেখা যায়। কিন্তু 'পীৰিতিৰ জুই'ৰ লক্ষণ বেলেগ। সেই জুইৰ শিখাও দেখা নেযায়, ধোঁৱাও দেখা নেযায়। দেখা যায় কেবল মাত্ৰ ছাই। ধোঁৱাও নেদেখা শিখাও নেদেখা তুঁহৰ জুইৰ

নিচিনাকৈ ই পুৰে আৰু ছাই কৰে। অৰ্থাৎ অপ্ৰকাশ্যে, অদৃশ্যে অলক্ষ্যে প্ৰেমিক-প্ৰেমিকাৰ দেহ-মন ছাইৰ দৰে ক'লা হোৱাকৈ প্ৰেম জুইয়ে পুৰি নিয়ে :

'পীৰিতিৰ আগুনে সই
শূণ্যে উৰাইলবে ছাই
সেই আগুনে না উঠিলো ধুমা।"

কিন্তু এই জুইৰ জ্বালাৰ উমান প্ৰেম বলীয়া ডেকাই পাইছে। তেওঁ সেই প্ৰেমৰ জুইৰ জ্বালা বুকুত অনুভৱ কৰিছে।

'এজনী হাবলী এজনী পাবলী
ইজনীৰ নাম বা কি ?
টুপাই বুৰ মাৰিব খুজিছা লাহৰী
বুকুত জ্বলা জুই দি ॥'

এই জুই জ্বলা জুই, প্ৰেমৰ জুই। গোৱালপৰীয়া প্ৰেমৰ গীতত প্ৰেম বলীয়া চেঙেৰা-চেঙেৰীয়ে সেই একে প্ৰেমৰ জ্বলা জুইত দহি, পুৰি কৈছে :

'জানিয়াও জানলেন না,
শুনিয়াও শুনলেন না,
জ্বলেয়া গেইলেন মনেৰ আগুন,
নিবিয়া গেইলেন না '

শৃংগাৰ ৰস সৃষ্টিত দৈহিক আকৰ্ষণ এটি গুৰুত্বপূৰ্ণ বিষয়। দেহৰ ৰূপ মাধুৰ্য আৰু যৌবন সম্ভাৰে পুৰুষ-নাৰী, ডেকা-গাভৰুক প্ৰতিপক্ষৰ আকৰ্ষণত বলীয়া কৰে। সেই আকৰ্ষণ দেহৰ কোনো অঙ্গত নিৰ্দিষ্টকৈ ঘণীভূত হ'ব পাৰে। যুবতীৰ পিনোন্নত কঠিন স্তন যুগলৰ আকৰ্ষণৰ মাদকতাত বনঘোষাৰ চলেৰে ডেকা প্ৰেমিকে কৈছে :

'তোমাৰ বুকুত দুটি যৌবনৰ টোপোলা
খোজত লাহে লাহে লৰে।
নেচাও নেচাও বুলি চকুত ঐ পৰিলে
মন মোৰ কেনেবা কৰে ॥'

একে ধাৰণা আৰু উপলব্ধি গোৱালপৰীয়া প্ৰেমৰ গীতত প্ৰকাশ পাইছে।

'তোমৰা হইলেন পৰাৰ চাকৰ,
চিপাই বন্ধু আমৰা পৰাৰ নাৰী।
লাউ নোৱায় কুমুৰা নোৱায়,
চিপাই বন্ধু ফিৰিয়া দিতে পাৰি॥'
'কমলাৰ গাছে কমলা ধৰে
সৱলোকে খায়।
এ সুন্দৰ কমলা মোৰ
ডালতে শুকায়॥'
'মিছা যৈবন মিছা গৈৰব
মিছাৰে আৰ বাহাৰ।
ফুলৰ মধু শুকিয়া গেইলে
ফুল নাফুটিবে আৰ।'

বনঘোষাৰ 'বুকুত দুটি যৌবনৰ টোপোলা' প্ৰেমৰ গীতত 'লাউ নোৱায় কুমুৰা নোৱায়', 'এ সুন্দৰ কমলা মোৰ', 'ফুল নাফুটিবে আৰ' একে আৰু সমাৰ্থ ব্যঞ্জক। যুবতীৰ লোভনীয় উঠন বুকুলৈ ৰমনীয় আকৰ্ষণ বিহু বলীয়া ডেকালৈ যি প্ৰেম বলীয়া ডেকালৈকো সেই। সেয়ে দুয়ো ক্ষেত্ৰত একে ভাব, একে উপমা। হলেও কিন্তু দৈহিক সৌন্দৰ্যক উপমাৰে আকৰ্ষণীয়কৈ প্ৰকাশ কৰা ৰীতি প্ৰেমমূলক গীতত কম। 'যাঠীৰে কুৰা যেন কঁকাল', 'বুকুত সুমথিৰা টেঙা' 'খোপা উধনীয়া', ঘোঁৰা ফাঁনৰ নিচিনা চুলি'—বিহুগীতৰ এনে প্ৰকাশ ভঙ্গী প্ৰেমমূলক গীতত থাকিলেও কম।

বনঘোষা আৰু প্ৰেমমূলক গীতক কেন্দ্ৰ কৰি শৃংগাৰ ৰস বিভিন্ন ৰং ঢঙত প্ৰকাশ পাইছে। দুয়ো শ্ৰেণীৰ গীতত শৃংগাৰ ৰসৰ মূল সৌতৰ প্ৰাধান্য সমপৰ্যায়ৰ বুলি কলেও বনঘোষাক যৌবনৰ গীত আৰু প্ৰেমমূলক গীতক জীবনৰ গীত বুলিব পাৰি। গতিকে বনঘোষাত যৌবনৰ প্ৰেম আৰু প্ৰেমত প্ৰকাশ পোৱা শৃংগাৰ আৰু প্ৰেমমূলক গীতত জীবনৰ প্ৰেম আৰু সেই প্ৰেমত প্ৰকাশ পোৱা শৃংগাৰ ৰসৰ কথা আছে। গতিকে একে শৃংগাৰ ৰসে দুয়ো শ্ৰেণীৰ গীতত বেলেগ বেলেগ ভাবে প্ৰকাশ পাইছে। এনে ক্ষেত্ৰত তলৰ পাৰ্থক্য আৰু বৈশিষ্ট্যবোৰলৈ আঙুলিয়াব পাৰি।

বনঘোষা বিহু উৎসৱৰ গীত। এইবোৰ কেবল বসন্তোৎসব বা বহাগ মাহক কেন্দ্ৰ কৰি গোৱা হয়। কিন্তু বিহু পাৰ হৈ যোৱাৰ পিছত এই গীতবোৰ গোৱা নহয়

বসন্ত উৎসব বিহু আদি নোপোৱালৈকে অবহেলিত আৰু পৰিত্যক্ত হৈ থাকে। অন্য সময়ত গালেও গীতবোৰৰ আমেজ, আবেদন, আকৰ্ষণ নেথাকে ; ৰুচিহীন, বেসুৰা হয়। সেয়ে ঃ

'বিহু থাকে মানে বিহুকে বিনাবা
বিহু গ'লে বিনাবা কাক ?'

কিন্তু প্রেমমূলক গীতবোৰ সকলো ঋতু, সকলো সময়ৰ বাবে ৰচিত। আওবতৰীয়া বিহুগীত শুনি ভাল নেলাগে। সেই ফালৰ পৰা কাল আৰু বনঘোষাৰ মাজত এটি অবিচ্ছেদ্য সম্পর্ক ও সম্বন্ধ আছে। প্রেমমূলক গীতবোৰ তেনে সীমাৰ ঊৰ্ধৰ। এইবোৰ সর্বকালৰ আবেদন যুক্ত আৰু সর্বকালৰ পৰিবেশনৰ বাবে উপযুক্ত। প্রেমিকজন প্রেমিকাৰ বাবে একান্তভাবে নিজৰ আৰু ব্যক্তিগত সম্পত্তি স্বৰূপ। এই ক্ষেত্ৰত দ্বিতীয় অংশাদাৰ নাই। যদি দুর্ভাগ্যক্রমে প্রেমিকজনে আন কোনো যুবতীৰ লগত কথা পাতে তেন্তে প্রেমিকাই কি কৰিব ?

'আৰ যদি দেখোং আৰ যদি শোনোং
অন্যেৰ সাথে হয়ে কথা।
এহেন যৈবন দৰিয়াই ভাসাইম মুই
পাষাণে ভাঙিম মাথা॥'

বনঘোষা আৰু ইয়াৰ শৃংগাৰ ৰসৰ অভিব্যক্তি কেবল বসন্তৰ পৰিসীমাৰে সীমিত। শৰৎ হেমন্তৰ পিছত বসন্ত আহে। বসন্তই লৈ আহে চাৰিমুঠি জীবলৈ সৃষ্টিৰ প্রেৰণা। গোটেই প্রাকৃতিক জগৎ বসন্তৰ বলীয়া বতাহত সাৰ পাই উঠে। ঠৰঙা গছ-লতিকাত ফুল-পাত-ফল আহে। নতুন পানীৰে নৈ-নলা সজীব হয়। জলচৰ, স্থলচৰ প্রাণীমাত্রেই সৃষ্টিৰ অদম্য বাসনাৰে উন্মুক্ত হৈ পৰে। এনে এক পুৰুষ প্রকৃতিৰ মিলন উন্মুখ পৰিবেশত মানুহ অলস অথৰ হৈ থাকিব কেনেকৈ ? সেয়ে বসন্ত-বাসনাৰে মানুহ বিশেষকৈ ডেকা-গাভৰু পাৰস্পৰিক মিলনাকাংখাত উন্মনা হয়। এনে এক ভাবোন্মদনাৰ ভাব প্রকাশত যি গান, যি সুৰ মানব হৃদয় ভেদি ওলাই আহে সি স্বাভাবিকতে শৃংগাৰ ৰসপ্রধান নোহোৱাটো অস্বাভাবিক। এনে কাৰণতে বনঘোষাবোৰ বাসন্তী শৃংগাৰ ৰসেৰে টুপ্‌টুপীয়া।

"তোমাৰ চকুযুৰি হৰিণাৰ চকু যেন
বুকুতো পদুমৰ চকা।
তোমাৰ বাহু দুটি পদুমৰ ঠাৰি যেন
বেচমৰ কাপোৰে ঢকা॥"

প্রেমমূলক গীতবোৰতো বসন্ত কালত নৱ-নাৰীৰ দেহ-মনত হোৱা যৌবন-বাসনাৰ তাপ-উত্তাপৰ কথা প্রকাশ কৰা হৈছে। :

'নাৰীৰ বসন্ত কালে মুখে মধুৰ হাঁসি।
পুৰুষৰ বসন্ত কালে হাতে মোহন বাঁশী॥'

আকৌ : 'নদীৰ বসন্ত কালে ভাঙিয়া নামায় মাটি।
নাৰীৰ বসন্ত কালে পুৰুষ গলাৰ কাটি॥'

এইটো সন্দেহাতীতভাবে সত্য যে বসন্ত কালত বিশ্ব প্রকৃতি যৌবনা আৰু প্রজন্ম-বাসনাযুক্ত হয়। এই সময়ত প্রকৃতিয়ে প্রজন্মৰ উৰৰা শক্তিও লাভ কৰে। সেই একে ভাব সৃষ্টি হয় আনবোৰ জীবৰ লগতে মানুহত। সেয়ে বসন্ত কালত শৃংগাৰ ৰসে প্রাধান্য লাভ কৰে। এই সময়ত যৌবনে বৰ বেছিকৈ আমনি আৰু উৎপীড়ন কৰে। সেয়ে প্রেমমূলক গীতত কৈছে :

'প্রাণ বাচেনা যৈবন জ্বালাই মৰি।'

আকৌ 'ভৰ যুবতী নাৰীৰ মন মোৰ
উৰাং বাইবাং কৰে।'

কিন্তু বসন্ত অতিক্রান্ত হলেও শৃংগাৰ ৰস, এই ৰসোদ্দীপক ভাব-অনুভাব, ৰাগ-অনুৰাগ শেষ হৈ নেযায়। বসন্ত কাল আৰু বসন্তৰ প্রবল শৃংগাৰ ৰসোদ্দীপনা নেথাকিলেও শৃংগাৰ সর্বকালৰ বিষয়—এই কথাটো প্রেমমূলক গীতবোৰে প্রতিপন্ন কৰিছে :

'মোৰ নয়নেৰ কাজল
তিলেক দণ্ড নাদেখিলে
মন ৰয় পাগল।'

আকৌ 'তোৰ নাৰীৰ নয়া যৈবন
তাকে দেখিয়া মন মোৰ
ঢুল খেলায় ৰে।'

ৰনঘোষাত শৃংগাৰ ৰস কেবল মাত্র যুবক-যুবতীৰ প্রেমক কেন্দ্র কৰি প্রকাশ পাইছে। যৌবন আৰু প্রেম, প্রেম আৰু শৃংগাৰ অবিভাজ্য। প্রেমৰ লগত যৌন সম্ভোগ বাসনা থাকিবই। Love for love sake বিৰল। ৰনঘোষাত যৌন আবেদন অতি প্রবল, প্রকট আৰু উন্মুক্ত; লজ্জাবো আবেশ নাই। ডেকা-গাভৰুৰ দৈহিক সৌন্দর্যৰ আকর্ষণ, যৌন-বাসনা আৰু সম্ভোগ-উন্মাদনাৰ প্রাবল্য ৰনঘোষাৰ প্রাণ।

'কিনো চ'ত মহীয়া ৰ'দে ছোঁ ছোঁ
পেটতো লাগিলে ভোক।
তিয়ঁহো নহলি চিৰালো নহলি
চোৰাই খালোহেঁতেন তোক॥'

প্রেমমূলক : হাট যান বাজাৰ যান,
কিনিয়া আনেন কদু।
বুকেৰ উপৰ বুকু ৰাখিয়া,
বন্ধু আস্তে খাইবেন মধু॥

কিন্তু প্রেমমূলক গীতবোৰত এইটো প্রতিপন্ন কৰিব বিছৰা হৈছে যে আদি ৰা শৃংগাৰ ভাব ও ৰস কেবল অবিহ্নে যুবক-যুবতীৰ প্রেম-প্রীতিৰ আৰু যৌন সম্ভোগৰ বিষয় নহয় আৰু ই তাতেই সীমাবদ্ধ হৈ নেথাকে। স্বামী-স্ত্রীৰ মাজত যি দাম্পত্য প্রেম, পৰ নাৰী-পুৰুষৰে যি পৰকীয়া প্রেম তাতো শৃংগাৰ ৰসৰ প্রাবল্য আৰু গভীৰতা আছে।:

'বৌয়ে আসি পতীক কয়
নাযান মোক ছাৰি।
তোমৰা যদি ছাৰিয়া যান,
গলাত দিম মুই দৰি॥'

প্রোষিতভর্তৃকাৰ স্বামী চিন্তাৰ উমি উমি জ্বলা প্রাণৰ সংবাদ শুনক :

'মুই নাৰী ফাগুন মাসে,
জ্বলিয়া মৰোং হা-হুতাসে।'

ৰাধা-কৃষ্ণ বিষয়ক শৃংগাৰাত্মক যিবোৰ গীত আছে সেইবোৰতো মানৰ প্রাণ আৰু প্রেমৰ শৃংগাৰ ৰসৰ সংবাদ নিহিত হৈ আছে। কাৰণ তেনে গীতৰ কিছুমানত ৰাধা-কৃষ্ণৰ প্রেম-প্রীতিক উপমান-প্রতীক হিচাবে ব্যৱহাৰ কৰি গাওঁ-নগৰৰ ৰাধা-কৃষ্ণৰ প্রেম-প্রীতিৰ সংবাদ জ্ঞাপন কৰা হৈছে।:

'এ ভাত ৰান্ধিবাৰ কালে,
তোমাৰ কথা কালা মনত পৰে,
ৰান্ধা ভাত মোৰ না যোৱায় শৰীলে॥'

'যখন আমি জলে আসি
তখন কালা বাজায় বাঁশী,
আৰে বাঁশীৰ সুৰে খসিয়া পৰে
মোৰ আঞ্চলৰ শাৰী ৰে।'

বনঘোষা শৃংগাৰ ৰসাত্মক যৌবনৰ গীত। সেই গীত মানৰ সমাজক কেন্দ্ৰ কৰি ৰচিত হৈছে। গতিকে মানৰ সমাজৰ চিত্ৰ তাত আছে। বনঘোষা বসন্ত উৎসৱৰ গীত। গতিকে বসন্তৰ সজীৱ-সপ্ৰাণ প্ৰকৃতিৰ ৰূপ চিত্ৰনো ইয়াত আছে। প্ৰকৃতিৰ গছ-লতিকা, চৰাই চিৰিকতি, নৈ-নলাই বনঘোষাৰ পৰিবেশত প্ৰাণ সঞ্চাৰ কৰি বাস্তৱমুখী কৰি তুলিছে। কিন্তু প্ৰেমমূলক গীতত বসন্তৰ উপৰি সৰ্বকালৰ প্ৰকৃতিৰ আকৰ্ষণ আছে। শৃংগাৰ ৰস সৃষ্টিত প্ৰকৃতিৰ বিমোহিত বিনন্দীয়া ৰূপ-ৰস এক উদ্দীপক ভাৱ বা কাৰণ। ইয়াত ডেকা-গাভৰুৰ উপৰি অন্যান্য পুৰুষ-নাৰীৰ শৃংগাৰ ৰসাত্মক প্ৰেমৰ চিত্ৰ আছে। আনকি মাহুত, মইষাল, গাড়ীয়াল, নাইয়া আদি সৰু সৰু চৰিত্ৰবোৰৰ লগত হোৱা যুৱতী বা পৰ নাৰীৰ প্ৰেমৰ উৎকট বৰ্ণনা আছে। কিছুমান ক্ষেত্ৰত মানৰ প্ৰাণৰ শৃংগাৰ ৰসাত্মক ভাৱৰ সংবাদ দিবলৈ জীৱ-জন্তু, চৰাই-চিৰিকতিক প্ৰেমিক-প্ৰেমিকাৰ প্ৰতীক হিচাবে ব্যবহাৰ কৰা হৈছে। যেনে ঃ

'ও প্ৰাণ কুকিলাৰে,
যখন কুকিলা মুই বাৰা বানোং
তোৰ কুকিলা মুই কান্দোন শোনোং
হাতেৰ গায়েন মাটিত থুইয়া বসিয়া ভাবোং।'
'তখনে না কইছোং ভেলোৱা
নাযাইস শশুৰ বাৰী
শশুৰ বাৰী গেইলেৰে ভেলোৱা
তোক নাদিবে ছাৰি।'
'ঐ যে ঘৰে আছে পানীয়া মৰা
বিলেই (মেকুৰী) দেখিয়া বাগাৰ দেও।'
'আৰে ও বন্ধু
কাজল ভোমোৰাৰে,
কোন দিন আসিবেন বন্ধু
জয়া যান কয়া যান ৰে।'

বিহুগীত ৰচনাত এই ৰূপ বেলেগ ভঙ্গিমাত দেখা যায় :

হাঁহ হৈ চৰিৱগৈ তোমাৰে পুখুৰীত
লাও হৈ লাগিম গৈ চালত ,
মাখিৰূপ ধৰি চুমা খাই আহিম গৈ
তোমাৰ কুমলীয়া গালত ।'

আলোচনাৰ পৰা দেখা যায় যে বনঘোষাৰ বিপৰীতে প্ৰেমমূলক গীতবোৰত সমাজ জীবনৰ শৃংগাৰ ৰস বিস্তৃত ৰূপত প্ৰকাশ পাইছে। ডেকা-গাভৰুৰ প্ৰেমৰ উন্মাদনাৰে বনঘোষাত শৃংগাৰ ৰস সৃষ্টি কৰা হৈছে। প্ৰেমমূলক গীতত বিভিন্ন পৰ্যায়ৰ মানুহৰ প্ৰেমৰ বিভিন্ন ৰূপ চিত্ৰণেৰে শৃংগাৰ ৰস সৃষ্টি কৰা হৈছে। প্ৰেমমূলক গীতত শৃংগাৰ ৰসৰ অলীয়া বলীয়া বা থাকিলেও সি বনঘোষাৰ যুবক-যুবতীৰ যৌনগন্ধী ভাৱ ব্যঞ্জক গীতবোৰত প্ৰকাশিত শৃংগাৰ ৰসৰ দৰে শৃংগাৰ ৰসৰ সৰ্বদিশ আলোড়িত কৰি যোৱা ধুমুহাৰ দৰে তীব্ৰ আৰু প্ৰচণ্ড নহয়। মুঠতে কবলৈ হ'লে বনঘোষাত প্ৰকাশ পোৱা শৃংগাৰ ৰসৰ প্ৰাবল্য, গভীৰতা আৰু মাদকতাৰ মাত্ৰাধিক্য দেখিলেও প্ৰেমমূলক গীতৰ দৰে পটভূমিৰ বিস্তৃতি, ঋতু, সময় ও বয়সৰ পৰিধিহীনতা ও উৎসৱ বিমুখতাৰ অভাৱ পৰিলক্ষিত হয়।

৬। জ। গোৱালপৰীয়া উপভাষা : ধ্বনি আৰু ৰূপতত্ত্ব :

গোৱালপাৰাত প্ৰচলিত কথিতৰূপ ভাষাটো উত্তৰবঙ্গকে ধৰি বাংলাদেশৰ ৰংপুৰ আদি জিলাত প্ৰচলিত হৈ আছে। এই ভাষাটোকে কিছুমানে ৰাজবংশী ভাষা বুলি লিখে আৰু কয়। এই বৃহৎ অঞ্চলত বসবাস কৰা ৰাজবংশীসকলৰ বাবে এই নামটো প্ৰিয়। কিন্তু অৰাজবংশীসকলৰ বাবে ই প্ৰিয় নে বিপ্ৰিয় সেইটো এতিয়াও পোহৰলৈ অহা নাই। এই ভাষাক ৰাজবংশী বুলি ভৱা আৰু কোৱাৰ প্ৰথম আৰু প্ৰধান যুক্তি হ'ল ভাষাতত্ত্ব বিখ্যাত পণ্ডিত ছাৰ জৰ্জ এব্ৰাহাম গ্ৰিয়াৰ্চনে ১৯২৭ চনত তেওঁৰ 'Linguistic Survey of India' নামৰ গ্ৰন্থত লিখা এই বিখ্যাত মন্তব্যটি : When we cross the river (Brahmaputra) coming from Dacca, we meet a well marked form of Speech in Rangpur and the districts to its north and east. It is called Rajbangshi, and while undoubtedly belonging to the eastern branch has still points of difference which lead us to class it as a separate dialect." (Page 153 Volume I. part-I)

অসমৰ ভাষাতত্ত্ব আগৰুৱা পণ্ডিত ডঃ বাণীকান্ত কাকতি আৰু ডঃ উপেন্দ্র নাথ গোস্বামী দেৱেও গ্রিয়াৰ্চনে উল্লেখ কৰা ৰাজবংশী ভাষাটোৰ স্বীকৃতি দিছে। ডঃ কাকতি দেৱে তেওঁৰ 'Assamese its formation and development' নামৰ গ্রন্থত লিখিছে : 'The spoken dialect of Goalpara district seems to have been contaminated with admixture of the Rajbangshi dialect, the dialect that was evolved under the domination of Koch King of Kochbihar whose decndants ruled over Goalpara and contiguous portion of Kamrup, P. 18.

ডঃ উপেন্দ্র নাথ গোস্বামীদেৱে অসম সাহিত্য সভা ৩৯ তম ধুবুৰী অধিবেশনত প্রকাশিত 'স্মৃতি গ্রন্থত' 'পশ্চিম অসমৰ ভাষা' শীর্ষক প্রবন্ধত লিখিছে যে চাৰ সাঙ্গালৰ উল্লেখ মতে 'দার্জিলিঙৰ শিলিগুৰি মহকুমা, অবিভক্ত জলপাইগুৰি, কোচ বিহাৰ, অসমৰ গোৱালপাৰা আৰু পূব পাকিস্থানৰ ৰংপুৰৰ উপভাষাটো বঙলাৰ এটা স্থানীয় উপভাষা।' ডঃ সুনীতি কুমাৰ চট্টোপাধ্যায় আৰু ডঃ সুকুমাৰ সেনে ইয়াক 'উত্তৰ পূব বঙলা ভাষা বুলি অভিহিত কৰিছে।' আনহাতে ডঃ কাকতি, ডঃ গোস্বামী আৰু আন অসমীয়া পণ্ডিতে গোৱালপৰীয়া ভাষাটোক অসমীয়া ভাষাৰ উপভাষা বুলিছে। শুভানন্দ চক্রবর্তীয়ে অসম সাহিত্য সভা ধুবুৰী অধিবেশনৰ স্মৃতি গ্রন্থত লিখিছে, "গোৱালপাৰা জিলাত এসময়ত অসমীয়া ভাষা-সাহিত্যৰ ভেঁটি সুদৃঢ় হয়। এই কথা সত্য হলেও কতিপয় অসমীয়া লোকে এই চৰম সত্যটো মানি ল'বলৈ টান পায়। .....ঐতিহাসিক কাৰণত বৃটিছ আগমনৰ পিছত যোৱহাটত বর্তমান অসমীয়া ব্যাবহাৰিক (সাধু) ভাষাৰ সৃষ্টি হয়। পুৰণি কামৰূপ ৰাজ্যত পুৰণি কামৰূপী বা পুৰণি অসমীয়া ভাষা অপৰিবর্তিত হৈয়ে থাকে। এই ভাষাকেই পুৰণি কামৰূপ ৰাজ্যৰ পশ্চিম অঞ্চলৰ লোকে দেশী ভাষা' বোলে। এই দেশী ভাষাই অসমীয়া সাহিত্যৰ ভেঁটি।" পিছে ডঃ কাকতিয়ে কৈছে : The spoken dialect of Goalpara district seems to have been contaminated with admixture of Rajbangshi dialect বুলি আৰু ডঃ গোস্বামীয়ে উপৰত্ত কোৱা প্রবন্ধত বর্তমান কামৰূপী উপভাষা আৰু ৰাজবংশী উপভাষাৰ তুলনামূলক বিচাৰ কৰাত বিষয়টি সকলোৰে বিবেচনাৰ বাবে অবতাৰণা কৰা হ'ল। গোস্বামীদেৱে উক্ত প্রবন্ধত ৰাজবংশী ভাষাৰ যিখন তালিকা দিছে সেইখনেই গোৱালপৰীয়া ভাষাৰো তালিকা। গতিকে গোৱালপৰীয়াও ৰাজবংশী ভাষা। তালিকাৰ সাদৃশ্যৰ পৰা কামৰূপী উপভাষাকো ৰাজবংশী ভাষাৰ ভিতৰলৈ ধৰিব পাৰি। তেনেহলে কামৰূপী গোৱালপৰীয়া

উপভাষাক অসমীয়াৰ উপভাষা বোলাটো নৰজে। এনে ক্ষেত্ৰত মাগধী প্ৰাকৃতৰ পৰা অসমীয়া ভাষাৰ জন্ম হোৱা কথা বাদ দি আন এচাম পণ্ডিতৰ মতৰ আশ্ৰয় ল'ব লগা হ'ব। পাৰ্জিটাৰ আদি পণ্ডিতে কয় যে আৰ্যৰ এটি সোঁত অসমৰ উত্তৰ-পূব দুৱাৰেৰে প্ৰবেশ কৰিছিল। তেওঁলোকৰ ভাষাটোৱে অসমীয়া। তেতিয়াহ'লে উজনিৰ ভাষাটোক অসমীয়া আৰু ভাটী অসমৰ ভাষাটোক ৰাজবংশী ভাষা বুলিব পাৰি। পিছে আহোম সকলে ১২২৮ খৃঃ অসমত প্ৰবেশ কৰি ৰাজ্য স্থাপন আৰু বিস্তাৰ কৰা সময়ত আৰ্য বসতিৰ বিস্তৃত বৰ্ণনা পোৱা নেযায়। তেনেহলে শুক চৰিতত উল্লেখ থকা কলিতা ৰাজ্যই সেই আৰ্য বসতি হ'ব। কিন্তু এই বিষয়ত বিস্তাৰিত আলোচনা নাই। গতিকে আলোচনাত আৰু আগবঢ়া সম্ভৱ নহয়। আহোমসকলে এই দেশত প্ৰবেশ কৰি গ্ৰহণ কৰা ভাষাটোও অসমীয়া আৰু বৰ্তমান প্ৰচলিত উজনিৰ ভাষাটোও অসমীয়া। এই ভাষাৰ পৰা কামৰূপ জিলাৰ ভাষা অভেদ্য। সেয়ে পশ্চিমৰ পৰা আৰ্য প্ৰবাহ পূবলৈ আগবঢ়া আৰু মাগধীৰ পৰা অসমীয়া ভাষাৰ জন্ম হোৱা সিদ্ধান্তহে প্ৰতিষ্ঠিত হৈছে। এইদৰে আগবাঢ়িলে কামৰূপ, গোৱালপাৰাৰ ভাষাক অসমীয়া ভাষাৰ ভিতৰুৱা কৰাৰ উপৰি ৰাজবংশী বুলি নামকৰণ কৰা ভাষাটোকো ইয়াৰ অন্তৰ্গত বুলিব লাগে। নাইবা অসমীয়া নামকৰণ কৰা ভাষাটোকে ৰাজবংশী বুলি ক'ব লগা হয়। অৰ্থাৎ (আঞ্চলিক প্ৰভেদ বাদ দি) অসমীয়া, ৰাজবংশী ভাষা অভিন্ন, এক হৈ পৰে।

পূৰ্ব ভাৰতৰ ভাষা সম্বন্ধে প্ৰথম মন্তব্য কৰিছিল পণ্ডিত পৰিব্ৰাজক হিউয়েন চাঙে। "Huen Tsang Visited the country in 643 A. D. He knew it as Ka-mo-lu (Kamrup). Its western boundary was the river Karatoya in North Bengal. 'The Pilgrim crossed a large river and came to Ka-mo-lu-po. The river Ka-lo-tu (Karatoya) may be the large river of the present passage, He said that their Speech differs a little from that of mid India." Dr. B.K. Kakati.

হিউয়েন চাঙে কামৰূপৰ ভাষাটো মধ্য ভাৰতৰ পৰা পৃথক বুলিছে। কামৰূপৰ অৰ্থ হ'ল কৰতোৱাৰ পৰা দিক্‌বাই নদীলৈ,— বঙ্গ, কাম, স্বৰ্ণ, সোমাৰ পীঠত বিভক্ত প্ৰাচীন কামৰূপ ৰাজ্য। গ্ৰিয়াৰচন চাহাবে নিৰ্দেশ কৰা ভাষা ৰাজ্যবে এই ৰাজ্য প্ৰায় একে। ডঃ চট্টোপাধ্যায়ৰ কামৰূপী ভাষা প্ৰচলিত ৰাজ্যখনো এই ৰাজ্যবে প্ৰায় একে। হিউয়েন চাঙে এই ৰাজ্যত প্ৰচলিত ভাষাটোৰ নামকৰণ

কৰা নাই। চট্টোপাধ্যায়ে ইয়াক কামৰূপী বুলিছে। কিন্তু গ্ৰিয়াৰ্চন চাহাবে মাগধী প্ৰাকৃতৰ উক্ত ভাষা ঠালৰ কথা স্বীকাৰ কৰাৰ পিছতো সেই ভাষাৰ একাংশক বাজবংশী ভাষা বুলিছে। পূৰ্ব ভাৰতৰ ভাষাৰ বুৰঞ্জীৰ পৰা জনা যায় যে হিউয়েন চাঙে উল্লেখ কৰা সময়ৰে পৰা ডঃ চট্টোপাধ্যায়ে উল্লেখ কৰা বাঢ়, বৰেন্দ্ৰ, কামৰূপী, বঙ্গ আদি ভাষা ঠালৰ জন্ম কাহিনী আৰম্ভ হৈছিল। তেনে ক্ষেত্ৰত কাকতিয়ে উল্লেখ কৰা 'The dialect that was evolved under the domination of Koch King of Koch Behar'—এই বাজবংশী ভাষাটোৱে প্ৰাচীন কামৰূপী ভাষা প্ৰচলিত ঠাই চোৱাৰ অধিকাৰ কৰিলে কেনেকৈ ভাবিবলৈ অলপ টান হয়। পণ্ডিতসকলৰ মতে ৭ম ৰ পৰা আৰম্ভ কৰি দ্বাদশ শতিকা মানতেই মাগধীৰ পৰা ভাষা-কামৰূপী, উড়িয়া, বঙালী আদিৰ জন্ম হৈছিল। তেনে ক্ষেত্ৰত ১৫১৫ ত জন্ম পাই বাজবংশী ভাষাই কামৰূপী ভাষা প্ৰচলিত ঠাই চোৱাৰ অধিকাৰ কৰিলে কেনেকৈ? সি যি কি নহওঁক, বাজবংশী বুলি কোৱা ভাষাটো প্ৰাচীন কামৰূপী বুলিয়ে ভাব হয় যাৰ ওপৰত ভিত্তি কৰি পূৰ্ব ভাৰতৰ বিভিন্ন আৰ্যভাষীয় উপভাষা আৰু অসমীয়া ভাষাৰ জন্ম হৈছে। এই ক্ষেত্ৰত অধ্যাপক কালীন্দ্ৰ নাথৰ কথাষাৰ উল্লেখযোগ্য, "শব্দ বা শব্দ উচ্চাৰণৰ লৰচৰ উপলক্ষ্য কৰি কোনোবাই গোৱালপাৰীয়া ব্যবহৃত ভাষাক অসমীয়া ভাষাৰ ঠেঙুলিৰ আগ বা পাতৰ লগত বিজালেও ভুল কৰা হ'ব। অসমীয়া ভাষাৰ ঘাই শিপা ইয়াতেই নিহিত হৈ আছে (উক্ত স্মৃতি গ্ৰন্থ)। গতিকে নীলমণি ফুকনদেৱে নিৰ্দেশ কৰা কথাৰ অনুসন্ধান সক্ষমজনে কৰোঁক— "এই কথা ঠিক যে অনুসন্ধান কৰিলে, গবেষণাৰ ভিতৰলৈ আনিলে উত্তৰ-পূৰ বঙ্গত অসমীয়া সমাজ ব্যবস্থাৰ নিদৰ্শন, ভাষা-সাহিত্যৰ আঁতি-গুৰি, সাজ-পাৰৰ আৰ্হি, মাত কথাৰ ধৰণৰা ঠাঁচ, অসমীয়া ব্যাকৰণত খাপ খোৱা শব্দ, খণ্ড বাক্যৰ প্ৰয়োগ বনগীত, আইনাম, বিয়ানাম ফকৰা-যোজনা, অসমীয়া নাম কীৰ্তনৰ আৰ্হিত হৰি কীৰ্তন গোৱা অনেক বিষয়ৰ সন্ধান পোৱা যাব।" (উক্ত স্মৃতি গ্ৰন্থ) এই অঞ্চলে এনে অনুসন্ধানকাৰীলৈ এতিয়াও বাট চাই আছে।

বৰ্তমানে বাংলাদেশৰ বংপুৰ আৰু উত্তৰবঙ্গৰ এই প্ৰাচীন কামৰূপী ভাষা শক্তিশালী আৰু বলিষ্ঠ বঙালী ভাষাৰ প্ৰভাবত লাহে লাহে নগৰৰ পৰা গাওঁলৈ আৰু গাওঁৰ পৰা অৰণ্যলৈ গতি কৰিব ধৰিছে। সময় বাগৰাৰ লগে লগে ই জন-মুখৰ পৰা জন মানসলৈ আৰু জন মানসৰ পৰা বিস্মৃতিৰ গৰ্ভলৈ আগ বাঢ়িছে। ইয়াৰ ভবিষ্যত সম্পৰ্কে সকলোৱে সজাগ হোৱা আবশ্যক। ইয়াত গোৱালপৰীয়া উপ-ভাষাৰ কেইটিমান সাধাৰণ কথা উল্লেখ কৰা হ'ল।

১। ধ্বনিমূলক বিশেষত্ব :

ক। স্বৰ ধ্বনি—৯টা, যেনে : অ' অ, আ', ও, ই, উ, এ, এ', ৎ।

খ। ব্যঞ্জন ধ্বনি—২৭ টা, যেনে : ক, খ, গ, ঘ, ঙ, চ, ছ, জ, ঝ, ট, ঠ, ড, ঢ, ত, থ, দ, ধ, ন, প, ফ, ব, ভ, ম, ৰ, ল, স, হ।

গ। চ, ছ, আৰু জ, ঝ ৰ অল্পপ্রাণ মহাপ্রাণ উচ্চাৰণ আছে। ই অসমীয়া ভাষাৰ পৰা পৃথক।

ঘ। ট আৰু ড বৰ্গৰ আখৰ অসমীয়াত দন্ত্যমূলীয়। কিন্তু গোৱালপৰীয়া ট আৰু ড বৰ্গৰ আখৰবোৰ যথাক্ৰমে মূৰ্ধণ্য আৰু দন্ত্য হিচাবে উচ্চাৰিত হয়।

এই ধ্বনি কেইটিৰ উচ্চাৰণ ৰীতি বঙালী ভাষাৰ ওচৰ চপা। আধুনিক অসমীয়া শ, ষ, স, ধ্বনি তিনিটা তদ্ভৱ শব্দত 'হ' আৰু তৎসম শব্দত 'খ' আৰু কণ্ঠ্যস্ম 'x' হিচাবে উচ্চাৰিত হয়। কিন্তু প্ৰাচীন অসমীয়াত বৰ্তমানো উত্তৰবঙ্গ আৰু গোৱালপাৰাত উচ্চাৰণ হোৱাৰ দৰে উচ্চাৰিত হৈছিল। নহলে আধুনিক অসমীয়াৰ দৰে উচ্চাৰণ হলে এইবোৰ শব্দৰ অৰ্থ পোৱাই টান হ'ব। যেনে : পাসি, হাঁসি, পেসী, বাসা, বসি, সাৰা, উপাস। সম্ভবত অৰুণোদয় যুগৰ আগলৈকে এইবোৰৰ উচ্চাৰণ বঙালী ভাষাৰ দৰেই আছিল। ভাষাচাৰ্য ডঃ সুনীতি কুমাৰ চট্টোপাধ্যায়ৰ 'The place of Assam in the history and civilization of India 1970, page 35 ৰ কথাখিনি বিশেষভাবে মন কৰিবলগীয়, "Old Assamese and old Bengali converge into a single speech, which, of course in its dialects, was current, say, all over the area which Bhaskara Varmana ruled in the 7th century A. D.'

ঙ। কামৰূপীৰ নিচিনাকৈ গোৱালপৰীয়াটো অল্পপ্রাণ ধ্বনি মহাপ্রাণ ধ্বনি হিচাবে উচ্চাৰণ হয়। যেনে :

অসমীয়া	কামৰূপী	গোৱালপৰীয়া।
চকু	চ'খু	চ'খু / চোউক।
ভোক	ভুখ	ভোখ / ভোক।
পেলাই দিয়া	ফেলে দিয়া	ফেলেয়া দিয়া।

চ। গোৱালপাৰীয়া পশ্চিম অঞ্চলত শব্দৰ আদিত থকা 'ৱ' টো উচ্চাৰণ নহৈ 'ৱ' ৰ পিছত থকা স্বৰ উচ্চাৰিত হয়। কেতিয়াবা আদি স্বৰৰ পৰিবৰ্তে 'ৱ' উচ্চাৰিত হয়। যেনে :

বাতি আতি, ৱমণী— অমণী, বান্ধন— আন্দোন, আধা —ৱাধা, আগালত ৱাগালত।

ছ। শব্দৰ আদিত থকা ল আৰু ক্ৰিয়া বিভক্তিৰ ল 'ন' হয়। যেনে : লেখা— নেকা, লালি— নালি, লাউ— নাউ, লৱন— নৱন, দিলোঁ— দিনু, পালোঁ— পানু, গলোঁ— গেনু, উহালোঁ<উষালোঁ— উসানু।

জ। পশ্চিম অঞ্চলৰ ভাষাত অঘোষ মহাপ্ৰাণ ঠ, থ বৰ্ণ অল্পপ্ৰাণ ট, ত হয়, একক বা যুক্ত ধ্বনিৰ ঘোষ মহাপ্ৰাণ ঢ, ধ ক্ৰমে ঘোষ অল্পপ্ৰাণ ড, দ হয়। যেনে :

বান্ধন— (ন্‌ধ> নদ ন্ধ—ন্দ) আন্দোন।
সিন্ধি সিন্দি।
পিন্ধন— পেন্দন। বিধবা বিদুবা হাৰ্ধি— হল্‌দি।
পুঠি মাছ— পুটি মাছ। লেঠা— নেটা, লাঠি— নাটি, সাথত— সাতত, কথা— কতা

২। ৰূপতত্ত্ব :

ক। বহুবচন প্ৰকাশ কৰিবলৈ পশ্চিম গোৱালপাৰীয়া গুলা, গিলা আৰু পূব মধ্য গোৱালপাৰীয়া গুলা, গিলাৰ উপৰি মাখা, বোৰ আদি ব্যবহাৰ হয়।

খ। প্ৰাণী বা অপ্ৰাণীক নিৰ্দিষ্টকৈ নিৰ্দেশ কৰিবলৈ টা খান, কোনা, খুনা-খোনা, খোকা, খোপা, চিৰ, গছা আৰু আন কিছুমান নিৰ্দেশক ব্যবহাৰ হয়।

যেনে : গৰুটা মানষিটা, ছাবি খোপা, মাছি গছা। আকৌ নিয়ম কৰে নীতি কৰে বামুণী পালে একাদশী। বইব্‌বাৰৰ দিন্ মাছ পুৰা খায় বান্‌নীটৈৰত বসি'।

গ। ঈ, নী, অনী, এনী - স্ত্রী প্রত য় যোগ কৰি, বেলেগ শব্দ ব্যবহাৰ কৰি, গুণবাচক শব্দ ব্যবহাৰ কৰি লিঙ্গ পৰিবর্তন কৰা হয়। যেনে :

চেংৰা— চেংৰী, নাউৰা - নাউৰেনী, দামৰা— বকন, ব'নু—বাই / দিদি, মাত্র। কোইতৰ-মাতৃ কোইতৰ (পাৰ চৰাই) ইত্যাদি।

ঘ। কাৰক আৰু কাৰক বিভক্তি :

কর্তাকাৰক— এ, (বিভক্তিহীন)।

কর্ম কাৰক— ক, (বিভক্তিহীন)।

কৰণ কাৰক ক + অনুসর্গ-দি।

ৰ, এৰ +অনুসর্গ-হাতে বা দ্বাৰায়।

নিমিত্ত কাৰক— ক + নাগি, ৰ, এৰ জৈন্যে।

অপাদান বিশেষ্য+হাতে বা থাকি।

+ঠাই বা থাকি।

অধিকৰণ— ত।

সম্বন্ধ পদ— ৰ, এৰ।

সম্বোধন— তুচ্ছার্থে এ, কিৰে, বাৰে।

উচ্চার্থে বাহে, বাবু।

ঙ। এই উপভাষাত— ৬ প্রকাৰ সর্বনাম আছে। তাৰ ভিতৰত পুৰুষ বাচক সর্বনাম এনে ধৰণৰ :

পুৰুষ	একবচন	বহুবচন।
প্রথম	মুই, মুঞি	আম্‌ৰা, আমিৰা
দ্বিতীয়	তুচ্ছার্থে—তুই, তুঞি	তোম্‌ৰা, তুম্‌ৰা,
	উচ্চার্থে— তুম্‌ৰা, তোম্‌ৰা	তুমিৰা।
	তুমা, তুমিৰা	
তৃতীয়	উঙা, উৱা	উমৰা
	উম্‌ৰা	

৫। ক্রিয়া বিভক্তি আৰু রূপ :

ক। ক্রিয়া বিভক্তি আৰু রূপ

ক্রিয়া বিভক্তি আৰু রূপ : ক। বিভক্তি

		বর্তমান		অতীত		ভবিষ্যত	
প্রথম পুরুষঃ		এক	বহুবচন	এক	বহুবচন	এক	বহু বচন
দ্বিতীয় পুরুষঃ	তুচ্ছার্থে	অঙ ওঙ্	ই	লুং	ইলং	ইম	মে', ইমো
	উচ্চার্থে	ইস	ও, ন	লু	ইলেন	বু,	
		ও, ন, এন	এন	ইলেন		ইবেন	ইবেন
তৃতীয় পুরুষঃ		এ, এ'	এ, এ'	ইল, ইলেক	ইল, ইলেক	ইবে	ইবে

খ। ক্রিয়া রূপ

		খা ধাতু		কৰ ধাতু		পঢ় ধাতু	
প্রথম পুরুষ		মুই / মুঞি	আম্‌রা খাই	কৰলুং, কৰনুং	কইৰলং	প'ৰিম	পৰিম, পৰমো
দ্বিতীয় পুরুষঃ	তুচ্ছার্থে	খাঙ্ / খাওং		কৰলু, কৰনু	ক'ইৰ্‌লেন	পৰ্‌বু	পৰিবেন
	উচ্চার্থে	তুই / তুঞি খাইস	তোম্‌রা খান	ক'ইৰ্‌লেন		পৰিবেন	প'ইৰ্‌বেন
		তুম্‌রা / তোম্‌র	তুম্‌রা খান			প'ইৰ্‌বেন	
তৃতীয় পুরুষ :		খান / খাও	খাও	ক'ৰিল	কৰিল,	প'ৰিবে	প'ৰিবে
		উত্তা / উত্তা /	উম্‌রা খায়	কইৰ্‌লে	কইৰ্‌লেক	প'ইৰ্‌বে	প'ইৰ্‌বে
		উম্‌রা খায়					

চ। নঞৰ্থ অৰ্থ প্ৰকাশ কৰিবলৈ সকলো ক্ৰিয়াৰূপৰ আগত 'না' যোগ কৰা হয়। যেনে :

শুনে—নাশুনে, কৰে—নাকৰে, খাইল—নাখাইল, শুইনৃবে—নাশুইনৃবে ইত্যাদি।

জ। এই ভাষা কওঁতে মুছলমানসকলে দুই চাৰিটা ইছলামিক শব্দ ব্যবহাৰ কৰে আৰু কিছুমান শব্দত অনুনাসিকতা আহি পৰে। যেনে : আল্লা, বচুল ; কাঁয় / কাঁই, যাঁয় / যাঁই।

ঝ। অসমীয়া, কামৰূপীত ব্যবহাৰ নহোৱা শব্দ কিছুমান এই কথিত ৰূপ ভাষাত ব্যবহাৰ হয়। যেনে : তেলমু—পঁইটাচৰা, কামৰাঙা—কৰ্দৈ, পাঁচখোল—ঔ টেঙা, কোটা—হাঁকুটি, দাঙৰা—বদনাম, বালিয়া—পাটিমুতুৰা মাছ, ৰবি—ৰবমুণ, বিছম—গলত চৰচৰণি উঠি কহা, পেষ্টি—এছাৰি, লেমাস—তিয়ঁহ, বকন, বধন—কাঢ়লী, ছেকা—খাৰ, হাতচেনি—জৰকা, শুটকা—শুকান মাছ, দৰি—ৰচি।

ঞ। গোৱালপৰীয়া, কামৰূপী ভাষাৰ কিছু ক্ষেত্ৰত মিল আছে। এই মিল ধ্বনি, ৰূপ আৰু শব্দত দেখা যায়।

ট। একেবাৰে পুৰ গোৱালপাৰাত এই ভাষাৰ প্ৰচলন কম। মধ্য আৰু পশ্চিম গোৱালপাৰাত প্ৰচলিত ভাষা ৰূপক বিলাসীপাৰাৰ পৰা পশ্চিম সীমালৈ, বিলাসীপাৰাৰ পৰা চাপৰলৈ আৰু চাপৰৰ পৰা বিজনীলৈ তিনিটা ভাগত আৰু দক্ষিণ গোৱালপাৰাৰ ভাষাক আন এটি ভাগত বিভক্ত কৰিছে। কিছুমানে আকৌ এই ভাষাক চৰুৱা, ঝাকুৱা আৰু ঘুলীয়া ভাগত বিভক্ত কৰে। সি যি কি নহওক, গোৱালপৰীয়া ভাষাৰ অধ্যয়ন প্ৰাচীন অসমীয়া সাহিত্য অধ্যয়নৰ বাবে অপৰিহাৰ্য। এই ভাষা বৃহৎ কমতা ৰাজ্যত অতীতৰ পৰা প্ৰচলিত ভাষা ৰূপৰ এটি খণ্ড ৰূপ যি ভাষাত প্ৰাচীন অসমীয়া সাহিত্যবাজি-গদ্য-পদ্য-নাট ৰচিত হৈছিল। ইয়াৰ পথ পৰিষ্কাৰৰ চেষ্টা হোৱা উচিত।

[লিখকৰ 'অসমীয়া ভাষাত গোৱালপৰীয়া ভাষাৰ স্থান' অসম সাহিত্য সভা পত্ৰিকা ১৯৯১-৯২, 'গোৱালপৰীয়া ভাষাৰ স্থানীয় ৰূপভেদ'—স্মৃতিগ্ৰন্থ, অসম সাহিত্য সভা, দুধনৈ অধিবেশন, 'ভাষা বিজ্ঞান ভিত্তিক গোৱালপৰীয়া ভাষাৰ পৰিবৰ্তন', বড়পীঠ, 'গোৱালপৰীয়া ভাষা : অসমীয়া ভাষাৰ আঁত বিচাৰি', 'থলুৱা ভাষা' প্ৰকাশ হৈছে। চাৰিটি এতিয়াও প্ৰকাশ হোৱা নাই। সহৃদয় প্ৰকাশক পালে একেখুপে প্ৰকাশৰ ইচ্ছা আছে।]

৭। গোৱালপৰীয়া লোকগীতৰ শ্ৰেণী বিভাগ

আমি ইতিমধ্যে গোৱালপৰীয়া লোক-সাহিত্যৰ ভাগ-বিভাগৰ কথা কৈ আহিছোঁ। সেই মতে ই তিনি ভাগে বিভক্ত ঃ

১। লোকগীত

২। সাধুকথা

৩। প্ৰবাদ প্ৰবচন।

লোকগীতৰ শ্ৰেণী বিভাজন সম্বন্ধে কৰা আলোচনা আৰু শ্ৰেণী বিভাজনত বেছি ভাগ আলোচকেই সুৰ আৰু বিষয় বস্তুৰ ওপৰত বিভাজন কৰা দেখা যায়। ইয়াত কিছুমান গীতক ভাওৱাইয়া, চট্‌কা, মইষালী আদি সুৰৰ ওপৰত আৰু কিছুমান গীতক বিয়াৰ গান, পূজাৰ গান বুলি বিষয় বস্তুৰ ওপৰত বিভাজন নকৰি কেবল বিষয় বস্তুৰ ওপৰত লোকগীতবোৰ বিভাজন কৰা হৈছে।

ক। পূজা পাৰ্বণৰ গীত ঃ

যকা পূজা,
বান্‌নী বা বাকণী, পূজা,
নিৰকলি পূজা,
কড়াকড়ী পূজা,
বলোৰাম পূজা,
ত্ৰিনাথ পূজা,
কাতি পূজা,
সোনাৰায় পূজা,
শিতলা পূজা,
মনসা পূজা,
চৰক পূজা,
জগন্নাথ পূজা।
মাশান পূজা,
বাস্তু পূজা,
বুঢ়াবুঢ়ী পূজা,
সত্যনাৰায়ণ পূজা,
গোৰক্ষনাথ পূজা,
হুদুম পূজা,
বাঁশ পূজা,
সুবচনী পূজা,
লক্ষ্মী পূজা,
আজাজৰ পূজা,
ধুমসীয়া পূজা।

খ। দেহাত্মাতত্ত্বমূলক গীত ঃ

১। দেহ বিচাৰ
২। বৈৰাগ্য ভাবমূলক
৩। আধ্যাত্মিক ভাবমূলক।

গ। প্ৰেমমূলক গীত ঃ

১। প্ৰেম।
২। পৰকীয়া প্ৰেম।
৩। দাম্পত্য জীবনৰ প্ৰেম।
৪। ৰাধাকৃষ্ণৰ প্ৰেম।

ঘ। বিবিধ বিষয়ৰ গীত ঃ

১। মাছ মাৰা গীত ঃ
ক। ৰৱণী বোৱা
খ। জাকৈ মাৰা আদি।
২। খেল-ধেমালিৰ গীত ঃ
ক। নাও খেল।
খ। ইছন বিছন খেল।
গ। পানীৰ খেল আদি
৩। হাস্যৰসৰ গীত ঃ
৪। সামাজিক উৎসবৰ গীত ঃ
ক। বিয়া উৎসব।
খ। ধুৱনী উৎসব।
গ। এউৰী মাগাউৎসব।
৫। কৃষি বিষয়ক গীত।
৬। নিচুকনি গীত।
৭। ঘৰুৱা জীবন বিষয়ৰ গীত।
৮। ঘটকৰ গীত।
৯। জীব-জন্তু বিষয়ক গীত।
১০। কাহিনীমূলক গীত।
১১। বাৰমাহী গীত।
১২। কুশান গীত গান।
১৩। অন্যান্য।

বিষয় বস্তু ভিত্তিক এনেদৰে আলোচনা আৰু শ্ৰেণীবিভাগ কৰিলে গোৱালপৰীয়া লোকগীতৰ আলোচনা আউল নলগা ধৰণৰ হ'ব বিবেচনা কৰি সুৰ ভিত্তিক বিভাজনৰ সূত্ৰ ইয়াত সম্পূৰ্ণকৈ পৰিহাৰ কৰা হৈছে। শ্ৰেণী বিভাজনৰ এই সূত্ৰ সম্মুখত ৰাখি পিছৰ ছেদবোৰত গীতবোৰৰ আলোচনা কৰা হ'ল।

৭। ক। পূজা-পাৰ্বণৰ গীত ঃ

সৌ বেদ বেদান্তৰ যুগৰে পৰা ভাৰতীয় সমাজত বিভিন্ন দেব-দেবীৰ যাগ-যজ্ঞ, পূজা-পাৰ্বণ, অৰ্চন-ভজন চলি আহিছে। মানুহে কিছুমান দেব-দেবীক ভয়ত ভজে আৰু কিছুমান দেব-দেবীক ভক্তিত ভজে। এই দেব-দেবীবোৰৰ কোনো জনাক অপায়-অমঙ্গলৰ, কোনো জনাক ধন-জনৰ, কোনো জনাক শিক্ষা-দীক্ষাৰ, কোনো

জনাক বা শক্তিৰ অধিষ্ঠাতা-অধিষ্ঠাত্রী দেব-দেবী বুলি কল্পনা কৰিছে। কেবল কল্পনা কৰাই নহয় সেই-সেই ৰূপত মানুহে দেব-দেবীবোৰৰ পূজা-উপসনাও কৰি আহিছে। প্রাচীন কালৰ পৰা চলি অহা ৰীতি অনুযায়ী মানুহে আজিও কিছুমান দেব-দেবীক অপায় অমঙ্গলৰ ভয়ত কিছুমানক পার্থিব সুখ-শান্তি, আনন্দ-উন্নতিৰ আশাত আৰু কিছুমান দেব-দেবীক ধন-জন ঐশ্বর্য-বিভূতিৰ লোভত পূজা উপাসনা কৰে। বেদৰ যুগত মন্ত্র, পুৰাণৰ যুগত শ্লোক, তাৰ পিছৰ যুগত পদ পয়াৰেৰে এই দেব-দেবীবোৰৰ স্তুতি প্রার্থনা জনাইছিল। কিন্তু সময়ত যেতিয়া বেদৰ মন্ত্র, পুৰাণৰ শ্লোক আৰু পদ পয়াৰবোৰ বৃহৎ জন সমাজৰ বিস্মৃতিৰ গর্ভত জাহ গ'ল, কিন্তু প্রাচীন দেব-দেবীবোৰ পূর্ণ মাহাত্ম্যবে যুগ পৰম্পৰা নামি আহিল, তেতিয়া সহজ সৰল লোকগীতৰ জৱিয়তেই উপাস্যজনক চহা প্রাণৰ সৰল কাকুতি-মিনতিবোৰ জনাবলৈ ধৰিলে। ইয়াতেই এই শ্রেণী গীতৰ জন্ম হ'ল।

ইয়াত গোৱালপৰীয়া লোক জীবনৰে জৱিত পূজা-পার্বণৰ লোক-গীতবোৰৰ সাধাৰণ আলোচনা জুঁকিয়াই দিবলৈ চেষ্টা কৰা হৈছে। গোৱালপৰীয়া লোকগীতৰ শ্রেণী বিভাজনৰ ক্ষেত্রত পূজা-পার্বণৰ ছেদত যিবোৰ পূজা-পার্বণৰ কথা উল্লেখ কৰা হৈছে সেই সকলোবোৰ পূজা-পার্বণ লোক জীবনত প্রচলিত আছে যদিও সকলোবোৰৰ ক্ষেত্রতেই গীত পদ নাই। গোৱালপৰীয়া পূজা-পার্বণৰ গীতৰ প্রসঙ্গতে গীত পদ বিহীন অথচ লোক জীবনৰে জৱিত পূজা-পার্বণবোৰৰ বিষয়ো দুই চাৰি কথা ইয়াত সংযোগ কৰি দিয়া হ'ল। এই কথাৰ ওপৰত ভিত্তি কৰি আলোচনাৰ সুবিধাৰ অর্থে গোৱালপৰীয়া পূজা-পার্বণবোৰক দুটা ভাগত বিভক্তও কৰিব পাৰি। যেনে :

১। গীত-পদ বিহীন পূজা-পার্বণ।

২। গীত-পদ যুক্ত পূজা-পার্বণ।

গীত পদ বিহীন পূজা-পার্বণবোৰ হ'ল এই :

৭। ক। ১। যকা-পূজা :

যকা পূজা হ'ল যখ-যখিনীৰ পূজা। যখ-যখিনী শব্দ দুটি ওলাইছে যক্ষ-যক্ষিণী শব্দৰ পৰা। সাধাৰণতে যখ-যখিনীয়ে ধৰিলে মানুহৰ বেমাৰ আজাৰ হয় বুলি লোক সমাজত বিশ্বাস আছে। সেয়ে পানী কেঁচুৱা নাইবা সৰু সৰু ল'ৰা-ছোৱালীৰ যাতে যখ-যখিনীৰ প্রভাবত বেমাৰ-আজাৰ, অসুখ বিসুখ নহয় তাৰ বাবে, নাইবা

অসুখ বিসুখ হলেও যাতে উপশম হয় তাৰ বাবে এই পূজা কৰা হয়। যকা পূজা দুই প্ৰকাৰৰ ঃ

১। বৈষ্টম যকা (বৈষ্ণব)।

২। কাল যকা।

বৈষ্টম হ'ল উপশমকাৰী যথ যখিনী আৰু কাল হ'ল ধ্বংসকাৰী যথ যখিনী। ঠাই বিশেষে সাধাৰণ লৰচৰ হলেও সাধাৰণতে এই পূজাত এইবোৰ উপাচাৰ লাগে ঃ আঠীয়া কল, মালভোগ কল, দৈ দুধ-চেনি, ফুল আৰু এষোৰ পাৰ চৰাই। কাল যকাৰ ক্ষেত্ৰত আগলতি কলপাতত সজোৱা নৈবেদ্যখনত মালভোগ কল আৰু গাখীৰ নিদি আনবোৰৰ লগত বাৰ বিধ শস্যৰ ফল ভাজি দিব। পূজা ঘৰৰ পৰা নিলগত কৰে। ব্ৰাহ্মণৰ আৱশ্যক নাই। ই লোকচাৰ জনিত পূজা। এই পূজাত কোনো গীত পদ নেগায়। পূজাৰ শেষত 'যকা' ক উদ্দেশ্য কৰি পাৰ যোৰ উৰাই দিয়ে।

পূজাৰ শেষত মিতিৰ-কুটুমৰ সৈতে এসাজ খায়। তাক 'সাত খোৱা' বোলে। যি ল'ৰা ছোৱালীৰ উদ্দেশ্যে এই পূজা কৰা হয় তাৰ মাকে গোটেই দিনটো উপবাসে থাকি আন তিৰোতাৰ লগত বহি পূজাৰ শেষত খোৱা-লোৱা কৰিব। কোলাত কেঁচুৱা থকা মাতৃয়ে এই পূজাৰ প্ৰসাদ নেখায়। যকা পূজাৰ প্ৰচলন পশ্চিম গোৱালপাৰাতহে আছে।

৭। ক। ২ মাশান পূজা ঃ

মাশান হ'ল জল দেবতা। ডঃ সুনীতি কুমাৰ চট্টোপধ্যায়ে শব্দটি শ্মশান শব্দৰ পৰা উৎপত্তি হোৱা বুলি কৈছে। এই পূজা সাধাৰণতে মাজুৰৈ আৰু মাঝি-সকলে কৰে। নদী বা বিলত মাছ মাৰাৰ আগতে এই দেবতাক পূজা কৰা হয়। কাৰণ এওঁলোকে পানীত থকা মাছ-মগৰ মাৰি জীবিকা নিৰ্বাহ কৰিব লাগে। সেয়ে পানীৰ লগত এওঁলোকৰ জীবনৰ গুঢ় সম্বন্ধ। পানীত নামি মাছ-মগৰ মাৰি অনা বাবে যাতে জল দেবতাই দোষ ধৰি অপায় অমঙ্গল নঘটায় তাৰ বাবে সাধাৰণতে জল দেবতা মাশানক পূজা কৰা হয়। ই সম্ভবতঃ কামৰূপৰ 'ঘৰাপাক'ৰ পৰ্যায়ৰ দেৱতা। পূজাত সাধাৰণ উপচাৰ কল, কুঁহিয়াৰৰ উপৰি বিশেষভাবে আৱশ্যক হয় পুৰা মাছ।

পশ্চিম গোৱালপাৰাত ছয় কুবি মাশান থকা বুলি কয়। গতিকে এই দেবতাৰ ক্ষেত্ৰ বৰ বিস্তৃত। এইবোৰৰ ভিতৰত কিছুমান হ'ল : জলা মাশান, শুচিয়া মাশান, চিলা মাশান, দুৰা মাশান, ঘোৰা মাশান, হাতী মাশান, শাশান-মাশান (মাশানৰ দুই ভাই বুলিও কিছুমানে কয়), পুৰিয়া মাশান, নাৰিয়া মাশান, মুৰিষা মাশান, ঘাউৰা মাশান, দাদু মাশান, ইত্যাদি। বেলেগ বেলেগ মাশানৰ পূজা ভাগো বেলেগ বেলেগ। যেনে :

১। জলা মাশান : দৈ, চিৰা, মালাৰ ফুল উপাচাৰ আৰু ফুলৰে এখন শাকো তৈয়াৰ কৰা হয়।

২। পোৰা মাশান : চেং মাছ পুৰা, দৈ, চিৰা, দোভাজা (চিৰা দ্বিতীয় বাৰ ভাজা) আৰু আঙুৰ।

৩। শুচিয়া শাশান : কলাৰ নেচপাতত (আগলতি পাতত) চুণ, তামাক (ধপাত) দি ধূপ জলাই দি উভতি নোচোৱাকৈ আহিব লাগে।

মাশান লৌকিক দেবতা, ইয়াৰ পূজাও লৌকিক। এই পূজাত ব্ৰাহ্মণ-পুৰোহিত নেথাকে আৰু বেদ বিহীত নিয়ম নীতিও নাই। মাশান পূজা মাছ ব্যবসায়ীসকলৰ লগত বিশেষ ভাবে জৰিত। কিছু বছৰ আগলৈকে অসমত মাছ বেচি জীবিকা নিৰ্বাহ কৰাৰ আবশ্যক হোৱা নাছিল। পশ্চিমৰ পৰা অহা মানুহৰ লগতহে মাছ ব্যবসায় অসমত সোমাইছে। গতিকে ব্যবসায়ী মাছৰীসকলৰ আগমন আৰু মাছ ব্যবসায় স্থাপনৰ সময়কে গোৱালপাৰা জিলাৰ মাশান পূজাৰ আদি কাল বুলি ভাবিব পাৰি।

কিন্তু বৰ্তমানে ছয়কুবি মাশানৰ পূজাৰ ক্ষেত্ৰৰ বিস্তৃতি আৰু এইবোৰ অপদেবতাৰ সমাজত পয়োভৰ দেখি তেনে কথা ভাবিবই নোৱাৰি। কাৰণ মাশান অপদেবত'ই গৃহস্থ আৰু দশংগতি (অৰ্থাৎ দহজনীয়া অৰ্থাৎ ৰাজহুৱা) 'ঠাকুৰৰ পাটত / ধামত' (দেবতাৰ থানত) স্থান পাইছে আৰু আন দেবতাৰ পূজাৰ লগতে এই অপদেবতাবোৰেও পূজা ভাগ আৰু নৈবেদ্য লাভ কৰে। গতিকে মাশান পূজা বৰ্তমান গোৱালপৰীয়া লোক সংস্কৃতিৰ এক অপৰিহাৰ্য অঙ্গ।

৭। ক। ৩। বান্নী বা বাৰুণী পূজা :

গঙ্গা পূজাৰেই নামান্তৰ হ'ল বান্নী বা বাৰুণী পূজা। ই স্কন্দ পুৰাণ উক্ত পূজা। এই পূজা হয় প্ৰতি বছৰৰ মধু কৃষ্ণ একাদশী তিথিত। পূজাত কল গছৰে

মণ্ডপ সজোৱা হয়। মণ্ডপৰ ঠিক মাজত মকৰ মাছৰ ওপৰত গঙ্গাদেবীৰ মূৰ্তি আৰু সোঁ আৰু বাঁও হাতে ক্ৰমে মহাদেব, ভগীৰথৰ মূৰ্তি থাকে। এটা ঘট স্থাপন কৰা হয়। পুৰোহিতে দেবীৰ লগতে ঘট পূজাও কৰে। এদিনৰ পৰা দুই তিনি দিনলৈ এই পূজা থাকিব পাৰে। পূজাৰ অন্তত প্ৰতিমা ভহাই দিয়া হয়। ফল-মূলকে আদি কৰি পূজাৰ সাধাৰণ উপকৰণবোৰ এই পূজাত লাগে। পূজাৰ সময়ত হোৱাত গঙ্গা মহাদেবৰ প্ৰিয় ভাবি মাদাৰ, ভেট আদি ফুল নদীত ভহাই দিয়ে। বান্নী পূজাৰ সময়ত বান্নী বা বাৰুণী স্নান কৰা হয়। বান্নী স্নানৰ পিছত তিৰোতা সকলে এজনীয়ে আনজনীৰ কপাল আৰু সেওঁতাত সেন্দুৰ লগাই দিয়ে। ইয়াৰ অৰ্থ হ'ল স্বামীৰ সেন্দুৰ বহুদিনলৈ থকাৰ অৰ্থাৎ স্বামী দীৰ্ঘায়ু হোৱাৰ শুভেচ্ছা প্ৰকাশ কৰা।

বান্নী পূজাত গীত-পদ নাই। ই ধাৰ কৰা পূজাহে। গোৱালপৰীয়া লোক কৃষ্টিৰ লগত ইয়াৰ যোগসূত্ৰ পোৱা টান।

৭। ক। ৪। বাস্তু পূজা ঃ

গোৱালপৰীয়া লোককৃষ্টিৰ অপৰিহাৰ্য অঙ্গ হ'ল বাস্তু পূজা। কেবল অপৰিহাৰ্যই নহয় বিশেষভাবে বৈশিষ্ট্যপূৰ্ণও বাস্তু পূজাত প্ৰস্তুৰ নাইবা মাটিৰ কোনো মূৰ্তি নাই। গতিকে ইয়াক কোনো দেব-দেবীৰ পূজা বুলি কোৱা টান। বাস্তু ঠাকুৰ (পূজাৰ সকলোবোৰ দেব-দেবীৰ মূৰ্তিকেই ঠাকুৰ বোলে) নিৰ্মাণ কৰে এনেদৰে ঃ প্ৰথমতে নিৰ্দিষ্ট পৰিমাণৰ বাঁহ এটুকুৰা কাটি লোৱা হয়। এটা মাটিৰ ঘট বঙা কাপোৰেৰে সজাই লৈ ঘটটোৰ ভিতৰত সাতপুৰৰ (পুৰ শব্দটো শেষত থকা সাতখন ঠাইৰ) মাটি, হাতীৰ দাঁতৰ মাটি, গণিকাৰ দুৱাৰৰ মাটি, তামোল-পাণ, সোণা ৰূপা দিয়া হয়। তাৰ পিছত ঘৰৰ ভিতৰত (সুবিধা অনুযায়ী) গাত খানি ঘটটো তাত স্থাপন কৰিব। তাৰ পিছত ওপৰত উল্লেখ কৰা নিৰ্দিষ্ট পৰিমাণৰ বাঁহ টুকুৰা ঘটটোৰ ভিতৰত পুতি থব। বাঁহ টুকুৰাৰ এছোৱা বাহিৰত ওলাই থাকিব। এইয়াই বাস্তু। ই কেবা বিধবো ঃ

১। বামুণী বাস্তু।
২। গিতুথেনী বাস্তু।
৩। মাইজেনী বাস্তু।

বামুণী বাস্তু ব্ৰাহ্মণৰ দ্বাৰায়, গিভ্‌থেনী বাস্তু গৃহস্থনীৰ দ্বাৰায় আৰু মাইলেনী বাস্তু মালিনীৰ দ্বাৰা পূজিত হয়। ঘৰৰ ভিতৰত থকা বাস্তু ভিটা ৰৰ পবিত্ৰভাবে ৰখা হয়। প্ৰতি বাভিপুৱাই সেই ভিটা মুচি কাঁচি স্নান কৰি ভক্তিভাবে তাত এঁৰা গাখীৰ দিয়া হয়। ন ধানৰ ভাত খোৱাৰ আগতে বাস্তু পূজা কৰিবই লাগে। বাস্তু বেদাচাৰ যুক্ত পূজা। বাস্তু পূজাৰ সাধাৰণ অৰ্থ হ'ল বসতি কৰা ঠাইৰ পূজা। বাস্তু ভিটাটেই লক্ষ্মী পূজাও কৰা হয়। বাস্তু মুছলমানসকলৰ ঘৰত থকাটোও এক মন কৰিব লগীয়া বিশেষত্বপূৰ্ণ কথা। এই পূজাত্যো গীত-পদ নাই।

৭। ক। ৫। নিৰকলি পূজা ঃ

নিজৰ দাঁত, ওঁঠ আৰু জিভাৰ ভিতৰতে কেতিয়াবা কামোৰ খাব লগা হয়। তেনে ক্ষেত্ৰত সংসাৰত বাস কৰোঁতে একেখন পৰিয়ালৰ বিভিন্ন মুনিহ-তিৰোতাৰ মত বিৰোধ হৈ ঘৰখনৰ ভিতৰলৈ বিশৃঙ্খলা অহাটো একো অস্বাভাবিক নহয়। এনেকুৱা অবস্থাত নিৰকলি ঠাকুৰক 'মানাচিনা' (মানস কৰা) কৰিব লাগে। কাৰণ এই ঠাকুৰে ঘৰখনৰ বিশৃঙ্খলা আঁতৰাই শান্তি ঘুৰাই আনিব পাৰে। কিয়নো নিৰকলি শান্তিৰ দেবতা।

যি কোনো সময়তে ফুল-ফল দি নিৰকলি ঠাকুৰক পূজা কৰিব পাৰে। পূজাৰ শেষত লং, ইলাচি, ভালচেনি দি আয়তীসকলক তামোল পান খাব দিব। পিক্ নেপেলোৱাকৈ আয়তীসকলে তামোল খাব। পূজাৰ প্ৰসাদ ঘৰলৈ নিয়াতো নিষেধ। কাৰণ প্ৰসাদৰ লগত এক ঘৰৰ বিশৃঙ্খলা আন ঘৰলৈ যাব পাৰে। সেয়ে আয়তী-সকলে বহাতেই প্ৰসাদ খাই শেষ কৰে। তাৰ পিছত তলত উল্লেখিত গল্পটো জনাজনে কব আৰু আনবোৰে শুনিব। গল্পটো এই ঃ

এজন বুঢ়াৰ সাতোটি পুত্ৰ। প্ৰথম দুজনৰ পিছত তৃতীয়জনৰ বিয়া হ'ল। বিয়াত আন বস্তু বাহানিৰ সৈতে যৌতুকত এজনী ক'লা মেকুৰী দিলে। এই তৃতীয় বোৱাৰীজনী ঘৰ সোমোৱাৰ পৰা বুঢ়াৰ ঘৰ ধনে-ধানে উৰুলনী হৈ পৰিল। সেই সময়তে বুঢ়াৰ ঘৰলৈ এজন বিজ্ঞ গণক আহিল। বুঢ়াই গণকক আদৰ-আপ্যায়ণ কৰি নিজৰ সৌভাগ্যৰ কাৰণ সুধিলে। গণি-পিতি চাই গণকে ক'লা মেকুৰীটোৰ কথা ক'লে। বুঢ়াই মেকুৰীৰ পৰা নিজৰ দেহলৈ সেই সৌভাগ্য অনাৰ উপায় সুধিলে। গণকে মাটিৰ হাড়ীত গৰম পানীত মেকুৰীটো সিজাই তাৰ ভাপ ললে

সেই সৌভাগ্য মেকুৰীৰ পৰা বুঢ়াৰ গালৈ আহিব বুলি কৈ গ'ল। বুঢ়াই এদিনাখন দুপৰীয়া আনবোৰ ঘৰৰ ভিতৰত সোমাই থকাৰ সুযোগ লৈ 'পাছলা বাৰীত' ওপৰত কোৱা ধৰণে মেকুৰীটো উহাৰ ধৰিলে। এনেতে বুঢ়াৰ লাগিল 'হাগা'। বুঢ়াই শৌচ কৰিবলৈ আঁতৰি গ'ল। ঠিক সেই সময়তে তৃতীয় বোৱাৰীজনীৰ লাগিল প্ৰস্ৰাব। প্ৰস্ৰাব কৰিবলৈ ঘৰৰ বাহিৰ হৈ বাৰীৰ পিছফালে ধোঁৱা দেখি ওচৰ চাপি গৈ হাড়ীৰ ঢাকনিখন দিলে দাঙি। হাড়ীৰ ভিতৰৰ সাপ আহি লাগিল তাইৰ গাত। পিছে ঘটনাটো একো ঠিৰাং কৰিব নোৱাৰি কোনে কি কৰিছে কৰোঁক ভাবি তাই ঘৰত সোমাই থাকিল। তাৰ পিছত বুঢ়াই আহি হাড়ীৰ ভাপলৈ মনৰ আনন্দত দিন নিয়াৰ ধৰিলে।

কিছুদিন পিছত গণক বাপু আকৌ আহিল। বুঢ়াই কথাটো পুনঃ গণি-পিতি চাবলৈ কোৱাত গণকে সেইবাৰ (উপৰুক্ত কাৰণবশতঃ) সৌভাগ্য তৃতীয় বোৱাৰীৰ গালৈ যোৱা বুলি ক'লে। বুঢ়াই সেইজনীৰ ৰক্তেৰে যদি স্নান কৰিব পাৰে তেনেহলে সৌভাগ্য তেওঁৰ দেহলৈ আহিব বুলি কৈ গণক বাপু গুচি গ'ল। বুঢ়াই তৃতীয় বোৱাৰীৰ ৰক্তেৰে স্নান নকৰালে নেথাই শুকাই মৰিব বুলি ঘৰ বন্ধ কৰি সোমাই থাকিল। হাজাৰ কাকুতি-মিনতি অথলে যোৱাত তৃতীয় পুত্ৰই নিজ পত্নীক হত্যা কৰিবলৈ নদীৰ পাৰলৈ লৈ গ'ল। বধ স্থানত উপনিত হোৱাৰ পিছত বুঢ়াৰ পুত্ৰৰ মনৰ দৃঢ়তা শেষ হৈ গ'ল। তেওঁৰ ভৰি কঁপিল, হাত কঁপিল আৰু কঁপিল খৰ্গ। তেওঁ দুই তিনি বছুৰীয়া ল'ৰাটোৰ সৈতে গৰ্ভবতী স্ত্ৰীজনীক কৰবালৈ গুচি যাবলৈ নিৰ্দেশ দি, লগত যোৱা কুকুৰটো কাটি তেজ লৈ আহি সেই তেজেৰে বুঢ়াক স্নান কৰালে। বুঢ়া আনন্দিত হ'ল।

ভিৰোতাজনীয়ে সৰু ল'ৰাটোক লগত লৈ গৈ এক হাবিত আশ্ৰয় ললে। তাতেই দ্বিতীয় ল'ৰাটোৰো জন্ম হ'ল। এদিনাখন নদীৰ পৰা পানী আনিব যাওঁতে নাওৰে ভটিয়াই যোৱা এক দুষ্ট সদাগৰে সুন্দৰী ভিৰোতাজনীক জোৰকৈ লৈ গ'ল। ভিৰোতাজনীয়ে 'নিৰকলি'ক সেৱা কৰি কুৰূপ গ্ৰহণ কৰিলে। এইফালে যি বন্দিত ল'ৰা দুটা ৰ'ল তাৰ ওচৰৰে এখন গাওঁৰ এজন নিসন্তান মানুহৰ এজনী কপিলী গাই আছিল। গাইজনীয়ে দিনৰ ভাগত ল'ৰা দুটিক গাখীৰ খুৱাব ধৰিলে। ফলত গৃহস্থই গাখীৰ কম পোৱা হ'ল। সন্দেহ কৰি এদিনাখন কপিলী গাইৰ পিছে পিছে গৈ ল'ৰা দুটিক পাই ধৰলৈ লৈ গ'ল আৰু সকটি নিজৰ সন্তান আৰু তাৰেটি গৰখীয়া বুলি বাইজক জনাই দিলে। ল'ৰা দুটি ভাগৰ-দীঘল হ'ল। এদিনাখন

অনুদ্ভুত ডাঙৰ ল'ৰাটোৱে সকু ভায়েকক সিহঁতৰ মাক-দেউতাকৰ বৃত্তান্ত ক'লে আৰু দুয়োজনে যুক্তি কৰি পলাই গ'ল।

এইফালে বুঢ়াৰ তৃতীয় পুত্ৰই পত্নী-পুত্ৰ হেকৰাই মনৰ অশান্তিত ঘৰ এৰি হাবি-বনলিয়ে ঘুৰি ফুৰোঁতে এদিনাখন এডাল গছৰ তলত শুই আছিল। তেনেতে সেই ৰাজ্যৰ সিংহাসনত ৰজা নোহোৱা বাবে শুকুলা হাতীয়ে তেওঁক পিঠিত উঠাই লৈ গ'ল আৰু মন্ত্ৰী পৰিষদ সকলে তেওঁক ৰজা পাতিলে। আনহাতে ষি সদাগৰে তিৰোতাজনীক নাওত জোৰকে লৈ গৈছিল তেওঁ তিৰোতাজনীৰ কুব্জচ ৰূপটো দেখি অলাগী ভাবি নমাই থৈ গ'ল সেইখন ৰাজ্যতে। আশ্ৰয়হীনা তিৰোতাজনীয়ে ৰজাৰ আশ্ৰয় বিচৰাত ফুলনিৰ মালিনী কৰি ৰাখিলে। তাৰ কিছুদিন পিছত পলাই অহা ল'ৰা দুটিও সেই ৰাজ্যত উপস্থিত হ'ল আৰু ৰজাই দয়াপৰবশ হৈ ল'ৰা দুটিক বুঢ়ীৰ লগত থাকিব দিলে। এনিশা ল'ৰা দুটিয়ে সিহঁতৰ মাক-দেউতাকৰ পূৰ্বকথা আলোচনা কৰা শুনি তিৰোতাজনীয়ে জানিব পাৰিলে যে সেই দুটি তেওঁৰেই সন্তান। সেয়ে নিজহাতে মুখৰ চুলি চিঙি, কাপোৰ ফটাই পিছ দিনা সেইবোৰ ল'ৰা দুটিৰ কাৰ্য বুলি ৰজাৰ ওচৰত গোচৰ দিলে। ডাঙৰ ল'ৰাটোৱে সেই কথা অস্বীকাৰ কৰি সিহঁতৰ মাক-দেউতাকৰ ষি কথা আলোচনা কৰিছিল সেই কথা পুনঃ ৰজাক ক'লে। তিৰোতাজনীয়ে তেতিয়া ল'ৰা দুটি তেওঁৰ বুলি দাবী কৰিলত ৰজাই তিৰোতাজনীয়ে নিজ ৰূপ পুনঃ ঘুৰাই আনিব পাৰিলে ল'ৰা দুটি ঘুৰাই পাব বুলি ক'লে। সেই কথা শুনি 'ভৰা দুপৰ বেলা নদীত স্নান কৰি নিৰকলি দেবতাক পূজা কৰিলে আৰু নিজৰ প্ৰকৃত ৰূপ ঘুৰাই পালে। তাৰ পিছত স্বামী-স্ত্ৰী-পুত্ৰৰ পৰিচয় হ'ল আৰু নিৰকলি ঠাকুৰৰ কৃপাত তেওঁলোকে সুখে সন্তোষে ৰজা-ৰাণী আৰু ৰাজকোঁৱৰ হৈ দিন কটাবলৈ ধৰিলে।

গল্পটোত যেনেকৈ বিশৃঙ্খলাৰ দুৰ্যোগ শেষ হৈ পৰম সুখ-শান্তি নামি আহিল ঠিক তেনেকৈ নিৰকলি পূজা কৰিলে অশান্তি আঁতৰি শান্তি নামি আহে — এই বিশ্বাসতে নিৰকলি পূজা কৰে আৰু পূজাৰ শেষত গল্পটো শুনি আয়তীসকলে পৰম শান্তি কামনা কৰি ঘৰা-পৰি শুচি যায়।

এই পূজাটো ব্ৰাহ্মণ নেথাকে আৰু গীত-পদো গোৱা নহয়।

৭। ক। ৬। বুঢ়া-বুঢ়ী পূজা :

বুঢ়া-বুঢ়ী পূজাত পুৰাণৰ আঁচোৰ লাগি আছে। এই পূজাৰ মূলতে তলত উল্লেখ কৰা কাহিনীটো জন সমাজত প্ৰচলিত আছে।

এজন সদাগৰ পুত্ৰৰ এটি ধনেশ চৰাই আছিল। কিবা কাৰণবশতঃ হাবিৰ মাজত সেই চৰাইটো মৰাত সাউদৰ ল'ৰাটোৱে চৰাইটোৰ কাষত বহি কান্দি আছিল। ঠিক সেই সময়তে মহাদেৱ পাৰ্বতীয়ে আকাশ মাৰ্গেৰে ৰথ চলাই গৈ আছিল। অৰণ্যৰ মাজত সেই দৃশ্যটো দেখি পাৰ্বতীয়ে মহাদেৱক তাৰ কাৰণ সুধিলে। মহাদেৱে 'নাৰীৰ চকু সৰ্গকো যায় নৰকৰো যায়,' বুলি মৃদু ভৎসনা কৰি সাউদৰ ল'ৰাটোৰ কান্দোনৰ কাৰণ ভাঙি পাতি কলত বেথাত পাৰ্বতীৰ মন আপ্লুত হ'ল। সেয়ে তেওঁ ল'ৰাটোক কিবা এটা উপায় দিবলৈ মহাদেৱক অনুৰোধ জনালে। তেতিয়া দুয়ো বুঢ়া-বুঢ়ীৰ ৰূপ ধাৰণ কৰি সাউদৰ ল'ৰাটোৰ সম্মুখত উপস্থিত হ'ল আৰু বুঢ়া-বুঢ়ীৰ পূজা কৰিলে ধনেশ চৰাইটো পুনৰ জী উঠিব বুলি কৈ গুচি গ'ল। পিছত সাউদ-পুত্ৰই বুঢ়া-বুঢ়ীৰ পূজা কৰিলত মৃত চৰাইটো পুনৰ জী উঠিল। তেতিয়াৰ পৰা পৃথিৱীত বুঢ়া-বুঢ়ীৰ পূজা প্ৰচলিত হ'ল।

থান নিৰ্মাণ ঃ দুটা বিন্নিৰ খোপ আনি ওচৰা-ওচৰিকৈ পুতি টিপ্ বান্ধি দিয়া হয়। তাৰে এটা বুঢ়া আনটি বুঢ়ী। অইন কোনো মূৰ্ত্তি নাই। সাধাৰণতে চিৰা, গুৱা, দৈ, কল, তাম্বোল-পাণ, ফুল আদি দি এই পূজা কৰা হয়। পূজাত ব্ৰাহ্মণ থাকিবও পাৰে নথাকিবও পাৰে। পূজাৰ শেষত 'বুঢ়া বুঢ়ীৰ নিমিত্তে হৰি হৰি' এই কথাখিনি তিনিবাৰ কৈ এই পূজাৰ সমাপ্তি কৰা হয়।

গোৱালপাৰা জিলাৰ লক্ষীপুৰৰ ওচৰৰ আৰু ঢেপ্ঢেপীৰ বুঢ়া-বুঢ়ীৰ থান উল্লেখনীয়। এই থানত প্ৰতি বছৰে ডাঙৰ উৎসৱ পতা হয়। গোৱালপাৰা জিলাৰ ফকিৰাগামৰ ওচৰৰ সাকাতী পাহাৰৰ নামনিত বুঢ়া-বুঢ়ীৰ থান আছে। তাত প্ৰতি বছৰে ডাঙৰ মেলা হয়। থানত দুটা ডাঙৰ শিল, এটা থিয় কৰা, আনটো শুৱাই থোৱা। প্ৰথমটো বুঢ়া আৰু দ্বিতীয়টোক বুঢ়ী বুলি পূজা কৰে। বুঢ়াৰ মূৰত গাখীৰ দিলে তলে তলে গৈ নদীৰে ওলায়। পাখৰত বুঢ়া-বুঢ়ীৰ ৰূপ কল্পনা জিলাৰ ভিতৰত ইয়াতেই প্ৰথম। তদুপৰি কিছুমান মানুহৰ ঘৰে ঘৰেও বুঢ়া বুঢ়ী থান আছে। তেওঁলোকে বংশানুক্ৰমে বুঢ়া-বুঢ়ীৰ পূজাও কৰি আহিছে। লোক বিশ্বাস মতে এইবোৰ মানুহৰ ঘৰত কেচুৰা উপজিলে কিছুদিন পিছত মুৰৰ চুলি সক সক জোট হয়। ল'ৰা হলে যোৰ মাহত আৰু ছোৱালী হলে বেযোৰ মাহত উক্ত ঠাকুৰক পূজা দি কাটিব লাগে। চুলি কাটোঁতে নাপিতে কেচুৰাৰ এডাল চুলিও মাটিত নেপেলাব। চুলিযোৰ ঠাকুৰৰ ওচৰত দিব। ছেতিয়া ব্ৰাহ্মণে পূজা কৰিব আৰু এযোৰ ক'লা পাৰ চৰাই ঠাকুৰৰ নামত উৰাই দিব। পূজাৰ পিছত

চুলিখিনি আঠিয়া কল এযোৰৰ সৈতে কাপোৰেৰে বান্ধি বগৰীৰ গছত ওলোমাই থব। যাৰ ঘৰত এই গোসাঁই আছে তেওঁলোকে এই পূজাৰ প্ৰসাদ খাব নোৱাৰিব।

৭। ক। ৭। কড়া-কড়ী পূজা ঃ

ধন-জনৰ উদ্দেশ্যে কৰা পূজা। এই পূজাটো কোনো মূৰ্তি নাই। ঘোৰ ঘট স্থাপন কৰা হয়। ৰংপুৰত ঘটক খুঠা বোলে। গোৱালপাৰাত বিশেষকৈ বিলাসী-পাৰাত সাধাৰণতে কাত্তিৰ সংক্ৰান্তিত (ৰংপুৰত পুহৰ সংক্ৰান্তিত) এই পূজা কৰা হয়। লোক মুখৰ পৰা জনা মতে গৌৰীপুৰ অঞ্চলত এই পূজাত গোবৰৰ ওপৰত দুটি কড়ি স্থাপন কৰা হয়। কড়া-কড়ী পূজাৰ থান পতা হয় বাস্তো (ৰংপুৰ বাউতি) ভিটাৰ ওচৰত। এই পূজাত ব্ৰাহ্মণৰ আৱশ্যক নাই। বসন্ত ৰোগৰ উপশমৰ উদ্দেশ্যেৰে কড়া-কড়ী পূজা কৰা হয় বুলি 'স্মৃতি গ্ৰন্থত' কোৱা কথাষাৰেৰে ইয়াত একমত হ'ব পৰা নগ'ল।

অন্যান্য পূজাৰ নিচিনাকৈ এই পূজাতো ধূপ-দীপ, চাকি-বত্তি, মূৰি-আখৈৰ উপৰিও ফল-মূল, কল-কুঁহিয়াৰ লাগে। এই পূজাত বিশেষভাবে কছৰী ফুল (মেটেকাৰ ফুল), ঢেঁকিয়া শাক, কলমু শাক। কসম শাক), ময়নাৰ ফল, ভেটফুল দৰ্কাৰ। এই সকলোবোৰ উপচাৰেৰে পূজাৰ বেদি নিৰ্মাণ কৰাৰ পিছত পূজাত উপস্থিত থকা সকলোৱে কড়া-কড়ীক উদ্দেশ্য কৰি ভক্তি জনাব। তাৰ পিছত এজনে কড়া-কড়ী ব্ৰত কথা ক'ব আৰু আনবোৰে শুনিব। কড়া-কড়ীৰ ব্ৰত কথা চমুকৈ এই ঃ

এজন ভিখাৰী ব্ৰাহ্মণৰ দুজনী গাভৰু ছোৱালী আছিল। পোহপাল দিব নোৱাৰি এদিনাখন ব্ৰাহ্মণে মোমায়েকৰ ঘৰলৈ নিম বুলি বামুণীক বুজাই ছোৱালী দুজনীক নি হাৰি-বননিৰ বাঘ-ভালুকে খাওঁক ভাবি সিহঁতক এডাল গছৰ তলত এৰি থৈ আহিল। নিৰাশ্ৰয়া ছোৱালী দুজনীক সেই গছ ডালে নিশাটোৰ বাবে নিজৰ বুকুতেই আশ্ৰয় দিলে। ৰাতি পুৱালত গছৰ ভিতৰৰ পৰা ওলাই ছোৱালী দুজনীয়ে চকুৰ নিচানকে লক্ষ্য কৰি যাব ধৰিলে। সিহঁত গৈ এখন গাওঁ পালে। তাৰে এঘৰ মানুহৰ গছত পকা কল দেখি খাবলৈ গ'ল ভোকত। গছ জেপোন্ত জুই লাগিল। গৃহস্থই সিহঁতক খেদি দিলে। সিহঁত গৈ ঢেঁকিয়া শাকনিত সোমাল। তাতো জুই লাগিল। তাৰ পিছত ধাননিৰ মাজেৰে গ'ল। ধাননিত জুই লাগিল। মানুহবোৰে মাৰিবলৈ খেদি গ'ল। সিহঁতে দৌৰি গৈ কুমাৰৰ গাওঁত প্ৰবেশ কৰিলে। কুমাৰৰ মাটিৰ পাত্ৰবোৰ ভাটি শেষ হ'ল। ভোকত অধীৰ হোৱা ছোৱালী দুজনীয়ে

তাৰো পৰা খেদা খাই কলম শাক খাম ভাবি শাকনিত প্ৰবেশ কৰিলে। শাকনিত জ্বই লাগিল। তেতিয়া পানী এটোপা খাব ভাবি নদীলৈ গ'ল। মানুহৰে সকলে সিহঁতক মাৰ-পিট কৰি খেদিলে। মনৰ বেজাৰত কিছুদূৰ গৈ সিহঁতে ক্লান্ত হৈ বিৰিণাৰ থোপত মুখ থৈ শুই থাকিল। সেই ঠাইলৈকে সেই ৰাজ্যৰ ৰাণীয়ে সাতজনী গাভৰু লৈ কড়া-কড়ী পূজা কৰিব আহিছিল। ৰাণীৰ নিৰ্দেশত সিহঁতে পানী আনিব গৈ পানীৰ কলহ উঠাব নোৱাৰাত শুই থকা দুই ভনীয়েকৰ সহায়ত পানীৰ কলহ উঠালে আৰু সিহঁত দুজনীক লগত লৈ ৰাণীৰ ওচৰলৈ উভতি আহিল। ৰাণীৰ লগতে সিহঁতেও কড়া-কড়ীৰ পূজা কৰিলে। পূজাৰ শেষত সিহঁতে কড়া-কড়ীৰ বৰ লৈ অহা বাটে ঘৰলৈ উভতিল। আহোঁতে যি যি ঠাইত সিহঁতৰ স্পৰ্শত (ওপৰত উল্লেখ কৰা ধৰণে) ধ্বংস হৈছিল উভতি যাওঁতে সেইবোৰ পুনঃ সঞ্জীবিত হৈ পৰিল। সিহঁত ঘৰলৈ গৈ মাক-দেউতাকক সকলো বৃত্তান্ত কৈ কড়া-কড়ীৰ পূজা কৰিলে। কড়া-কড়ীৰ বৰ অনুসাৰে ডাঙৰ জনীৰ ৰজাৰ লগত আৰু সৰুজনীৰ খৰিকটীয়াৰ লগত বিয়া হ'ল। ৰাজৰাণী হৈ থকাত ডাঙৰজনীয়ে পূজালৈ প্ৰায় পিঠি দিলে। এইফালে ৰজাই এই পূজা কৰি থকা দেখি এদিনাখন ভবিবে লঠিয়াই পূজাৰ সকলো সামগ্ৰী পেলাই দিলে। ফলত ৰজাৰ হাতী শাল, ঘোৰাশাল উদং হ'ল, ধন-দৌলত শেষ হ'ল, ৰজা হ'ল কুষ্ঠ ৰোগী আৰু সিহঁতৰ জীবনলৈ নামি আহিল দৰিদ্ৰতা। আনফালে খৰিকটীয়াৰ তিৰোতাজনীয়ে এই পূজা নিয়ম-নীতিৰে চলাই থকাত তেওঁৰ সংসাৰ ধনে-জনে উৰুনদী হৈ পৰিল। ৰাণীয়ে এদিনাখন ডাঙৰ ল'ৰাটোক মাহী-য়েকৰ খবৰ-বাতৰি লবলৈ পঠালে। মাহীয়েকৰ ঘৰ ধনে জনে নদন-বদন। উভতি আহি মাকক ক'লে। মাহীয়েকৰ অনুৰোধ ক্ৰমে ৰজা-ৰাণী সিহঁতৰ ঘৰলৈ গ'ল। কড়া-কড়ী পূজা পাতি সিহঁতক কড়া-কড়ীক ভক্তি কৰিব দিলে। তাৰ পিছত ভনীয়েকে বায়েক-ভিনিয়েকক (ৰজা-ৰাণীক) সিহঁতৰ জীবনৰ পূৰ্ব বৃত্তান্ত কৈ কড়া-কড়ী পূজা কৰিবলৈ অনুৰোধ কৰি ধন-ধান দি বিদায় দিলে। ৰজাই ৰাণীৰে সৈতে সাগ্ৰহ-ভক্তিৰে কড়া-কড়ী পূজা কৰিলত তেওঁৰ ৰোমাৰ আঁতৰি গ'ল আৰু হেৰোৱা সা-সম্পত্তি উভতাই পালে। সকলোৰে সুখ হ'ল। ব্ৰতকথা শেষ হ'ল।

কাহিনীটো কওঁতে প্ৰত্যেক ছেদে ছেদে জোকাৰ দিব।

'চিলকি চিলকি জোকাৰ দিবে,
চিলকি চিলকি ঐ কাহিনী কইবে।'

[কথাখিনি বিলাসীপাৰাৰ শ্ৰীশশধৰ দাসৰ সহায়ত (ৰংপুৰ আগত) শ্ৰীসুৰোবালাৰ পৰা সংগ্ৰহ কৰা হৈছে]

৭। ক। ৮। সত্য নাৰায়ণ পূজা :

সত্য নাৰায়ণ হ'ল স্কন্দ পুৰাণৰ বেৰা খণ্ডোক্ত পূজা। এই পূজা পূৰ্ব ভাৰতৰ হিন্দু সমাজত কম-বেছি পৰিমাণে প্ৰায় ঠাইতেই প্ৰচলিত। সকলো ঠাইতেই এই পূজাৰ উপাচাৰ প্ৰায় একে। ব্ৰাহ্মণে এই পূজা কৰে। পূজাৰ শেষত সত্য নাৰায়ণক উদ্দেশ্য কৰি গীত পদ গায়, নাম কীৰ্তন ধৰে। এই পূজাত গোৱালপৰীয়া কোনো লোকগীত নাই। পশ্চিম গোৱালপাৰাত বঙালী আৰু পূৱ গোৱালপাৰাত অসমীয়া গীতৰ প্ৰচলন আছে।

৭। ক। ৯। বলৰাম পূজা :

গোৱালপৰীয়া লোক জীবনত অন্যান্য পূজাৰ তুলনাত বলৰাম পূজা কিছু পৰৱৰ্তি কালত সোমাই পৰিছে। এই পূজাত মূলত কোনো মূৰ্তি নাই। বলৰামৰ প্ৰতীক হিচাবে সাধাৰণতে দীঘল বাঁহ এডাল পুতা হয়। কেতিয়াবা বেমাৰ-আজাৰ নিবাময় কৰিবৰ বাবে বলৰাম পূজা কৰা হয়। পূজাত ব্ৰাহ্মণ থাকিবও পাৰে নেথাকিবও পাৰে।

গীত পদ যুক্ত পূজা পাৰণবোৰ হ'ল এই :

৭। ক। ১০। গোৰক্ষনাথৰ পূজা :

গোৰক্ষনাথৰ পূজা বুলি কওঁতে সমপহিলতে যোগীসিদ্ধ গোৰক্ষনাথৰ কথা মনলৈ আহিব পাৰে। 'স্মৃতি গ্ৰন্থত' শ্ৰীশিবেন্দ্ৰ নাৰায়ণ মণ্ডল মহাশয়ে গোৰক্ষ-নাথক সাম্প্ৰদায়িক গুৰু বুলি উল্লেখ কৰি সিদ্ধ গোৰক্ষনাথকেই নিৰ্দেশ কৰিছে। যোগীসিদ্ধ গোৰক্ষনাথৰ পূজা অপ্ৰচলিত বুলি নকওঁ। কিন্তু ইয়াত আলোচিত গোৰক্ষনাথৰ শ্ৰীমণ্ডল মহাশয়ৰ গোৰক্ষনাথৰ লগত মিল নাই। গোৰক্ষ শব্দটোৰ অৰ্থ : নামবাচক, গৰু ৰক্ষা কৰোঁতা, গৰুৰ ৰস অৰ্থাৎ গাখীৰ হ'ব পাৰে। যি উদ্দেশ্য, উপলক্ষ্য আৰু পটভূমিত এই পূজা অনুষ্ঠিত হয় তাৰ পৰা সহজতে অনুমান কৰিব পাৰি যে ই গৰুৰ দেবতাকহে বুজাইছে। গোৱালপাৰা আৰু কামৰূপত ঠাই বিশেষে ইয়াক 'ৰাখাল' পূজা বুলিও কয়।

এসময়ত গোৱালপাৰা, কামৰূপত গোৰক্ষনাথৰ পূজা বৰ পৰোভৱেৰে পালন কৰা হৈছিল। কিন্তু বৰ্তমানে এই পূজা কাশ্চিৎ কৰবাতহে হোৱা বুলি ক'ব পাৰি। কামৰূপ জিলাত প্ৰতি জেঠ-বহাগ মাহত প্ৰতি ঘৰে ঘৰে এবাৰকৈ

গোৰ্খা (গোৰক্ষ) পূজা গোধূলি সময়ত গোহালিৰ সম্মুখত কৰাৰ উপৰিও ৰাজহুৱাভাবে গোৰ্খা ভোগ, গোৰ্খা লাক, গোৰ্খা নাম দিয়া হৈছিল। কিন্তু সদ্যহতে ই সঙ্কুচিত হৈ প্ৰায় নাই বিন্দু পাইছে গৈ। গোৱালপাৰা জিলাতো গোৰক্ষ-নাথৰ পূজা তথৈবচ। হলেও কিন্তু ঠাই বিশেষে উপৰোক্ত সময়ত গোলীঘৰৰ সম্মুখত কল, ভোগ, চিৰা, মুৰি দি এই পূজা এতিয়াও পতা দেখা যায়। কিন্তু সামুহিক উৎসৱৰ কোনো শুং-সূত্ৰ পোৱা নেযায়। এই পূজাত ওচৰ চুবুৰীয়াৰ ডেকা ল'ৰাবোৰে লগ হৈ 'গোলীঘৰৰ' সম্মুখত গোৰ্ক্ (গোৰক্ষ) নাথক উদ্দেশ্য কৰি প্ৰাৰ্থনাসূচক গীত গায়। গীতৰ প্ৰথম আৰু প্ৰধান উদ্দেশ্য হ'ল গোহালিৰ গৰুবোৰ অপায় অমঙ্গলৰ পৰা ৰক্ষা কৰাৰ, গৰুৰ বংশ বৃদ্ধি কৰাৰ, গাখীৰ বেছি পৰিমাণে দিয়াৰ বাবে গৰুৰ দেবতা গোৰক্ষনাথক প্ৰাৰ্থনা জনোৱা।

গোৱালপাৰা জিলাৰ ঠাই বিশেষে গোৰক্ষনাথৰ পূজাক গোৰক্নাথ, গোৰ্-নাথ বা গোঁয়াথৰ পূজা বুলিও কয়। গোহালি আৰু গোহালিৰ দেবতাৰ পূজা বাবে ঠাই বিশেষে আকৌ 'গোলি পূজা' বা 'গোৱালি' বা 'গোৱাইল' পূজাও বোলে। এই পূজাত ব্ৰাহ্মণ-পুৰোহিত নেথাকে। গোহালিৰ ভিতৰত (আগলতি কল পাতেৰে দুখন থান) দুখন 'আতাইল' পতা হয়। এখন গোহালিৰ পূবে আনখন পশ্চিমে। পূবৰ খনত হিন্দুৰ দেবতা আৰু পশ্চিমৰ খনত মুছলমানৰ পীৰৰ উপাসনা কৰা হয়। একে সময়তে হিন্দুৰ দেবতা আৰু মুছলমানৰ পীৰ পূজিত হোৱাটো বিশেষকৈ তাৎপৰ্যপূৰ্ণ। এই পূজাৰ গীতবোৰ হ'ল এই :

(১)

আইলোৰে অৱনে, মাও লখীৰ চৰণে।
মাও লখী দিল ৱৰ, ধান কাৰি চাউল কৰ।
চাউল দিয়া নাদিল কড়ি, তাক কৰিব নৰি ঝৰি।
নৰি ঝৰি হাইমৰে, সোণাৰ কড়ি পাইম বে।
সোণাৰ কড়ি ৰূপাৰ ফালা, সেইঘৰ দেখিবাৰ ভালা।
ঘৰ ভালা ছাটিনী, গিত্থানী ভালা কাটিনী।
কেনে গিত্থানী বিৰস মন, আমাক দিবেন কতই ধন।
খাবাৰ চাইনা, নিবাৰ চাই, গোৰক্নাথ পূজিবাৰ চাই।
গোৰক্নাথ গেইল গাজেৰ কূল, পিন্দিয়া আসিল চম্পা ফুল।
চম্পা নোঅয় ভক্তবান, হাঁসিয়া হাঁসিয়া কৰ দান।

(২)

আইলংৰে গৃহস্থৰ বাৰী, হুচপীৰাখান কলাবাৰী।
কলাবাৰীৰ ধলা লাউ, তাত চৰিয়া নীল খেলাউ।
নীল খেলেবাৰ চাইলেন, চন্ত্রী, চম্পা ভাসাইলেন।
চন্ত্রী চম্পা নন্ত্রী ফুল, নাৰীৰ মাথায় নাই চুল।
ঝেক্তি নাৰী ফুল পিন্ধে, ছেদাৰ কাটায় কাণ বিন্ধে।
ছেদাৰ কাটা নোহাৰ ঈশ, মাগিয়া পাইলং ধান বিশ।
ধান বিশ নাপায়াৰে, ভেন্নী বইলো চায়াৰে।
ভেন্নীৰ ভাতাৰ মাইৰ্‌লো ঠাৰ, আৰ নাযাইবে খেত পাথাৰ।

ছেদাৰ— কটলা পহু। ধলা— ধওলা— বগা।

(৩)

থুবে নানা থুবে সাজে, কাণা কড়ি ঝুমুৰ বাজে।
বাজুক ঝুমুৰ বাজুক তাল, এই মাটিখান জগত মাল।
জগত মালে উনি ঝুনি, সোণাৰ বান্দং পাঁচ থুনি।
সোণাৰ বেকুৰা পাক, আগা দুৱৰে নিকলে হাঁস।
হাঁস নিকলে, নিকলে মইৰ, নিকলে বত্রিশ পায়ৰা।
পায়ৰাৰ ডাক সুৱা, আমাৰ গুৰু খায় গুৱা।
গুৱা খায়া নাখাইলে চুণ সেবা গুৱাৰ কিবা গুণ।
কেবা যাবে বেগামপুৰ, বেগামপুৰ পাইক পাৰা।
তাত দেখিব পাইবে, তিনশ আঠাৰ ঘোৰা।
ঘোৰায় ঘোৰায় যুজাইলাম, শাল দুইক মাৰিলাম।
শাল গোটা দুইক গাজি গুজি, ধৰি বাঙালক কাটিয়া পুজি।
এতো বাঙালক কৰিম কি, পানীত ভাসাইম বৰৌনী।

মইৰ—ময়ুৰ চৰাই। বৰৌনী— ডাঙৰ নদী।

(৪)

হৰোণা হৰণি তামোল বৰণি
ধান খায় গোদ গোদায়, আইল পাগল পুজিব যায়।
আইল পাগল পুজিয়া, বিশ্বকর্মা সুজিয়া।
বিশ্বকর্মাৰ বিশা নাচে, তাৰ পাৰ্‌শে খাৰা নাচে।
খাৰা নাচে আইলোৰে ধান, মাইগাৰ বেটি বাৰা বান্।

খুদি চাইট্টা মালাই আন।
মালাই নিয়া গেইল শিয়ালে, কাণা মইল বিয়ানে।
কাণা মইল ভালেই হইল, কাণাৰ নেংটি আওবিব হইল।

(৫)

একনা গাই ধোন্দনা পেটী	হয়ৰে হয়।
দুধ হয় তাৰ আঢাই ঘোটী	" "
সে দুধ কি হইল ?	" "
সে দুধ বিলেই খাইল	" "
সে বিলেইটা কুতি গেইল ?	" "
সেই বিলেইটা জংগলত সোন্দাইল	" "
সে জংগলখান কি হইল ?	" "
সে জংগলখান পোৰা গেইল্	" "
ছাই গুটিক তাৰ কি হইল্ ?	" "
ছাই গুটিক দৰিয়াত পইল্	" "
সে দৰিয়া কি হইল্ ?	" "
দৰিয়া শুকাইল নেফ্ৰা গাজাইল্	" "
সে নেফ্ৰা কি হইল ?	" "
সে নেফ্ৰা বাৰিয়ায় খাইল	" "
কেনেৰে বাৰিয়া নেফ্ৰা খালু ?	" "
ৰাখোৱাল কেনে চৰায় না	" "
কেনেৰে ৰাখোৱাল চৰাইস্ না ?	" "
ৰান্ধনী কেনে ভাত না দেয়	" "
কেনে ৰান্ধনী ভাত নাদিস ?	" "
ৰাখোৱাল কেনে পাত নাকাটে	" "
কেনে ৰাখোৱাল পাত নাকাটিস ?	" "
কলায় কেনে মাইজ নাফেলায়	" "
কেনেৰে কলা মাইজ নাফেলাইস ?	" "
দেওৱায় কেনে ঝৰে না	" "
কেনেৰে দেওৱা ঝৰিস্ না ?	" "

বেঙে কেনে কান্দে না	হয়বে হয়
কেনেৰে বেং তুই কান্দিস না ?	,, ,,
সাপে কেনে ধৰিয়া খায়	,, ,,
কেনেৰে সাপ তুই ধৰিয়া খাইস	,, ,,
আপ্‌না যোজগাৰ কৰিয়া নেই	,, ,,

দৰিয়া— নদী। লেফ্‌ৰা—নদী বা বিলৰ পানী শুকোৱাৰ পিছত ভাত গজা ঘাঁহ। বাৰিয়া— লেজ কটা বা লেজ নথকা গৰু। মাইজ— কলফুল।

(৬)

মাগী বোলে মনুষ্যা মোৰ বুদ্ধি ধৰ,
হেণ্ডা ভেণ্ডা ভাঙিয়া পাটাৰ আবাদ কৰ।
বাৰ চাষ কৰিয়া তেৰ চাষ মৈ,
তাৰ উপ্‌ৰা পাটাৰ বিচি বৈ।
বইলং পাটা উত্তিল লাফে,
শাক তুলি খায় পাৰাৰ লোকে।
আঠ আঙুল পামুলেৰ নয় আঙুল ডেটা,
পাটা নিলায় গোলকেৰ বেটা।
গোৰ ঢেলেয়া আগাল ঢেলেয়া,
মধ্যখান নিয়া যায় গাজে ফেলেয়া।
গাজে ফেলেয়া হইলো খুনা
ছাওয়ায় ছোটয় আইন্‌লং ধুইয়া।
তিন বইদে পাটা দোৰো,
মোৰেয়া পাটা ঘৰ কৰো।

পামু— ধান, পাটা, নিৰোৱা খটি। ডেটা— নাল। নিলায়— নিৰায়।

(৭)

পাট বলে পাট বলে
পাট বলে ভাইবে মুই বৰ বীৰ
হাতী বান্দং হাতী থিৰ।
পাট বলে পাট বলে
পাট বলে মুই বৰ বীৰ
গৰু বান্দং গৰু থিৰ।

পাট বলে.....বৰ বীৰ
ঘোৰা বান্দং ঘোৰা থিৰ।
পাট বলে .... বৰ বীৰ
মইষ বান্দং মইষ থিৰ।
পাট বলে পাট বলে . . বৰ বীৰ
ঘৰ বান্দং ঘৰ থিৰ।
পাট বলে পাট ..... . বৰ বীৰ
ছাগল বান্দং ছাগল থিৰ।

(এনেদৰে গীতটি ইচ্ছামতে দীঘল কৰি নিব পাৰি। এইটো বন্ধনৰ গীত।)

(৮)

গোলোকেৰ নাৰুখানে বিন্ধাইল ঘূণে,
হাতী ছোৱান কৰোং গোলোকেৰ গুণে।
গোলোকেৰ নাৰুখান বিন্ধাইল ঘূণে।
ঘোৰা ছোৱান কৰোং গোলকেৰ গুণে।
গোলোকেৰ নাৰুখান বিন্ধাইল ঘূণে,
মইষ ছোৱান কৰোং গোলোকেৰ গুণে।
গোলোকেৰ নাৰুখান বিন্ধাইল ঘূণে,
ঘৰ ছোৱান কৰোং গোলোকেৰ গুণে।
গোলোকেৰ নাৰুখান বিন্ধাইল ঘূণে,
ছাগল ছোৱান কৰোং গোলোকেৰ গুণে।

(সাত নম্বৰ গীতত যিমান বন্ধা যায় আঠ নম্বৰ গীতত সিমানেই খুলিব লাগিব। এইটো ছোৱান অৰ্থাৎ মুকলি কৰা গীত।)

(৯)

ভাটী হাতে আইল পাঁৰ মুখে চাপ দাৰি,
দই দুধ খাইতে যাই নন্দ গোৱালেৰ বাৰী।
গোৱাল বলে আছেৰে গোৱালজনী ঘোলে নাই,
গোটায় পৰিয়া মইল সাত দ গাই।
সাত দ গাই মইল নয়দ বাছুৰ,
হাটু পানীত ডুবিয়া মইল গোৱালজনীৰ ভাণ্ডৰ।

কান্দেৰে গোৱাল্‌লনী হাতে নয়া দাও,
গোটেৰ বদলি কেনে নামইল মোৰ মাও।

মইল— মৰিল।

(১০)

টোকোনা পীৰে উঠিয়া কয় মালিক পীৰেৰ ভাই,
মাইবলং গোৱালেৰ গৰু জীয়া জীয়া যাই।
বালা পীৰে উঠিয়া ধামায় দিলে কোৰ,
যতনা গোৱালেৰ গৰু উঠিল গোটা গোট।
মালিক পীৰে উঠিয়া ধামায় দিলো বাৰী,
যতনা গোৱালেৰ গৰু কৰে দৌৰা দৌৰী।
সাত শ গাই জীয়াইল নয়শ বাছুৰ,
হাটু পানীত জীয়া উঠিল গোৱাল্‌লনীৰ ভাণ্ডৰ।

হাটু— আঠু, টোকোনা— নিৰাশ্রয়।

(১১)

হাইচেওৰে হাইচেওৰে কপ্‌লী গাই
তোৰ প্রসাদে দুধ ভাত খাই।
হাইচেওৰে হাইচেওৰে মেনা বলধ,
তোৰ প্রসাদে ধান ঘৰত।
হাইচেওৰে হাইচেওৰে মেনী গাই
হাচ্‌লে হাচ্‌লে খই ছিটাই
খই ছিটাই মোলা ছিটাই
মোলা ছিটিয়া কলা ছিটাই।

এনেদৰে গীতটি দীঘল কৰি নিব পাৰি।

৭। ক। ১১। ত্রিনাথ পূজা ঃ

আন কিছুমান পূজাৰ তুলনাত ত্রিনাথ পূজা গোৱালপৰীয়া সমাজত কিছু পৰিমাণে আধুনিক যেন ভাব হয়। তদুপৰি এই পূজা বঙালীৰ ৰূপ গঢ়ত সৃষ্টি হোৱা যেনো লাগে। কাৰণ এই ত্রিনাথ পূজাত ইতিমধ্যে ছপা হৈ ওলোৱা শ্রীমহেশ চন্দ্র দাসৰ 'ত্রিনাথৰ পাঁচালী' পাঠ কৰা দেখা যায়। এই পুথিৰ বৰ্ণনাৰ পৰা ত্রিনাথ পূজাৰ সম্পূর্ণ প্রতিকৃতি পাবৰ উপায় নাই। ত্রিনাথ পূজাৰ কথা ৰূপ

পুৰাণৰ বেৰা খণ্ডত পোৱা যায়। ত্রিনাথ পূজাৰ পাঁচালীৰ কথাখিনি উক্ত পুৰাণৰ পৰাই লোৱা হৈছে। ত্রিনাথ পূজাৰ মূলো উক্ত পুৰাণেই হ'ব।

ত্রিনাথ শব্দই জগতৰ তিনিজন নাথ অৰ্থাৎ ব্রহ্মা, বিষ্ণু, মহেশক বুজাইছে। ত্রিনাথ পূজাৰ গীতত উল্লেখিত আৰু উক্ত পাঁচালীত লিখিত তিনি পাইৰ তিনি পদ সামগ্রীৰে ত্রিনাথ পূজা হোৱা কথাটো মন কৰিব লগীয়া।

'এক পাই গাজা আৰ এক পাই পাণ
তৈল লবে এক পাই শুন মতিমান।'

উক্ত পাঁচালীৰ মতে কলি কাল আৰম্ভ হোৱাত নবদ্বীপত নাৰায়ণে ত্রিনাথ ৰূপ ধাৰণ কৰে। সেই ঠাইতেই এজন দুখীয়া ব্রাহ্মণে গৰু চৰাই উভতি আহোঁতে বাটতে গাইজনী হেৰাল। বহুত বিচাৰিও গাইজনী নোপোৱাত সেই দৰিদ্র ব্রাহ্মণে কান্দিবলৈ ধৰিলে। এনেদৰে হাবিত ঘুৰি ফুৰোঁতে এটা সৰোবৰ পাই ভাবিলে: 'মৰিব ইহাতে ভাবে দ্বিজবৰ।' তেতিয়া অন্তর্যামী নাৰায়ণে দৈববাণী কৰিলে।

'ত্রিনাথ কৰোঁহে পূজা অবোধ বালক॥
গাভীৰ কাৰণে কেনে জীবন ত্যজিবে।
পুনৰ্বাৰ ধন ৰত্ন গাভী তৰ পাবে॥'

এই দৈববাণী শুনি ব্রাহ্মণে ত্রিনাথ পূজা কৰি হেৰুৱা সকলোখিনি লাভ কৰিলে। এই দৃষ্টান্তৰ পৰাই ত্রিনাথ পূজা প্রচলিত হ'ল আৰু হেৰুৱা সকলোখিনি পোৱাৰ মানসেৰে আৰু নোপোৱাখিনি পোৱাৰ আশাৰে এই ত্রিনাথ পূজা আজিও প্রচলিত হৈ আছে। বামুণ নোহোৱাকৈয়ে এই পূজা কৰে। ত্রিনাথ পূজাৰ গান তিনিটা এই:

(১)

আইসো হে এক ৰূপেতে তিনিজন
ত্রিনাথ ৰূপে ঘটত কৰো আবোহণ।
আইসো ব্রহ্মা, বিষ্ণু, মহেশ্বৰ,
(তোমৰা) তিনে হয়ে একেশ্বৰ।
নিজ গুণে দয়া কৰো অধীনৰ উপৰ॥
মুই তন্ত্র মন্ত্র নাহি জানং
কি ৰূপেতে কৰি পূজন।
মুই সাধন ভজন নাহি জানং,
কি ৰূপতে কৰি পূজন॥

(২)

লইয়ো নাম পৰম যতনে সাধুৰে ভাই,
দিন গেইলে লইয়ো ত্রিনাথৰ নাম।
ওৰে আমাৰ ঠাকুৰ ত্রিনাথ বৰ দয়াময়,
এক পইসাৰ তৈল হইলে তিন বাঁতি জ্বালায়।
ওৰে আমাৰ ত্রিনাথ বৰ দয়াময়,
এক পইসাৰ গাঞা হইলে তিন কল্কী বানায়।
ওৰে আমাৰ ঠাকুৰ ত্রিনাথ বৰ দয়াময়,
এক পইসাৰ পাণ তামুল সভাতে বিলাল।
সাৰা দিন কৰি ভাই গৃহবাসেৰ কাম,
সন্ধ্যা হইলে লইয়ো একবাৰ ত্রিনাথ প্রভুৰ নাম।
ত্রিনাথৰ নাম লইতে যায় কৰিবে হেলা
হাত ঠেং খসিয়া যাইবে চোখৰ বিৰাইবে ঢেলা।

ঢেলা— চকুৰ মণি।

(৩)

আইলোৰে ত্রিনাথ প্রভু জগতে
অজগৰী অমূচা হইলো জগতে
কলিতে হৰি সৰ্বময়
পুৰে পাগলেৰ আশ্রয়
এ দুনীয়ায় শম্ভু চান হইলোৰে উদয়
ঢেপ্‌ৰা পেটা সিদ্ধেশ্বৰী ঐ
ধামৰা মাধম ৰথেতে
আইলোৰে ত্রিনাথ ঠাকুৰ জগতে।

অজগৰী— অস্বাভাবিক, হঠাৎ।

৭। ক। ১২। নুতুম পূজা :

পৃথিবীৰ সকলো প্রান্তৰ সকলো জনগোষ্ঠীৰে শিশু কাল একে সহজ-সৰল নিৰাৱৰণ। আজিৰ আধুনিক জ্ঞান-বিজ্ঞানৰ যুগৰ জ্ঞানদীপ্ত সুসভ্য মানৱ জাতিৰ শৈশৱ কালো আছিল শিশুৰ দৰে। সেই আদিম কালত, আজিৰ জ্ঞান-বিজ্ঞানে

অনাবশ্যক ও অপকাৰী, অন্ধ ও কুসংস্কাৰ বুলি যত পোষণ কৰা বহুত চিন্তা ও কৰ্ম, ভাব ও আচাৰ প্ৰকৃত ও সত্য বুলি বিবেচিত হৈছিল আৰু সেইবোৰ অপৰিহাৰ্যভাবে পালনীয় বুলিও মানি চলা হৈছিল। আধুনিক যুগৰ মানুহে পৰীক্ষিত জ্ঞান-বিজ্ঞানেৰে সত্য নিৰূপণ কৰিছে যে মানৱ আৰু মানৱ সভ্যতাৰ অনস্বীকাৰ্য সত্য হ'ল প্ৰাকৃতিক উৎস। আজিৰ মানুহে নিজ বুদ্ধি আৰু কৰ্ম কৌশলেৰে প্ৰাকৃতিক শক্তি উদঘাটন কৰি নিজৰ সপক্ষে আৰু মঙ্গলৰ বাবে ব্যবহাৰ কৰিব লৈছে। কিন্তু শিশু মানসিকতাৰ আদিম মানুহে জ্ঞান ও কৌশলৰ অভাৱত সেইটো কৰিব পৰা নাছিল। তথাপি প্ৰকৃতিৰ বাহ্যিক ৰূপ ও শক্তি মাহাত্ম্য উপলব্ধি কৰি, অনন্ত শক্তিস্বৰূপা প্ৰকৃতিৰ ওচৰত শৰণাপন্ন হৈছিল। মানুহ প্ৰকৃতি আৰু প্ৰকৃতিৰ নিয়ন্ত্ৰণাধীন। ইয়াৰ বিৰুদ্ধে যুঁজ কৰা অসম্ভৱ। এয়া আছিল আদিম মানুহৰ ভাব। কিন্তু আজিৰ মানুহে অদম্য প্ৰকৃতিৰে যুঁজ কৰি প্ৰকৃতিৰ ধ্বংসমুখী কাৰ্যক মানৱ ও বিশ্বৰ মঙ্গলপ্ৰদ কৰি তুলিবলৈ অবিৰত চেষ্টা চলাইছে। তথাপি প্ৰকৃতিৰ অনিবাৰ্য শক্তিৰ ওচৰত মানৱৰ জ্ঞান-বিজ্ঞান-শক্তি তৃণবৎ পৰাভূত হৈছে। হেজাৰ হেজাৰ বছৰ বিয়পা মানৱ সভ্যতাৰ সকলো সমল-সম্পদ-শক্তি প্ৰকৃতিৰ এটি মাত্ৰ ক্ষণিক আঘাতত লণ্ড-ভণ্ড, চুৰ-মাৰ হৈ যায়। মানুহৰ জ্ঞান-বিজ্ঞান-শক্তি প্ৰকৃতিৰ ওচৰত হৈ পৰে এক দুখজনক উপহাস মাত্ৰ। সেয়ে অতীতত জ্ঞানলব্ধ মানৱে প্ৰকৃতিত আশ্ৰয় কৰিছিল, শৰণাপন্ন হৈছিল, ভকতি-প্ৰণতি জনাইছিল। যি দেখিছিল সেয়াই আছিল তেওঁলোকলৈ সত্য, দেখাৰ আঁৰত থকা বহস্য আছিল অজ্ঞেয় আৰু দুৰ্ভেদ্য। তেওঁলোকৰ ভকতি-মিনতি প্ৰণতি আছিল বহস্যময় প্ৰকৃতিৰ শক্তিৰ ব্যক্ত ৰূপ আৰু লীলা মাহাত্ম্যৰ প্ৰতি। প্ৰকৃতিৰ এই শক্তি আৰু লীলা মাহাত্ম্যই প্ৰাগ-বৈদিক দেব-দেবীৰূপে কল্পিত হৈছিল। বিষ্ণুপদ ভট্টাচাৰ্যই 'বৈদিক যুগৰ দেব-দেবী' (বিশ্ববিদ্যালয় সংগ্ৰহ) গ্ৰন্থত লিখিছে যে বৈদিক যুগৰ অধিকাংশক দেবতাৰ ৰূপ কল্পনা উদ্ভূত হৈছে প্ৰকৃতিৰ লীলা মাহাত্ম্যৰ অনুভূতিৰ পৰা। বিভিন্ন দেবতাৰ বৰ্ণনা কৰি তেওঁ লিখিছে, "এনেদৰে অগ্নিবায়ু, পৰ্জন্য, সৰিতা, বৰুণ, ৰুদ্ৰ, বৃহস্পতি আদি বহুত বৈদিক দেবতাৰ উদ্ভৱ প্ৰকৃতিৰ বিচিত্ৰ ৰূপৰ পৰা হৈছে। সেয়ে পাশ্চাত্যৰ পণ্ডিতসকলে অধিকাংশক বৈদিক দেবতাকে প্ৰাকৃতিক দেবতা (Natural goods) বুলি অভিহিত কৰিছে।"

বৰষুণ ভূ-প্ৰকৃতি বৰ্ধনক। ই মাটিৰ উৰ্বৰা শক্তি বঢ়োৱাৰ মূল কাৰণ। বৰষুণৰ পানীৰে পৃথিবী জীপাল হয় আৰু গছ-লতা, তৰু-তৃণ বৰ্ধিত হয় আৰু জীৱ-জন্তু, চৰাই-চিৰিকটি ও মানুহৰ আহাৰ্য নানা ফল-মূলৰ উপৰি বিভিন্ন শস্যই পৃথিবী

নহয়-বহন কৰি তোলে। সাধাৰণতে বহাগ জেঠৰ পৰা ভাদ-আহিন মাহলৈ ই দেশত বৰষুণৰ বতৰ। এই সময়ছোৱাত অতিবৃষ্টি বা অনাবৃষ্টি হ'লে পৃথিবীৰ জীৱ জগতৰ অশেষ ক্ষতি হয়। অনুভূতি আৰু চিন্তাশীল প্ৰাণী হিচাবে মানুহ এনে ক্ষেত্ৰত হৈ পৰে চিন্তিত, শংকিত আৰু ভীত। অতি বৃষ্টিতকৈ অনাবৃষ্টি বেছি ভয়ৰ কাৰণ। ই অপায়-অমঙ্গল, মাৰি-মৰক, দুৰ্ভিক্ষৰ লক্ষণ। অনাবৃষ্টি দূৰ কৰি বৰষুণৰ পানীৰে পৃথিবী জীপাল কৰিবলৈ পৃথিবীৰ প্ৰান্তে প্ৰান্তে মানুহে যুগে যুগে চেষ্টা চলাই আহিছে। 'মানুহে ভয়ত ভজে আৰু ভক্তিত ভজে।' অনাবৃষ্টিৰ ভয়ত ভীত আদিম মানৱ সমাজত জন্ম পায় প্ৰকৃতিক কেন্দ্ৰ কৰি দেৱ-দেৱীৰ কল্পনা, পূজা, উপাসনা। কাৰণ তেওঁলোকলৈ সকলো অনৰ্থৰ মূল প্ৰকৃতিৰ লীলা মাহাত্ম্য। এই লীলা মাহাত্ম্যৰে মূৰ্হিৰূপ দেৱ-দেৱী আৰু তেওঁলোক সন্তুষ্ট হ'লেই সকলো সন্তুষ্ট হ'ব। আদিম মানুহৰ এই চিৰন্তন বিশ্বাস আৰু ধাৰণা পৃথিবীৰ সৰ্ব প্ৰান্তৰ মানুহতে আছিল। এই ক্ষেত্ৰত ভাৰত, পূৰ্ব ভাৰত বা গোৱালপাৰা অঞ্চলো ব্যতিক্ৰম নাছিল। সেয়ে বিজ্ঞানৰ জন্ম আৰু বিস্তাৰৰ আগৰ পৰাই অনাবৃষ্টিৰ ভয়াবহতা দূৰ কৰিবলৈ অবিভক্ত গোৱালপাৰা জিলাত স্মৰণাতীত কালতে সৃষ্টি হৈ বৰ্তমানো পূৰ্ণোদ্যমে সমাজত প্ৰচলিত হৈ আহিছে হুদুম পূজা। ই বিজ্ঞানৰ অন্তৰ্গত নহলেও ইয়াক কিন্তু লোকবিশ্বাস বুলিব পাৰি।

হুদুম পূজা : হুদুম পূজা পশ্চিম গোৱালপাৰা জিলাৰ লোক-সংস্কৃতিৰ এটি মৌলিক উপাদান। অবিভক্ত গোৱালপাৰা জিলাৰ পূৰ অঞ্চলত ইয়াৰ প্ৰচলন নাই। লোক বিশ্বাস মতে হুদু চৰায়ে যেতিয়া 'ৰাও কৰে' তেতিয়া মতা আৰু মাইকী হুদু দুটিয়ে গছৰ ডালত মুখা-মুখীকৈ বহে আৰু এনেদৰে কথা-বতৰা পাতে। :

মতা : সুন্দৰী সুন্দৰী বুজুলু (বুজিলি) ?

মাইকী : কি ?

মতা : দেওতা মেঘ কৰ্‌চে, ঝৰি আসিবে।

মাইকী : বুজুলু, বুজুলু (বুজিলো)

হুদু চৰাইয়ে এনেদৰে কথা-বতৰা পাতিলে বৰষুণ হয় বুলি জনবিশ্বাস থকা বাবে গোৱালপাৰা জিলাত বনবীয়া হুদু চৰাই ধৰি আনি হুদুম পূজা পাতিছিল। জন প্ৰবাদ মতে হুদু চৰাই ধৰি আনি আঁউসীৰ এদাৰ বাতি নিখুৱা (জন-প্ৰাণীহীন) পথাৰত এটি খুটিত বান্ধি থৈ এই পূজা কৰিছিল। কিন্তু গোটেই পৃথিবীখনেই যেতিয়া আধুনিকতাৰ সাজ-সজ্জা পৰিধান কৰি ন ধৰণ-কৰণেৰে আগবাঢ়ি আহিল তেতিয়া চহা সহজ লোক-সমাজ জীৱনৰ সংস্কৃতিয়েও মোট সলোৱাটো স্বাভাৱিক।

আধুনিকতাই হুদুম চৰাইক পূজাৰ বেদীত স্থাপন কৰি কৰা প্ৰকৃত হুদুম পূজাৰ নিদৰ্শন লোক-জীবনৰ বিস্মৃতিলৈ ঠেলি দিলে। এতিয়া প্ৰাচীন কলৰীয়া হুদুম চৰাইৰ পৰিবৰ্তে কলগছৰ পুলি এটি পুতিহে এই পূজা কৰা হয়। কিন্তু প্ৰাচীন ঐতিহ্য-বাহী এই অনুষ্ঠানটিয়ে হুদুম চৰাই নহলেও সেই পূজাৰ চৰাই বন্ধা 'হুদুম খুটিৰ' নামেৰে কল পুলিটোক আজিও 'হুদুম খুটি' বোলে।

'হুদুম খুটি' সং নিষ্ঠা আৰু নানা নিয়ম-নীতিৰে পোতা হয়। 'হুদুম খুটি'ৰ বাবে ব্যবহাৰ কৰা কল পুলিটো আকৌ যেয়ে সেয়ে কাটিব নোৱাৰে।' তাৰ বাবে 'এক কুশিয়া ছাওৱা' অৰ্থাৎ যি মাকৰ একেটি মাত্ৰ সন্তান জন্মিছে আৰু দ্বিতীয় সন্তান জন্মা নাই, সেই সন্তানেহে এই পুলি কাটিব পাৰিব, সেই সন্তান স্ত্ৰী-পুৰুষ যিয়ে নহওক। তাকো আকৌ ৰাতিৰ এঘাৰত বিবস্ত্ৰা হৈ একে উশাহতে কাটিব লাগিব।' 'হুদুম খুটি' পোতাৰ ৭ দিন আগৰে পৰা প্ৰতি দিনে সাতজনী অকুমাৰীয়ে কুলা আৰু ঘোটি লৈ ৭ ঘৰৰ পৰা পানী আনি জমাই থব। পূজাৰ দিনাখন নাঙল যুৱলী ধুই সেন্দুৰৰ ফোঁট দি 'হুদুম খুটি' পুতিবলৈ নিৰ্বাচন কৰি লোৱা ঠাই-ভোখৰ অকুমাৰী ছোৱালীবোৰে বা তিৰোতাসকলে গৰু আৰু হালুৱৈ হৈ চহাব আৰু পূৰ্বত ৭ ঘৰৰ পৰা আনি জমাই থোৱা পানী ছটিয়াই দিব। মাটি চহোৱা হোৱাৰ পিছত কল পুলিটি গাঁত খান্দি পুতিব। গাঁতৰ তিতৰত ঘেচুল/ ফেচকুল্লা/ পখিৰ ভাসা (বাহ), ঢাল কাউৰাৰ মাথা (ঢোৱা কাউৰী), নটীৰ দুৱাৰৰ মাটি, হাতীৰ দাঁতৰ মাটি, ঢেঁকী ধোৱা পানী, সাতবাৰী মাগা পানী, সাত বা তিনি ভাতাৰীৰ বাল, বাও কুমতাৰ (ঘূৰ্ণী বতাহত উৰা) বস্তু, বুঢ়ী সুতা, মকৰাজাল দিব। এই পূজাত ষোল্লটি কল থকা এজাখি কল, গুৰ-চেনি, আতপ চাউল, ফুল, ফলপচাৰি, দৈ-দুধ, এটি জলপূৰ্ণ ঘট, তাম্বোল-পাণ, ধূপ-ধুনা, বাৰ শইচ (বাৰ বিধ শস্য) লাগে। প্ৰধান পূজাৰিণীজনীয়ে আয়তীসকলৰ উলুধ্বনি আৰু জোকাৰৰ লগে লগে বিবসনা হৈ গাঁতত 'হুদুম খুটি' পোতে। পিছত এখন নতুন কুলাৰ ওপৰত গা ধোৱে আৰু কুলাত থকা পানীখিনিৰে 'হুদুম খুটি'টোক ধোৱাই দিয়ে। আয়তীসকলে উকলি জোকাৰ দি থাকে। পিছত পানীপূৰ্ণ ঘটটিত, তাম্বোল-পাণ, বাৰ শইচ দি হুদুম খুটিৰ ওচৰত স্থাপন কৰি ধূপ-ধুনা জ্বলাই ফল-মূলৰ নৈবেদ্য দি খুটি পোতাৰ কাম সম্পূৰ্ণ কৰে। লোক বিশ্বাস মতে 'হুদুম খুটি' পোতাৰ লগে লগেই বৰষুণ হয়। নহলেও হ'ব বিবেচনা কৰি তিনি দিনলৈ অপেক্ষা কৰা হয়। তাৰ ভিতৰত বৰষুণ নহলে আয়তীসকলে হুদুম পূজা আৰম্ভ কৰে।

হুদুম পূজা বেদাচাৰ বহিত্ত, ই সম্পূৰ্ণকৈ লোকাচাৰ আৰু স্ত্রী আচাৰ যুক্ত অনুষ্ঠান। ইয়াত ব্রাহ্মণ পুৰোহিতৰ কোনো ভূমিকাও নাই, আৱশ্যকো নাই। কেৱল পুৰুষ বুলিবলৈ ঢাক বজোৱা মানুহজনে চকুত কাপোৰ বন্ধা অৱস্থাত ঢাক বজাই থাকে। এই অনুষ্ঠান হয় 'বাতি নিশা' ভাগত, গাওঁ বা সমাজৰ পৰা আঁতৰত মুকলি পথাৰত। ইয়াত বিবাহিত সধৱা-বিধবা তিৰোতাসকলে প্রধান ভূমিকা লয়। গাভৰুবোৰক পার্শ্বমানে পূজাথলিৰ পৰা আঁতৰত ৰাখিবলৈ চেষ্টা কৰা হয়। কিন্তু বেছিভাগ ক্ষেত্রত ই সম্ভবপৰ নহয়। কাৰণ নজনাক জনাৰ, নেদেখাক দেখাৰ অদম্য কৌতূহলে এই বেৰ ভাঙি পেলায় আনহাতে এই লোক-কৃষ্টিৰ ধাৰক-বাহকবো আৱশ্যক। তেনে ক্ষেত্রত নবযুৱতীসকলক প্রশিক্ষণ দিয়াৰো আৱশ্যক আছে।

হুদুম দেওৰ পূজা গোৱালপৰীয়া লোক-সংস্কৃতিৰ এক বিশিষ্ট গীত নৃত্য অনুষ্ঠান। এই পূজা আৰম্ভ কৰে শনিবাৰ বা মঙ্গলবাৰে ৰাতি। এই পূজা আৱশ্যকত কেবাদিন ধৰি চলে। তিৰোতাসকলে ৰাতি ৰান্ধি-বাঢ়ি গৃহস্থৰ সকলোকে ঘুৰাই থৈ ওলায় যায় আৰু গোটেই ৰাতি গীত-নৃত্য কৰি হুদুম দেওৰ ওচৰত বৃষ্টিৰ প্রার্থনা জনায়। প্রথম দিন অতি নিষ্ঠা আৰু আৱম্বৰেৰে লৌকিক আচাৰ অনুযায়ী পূজা সমাপ্ত কৰি 'হুদুম খুটি'ৰ চাৰিওফালে ঘুৰি ঘুৰি নৃত্য-গীত কৰে। এই গীত-বোৰ যৌনধর্মী : সেইবুলি ইয়াত যৌন ব্যভিচাৰ নাই। এই অনুষ্ঠানত পূজাৰিণী-সকলে উলঙ্গ হৈ যৌনধর্মী গীত-পদ গাই আকুলভাবে ববযুণৰ বাৰে হুদুম দেওৰ ওচৰত প্রার্থনা জনায়। এনাৰ ৰাতি নির্জন ঠাইত পতা এই অনুষ্ঠানত তেওঁলোকৰ উলংগ হ'বলৈ কোনো দ্বিধা, লজ্জা নেথাকে। কাৰণ সকলোৰে ধাৰক-বাহক আৰু প্রাণ স্বৰূপা বিশাল বিশ্ব প্রকৃতিয়ে নিৰাৱৰণা। নাৰীও প্রকৃতি। গতিকে নিৰাৱৰণা প্রকৃতিৰ লগত একাত্মবোধ স্থাপন কৰিবলৈ নাৰী প্রকৃতিও নিৰাৱৰণা হ'ব লাগিব। আনহাতে ধকৰা সামাজিক জীবনৰ কট্‌কটীয়া গণ্ডীৰ মাজত জীবন নির্বাহ কৰিবলগীয়া নাৰীসকলে সমাজ আৰু ওকজন ব্যক্তিৰ আঁতৰত, সামাজিক বিধি-বিধানৰ উর্ধত এনাৰ ৰাতি সহ নাৰীৰ লগত একত্রে এই পূজাত অংশ গ্রহণ কৰাত জীবনৰ অবদমিত সকলো আনন্দোচ্ছ্বাস বাৰিষাৰ বাৰিধিয়ে পাৰ ভাঙি প্রবাহিত হোৱাৰ দৰে অবাধ গতিত স্বতঃস্ফূর্তভাবে প্রকাশ পাবলৈ ধৰে। এই আনন্দানুভূতিৰ প্রকাশত তেওঁলোক হৈ পৰে আত্মহাৰা, লয় নানা ভেদছন। হিয়াময়ৰ আনন্দৰ অবধি লোহোৱা সময়ত, দেহ-মন-হিয়াৰ আনন্দই শ্লীল-অশ্লীলৰ সীমাৰেখা অতিক্রম কৰি যায় আৰু উপস্থিত হয় গৈ আদিম মানৱৰ অৱস্থাত। আনন্দোচ্ছ্বাসত অধীৰা হৈ সেই উলংগ নাৰীয়ে নাৰীয়ে পুৰুষ নাৰীৰ সংস্পর্শৰ অভিলাষ কৰে। কেতিয়াবা

'হুদুম খুটিক' পুৰুষ হিচাবে সাৱতি ধৰি সংগম অভিনয় কৰে। সৰল লোক বিশ্বাস মতে এনে আচৰণ কৰিলে বৃষ্টি অনিবাৰ্যই হ'ব। কাৰণ পৃথিবী নাৰী প্ৰকৃতি, হুদুম-বৰুণ-ইন্দ্ৰ তেওঁৰ স্বামী। সেই স্বামী বীৰ্য স্বৰূপ বৰষুণ পৰিলে স্ত্রীৰূপা পৃথিবী উৰ্বৰা হৈ শস্যে-মৎস্যে, ফুলে-ফলে নদন-বদন হ'ব। সেয়ে তেওঁলোকে বিবসনা হয় আৰু যৌনধৰ্মী কামোদ্দীপক অশ্লীল গান গায়। পূজাৰ শেষৰ কেইদিন কল পুলিটোৰ অবস্থা একেবাৰে বেয়া হয়। কাৰণ আয়তীসকলে সদায় পুলিটোৰ গুৱিত প্ৰস্ৰাব কৰে। বিশেষকৈ ঘৰলৈ উভতিবৰ সময়ত তেওঁলোকে কাপোৰ ভাঙি ভাঙি তাত প্ৰস্ৰাব কৰে। চহা জীবনৰ কাৰ্য-কাৰণবোৰ লৌকিক হোৱাটোৱে স্বাভাবিক। এনে ভাবে চালে এই পূজাৰ সকলো বিষয় স্বাভাবিক বুলি ধৰিব লাগিব। অমলেন্দু মিত্ৰ মহাশয়ে আকৌ লিখিছে যে বাচিয়াৰ ফ্লোচকা (Floska) গাওঁৰ তিৰোতাসকলেও অনাবৃষ্টিৰ সময়ত বিবস্ত্রা হৈ গৈ গাওঁৰ প্ৰান্ত ভাগত পানী ঢালে। বহাগ মাহত মেঘক তুষ্ট কৰিবলৈ, বঙ্গদেশৰ বিভিন্ন ঠাইত মেঘৰাণী ব্ৰত পালন কৰে। এই অনুষ্ঠানতো তিৰোতাসকলে উলঙ্গ হৈ বৰুণ দেবতাক বৰষুণ দিয়াৰ বাবে প্ৰাৰ্থনা জনায়। ভাগবতৰ দশম স্কন্ধৰ গোপিনী-সকলৰ কাত্যায়নী ব্ৰতৰ কথাও এই ক্ষেত্ৰত উল্লেখ কৰিব পাৰি। পৃথিবীৰ প্ৰান্তে প্ৰান্তে গোৱা এনেবোৰ সমপৰ্যায়ৰ অনুষ্ঠানৰ পৰা এইটো ন দি কোৱা যায় যে 'হুদুম পূজা' বিশ্ব নাৰী মানসিকতাৰ এক গুৰুত্বপূৰ্ণ আৰু উজ্জ্বল নিদৰ্শন।

হেমন্ত কুমাৰ ৰায় বৰ্মাই 'কোচবিহাৰৰ ইতিহাস' (১৯৮৮, ২য় সংস্কৰণ) গ্ৰন্থত কোচসকলৰ ধৰ্মৰ আলোচনা প্ৰসংগত লিখিছে, 'কোচসকলে হুদুমদেও পূজা কৰে। বৰষুণৰ বাবে এই পূজা কৰা হয়। পূজাৰ ঠাইত চাৰিটি কল পুলি পোতা হয়। তিৰোতাসকলে উলুধ্বনি দি এই পূজা কৰে। বজনাসহ তেওঁলোকে কল গছৰ মণ্ডপৰ চাৰিওফালে ঘুৰি ঘুৰি শ্লীল-অশ্লীল গান গায় আৰু নৃত্য কৰে। ৭ দিন ধৰি কৰা এই পূজাত বৰষুণ হলে পূজা সাৰ্থক হোৱা বুলি বিবেচনা কৰা হয়।' আন কিছুমানে আকৌ কোচৰাজবংশী সকলৰ কৃষি জীবনৰ ভিত্তিতে এই লোক অনুষ্ঠানৰ জন্ম হয় বুলি কয়। 'গোৱালপাৰা জিলা সংস্কৃতি সংৰক্ষণ স্মৃতিগ্ৰন্থ'ৰ সম্পাদক শ্ৰদ্ধেয় শিবানন্দ শৰ্মাই লিখিছে, "এই অনুষ্ঠান কোনো সম্প্ৰদায় বা ধৰ্মগোষ্ঠীৰ লোকৰ অনুষ্ঠান নহয়। এয়া উমৈহতীয়া অনুষ্ঠান। কবতোৱা নদীৰ পূৰকালৰ লোকে আদিম কালৰ পৰা এই অনুষ্ঠান পাতি আহিছে। ধৰ্ম-সমাজ, ৰাজনৈতিক বিবৰ্তনে ইয়াক মুচি পেলাব পৰা নাই।" উক্ত স্মৃতিগ্ৰন্থতে ডঃ অজয় কুমাৰ চক্ৰবৰ্তীয়ে এই প্ৰসঙ্গতে লিখিছে "হুদুম গীতৰ উদ্দেশ্য কৰণ আৰু

প্ৰজনন।" কথাষাৰ অতিকৈ তাৎপৰ্যপূৰ্ণ নিশ্চয়। ওপৰত কৰা আলোচনাত এই পূজাৰ সময়ত নাঙল যুঁৱলী ব্যবহাৰ কৰা আৰু তাত সেন্দুৰ লগোৱাৰ কথা একাধিকবাৰ পাইছোঁ। নাঙল কৃষি কৰ্মৰ ই দেশীয় মূল যন্ত্ৰ। হুদুম পূজাৰে নাঙল যুঁৱলীৰ সম্পৰ্কৰ পৰা এই পূজা উৎসৱ কৃষি-কৰ্মৰ লগত বিশেষভাবে জড়িত বুলি ক'ব পাৰি। কৃষি-কৰ্মৰ বাবে প্ৰায় সকলো স্তৰতে বৰষুণৰ আৱশ্যক। বৰষুণ হলে মাটি চহোৱা আৰু কৃষি-কৰ্ম কৰা সম্ভৱ হয়। সেয়ে এই পূজা উৎসৱৰ কৃষি-কৰ্মৰ লগত সম্পৰ্ক থকাটো স্বাভাবিক। গতিকে ইয়াক কৃষি প্ৰধান আৰু কৃষি মাতৃক দেশৰ অনুষ্ঠান বুলিবও পাৰি। নাৰীৰ প্ৰাধান্য হেতুকে ইয়াক মাতৃমূল বা মাতৃগণ্ডী সমাজৰ অনুষ্ঠান বোলাৱো থল আছে।

পশ্চিম গোৱালপাৰাত পতা 'হুদুম দেও' পূজাৰ পৰিসীমা বাংলাদেশৰ অন্তৰ্গত ৰংপুৰ পূৰ দিনাজপুৰকে ধৰি পশ্চিমবঙ্গৰ পশ্চিম দিনাজপুৰ, কোচবিহাৰ, জলপাইগুৰি, দাৰ্জিলিঙলৈ পৰিব্যাপ্ত। এই বৃহৎ অঞ্চলত মঙ্গোলীয়-কোচ আৰু আল্‌পাইন নৰগোষ্ঠীৰ মানুহ মুখ্যতঃ বসবাস কৰে। উভয় গোষ্ঠীৰ মানুহে কৃষিজীবী। কিন্তু কোচক'ক আল্‌পাইনৰ উপস্থিতি প্ৰাচীন। গতিকে এই পূজাৰ ক্ষেত্ৰত দুয়ো গোষ্ঠীৰ মিশ্ৰিত উপাদানৰ কথাও চিন্তনীয়।

পূৰ্ব ভাৰতৰ উপৰি বিভিন্ন প্ৰান্তত বৰষুণেৰে পৃথিবী উৰ্বৰা কৰিবলৈ আই মাতৃসকলে 'হুদুম পূজা'ৰ পৰ্যায়ৰ লোক-সংস্কৃতিমূলক অনুষ্ঠান যুগে যুগে পাতি আহিছে। কিন্তু ভাৰতৰ বাহিৰৰ প্ৰান্তে প্ৰান্তেও একে উদ্দেশ্যধৰ্মী অনুষ্ঠান হোৱাৰো ৰাক্ষৰ পোৱা যায়। এই বিষয়ে বিস্তাৰিতভাবে আলোচনা কৰি লিখা ডঃ অমলেন্দু মিত্ৰৰ 'বাঢ়ৰ সংস্কৃতি ও ধৰ্ম ঠাকুৰ' গ্ৰন্থৰ পৰা জনা যায় যে মধ্য অষ্ট্ৰেলিয়া, জাভা দ্বীপ, আবিচিনিয়া, গ্ৰীচ, দক্ষিণ আৰু পশ্চিম কচদেশ, আৰ্মেনিয়া শ্যামদেশ, নিউচাউথওৱেলচ, নিউ বৃটেন, জাপান, মধ্য আফ্ৰিকা, ফ্ৰান্স, ৰোম, লিউগিনি আদি ঠাইতো বৰষুণৰ বাবে নানা লোক-সংস্কৃতিমূলক অনুষ্ঠান পতা হয় আৰু হুদুম পূজাৰ দৰে এই অনুষ্ঠানবোৰতো নাৰীৰ প্ৰাধান্যই দেখা যায়। এইবোৰ দেশ মুঠি থকা অঞ্চলটো ১৫ পশ্চিম দ্ৰাঘিমা ৰেখাৰ পৰা ১৩০ পূৰ দ্ৰাঘিমা ৰেখালৈ আৰু ৩০ দক্ষিণ অক্ষয় ৰেখাৰ পৰা ৭৫ উত্তৰ অক্ষয় ৰেখাৰ ভিতৰত পৰে। এই অঞ্চলতে পৃথিবীৰ সৰ্ববৃহৎ মৰুভূমিবোৰ আছে। ই এক অনাবৃষ্টিৰ কাৰণ হ'ব পাৰে নেকি? অনাবৃষ্টি সাধাৰণতে এক প্ৰাকৃতিক বিষয়। ইয়াত ভূ-প্ৰকৃতিৰ কোনো প্ৰভাব থাকিব পাৰে নেকি? এয়া বৈজ্ঞানিকসকলৰ ব্যাখ্যাৰ বিষয়। কিন্তু বৰষুণৰ বাবে পতা এই লোক-সংস্কৃতিমূলক অনুষ্ঠান চহা

লোক-জীবনৰ বাস্তৱ পটভূমিত সৃষ্টি হোৱা সৱল বিশ্বাস ও অনুভূতিৰ বিষয়। ইয়াত বৈজ্ঞানিক বিশ্লেষণৰ সূত্ৰ কিমান দূৰ প্ৰযোজ্য হয় সি চিন্তাৰ বিষয়। কিন্তু এইটো সত্য যে পৃথিবীৰ বিভিন্ন প্ৰান্তত অনাবৃষ্টিৰ ভয়াবহতা দূৰ কৰি পৃথিবী বৃষ্টিৰে জীপাল ও উৰ্বৰা কৰিবলৈ লোক মানসে সৃষ্টি কৰা হুদুম পূজাৰ সাইলাখ লোক-সংস্কৃতিমূলক অনুষ্ঠান স্মৰণাতীত কালৰে পৰা লোক-সমাজত প্ৰচলিত হৈ আহিছে। আজিৰ বৈজ্ঞানিক বিশ্লেষণ আৰু প্ৰযুক্তি বিদ্যাৰ যুগতো লুপ্ত নহৈ পূৰ্ণোদ্যমে চলি থকালৈ চাই এইবোৰ লৌকিক অনুষ্ঠান লোক-জনমানসৰ গভীৰতম অবস্থাত যে প্ৰতিষ্ঠিত হৈ আছে সেইটো বাকৈকৈয়ে উপলব্ধি কৰিব পাৰি। লোক মানসত বিজ্ঞানৰ স্থান কম। কিন্তু লোক-মানসৰ দলৈ শিপাই থকা লোক-সংস্কৃতি লোকমানসেৰে পুৰুষানুক্ৰমে ভবিষ্যতলৈ গতি কৰে। এনে ক্ষেত্ৰত এই অনুষ্ঠানটি নাৰী, অঞ্চল বা গোষ্ঠীকেন্দ্ৰিক বুলি বিবেচনা নকৰি, অনাবৃষ্টিৰ সময়ত সকলো প্ৰান্তৰ মানুহে স্বভাববশতঃ স্বতঃস্ফূৰ্তভাবে এই অনুষ্ঠান সৃষ্টি কৰা বুলিব লাগিব।

হুদুম পূজাৰ গীত ঃ

১। জাগৰে জাগৰে হুদুম আজিকাৰ ৰাতি,
গৃহস্থিয়া কৰে পূজা দিয়া ধূপ চাইলন বাঁতি।
আকাশতে কৰ পূজা আকাশ কাওলী,
পাতালতে কৰ পূজা এককাল লাগালি।
কালা মেঘ ধলা মেঘ ডাকিয়া আন ঝৰি,
আন্ধাৰ কৰিয়া দেওৱা আইসে দাবাৰি।
আন্ধাৰ কৰিয়া দেওৱা ঝৰি আয়ৰে,
কালা মেঘে দেওৱাৰ ঝৰি আয়ৰে।
আলো আলোৰে হুদুম দেশত আলোৰে॥
আনোৰে হুদুমেৰ মাও চাইলন বাঁতি,
ৰবিয়া নেও আজি হুদুমেক শুভ ৰাতি॥
কালা ৰাৰীত পাৰে নিন্দ সুৰসুৰায়,
কালা ৰাৰীত চাইলন ধৰি গৰমোৰায়॥
হুদুমেৰ মাও বন্দি হইল যোৰ মাৰেয়া ভলেৰে,
হুদুম হুদুমৰে, হুদুমে কি কাজ কৰিল ৰে।
হুদুমেৰ ঘৰ সাত ভাই কাৰে খেতত পানীনাই,
আছে পানী গাজতে ঢালিয়া দিব জমিতে। ইত্যাদি

[গোৱালপাৰা জিলা সংস্কৃতি সংৰক্ষণ, স্মৃতিগ্ৰন্থ (সম্পাদনা— শিৱানন্দ শৰ্মা) ৰ পৰা (ছন্দ মিলাই) উদ্ধৃত।]

১। হুদুম হুদুমীৰ বিয়া গেনু,
কাণেৰ সোণা দানে পানু।
হুদুম নামেৰ কে,
ধৱল ঘোৰায় ছৱিয়া হুদুম,
শেণ্ট নামে দে।
আয়ৱে হাড়িয়া মেঘ,
আয় পৰ্বত ধায়া।
হাড়িয়া মেঘক বান্ধিয়া থুইছং
গোৱাৰ বাল দিয়া।
ধওলা মেঘ কালা মেঘ,
মেঘ সোদৰ ভাই।
এক চিলিকা জল দেও,
গাও ধুইয়া যাই॥
দেওৱা ঝৰি আয়ৱে,
হোলো দাঙা দিয়া।
ময়না বুঢ়ী পূজা কৰে,
আঠিয়া কলা দিয়া।

অশ্লীলভাৱ আঁহ ফালি সভ্য সমাজত গোৱাৰ উপযোগীকৈ হুদুম পূজাৰ লোক-গীতৰ পটভূমিত ৰচনা কৰা এটি প্ৰচলিত লোকগীত।

৩। ও কি দেৱৰাজ !
যিও ঘাটে ফুল তুলসী ভাসে।
ঐনা ঘাটে নামিয়া পূজা
নেও মোৰ দেৱৰাজ হে॥
ও কি দেৱৰাজ !
যিও ঘাটে আঙপ কলা ভাসে।
ঐনা ঘাটে নামিয়া পূজা
নেও মোৰ দেৱৰাজ হে॥
ও কি দেৱৰাজ !

যিও ঘাটে জা-জোগাৰ পৰে।
ঐনা ঘাটে নামিয়া পূজা
নেও মোৰ দেৱৰাজ হে॥
ও কি দেৱৰাজ।
যিও ঘাটে ঢাকেৰ বাইজ পৰে।
ঐনা ঘাটে নামিয়া পূজা
নেও মোৰ দেৱৰাজ হে।
কালা মেঘ ধওলা মেঘ
মেঘ সোদৰ ভাই।
এক চিলিকা জল দেও,
গাও ধুইয়া যাই॥
মেঘ বৰষে বে ঘুৰিয়া ফিৰিয়া।
মেঘ বৰষে বে॥

৭। ক। ১৩। কাতি পূজা ঃ

কাতি (কাতিঅ—কার্ত্তিক) পূজা হল স্কন্দ পুৰাণোক্ত কার্ত্তিক পূজা। এই পূজা কৰা হয় কাতি মাহৰ সংক্রান্তিৰ দিনাখন। কেতিয়াবা কিবা বিঘ্নৰ অসুবিধাবশতঃ সেই সময়ত পূজা কৰিব নোৱাৰিলে আঘোণ মাহত কৰে। তাক 'নমলা কাতি' বোলে। বংশ বৃদ্ধি আৰু শস্য বৃদ্ধিয়ে হ'ল কাতি পূজাৰ প্ৰধান উদ্দেশ্য। নিঃসন্তান তিৰোতাই সন্তান লাভৰ কামনাৰে এই পূজা আগ বঢ়ায়। গতিকে এই পূজাৰ লগত প্ৰজনন বা সৃষ্টি-বাসনা জৰিত হৈ আছে।

চাৰিটা কলপুলি পুতি, মাজত ময়ূৰৰ ওপৰত কার্ত্তিকৰ মূৰ্তি স্থাপন কৰি পূজা মণ্ডপ সজায়। মণ্ডপৰ ভিতৰত ঘট থাকে, কল পুলিত ধানৰ শিহ বান্ধি দিয়ে, আৰু চাৰিওটি কল পুলিতেই এ:কাখনকৈ ধনু কাড় ওলোমাই থয়। কাতি পূজা সম্পূৰ্ণকৈ স্ত্রী আচাৰ যুক্ত আৰু কেবল নাৰী সকলেহে কৰে। সাময়িক ভাবে পুৰোহিত ব্রাহ্মণ আৰু ঢাকুৰাজনক বাদ দি কোনো পুৰুষেই এই পূজা চাব নোৱাৰে। পূজাত ব্রাহ্মণৰ আচাৰ অনুষ্ঠানৰ পিছত সন্তানকামী তিৰোতাজনীক মণ্ডপৰ ওচৰত কোচত ভামোজ-পাণ আৰু কল দি বহুৱাই থয় আৰু তাইয়েসকলে নাচি নাচি কার্ত্তিক দেৱতাক উদ্দেশ্য কৰি গীত গায়। এই গীতবোৰৰ বিষয়-বস্তুৰ

কালৰ পৰা দুই ভাগত ভগাৰ পাৰি।

১। কার্তিক কেন্দ্রিক গীত।

২। বং বহইসৰ গীত।

কার্তিক কেন্দ্রিক গীতবোৰক আয়তীসকলে 'কার্তিক সিজ্জন' বুলি কয়। এই কার্তিকৰ জন্ম খণ্ড আৰম্ভ হয় 'হেমেল' (হিমালয়) ৰজাৰ পত্নী মেনকাৰ গৰ্ভত পার্বতীৰ জন্মৰে পৰা। হৰৰ বিবাহ ঔৎসুক্য, নাৰদৰ ঘটকালী, হৰ-পার্বতীৰ বিয়া, মিলন, পার্বতীৰ গর্ভ ধাৰণ আৰু কার্ত্তিকৰ জন্মৰ খুটি-নাটি মাৰি দিয়া দীঘলীয়া বর্ণনাই এই গীতৰ প্রধান উপপাদ্য বিষয়। বং বহস্যৰ গীতবোৰ এই মূল পদবোৰৰ পৰা পৃথক।

কাতি পূজা পাতে সাধাৰণতে গাওঁৰ পৰা নিলগত (বিশেষ ক্ষেত্রত ঘৰতো পাভিৰ পাৰে) মুকলি আকাশৰ তলত, পুকষৰ দৃষ্টিৰ আঁতৰত। পুকষে লাজ কৰে নাৰীক, নাৰীয়ে লাজ কৰে পুকষক। কিন্তু নাৰীয়ে নাৰীক লাজ কৰিব লগীয়া একো নাই, বিশেষকৈ এনে উৎসৰ মুখৰ অবস্থাত। সেয়ে ভেনে এটা পৰিবেশ পোৱাত আৰু ঘৰৰ ককাই-ভাই, স্বামী-শহুৰৰ শাসন আৰু বন্ধনৰ পৰা সাময়িক ভাবে জাঁতবি পৰাত এক সীমাহীন স্বতন্ত্রতাৰ গভীৰ অনুভূতিয়ে হিয়াত খৌকি-বাখৌকি লগাই দিয়ে। এই হিয়া নধৰা আবেগিক তৰঙ্গ মালাৰ প্রকাশৰ বাবে আয়তীসকলে (বুটী-ডেকেৰী) গীত গায় আৰু গীতৰ সুৰৰ উন্মাদনাৰে নাচে। এই গীতবোৰ মনৰ আনন্দ প্রকাশৰ বাবে গোৱা গীত। হিয়া উপচি যোৱা আনন্দৰ প্রকাশ কৰিবলৈ যাওঁতে তেওঁলোকৰ মুখৰ পৰা শ্লীল-অশ্লীল দুয়ো ধৰণৰ কথা সৰি পৰে আৰু নাচোনত সৰি পৰে বুকুৰ কাঁচুলি, গলৰ হেচুলি। সাধাৰণতে অতি আনন্দ বা অতি খণ্ডত মানুহ হৈ পৰে সম্পূর্ণকৈ প্রাকৃত। ভেডিয়া মানুহ আদিম যুগলৈ উভতি যায়। এই দুয়োটি ক্ষেত্রতেই সহজাত প্রবৃত্তিসূচক অবাইস মাডবোৰ ওলাই আহে। ই অস্বাভাবিক নহয়, ববং সম্পূর্ণ স্বাভাবিকহে। সেয়ে কেডিয়াবা কোনোজনী হৈ পৰে অর্ধনগ্ন আৰু কোনোজনী নগ্ন। এইয়া মাত্র পিঞ্জৰাবদ্ধ নাৰীৰ বেগবতী নৈৰ পাৰ ভাঙি হোৱা বন্যাৰ নিচিনা আনন্দা-নুভূতিৰ প্রকাশহে মাথোন নহয়। পূজাৰ প্রজনন মাহাত্ম্য আৰু সৃষ্টিৰ অদম্য স্পৃহাৰ লগতো এনে ধৰণৰ নৃত্য গীতৰ নিগুঢ় সম্বন্ধ আছে।

অশ্লীলতাৰ পৰশ কাতি পূজাৰ গীতত আছে। হ'লেও হুদুম পূজাৰ গীতডলৈ আনুপাতিক হিচাবত বহুত কম; 'কার্তিক সিজ্জন' আৰম্ভ হৈছে এনেদৰে:

হেমেল ৰাজা বসিয়া আছে হেমেলা পর্বতে।

হেমেল বাজ বাপ চণ্ডীৰ মেচকা মাও।
মেচেকাৰ উদৰে চণ্ডী মাণ্ডৰ জন্ম।
দুখে ভাতে চণ্ডীক কৰিল মানুস।
দাঁত ভাঙিল চণ্ডীৰ চুলিও আসিল।
এক দুই কৰিয়া চণ্ডীৰ হইলো কতাকাল।
উলুলু .... উলুলু।

তাৰ পিছত শিবৰ বিয়াৰ কথা মনত পৰি নাৰদক মাজি আনি ৰাজসভা পাতা বিয়াৰ কথা জানিবলৈ পঠালে। বিয়াৰ দিন-বাৰ চোৱাৰ পিছত নাৰদৰ গতকাৰীয়ে বৰ্ণনা দিছে এনেদৰে :

কতেক দূৰ যেইতে নাৰদ কতেক দূৰ যেইল।
বাৰা পোহিল নাৰদ হেমেল বাজাৰ বাৰী
তোক বোলুং হেমেল বাজা শুনেক মোৰ কথা
তোমাৰ ঘৰে মুৰা নাৰী জোৱণ আইসছে দুইকুলা ভৰিয়া
এক শ ছয় কুৰি টাকা নেন বল গণিয়া
তোমাৰ খেটিৰ সব দেন বা চিঠিয়া
উলুলু .... উলুলু।

শিব-পাৰ্বতীৰ বিয়াৰ পিছত পাৰ্বতীৰ ঘৰ, শিবৰ সৈতে সহবাস, গৰ্ভ ধাৰণ আৰু কাৰ্তিকৰ জন্মৰ বৰ্ণনা দিছে এনেদৰে :

হাটু পানীত নামিল চণ্ডী, হাটু কইল্লো শুখ।
কোমৰ পানীত নামিল চণ্ডী, কোমৰ কইল্লো শুখ॥
হিয়ে পানীত নামিল চণ্ডী, দিলো পঙ্ক দূৰ।
কুঘাটে নামিয়া চণ্ডী সুঘাটে উঠিলো॥
ভিজা বস্ত্ৰ ফেলেয়া চণ্ডী শুকনা পৰিলো।
উত্তম গঙ্গাৰ জল দিয়া শিবেৰ পাও ধুচ্‌ৱাইলো॥
বুঢ়া শিবেৰ চণ্ডী ৰাণ্ড শশিৰ মোন্দাইল্লো।
সোনেয়া শিবেৰ সাথে পাশ তাম্বুল খাইলো॥
হাঁসিতে খেলিতে মাজি পোয়ান্ত হৈলো।
এ দুখে এ দিনালে কাৰ্তিক গৰ্ভ হইলো॥
এহা মাহ হইলো ছেলে ঘাকে খোলা বাহে।
দুই মাহ হইলো চণ্ডীৰ ঘাগী ঘাগনিয়া খাইলো॥

তিন মাস হইলো চণ্ডীৰ শাশুৰী জানিলো।
চাৰি মাস হইলো পৰশী জানিলো॥
পাঁচ মাস হইলো চণ্ডী আঁচল পাৰি শোতে।
ছয় মাস হইলো ছেলে ছয় ছবত ঘটিলো॥
সাত মাস হইলো চণ্ডীৰ এ স্বাদ খোৱাইলো।
আলচাউল গাভীৰ দুধ এ স্বাদ খোৱাইলো॥
আঠ মাস হইলো চণ্ডী চলিতে নাপাৰে।
নয় মাস হইলো ছেলে ওলট-পালট কৰে।
দশ মাসে দশ দিনে ছেলে এভূমিত পইলো॥

কার্ত্তিকৰ জন্মৰ পিছত এই পূজাত বিশেষভাবে গোৱা এটি গীতত কার্ত্তিকৰ দেহৰ সৰ্ব অঙ্গ-প্রত্যঙ্গ কোনে কেনেদৰে তৈয়াৰ কৰিছে সেই কথা নিখুঁতকৈ বৰ্ণনা কৰিছে। কাত্তি পূজাত সামৰিক ভাবে উপস্থিত থকা ব্রাহ্মণ পুৰোহিত জনকো আয়তীসকলে সুদাই নেৱে। এটা দীঘলীয়া গীতেৰে ব্রাহ্মণ জনকো থকা-সৰকা কৰে। ব্রাহ্মণক বিদায় দিয়াৰ পিছত জাউৰিয়ে জাউৰিয়ে বং-ৰহস্যৰ গীত গায় আৰু নাচে। বোৱাৰী আহিলে মাকৰ খোৱা-লোৱাত অসুবিধা হব ভাবি কাত্তিয়ে বিয়াকে নকৰালে। সেয়ে গায়ঃ

কাইত কান্দে কাত্তিকা কান্দে
হাতে লইয়া ধনু।
হৈবা কাত্তি ইয়ো চান্দে
না হইল তোৰ বিয়া॥
সিতা পাৰে কাত্তি
বইনেৰ দিগে চায়া।
হৈবা কাত্তি ইয়ো চান্দে
না হইল তোৰ বিয়া॥

ৰাতিটো আধাবাটে। নৃত্য-গীত আগনি পৰে। ক্লান্ত হয় আয়তীসকল। বাতিটোও হৈ পৰে ক্লান্ত। উষাৰ আগমনিত বিশ্রামৰ আশাৰে বাতিটোৱে সিঁয়াৰি উঠে। ভেটিয়া আয়তীসকলে কাত্তিৰ মঙ্গলাস আৰম্ভ কৰে।ঃ

সিমানে— ৰাজ, পৰশী— ওচৰ-চুবুৰীয়া।

হাজাৰ টাকাৰ কাণ্ডি যায় বনবাসে।
উঠো উঠো মাৰেয়া কত ঘুমে থাকো॥
উঠো উঠো মাৰেয়া নিও কাণ্ডিৰ বৰ।
একশ টাকাৰ কাণ্ডি যায় বনবাস॥
উঠো উঠো মাৰেয়া নেও গাভীৰ বৰ।
উঠো উঠো মাৰেয়া নেও ধনেৰ বৰ।
ষোল্ল আনাৰ কাণ্ডিৰে যায় বনবাস॥
উঠো উঠো মাৰেয়া নেও কাণ্ডিৰ বৰ॥
উলুলু.....উলুলু॥

শেষত ওপৰত কৈ অহা কল গছত আৰি থোৱা ধনুষোৰ লৈ নৃত্য কৰি গায়ঃ

দুৰ হাতে আইলোৱে বাদুৰ
কলা খাবাৰ আশে।
গাছেৰ কলা গাছে ৰইলে।
বাদুৰ গেইল মোৰ দেশেৰে॥
শিল পৰে জাকে জাকে
বাটুল পৰে ৰইয়া।
কুতি গেলুৰে মাৰেয়াৰ মাও
বাটুল কুৰাও আসিয়া॥

গীতটো গাই থাকোঁতে পুৰালী পোহৰে ভুমুকি মাৰিব আৰু আয়তীসকলে সমস্বৰে গাবঃ

এ ভাই হাৰিয়া পাপ গেইল হাৰিয়া,
পাপ গেইল পুণ্য হইল।
হৰি কথা মনে হইল॥

বুলি কৈ কাণ্ডি পূজাৰ ইতি পেলাব।

কাণ্ডি পূজাৰ বং ৰহস্যৰ গীতঃ

মাহ মাৰে মোৰ মাহুৰা ভাইয়া ৰে
মাহ মাহুৰ মাহুৰা ভাইয়া মোৰ
ফুল ফকনী দিয়া॥
পৰম আথা, মাহ মাৰে
মাহুৰ— মাহুৰি কুৰাই। মাৰেয়া— [illegible]

কই আৰো কাটৈলা বে
ভাবেৰ দেওৰা মাছ মাৰে চন্দনি কুকশা
পানীয়া মৰা মাছ মাৰে
চান্দা আৰো ধুতুৰা বে ॥
শশুৰ বাবাৰ মাছ কোটং
মুই দাওতে ফেলেয়া
ভাবেৰ দেওৰাৰ মাছ কোটং
মুই দাকত্বা কাচি দিয়া ॥
শশুৰ বাবাৰ বান্ধং মাছ
দিদি ও তেঁতেলী দিয়াৰে
আজি মন মোৰ হৰিয়া নিছে
ভাবেৰ দেওৰায় বে ॥
ভাবেৰ দেওৰাৰ মাছ বান্ধং
দিদি ও মোৰ জোৰ তেঁতেলি দিয়া বে
আৰ পানীয়া মৰাৰ বান্ধং মাছ
মুই চেকা-চিটা (পোৰা) দিয়া বে ॥
শশুৰ বাবাক ভাত দেং মুই
[illegible]
[illegible]
[illegible]
[illegible]
[illegible]
আৰ পানীয়া মৰাক ভাত দেং মুই
থেৰ্‌কেয়া থেৰ্‌কেয়া বে ॥
শশুৰ বাবাৰ বিছিনা পাৰং
দিদি ও ঐ পালঙেৰ উপৰে বে
ভাবেৰ দেওৰাৰ বিছিনা কৰং
মশাৰী টাঙেয়া বে ॥
পানীয়া মৰাৰ বিছিনা পাৰং
চাউল খেৰ বিছিয়া বে

আজি মন মোৰ হৰিয়া নিছে
ভাবেৰ দেওবায় যে ॥

ব্ৰাহ্মণ পুৰোহিতক উদ্দেশ্য কৰি গোৱা গীত

যজ্ঞ কৰে বামোণ, কেমন বামোণেৰ ছাইলা ॥
বামোণেৰ মাথা কাটিয়া টালা বানামু ॥
বামোণেৰ মুখ কাটিয়া বাটা বানামু ॥
বামোণেৰ নাক কাটিয়া বালী বনামু ॥
বামোণেৰ চউক কাটিয়া তাৰা বানামু ॥
বামোণেৰ কাণ কাটিয়া কুলা বানাম ॥
বামোণেৰ গলা কাটিয়া [illegible]
বামোণেৰ পেট কাটিয়া [illegible]
বামোণেৰ পিঠি কাটিয়া [illegible]
বামোণেৰ কোমৰ কাটিয়া [illegible]
বামোণেৰ ঠেং কাটিয়া খৰম বানামু ॥
বামোণেৰ চেট্ কাটিয়া লাঠি বানামু ॥
বামোণেৰ চক কাটিয়া ঠেঙা বানামু ॥

৭। ক। ১৪। বাঁশ পূজা ঃ

বাঁশ পূজা গোৱালপৰীয়া লোক-সংস্কৃতিৰ এক অতি বিশেষত্বপূৰ্ণ অঙ্গ। এই পূজা উৎসব বসন্ত কালত অনুষ্ঠিত হয়। বাঁশ পূজাৰ আন নাম হল মদন কাম বা কামদেব পূজা। বিশেষ ক্ষেত্ৰত মুছলমানসকলেও এই পূজা কৰে। ভেটিয়া বাঁশ পূজাক 'মাদাৰ পূজা' আৰু 'দাকা পূজা' বুলি কয়। মধ্য শোলমাৰীৰ শ্ৰীযমেশ ৰায় আৰু গৌৰীপুৰ অঞ্চলৰ বহুতো হিন্দু-মুছলমানৰ মুখৰ পৰা জনা যায় যে মেহেৰ ভাইবৰ এজন মুছলমান ভক্তবীয়াই মাদাৰ পূজা কৰিছিল আৰু সেই পূজাত হেজাৰ হেজাৰ লোক উপস্থিত হৈছিল। চাৰালভাঙা অঞ্চলতো 'দাকা পূজা' কৰা গৌৰীপুৰ অঞ্চলৰ মানুহে জানে। সন্তানহীন মুছলমান দম্পতীয়ে সন্তান লাভৰ আশাত এই পূজা কৰিছিল আৰু সন্তান লাভ কৰিছিল। পূজাৰ নিয়ত সেই দম্পতীয়ে বিধি পুনু অনুসাৰে সন্যাসক ভোজভাত খুৱাই মঃ মুছলমান

সমাজত উঠিছিল। নলবাৰী অঞ্চলত হোৱা বাঁশ পূজাক 'ভথেলী পূজা' বুলি কয়। ভথেলী উৎসবত হিন্দু-মুছলমান উভয়ে সমানে অংশ গ্ৰহণ কৰে।

নব জাতকৰ নাৰী ছেদনৰ পৰা আৰম্ভ কৰি মৃতকৰ চিতা নিৰ্মাণলৈকে বাঁহ মানৱ জীৱনেৰে এনে ওতঃপ্ৰোতভাবে জৰিত যে আধুনিক সভ্যতাই গঢ় লৈ উঠাৰ আগলৈকে বাঁহক বাদ দি মানৱ সমাজে জীৱনৰ পথত আগ বঢ়াত সততাই উজুটি খাব লগা হৈছিল। তেনে ক্ষেত্ৰত বাঁহৰ বংশ বৃদ্ধিৰ কথাটো মানৱ মনত নিশ্চিতভাবে ৰোপিত হৈছিল। তাৰে পৰাই সময়ত চৰাচৰ সকলোৰে বংশ বৃদ্ধিৰ বাবে প্ৰজনন ক্ষমতা বৰ্ধনক শক্তি হিচাবে এই পূজা অনুষ্ঠিত হ'বলৈ ধৰে। সম্ভবত পিছত 'বাঁশ পূজা'ক বুজাবলৈ 'মদন কাম' নামটি ব্যবহাৰ কৰা হয়। নলবাৰী অঞ্চলত বাঁশু পূজা চুবুৰীয়ে চুবুৰীয়ে হয়। বাতিপুৱা ভাগত এখন সামুহিক সাধাৰণ মণ্ডপ সজায়। তাত সিন্দুৰ আদি নানা সামগ্ৰী দিয়ে। পিছত ঘৰে ঘৰে ভথেলীৰ গোট গোট বাঁহবোৰ আনে আৰু এডাল গছত আউজিয়াই থয়। ভথেলীৰ বাঁহডালক 'পাউৰা' বুলিও কয়। পিছত আবেলি মেলা-উৎসব হয়। উৎসবৰ শেষত বাঁহবোৰ ঘৰে ঘৰে লৈ যায়। বাঁশ পূজাক লিঙ্গ পূজাৰেই নামান্তৰ আৰু ৰূপান্তৰ বুলি বহুতে কয়।

গোৱালপাৰা জিলাত প্ৰচলিত বাঁশ পূজাৰ গীতক প্ৰধানকৈ দুটা পৰ্বত ভাগ কৰিব পাৰি : বাঁশ পৰ্ব আৰু ভাং পৰ্ব। ভাং পৰ্বৰ কোনো বিভাগ নাই। কিন্তু বাঁশ পৰ্ব কেবাটিও বিভাগৰ সমষ্টি। যেনে : বাঁশ সৃজন, চৌৰৰ সৃজন, কাপোৰ সৃজন, মদন কামেৰ বাঁশ আৰু বাঁশ খেলা।

শ্ৰীবিমল বায়ৰ সহায়ত সংগৃহীত ৬০।৭০ বছৰ পুৰণি বাঁশ পূজাৰ গীতৰ পুথি এখন আৰম্ভ কৰিছে এনেদৰে :

জয় জয় বন্দং মলে বন্দং বাম।
প্ৰণাম কৰিয়া বন্দং গোসাইৰ চৰণ।
মাটিত সিজাইল গোসাই কৰিয়া যতন॥
কৰ্ম বাণে জনম হইল ঠাকুৰ মদন কাম।
দেব বন্দং ধৰম বন্দং ধৰম মইবাকাৰ।
হৰ গৌৰী মাধৰ বন্দং শিবেৰ জটাভাৰ॥

ক্ৰমশাৰ শেষত মদন কামৰ জন্ম-কথা কৈছে :

দশ মাস দশ দিন পুন্নিত হইলো।
মায়েৰ গৰ্ভহাতে ছাইলা ভূমিত পইলো॥

মদন কামৰ জন্ম হ'ল। তাৰ পিছত পুথিৰ পদ অনুসাৰে মদন কামে মালাগিৰি বৰক বাঁহ পুলি আনি বাঁহ সৃজন কৰিবলৈ নিৰ্দেশ দিছে:

মদন কামে বোলে বেটা মালা গিৰিবৰ।
বাসেৰ পুলি আনিয়া তুই বাস সৃজন কৰ॥

মালাগিৰিয়ে হনুমানৰ সহায়ত সমুদ্ৰৰ সিপাৰৰ পৰা বাঁহ পুলি আনি বাঁহ সৃষ্টি কৰিলে। দ্বিতীয় নিৰ্দেশ আহিল চোঁৱৰ তৈয়াৰ কৰিবলৈ। মালাগিৰিয়ে হাতত কুঠাৰ লৈ গৈ 'সাতালী' পৰ্বতত উপস্থিত হ'ল আৰু কপিলী গাইৰ নেজ কাটি আনি চোঁৱৰ বনালে। তৃতীয় নিৰ্দেশ হ'ল কাপোৰ তৈয়াৰ কৰিবলৈ। মালাগিৰিয়ে কৃষকক মাতি আনি 'বাঙ্গা' (কপাহ)ৰ খেতি কৰিব দিলে। তাৰ পিছত সূতা তৈয়াৰ কৰা হ'ল আৰু তাঁতীয়ে কাপোৰ বৈ কাটি দিলে। সেই কাপোৰ হ'ল:

দীগ্যে দিল ১৫ হাত পাস্তে দিল কম।
মদন কা'মৰ নামে কাপৰ গৰহন ৩ খন॥
কাপৰ গৰে তাতেৰ ছাইলা নাথাকিল বন্না।
ছিবফলাৰ বাজাৰ বুলি চলিল হাটিয়া॥
কতেক দুৰহাতে ভাতি কতেক দুৰ জেল।
আৰ কতেক দুৰ জেতেৰে ছিবফলাৰ বাজাৰ পাইল॥
কাপৰ পায় বাসুয়াৰেৰ ছাইলা নাথাকিল বন্না।
আপনাৰ মহল বুলি চলিল হাটিয়া॥

এইবোৰ জোগাৰ হোৱাৰ পিছত মদন কামে নিৰ্দেশ দিলে:

মদন কামে বোলে বেটা মালাগিৰিবৰ।
বাসেৰ আবায় জেয়া তুই বাস কাটিয়া আন॥
বাসেৰ আগালে চন্দৰ বান্দিয়া মোকে পূজা কৰ।
কতা শুনি মালাগিৰি নাথাকিল বন্না।
পসু কুৰাল কান্দে নিয়া চলিল হাটিয়া॥

মালাগিৰিয়ে বাঁহৰ বাগানলৈ গৈ দক্ষিণ, পশ্চিম, পুব কালৰ বাঁহ কাটিব যোৱাত সেই বাঁহে কলে,

"আমিতো সহিতে নাপাম্বি তোৰ সেক চন্দনেৰ ঘাও॥"

শেষত উত্তৰকালৰ গোপাৰ পৰা বাঁহ কাটিল।

আৰু "হৰি হৰি বুলিয়া বাস ভূমিত পৰিল।"

তেতিয়া বাঁহ কাটিলে এনেদৰে :

আগালখান কাটিল বাসেৰ হালুকা বুলিয়া।
গোৰখান কাটিল বাসেৰ কোলধৰ বুলিয়া॥
মদ্দখান লিল বাসেৰ মদন কাম ভাবিয়া।
ব্ৰহ্মনাৰ বালায় দিয়া বাসেৰ নইল পুবিয়া॥
সেকিয়া পুবিয়া বাসক কলেক বনাবন।
চেছেয়া ছিনিয়া বাসক কলেক সনাসন॥

পিছত সেই বাঁহৰ ওপৰফালে চোঁৰৰ বাদ্ধি আৰু বাকীখিনিত বঙা কাপোৰ মেৰিয়াই দি সোণৰ সুতাৰে বান্ধি ললে। সকলোবোৰ সম্পূৰ্ণ হোৱাৰ পিছত মদন কামে মালাগিৰিক কলে :

মদনকামে বোলে বেটা মালাগিৰিবৰ।
চল মোৰ বাস খেলিতে দক্ষিণ সহৰ॥
দক্ষিণ সহৰেৰ নাৰি মাগে পুত্ৰ দান।
আলয়া চাউলে গাৰিৰ দুগ্ধে সেবিল চৰণ॥
মদনকামে বলে বেটা মালাগিৰিবৰ।
মৰ বাস খেলিতে নেকামেকা সহৰ॥
কাম আয় কামেকাৰে কৰিতে দৰসন।
কামেকাৰ ভৰ ভূক্তি মাগে পুত্ৰ দান॥
আল চাউলে গাৰিৰ দুগ্ধে সেবিল চৰণ॥

গীতৰ শেষৰ কথাখিনিয়ে নিঃসন্তান মাতৃক সন্তান প্ৰদানৰ স্পষ্ট ইঙ্গিত দি এই পূজাৰ উদ্দেশ্য বুজিবলৈ আৰু সহজ কৰি দিছে। বাঁহ পৰ্ব ইমানতে শেষ। ইয়াৰ পিছত আৰম্ভ হৈছে ভাং পৰ্ব। বাঁহ পূজাৰ দৰেই হৰ পাৰ্বতীৰ কথা আছে। হৰৰ পূজাও ভাং লাগেই। গছকিকে ভাঙৰ খেতি কৰা ভাং খোৱাৰ বৰ্ণনা দিছে এনেদৰে :

হে বাম পুৰ্ব্ব পশ্চিম উত্তৰ দক্ষিণ
চাইৰ কোণ বন্দং মাণ্ডে।
এদেসে নাগিল ভাং আনিল গোকক লাগে॥
ভাং আনিল খোলিত কৰি থিতি, আনিল গাছে।

সেইনা ভাজেৰ বিচি বইল সাৰা খেতে ॥
আসিন মাস পৰিল আসি ভাংজেৰ হইল জনম।
চো'ত মাস পৰিল আসি ভাং হইল জটিয়া ॥
ভাল ভাল গাবুৰা সাজে ভাং কাটিবাৰ আসে।
কেহ নিল কোৰা কাচি কেহ নিল দাও।
জটিয়া ভাজেৰ গোৰে তুলিয়া মাৰে ঢেও ॥
গোৰখানি কাটিল ভাজেৰ আগল তুলিল।
হৰি হৰি বুলিয়া ভাং মাটিত পৰিল ॥
আটি আটি বান্দে কেহ বোজায় নিল।
নিধুয়া পাতাৰে আৰ এখোলান ছিলাইল ॥
ৰবিৰ ঝালায় ভাং সুকিয়া নইল।
খোলাতে ফেলে ভাজেৰ হাৰ কৰিল ভাজা
ডেকিতে ফেলেয়া ভাজেৰ হাৰ কৰিল গুৰা
বাইসখান ডেকিৰে তাৰ তেইসখান কুলা।
ঠেকিয়া ঠুকিয়া নিল জটিয়া ভাজেৰ গুৰা ॥
ভাটিহাতে হল আই কুচুনি হাতে পিতলেৰ খাক।
তায়তো সুজিতে পাবে মদনকামেৰ নাক ॥
আলয়া চাউল গাবিৰ দুগ্দে বনাইল নাক।
সেই নাক সুজিতে আইল মদনকামেৰ খেক ॥
প্রথমতে খাইল ভাং আন্দং ধৰম।
তাৰ পৰে খাইল ভাং ধানেৰ তাম ॥
সিবি আগিনা মন্দে খাইল ভাং আগিনাৰ তুলসি
পঠ মন্দে খাইল ভাং বুঢ়া আৰ ঝাপবি ॥
তাৰ পৰে খাইল ভাং শিব আৰ পার্বতি ॥
তাৰ পৰে খাইল ভাং লক্ষি সৰেসতি।
নৰম খাইল কুকম খাইল খাইল কলমতি ॥
তাৰ পৰে খাইল ভাং একাল ভাকিনী।
হে বাম বল্লা নদি খায় ভাং বল খায় খান বয় ॥
ঘাওল্লা সব খায় ভাং মাদিৰাৰ চায়।
হে বাগ নাইয়া সব খায় ভাং নাওতে পালে নিল ॥

ভাংজেৰ নিসায় পুকুটি উদাং চোৰে দিয়া জায় সিং।
হে ৰাম হালুয়া সব খায় ভাং হাল জুৰিবাৰ যাৰ।
নাঙ্গলেৰ খোস পৰি হালুয়া বগাৰ মত চায়॥
হে ৰাম মাজিসব খায়বে ভাং মাছ মাৰিবাৰ জায়।
হে ৰাম বাসেৰ আগালে খাইল ভাং হাবিয়া চংঙ।
হে ৰাম দোতা দৰি খাইল ভাং বাস বান্দিবাৰ॥
হে ৰাম ৰাম ডালি খাইল ভাং গুয়া এক জোৰা।
হে ৰাম চাইলন বাতী খাইল ভাং বাস বৰিবাৰ॥
হে ৰাম কোধবে খাইল ভাং বাস বান্দিবাৰ।
হে ৰাম সগুলদেবে খাইলেক ভাং নাই খায় মাটিয়া
কোন দেবে নাই খান ভাং নেও বল বাটিয়া॥

ইতি সমাপন।

ভাঙৰ খেতি কৰা, ভাং তৈয়াৰ কৰা, ভাং খোৱা আদি বৰ্ণনাবোৰৰ পৰা এনে অনুমান কৰিব পাৰি নেকি যে বাঁশ পূজাৰ সময়ত ভাং খোৱা হৈছিল? বাঁশ পূজা প্ৰধানকৈ পুৰুষৰ অনুষ্ঠান। এই পূজাত ওপৰত উল্লেখ কৰা বাঁহৰ লাঠিবোৰ লৈ পুৰুষসকলে গীত গায়, নৃত্য কৰে। গীতবোৰ কাতি পূজা, হুদুম পূজাৰ দৰে অশ্লীল। তেনে গীতৰ উদ্ধৃতি দিয়াৰ পৰা বিৰত থকা হ'ল।

গোৱালপাৰা জিলাৰ পশ্চিম অঞ্চলত বাঁশ পূজাৰ পৰোভৰ বেছি। এই পূজা সাধাৰণতে বসন্তকালৰ বাঁশ পূৰ্ণিমাত হয়। এই বাঁশ পূৰ্ণিমা হয় বুদ্ধ পূৰ্ণিমাত। এই পূজা যিসকল গৃহস্থৰ বাঁশ ঠাকুৰ (বাঁহ দেবতা) বংশৰ ঠাকুৰ সেইসকল গৃহস্থই চোতালৰ ঠাকুৰৰ পাটত (দেবতাৰ থানত) থকা বাঁশ ঠাকুৰৰ পূজা কৰে। তেওঁলোকে আন দেবতাৰ পূজা কৰিলে বাঁশ ঠাকুৰৰ পূজাও কৰে। দশংগতি ঠাকুৰৰ পাটতো (ৰাজহুৱা দেবতাৰ থানত) এই পূজা ৰাজহুৱা ভাবে হয়। অঞ্চল ভেদে এই পূজাৰ বেহঙ্গপৰ কিছু ভাৰতম্য দেখিব পোৱা যায়। ইয়াক আঞ্চলিক ৰূপ পাৰ্থক্য বুলিব পাৰি। যেনে:

১। মদন কাম।
২। কাম দেব।
৩। চাতালি বাঁশ।
৪। অকাল বাঁশ।

১। মদন কাম ঃ অতি প্ৰাচীন কালৰ পৰা চলি অহা পূজা অনুষ্ঠান। এই পূজাৰ ঠাকুৰ হ'ল এডাল পূৰ্ণ আৰু দীঘল বাঁহ। যি মানুহৰ বংশাৱলি ক্ৰমে বাঁহ ঠাকুৰ বংশৰ দেৱ হিচাবে পূজিত হৈ আহিছে সাধাৰণতে তেওঁৰ ঘৰতেই এই পূজা পাতে। বাঁহডাল ভালকৈ চিকুণাই লৈ পূজা কৰা মাৱেয়া (গৃহস্থ)ৰ চোতালত ভালদৰে পুতি লোৱা খুটিৰ সৈতে সোনকৈ বান্ধি লোৱা হয় বহাগৰ শুক্লা ত্ৰয়োদশীৰ দিনাখন। বাঁহডালৰ ওপৰত চোঁৱৰ দিয়া হয় আৰু বাঁহডাল বঙা বগা কাপোৰেৰে মেৰিয়াই সজ্জিত কৰা হয়। এয়ে মদন কাম ঠাকুৰ। সন্ধিয়া সময়ত পুৰুষ নাইবা ভিৰোতাৰ নাড়ু (সংকীৰ্তন) হয়। চতুৰ্দশীৰ দিনাখন ব্ৰাহ্মণ পুৰোহিতে বেদাচাৰ মতে পূজা আৰু হোম কৰে। সন্ধিয়া কীৰ্তন হয়। পূৰ্ণিমাৰ দিনাখনো পুৰুষ বা মহিলাৰ কীৰ্তন হয়। ধূপ-ধূনা জ্বলায়, নানান ফল-মূলেৰে নৈবেদ্য দিয়ে। চাউলৰ গুৰা, চেনি দুধ, কপুৰ (কৰ্পূৰ), মোলা (মুৰিৰ লাড়ু) আৰু ভাঙৰ লাড়ু দিয়ে। চতুৰ্দশীৰ পিছত কৰা পূজাত ব্ৰাহ্মণ নেথাকে। সমজুৱাৰ যি কোনো ব্যক্তিয়ে কৰে।

একাদশীৰ একাণ্ডি পোহৰত (প্ৰতিপদৰ প্ৰথম দিনাৰ এন্ধাৰত) বাঁহ পূজা সমাপ্ত হয়। বাঁহডাল নমাই গঞা বাইজে লগ লাগি গীতপদ গাই নদীৰ পাৰলৈ লৈ যায় আৰু পানীত ভালকৈ ধুই আনি আকৌ পূৰ্বৰ নিচিনাকৈ বান্ধি থয়। সন্ধিয়া আয়তীসকলে ঠাকুৰৰ পূজা কৰে আৰু কীৰ্তন কৰে। গৃহস্থই লাড়ু মোলা খুৱায়।

এই পূজাৰ চোঁৱৰকে আদি কৰি সামগ্ৰীবোৰ সেই গৃহস্থৰ ঘৰত ৮ দিনলৈ থাকে। আঠ দিনৰ পিছত হৰিলুট (নাম-কীৰ্তন) দিয়ে আৰু সম্ভৱ হ'লে গৃহস্থই প্ৰসাদৰ উপৰি ভক্তসকলক ভাত খুৱায়।

বিছনদৈ, গোলকগঞ্জ বিন্নাছৱা, বিশখোৱাকে আদি কৰি বৃহৎ অঞ্চলটোত আকৌ ষোৱ বাঁহ পুতে আৰু প্ৰতিদিনে সন্ধিয়া গাওঁৰ ল'ৰাবোৰে বাঁশ পূজা কৰা সকলোবোৰ গৃহস্থৰ ঘৰৰ পৰা বাঁহবোৰ ওচৰৰ পথাৰলৈ লৈ যায় আৰু সেইবোৰ নচুৱাই নচুৱাই নৃত্য-গীত কৰে। গীতবোৰ পুৰুষ-মহিলাৰ যৌনাঙ্গৰ থলুৱা শব্দ যুক্ত আৰু পুৰুষ-মহিলাৰ যৌন ক্ৰিয়া বিষয়ৰ অশ্লীল গীত। পিছত আকৌ পূৰ্বৰ ঠাইত মদন পূজাৰ বাঁহবোৰ থৈ দিয়ে। শুক্লা ত্ৰয়োদশীৰ পৰা পূৰ্ণিমালৈ প্ৰতিদিনেই এইটো কৰা হয়। একাদশীৰ দিনাখন সেই অঞ্চলৰ মদন পূজাৰ বাঁহবোৰ যি কোনো ভাঙৰ পথাৰলৈ লৈ যায় আৰু থিয়কৈ পুতে। ভাত মেলা বহে আৰু লোকে-লোকাৰণ্য হয়। কোলোৰে আকৌ মনস্কামনা পূৰ্ণ কৰাৰ বাবে সেই ঠাকুৰলৈ

প্ৰসাদো আগবঢ়ায়। ভাত মদন কামৰ বাঁহক লৈ প্ৰতিযোগিতাও হয় আৰু সবাতকৈ ওখ মদন কামৰ বাঁহক পুৰস্কৃত কৰা হয়।

২। কামদেব পূজা : ই বাঁশ পূজাৰ দ্বিতীয় ৰূপ। আগমণিৰ ভাণ্ডাদুলি অঞ্চলত এই পূজা প্ৰতিষ্ঠা কৰে উত্তৰবঙ্গৰ তুফানগঞ্জ মহকুমাৰ কৃষ্টপুৰ (কৃষ্ণপুৰ) ৰ শ্যাওৰাগুৰি গাওঁৰ পৰা অহা প্ৰায় ৬০ বছৰীয়া শ্ৰীগোবিন্দ বাৰে।

এই পূজাৰ ঠাকুৰ হ'ল কামদেব, প্ৰতীক হ'ল শিবলিঙ্গ। বসন্তকালৰ শুক্লা ত্ৰয়োদশীত শিবলিঙ্গ সজাই-পৰাই পাত্ৰভ বহাই পূজক ভক্তসকলে ঢোল, কোৱ্‌কা আদি বজাই গোৱালপৰীয়া ভাৱাইয়া আৰু ভক্তিমূলক গীত গাই গাৱেঁ-গাৱেঁ ঘৰে-ঘৰে ঘুৰি ফুৰে আৰু পূৰ্ণিমাৰ পিছত ঘৰলৈ উভতি আহে। এজনে কান্ধত মৈফাল' লৈ যায়। সেই কেইদিন তেওঁলোকে নিৰামিষ খায়। পিছত এটা দিন ঠিক কৰি ৰাতী মাগা পইচাৰে পূজা পাতে। কামদেবৰ পূজা ব্ৰাহ্মণে কৰে। পূজাত ফুলপাত, ফল-মূল, ধূপ-ধুনাৰ উপৰি নৈবেদ্য দিয়া হয়। পূজাৰ পিছত চোতালত কাদ (< সং কৰ্দম= বোকা মাটি) মাটিৰ ওপৰত লুতুৰ-পুতুৰ হৈ নানান খেল খেলায়। খেলাৰ শিছত গা-পা ধুই খোৱা-লোৱা কৰে আৰু পূজা শেষ হয়।

৩। চাতালি বাঁশ : যি গৃহস্থৰ ঠাকুৰৰ পাটত বাঁশ ঠাকুৰ থাকে সেই গৃহস্থই বাঁশ পূজা কৰিলে দেবতাৰ থানত থকা সকলোবোৰ দেবতাকে পূজা কৰিব লাগে। সেয়ে মহাদেৱৰ ত্ৰিশূল আৰু মদন, বলৰাম, কালী, বিষহৰি আদি থানৰ সকলোবোৰ দেবতাৰ বাবে ৪।৫ হাত দীঘল বাঁহৰ টুকুৰাৰ ওপৰত চোঁৰৰ বান্ধি, গাত বঙা বগা কাপোৰ মেৰিয়াই ঢোল, কোৱ্‌কা, কাঁহি আদি বাদ্য-যন্ত্ৰ বজাই গীত পদ গাই নৃত্য কৰি ঘৰে ঘৰে আশীৰ্বাদ দি আৰু অৰিহণা লৈ ঘুৰি ফুৰে। বাঁশ পূজাৰ গীতৰ উপৰি আন গীতো গায়।

এই পূজা আন দুটিৰ দৰে ত্ৰয়োদশীত আৰম্ভ হৈ প্ৰতিপদত শেষ হয়। পূজাৰ আন আচাৰ অনুষ্ঠান বাকী দুটিৰে একে। পূজাৰ শেষত মাগি পোৱা পইচাৰে সকলোৱে লগ ভাত খায়। বিহনদৈৰ ধুমসীয়া ঠাকুৰৰ থানতো চাতালি বাঁশ পূজা হয়। এই পূজা আকৌ ধুমসীয়া বাঁশ পূজাৰে কিছু ক্ষেত্ৰত নিমিলে। তলত ইয়াৰ আলোচনা আছে।

৪। অকাল বাঁশ পূজা : ইতিমধ্যে কোৱা হৈছে যে বাঁশ পূজা বসন্তোৎসৱ আৰু মহাশিৱ ৰাত্ৰি পূৰ্ণিমাত হয়। কিন্তু কিছুমান ক্ষেত্ৰত বেলেগ সময়তো বাঁশ পূজা হোৱা দেখা যায়। প্ৰথমত ঠাকুৰৰ পাটত থকা আন দেবতা ত্ৰিশূলে বাঁশ

পূজাও কৰা হয় যদি সেই পাটত বাঁশ ঠাকুৰো থাকে। তেতিয়া সেই পূজা মহৰ যি কোনো সময়তে হ'ব পাৰে। দ্বিতীয়ত বিহুনদৈৰ ধুমসীয়া ঠাকুৰৰ পূজা বাস পূৰ্ণিমাত হয়। সেই সময়ত তাত ধুমসীয়া ঠাকুৰৰ বাঁশ পূজাও হয়। এই পূজা আষোণৰ পৰা মাঘ মাহৰ ভিতৰত হয়।

প্ৰথমতে ধুমসীয়া ঠাকুৰৰ নিৰ্দেশত ভণ্ডৰীয়াই ধুমসীয়া পাটত থকা দুজন ঠাকুৰৰ নামত দুডাল বাঁহ তুলিব। পিছত সেই থানৰ প্ৰত্যেকটো দেও-দেবতাৰ নামত একোটিকৈ বাঁহ তুলিব। বঙা-বগা কাপোৰেৰে মেৰিয়াই ওপৰত একোটিকৈ চোঁৰৰ বান্ধি দিব। পিছদিনাখন বাঁহবোৰ আন এটি ঘৰত বাখিব। ধুমসীয়া ঠাকুৰৰ পূজাৰ পিছত যি কোনো সুবিধাজনক দিন এটিত এই পূজা আৰম্ভ কৰা হয়। পূজাৰে জৰিত মানুহবোৰে আৰম্ভণিৰ পৰা শেষ দিনলৈ নিৰামিষ ভোজন কৰিব আৰু ঠাকুৰৰ থানতেই থাকিব। পূজা আৰম্ভ কৰা দিনৰ পৰা উল্লিখিত বাঁহবোৰ লৈ পূজাৰী, ভণ্ডৰীয়া (মুখবন্ধা অবস্থাত) হাতত ভাৰাল (গাখীৰ, আইৰ চাউল, কল আদি থকা পাত্ৰ) লৈ দেউৰীৰ সৈতে ঢাক, ঢোল, কোৱঁকা, কাঁহি আদি বজোৱা আৰু বাঁহ নৃত্য কৰা মানুহসকলে ওলাব আৰু ঘৰে ঘৰে বাঁশ নৃত্য কৰি গৃহস্থৰ মূল মহিলা গৰাকীক বিশেষ বিধি আৰু আচাৰ অনুযায়ী আশীৰ্বাদ দি চাউল, পইচা, ফল-পসাৰী ঠাকুৰ পূজাৰ অৰিহণা হিচাবে গ্ৰহণ কৰিব। এই বাঁশ পূজাত ব্যবহাৰ কৰা 'মৈফাল' বিশেষভাবে উল্লেখযোগ্য। কামদেৱ পূজাতো মৈফাল ব্যবহাৰ কৰে। মৈফাল তৈয়াৰ কৰে বাঁহেৰে খেতি পথাৰত মাটি চপৰা ভাঙিবলৈ ব্যবহাৰ কৰা মৈৰ নিচিনাকৈ। ইয়াৰ এফালত চাবিটা চোঁৰৰ বান্ধি দিয়া হয়। বাঁশ নৃত্যৰ সময়ত ভণ্ডৰীয়াই নিৰ্বাচন কৰি দিয়া মানুহজনে মাজৰ সোৱোঙাটিৰে মুৰ সোমাই দি মৈফালখন কান্ধত লৈ, বাঁহবোৰ হাতত লৈ নৃত্য কৰা মানুহবোৰৰ সৈতে নৃত্য কৰে। নৃত্য পৰিচালনাৰ বাবে দুজন ব্যক্তি থাকে। তেওঁলোকক বাকৰ বোলে। বাঁশ নৃত্যত কৰবাত আউল লাগিলে ভণ্ডৰীয়া বা বাকৰে শুধবাই দিয়ে। এনেদৰে গীত নৃত্য কৰি দলটোৱে দীৰ্ঘ দিন ধৰি গাওঁ নগৰে ঘুৰে। শেষৰ দিনাখন বজাৰ-সমাৰ কৰি নদীৰ পাৰলৈ যায়, তাত 'আচুলা পূজা' কৰে, বাঁহবোৰত পানী ছটিয়াই দিয়ে আৰু পিছত থানলৈ আহে। থানত প্ৰসাদ দি ঢাক, ঢোল, কোৱঁকা বজাই বাঁশ নৃত্য কৰে আৰু ভক্তি প্ৰাৰ্থনাৰে পূজাৰ সামৰণি মাৰে। অৰিহণাৰ চাউল-পাত, টকা-কড়িৰে ভণ্ডৰসকলে জলাঞ্জলি যায়।

ধুমসীয়া বাঁশ পূজাৰ পিছত চাঙালি বাঁশ পূজা কৰা হয়। এই পূজা

ধুমসীয়া বাঁশ পূজাৰে একে। কিন্তু চাতালিত ভেলা ভহাই দিয়া হয়। ভেলা হ'ল কলৰ ভুৰ। ৩।৫।৭। আদি বেযোৰ কল গছেৰে ভুৰ সজাই, ওপৰত সাধাৰণ ঘৰ সজাই ভিতৰত পঠা ছাগলী, পাৰ, ভোগ-পায়স আৰু নৈবেদ্য সজাই দিয়া হয়। পূজা শুদ্ধ হ'লে ভেলা পানীত নুডুবে আৰু অশুদ্ধ হ'লে ডুবে বুলি মানুহে বিশ্বাস কৰে।

গোৱালপাৰাৰ বিভিন্ন সাংস্কৃতিক অনুষ্ঠানে গোৱালপাৰা আৰু বহিৰ্গোৱালপাৰাৰ বিভিন্ন ঠাইত বিভিন্ন মাধ্যমেৰে পৰিবেশন কৰা বাঁশ নৃত্যটো কোন বাঁশ পূজাৰ নৃত্য? উত্তৰত ভাঙাদুলিৰ অবসৰ প্ৰাপ্ত শিক্ষক ৮০ বছৰীয়া শ্ৰীপদ্মনাথ বায়ে কৈছিল যে সি চাতালি বাঁশ নৃত্য। ধুমসীয়া পাটৰ ভক্তবৃন্দৰো একেই মত। বিশেষ ক্ষেত্ৰত গোৱালপাৰা, উত্তৰবঙ্গত 'চোতাল' শব্দটি বৰ্তমানো প্ৰচলিত (এক, চোতাল ঠাকুৰ, এক চোতাল পূজা)। চোতালৰ পৰা চাতালি হৈছে। চোতালৰ দেৱতাৰ থানৰ প্ৰতিটো দেৱতাৰ প্ৰতীক হিচাবে বাঁহ এটুকুৰাকৈ লৈ, সেই বাঁহ-বোৰ নচুৱাই নৃত্য কৰা বাবে ইয়াক চাতালি নৃত্য বুলি কয়।

শ্ৰদ্ধেয় শিবানন্দ শৰ্মাই তেওঁৰ সম্পাদনাত ওলোৱা স্মৃতিগ্ৰন্থত বাঁশ পূজা ইন্দোমঙ্গোলয়েড জাতি সমূহৰ অবদান বুলি লিখিছে। কিন্তু বাঁশ পূজা 'পিতৃ-তান্ত্ৰিক বা পিতৃপ্ৰধান সমাজ ব্যবস্থাৰ সাংস্কৃতিক সম্পদ। মঙ্গোলয়েডসকল হ'ল মাতৃতান্ত্ৰিক বা মাতৃপ্ৰধান সমাজ ব্যবস্থাৰ মানুহ। পূজা অনুষ্ঠানটি আকৌ পুৰুষ প্ৰধান, স্ত্ৰীপ্ৰধান নহয়। সেয়ে এই পূজা বহুভাগে বিভক্ত নৰক গোত্ৰৰ আলপাইন সকলৰ অবদান বুলিব পাৰি। বাঁশ পূজাৰ মূল শিব আৰু শিব হ'ল আল-পাইনৰ উপাস্য দেৱতা। দ্বিতীয়তে নলবাৰী অঞ্চলৰ ভথেলী পূজাও বাঁশ পূজাৰেই এটা ৰূপ। গোৱালপাৰা, উত্তৰবঙ্গ আৰু কামৰূপত বৰ্তমানো পূৰোদ্যমে চলি থকা বাঁশ পূজাৰ কোনো ৰূপ, পূৰ্ব ভাৰতত বসবাস কৰা মঙ্গোলীয়সকলৰ কোনো শাখা-প্ৰশাখাতে আমি জনাত নাই। সেয়ে নৰক পৰম্পৰা বৰ্তমান বিভিন্ন শাখা প্ৰশাখাত বিভক্ত আলপাইনসকলৰ পৰা বাঁশ পূজা প্ৰতিষ্ঠা হৈছে বুলিব পাৰি। ডঃ অজয় কুমাৰ চক্ৰবৰ্তীৰ মতে 'কামদেৱৰ পূজাই এই পূজাৰ মূল বিষয় বস্তু।' জিজেন নাথৰ মতে 'বাঁশ পূজা মদন কামৰ প্ৰতীক পূজা।' কিন্তু শৰ্মাৰ মতে মদন পূজা বাঁশ পূজাৰ ওপৰত পৰা পৰৱৰ্তি প্ৰলেপনহে। এই ক্ষেত্ৰত শৰ্মাৰ মত প্ৰণিধানযোগ্য আৰু সমৰ্থনযোগ্য। সেয়ে বোধহয় জিজেন নাথে কৈছে যে বাঁশ পূজা আৰু মদন পূজা দুটি স্বকীয়া অনুষ্ঠান। কিন্তু লোক-সংস্কৃতিৰ প্ৰকাশৰ হৈ

অভিন্ন হৈ পৰিছে। ইয়াত নহয় যুক্তি নবজে। কালি গোসানীৰ থানত বাঁশ বা মদন পূজা হোৱাটো এক অদ্ভুত সাংস্কৃতিক মিলন। ই শিবৰ লগত শক্তিৰ সহবস্থানৰ কথাকে সূচায়। লোক-সংস্কৃতি ধৰ্ম দৰ্শনৰ যুক্তিনিষ্ঠ পৰিসীমাৰ আঁতৰৰ বিষয়। ই কেতিয়াও ধৰ্ম-দৰ্শন বা বিজ্ঞানৰ সূত্ৰ মানি নচলে। লোক জীবন বৰ সহজ-সৰল, যুক্তি তৰ্কৰ উৰ্ধৰ। লোক-মানসে সম্ভাব্য সকলো বিপদ আৰু আশংকাতে যি কোনো বিষয়তে আশ্রয় গ্রহণ কৰে। বিপদ বিঘিনি দূৰীকৰণ, সুখ-শান্তি-আনন্দ প্রাপ্তিয়ে হ'ল লোক-মানসৰ মূল প্রাপ্তি। সেয়ে লোক সংস্কৃতিত নুচুবা ভাবো নাই, ভেদ বুদ্ধিও নাই। লোক-জীবনৰ আকর্ষণীয়, আনন্দকৰ সকলো বিষয়কে লোক-সমাজে নিজৰ বুলি আপোন কৰি লয়। ইয়াত ধৰ্মাধৰ্মৰ প্রশ্ন নাই। সেয়ে কালীৰ থানত বাঁশ পূজা, বাঁশৰ থানত কালী, মহাদেৱ, মাৰাই আদি বহু দেৱতাৰ স্থান একে ঠাইতে সত্যনাৰায়ণ আৰু পীৰৰ পূজা উপসনা, হিন্দুৰ বাঁশ মুছলমানৰ মাদাৰ। লোক-জীবন আৰু লোক-সাহিত্যৰ দৃষ্টিভঙ্গিৰে চালে ইয়াত অস্বাভাবিকতা একো নাই। সি যি কি নহওঁক বাঁশ পূজাৰ অধ্যয়নৰ ক্ষেত্র বৰ বিস্তৃত। ইয়াৰ মৌলিক আৰু তুলনামূলক আলোচনা এতিয়াও বাকী।

(ধুমসীয়া ঠাকুৰৰ পাটৰ কথাখিনি বিহুনদৈৰ শ্রীসুবোধ আৰু দিনেশ বায়ৰ পৰা সংগ্রহ কৰা হৈছে।)

৭। ক। ১৫। সোনাৰায় পূজা :

সোনাৰায় পূজা হ'ল বাঘ পূজা। যতেই ধ্বংসৰ কাৰণ আছে ততেই ভয় আছে আৰু যতেই ভয় আছে ততেই পূজা আছে। লোকজীবনৰ এই যুক্তিৰ ভেঁটিতেই বাঘ পূজা প্রতিষ্ঠিত হৈছে। পণ্ডিত সকলৰ মতে প্রাক্ আৰ্য কালৰে পৰা ভাৰতত বাঘ পূজা চলি আহিছে আৰু ভাৰতৰ কিছুমান ঠাইৰ মানুহৰ মাজত এতিয়াও এই পূজা প্রচলিত আছে। তাৰ ভিতৰতে গোৱালপাৰা জিলাৰ কথাও ক'ব পাৰি।

বাৰিষাৰ বন্যাত পাহাৰত আশ্রয় লৈ থকা বাঘবোৰে শীতকালত তৈয়াৰলৈ নামি আহে আৰু মানুহ আৰু মানুহৰ পোহনীয়া জীৱ-জন্তুবোৰ খায়। সেয়ে শীত-কালত বাঘ পূজা পতা হয়। বড়ো জাতিৰ মাজতো বাঘ পূজা আছে। বড়ো ভাষাত বাঘক 'মৌহা' আৰু বাঘৰ উপাসক সকলক 'মৌহাহাৰী' (< মৌহা)

বোলে। পুহৰ সংক্ৰান্তিত এই পূজা কৰে। তাৰ আগতেই ডেকাবোৰে ঘৰে ঘৰে গৈ তলত উদ্ধৃত ধৰণৰ গীত গাই পূজাৰ ধন সংগ্ৰহ কৰে।

"মৌহা বাজা অৰণায় নঙা
চৈমা বাংগ্ৰা অৰণায় নঙা
জাঙন খিন্দা হবন্না
মসৌ দামব্ৰায়া বেহেৰা জাগন
দামব্ৰিয়া জলৈ ফেহেৰগণ
লাউখাৰ গথজং গুমগন বেংগন
জাঙন খিন্দা হবন্না।"

অৰ্থ : বাঘ বা শিয়াল বজাই যাতে পোহনীয়া জীব-জন্তুবোৰৰ অনিষ্ট কৰিব নোৱাৰে তাৰ বাবে আমি পহৰা দিম। সেয়ে গৃহস্থসকলে বাঘ বা শিয়াল পূজাৰ দক্ষিণা দিয়া। দক্ষিণা দিলে পোহনীয়া জীব-জন্তুবোৰৰ বংশ বৃদ্ধি হব।

গোৱালপাৰা জিলাত বাঘ পূজাৰ লোক-কথা এনেদৰে প্ৰচলিত আছে। এদিন বাঘোৱাল কৃষ্ণৰ সৈতে গৰু চৰাবলৈ যাওঁতে বাঘোৱাল সকলক বাঘে আক্ৰমণ কৰিলে। কিন্তু কৃষ্ণৰ ভয়ত বাঘ গুচি গ'ল। আন এদিনাখন বাঘ নৌ ওলাওঁতে এজন বাঘোৱালে বাঘ ওলোৱা বুলি চিৎকাৰ কৰাত কৃষ্ণৰে সৈতে আনবোৰে দৌৰী গৈ বাঘ নহোৱাত লজ্জিত হ'ল। পিছত আন এদিনাখন সঁচাকৈয়ে বাঘে সেই মিছলীয়া বাঘোৱালক আক্ৰমণ কৰিলে। কিন্তু তাৰ চিঞৰ শুনিও গৰখীয়াসকলে মিছা ভাবি নগ'ল। কিন্তু অন্তৰ্যামী কৃষ্ণই ঘটনাটো সঁচা বুলি জানিব পাৰিলে আৰু আন গৰখীয়াসকলক লগত লৈ তাত উপস্থিত হ'ল। তেতিয়া বাঘে গৰখীয়া-সকলৰ পৰা পূজা আদায় কৰি গুচি গ'ল। তাৰ পৰাই প্ৰতি বছৰে পুহৰ সংক্ৰান্তিত বাঘ পূজা পতা হয়।

সোনাবায় নিৰ্মাণ : সাতসাল 'মাহুৰা' (বিৰিণ', বাতা) সমানকৈ কাটি গৰা-পাটেৰেই এটা ফুল তৈয়াৰ কৰি তাৰে এটা মুৰত লগাব। ফুলটোত বঙা-নীলা-ধলা এই তিনি প্ৰকাৰৰ বং দিব। এয়াই সোনাবায়।

আঘোণৰ সংক্ৰান্তিৰ পৰা আৰম্ভ কৰি গোটেই পুহ মাহ মুৰি থাওঁতে ডেকা-বোৰে দল বান্ধি উক্ত সোনাবায় কাষত লৈ ঘৰে ঘৰে গৈ মাগি ফুৰে। ডেকাদলে পোৱা ধনেৰে পুহৰ সংক্ৰান্তিত সোনাবায় পূজা পাতে আৰু ডেকাবোৰে ভোজ ভাত খায়। পূজাত উক্ত সোনাবায় পূজিত হয়। আন কোনো মূৰ্তি নাই।

ব্ৰাহ্মণ পুৰোহিতে লেখাকে। পূজা পথাৰত হয়। মাটিৰ টিপ বাটি উক্ত সোনাৰায় খিৱকৈ পুতি থয়। তেকাষোৰে তাৰ ওচৰত প্ৰসাদ দি ভক্তি কৰে। তাৰ পিছত 'লগভাগ' খাই উক্ত সোনাৰায় নদীত ভহাই দি ঘৰাঘৰি শুচি যায়। এয়াই সোনাৰায় পূজা।

সোনাৰায় পূজাত কিছুমান গীত-পদ গোৱা হয়। এই গীত আৰম্ভ হয় মাগনৰ পৰা। খোল-তাল আৰু বাঁহৰ লাঠি লৈ মাগিবৰ সময়ত কিছুমান গীত গায়। তাক মাগন গীত বুলিব পাৰি। যেনে :

(১)

বাঘ নামিলোৱে চিভিকা পাখেলা।
ভৰ বিয়ানে নামিল বাঘ মানুষ কামেৰা॥
মলাৰ মত দুইটা দাঁত ডেলিৰ মত মাথা।
ভাটী হাতে নামিল বাঘ মানুষ কামেৰা॥

(২)

ফুল ফুটিলো বে
ওৰে নাফুটিলো হোলা
হোলাৰ ভিতৰে আছে
কুঞ্জৰী ভোমোৰা।

(৩)

বনপোৰা যায় বে
ওৰে উৰিয়া পৰে ছাই,
এহেন সুন্দৰী কন্যাৰ
বাপ মাও নাই॥
ঠাকুৰ সোনাৰায় বে॥
কালাজৰে মৰলামৰে
টাকায় ছয় সেৰ ধান,
কোমটাৰ টাকা ফুৰিয়া খেইছে
নাৰাচে আৰ প্ৰাণ।
ঠাকুৰ সোনাৰায় বে॥

গৃহস্থৰ পৰা ধন-ধান গ্ৰহণ কৰি গৃহস্থক আশীৰ্বাদ দিয়ে এনেদৰে :

সভ্য ঠাকুৰ সোনাৰায়,
গাইৰস্থক দে তুই বৰ।
ধনে বংশে বাঢ়োক গিৰি,
চন্দ্ৰ দিবাকৰ॥
গোলীত বাঢ়োক গাই গৰু
গোলাত বাঢ়োক ধান,
দেওৱানে দৰবাৰে পাওঁক
বাটা ভৰা পাণ॥
গোলীত বাঢ়োক গাই গৰু
জঙ্গলে বাঢ়োক লাউ,
গিৰি ঘৰৰ শত্ৰু দুষ্মন
বনৰ বাঘে খাউক॥

সোনাৰায় পূজাৰ বাবে ধন-ধান দিবলৈ অবহেলা কৰিলে বা অনিচ্ছুক হলে গৃহস্থক এনেদৰে ভয় দেখুৱায় আৰু অভিশাপ দিয়ে :

সোনাৰায় দক্ষিণা দিতে মনে কৰে হেলা।
তাৰ ধেনু লৈয়া যায় সন্ধ্যা বেলা॥
সোনাৰায় দক্ষিণা দিতে যায় কৰিবে হেলা।
হাত পাও খসিয়া পৰে চকুৰ বিবায় ঢেলা॥
সোনাৰায় দক্ষিণা দিতে মনে চিতে ভাবে।
সাইন্‌চাত বসিয়া ঠাকুৰ কাণ পাতি শোনে॥

৭। ক। ১৬। সুবচনী পূজা :

সুবচনী (শুভ-চণ্ডী) পূজা বিশেষকৈ পশ্চিম গোৱালপাৰা জিলাৰ বস্তু। ঠাই বিশেষে কামৰূপ জিলাতো এই পূজা হোৱাৰ উমান পোৱা যায়। বৰ্তমান সময়ত এই পূজাত শ্ৰীকালী প্ৰসন্ন বিদ্যাৰত্ন প্ৰণীত সুবচনী পাঁচালি পাঠ কৰা দেখা যায়। উক্ত পাঁচালি মতে সুবচনী পূজা বাতিপুৱা ন বজাৰ আগভেই উত্তৰ মুখে বহি কৰিব লাগে। এখন মণ্ডপ আঁকি থান দি পানী পূৰ্ণ ঘট এটি বহায় আৰু তাৰ চাৰিওকাষে একুৰি এটি হাঁহ আঁকে আৰু এটি কলৰ খোৱা হাঁহ তৈয়াৰ কৰি ভাত খায়। অইন কোনো মূৰ্তি নাই। পূজাত ব্ৰাহ্মণ পুৰোহিতৰ আবশ্যক নকৰে। উক্ত পাঁচালিৰ বিষয় বস্তু হ'ল এই :

কলিঙ্গ দেশৰ এজন দুখীয়া ব্ৰাহ্মণ পুত্ৰৰ মাছ-মাংস খাবলৈ মন যোৱাত বজাৰ হাঁহবোৰৰ ভিতৰত থকা খোৱা হাঁহটো ধৰি নিলে। মাকে বান্ধি-বাঢ়ি দিয়াত পুতেকে তৃপ্তিৰে খালে। পিছত খোৱা হাঁহ নেপাই বজাই অনুসন্ধান কৰি জানি ব্ৰাহ্মণ পুত্ৰক ফাটেকত ভৰাই থলে। ব্ৰাহ্মণী এই কথা শুনি পাগলীৰ নিচিনা হ'ল। ওচৰৰ এঘৰত সুবচনী পূজা হৈছিল। ব্ৰাহ্মণী তাৰৈ সৈ সুবচনী পূজা কৰিলে। সন্তুষ্ট হৈ নিশা বজাক সপোন দেখুৱালে। সেই সপোনৰ কথামতে কলিঙ্গ বজাই দ্বিজ পুত্ৰক ফাটেকৰ পৰা নি নিজ কন্যা শকুন্তলাক তেওঁৰ লগত বিয়া দি বজা পাতিলে। তাৰ পিছত ব্ৰাহ্মণ পুত্ৰই স্ত্ৰী শকুন্তলাক লগত লৈ ঘৰলৈ আহিল। তেতিয়া ব্ৰাহ্মণীয়ে নিজ ঘৰতেই পুনঃ সুবচনী পূজা পাতিলে।

সুবচনী হ'ল 'পতিত পাবনী, সনাতনী', 'মঙ্গলময়ী, ভক্তি, মুক্তি সিদ্ধিদায়ী'। — সেয়ে মানৱ সমাজত এইজনা দেবীৰ পূজা হোৱাটো স্বাভাৱিক। ফুল-তুলসী আৰু নানা উপাচাৰেৰে পূজা কৰাৰ পিছত 'ব্ৰতকথা' কোৱা হয়। 'ব্ৰতকথা' হ'ল এই জনা দেবীৰ পূজা আৰু মাহাত্ম্য প্ৰকাশক সাধু কথা বা গল্প।

ঃ ব্ৰতকথা ঃ

এখন ৰাজ্যত এহাল বুঢ়া-বুঢ়ী আছিল। সিহঁতৰ একেটি মাত্ৰ পুত্ৰ। পুত্ৰটিৰ শুভ আৰু দীৰ্ঘ জীৱনৰ কামনা কৰি সুবচনী পূজা পাতিছিল। পূজা চলি থকা সময়তে দুজনী 'ঝাইলেনী-মাইঝেনী' তাত উপস্থিত হ'ল আৰু পূজাৰ উদ্দেশ্যৰ কথা সুধিলে। বুঢ়া-বুঢ়ীয়ে সুবচনী পূজাৰ মাহাত্ম্য ব্যাখ্যা কৰিলে। কথা শুনি দুয়োজনীয়ে পূজাৰ আবশ্যকীয় বস্তু-বাহানিবোৰ নি নদীৰ পাৰত সুবচনী পূজা আৰম্ভ কৰিলে। এনেতে সেই ৰাজ্যৰ বজাৰ পাটহাতী তিনিটা মাউতে নদীত গা-ধুওৱাবলৈ নিয়োঁতে হাতীয়ে সিহঁতৰ সুবচনী পূজাৰ সকলো সামগ্ৰী লণ্ড-ভণ্ড কৰিলে। ফলত হাতী তিনিটা মৰিল। সংবাদ পাই বজাই বিস্মিত হ'ল। হাতী তিনিটাৰ বাবে বজা চিন্তাৰ অথাই সাগৰত পৰিল। পিছত বজাক সপোনতে সুবচনী পূজা ৰাজোচিত ভাবে পাতিবলৈ নিৰ্দেশ দিলে। বজাই বৰ উৎসাহ আৰু জাকজমকতাবে সুবচনী পূজা পাতিলে। পূজাৰ পিছত মৃত হাতী তিনিটা সজীৱীত হৈ উঠিল আৰু বজাৰ ধন জন বাঢ়িল।

সুবচনী মাহাত্ম্য বিষয়ক এই গল্পটো কোৱাৰ পিছত ফুল তুলসী দি পূজাৰ সামৱৰণি মৰা হয়। বিবাহ উপযুক্তা গাভৰু ছোৱালী ঘৰত থাকিলে মাক-দেউতাকৰ চিন্তা হৈ থাকে। সেয়ে সোনকালে বিয়া দি উলিয়াই দিবলৈ সুবচনীৰ আশীৰ্বাদ বিচাৰি পূজা আগৱঢ়ায় আৰু আয়তীসকলক তাম্বোল কাটি খুৱায়। ইয়াক

'সুবচনী গুৱা কাটা বা গুৱা সুজা' বোলে। হিন্দু-মুছলমান উভয়ে এই পূজা কৰে। এই পূজাৰ বিশেষ গীত নাই। মাত্ৰ সুবচনী গুৱা সুজা বিষয়ৰ এটি আছে। গীতটি হ'ল এই :

: সুবচনী গুৱা সুজা গীত :

গুৱাৰে গুৱা সুবচনী গুৱা
আৰো মদন কামেৰ নাড়ু
খাও গুৱা সই দেও আৰো মেলানি।
আতপ চাউল কাঁচা গুৱা কদলিৰো ফল।
পুৰাণে শুনিয়াছি বিদিত ভুবন॥
টালাৰ মতন গুৱাৰে কুলাৰ মতন পাণ।
মাৰেয়া বাপুৰা জানে আমাৰ যতন॥
বোঝানী বৰিতে বোঝা গেলো পাতালপুৰী।
পাতাল হাতে আনিলেক গুৱা পাণেৰ পুলি॥
সেই পাণ পাই মাৰেয়াৰ বঙ্গ হইলো মতি।
আষাৰ শ্ৰাবণ মাসে এভৰ যুবতী॥
পাণে উঠিয়া বলে মুই মেঘ বৰণ।
মাৰেয়া বাপুৰা কৰে আমাৰ যতন॥
মাৰেয়া বাপুৰাৰ আমি কিবা কৰি হিত।
খাগৰাৰ আগাল দিয়া বাঢ়ন নিত নিত॥
ঝিনাই টাকোৱা বলে বঞ্চি সাগৰে।
আমাক ধৰিতে পাৰে ব্ৰহ্ম হেন জালে॥
পুৰিয়া-চুৰিয়া মোক জলত কৰে ঘোটা।
পাণেৰ বুকুত দেয় মোক চন্দনেৰ ফোটা॥
খৰিকাই উঠিয়া বলে আমৰা পঞ্চ ভাই।
বত্ৰিশ দন্তেৰ গোৰে আমাক দিছে ঠাই॥
কাটাৰী উঠিয়া বলে মুই বোলোজাৰ সুতা।
মুই নাকাটিলে কায় কাটিবে গুৱা॥
আমেৰ গাছে খুল-খুটি ডালিমেৰ গাছে সুতা।
থানে পায় আলোৱা আতপ পীদালে পায় গুৱা
বাম বল হৰি বল মুকুন্দ মুৰাৰি।

ওজা সুজা গান হইল বল হৰি হৰি ॥
(গীতটি পাগলাহাটৰ শ্ৰীদেবেন মাষ্টৰৰ পৰা পাইছোঁ)

৭। ক। ১৭। শিতলা পূজা :

'শিতলা' হ'ল বসন্ত ৰোগৰ অধিষ্ঠাত্ৰী দেবী। বসন্ত ৰোগৰ ঔষধ সৌ সিদিনাহে ওলাল। ঔষধ ওলোৱাৰ আগতে এই ৰোগে গাওঁ-ভূঁই মহামাৰী ৰূপে ছাটি পেলাইছিল। গতিকে তেনে সময়ত মানুহে বিশেষকৈ আয়ুতী সকলে এই ৰোগৰ উপশম বিচাৰি শিতলা দেবীৰ পূজা নকৰি উপায় নাছিল। সেয়ে জন সমাজত এই পূজা প্ৰচলিত হয় আৰু আজিও চলি আছে।

'স্মৃতি গ্ৰন্থত' 'আইনাম' শিৰ্ষক আলোচনাত আইনামৰ উদ্দেশ্য লিখিছে এই বুলি : 'গিৰিয়ৰৰ শুভ-কাৰ্যৰ সময়ত, অপায়-অমঙ্গলৰ সময়ত, আকাল-মহামাৰী বা দুৰ্ভিক্ষৰ সময়ত আইনাম গোৱা হয়।' এই কথাখিনিয়ে চিন্তাত অকণমান খোকোজা লগায়। কিয়নো 'আইনাম' শব্দটো বিশেষভাবে প্ৰচলিত হ'ল কামৰূপ আৰু পূৰ গোৱালপাৰাত। পশ্চিম গোৱালপাৰাৰ সৰ্ব সাধাৰণ মানুহে আইনাম কি নেজানেই বুলিব পাৰি। আই-বসন্ত, নাম-প্ৰাৰ্থনা গীত। এই আই নামেৰে উপৰোক্ত অঞ্চলত কেবল মাত্ৰ বসন্ত ৰোগৰ অধিষ্ঠাত্ৰী দেবীৰ পূজাৰ প্ৰাৰ্থনাৰ গীতকহে বুজোৱা হয়। স্মৃতি গ্ৰন্থত আই নামৰ উদাহৰণ স্বৰূপে যি দুটি খণ্ড গীত উদ্ধৃত কৰা হৈছে সি প্ৰকৃততে আইনাম আৰু কামৰূপ জিলাত প্ৰচলিত আইনামেৰে অভিন্ন। তলত উদ্ধৃত গীত দুফাঁকি বিজাই চালেই এই কথা সহজতে বুজিব পাৰি।

গোৱালপাৰা :

ডাঙৰ আই আহিছে নাম ধৰিছে
বহিছে মণ্ডপ পাতি হৰি হে।
ছোট আই আহিছে নাম ধৰিছে
বহিছে মণ্ডপ পাতি হৰি হে।
সাত বইনী আহিছে নাম ধৰিছে
বহিছে মণ্ডপ পাতি হৰি হে।
নয়-বইনী আহিছে নাম ধৰিছে
বহিছে মণ্ডপ পাতি হৰি হে।

কামৰূপী :

ডাঙৰ আই আহিছে আসনে বহিছে
ফুল দি পূজিব লাগে হৰি হে।
সৰু আই আহিছে আসনে বহিছে
ফুল দি পূজিব লাগে হৰি হে।
মাজু আই আহিছে আসনে বহিছে
ফুল দি পূজিব লাগে হৰি হে।

আইৰ ৭ (মতভেদে ৯ আৰু ১২ : ডাঙৰ আই, সৰু আই, বাঁহ মুৰি, পান চামুৰী, মুগ মুচুৰী, কালা মুচুৰী, তিল মুচুৰী, কাহুলী আই, কেতেৰী, হাণ্ডৰী, মাহ মুৰি, লেভেৰী আই : ভাই দুজন : পশু বাপু, বলধ বাপু :) ভাই-ভনী। বসন্ত ওলোৱাৰ ১২ দিন পিছত এই দেবীক পূজা দিয়া হয়। সেই দিনাখন আয়তী সকলে ফুলৰ 'আসন' পাতি ভোগ দি বসন্ত ৰোগৰ অধিষ্ঠাত্রী দেবীৰ প্রার্থনা সূচক গীত গাই ভেঙক বিদায় দিয়ে। এই ক্ষেত্রত ওপৰত উদ্ধৃত কৰা স্মৃতি গ্রন্থৰ উক্তিটিৰে আইনামৰ উদ্দেশ্যৰ যি ইঙ্গিত দিয়া হৈছে সি বিভ্রান্তিকৰ যেনহে লাগে। উক্ত উদ্দেশ্য আগত ৰাখি গোৱালপাৰা জিলাত যি পূজা কৰা হয় সি অলপ আগতে আলোচনা কৰি অহা সুৰচনী পূজাহে। পশ্চিম গোৱালপাৰাত বসন্ত ৰোগৰ পূজাক 'শিতলা পূজা' বুলি কয়। এই পূজাত ৭ খন 'আটাইল' পাৰি ফুল, ভোগ আদিৰে সজাব। আগত এটি পানী পূর্ণ ঘট দিব। ফুল, তামোল, পাণ দি বেদী সজাব : তাৰ পিছত আয়তীসকলে গাব :

মাও শিতলী আসিবে আসনে বসিবে
আমাৰ মন্দিৰ ঘৰে হৰি হে।
মাও মহামায়া আসিবে আসনে বসিবে
আমাৰ মন্দিৰ ঘৰে হৰি হে।
শুভ চণ্ডী আসিবে আসনে বসিবে
আমাৰ মন্দিৰ ঘৰে হৰি হে।
মাও দুর্গা আসিবে আসনে বসিবে
আমাৰ মন্দিৰ ঘৰে হৰি হে।
মাও কালী আসিবে আসনে বসিবে
আমাৰ মন্দিৰ ঘৰে হৰি হে।
বাজো আসিবে আসনে বসিবে
আমাৰ মন্দিৰ ঘৰে হৰি হে।

তাৰ পিছত ঘটটো মূৰত লৈ গৈ নদীত ডহাই দিব, 'আটাইল' সাতখন দি ঘৰৰ বাহিৰত ভাল ঠাইত থব। শেষত ভোগ-প্ৰসাদ খাই শিতলা দেবীক ভক্তি জনাই, দায় দোষ মাৰিষণ কৰিবলৈ প্ৰাৰ্থনা কৰি পূজা সমাপ্তি কৰিব।

৭। ক। ১৮। লক্ষ্মী পূজা ঃ

লক্ষ্মী জগতৰ মাতৃ, ধন-ধানৰ অধিষ্ঠাত্ৰী দেবী। পাৰ্থিব জীৱন নিৰ্বাহৰ ক্ষেত্ৰত এনে এজনা দেবীৰ শুভ-দৃষ্টি আৰু মঙ্গল-আশীষ মৰ্ত বাসীৰ বাবে অতিকৈ আবশ্যকীয়। কথাতেই কয় ঃ 'ধনেই ধৰ্মৰ মূল, ধন নহলে যায় জাতি কুল।' ধনৰ দেবী লক্ষ্মীক পূজা কৰি কাৰনো ধনশালী হবলৈ ইচ্ছা নহয়? সেয়ে অ.ম সমাজত এই দেবীগৰাকীৰ পূজা বহুলভাবে প্ৰচলিত। ভাত হ'ল এই দেশৰ প্ৰধান খাদ্য। গতিকে ধানকো লক্ষ্মী বুলি কোৱা হয়। ধনৰ গৰাকী দেবীও লক্ষ্মী আৰু খাদ্যৰ গৰাকী দেবীও লক্ষ্মী। ধন আৰু ধান দুয়োটিৰে গৰাকী একেজনা লক্ষ্মী। ধান বোৱা-কটা দুয়োটি সময়তে এইজনা দেবীৰ পূজা কৰা হয়। তদুপৰি গৃহলক্ষ্মী জীয়ৰী-বোৱাৰীসকলে প্ৰতি বৃহস্পতিবাৰেই এইজনা লক্ষ্মী দেবীৰ পূজা ঘৰে ঘৰে কৰে। এই পূজা হয় ধাননি পথাৰত নহয় বাস্তোভিটাত হে কৰে। লক্ষ্মী দেবীক পূজিবৰ বাবে আয়তী সকলৰ মুখৰ পৰা সময়ে সময়ে দুই চাৰিটা গীত সৰি পৰিছে। তাৰেই দুটিমান নমুনা স্বৰূপে তলত উল্লেখ কৰা হ'ল।

চাৰিয়া জলে কৰে টলমল্
পিপৰে সাঁতুৰি মৰে,
ব্ৰহ্মাণ্ডৰ ভিতৰে অগন্তি জলিছে
বামেসে নিমাৰা পাৰে।
আই সকল নেৰিবা হৰি হে বায়॥
উৰিয়া নগৰে আছিলি লক্ষ্মী মাও
সোণাৰে কিৰিটি লই,
আপোনাৰ সৃষ্টি আপুনি বাখিবা
লগতে শুপুনীক লই।
আগলতি পাগুত বহিছে লক্ষ্মী মাও
প্ৰভাতে মাখিছে ছাটি
অ' হাঁহে খলাখলি

কৰে ঢুলাঢুলি
বাইজৰ মঙ্গল দেখি
আইসকল নেৰিবা হৰি হে বাম ॥

বড়ো কছাৰীসকলৰ মাজত প্ৰচলিত 'খেৰাই' পূজা হ'ল লক্ষ্মীপূজা। এই পূজাত মুকলি ঠাই এডোখৰত মাটিৰ ঢিপ বান্ধি বাঁহৰ ভালকৈ বেৰ দিয়া হয়। তাত দিউৰীয়ে (পুৰোহিতৰ শাইলাস) ধূপ-ধুনা জ্বলায় আৰু ফুল-তুলসী দিয়ে। তাৰ পিছত বাদকসকলে খাম, ঝঠা, চিফুং বজায় আৰু বাজনাৰ লগে লগে 'ডেউডিনী'য়ে (দেওধনী) নাচে। নাচোঁতে নাচোঁতে 'ডেউডিনী' অচেতন হৈ পৰি যায় আৰু সেই সময়তেঁ বহুবৰ শুভাশুভৰ কথাবোৰ কয়। 'দিউৰী'য়ে শান্তি পানী ছটিয়াই দিয়াৰ পিছত তেওঁৰ পুনঃ সচেতন হয়। তেতিয়া তেওঁক নাওত তুলি জলাশয়লৈ লৈ যোৱা হয়। নাওৰ পৰা নামি 'ডেউডিনী'য়ে পানীত তিনিবাৰ ডুব দিব আৰু পানীৰ তলত লক্ষ্মীক বিচাৰিব। যদি পূৰ্ণ ধানৰ শিহ পায় তেন্তে ভাল খেতি, যদি অৰ্দ্ধ ধানৰ শিহ পায় তেন্তে মধ্যম খেতি হ'ব আৰু যদি ধানৰ শিহ নেপায় তেন্তে ধান খেতি একেবাৰে নহয় বুলি প্ৰমাণিত হ'ব। খেউৰী পূজাত লক্ষ্মীক জলাশয়ৰ তলত বিচৰা কথাটোৰ ভাগবতত লক্ষ্মীক সাগৰত বিচৰা কথাৰ লগত সাদৃশ্য আছে। এই উৎসব সাধাৰণতে শালিধান চপোৱাৰ আগতে আঘোণ মাহত কৰা হয়।

৭। ক। ১৯। মনসা পূজা ঃ

অতি প্ৰাচীন কালৰ পৰাই ভাৰতত মনসা পূজা চলি আহিছে। মনসা পূজাৰ উৎপত্তি আৰু বিকাশ সম্বন্ধে ভাৰতীয় আৰু অভাৰতীয় বহুতো চিন্তাশীল পণ্ডিতে আলোচনা কৰিছে। তেওঁলোকৰ মতে মনসা হ'ল সৰ্পৰ দেবী। সৰ্প দংশনত মানুহ মৰে। সেয়ে সাপৰ পৰা ৰক্ষা পাবৰ বাবে সাপৰ অধিষ্ঠাত্ৰী দেবী এইচাবে মানুহে মনসা পূজা কৰিব লয়। মনসা পূজা অনাৰ্য গোষ্ঠীৰ পূজা। কিন্তু পৰৱৰ্তী কালত আৰ্যসকলে আৰ্য সংস্কাৰেৰে সংস্কৃত কৰি আৰ্যসকলৰ দেব-দেবীৰ শাখীলৈকে মনসা দেবীক উন্নিত কৰি লয়-আৰু ফলত আৰ্য সম্ভূত প্ৰাচীন গ্ৰন্থ বাজিতো মনসা দেবীয়ে ঠাই পায়। পূৰ্ব ভাৰতৰ পশ্চিমে জলপাইগুৰিৰ পৰা পূবে ব্ৰহ্মপুত্ৰলৈকে— এই বৃহৎ অঞ্চলত যি মনসা পূজা প্ৰাচীন কালৰ পৰা প্ৰচলিত হৈ আহিছে তাৰ গড়-পীত, বং-বহস এটা আছে। এই অঞ্চলত আজি প্ৰায় কেই

মনকৰ ,দুর্গাবৰ আৰু সুকবি নাৰায়ণদেবে মনসাৰ গীত-পদ ৰচনা কৰি গৈ গৈছে। মনকৰৰ মনসা কাব্যত মঙ্গলাচৰণৰ পিছত মনসা পূজাৰ মণ্ডপ নির্মাণ, জগত-সৃষ্টি, ব্রহ্মা-বিষ্ণু-মহেশ্বৰৰ জন্ম, শিব-পার্বতীৰ বিয়া আৰু মনসাৰ জন্মৰ বর্ণনা আছে। দুর্গাবৰে মনসা বা পদ্মাৰ লগত শিবভক্ত চান্দোৰ বিৰোধৰ পৰা আৰম্ভ কৰি চান্দো পদ্মাৰ সন্ধি স্থাপন লৈকে বর্ণনা কৰিছে। সুকবি নাৰায়ণদেবে অনাদি পাতনত আৰম্ভ কৰি পদ্মা চান্দোৰ বিবাদৰ আজেদি কাহিনী ভাগ আগবঢ়াই নি পদ্মাৰ বিজয় লাভৰ শেষ কৰিছে। গোৱালপৰীয়া লোক সাহিত্যৰ মাজতো উক্ত কথা আৰু কাহিনীযুক্ত গীত-পদ আছে। এই গীত-পদবোৰ উপৰোক্ত সুদক্ষ কবি তিনিজনাৰ গীত-পদৰ অনুকৰণ আৰু অনুৰণনত গঢ়ি উঠা নে উক্ত কবি তিনিজনাৰ কাব্য ৰচনাত এই লোক-সাহিত্যৰ প্রভাব পৰিছে— এইটো সাধাৰণ ভাবে হলেও চিন্তাৰ এটি দিশ হৈ আছে। ইয়াতেই এটি মাত্র কথাৰ উল্লেখ কৰা হ'ল যে লোক-সাহিত্যৰ চহা গীতিকাৰসকলে সম্ভবত সংস্কৃত ভাষাত লিখা মূল পদ্মাৰ কাহিনীৰ ওচৰ চাপিব পৰা নাছিল। তেনে ক্ষেত্রত এই গীতিকাৰসকলে পদ্মাৰ গীত ৰচনা কৰাৰ আগতে তেওঁলোকে বুজি পোৱা কোনো এটি ভাষাৰ মাধ্যমেৰে সেইবোৰ কথা জানি ল'ব লাগিছিল। এই ক্ষেত্রত ওপৰৰ কবি তিনিজনাৰ কথা উল্লেখ কৰিলে বৰ অস্বাভাবিক নহ'ব যেন লাগে।

এটা সময়ত ওপৰত উল্লেখ কৰি অহা সুবৃহৎ অঞ্চলটোত মনসা পূজাৰ বৰ পয়োভৰ আছিল। কিন্তু সময়ত সাপবো প্রাদুর্ভাব কমিল আৰু আনহাতে বর্দ্ধিত জন সংখ্যাৰ আর্থিক অনাটনৰ হেঁচাও বাঢ়িল। সেয়ে মানুহে পূজা-পার্বণলৈ পিঠি দিব লগা হ'ল। ফলত মনসা পূজাৰ পয়োভৰ কিছু পৰিমাণে কমিল। গোৱালপাৰা, কামৰূপ জিলাত মনসা পূজাক ঠাই বিশেষে মাৰৈ পূজা, পদ্মাৰ পূজা, বিষহৰি পূজা বুলিও কয়। এই পূজাত, মাটি বা কুহিলাৰে মনসাৰ প্রতিকৃতি সজোৱা হয়। এই প্রতিকৃতিৰ লগত সর্পৰ প্রতিকৃতিও থাকে। কিছুমানত আকৌ ঘট স্থাপন কৰিও পূজা কৰে। শাওন আৰু ভাদ মাহৰ সোমাহীৰ দিনা বিভিন্ন উপাচাৰেৰে এই দেবীৰ পূজা কৰা হয়। মনসাৰ উপৰিও 'আজাজৰ' পূজা পশ্চিম গোৱালপাৰাত প্রচলিত আছে। এই বিষয়ে পাঠান্তৰত আলোচনা কৰা হ'ব।

মনসা পূজাক কেন্দ্র কৰি গোৱালপাৰাত যি লোকগীত ৰচিত হৈছে তাক তিনিটা ভাগত বিভক্ত কৰিব পাৰি। যেনে :

১। পদ্মাৰ জন্ম আৰু পূজা খণ্ড।
২। পদ্মা চান্দো বিবাদ খণ্ড।
৩। ভাটীয়ালী খণ্ড।

প্ৰথম খণ্ডত পদ্মাৰ জন্ম, শক্তি-মাহাত্ম্য, পূজা আৰু পূজাবিধিৰ বৰ্ণনা, দ্বিতীয় খণ্ডত পদ্মা-চান্দোৰ মনসা পূজাকলৈ বিৰোধ, চান্দোৰ সাতপুত্ৰৰ মৃত্যু, 'বেহুলা লখিন্দাৰৰ' বিয়া, লখিন্দাৰৰ মৃত্যুৰ বৰ্ণনা আৰু তৃতীয় খণ্ডত মৃত স্বামীৰ দেহ লৈ কলৰ ভেলত উঠি 'বেহুলা'ৰ দেবপুৰীলৈ যাত্ৰা, দেবপুৰীত বেউলাৰ নৃত্য, পতিৰ জীবন দান, চান্দৰ সাত পুত্ৰৰ জীবন দান আৰু চান্দোৰ মনসা পূজাত বাওঁ হাতেৰে পুষ্প প্ৰদানৰ বৰ্ণনা আছে।

স্মৃতি গ্ৰন্থত উল্লেখ কৰাৰ নিচিনাকৈ কিছুমানে আকৌ ১৮ পুৰাণৰ বাহিৰৰ বাঁশী পুৰাণৰ গীতৰ কথা কয়। এই বাঁশী পুৰাণৰ গীত পদ্ম পুৰাণৰে সৃষ্টি তত্ত্বৰ গীত। এই গীতাংশ যোৰ বাঁশী বজাই গোৱা হয় বাবে বাঁশী পুৰাণৰ গীত বোলে। মনসা গীতকে আকৌ 'জাগ গান'ও বোলে। ইয়াৰ অৰ্থ হৈছে জাগ্ৰত কৰা গীত। মনসা জাগৰ নিচিনাকৈ বাঁশ জাগ, হুদুম জাগো আছে। মনসাৰ গীতকে কিছুমানে আকৌ দক্ জীয়ান (দক < দংশন কৰা + জীয়ান < জীবদান) বোলে। অৰ্থ হ'ল সৰ্প দংশনত মৃত্যু আৰু পুনঃ জীব দান অৰ্থাৎ বেউলা লখিন্দাৰৰ কাহিনী।

আন এটি প্ৰসঙ্গত ডঃ সত্যেন্দ্ৰ নাথ শৰ্মাই লিখিছে : "ওপৰঞ্চি ৰূপে সুকনানী ওজাপালিত দেওধনী নচুৱা হয় আৰু ভবদকৰ দিনা অৰ্থাৎ লখিন্দাৰৰ সৰ্প দংশনৰ দিনা দেওধনীক দকত মাৰি থৈ পাছত কাপোৰেৰে জাৰি গীত গাই দেওধনীক জগোৱা হয়। ওজাপালিত এই মূক চৰিত্ৰক সৰ্পদষ্ট লখিন্দাৰ আৰু দেবতাৰ আগত নৃত্যৰতা বেউলাৰ প্ৰতীক বুলি কলেও ভুল নহ'ব।"

: এই পূজাৰ গীত :

(১)

ফুল নেও পূজাৰীসকল ফুল নেও হাতে।
শুদ্ধ মনে পূজা দেও পদ্মাৰ চৰণে॥
ফুল তুলে পূজাৰীসকল কম্বি নিয়া হাতে।
বাচিয়া তুলোৱে ফুল পদ্মাক পূজিতে॥
ফুল বাচো পূজাৰীসকল চন্দনে লেপিয়া।
যোৰ হাতে কৰো পূজা সফলে আসিয়া।

দূর্বা তুলো তুলসী তুলো তুলো ফুল হোলা।
আমের পাতে সিজুর পাতে করো পদ্মার পূজা॥
জৈ জোগাবে করো পূজা মোর ঢাক দিয়া।
তুষ্ট মনে নেওঁক পূজা পদ্মা আসিয়া॥

(২)

শুনেক শুনেক ওহে চান্দো, ওহে সদাগর
এলাও যদি বাচিবার চাইস তুই
মোরে পূজা কর ওহে চান্দো ওহে সদাগর॥
মোকে নাভজিয়াবে তুই ভজিস কৈলাশপতি
চৈধা দিঙা ডুবাইমরে মুই
সোনার চাইলন বাঁতি॥
শুনেক ওহে চান্দো, ওহে বাজ পতি
ধন জন তোর নাবাধিমরে মুই
তোর বংশত দিবার বাঁতি॥
মোর পূজা দিলেরে চান্দো তোর বাধিম কুল
আর কোনো ধন নাচাংরে মুই
দিস বাম হাতে ফুল॥

(৩)

কান্দে কালি নাগ
লকাইর ডিভি চায়া রে।
কিমতে দকিম বালাক
প্রাণ ফাটি যায় রে॥
মাথা খানি দেখং বেলের মতন।
কিমতে দকিম বালা রে।
চোখদুখনো দেখং জবগের ভাবা
দেখিতে লাগে মায়া রে॥
মুখকোনা দেখং বাটার মতন
গলাকোনা দেখং বাখির মতন
কিমতে দকিম বালা রে॥
বুককোনা দেখং পাটার মতন

পেটকোলা দেখং সাবিন্দাৰ খোল
কিমতে দকিম বালাবে ॥
পিঠিখান দেখং যোপাৰ পিৰা
দেখিতে লাগে মায়া বে
কিমতে দকিম বালা বে ॥
হাত দুখান দেখং বালা
পদ্মেৰ ঠালেৰ মতন
ঠেং দুইটা দেখং বালা
কলাৰ গাছেৰ মতন
কিমতে দকিম বালা বে ॥

(৪)

ও কি বধু বে—
কান্দিয়া তুই নাকান্দাইস ও
মোকে কি ও বধু বে ॥
ও কি বধু বে—
ভেলা নাভাসাইস সাগৰেৰ জলে
কি ও বধু বে ॥
কোন বিধিৰ বিধানে কয়
মৰা মানুষ জীবাৰ পয়
ও কি বধু বে—
ভেলা নাভাসাইস সাগৰেৰ জলে
কি ও বধু বে ॥
সাত ঘাটেৰ সাত রূপ
কাঁপি উঠে মোৰ পাষাণ বুকবে
ও কি বধু বে—
জাতি মাৰবে তোৰ কুলে কালি দিয়া
কি ও বধু বে ॥
সৰিয়া পচিয়া যাইবে
শিয়াল শকুনে খাইবে
খাইবে বাচাক মোৰ সাগৰেৰ মাছে
ও কি বধু বে ॥

(৫)

বেহুলা মাই নাচে বে নাচে
আস্তে ফেলায় পাও
আমাৰ ঘাটে চাপাও ভেলা
সেন্দুৰ পিন্ধিয়া যাও বেহুলা
শাঙ্খা পিন্ধিয়া যাও ॥
কি কৰিম তোৰ শাঙ্খা সেন্দুৰ
সেন্দুৰ পিন্‌বে বিষহৰি
জলতে ভাসেয়া দে তোৰ
শাঙ্খা সেন্দুৰ শাৰী বে
পিন্ধোক বিষহৰি ॥
কি কৰিম তোৰ সেন্দুৰ শাৰী
শাৰী পিন্‌বে বিষহৰি
দেশতে ঘুৰিয়া যাবে
পিন্ধোক বিষহৰি ॥
কি কৰিম তোৰ পাটৰ শাৰী
শাৰী পিন্‌বে বিষহৰি
জলতে ভাসেয়া দে তোৰ
পিন্‌বে বিষহৰি, পিন্ধোক বিষহৰি ॥
বিষহৰিৰ বিষম জ্বালা
জ্বালা দিলো সে বেহুলাক
ওবে মৰা স্বামীক ভুৰাতে নিয়া
ভাসাইছে বেহুলাক বে ভাসাইছে বেহুলাক ॥

(৬)

বাজ সভাই দেবগন বৈসে শাৰী শাৰী।
নাচোন খোজন কৰে বেহুলা সুন্দৰী ॥
নাচিতে নাচিতে বেহুলাৰ
মাথাৰ খোপা খোলে।
নাচিতে নাচিতে বেহুলাৰ

গাৱেৰ চাদৰ ঢোলে ॥
নাচিতে নাচিতে বেহুলাৰ
কাণেৰ সোণা খোলে
নাচিতে নাচিতে বেহুলাৰ
ঠেঙেৰ খাৰু বাজে ॥
নাচোন দেখিয়া বেহুলাৰ
দেবগন হইলো খুচি।
কি চাইস বেহুলা তুই
পুছে হাঁসি হাঁসি ॥
নাচিনু খুন্দিনু মুই
মনত নিয়া ভৰষা
মৰা স্বামী জীয়ায় দেও
এইকোনা মোৰ আশা ॥

(গীতকেইটি শ্রীবলহবি বায় আৰু আজগৰ আলিৰ পৰা পাইছোঁ)

৭। ক। ২০। আজাঙ্গৰ পূজা ঃ

সর্প পূজাবেই আন এটি শাখা হ'ল আজাঙ্গৰ পূজা। পূজাৰ নিয়ম-নীতি মনসা পূজাবেই একে। কেবল মাত্র পূজাৰ মূর্তিটো বেলেগ। ইয়াত মাত্র সাপৰ এটা ফণা থাকে আৰু তাৰ বাঁওফালে কাণি বিষহবিৰ মূর্তি থাকে। বিষহবিৰ মূর্তি থাকিলেও কিন্তু পূজা হয় আজাঙ্গৰহে। আজাঙ্গৰ হ'ল অজগৰ সাপ। জনসমাজত সর্পৰ দেবীৰ পূজাৰ উপৰিও কিয় বেলেগে এই পূজা কৰা হয় সেইটো কোৱা মুহিল। এই পূজাত পদ্ম-পুৰাণৰ পদ গায়। আৰুতীসকলে আকৌ ভেওঁলোকৰ আচাৰ যুক্ত ঠাইত বেলেগে গীত গায়। পূজাত যিমানবোৰ বস্তু লাগে তাৰ এপদ এপদকৈ লৈ বেদীৰ চাৰিওফালে ঘুৰাই ঘুৰাই এই গীতটি গাই গাই আজাঙ্গৰ ওচৰত থয়।

সোণাই আশা হাটো
যায় দেয় মোৰ মন্দিৰেৰ যায়না
দেও ওৰে সোণাই ও ..... কি ওৰে ॥
মালীয়া তোমাৰ মন্দিৰেৰ ভাও কত

তোমাৰ নাকেৰ সোণাৰ ভাও বঙ
আমাৰ মন্দিৰেৰ দাম অত ॥
সোণাৰ খৰম পায়ে গলা গছি হনু
হায়ৰে কলা কিসেৰ লাগি কনু
পাঁচ হাতা কলা হইলেৰে
মুই ভালা সাজান কৰং
হায়ৰে কলা লক্ষ্মী গছি হনু
হায়ৰে লক্ষ্মী কিসেৰ না হনু
পাছ হালা লক্ষ্মী কিসেৰ লাগি ৰনু ॥

পূজাৰ সময়ত আজাঙ্গৰক উদ্দেশ্য কৰি ফুল দিয়াৰ সময়ত গায় :

ফুলৰে হৰণি ঠাকুৰ ফুলৰে ৰবণি।
ফুলেৰ ঝৰা মস্তকে ঢালিয়া পৰে ॥
এখানে থাক পদ্মা-পদ্মী এ বাৰ বছৰে।
বান্ধি দিম তোক ফুলেৰ আলং টুকুৰীৰে ॥
ফুল দেও মালিনী সই ফুল দেও হাতে।
এক মাল ফুল দেও পদ্ম-পদ্মীৰ নামে ॥
ফুল সাজে ভালাৰে ফুল পূজে ভালাৰে।
পূজিয়া মঙ্গলেৰ ফুল জয় জয় বোল নাৰে ॥

৭। ক। ২১। চড়ক পূজা :

গোৱালপাৰা জিলাৰ আন এটি লেখত ল'ৰলগীয়া পূজা অনুষ্ঠান হ'ল চড়ক পূজা। এই পূজা খাচ গোৱালপৰীয়া মানুহেও কৰে আৰু বঙ্গ আগন্ত মানুহ সকলেও কৰে। চ'ত মাহৰ সংক্রান্তিত এই পূজা পতা হয়। ই মূলত শিৱ পূজাই। ই সামূহিক পূজা আৰু বাইজে লগ লাগি এই পূজা পাতে। এই পূজাত ব্রাহ্মণ পুৰোহিত থাকে। কিন্তু ভেওঁৰ ভূমিকা অতি নগণ্য। প্রধান ভূমিকা চড়ক পূজা কৰা দলটোৰ। এই দলৰ মূলটোক 'চৰ্কেয়া' বুলি কয়। ভেওঁৰ নিৰ্দেশনাতেই ৭ দিন ধোৱা পূজা অনুষ্ঠান পৰিচালিত হয়। বঙালীসকলে পতা এই পূজা অনুষ্ঠান এদিন বা দুদিনত থাকে। সাতদিনীয়া চড়ক পূজা অনুষ্ঠান গোৱালপুৰীয়া বঙ্গা দিনীয়া। এই পূজা আগমণিৰ পোকালাগী আৰু

মানুহে বংশানুক্রমে কৰি আহিছে। পঞ্চাননৰ উদ্দেশ্তে কৰা এই পূজাত পাঁচটি ৰূপ দেখা যায়ঃ গীত, নৃত্য, নাট, খেল আৰু পূজা। চড়ক পূজাৰ দলটোত ১৫ ৰ পৰা ২০।২৫ জন মানুহ থাকে। তেওঁলোকৰ এজন সহযোগী হ'ল 'গদা' চৰিত্ৰ। ই কামৰূপী 'ভাউৰা' বা চাৰ্কাচ পাৰ্টি জোকাৰৰ সাইলাশ। এই চৰিত্ৰটিয়ে গোটেই পূজা অনুষ্ঠানটিক হাস্যমুখৰ কৰি ৰাখে। চড়ক পূজাৰ উৎস সম্বন্ধে ৺বাচ্চা চাৰ্কেয়াই আমাক এনে ধৰণে কৈছিল।

দেৱাদিদেৱ মহাদেৱৰ অলক্ষিতে পাৰ্বতীয়ে কালীৰূপে নৰমাংস খাই, নৰ-মুণ্ডৰ মালা পৰিধান কৰি ঘূৰি ফুৰাত সৃষ্টিৰ বিপৰ্যয়ৰ আশংকা কৰি শিবই এদিন নিশা কালী ৰূপী পাৰ্বতীৰ গৃহৰ প্ৰবেশ দ্বাৰত শুই থাকিল। পিছত ঘৰত প্ৰবেশ কৰোঁতে পাৰ্বতীয়ে মহাদেৱৰ বুকুত খোজ দিলে। মহাদেৱে পাৰ্বতীক 'চটকেয়া' অৰ্থাৎ ওপৰলৈ চিটিকাই দিলে। পাৰ্বতীয়ে শূন্যতে টাকুৰী ঘুৰাদি ঘূৰিব ধৰিলে। শেষত পাৰ্বতীয়ে আত্মৰক্ষাৰ বাবে ভুল স্বীকাৰ কৰি ভবিষ্যতে তেনে কাম নকৰিম বুলি শপথ খোৱাত তেওঁৰ প্ৰাণ ৰক্ষা পৰিল। এই ঘটনাৰ স্মাৰক ৰাখিব লাগে এই কথা ভাবি নন্দী ভৃঙ্গীৰ দ্বাৰায় এজন মানুহ মতাই আনি সেই দৃশ্য দেখুৱাই আৱশ্তকীয় মন্ত্ৰাদি শিকাই পৃথিবীত সেই কাৰ্য প্ৰতিষ্ঠা কৰিবলৈ পঠাই দিলে। পাৰ্বতীৰ ঘূৰণ কাৰ্যক কেন্দ্ৰ কৰি যি পূজা কৰা হ'ল সিয়েই 'চড়ক পূজা'। প্ৰথম মন্ত্ৰ শিকোঁতাজন হ'ল 'দেওবংশী'। 'দেওবংশী' বংশানুক্ৰমে হয় আৰু তেওঁলোকেহে চড়ক পূজা কৰে। ৭ দিন যুৰা চড়ক পূজাত প্ৰতি দিনেই কিছুমান বিশেষ অনুষ্ঠান হয়। তাৰ থুলমূল বিৱৰণ তলত দিয়া হ'ল। চ'ত সংক্ৰান্তিৰ দিনা এই পূজাৰ সমাপ্তি হয়।

প্ৰথম দিনা ভক্তি সহকাৰে ৰাতিপুৱাৰ ভাগত দেওবংশীয়ে ঘট স্থাপন কৰে। ঘটত আমৰ পাত, এঁৰা সূতা, সেন্দুৰ দিয়া হয়। পিছত ব্ৰাহ্মণে ফুল তুলসী দি নিষ্ঠা-নীতিৰে বেদমন্ত্ৰ মাতি ঘটৰ পূজা কৰে। পূজাৰ দলটোৱে ঢাক-ঢোল বজাই বজাৰ কৰিব যায়ঃ বজাৰত গৰু, ধানৰ বীজ কিনা হয়। ইয়াক 'ৰাজাৰ কৰা' বোলে। সন্ধিয়াত প্ৰথমতে মণ্ডপত লক্ষ্মী বন্দনা হয়। ৰাতি ভাগত মণ্ডপৰ সম্মুখ ভাগত দলৰ মানুহবোৰে হালবোৱা, ধানবোৱা, ধান কটা অনুষ্ঠান কৰি দেখুৱায়। অনুষ্ঠানবোৰ গীত-নৃত্যৰে মুখৰিত কৰি তোলা হয়। এই অনুষ্ঠানতে গোৱালপাৰীয়া বিশেষভাবে উল্লেখযোগ্য গোৱালিনী গীত নৃত্য পৰিবেশন কৰা হয়। বৰ্তমানে অসমৰ বিভিন্ন মঞ্চত এই গীত-নৃত্য পৰিবেশন কৰা হয়। গোৱালিনী গীত ঃ

গোৱাল্‌লনী গোৱাল্‌লনী হাটিয়া আইসো ধীৰে।
বাজাৰ বেটা কানায়া ডোক কেনেৱা ডাকাইছে॥
গোৱাল্‌লনী গোৱাল্‌লনী তোৰ মাথায় চাদৰ।
গোৱাল্‌লনী নাচ কৰে বাংলাৰ ভিতৰ॥
ভালা ভালাৰে ঢাল খোপাটি।
গোৱাল্‌লনী নাচ কৰে বে॥
ভালা ভাঙ্গা বে চট্‌কা মাৰা।
গোৱাল্‌লনী নাচ কৰে বে॥
হেমতি বিতৰি আৱো ধান।
ফেলাইলং জমিতে॥
ৱইবাৰ নওঁ মুই ৱইবাৰ নওং।
মুই যাইম বসিয়াৰ সাথেৰে॥
কাতি যায়া আঘোণ পইল।
খেতত পকিল ধান॥
সাজিলো গোৱাল্‌লনীৰে।
গোৱাল্‌লনী ধান কাটে॥
কানায় সাজায় গাড়ী।
সাজিলো গোৱাল্‌লনী বে॥
ওৰে হাঁসি খেলি গোৱাল্‌লনী॥
চলিয়া যায় বাৰী॥
সাজিলো গোৱাললনী বে॥

দ্বিতীয় দিনাখন ৰাতিপুৱাৰ ভাগত চৰক পূজা উৎসৱ কমিটিৰ সভাপতি বা সম্পাদকৰ ঘৰত নৃত্য-গীত হয়। তাত৯ ধান মৰণা মাৰা, বাৰাভুকা (ধান বান্ধি চাউল উলিওৱা) আৰু লক্ষ্মী ঘৰত থোৱা কাৰ্য নৃত্য-গীতিৰে কৰি দেখুওৱা হয়। পিছত চোতালত বোকা মাটি কৰি মাটিয়া খেল খেলোৱা হয়। ঘোৰ চাক বজায় থকা হয়।

সন্ধিয়া পূজাৰ বেদীৰ ওচৰত ধূপাতি বন্দনা হয়। ইয়াৰ মূল হ'ল সৃষ্টি বন্দনা। প্ৰথমতে ধূপ-ধুনা-দীপ জ্বলাই ঘট মণ্ডপৰ সম্মুখত পূজা কৰি আৰতি গায়। তাৰ পিছত ক্ৰমে মণ্ডপ, লক্ষ্মী, গুৰু বন্দনা আকণিছত সৃষ্টি বন্দনা গায়। প্ৰথমতে সৰ্বত্ৰ

জল, তাৰ পিছত মাটিজা (মাটি) সৃষ্টি হ'ল। পিছত ব্রহ্মা-বিষ্ণু-মহাদেৱ আৰু তাৰ পিছত নানা দেৱ-দেৱী, যক্ষ ৰক্ষ আৰু জীৱ-জন্তু, চৰাই-চিৰিকতি, তৰু-তৃণ সৃষ্টি হ'ল। গতিকে ব্রহ্মা-বিষ্ণু-শিৱৰ বন্দনা, ঢাক বন্দনা, শেষত ধূপাতি বন্দনা কৰি ধূপ-ধূনা জ্বলাই দিয়ে। এই বন্দনাৰ সময়ত মণ্ডপৰ ওচৰত দেওবংশীৰ লগত ৬।৭ জন সহযোগী থাকে। বন্দনাৰ সময়ত সুৰ লগাই পদো গায়। যেনে ঃ

ভাইনে ৰৱমাহ বামে বিষ্ণু
মদ্দে সদাশিৱ।
সেত্তি দেওং গুৰু বন্দনা হাত
স্রেত্তি ৰইসে শীষ ॥
পক্ষ অভিথিয়ে গঙ্গা
কৰিলাৱো দুগ। (কপিলাৰ দুধ)
ঠাকুৰ ঘৰৰ ঘটৰ জলে
লক্ষ্মী হইলো শুত ॥ (শুধ < শুদ্ধ)

একেবাৰে শেষত ধূপাডিক লৈ খেলা কৰে। খেলাত যত ধূনা তত খেলা অর্থাৎ ধূনা যত বেছি হয় খেলাও তত বেছি হয়।

তৃতীয় দিনা হ'ল কাঁটা ভাঙা। ইয়াত ক্রমে ভক্তৰ আৰতি, লাঠি পূজা, ভক্তৰ তুলা, কাঁটা আনা হয়। ৰভাতলৰ একাষত শ্মশান কালীৰ প্রতীক কলগছ জোপাৰ তলত কাঁটাৰ ডালবোৰ ৰাখি তাৰ ওপৰেদি খোজ কাঢ়ি যোৱা, বাগৰি খট দি যোৱা দেখুৱা হয়। গদা আৰু আন চৰিত্রৰ সংলাপ আৰু কথোপকথনেৰে গোটেই অনুষ্ঠানটি হাস্যমুখৰ কৰি তোলা হয়।

চতুর্থ দিনাখন প্রণামী, চোঙৰ বন্দনা, চণ্ডী বন্দনা খেল হয় মাছ মাৰা, বাঘে ধৰা। মাছ মাৰা খেলত 'দুই হুইসা'ই ভাৰ কৰি জাল লৈ যায়। সেই জাল বিলত পেলাই মাছ মাৰে। মাছ মেৰাবাসকলে মাছৰ ভাগ বিচৰাত মাছ দিবলৈ অস্বীকাৰ কৰাত তান্ত্রিক এজনে মন্ত্রেৰে সিহঁতক বাঘ বনালে। বাঘে এজনক বধ কৰিলে। পিছত ভয়তে মাছ দিলে আৰু বাঘ খেদি, মৰাক জীয়ালে। নাটকীয় ভঙ্গিমাত চাঞ্চল্যকৰ ৰসমিশ্রিত কৰি দেখুওৱা মাছ মাৰা, বাঘে মানুহ মাৰা, মৰা মানুহ জীওৱা দৃশ্যই শ্রোতা-দর্শকক আনন্দ দিয়ে।

পঞ্চম দিনাখন চণ্ডীকাণ্ড। চণ্ডীয়ে মুখত মুখা হাতত তৰোৱাল, গলত নৰ-মুণ্ড মালা পৰিধান কৰি নৃত্য কৰে। দেওবংশীয়ে চণ্ডী পূজা কৰে। নানান খেল

হয়। ষষ্ঠ দিনাখন সতী পূৱা, শিৱৰ বিয়া। নাৱদে এই বিয়াৰ ঘটকালি কৰে। দক্ষ যজ্ঞাৰ যৱত এই বিয়া সম্পন্ন হয়। বিয়াত ব্ৰাহ্মণে হোম যজ্ঞ কৰে, মন্ত্ৰ পাঠ কৰে। নিমন্ত্ৰিত সকলক জা-জলপানেৰে সোধ পোৱ কৰে। শেষৰ দিনাখন হয় চড়ক ঘূৰা।

চড়ক ঘূৰাৰ বাবে এডাল শিমলু গছ লাগে। দেওবংশীয়ে পূজা কৰাৰ পিছত সেই গছ কাটে। তাল-কাঁহ, ঢাক-ঢোল বজাই সেই গছ পূজাৰ ঠাইলৈ আনা হয়। গছ পুতা গাঁতটোত প্ৰথমে পাতালী পূজা কৰা হয় আৰু এষোৰ ক'ইতৰ (পাৰ) বলি দি তাত বলিৰ তেজ আৰু মাথা দুটা দিয়া হয়। পিছত মাটি দি গছ ডাল পোতা হয়। 'কেৱকি'টো ওপৰত লগোৱা হয় আৰু চড়ক ঘূৰা মানুহজনক মন্ত্ৰপুত কৰি জিৱাত ছাটিৰ কামান সোমাই দি কঁকালত বান্ধি 'কেৱকি' লগত বান্ধি দিয়া হয়। কেৱকিৰ আনটি মূৰত তাৰ সমতা ৰক্ষাৰ বাবে আন এটি মানুহ বান্ধি দিয়া হয়। তাৰ পিছত চড়ক ঘূৰা হয়।

৮১ বছৰীয়া দেওবংশী শ্ৰীসত্যেন্দ্ৰ নাথ বায়ে কয় যে শিমলু গছ আৰু কেৱকি ক্ৰমে শিৱ আৰু পাৰ্বতীৰ যৌনাঙ্গৰ প্ৰতীক। তেনেহলে এই পূজাৰ আঁৰতো প্ৰজনন শক্তি পূজা নিহিত হৈ আছে। গোৱালপাৰাৰ বিভিন্ন ঠাইত হোৱা চড়ক পূজা এই সংস্কৃতিৰ এক বিশিষ্ট সম্পদ। এই পূজা উৎসৱত একেলগে বহু বিষয় সন্নিবিষ্ট হৈ আছে, তন্ত্ৰ-মন্ত্ৰ, মেজিক, পূজা, খেল, গীত, নৃত্য, লোকনাট্যৰ উপকৰণ, ভক্তি, পুৰাণৰ তথ্য আৰু বিয়াৰ প্ৰক্ৰিয়া। সেয়ে চড়ক পূজা গোৱালপৰীয়া লোক-সংস্কৃতিৰ এটি উল্লেখনীয় সম্পদ।

চণ্ডীকাছ— চণ্ডীৰ অয়-অলংকাৰ, পোছাক-পৰিচ্ছদ পৰিধান ও নৃত্য।

৭। ক। ২২। ধুমসীয়া ঠাকুৰ পূজা ঃ

আধুনিক অসমীয়া অভিধানত 'ধুম' শব্দটি আছে; ইয়াৰ অৰ্থ ধোঁৱা। হেমকোষত 'ধুম'ৰ অৰ্থ হাতীৰ নেওচৰ তল ভাগ বা হাতীৰ লেজৰ শুং। চলন্তিকা বঙালী অভিধানত ধুম আৰু ধুমসা-স্ত্ৰী-ধুমসী শব্দ আছে। অৰ্থ ভিৰ, মোটা। কামৰূপী ধুম আৰু ধুমা শব্দেৰে ইয়াৰ মিল আছে। সম্ভৱতঃ বঙালী ধুমসা/ধুমসো + ঈয়া = ধুমসীয়া হৈছে। ধুমসীয়া অৰ্থাৎ ডাঙৰ— সেয়ে দেৱাদিদেৱ মহাদেৱ।

গোৱালপাৰাৰ ঘৰে ঘৰে, থানে থানে এই ঠাকুৰৰ পূজা হয়। কিন্তু বিহলৈৰ ধুমসীয়া ঠাকুৰৰ পূজা বহু ক্ষেত্ৰত অনন্য সাধাৰণ। গৃহস্থৰ ঠাকুৰৰ পাটত অন্যান্য

দেব-দেবীৰ লগতে ধুমসীয়া দেব থাকে। কিন্তু বিছনদৈ পাট হ'ল ধুমসীয়া ঠাকুৰৰ পাট। এই পাটত বহু দেবতা থাকিলেও ধুমসীয়া ঠাকুৰেহে প্ৰধান। এই দেবতাৰ পূজা বাস পূৰ্ণিমাত আৰম্ভ হয় আৰু পোন্ধৰ দিনলৈ চলে। এই পোন্ধৰ দিনে এই বৃহৎ অঞ্চলৰ উপৰি দূৰ দূৰান্তৰৰ পৰা অসংখ্য মানুহ আহে আৰু অৰুলমুৰি এটি ভাণ্ডৰ উৎসৱৰ পৰিবেশ হয়। ভক্তৰ বিশ্বাস মতে এইদেৱে অসংখ্য ভক্তৰ মনস্কামনা পূৰ্ণ কৰিছে। সেয়ে ধুমসীয়াৰ প্ৰতি ভক্তৰ অগাধ বিশ্বাস আৰু ভক্তি। প্ৰায় ৪ বছৰ আগলৈ নিশা ভাগত গোৱালপৰীয়া দোতৰাগান, পালাগান হৈছিল। কিন্তু নানা অসুবিধা আৰু পুলিচৰ দৌৰাত্মৰ বাবে সেইটো বন্ধ কৰি অষ্ট প্ৰহৰ মহানাম যজ্ঞ পাতিৰ লয়ু আৰু বৰ্তমানো ই চলি আছে। ১৫ দিন যোৱা অনুষ্ঠানটিত ১৮/১৯ হেজাৰ টকা খৰচ হয়। এই খৰচৰ পইচা আহে দুই ধৰণে : ১। ৰায়তৰ অৰিহণা ২। ৰাইজৰ দান ৰৰঙণি। বিশেষভাবে মন কৰিব লগীয়া কথা যে এই ধুমসীয়া ঠাকুৰৰ অসংখ্য ৰায়ত (·· ৰায়ত-প্ৰজা) আছে। তেওঁলোকে বংশাদি ক্ৰমে নীতিগতভাবে এই ঠাকুৰৰ পূজাত টকা-পইচা, ধান-চাউলেৰে সহায় কৰি আহিছে। ধামৰ দেবতা আৰু দেবতাৰ খৰবোৱা এই প্ৰজাপালিত সকলেই নিজ নিজ মানস হিচাবে দিয়ে। ধুমসীয়া ঠাকুৰৰ পূজা আৰম্ভ হয় ৰাস পূৰ্ণিমাত। প্ৰথম দিনাখন ব্ৰাহ্মণে ৰাধা-কৃষ্ণৰ যুগল প্ৰতিকৃতিৰ পূজা কৰে। নৈবেদ্য-প্ৰসাদ দিয়ে। এয়া গোৱালপৰীয়া সংস্কৃতিত গৌৰীয় বৈষ্ণৱ মতৰ অনুপ্ৰবেশ। দ্বিতীয় দিন যুগলৰ পূজাৰ পিছত বহু দেবতাৰ পূজা হয়। এই বহু দেবতা হ'ল : ধুমসীয়া, ষকা, পাগলা, সৈন্যাসী, মহামায়া, মাৰাই, মা ঠাকুৰাণী, অচিন, মাশান, কালী, বলোৰাম, ভদ্ৰকালী পাৰ্বতী, বিষহৰি, কাণী বিষহৰি, বুঢ়া-বুঢ়ী, কড়া কড়ী, ভিন্নাথ ইত্যাদি। শ্মশান কালী ঠাকুৰ ধামৰ বাহিৰত থাকে। পূজাৰ শেষৰ দিনলৈ বহু দেবতাৰ পূজা প্ৰতি দিনেই হয়। বিশেষভাবে মন কৰিবলগীয়া কথা যে ঠাকুৰবোৰৰ পূজাৰ উপাচাৰো বেলেগ বেলেগ। ধুমসীয়া ঠাকুৰৰ পূজাৰ কেইটিমান বিশেষভাবে মন কৰিব লগীয়া বিষয় হ'ল :

১। সোঁটা লাঠি : এই পাটৰ প্ৰজা সাধাৰণে অমঙ্গল দূৰ কৰা বা অভীষ্ট সিদ্ধিৰ বাবে গোসাইৰ ওচৰত সোঁটা লাঠি দিয়ে। এনে লাঠি ৰূপেৰে বন্ধাই দিব লাগে। বৰ্তমানলৈ ধামত একশৰো ওপৰ এনে লাঠি আছে। ১৮৫৪ চনত ৫২ তোলা ৰূপেৰে আৰু ১৯৪৯ চনত ৬২ তোলা ৰূপেৰে কমিটিয়ে দুডাল সোঁটা লাঠি তৈয়াৰ কৰিছে।

২। চৰকী : চৰকী হ'ল এটি মাটিৰ টিপৰ ওপৰত বাঁহৰ লাঠি এডাল পুতি তাৰ ওপৰত চাটিৰ নিচিনাকৈ বাঁহেৰে সজাই বন্ধা কাপোৰেৰে মেৰিয়াই দিয়া বস্তু। তাত এডাল বচি লগোৱা থাকে আৰু ধুমসীয়া ঠাকুৰৰ পাটত সোমোৱা প্ৰবেশ-প্ৰস্থান পথত থাকে। যি কোনো যাত্ৰী বা ভক্তই এই পাটত প্ৰবেশ কৰোঁতে বা প্ৰস্থান কৰোঁতে বচিডালত ধৰি চকৰীটো ঘুৰোৱাৰ নিয়ম।

৩। ধুমসীয়া পাটৰ বাঁশ পূজা : ধুমসীয়া ঠাকুৰৰ পাটৰ বাস পূৰ্ণিমাৰ বাঁশ পূজা অকাল পূজা। (বাঁশ পূজা চাওক ১৭২/৪)

৪। নাচোন ঘৰ : আন এটি বিশেষত্ব হ'ল নাচোন ঘৰ। ই ধামৰ মাজত অবস্থিত। ইয়াত তেত্ৰিশ কোটি দেবতাৰ পূজা কৰা হয়। এই ঘৰৰ ভিতৰত দেবতাৰ প্ৰতীক হিচাবে হাতীৰ মুৰ আৰু শুৰ থাকে।

৫। পূজাৰ শেষৰ দিনাখন চাতাল পূজা হয়। চাতালৰ অৰ্থ হ'ল চোতাল। চোতালৰ পূজা মানে চোতালৰ পাটৰ সকলোবোৰ দেও দেবতাৰ পূজা। গতিকে তাত শ্মশান কালীক বাদ দি আন সকলোবোৰ দেবতাৰ পূজা হয়। সেই দিনাখন প্ৰত্যেক ঠাকুৰৰ পূজাৰ লগতে নিশান আৰু ফুল দিব লাগে।

৬। ধুমসীয়া পাটত একেলগে যিমান ঠাকুৰ পূজা হয় গোৱালপাৰাৰ কোনো ঠাকুৰ পাটতে সিমান দেব-দেবীৰ পূজা নহয়। আনহাতে ১৫ দিন যোৱা দীঘলীয়া সময়ৰ বাবে এই জিলাত আন কোনো পাটত ঠাকুৰ পূজা নচলে।

ধুমুসীয়া পূজাই গোৱালপৰীয়া লোক-সংস্কৃতিৰ পূজা পাৰ্বণ দিশৰ এটি ডাঙৰ অংশ প্ৰকাশ কৰে। সেয়ে এই পূজালৈ সৰ্বসাধাৰণৰ আগ্ৰহ আৰু আকৰ্ষণ বেছি। এই ফালৰ পৰা এই পূজা গুৰুত্বপূৰ্ণ।

৭। ক। ২৩। জগন্নাথ পূজা :

জগন্নাথ (জগৎ + নাথ) হ'ল জগতৰ স্বামী। তেৱেঁ বিশ্ব ব্ৰহ্মাণ্ডৰ সৃষ্টি-স্থিতি-প্ৰলয়ৰ কাৰণ। তেৱেঁ চৰাচৰ সকলোৰে গধাকী। ইতিমধ্যে যিবোৰ দেব-দেবীৰ পূজা-পাৰ্বণৰ কথা চমুকৈ আলোচনা কৰি অহা হ'ল সেইবোৰ দেব-দেবীও তেওঁৰেই অধীন। মানুহে এই দেব-দেবীবোৰৰ পূজা কৰি কেবল মাত্ৰ দৈহিক সুখ-শান্তি, ইহ-লৌকিক ধন-সম্পত্তি আৰু জাগতিক শক্তি-খ্যাতি লাভ কৰিব পাৰে। কিন্তু এই পৃথিবীত মানৰ জীবনটোৱেই দুদিনীয়া। তেনে ক্ষেত্ৰত ক্ষণভঙ্গুৰ মানৰ জীবনৰ বাবে দেব-দেবীৰ পূজাৰে লাভ কৰা ধন-সম্পদবোৰৰেই বা স্থায়িত্ব ক'ত, মূল্যই বা কি? এইখিনিতেই ধৰ্মই এখন পৰলোকৰ কথা কৈছে। সেইখন হ'ল জগন্নাথৰ নিবাস

ক্ষেত্ৰ। সেইখন লোকত এইখন পৃথিবীৰ নিচিনাকৈ জৰা মৃত্যু, দুখ-শোক, জ্বালা, যন্ত্ৰনা নাই। পৃথিবীৰ সকলোখিনিয়ে ক্ষণ্ডেকীয়া। কিন্তু সেইখন লোকৰ সকলোখিনিয়ে চিৰদিনীয়া। সেইখন জগতৰ অধিপতি হ'ল জগন্নাথ= বিষ্ণু= কৃষ্ণ। তেৱেঁ হ'ল মোক্ষ, তেৱেঁ হ'ল মুক্তি। মোক্ষ বা মুক্তি বিনে জীবৰ জীবনৰ দুখৰ শেষ কেতিয়াও নহয়. হ'ব নোৱাৰে। সেয়ে জগন্নাথ পূজা উপাসনা। জগন্নাথক লাভ কৰিবলৈ পূজা-পাৰ্বনৰ আবশ্যক নাই ; কেবল লাগে তেওঁৰ চৰণত অচলা ভক্তি। সেয়ে জগন্নাথ পূজা নুবুলি জগন্নাথ উপাসনা বোলাহে ভাল হ'ব।

ভাৰতীয় নব-বৈষ্ণৱ জাগৰণৰ কালৰে পৰাই গোৱালপাৰা জিলাত জগন্নাথ উপাসনা চলি আহিছে। চহা গীতিকাৰ সকলে তেওঁলোকৰ অন্তৰৰ ভকতি লোক-গীতৰ জৰিয়তে জনাইছে এনেদৰে :

(১)

এ জগন্নাথ হৰি,
জগন্নাথৰ নাম লৈয়া সংসাৰ তৰি ॥
জগন্নাথৰ ঘৰ ঘৰ এ,
চাৰিওফালে কোণা ॥
জগন্নাথৰ কাণত দেখং,
ঝলঝলীয়া সোণা ॥
জগন্নাথৰ চাৰিওফালে কেওৱা
জগন্নাথ বসিয়া আছে
এবে পেৰে কৰং সেওৱা ॥

(২)

দুৱাইৰে গুপুনি আহিছে আপুনি।
হে..... আছে হৰিৰ কথা শুনি ॥
কৃষ্ণ গেছে মধুপুৰীত খঞ্জ আছে পৰি।
গোকুলৰ গুপুনি কান্দে খঞ্জতে বাগৰি ॥
কি কহিব বান্ধৱ বে কি কহিব আৰ।
কৃষ্ণৰ মুখ বিনে দেখং দিনতে অন্ধকাৰ ॥
পূবে যায় নাগ-নাগিনী পশ্চিমে যায় দেওয়া।
পুকৰ ভোমোৰা জাতি পাৰিভিতে মত্তা ॥
কৃষ্ণ গেছে মধুপুৰীত মন হৈছে ধন্দা।
কৃষ্ণৰ হাতৰ বাঁশী ধৰা গেছে বান্দা ॥
ভোমাৰ হাতৰ মোহন বাঁশী ধৰলে বাজিলং।

যখনে পৰিল মনত শিৱে তুলিয়া লইলং ॥
আদৰ সাদৰ সবে হৈলো দূৰ।
অনাথিনী কৰিয়া হৰি গেলি মধুপুৰ ॥

৭। খ। দেহাত্মা তত্ত্বমূলক গীত ঃ

অসংখ্য গোৱালপৰীয়া লোকগীতৰ মাজত দেহাত্মাতত্ত্বমূলক এশ্রেণীৰ লোক-গীতো আছে। এই শ্রেণীৰ গীতক বিষয় বস্তুৰ সামান্য পার্থক্যৰ ওপৰত ভেঁটি কৰি তিনিটা ভাগত বিভক্ত কৰিব পাৰি। যেনে ঃ দেহ বিচাৰ, বৈৰাগ্য ভাবমূলক আৰু আধ্যাত্মিক ভাবমূলক।

এই শ্রেণীৰ গীতৰ আলোচনাৰ ভিতৰ মহলানবিছ সোমোৱাৰ আগতে এটা কথা উল্লেখ কৰিলে ভাল হ'ব যে কামৰূপী লোকগীতৰ বচকসকলৰ নিচিনাকৈ এই শ্রেণীৰ লোকগীতৰ বচকসকল পার্থিব জগতৰ প্রতি তিমান উদাসীন নহয়। মানব দেহৰ সৈতে পার্থিব সকলোখিনিয়ে অসাৰ ভাবি বৈৰাগ্য ওপজাৰ পিছত অবিনশ্বৰ আত্মাৰ শেষ আশ্রয় থল পৰম ব্রহ্ম, পৰমাত্মাৰ ওচৰলৈ ভক্তি মার্গেৰে আগবাঢ়ি যোৱা এই প্রাচীন আদর্শৰ ওপৰতে এই গীতবোৰ যে প্রতিষ্ঠিত এই কথা কোনো পথেৰেই নুই কৰিব নোৱাৰি। সেই বুলি এই শ্রেণীৰ লোকগীতৰ বচকসকলে এই আদর্শৰে ভাবোদ্দীপ্ত আন কবি-সাহিত্যিক সকলৰ নিচিনাকৈ পার্থিব সকলো-খিনিকে বিষাক্ত কৰি তোলাৰ মনোভাব পোষণ নকৰা যেন লাগে। কামৰূপী লোকগীতত ঠিক একে ধৰণৰ ভাবধাৰাই বিকাশ লাভ কৰা দেখা যায়। কিন্তু শঙ্কৰ-মাধৱৰ ৰচনাগীতৰ প্রভাৱে এই গীতবোৰ এঁকা-বেঁকা ভাবে কোথাই যোৱা যাবে পার্থিব সকলোখিনিকেই অসাৰ ভাবি লোকচক্ষুত সেইবোৰক বিষময় কৰি তোলাৰ এটা চেষ্টা দেখা যায়। গোৱালপৰীয়া লোকগীতত পার্থিব সকলো-খিনিকেই অসাৰ বুলি কৈছে সঁচা, কিন্তু তাক বিষময় বা বিষাক্ত কৰি তোলাৰ চেষ্টা নাই।

আন আন গীতৰ তুলনাত এই শ্রেণীৰ গীতৰ সংখ্যা নিচেই তাকৰ বুলি ক'ব পাৰি। সংখ্যাত কম হ'লেও গীতবোৰত বচকসকলৰ মানব-দেহ, মানব-জীবন, মানব-জীবনৰ ধন-সম্পত্তি, ঐশ্বর্য-বিভূতি, আত্মীয়-স্বজন, বন্ধু-বান্ধৱ, পুত্র-পৰিয়াল আদি বিষয় জনিত সকলোবোৰৰ জীবলোপলব্ধ সম্যক ধ্যান-ধাৰণা যুক্ত মতিৰ প্রকাশ পাইছে। এই শ্রেণীৰ গীতৰ বচকসকলৰ মানত মানব দেহ আৰু পার্থিব জীবন

ক্ষণিনীয়া। মানৱ দেহ কচু পাতৰ পানী সদৃশ। কচু-পাতত থকা পানীৰ কোনো স্থিৰতা নাই। যি কোনো মুহূর্ততে পৰি মাটিত নিশ্চিহ্ন হৈ যাব পাৰে। ঠিক তেনেকৈ যি কোনো মুহূর্ততে মানৱ দেহো ধ্বংস হব পাৰে। এই কথা উপলব্ধি কৰি কামৰূপী লোকগীতত : 'ধন ধন বুলি, মই ধন সাঞ্চিলু, বহু দিন থাম পাম বুলি। ধন ৰইবো পৰি, দেহা যাব চলি, যেন কচুৰ পাতৰ পানী ঐ ॥' —বুলি কোৱাৰ নিচিনাকৈ গোৱালপৰীয়া চহা গীতিকাৰেও কৈছে :

'কচুৰ পাতেৰে জল যেমন ৰে
জীৱন টল্‌মল্ টল্‌মল্ কৰে,
ঐ মতন নৰৰ দেহা
কোন দিন ঢলিয়া পৰে ৰে ॥'

কিন্তু এনে দেহস্থ মনৰো অহমিকাৰ ভাব আছে। মানৱ মনত প্ৰথম অহমিকাৰ ভাব জন্মে দেহৰ পৰা অৰ্থাৎ দৈহিক ৰূপ-যৌৱন, বল-শক্তি, গুণ-গৰিমাৰ পৰা। কিন্তু লোকগীতৰ ৰচকসকলে বাকচৈয়ে উপলব্ধি কৰিছে যে যিবোৰ দৈহিক বস্তুক লৈ আমাৰ অহং ভাবৰ জন্ম হয় সেই সকলোবোৰেই ক্ষণভঙ্গুৰ, অস্থায়ী অসাৰ। সেয়ে চহা কবিয়ে মানৱ দেহক মাটিৰ ভাণ্ডৰ লগত তুলনা কৰিছে এই বুলি :

মানৱ দেহ মাটিৰ ভাণ্ড,
ভাঙিলে হইবে খণ্ডবে খণ্ড,
ভাঙিলে দেহ যোৰা নিবে না,
মানৱ দেহৰ গৈৰব কইবো না॥

মাটিৰ পাত্ৰ খণ্ড খণ্ড হৈ ভাঙিলে ব্যবহাৰৰ অনুপযুক্ত হোৱাৰ নিচিনাকৈ মানৱ দেহ ভাঙিলেও সি ব্যবহাৰৰ অনুপযুক্ত হয়। ভঙা টুকুৰাবোৰ যোৰা লগাই যেনেকৈ পাত্ৰটো আকৌ ব্যবহাৰৰ যোগ্য কৰিব নোৱাৰি তেনেকৈ ভাঙি যোৱা দেহকো আকৌ যোৰা লগাব নোৱাৰি। পাত্ৰৰ ভঙা টুকুৰাবোৰ সমস্তও মাটিৰ লগত নিশ্চিহ্ন হৈ যোৱাৰ নিচিনাকৈ মানৱ দেহো পঞ্চভূতত লীন হৈ যায়। এনে দেহৰ পৰা জন্ম পোৱা অহমিকা ভাব অমূলক।

চহা কবিৰ চহা অন্তৰে বিচাৰি উলিওৱা মানৱ দেহক মাটিৰ পাত্ৰৰ লগত তুলনা কৰা সুন্দৰ উপমাটিয়ে "কুমাৰ আৰু মাটিৰ পাত্ৰ" নামক কবিতাটিৰ কথা মনত পেলায়। সেয়াই সহজ, এই বিষয়ৰ কবিৰ কল্পনাৰ সাদৃশ্য ইংৰাজ কবি 'ব্ৰাউনিঙ'ৰ কবিতাৰ লগতো দেখিবলৈ পোৱা যায়। ব্ৰাউনিঙে মানৱ-

জীবন, মানৱ দেহ আৰু ভগৱানৰ কথা কৱলৈ গৈ একে ধৱণৰে উপমা এটি তেওঁৰ কবিতাত প্ৰকাশ কৰিছে :

"Ay, note that Pot er's wheel,
That metaphor ! and feel
Why time spins fa·t, why passive lies our clay, –
Thou, to whom fools propound,
When the wine makes its round.
Since life fleets, all is chan_e ;
The Past gone, seize to-day !"

কিন্তু চহা কবিৰ এই ভাৱাবেগ আৰু কল্পনা অনুভূতিৰ ওপৰত কোনো দেশী-বিদেশী কবি-সাহিত্যিকৰ কোনো প্ৰভাৱৰ প্ৰভাৱ নাই বুলি স্পষ্টভাবে ক'ব নোৱাৰি। ভাগৱতৰ ১০।৪।১৯ পদত এই একেই ভাব ইতিমধ্যে প্ৰকাশ পাই গৈছে।

দ্বিতীয়তে এই পৃথিবীত অহমিকা ভাৱৰ জন্ম হয় আত্মীয়-স্বজন, বন্ধু-বান্ধৱ, পুত্ৰ-পৰিবাৰ, ধন-সম্পত্তি, ঐশ্বৰ্য-বিভূতিৰ পৰা। কাৰণ এই সকলোটিকেই আমি আপোন বুলি ভাবোঁ। কিন্তু প্ৰকৃততে এই সকলোবোৰ আমাৰ আপোন হ'ব নোৱাৰে। আপোন আপোন লগা ভাবটো আমাৰ মায়া-মোহ জনিত ভাবহে। কিয়নো মৃত্যুয়ে এই ভাবৰ ছেদেলি-ভেদেলি কৰি দিয়ে। কাৰণ এই সকলোবোৰৰ চকুৰ আগতে মৃত্যুয়ে আমাক লৈ যায়। মৃত্যুৰ হাতৰ পৰা আপোনজনে আমাক ৰাখিব নোৱাৰে নাইবা মৃত্যুৰ সময়ত তেওঁলোকে আমাৰ লগত নেযায় আৰু প্ৰকৃততে যাবও নোৱাৰে। পাৰ্থিব মোহ আসক্তিৰ হেতুহে আমি এইবোৰক আপোন আপোন দেখোঁ। গতিকে অহং ভাৱৰ এই দ্বিতীয় হেতুও নিৰৰ্থক। সেয়ে মহা-পুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱে : "অথিৰ ধনজন, জীবন-যৌবন, অথিৰ এহু সংসাৰ। পুত্ৰ পৰিবাৰ, সবহি অসাৰ, কৰবো কাহেৰি সাৰ ॥"— বুলি কোৱাৰ দৰে গোৱাল-পৰীয়া চহাপীতিকাৰ সকলেও কৈছে :

"ভাই দেখং ভাতিজা দেখং বে,
ওৰে সম্পত্তিৰে ভাগী।
আগে হইবে ভাগ বাটোৱা,
পাছে দেহাৰ গতি জীবন বে ॥"
"ভুই জীবন হাৰিয়া গেইলে বে,

জীবন কান্দিবে বাপ ভাই।
শ্মশান ঘাটে সোণাৰ দেহা
পুৰিয়া কৰিবে ছাই জীবন বে॥"
"টাকা পইচা ভিটা বাৰী
জীবন গেইলে সব ৰইবে পৰি
সঙ্গৰ সাথী কেও তোৰ হবে না॥"

মানৱ জীবনৰ অহমিকা ভাৱৰ এই দুই মূল হেতু ধ্বংস হৈ যোৱাৰ পিছত চহা কৰিৰ অন্তৰত থকা পাৰ্থিৱ আসক্তিৰ ঠাইত বৈৰাগ্য ভাৱৰ উদয় হৈছে :

"ভজো মন আপ্‌না আপ্‌নি,
কেও নাই সংসাৰেৰ মাঝে বে।
হাটে চেনা পথে চেনা বে
পাগেলাৰ মন চেনা পৰিচয়,
ভবেৰ হাট ভাঙিয়া গেইলে বে
কেওতো কাৰো নয়॥"

এই সংসাৰত কোন কাৰ আপোন, কোন কাৰ আত্মীয়। "কোন কাৰ মৰমৰ, কোন কাৰ চেনেহৰ, চকুৰ চিনাকী দুদিনৰ।"— সেয়ে চহা গীতিকাৰে সংসাৰখনক এখন হাট আৰু সংসাৰ যাত্ৰীক হাটকৰা বুলি কল্পনা কৰিছে। হাটকৰাৰ হাটত-পথত বহুতৰে পৰিচয় হয়। কিন্তু ঘৰলৈ উভতি গলে সেই পৰিচয় নেথাকে। ঠিক তেনেকৈয়ে সংসাৰ স্বৰূপ হাটত জীয়াই থকা দিন কেইটিতহে আত্মীয়-স্বজন, বন্ধু-বান্ধৱৰ লগত পৰিচয়, সম্বন্ধ। সংসাৰ হাট ভাঙি গলে অৰ্থাৎ মৃত্যুৰ পিছত এই সংসাৰ এৰি গলে সেই আত্মীয়-স্বজন, বন্ধু-বান্ধৱৰ লগত কোনো পৰিচয়, সম্বন্ধ নেথাকে। সংসাৰত আমি ভৱা ধৰণৰ আত্মীয়তা, সম্বন্ধ তেওঁলোকৰ লগত আচলতে নাই। তেওঁলোক হাটত, পথত পৰিচিত সদৃশ মানুহহে। গতিকে সংসাৰত মৃত্যুৰ ক্ষেত্ৰত মানুহ সম্পূৰ্ণ অকলশৰীয়া। সেয়ে গীতিকাৰে বিষয়ৱাসনামুক্ত মনটোক বুজনি দি নিজৰ কাৰণে চিন্তা কৰিবলৈ আৰু নিজৰ কাৰণে নিজে উপাস্যজনক ভজিবলৈ কৈছে। এনে গভীৰ ভাৱৰ ৰোৱে অখালি-পখালিকৈ কোৱোৱাৰ পিছত গীতিকাৰসকলৰ ভাৱ অন্তৰ্মুখী হৈছে আৰু দেহৰ ভিতৰত থকা চৈতন্যময়ী শক্তিৰ কথা উপলব্ধি কৰিছে।

"দুনোজনে যুক্তি কৰিয়া বে জীবন
আসিলং ভবেৰ হাটে ;

তুই জীবন ছাৰিয়া নাযাইস
নিধুৱা পাথাৰে জীবন ৰে।"

'দুনোজন' হ'ল দেহ আৰু জীবন। সেই চৈতন্যময়ী শক্তিয়ে হ'ল চহা কবিৰ "জীবন" অৰ্থাৎ আত্মা। এনেদৰে লোকগীতৰ চহা কবিয়ে আত্মাৰ অস্তিত্ব স্বীকাৰ কৰি লৈছে আৰু তাতোঁকৈ এখোপ বেছি আগবাঢ়ি গীতাৰ— 'জাতস্য হি ধ্রুৱো মৃত্যু ধ্রুৱং জন্ম মৃতস্য চ।'— এই মহান বাণীৰ নিচিনাকৈ ভেওঁলোকে আত্মাৰ পূৰ্ব জন্ম আৰু পৰ জন্মৰ কথা বিশ্বাসো কৰিছে আৰু স্বীকাৰো কৰিছে।

"গৌৰীপুৰৰ ভেল্লি গাছত
আমাৰ আছিল ভাসা (বাসা)
পৰ জন্মে দেখা হইবে
এই কোনা মোৰ আশা ৰে।"

এনেদৰে চহাগীতিকাৰে উপলব্ধি কৰিলে যে মানৱ দেহ দুটা উপাদানৰ মিশ্রণ— দেহ আৰু জীবন অৰ্থাৎ আত্মা। ভেওঁলোকে পূৰ্ব জন্ম আৰু পৰজন্মৰ কথা মানি লওঁতেই দেহৰ নশ্বৰতা আৰু আত্মাৰ অবিনশ্বৰতাৰ কথাও মানি লোৱা হৈছে। নশ্বৰ দেহৰ ভিতৰত থকা অবিনশ্বৰ আত্মাৰ কথা অনুভূত হোৱাৰ পিছত আৰু দেহ আৰু আত্মাৰ সম্বন্ধ জনাৰ পিছত চহা কবিৰ ভাৱৰাশি দেহবিচাৰৰ পৰা আত্মাতত্ত্বলৈ আগবাঢ়ি গৈছে। কিন্তু এই যাত্রাত ভেওঁৰ ভাবে বাৰে বাৰে উজুটি খাব লগা হৈছে। কাৰণ মানৱ জীবন দুদিনীয়া মানৱ-দেহ ক্ষণভঙ্গুৰ, ধন-সম্পত্তি, পুত্র-পৰিবাৰ সকলো ভুৱা— এই অসাৰত্বৰ কথা জানিও মানৱ মনে এইবোৰৰ প্রতি থকা সুগভীৰ আসক্তিৰ পাশ জৰি এবাৰ নোৱাৰে। কিয়নো ইন্দ্রিয়গ্রাহ্য এই বস্তুবোৰক ভুৱা মিছা বুলি মানি লোৱাতো অতিকৈ কঠিন। ভেওঁলোকে জানে যে আত্মা অবিহনে ধন-সম্পত্তিৰ তো কথাই নাই, আনকি মানৱ দেহৰেই কোনো মূল্য নাই। আত্মা পৰিত্যক্ত মৃত দেহক কেৱে আদৰ যত্ন নকৰে। আৰু এদিন নহয় এদিন অবিনশ্বৰ আত্মাই এই বিনাশী দেহ এৰি যাবই। ভেটিয়া মৃতদেহ শ্মশানলৈ নি চিতা সাজি পুনি পেলাব নাইবা কবৰ দিব। জগতৰ এই চিৰন্তন ৰীতিৰ কথা ভাবি চহা গীতিকাৰসকল ব্যথিত-ব্যাকুল চিত্ত হৈ পৰিছে। এই ৰূপ, ৰস, শব্দ, গন্ধ, স্পর্শেৰে পূৰ্ণ পৃথিবীত নিমজ্জিত হৈ থকা গীতিকাৰসকলে এইখন বিমন্দীয়া পৃথিবী এৰি যোৱাৰ কথা ভাবিবই নোৱাৰে। ভেলেভাবে প্রাণত হাহাকাৰ সৃষ্টি কৰে। সেয়ে আৰু কেইটিমান বেছিকৈ পৃথিবীত জীয়াই থকাৰ আশাৰে আত্মাক কয় :

'ও জীবন ৰে! জীবন,
ছাৰিয়া নাযাইস মোকে,
তুই জীবন ছাৰিয়া গেইলে
আদৰ কৰিবে কায় জীবন ৰে॥'

পৃথিবীৰ মোহ আৰু বিষয়ৰ আসক্তি ইমান গভীৰ যে তাক মিছা বুলি জানিও মিছা বুলি মানি ল'ব নোৱাৰি। সেয়ে এফালে এই আসক্তিৰ মিছা মোহ-বন্ধনৰ পৰা মুক্তি পোৱাৰ কামনাত আৰু আনফালে এই অসাৰ আসক্তি হেতু চিন্তো-দ্গীৰিত খেদত গায়কে গাইছে ঃ

"অবোধ মন ৰে,
কি মায়ায় বন্দি হইলি
এই ভবৰ মাঝে।
বাৰে বাৰে মন তোক কৰং মানা
মিছা মায়ায় ভুলো না,
দিবা ৰাত্রি বুজাং মন তোক
তবুৰে বুজিস্ না।
যাৰ জন্যে কৰ মন তুই এতোয় ভাবনা
তায়তো তোৰ বাদে মোঠেই ভাবেনা
মিছা কেনে কৰ মন তুই
পৰৰ ভাবনা।"

কেইটিমান প্রতীকধর্মী গীতৰ জৰিয়তেও এনে ভাবৰ প্রকাশ কৰা দেখা যায়। প্রতীকৰ যোগেদি আত্মা-পৰমাত্মা, জীব-সংসাৰ আদিৰ ভাব প্রকাশ কৰাটো প্রাচীন ভাৰতীয় আদর্শ। শ্রীমদ্ভাগবতত বৃক্ষ-পখীৰ প্রতীকেৰে আত্মা পৰমাত্মাৰ সম্বন্ধৰ সংবাদ দিয়া হৈছে। চর্যাপদবোৰত নদী-নাও-নাওৰীয়া প্রতীকেৰে সংসাৰ, জীবাত্মা আৰু দেহৰ সম্বন্ধৰ বিশ্লেষণ দাঙি ধৰিছে। ৰবগীতবোৰতো এনে প্রতীকৰ ব্যবহাৰ আছে। গোৱালপৰীয়া লোকগীতত বগা-ফান্দ-বগী, বঞ্জিলা দালান আদি প্রতীকেৰে সংসাৰ, সংসাৰ যাত্রীৰ আলৈ-বিলৈ, মানব-জীবনৰ অস্থায়ীত্বৰ কথা সুন্দৰভাবে প্রকাশ কৰা দেখা যায়।

"আজি ফান্দে পৰিয়া বগা কান্দে ৰে।
ফান্দ বসাইছে কান্দিয়া ভাইয়া
পুষ্টি মাছ দিয়া,

পুঠি মাছৰ লোভে বগা
পৰে উড়াও দিয়া ৰে ॥
ফান্দতে পৰিয়া বগা,
কৰে টানা টুনা
আহাৰে কুমুকুৰা সুতা
হলু লোহাৰ গুণা ৰে ॥

ইয়াত সংসাৰখনক এখন ফান্দ আৰু জীবৰ জীবনক বগা (বগলি) বুলি কল্পনা কৰি সৈ সংসাৰ ফান্দত আবদ্ধ সংসাৰ যাত্ৰীৰ দুখৰ কথাকে ক'বলৈ বিচাৰিছে। ফান্দিয়া ভাই হ'ল মায়াৰ প্ৰতীক আৰু পুঠি মাছ হ'ল বিষয় বাসনা অৰ্থাৎ ইন্দ্ৰিয় পৰিতৃপ্তি সাধনাৰ বস্তু। বগী হ'ল নিৰীশ্বৰী দেবী। বগা স্বৰূপ অবোধ সংসাৰ যাত্ৰীয়ে পুঠি মাছ স্বৰূপ বিষয় বাসনাৰ লোভত পৰি মায়াৰ ফান্দস্বৰূপ সংসাৰত বন্দি হৈ দুখ-যন্ত্ৰণা পোৱা দেখি বগী স্বৰূপা নিৰীশ্বৰী দেবীয়েও আনকি দুখীত হৈ পৰিছে। আন এটি গীতত এই সুন্দৰ শৰীৰটোক এটি দালানৰ লগত তুলনা কৰি দেহৰ অস্থিৰতাৰ কথা প্ৰকাশ কৰিছে।

"হাড়ৰ ঘৰখানি চামৰ ছাউনী
বান্ধে বান্ধে যোৰা।
ওৰে সেইনা ঘৰে আছে ৰে মনুৱা
শূন্যে উৰায় পাখা।
দাঁত না ভাগিল চুল না পকিল
যৈবন হইয়া গেল ভাটী
ওৰে দেখিতে দেখিতে খসিয়া পৰিবে
ৰঙ্গিলা দালানৰ মাটি ॥
বাল্য কাল গেল খেলনা খেলিতে
যৈবন গেল ৰঙ্গ ৰসে
বৃদ্ধ কাল গেল ভাবিতে চিন্তিতে
ঐ না হৰি ভজিবি কোন দিনে ॥

কামৰূপ, গোৱালপাৰা, চৰ্যাপদৰ দেশ। সেয়ে ইয়াৰ লোকগীতত চৰ্যাপদৰ ভাবৰ অনুৰণন শুনিবলৈ পোৱা যায়। ৩৩ নং চৰ্যাত কৈছে :

টালাতে মোৰ ঘৰ নাঁহি পড়িবেশী।
হাড়ীত ভাত নাঁহি নিতি আবেশী॥
বেঙ্গ সংসাৰ বড়হিল জাআ।
দুহিল দুধ কি বেন্টে মামায়॥
বলদ বিআআল গবিআ বাঁঝে।
পিটা দুহিএ এ ভিনা সাঁঝে॥

এই চর্যাংশত যেনেদৰে অবাস্তৱ ঘটনাৰ প্ৰহেলিকাবোৰক ৰূপক হিচাবে ব্যবহাৰ কৰি সৰল সাধনা আৰু সহজ অনুভূতিৰ আভাস দান কৰিবলৈ চেষ্টা কৰিছে ঠিক তেনেকৈ কামৰূপী আৰু গোৱালপাৰা লোকগীততো অবাস্তৱ ঘটনাৰ ৰূপকৰ প্ৰয়োগেৰে গুঢ়ার্থ প্ৰকাশ কৰিবলৈ চেষ্টা কৰা হৈছে। কামৰূপী লোকগীতত পোৱা যায় :

"হায় হৰি হে
এই কথা পইতাৰ কোনে?
সাগৰৰ মাজতে মই গুটি সিঁচিলু
ব্ৰহ্মাণ্ড ভেদিয়া গাজে,
ফুল নসৰতে কৰ সৰি পৰে
সেই কৰ সুখজ্ঞত লাগে।"

একে পৰ্যায়ৰ লোকগীতৰ নমুনা গোৱালপৰীয়া লোকগীততো আছে। যেনে :

"পাগেলাৰ মন ভাই
কাৰে নিয়া কৰিব বসত বাৰী।
বাঘে ছাগে যুষিলাং হালৰে
ভুঁই চাষিবাৰ আশে
ছাগলে টিশিয়া বাঘক মাৰিলেক্
নাঙল বসিয়া হাঁসে বে।"

অর্থ : হে পগলা মন, কাৰ সৈতে নো সংসাৰত সুখেৰে বাস কৰিবি? জ্ঞান (বাঘ) আৰু ইন্দ্ৰিয়ৰে (বা মন-ছাগল) এই সংসাৰত বাস কৰিবলৈ লগা (যুষিলাং হাল ভুঁই চাষিবাৰ আশে), কিন্তু ইন্দ্ৰিয়বোৰে (ছাগলে) জ্ঞানক (বাঘক) মাৰিলে। এই দুৰাবস্থা দেখি বিবেকে (নাঙল) বহি হাঁহিছে ধৰিলে। (সংগ্ৰহ কৰা)

আন এটি গীতত তেনেকুৱা আধা পোহৰ আৰু আধা অন্ধাৰৰ ভাষাৰ প্ৰয়োগ দেখিবলৈ পোৱা যায়। কিন্তু ইয়াৰ ভিতৰত থকা অৰ্থ অন্য ধৰণৰহে : যেনে—

"বাজাৰ বাৰী চুৰি গৈছিলেক বে
পাগেলাৰ মন নদীৰ পাৰে সিঙ,
খাট পালং শুকানত থুইয়া
জলত পাৰে নিন্দ ;
বাঁশেৰ আগালত মশাৰী টাঙোৱা
জলত পাৰে নিন্দ ।"

অৰ্থ : বাজাৰ বাৰীৰ অৰ্থ হ'ল পুৰুষ-দেহ আৰু সম্পত্তি হ'ল শুক্ৰ। নদী হ'ল নাৰীৰ গৰ্ভ আৰু সিঙ (সিন্ধি) যৌনাঙ্গ। বাজাৰ ঘৰ স্বৰূপ দেহৰ পৰা শুক্ৰ গৈ নাৰীৰ গৰ্ভত থিতাপি লয় আৰু পানীৰে পৰিপূৰ্ণ গৰ্ভত সেই শুক্ৰ বাস কৰে। সেয়ে খাট পালং শুকানত থৈ পানীত টোপনি যোৱা (নিন্দ পাৰে) বুলি কৈছে। (সংগ্ৰহ কৰা)

মুঠতে সংসাৰ বন্ধনত হাবু-ডুবু খাই গীতৰ বচকসকলে উপলব্ধি কৰিছে যে এই পাৰ্থীৰ সকলোখিনি মোহময় আৰু মিছা। এই উপলব্ধিৰ পিছত সংসাৰ আসক্তিৰ বান্ধ সুলকি গৈ বৈৰাগ্য ভাবৰ সৃষ্টি হৈছে। শেষত ইয়েই সাৰ বা সত্য বস্তুৰ অন্বেষণৰ বাবে ভাবৰ দুৱাৰ মুকলি কৰি দিছে। ক্ষণস্থায়ী দেহত থকা অবিনশ্বৰ আত্মাৰ আশ্ৰয় থল কেবল মাত্ৰ পৰমাত্মা। এই পৰমাত্মাৰ সন্ধানত যি পথ তেওঁলোকলৈ মুক্ত হৈ পৰিছে সেয়া হ'ল ভক্তিৰ পথ।

"মায়াৰ সংসাৰ ছাৰিয়া বে তুই
সদায় হৰি হৰি বোল ভাই বে
একবাৰ তালে তালে হৰি গুণ গাও।"

ভক্তিৰে ভগবত প্ৰাপ্তি কথাটো প্ৰাচীন হলেও ভাৰতীয় নব-বৈষ্ণৱ আন্দোলনেহে ইয়াক দৃঢ় ভাবে প্ৰতিষ্ঠা কৰে। ভগবত ভক্তিত আপ্লুত হোৱা গোৱালপৰীয়া লোকগীতৰ বচকসকলৰ হিয়া নিঙৰি ওলাই অহা এই গীতবোৰো ভক্তি-ৰসেৰে পৰিপুষ্ট।

"বৈৰাগী না হইয়ো বাছা,
সৈন্যাসী না হইয়ো ;
ধৰে বসি কৃষ্ণ নামটি,
বাছা মাৱেৰে শুনাইয়ো।"

"বাল্য কাল গেল খেলনা খেলিতে
যৈবন কাল গেল বঙ্গ ৰসে,
বৃদ্ধ কাল গেল ভাবিতে চিন্তিতে
ঐ না হৰি ভজিবি কোন দিনে ?"

কিন্তু এই ভক্তি-পথক বঙ্গীয় বৈষ্ণব কবিৰ ভক্তি-পথৰ কোনো প্ৰকাৰৰ প্ৰভাবে আউল লগাব পৰা নাই। মহাপুৰুষ শঙ্কৰ-মাধবে যি এক শৰণীয় ভাগবতী বৈষ্ণব ধৰ্ম সদিয়াৰ পৰা আৰম্ভ কৰি কোচবিহাৰলৈ প্ৰচাৰ কৰিছিল সেই ভক্তি-পথৰ স্পষ্ট ইঙ্গিত হে গোৱালপৰীয়া লোকগীতৰ প্ৰতি ছত্ৰে ছত্ৰে কণ ঋণ নেপুৰ ধ্বনিৰে অনুৰণিত হৈছে। গোৱালপৰীয়া লোকগীতৰ ৰচকসকলে (অৱশ্যে মুই যিখিনি পাইছোঁ আৰু শুনিছোঁ) কতই ৰাধা-কৃষ্ণৰ যুগল মূৰ্তিৰ ওচৰত শৰণ লোৱা নাই। তেওঁলোকৰ ভজনীয় আৰু উপাসনীয় হৈছে শঙ্কৰদেৱৰ নিৰ্দেশিত কেবল হৰি। শঙ্কৰদেৱে লিখিছে :

"হৰি হেন ইটো দুগুটি অক্ষৰ
জিহ্বা অগ্ৰে থাকে যাৰ।
গঙ্গা গয়া কাশী প্ৰয়াগ সেতুকে
যাইবাক নালাগে তাৰ॥"

একেদৰেই গোৱালপৰীয়া গীতিকাৰসকলে গাইছে :

"হিন্দে গয়া হিন্দে গঙ্গা হিন্দে বাৰাণসী।"
"মৰণ কালে কেও কা.ৰা নয়
গোবিন্দ নাম সাথী জীবন ৰে।"
"পাগেলাৰ মন ৰে
আনন্দে হৰি গুণ গা।"
"হৰি বোল মন বাৰে বাৰে।"

গোৱালপাৰা জিলাত হিন্দু-মুছলমান, কোচ-কছাৰী, গাৰো-চাওতাল আদি কবি বহুতে। জাতি জনজাতিৰ মানুহ মিলা-প্ৰীতিৰে বাস কবি আছে। এই জাতি জনজাতিৰ মাজত হিন্দুৰ ভগবান, মুছলমানৰ আল্লাহ্ একমাত্ৰ উপাস্য দেবতা হলেও সকলো শ্ৰেণীৰ মানুহৰ মুখতে এই শ্ৰেণীৰ গীতবোৰ শুনিবলৈ পোৱা যায়। "হৰি বলো মন ৰসনা, মানব দেহাৰ গৈৰব কৰো না।" বুলি এজন হিন্দুৰে যেনেকৈ গায় তেনেকৈয়ে এজন মুছলমানেও গায়। ইয়াতেই এই গীতবোৰৰ নিশেষ বিশেষত্ব লুকাই আছে।

দেহাত্মা তত্ত্বমূলক গীত

১। ও জীবন বে
জীবন ছাৰিয়া নাযাইস্ মোৰে,
তুই জীবন ছাৰিয়া গেইলে
আদৰ কৰিবে কায় জীবন বে॥
কচুৰ পাতেৰ জল যেমন বে
জীবন টল মল টল মল কৰে,
ঐ মতন মানুষেৰ জীবন
কোন দিন ঢলিয়া পৰে জীবন বে॥
ধান কাটে ধানুৱা ভাই বে
ও জীবন ছাৰিয়া কাটে নাৰা,
ঐ মতন নৰেৰ দেহা
জীবন গেইলে মৰা জীবন বে॥
দুনো জনে যুক্তি কৰিয়া বে
ও জীবন আসিলং ভবেৰ হাটে,
তুই জীবন ছাৰিয়া নাযাইস্
নিধুৱা[১] পাখাৰে জীৱন বে।
তুই জীবন ছাৰিয়া গেইলে বে
ও জীবন কান্দিবে বাপ ভাই,
শ্মশান ঘাটে সোণাৰ দেহা
পুৰিয়া কৰিবে ছাই জীবন বে॥
ভাই বলো ভাউজা বলো বে
জীবন সম্পত্তিবে ভাগী,
মৰণ কালে কেও কাৰো নয়
গোবিন্দ নাম সাথী জীবন বে॥

১। শূন্য, মুকলি।

২। অবোধ মন ৰে
কি মায়ায় বন্দি হইলি
এই ভবেৰ মাঝে ॥
বাৰে বাৰে মন তোক কৰং মানা
মিছা মায়ায় ভুলো না
দিবা ৰাত্রি বুজাং মন তোক
তবুৰে বুজিস্ না ॥
যাৰ জন্যে কৰ মন তুই এতোয় ভাবনা
তায় তো তোৰ বাদে মোঠেই ভাবে না
মিছা কেনে কৰ মন তুই
পৰেৰ ভাবনা।
এত কৰি বুজাং মন তোক
বুজিয়াও বুজিস্ না ॥

৩। দিনে দিনে খসিয়া পৰিবে
ৰঙ্গিলা দালানেৰ মাটি,
গোঁসাইজী কোন ৰঙ্গে ॥
বান্ধিছেন ঘৰ মিছা দ্বন্দ্ব বাদে
গোঁসাইজী কোন ৰঙ্গে ॥
আৰ হাড়েৰ ঘৰ খানি চামেৰ[১] ছাউনি
বান্ধে বান্ধে তাৰ যোৰা,
তাহাৰি তলে ময়ুৰ মহুৰী
শূন্যে উৰায় তাৰা।
গোঁসাই জী কোন ৰঙ্গে ॥
বাল্য না কাল গেল হাঁসিতে খেলিতে,
যৈবন কাল গেল ৰঙ্গে ;
আৰ বৃদ্ধ না কাল গেল
ভাবিতে চিন্তিতে,
ওক ভজিবি কোন কালে।
গোঁসাই জী কোন ৰঙ্গে ॥

১। চামৰ।

৪। ভজো মন আপ্‌না আপ্‌নি
কেও নাই সংসাৰেৰ মাঝে ৰে।
হাটে চেনা পথে চেনা ৰে
পাগেলা মন, চেনা পৰিচয়,
ভবেৰ হাট ভাঙিয়া গেইলে ৰে
কেওতো কাৰো নয়॥
হাটত হইলেক মুখ আন্ধাৰি ৰে
পাগেলাৰ মন পন্থে ডুবিল বেলা,
সাপ্‌টাৰ ভিভ্‌ৰা খালটা থুইল
কি হবে এলা১॥
আৰ হালুৱা গাভীৰ পেটে ৰে
পাগেলাৰ মন, নাঙল জোড়াল হাঠে২,
হালুৱাৰ জন্ম নাই হইতে
পন্তা গেইছে খেতে॥
বাজাৰ বাৰী চুৰি গেইলেক ৰে
পাগেলাৰ মন নদীৰ পাৰে সিঙ,
খাট পালেং শুকানত থুইয়া
জলত পাৰে নিন্দ্‌।
বাঁশেৰ আগালত মশাৰি টাঙেয়া
জলত পাৰে নিন্দ্‌॥
ভজো মন আপ্‌না আপ্‌নি
কেও নাই সংসাৰেৰ মাঝে ৰে॥

১। এতিয়া। ২। খোজ কাঢ়ে। ৩। পানীত ভিয়াই থোৱা বাহী ভাত।

৫। পাগেলাৰ মন ভাই
কাৰে নিয়া কমিব বসত বাৰী॥
বাঘে ছাগে মুৰিলং হাল ৰে
দুই চাৰিৰাৰ আগে
ছাগলে টিশিয়া১ ঘাঘক মাৰিলেক
নাঙল বসিয়া হাঁলে ৰে॥
আন বাঘ কাঠা জমি ৰে মন

ভেৰ কাঠা আইল[২]
তাত বইলং মুণ্ডবি কালাই
বহুৰ ভৰা দাইল বে ॥
আৰ ঘৰ পোৱা যায় ছাইঙ্কা[৩] বাচাৰে
ছিটকি[৪] নিলো চোৰে,
সাত সমুদ্ৰ তিস্‌সাই[৫] মৰিলেক,
ব্ৰহ্মায় মৰিল শীতে বে।
ব্ৰহ্মায় মৰিল জাৰে বে ॥
পাগেলাৰ মন ভাই
কাৰে নিয়া কৰিব বসত বাৰী ॥

১। ঘুন্দাই দিয়া। ২। আলি। ৩। ঘৰৰ বেৰৰ বাহিৰ ফাল আৰু চালৰ পানী পৰা ঠাইৰ মধ্যবৰ্তী অঞ্চল। ৪। দৰজাৰ খিল বা হুক। ৫। তৃষ্ণা।

৬। আজি ও মনুৱা বে
উল্‌টা বাজাৰ ভেল্‌টা কথা
বেঙে দৈ চিবা খায়
বাপেৰ বিয়া নাই হইতে
তাৰ বেটী নাইয়ৰ যায় ॥
শালেৰ গাছত শোলেৰ[২] পোনা
বগীলায় ধৰিয়া খায়,
বাপেৰ বিয়া নাই হৈতে
তাৰ বেটী নাইয়ৰ যায় ॥
ঈশেৰ[৩] মাথাত নাঙল জোঙাল
মৈয়েৰ মাথাত ফাল,
হাত বেটে[৪] দিয়া দেখং এলা
সাপেৰ ভিভ্‌ৰা খাল।
আজিও মনুৱা বে ॥

১। বিবাহিত ভিবোভাই স্বামীৰ ঘৰৰ পৰা মাক দেউতাকৰ বা আত্মীয় স্বজনৰ ঘৰলৈ এদিন, দুদিন বা কেইদিনমানৰ কাৰণে যোৱা কাৰ্য। সংস্কৃত— জাতি গৃহ> এঞাই ঘৰ, পাই অৰ> নাইয়ৰ, নাইওৰ।
২। শোল মাছৰ।
৩। নাঙলৰ জিলা ; নাঙল যুঁৱলী সংযোগ কৰি যথা মাঁহ বা কাঠৰ দীঘল মাৰি।
৪। দুমাই।

৭। হৰি বলো মন বসনা
মানব দেহৰ গৈৰব কইবো না ॥
মানব দেহ মাটিৰ ভাণ্ড
ভাঙিলে হবে খণ্ডবে খণ্ড
আৰ ভাঙিলে দেহা যোৰা নিবে না ॥
বেলা ডুবিলে হবে বে বাতি
সংগে নাই মোৰ সংগেৰ সাথী
এ ভব নদী কেমনে হব পাৰ।
হৰি বলো মন বাৰে বাৰ
বেলা ডুবিলে হবে বে অন্ধকাৰ ॥
টাকা পইসা ভিটা বাৰী
জীবন গেইলে সব ৰবে পৰি
সংগেৰ সাথী কেও তোৰ হবে না
হৰি বলো মন বাৰে বাৰ
মানব দেহৰ গৈৰব কইবো না ॥

৮। ফান্দে পৰিয়া বগা কান্দে বে ॥
ফান্দ বসাইছে ফান্দি ভাইয়া বে
পুঠি মাছ দিয়া,
পুঠি মাছেৰ লোভে বগা
পৰে উৰাও দিয়া বে ॥
ফান্দতে পৰিয়া বগা
কৰে টানা টুনা
আহা বে কুমকুৰা সুতা[১]
হলু লোহাৰ গুণা বে ॥
উৰিয়া যায়বে চকোৱা পাখী
বন্ধীক বলে ঠাৰে
তোমাৰ বগা বন্দি হৈছে
ধওল[২] নদীৰ পাৰে বে ॥
এই কথা শুনিয়া বে পখী

কোন কাম কৰিলোঁ
ধওলা নদীৰ পাৰে যায়া
দৰিশন (দৰশন) দিলো
বগাক দেখিয়া বগী কান্দে বে
বগীক দেখিয়া বগা কান্দে বে ॥

১। কামৰূপী কুনখাৰা সুতা— এবিধ টান সুতা। ২। এটি নদীৰ নাম।

৯। সোণাৰ চান্দ চান্দ বে
সান কৰাইলং নদীতে (স্নান)
বৈৰাগী না হইয়ো বাছা
সৈন্নাসী না হইয়ো
ঘৰে বসে কৃষ্ণৰ নামটি বে
বাছা মায়েৰে শুনাই ও ॥
নিমেৰ[১] তলে বইসো বাছা
নিমেৰ ছেৰো পাতা,
ওৰে কায় তোৰে হৰিয়া নিলো বে
বাছা সোণা মুখেৰ কথা বে ॥
নিমেৰ তলে বইসো বাছা
নিমেৰ ছেৰো কুঁশি[২],
ওৰে কায় তোৰে হৰিয়া নিলো বে
বাছা সোণা মুখেৰ হাঁসি ॥
দুধ মিঠা দই মিঠা আৰো মিঠা ননী
তাৰ চাইতে অধিক মিঠা বে
বাছা মাও বে জননী ॥

১। নিমু গছ। ২। কুঁহি।

১০। ও বে বৰ বাৰী
বৰ ঘৰ বে মন
মনেৰ বৰ আশা,
ঐ ঘৰ তোৰ ভাঙিয়া যাইবে
নদীৰ কূলে বাসা বে,
একবাৰ হৰি বোল মন বে ॥

দিনা চাবি ভবেৰ মায়া
ওবে যেদিন পাখী যাইবে ছাৰিয়া,
ও মন বে, তোৰ ভাই বন্ধু আসিয়া
মৃত দেহ দেখিয়া তোৰ
কান্দিবে বে বগলে বসিয়া।
ওবে যেদিন পাখী যাইবে ছাৰিয়া॥
মায়েৰ কান্দোন অ'লি জ'লি বে
বইনেৰ কান্দোন সাৰ,
ঘৰৰ ৰমনী কান্দিবে
দেশৰ ব্যবহাৰ বে,
একবাৰ হৰি বোল মন বে॥

১১। সোণা মন,
একবাৰ মুখে হৰি গুণবে গাও॥
হৰি গুণ গাওবে সোণা মন
কৃষ্ণ গুণ গাও।
পেয়েছ মানুষ জনম
আৰো কিবা চাওবে॥
ভাই দেখং ভাভিজা দেখং
ওবে সম্পত্তিবে ভাগী।
আগে কৰিবে ভাগ বাঁটেৰা
শেষে দেহাৰ গতিবে॥

যেনা মুখে খাইছেন সোণা মন
খীৰ আৰ লৱনী।
ঐনা মুখে তুলিয়াবে দিবে
জলন্ত অগনী বে॥

যেনা মাথায় কানুছেন সোণা মন
মণিবাজ পাগুৰী।
ঐনা মাথা শ্মশান ঘাটে
যাইবে গড়াগড়ি বে॥

ৰব বাৰী ৰব ঘৰ বে সোণা মন
ৰব ছিলো আশা।
ঐ ঘৰ ভাঙিয়া গেইলে
নদীৰ কূলে বাসা বে ॥
কাঁচা বাঁশেৰ খাট পালঙ্কৰে
শুকুনা পাটাৰ দৰি।
ভাই ভাভিজা বেৰিয়া কান্দিবে
নিবে গাঙেৰ ভাটী ॥
হৰি গুণ গাওবে সোণামন
এই সে বাবে বাৰ।
আৰ কি ভৰসা আছে
ভবে আসিবাৰ বে ॥

১২। দেহেৰ কপাট খুলিয়া দেখিলে হয়,
দেহেৰ আয়না খুলিয়া দেখিলে হয়,
মনেৰ মানুষ কোথায় পাওৱা যায় ॥
যেমন আন্ধাৰ ঘৰে সাপ সোন্ধাইলে[১]
মনত সাৰা বাতি সাপেৰ ভয়।

মনেৰ মানুষ কোথায় পাওৱা যায় ॥
যেমন মিঙি মাছে কাঁটা দিলে[২]
মন সৰ্ব অঙ্গ জ্বলিয়া যায়।
মনেৰ মানুষ কোথায় পাওৱা যায় ॥

১। সুমালে। ২। কাটাই বিন্ধিলে।

১৩। দেহতৰীৰ মাঝি ষোলজন,
ছয়জন তাৰ বৈঠা মাৰে,
গুণ টানে নয় জন।
মন মাঝি হাইল[১] ধৰিয়া,
বসিয়া থাকি চলায় নৌকা,
মনেৰ উল্লাসে।
নৌকা যেদিন ঠেকিবে[২] বালুচৰে,

নৌকা ছাবি ভাবি মাঝি,
সবে পলাইবে।
নৌকাৰ হয় যেইজন গোৰ মহাজন
সঙ্গৰ সাথী লইয়া দেহতৰীক
থুইবে ভাই গুপ্ত কৰিয়া ॥

১। ভৰিয়াল ২। লাগি ধৰা, বাধাপ্রাপ্ত হোৱা।

১৪। আমাৰ গোসাঁই বিনে দৰদী কায় আছে,
আমাৰ কাও নাই কাও নাইবে।
গোসাই দৰদী সে দৰদ জানে,
আৰ জানিবে গোসাই কোন জনেবে।
গোসাঁই বন পোৰা যায় সগাই[১] দেখে,
মনৰ আগুন গোসাঁই কাও না দেখেবে।
গোসাঁই আমাৰ গতি কি হইবে,
ভুলিয়া বইলং মায়াৰ ফান্দে,
ভাই বন্ধু আপোন নোৱায় বে ॥
গোসাঁই আমাৰ গতি কি হইবে
কি কৰিতে কি কৰিলং
লাভে মূলে গোসাঁই সউগে হাৰাইলংবে।
গোসাই প্ৰাণৰ বান্ধব কেউ না হইবে,
ভৱসিন্ধু পাৰ কৰিতে,
তুমি হও পাবৰ নাইয়া,
পাৰ কৰি দেও আপোন হয়াবে ॥

১। সকলোৱে।

১৫। হাৰেৰো পিঞ্জিৰা অচিনা পাখী আছে ধৰা
কোন দিন বা যায় চলিয়া বে।
হাৰেৰো পিঞ্জিৰা ॥
আদৰ কৰিয়া ৰাখিছোং পাখী
পিঞ্জিৰা ভৰেয়া।
কোন দিন বা যায় বে পাখী
পিঞ্জিৰা ভাঙিয়াবে।

আটক কৰিয়া ৰাখিছোং পাখী
মায়াৰ শিকল দিয়া।
কোন দিন বা যায়ৰে পাখী
শিকল ছিৰিয়াৰে।
কত যতনে ৰাখিছোং পাখী
পিঞ্জিৰা ভৰেয়া।
তবু কেনে যায়ৰে পাখী
পিঞ্জিৰা ছাৰিয়াৰে॥

৭। গ। গোৱালপৰীয়া প্ৰেমমূলক লোকগীত ঃ

"নাৰীৰ বসন্ত কালে,
মুখে মধুৰ হাঁসি।
পুৰুষৰ বসন্ত কালে,
হাতে মোহন বাঁশী॥"

ৰাৰিষা বানপানীৰ ঢল অহাৰ নিচিনাকৈ এটা বয়সত পুৰুষ আৰু নাৰীৰ দেহতো যৌবন বসন্তৰ দুকূল উপচি পাৰ ভাঙি যোৱা উতলা ঢল আহে। যৌবন কালত নাৰীৰ মুখত মধুৰ হাঁহি আৰু পুৰুষৰ হাতত মোহন বাঁহী দেখিবলৈ পোৱা যায়। যৌবনৰ লগত প্ৰেমৰ নিবিড় সম্বন্ধ। মানৰ দেহত যৌবনৰ জোৱাৰ উদয় হোৱাৰ লগে লগে মনত প্ৰেমৰ উকমুকনি উঠে। কি পুৰুষ কি নাৰী উভয়ৰে যৌবনৰ এক জ্বালা আছে। ই কিন্তু অনামিকা নহয়। গোৱালপৰীয়া লোকগীতত ইয়াক "যৈবন জ্বালা" বুলি কৈছে। এই যৌবন জ্বালাৰ উলহম বিচাৰি পুৰুষে নাৰীৰ ওচৰ চাপে আৰু নাৰীয়ে যৌবনৰ দীক্ষাত আৰু আশ্ৰয় বিচাৰি পুৰুষৰ ওচৰ চাপে। উভয়ে উভয়ৰ সান্নিধ্যৰ বাবে উদ্বাউল হৈ পৰে। মনে মনৰ জনৰ লগত এই সম্বন্ধ স্থাপনতে প্ৰেমৰ জন্ম হয়। এই প্ৰেমক কেন্দ্ৰ কৰি যিবোৰ লোকগীত ৰচিত হৈছে তাকেই প্ৰেমমূলক লোকগীত বুলি কোৱা হৈছে।

সংখ্যা গৰিষ্ঠতাৰ ফালৰ পৰা বিচাৰ কৰি গোৱালপৰীয়া লোকগীতক প্ৰধানকৈ প্ৰেম মূলক বুলিয়েই ক'ব পাৰি। এই শ্ৰেণীৰ লোকগীতত সহজ, সৰল চহা-জীৱনৰ বিশেষকৈ ডেকা-গাভৰুৰ প্ৰেমৰ বিভিন্ন চিত্ৰ দেখিবলৈ পোৱা যায়। প্ৰেমৰ পূৰ্বৰাগ, প্ৰেম, প্ৰেমৰ বিচ্ছেদ, বিৰহ আদি সকলো পৰ্যায়ৰ চিত্ৰ এই শ্ৰেণী লোকগীতৰ মাজত সোমাই আছে।

ডেকা-গাভৰুৰ প্ৰেম হয়। কিন্তু প্ৰকৃত প্ৰেমৰ পথ কাঁইটীয়া। সেয়ে প্ৰেমিক-প্ৰেমিকাসকলে প্ৰেমত কৃতকাৰ্যতা লাভ কৰিবৰ বাবে বিভিন্ন সামাজিক বাধাৰ প্ৰাচীৰ অতিক্ৰম কৰিবলগীয়া হয়। কিন্তুমানে বাধাৰ সকলো প্ৰাচীৰেই পাৰ হৈ বৈবাহিক মিলনেৰে প্ৰেমৰ শুভ পৰিণতি ঘটায়। কিন্তু প্ৰেমত ব্যৰ্থতাও আছে। বহুতে আকৌ সমাজ আৰু অভিভাৱকৰ কঠা শাসনত পৰাভূত হৈ প্ৰেমৰ শোকাবহ পৰিণতিত জৰ্জ্জৰিত হ'ব লগা হয়। এনে ব্যৰ্থ প্ৰেমিক-প্ৰেমিকাৰ বিচ্ছেদ-বিৰহ আৰু নৈৰাশ্যৰ তুঁহ জুইকুৰা কোনোদিনেই নুমাই নেযায়। গোৱালপৰীয়া লোকগীতত প্ৰেম, প্ৰেমৰ অভিসাৰ, বিচ্ছেদ, বিৰহৰ কাৰুণ্য আৰু চিত্ৰ-বিচিত্ৰ বৈচিত্ৰময় প্ৰেমৰ চিত্ৰ সুন্দৰ ভাবে প্ৰতিফলিত হৈছে। এই গীতবোৰৰ মাজেৰে প্ৰবাহিত প্ৰেমৰ পৰ্যতীয়া নিজৰাটিক চাৰিটা বহল সুঁতিত ভাগ কৰিব পাৰি। সেয়া হ'ল :

১। সাধাৰণ প্ৰেম।
২। পৰকীয়া প্ৰেম।
৩। দাম্পত্য প্ৰেম।
৪। ৰাধা-কৃষ্ণৰ প্ৰেম।

৭। গ। ১। সাধাৰণ প্ৰেম :

গোৱালপৰীয়া লোকগীত প্ৰেম সৰ্বস্ব।

"বেচেয়া খা বে দাদা বেচেয়া খা,
গাভুৰ বয়সে মন
বান্ধিয়া না যায় বে বাধা॥"

যৌবনৰ আগলি বতাহে যেতিয়া নাৰীৰ দেহত স্পন্দন তুলে তেতিয়া নাৰীৰ অৱস্থা হয় 'যৌবন ঢোলে মোৰ পুৱাল বাতাসে', 'মন মোৰ উৰাং বাইৰাং কৰে', উকাল পাতাল কৰে নাৰীৰ পৰাণ' আৰু নাৰীৰ এই দুকূল উপচি যোৱা যৌবন

প্ৰাচুৰ্যৰে ভৰা ৰসময়ী ভাণ্ডাৰ দেখি তাক লুণ্ঠন কৰিবলৈ পুৰুষৰ লুভীয়া মনটো উঠে কিল্‌বিলাই। পুৰুষপ্ৰাণে কয় :

"তোৰ নাৰী নয়া যৈবন
তাকে দেখিয়া মন মোৰ
ঢুল খেলায় ৰে॥"

পেটৰ জুই আৰু মনৰ জুই দুয়োটিয়ে সৃষ্টিৰ প্ৰেৰণা-উৎস ; দুয়োটিতে সৃষ্টিৰ বীজ নিহিত হৈ আছে। পেটৰ জুই উপশম হয় আহাৰেৰে আৰু মনৰ জুই নিৰ্বাপিত হয় প্ৰেমেৰে। মানুহৰ পুৰঠ দেহত যেতিয়া মনৰ জুইকুৰা দপ্‌দপাই জ্বলি উঠে তেতিয়া মানুহে— কি পুৰুষ, কি নাৰী— তাৰ উপশম বিচাৰি চট্‌ফটাই ফুৰে। এনে সময়তে পুৰুষ আৰু নাৰী উভয়ে উভয়ৰ সান্নিধ্য বিচাৰে। মন বুজি পোৱা আৰু মনে বিচৰাজনৰ ওচৰ চাপি যায়। তাৰ পিছত আৰম্ভ হয় প্ৰেমৰ আকুতি প্ৰকুতি।

বাস্তৱ ক্ষেত্ৰত প্ৰেমে কেতিয়া কি ৰূপ লয় তাৰ কেনো নিৰ্দিষ্ট সংজ্ঞা বা সূত্ৰ নাই। Love s blind প্ৰেমে নীতি-নিয়ম, ধৰ্মাধৰ্ম, সামাজিক বন্ধন আৰু কিছুমান ক্ষেত্ৰত সম্বন্ধৰ সীমাৰেখাও অতিক্ৰম কৰি যায়। কেতিয়া, কি অবস্থাত, কাৰ লগত, কিয়, প্ৰেম-পীৰিত, ভালবাসা হয়— সেইটো বুজা মুস্কিল। সেয়ে প্ৰেমৰ বিভিন্ন অবস্থা আৰু পৰিণতিক লৈ এই গীতবোৰ ৰচিত হৈছে। প্ৰেমিক-প্ৰেমিকাই ইজনে আন জনৰ প্ৰতি থকা প্ৰেমৰ গোপন নিজৰা প্ৰবাহৰ কথা নজনাৰ বাবে দুপতীয়া প্ৰেমৰ জ্বালাত অতিষ্ঠ হৈ গানৰ ছলেৰে তাক জনাবলৈ চেষ্টা কৰিছে এনেদৰে :

"জানিয়াও জানলেন না
শুনিয়াও শুনলেন না
জ্বলেয়া গেইলেন মনেৰ আগুণ
নিবিয়া গেইলেন না॥"

কিছুমান গীতত আকৌ এজন ডেকাৰ লগত প্ৰেমত পৰি থকা গাভৰুক তাইৰ ৰূপ যৌবন দেখি আন ডেকাই কেনেদৰে প্ৰেমত পৰিবৰ বাবে উৎপাত কৰে আৰু তাইৰ ওপৰত অভিমান কৰি থকা প্ৰেমিকক সেই উৎপাতৰ কথা কেনেদৰে গীতৰ ছলেৰে জনায় তাৰো স্পষ্ট ইঙ্গিত পোৱা যায়।

"বন্ধু ধন। ধন ৰে
এভোৱা গোসা[১] কি তোমাৰ শৰীলে।
দেখিতে দেখিতে গাভুৰ হনু,
শনিবাৰেৰ দিন মাথা ধুনু,
টাৰীৰ[২] চেঙেৰা দেখি কৰে হায়ৰে হায়,
মুইতো পীৰিত কৰং না
টাৰীৰ চেঙেৰাও ছাৰে না
আৰো দিয়া যায় পীৰিতীৰ বায়েনা[৩]।
বাপ মাও মোৰ মায়া ছাৰা
বেচেয়া[৪] নাখায় মোক ছোট বেলা
যৈবন ঢোলে মোৰ পুৰাল বাতাসে॥"

গাথিকাৰ প্ৰেমাস্পদে কিবা কাৰণত তাইৰ ওপৰত অভিমান কৰি আছে। কথা-বতৰাতো দূৰৰেই কথা, দেখা-সাক্ষাতকে কৰা নাই। এনে সময়তে তাইৰ চুৱা (mense) হ'ল। চুৱা হোৱাৰ পৰা তিনি দিনলৈকে নাৰীক অপবিত্ৰ জ্ঞান কৰা হয়। তিন দিনাৰ দিনাহে ভাল ধৰণে গা-মূৰ ধুই নাৰী পবিত্ৰ হয়। গীতত উল্লেখ কৰা "শনিবাৰেৰ দিন মাথা ধুনু"— এই অৰ্থতহে ব্যবহাৰ কৰা হৈছে। মাহেকীয়া অশৌচৰ পিছত সাধাৰণতে নাৰীৰ যৌবন সৌষ্ঠৱ বাঢ়ে, দেহ মুখৰ উজ্জ্বলতা চৰে, বয়ঃসন্ধিৰ অলপ বেছিকৈ আমনি কৰে আৰু মনটো "ঘৰতো নবহে মন মোৰ বাঢ়ৈ, পথাৰতো নবহে মন, কমোৱা তুলাবোৰ যেনেকৈ উৰিছে তেনেকৈ উৰিবৰ মনৰ" জোখাৰেই চঞ্চল হৈ পৰে। এনে মন পিছলা, ভৰি পিছলা সময়ৰ সুযোগ নিবলৈ ওচৰ পাজৰৰ ডেকাবোৰে (টাৰীৰ চেঙেৰা : দুটা অৰ্থত ব্যবহাৰ হ'ব পাৰে— প্ৰথম অৰ্থ হ'ল গাওঁৰ ডেকা ল'ৰা আৰু দ্বিতীয় অৰ্থ হ'ল বামত থিয় হৈ থকা ডেকা ল'ৰা।) তাইৰ ওচৰ চাপিছে আৰু আঁকে প্ৰকাৰে প্ৰেমৰ তাগিদা (বায়না) দি গৈছে। এনে সময়ত সন্দেহ হয় উৰণীয়া মন পিছলি যায় বুলি। সেয়ে গীতৰ ছলেৰে এনে ভয়াবহ অবস্থাৰ কথা প্ৰেমিকক জনাইছে যাতে তেওঁ অভিমান এৰি তাইৰ ওচৰ চাপি আহে। প্ৰেমৰ এনে মুকলি অথচ সংযত প্ৰকাশ কোন দেশৰ লোকগীতত পোৱা যাব বাক?

১। অহঙ্কাৰ, ২। গাওঁ বা গাঁৱ, ঘাম বা ওখ ঠাই। ৩। কোনো এটা বস্তু কিনা-বেচাৰ বাবে দৰদাম ঠিক হোৱাৰ পিছত বিক্ৰেতাক আগধন হিচাবে দিয়া টকা। প্ৰেমৰ বায়েনা : ভেলে বিষয়। ৪। বিয়া দিয়া, গা ধন লৈ বিয়া দিয়া।

কোনো দিনে প্ৰেমত নপৰা জনে প্ৰেমৰ মোহন মন্ত্ৰ, সম্মোহিনী আকৰ্ষণৰ উমান নেপায়। "তোৰো মনে গ'লে, মোৰে মন গ'লে, কি কৰিব কলিতা কুলে," বুলি প্ৰেমিক-প্ৰেমিকাই প্ৰেমৰ কি গভীৰ বাগীত নিমজ্জিত হৈ সমাজ ব্যবস্থাক উলঙ্ঘা কৰি জাত-পাতৰ দেওনা পাৰ হৈ মিলনৰ এনাজৰীৰে বান্ধ খাই পৰে, প্ৰেমত নপৰাজনে তাৰ ভূ নেপায়। প্ৰেমত পৰিলে প্ৰেমিক প্ৰেমিকাই ইজনে সিজনক দেখিবলৈ উন্মত্ত, উদাউল হৈ থাকে। 'বাখিব পাৰোঁ মই হাতৰ পানী চলু, বাখিব নোৱাৰো মন'। প্ৰেমিক-প্ৰেমিকাই নেভাবিম বুলিও ইজনে সিজনৰ কথা ভাবে ; নেযাম বুলিও ইজনে সিজনৰ ওচৰলৈ যায়। প্ৰেমিক-প্ৰেমিকাৰ দেখা সাক্ষাৎ নহ'লে তিলেকেই বহুৰ, দিনেই যুগ হৈ পৰে। এই কথা বিবেচনা কৰিয়েই গোৱালপৰীয়া লোকগীতৰ প্ৰেমিকে উদাত্ত চিত্তে কৈছে :

'মোৰ নয়নেৰ কাজল
তিলেক দণ্ড না দেখিলে
মন হয় পাগল।'

প্ৰেম নামৰ পোকাটো অতি ভয়াবহ। এই পোকাটোৱে প্ৰেমিক-প্ৰেমিকাক পৰস্পৰৰ ভাবনাত, পৰস্পৰক পোৱাৰ তাৰনাত অহৰ্নিশে খুলি খুলি খায়। সেই কাৰণেহে প্ৰেমত পৰি লিয়েণ্ডাৰে হেলিপ্পণ্ট সাগৰ সাঁতুৰি পাৰ হোৱাৰ নিচিনা দুঃসাহসিক কাৰ্যত লিপ্ত হৈছিল। গোৱালপৰীয়া লোকগীতত প্ৰেমিক-প্ৰেমিকাই "মনেৰ মানুষ" জনক লগ পাবলৈ পানী অনাৰ ছলেৰে নদীৰ ঘাটত, শাকতুলাৰ ছলেৰে শাকনিত অপেক্ষা কৰি থকাৰ সুন্দৰ চিত্ৰ ফুটি উঠিছে।

"আঞ্চলে বান্ধিয়া গুৱা
শাক তোলং মুই পাছিলা বাৰীত
ভুলক্তি মাৰিয়া।
ও মোৰ চউকে জিল্‌কি লাগে
নয়া বং বেশ ধৰে
মোৰ বন্ধুক দেখিয়া"
"বন্ধুক লাগাল পাবাৰ বাদে
জলেৰ ঘাটোত আছং বসি
কত জনে কত কথা কয়
সেদিলা কথাক গাত লাগাগাং বে
বন্ধুক লাগাল পাবাৰ কথা।"

এয়াই নহয় -প্রেমিকাক লগ ধৰিবলৈ গৈ পিছফালৰ বাৰীৰ খালত পৰি কঁকাল ভাঙি বহি থাকোঁতে ভাতৰ তপত মাড় পিঠিত পেলাই দিয়াত পুৰি গৈ ঘাঁ হৈ শেষত পোকা লগাৰ কথাও হাঁহিৰ ছলেৰে গীতৰ মাজেৰে প্রাণস্পর্শী কৰি প্রকাশ কৰা হৈছে।

কন্যা বে একদিন গেইছং কৰাল মত[১],
তোমাৰ বাৰীত মান্‌মি যত
ডাবি ঘৰটাও[২] জাগায় ধৰে না।
পাছ পাক দিয়া গেইলং চলিয়া,
খাল খৰা পাগাৰত পৰিয়া,
কমৰটা মোৰ গেইছে ভাঙিয়া।
আগম নিগয় না বুজিয়া,
গল গলেয়া[৩] দিলেন ঢালিয়া,
পিঠি পোৰা গেল ভাতেৰ মাৰি[৩] দিয়া।
একদিন উঠতে হইছে বেলা,
মাছি শালা দিছে ঠেলা,
পিঠিখানাত মোৰ বাজ্‌নাই[৪] পাৰিছে।
বিশ্বাস না কৰবু তুই,
গজি খুলি দেখাং মুই,
নেটুৱালা[৫] পোকা লাগিছে।

প্রেমিক-প্রেমিকাৰ সপোনৰ বিভিন্ন চিত্রই ঊষা-অনিৰুদ্ধৰ প্রেমৰ সপোনৰ কথা মনত পেলাই দিয়ে।

"কুকিলাবে কুহু কুহু ময়ূৰেৰ পেখন
কোন দেশে থাকিয়া বন্ধু মোৰ
দেখালু সপোন বে।"

প্রেমে গভীৰতম অৱস্থা পোৱাৰ পিছত প্রেমিক-প্রেমিকাক প্রেমৰ পাতল বতাহে দিঠকৰ উপৰিও টোপনিতো আমনি কৰি যায়।

"প্রাণ ৰঞ্জনী। কাৰ আগে কমো দুখৰ কথা
নিন্দেৰ আলিসে হাত পৰে মোৰ বালিসে

১। নির্ধাৰিত সময় মতে। ২। চৰা ঘৰ। ৩। ভাতৰ মাৰি। ৪। কণি পাৰা। ৫। নেজ থকা।

চেতন হয়া দেখং বন্ধু নাই বগলে
বুক খান মোৰ ছেং ছেঙা হইছে।

সকলোবোৰ টান (বাগ) ৰ ভিতৰতেই প্ৰেমৰ টান এখোপ চৰা। প্ৰেমৰ টানে বিদেশী ডেকাক উটুৱাই আনে প্ৰেমিকাৰ দেশলৈ। প্ৰেমবলীয়া ডেকাই পাহৰি যায় মাক-দেউতাক, ককাই-ভাইৰ কথা। কিন্তু যেতিয়া সেই প্ৰেমিকাই ডেওঁক ফাকি দি গুচি যায় ভেতিয়া ডেওঁলৈ থাকে কেবল বেদনাৰ স্মৃতিহে।

"তোৰ কন্যা পীৰিতৰ আশে
বাপ ভাই কন্যা ছাৰিলং দেশে
ওকি কন্যা বে
মায়া ন্যাগেয়া ছাৰিয়া গেইলেন শেষে॥"

প্ৰেমিকাই প্ৰেমাস্পদক আন নাৰীৰ লগত মিলা-মিচা কৰা বা কথা বতৰা পতা সহ্য কৰিব নোৱাৰে। এনে নাৰী মনৰ স্বাভাবিক আৰু চিৰন্তন সত্য কথাবোৰ স্পষ্ট ইঙ্গিত গোৱালপৰীয়া লোকগীতত পোৱা যায়।

"আৰ যদি দেখং আৰ যদি শোনং,
অন্যৰ সাথে কথা ;
এহেন সোণাৰ যৈবন দৰিয়াই ভাসাইম মুই,
পাষাণে ভাঙ্গিম মাথা "

বিদেশী প্ৰেমিকে সাময়িক ভাবে স্বদেশলৈ যাব ওলালে নাইবা স্বদেশী প্ৰেমিকে কিবা কাৰণত বিদেশলৈ যাব ওলালে প্ৰেমিকাৰ মনটোৱে হাহাকাৰ কৰে, হিয়া শোকত আকুল হয় আৰু প্ৰাণটোৱে বৈ বৈ কান্দে। এই বিচ্ছেদ দুঃসহ। কিন্তু ইয়াৰ প্ৰতিকাৰৰ উপায়ো নাই। সেয়ে প্ৰেমাস্পদে ব্যবহাৰ কৰা বস্তুবোৰৰ পৰাই, প্ৰেমিকৰে পুণৰ্মিলন হোৱাৰ আশ্বাসকে, বিচ্ছেদ যাতনা পাহৰি প্ৰেমিকৰ সঙ্গ সুখ পাম বুলি ভাবি প্ৰেমিকে ব্যবহাৰ কৰা গামোচা, বাঁহী. আঙুঠি আদি খুজি ৰাখে।

আৰে ও বন্ধু,
কাজল ভোমোৰা যে,
কোন দিন আসিবেন বন্ধু,
কয়া যান কয়া যান যে॥
যদি বন্ধু যাবাৰ চান,

ঘাৰৰ গামচা থুইয়া যান বে ॥
যদি বন্ধু যাবাৰ চান,
হাতৰ আঙুঠি দিয়া যান বে ॥
যদি বন্ধু যাবাৰ চান,
হাতৰ বাঁশী থুইয়া যান বে ॥
আৰে বট বৃক্ষৰ ছাঁয়া যেমন বে
মোৰ বন্ধুৰ মায়া তেমন বে ॥
কোন দিন আসিবেন বন্ধু
কয়া যান কয়া যান বে ॥

মন সন্দিহান। বিশ্বাস আৰু সন্দেহ মনৰেই যমজ সন্তান। ইহঁত দুয়ো অবস্থা সাপেক্ষ। সেয়ে একেজন মানুহেই অবস্থা ভেদে পৰম বিশ্বাসী আৰু চৰম সন্দিগ্ধ হব পাৰে। যিজন প্ৰেমিকক বিশ্বাস কৰি প্ৰেমত মজাইছিল আৰু নিজে মজিছিল মজগুল হৈছিল, সেইজনে স্বদেশলৈ যাব ওলোৱাত সন্দেহৰ কলা মেঘে মন আচ্ছন্ন কৰি পেলাইছে আৰু সেয়ে গমনোদ্যত "মাহুত বন্ধু" স্বৰূপ প্ৰেমিকক প্ৰশ্নসূচক ভাবে সুধিছে।

"তোমৰা গেইলে কি আসিবেন্
মোৰ মাহুত বন্ধু বে ॥"

"পতিৰেবহি নাৰীনাং ভূষণং পৰমুচ্যতে"

— নাৰী বিলাসপ্ৰিয়। সেয়ে মনৰ সৌন্দৰ্যৰ উপৰিও বিলাসৰ সামগ্ৰীৰে দেহৰ সৌন্দৰ্য চৰাই প্ৰেমিকৰ মন ভুলাই ৰাখিবলৈ যত্ন কৰে। প্ৰেমিকাসকল প্ৰেমৰ ক্ষেত্ৰত সদায় সতৰ্ক আৰু চিচাবী। পোছাক-পৰিচ্ছদ আৰু অয়-অলঙ্কাৰেৰে সুসজ্জিত আৰু সুশোভিত হৈ প্ৰেমাস্পদক আকৰ্ষণ কৰাৰ অভিলাষো নাৰী হৃদয়ত বৰ্তমান।

আনো মোক শাৰি কিনিয়া দে,
মোক শাৰি কিনিয়া দে।
সেই শাৰি পিন্ধিয়া যাইম্ মুই,
বন্ধুক দেখিতে ॥
বন্ধুৰ বাৰী হইল নদীৰ উজান,
উতাল পাতাল কৰে নাৰীৰ পৰাণ,
কেমন কৰিয়া যাইম মুই বন্ধুক দেখিতে ॥

আবো মোক নাও কিনিয়া দে,
সেই নাৱে চৰিয়[১] যাইম মুই বন্ধুক দেখিতে ॥
চাবোন কিনিয়া দে মোক মাথা ঘসিম,
আয়না কিনিয়া দে মোক সিতা[২] পাৰিম,
ফিতা কিনিয়া দে মোক চুলি বান্ধিতে ॥
আবো মোক নোলো[৩] গঢ়েয়া দে
সেই নোলো পিন্ধিয়া যাইম মুই বন্ধুক দেখিতে ॥
সোণাৰ কাকৈ[৪] আৰ ৰূপাৰ মাল।
কিনিয়া দে আবো মোক যাবাৰ বেলা
ফুল তুলিয়া খোপা বান্ধিয়া দে
আবো মোক শাৰি কিনিয়া দে ॥

এনেদৰে গোৱালপৰীয়া লোকগীতৰ প্ৰেম কানন কেঁচা প্ৰেমৰ কেঁচা মৰমৰ সুবাসেৰে আমোলমোল। কিন্তু প্ৰেমৰ মিলনত পোৱা আত্মতৃপ্তি আৰু আনন্দানুভূতিৰ প্ৰকাশ গীতবোৰত দেখিবলৈ পোৱা নেযায়। ইমানবোৰ থকাৰ পিছতো গীতবোৰত মিলন মাহাত্ম্য আৰু মিলন-বৰ্ণনা নথকাটো মন কৰিবলগীয়া। কাৰণত হয়তো প্ৰেমৰ মিলন নাই বুলি ভাবিব পাৰোঁ। কিন্তু সি সঁচা নহয়। আচলতে ইমান নিভাঁজ আৰু গভীৰ প্ৰেমৰ মিলনানন্দ কিমান মধুৰ আৰু মহৎ হব পাৰে তাক কল্পনা কৰি লবলৈহে দিছে, যেনিবা সি ভাষাৰ অব্যক্ত।

৭। গ। ২। পৰকীয়া প্ৰেম ঃ

গোৱালপৰীয়া লোকগীতৰ প্ৰেম সত্য আৰু শাশ্বত।

"বালিতে বান্ধিলু বালিতে বাঢ়িনু সই
জলে ভাসেয়া দিনু হাড়ী,
মোৰ বিয়াৰ স্বোৱামী মৰিলে,
মাছ ভাত মুই খাইম বে,
বন্ধুৱা মৰিলে হইম মুই বাৰী ॥"

সামাজিক ৰীতি অনুসাৰে বিবাহিত স্বামী মৰিলে তিৰোতা 'বাৰী' (বিধবা) হয় আৰু সেই দিন ধৰি তিৰোতাই মাছ, মাংসাদি কিছুমান বস্তু খাবলৈ বাদ

১। উঠিয়া। ২। সেওতা। ৩। নাকত পিন্ধা অলঙ্কাৰ। ৪। ফণি।

দিয়ে। কিন্তু ওপৰৰ গীতাংশত সামাজিক দস্তুৰ অনুযায়ী বিবাহিত স্বামী মৰিলেও বিধবা সাজি এইবোৰ খাবলৈ বাদ নিদি 'বন্ধুৱা' অর্থাৎ প্রেমিকজন মৰিলেহে এই নিষেধ বস্তুবোৰ নেখাব বুলি কৈছে। কিয়?

প্রেম নদীৰ দুটি সুঁতি : মিলন আৰু বিচ্ছেদ . পূর্ণতা আৰু অপূর্ণতা। প্রেমত মিলন আৰু পূর্ণতা যেনেকৈ আছে তেনেকৈ বিচ্ছেদ, নৈৰাশ্য আৰু ব্যর্থতাও আছে। ব্যর্থ প্রেমিক-প্রেমিকাৰ প্রেমাতুৰ হিয়াৰ ইননি বিননিও এই গীতবোৰত শুনিব পোৱা যায়। সাধাৰণতে প্রেমত ব্যর্থতা আহে কিছুমান সামাজিক বান্ধোনৰ বাবে। ধন-সম্পত্তি, জাতি-কুল, শিক্ষা-দীক্ষা, ধর্ম-অধর্ম আদিয়ে প্রেমৰ শুভ মিলনৰ বঙীন সপোনবোৰ ছেদেলী-ভেদেলী কৰি দিয়ে। সমাজৰ এনে বিধি-নিষেধৰ ওচৰত হাৰ মানি প্রেমিক-প্রেমিকাসকলৰ কিছুমানে আনৰ লগত বৈবাহিক সূত্রেৰে দাম্পত্য জীবন-যাপন কৰিব লগীয়া হয়। কিন্তু তেতিয়াও মনৰ মানুহ-জন আঁতৰি নেযায়। তেনে এক ব্যর্থ প্রেমিকাই প্রেমিকক স্বামীতকৈ উচ্চ আসন দি গীতটিত তেনেদৰে গাইছে।

বিবাহিত নাৰী পুৰুষৰ আন নাৰী পুৰুষ নাইবা পৰ নাৰী পুৰুষৰ সৈতে যি প্রেম সিয়েই পৰকীয়া প্রেম। পৰকীয়া প্রেম ৰস-গুণ আৰু মাদক-মধুৰ। কিয়নো এই প্রেমত আছে নোপোৱাৰ বেদনাতকৈয়া বেছি পাই হেৰুৱাৰ বেদনাৰে ৰঞ্জিত হৃদয়ৰ চট্‌ফটনি, শূন্য মনৰ পোৰণি আৰু হেৰুৱাই পাবলৈ কৰা দুর্বাৰ অভিলাষ, সীমাহীন অভিসাৰ। এই গীতবোৰত এফালে আছে বিবাহিত স্বামীক লৈ পোৱা মানসিক অশান্তি আৰু আনহাতে আছে প্রিয়জনৰ বিচ্ছেদ-বিৰহৰ কান্দোন। এই-বোৰ গীত যে আমাৰ প্রাণৰ অতিকৈ ওচৰৰ তাক ইংৰাজ কবি Shelley ৰ ভাষাৰেই কব পাৰি :

'We look before and after,
And pine for what is not,
Our sincerest laughter
With some pain is fraught,
Our sweetest songs are those
That tell of saddest thought."

প্রেম সত্য আৰু শাশ্বত, বৈদিক যাগ-যজ্ঞই ইয়াক চুবমাৰ কৰিব নোৱাৰে। এই সত্য প্রতিষ্ঠাত গীতিকাৰসকলৰ দৃষ্টি অতি প্রখৰ। এই ক্ষেত্রত গোৱালপৰীয়া

লোকগীতৰ গায়িকা শ্ৰীমতী প্ৰতিমা পাণ্ডেয়ে গুৱাহাটী বেতাঁৰ কেন্দ্ৰত গোৱা এটি গীতৰ উল্লেখ কৰিব পাৰি। এই গীতৰ প্ৰেমিকা জনীৰ প্ৰেমিকৰ লগত বিয়া নহৈ আনৰ লগতহে বিয়া হৈছিল। হোমৰ গুৱিত বহি বিয়া কৰোৱা পুৰুষজন গাভৰু জনীৰ কেবল দেহৰহে গৰাকী হ'ল ; মনৰ নহ'ল। প্ৰেমিকাৰ অন্তৰত প্ৰেমাস্পদেহে জীবন্ত হৈ ৰ'ল। সেয়ে আনৰ বোৱাৰী হৈ অহাৰ পিছতো প্ৰেমাস্পদৰ লগত গোপন সাক্ষাৎ কৰাৰ দুৰ্বাৰ অভিলাষত উন্মনা হৈ তাই আগবাঢ়িছিল। কিন্তু শহুৰেক, ভাই-শহুৰেক, ননদ আদিৰ উপস্থিতিয়ে তাইৰ এই যাত্ৰাত অলঙ্ঘ্য প্ৰাচীৰ হৈ থিয় দিলে। কাৰণ সামাজিক ৰীতি অনুশাসন অনুযায়ী বিবাহিত ৰ্ত্নীয়ে পৰ পুৰুষেৰে গোপনে সাক্ষাত কৰিব নোৱাৰে। সেয়ে পাই হেকৰা আৰু হেকৰাই পাবলৈ কৰা আশাৰ ব্যৰ্থতাত লোক চকুৰ আঁৰে আঁৰে তাইৰ অন্তৰ কান্দে। নিৰুপায় হৈ শেষত গীতৰ ক্লান্ত সুৰেৰে তাইৰ এই অন্তৰ্দাহী মৌন বেদনাৰ কথা প্ৰেমিকক জনাবলৈ বিচাৰিছে এনেদৰে ঃ

"আই মুই কেমন কৰিয়া বাইৰা যাং।
ঘৰে মোৰ শশুৰ
বাইৰা মোৰ ভাশুৰ
শিয়ঁৰে ননদী জাগে
আই মুই কেমন কৰিয়া বাইৰা যাং।"

প্ৰেমিকৰ কথা সুঁৱৰি সুঁৱৰি পগলা পতিৰ লগত বিয়া হোৱা আন এজনী প্ৰেমিকাই বৈবাহিক জীবনত পোৱা দুখ যাতনাবোৰ অন্ততঃ এবাৰ চাই যাবলৈ 'সোণাৰ চান্দ' অৰ্থাৎ প্ৰেমিকক অনুৰোধ জনাই কাউ-বাউ কৰিছে এনেদৰে ঃ

"একবাৰ আসিয়া
সোণাৰ চান্দ মোৰ যাও দেখিয়াবে॥
আইলত ফোঁটে আইল কাঁশিয়া
দোলাত ফোঁটে হোলা
বাপ মাৰে বেচেয়া খাইছে
সোৱামী পাগেলা বে॥"

স্বামীয়ে পত্নীক অবহেলা কৰি আনৰ লগত প্ৰেম কৰাটো কোনো নাৰীৰ প্ৰাণে সহ্য কৰিব নোৱাৰে। তেনে পুৰুষলৈ ভিৰোভাজনী গলগ্ৰহ-- এই কথা বুজি পাই আৰু তাৰ কোনো প্ৰতিকাৰ কৰিব নোৱাৰি কেবল নিজৰ জীবনকে ধিক্কাৰ দিছে এই বুলি ঃ

"পৰৰ লগত পীৰিত কৰিয়া
তোমাৰ বৰ গলা,
মোক দেখিলে কথা নাকন
দেখিলে হয় জ্বালা
ও মোৰ পতিৰে
মুই হনু তোৰ বিষ ফুলৰ মালা ॥"

কিছুমান গীতত স্বামী ঘৰত থকা বা নথকা অবস্থাৰ কথা জনাই বিলেই (মেকুৰী), কুকিল (কুলি চৰাই) আদিক কোৱাৰ ছলেৰে বিবাহিত স্ত্ৰীয়ে প্ৰেমিকক ৰাতি আহি কেনেদৰে ঘৰত সোমাই প্ৰেম কৰিব লাগিব তাৰো ইঙ্গিত দিছে।

ও বিলেই সৰাৎ কৰিয়া আয়
কি ওৰে বিলাই মেও ॥
ঝৰি পৰে ইমি ঝিমি বিলেই
মলেয়ায় তুলিলে বাও
কি ওৰে বিলেই মেও ॥
ঘৰৰ পাছিলাত মানাৰ পাত।
বিলেই কাটিয়া মাথায় দেও ॥
এই যে দুৱাৰে আছে সৰকা গিটো[১]
বিলেই টান দিয়া খসাও ॥
ঐ যে শিকিয়াত আছে দৈয়ৰ ঘটি
বিলেই আস্তে পাৰিয়া খাও ॥
বগলে[২] আছে পাণৰ বাটা
বিলেই চুণ দেখিয়া খাও।
ঐ যে শিতানে আছে বান্দা হুকা
বিলেই নল লাগেয়া খাও।
আৰে ঘৰে আছে ভাগিনী জামাই
বিলেই দেখিয়া পাৰ ফেলাও ॥
ঐ যে ঘৰে আছে পানীয়া মৰা[৩]
বিলেই দেখিয়া বাগাৰ[৪] দেও ॥
কি ওৰে বিলাই মেও ॥

১। সস্তা গাঁঠি ২। কাষত ৩। স্বামী ৪। অলপ সময়ৰ কাৰণে শোৱা।

গোৱালপৰীয়া লোকগীতৰ প্ৰাক্তন প্ৰেমিক "প্ৰাণ কুকিলা" অতিকৈ মধুৰ চৰিত্ৰ। তেনে আমন্ত্ৰণ পাই এন্ধাৰ ৰাতি প্ৰেমিকাক লগ ধৰিব আহোঁতে শেষত কেনেদৰে বতাহ ৰৱষুণত মানকচুৰ তলত আশ্ৰয় ল'বলগীয়া হৈছিল তাৰো চিত্ৰ গীতবোৰত পোৱা যায়।

"অ' মোৰ ৰসেৰে বিনোদ
বিনোদ সাইঞ্চা দোৱা অৰে আইসো
ঝৰি পৰে চিপো চিপো,
বাইৰা কেনে ভিজো,
ঘৰৰ পাছিলাত মানা পাতৰে
বিনোদ কাটিয়া মাথায় দে ॥"

পৰকীয়া প্ৰেমে প্ৰেমিক-প্ৰেমিকাক সপোন দিঠক দুয়োটি অবস্থাতে জলা-কলা কৰে। দিঠকৰ গভীৰ চিন্তাই টোপনিত সপোনৰ মায়াজাল ৰচে। এজনী বিবাহিতা নাৰী, সন্তানৰ মাক। কোলাৰ কেচুৱা বুকুত লৈ শুইছে। সেই দিনাখন আছিল বুধ নতুবা বৃহস্পতিবাৰ। হঠাৎ নাৰীজনীৰ প্ৰাক্তন প্ৰেমিক আহি ঘৰত সোমাল। ভোতিয়া নাৰীজনীৰ ভাগিন বোৱাৰীয়েকো ঘৰত আছিল। মোমায়েকৰ অনুপস্থিতিত মামীয়েকৰ ওচৰত তেওঁৰ (মামীয়েকৰ) প্ৰাক্তন প্ৰেমিকক দেখি পিছত মোমায়েকৰ আগত বোৱাৰীয়েকে সকলো কথা কৈ দিলে। কোনো পুৰুষে নিজৰ স্ত্ৰীয়ে আনৰ লগত অবৈধ সম্পৰ্ক ৰখাটো সহ্য কৰিব নোৱাৰে। সেয়ে দৈণীয়েকৰ বিষয়ে এই কথা শুনি ডাকৰ বচন 'তিৰিত কিল দাত্তত শিল' আগত ৰাখি তেওঁ দৈণীয়েকৰ ওপৰত কিল কীৰ্তন আৰম্ভ কৰিলে। পতিৰ উত্তম মধ্যমৰ অতীষ্ঠ হৈ শেষত গিৰিয়েকৰ আগত স্বীকাৰ কৰিলে যে তেওঁ (প্ৰাক্তন প্ৰেমিকজন) আহিছিল ঠিক ; কিন্তু বিৰি লগাবৰ বাবে জুই বিচাৰিহে, আন উদ্দেশ্যে বা আন কাৰণত নহয়।

"বুধ না বিসুদ বাৰে
ছাওৱা নিয়া শুতিছং ঘৰে
তুই বন্ধু সোন্দালু[১] মোৰ ঘৰে।
ভাগিনা বৌ দেখিয়া
স্বামীৰ আগে দিছে বে কয়া
মাৰে স্বামী মোক দুই হস্ত বান্ধিয়া।
মাইৰৰ চোটে মুই কবুল[২] দেওং
আইসে বে মৰা বিৰি ধৰেবাৰে বাদে।"

১। সোমোৱা ২। স্বীকাৰ কৰা।

পৰকীয়া প্ৰেমৰ বাস্তব যেন লগা এই চিত্ৰটো কিন্তু জীয়া বাস্তবৰ নহয়। নাৰীজনীয়ে সপোনতহ এইবোৰ দেখিলে। সপোনৰ এইবোৰ কথা পিছুদিনাখন তেওঁ ভাৰতী বায়েকৰ আগত এনেদৰে কৈছে :

'শোন দিদি ভাৰতী
সপনে কাহিনী দেখি
দেখি আজিকাৰ ৰাতি'

সপোন আঁতৰি গ'ল সপোনত দেখা প্ৰাক্তন প্ৰেমিকো অদৃশ্য হ'ল। হিয়াত বিচ্ছেদৰ জুই জ্বলিল। দিঠকত প্ৰাণ বন্ধুক নেপাই তেওঁ আৰু শুই থাকিব নোৱাৰা হ'ল। নিজ সন্তানৰ কথাও পাহৰি গ'ল। বিছনাত বহি প্ৰাক্তন প্ৰেমিকৰ কথা সুঁৱৰি কান্দিব ধৰিলে। এইয়া বিবাহিতা ঊষা। দুচকুৰ পানীয়ে তেওঁৰ বুকুখন তিয়াই পেলালে। তেতিয়াহে তেওঁৰ প্ৰেমিকৰে হোৱা বিচ্ছেদ জ্বালাৰ পোৰণিৰ উপশম হ'ল :

"চেতন হইয়া প্ৰাণ বন্ধুক না দেখি
বুক ভিজিল মোৰ দুই নয়নেৰ জলে
দিদিৰে, বুক ভিজিল মোৰ দুই নয়নেৰ জলে॥"

পৰকীয়া প্ৰেমৰ এনে জীৱন্ত চিত্ৰ সপোনৰ জৰিয়তে মধুৰভাবে মূৰ্ত কৰি ভোলা প্ৰাণবন্ত লোকগীত পৃথিবীৰ কোনো দেশৰ চহাগীতিকাৰেই ৰচনা নকৰা যেন লাগে। ৰচনা কৌশলৰ এনে ৰীতি প্ৰয়োগত গোৱালপৰীয়া লোকগীতৰ ৰচক অদ্বিতীয় বুলি ভাবিবৰ থল নিশ্চয় আছে।

পৰকীয়া প্ৰেমত নিমজ্জিত নাৰীৰ পতি হোৱাতকৈ দুৰ্কপলীয়া, দুৰ্ভগীয়া পুৰুষ পৃথিবীত আন কেৰে নাই। পতিয়ে পত্নীৰ পৰা বিচৰা প্ৰথম বস্তুটি হ'ল সতীত্ব। পৰকীয়া প্ৰেমাসক্তা নাৰীৰ স্বামীয়ে বিচৰা এই বস্তুটিয়ে নেথাকে। তথাপি তেনে নাৰীৰ পতিয়েও প্ৰথমতে তেওঁৰ পত্নীক সতী হিচাবেই গ্ৰহণ কৰে আৰু তেওঁৰ উক্ত স্ত্ৰীজনী সতী, চৰিত্ৰবতী হোৱাটোকে বিচাৰে। যদি তেওঁ কেনেবাকৈ জানে যে তেওঁৰ স্ত্ৰীজনী আনৰ অনুৰক্তা তেতিয়া তেওঁ মানসিক আঘাত পায়। তেওঁ সাবধান হয়। পৰকীয়া প্ৰেমৰ পৰা নিজৰ স্ত্ৰীজনীক আঁতৰাই ৰাখিবলৈ যত্ন কৰে। কিন্তু ঠিক এইটো ক্ষেত্ৰত পুৰুষ নাৰীৰ ওচৰত অভিকৈ বুৰবক। সেয়েহে বোধহয় 'নাৰীনাং চৰিত্ৰ দেবাপি ন জানন্তি' বুলি কৈছে। পৰকীয়া প্ৰেমাসক্তা নাৰীয়ে যিমানেই পতিভক্তি নেদেখুৱাওঁক লাগে আচলতে বিবাহিত স্বামীজন তেওঁলৈ কেবল সাক্ষী গোপালহে। পতিয়ে তেনে নাৰীক প্ৰেমাসক্ত পুৰুষজনৰ পৰা আঁতৰাই ৰাখিবলৈ যিমানেই চেষ্টা নকৰক কিয় তেওঁ কিন্তু যেনে তেনে প্ৰকাৰে

সেই প্ৰেমাসক্ত পুৰুষজনৰ লগত দেখাও কৰিব, প্ৰেমো কৰিব। এই কথা উপলব্ধি কৰিয়ে প্ৰাকৃত কবি 'হাল'ই বাৰীৰ পিছ ফালৰ আখবোট গছৰ তলত পৰ পুৰুষেৰে প্ৰেম কৰা এটি সুন্দৰ চিত্ৰ তুলি ধৰিছে এনেদৰে :

'পুট্ঠিংপুসমু বিসোঅবি পড়োহৰংকোল্ল পত্ত-চিত্তলিয়ং।
ছেআহিং দিঅৰ জাআহিং উজ্জুএ মা কলিজ্জিহিমি॥'

অৰ্থ : পৰকীয়া প্ৰেমাসক্ত এজনী নাৰী। তেওঁ ঘৰখনৰ ডাঙৰ বোৱাৰী। তেওঁ বাৰীৰ পিছফালত থকা আখবোট গছৰ তলত প্ৰেমিকৰে প্ৰেম কৰিছে। ফলত পিঠিত আখবোট গছৰ পাতবোৰ লাগি আছে। তেনে অবস্থাত যদি তেওঁ ঘৰলৈ আহে তেনেহ'লে ঘৰৰ দেৱৰ-পতীসকলে অৰ্থাৎ জাসকলে তেওঁৰ পিঠিত গছৰ পাত দেখি তেওঁ যে গছৰ তলত কাৰোবাৰে প্ৰেম কৰিছে সেইটো জানিব। সেয়ে প্ৰেমিকজনে তাইক পিঠিত প্ৰেম কৰোঁতে লাগি ধৰা গছৰ পাতবোৰ মুচি পেলাই ঘৰলৈ যাব নিৰ্দেশ দিছে।

গোৱালপৰীয়া লোকগীতৰ চহাগাতিকাৰ সকলেও পৰকীয়া প্ৰেমৰ এই দিশ-টোৰ কথা বাৰুকৈয়ে উপলব্ধি কৰিছে আৰু কবি 'হাল'ৰ সমপৰ্যায়ৰে এটি সুন্দৰ দৃশ্য তলত উল্লেখিত গীতটিৰে দাঙি ধৰিছে। গোৱালপৰীয়া লোকগীতত বৌৱেকে গিৰিয়েকক ঠগাই, লুকাই চুৰকৈ পৰপুৰুষ প্ৰেমিকৰে প্ৰেম কৰিলে সঁচা। কিন্তু সদায় চোকা নজৰ ৰখা দেৱৰেকৰ চকুত ধুল মাৰিব নোৱাৰিলে। ধৰা পৰি গ'ল :

"কেশকোনা তোৰ আউলা-ঝাউলা
ও ভাউজী! পিঠিত কেনে মাটি?
কোন বসিয়াই বস কাৰছে,
চিবছে গলাৰ কাটি ভাউজী ও॥"

অবস্থা সাপেক্ষে পৰকীয়া প্ৰেম বিভিন্ন কাৰণত জন্ম পাব পাৰে। প্ৰথমতঃ প্ৰেমিক-প্ৰেমিকাৰ যদি বৈবাহিক নিয়মেৰে মিলন নহৈ আন নাৰী আৰু পুৰুষৰ লগত বিয়া হয়, তেন্তে সেই প্ৰেমিক প্ৰেমিকাই নিজৰ বিবাহিত স্ত্ৰী আৰু স্বামীক ঠগাই পূৰ্বৰ প্ৰেম গোপনে চলাই থাকে। দ্বিতীয়তে শাৰীৰিক আৰু মানসিক ভাবে [illegible] পুৰুষ-নাৰীৰ ভিতৰত বিয়া হ'লে আৰু কাম— এই সত্য শাশ্বত জৈবিক দাবীটো পুৰুষ বা নাৰীজনীৰ ফিলীতে থকা নাৰী বা পুৰুষজনে পূৰ্ণ কৰিব নোৱাৰিলে, সেই অতৃপ্ত দাবীটো তৃপ্ত কৰিবৰ বাবে সেই পুৰুষ বা নাৰীয়ে পৰ বা আন নাৰী বা পুৰুষৰ লগত পৰকীয়া পীৰিত

বাধ্যত পৰি কৰিবলগীয়া হয়। তৃতীয়তে স্বামীৰ দীৰ্ঘদিনীয়া অনুপস্থিতিতো নাৰীয়ে জৈবিক দাবীৰ তাড়নাত পৰি পৰকীয়া প্ৰেমত মজি যায়। গোৱালপৰীয়া লোকগীতত বিভিন্ন পৰিস্থিতিত জন্ম পোৱা পৰকীয়া প্ৰেমৰ চিত্ৰ আছে।

তলৰ গীতটিত পৰকীয়া প্ৰেমৰ কেনে চিত্ৰ ফুটি উঠিছে চাওঁক। এজনী যুবতী উদ্ভিন্ন, তপ্ত, নব-যৌবনসম্পন্না। দৰা পক্ষৰ টকা লৈ দেউতাক আৰু মোমায়েকে তাইক এজন বুঢ়ালৈ বিয়া দিছে।

এই ভৰ-যুবতীজনীৰ অন্তহীন কামনা-বাসনা আৰু জৈবিক দাবী 'কমৰ ভাঙা' বুঢ়াই কেতিয়াও পূৰ্ণ কৰিব নোৱাৰে। সেয়ে তাই বাধ্য হৈ চিপাহী এজনৰ লগত অবৈধ প্ৰেম কৰিছে। কিন্তু চিপাহীজনেও যেতিয়া কৰ্তব্যৰ বাবে সাময়িকভাবে আঁতৰি যাব লগা হ'ল, তেতিয়া অভাবনীয় বিচ্ছেদৰ জ্বালাত নাৰীৰ হিয়া পুৰিব ধৰিছে। সেয়ে চিপাহীজনেনো কেতিয়াকৈ উভতিব তাই সুধিছে। লগতে চিপাহী প্ৰেমিকক কৈছে যে তাইৰ সব দেহত বৈ থকা চঞ্চল যৌবন গছৰ লাউ নাইবা কুমুৰা নহয় যে চিঠি চিপাহীজনক দি পঠাব পাৰিব। সেয়ে তাই কৈছে যে ঘৰৰ ভিতৰত ভঁৰাল সাজি সযত্নে ৰাখি থোৱা ধানৰ নিচিনাকৈ তাই এই যৌবন সযত্নে ৰাখিব আৰু চিপাহীজনে উভতি আহি নিজৰ ভঁৰালৰ ধানৰ নিচিনাকৈ নিশ্চিন্তে সেই ৰসময়ী যৌবন ভাগু অহৰ্নিশে উপভোগ কৰিব পাৰিব।

আজি কত দিনে বাউৰিবেন[১]
ও মোৰ চিপাই বন্ধু ৰে॥
তোমৰা হইলেন পৰাৰ চাকৰ,
চিপাই বন্ধু আমৰা পৰাৰ নাৰী।
লাউ নোৱায় কুমুৰা নোৱায়,
চিপাই বন্ধু ছিৰিয়া দিতে পাৰি॥
বাপে নিছে দুই শ টাকাৰে
চিপাই বন্ধু মামাই নিছে মেলা।
টাকাৰ লোভে বেচেয়া খাইছে ৰে,
চিপাই বন্ধু কমৰ ভাঙা বুঢ়া॥
ঘুৰিয়া আসিলে কালে[২] ৰে,
চিপাই বন্ধু খোলোচা হইবে মন।
সকালে বৈকালে খাইবেন ৰে
চিপাই বন্ধু ঢালা মাচাৰ[৩] ধান॥

১। উভতিব ২। আহিলেহে ৩। মাচা—ঘৰৰ ভিতৰত চাং বান্ধি বস্তু ৰখা ঠাই, ঢাল'—বহল, ঘৰৰ ভিতৰৰ বহল ভঁৰালৰ ধান।

গোৱালপৰীয়া লোকগীতত 'দেওৰা' অর্থাৎ দেৱৰেকৰ লগত প্ৰেম হোৱা কথাৰ যি বৰ্ণনা পোৱা যায় সি এক অতি বৈশিষ্ট্যপূৰ্ণ কথা। সাধাৰণতে স্ত্ৰীৰ বিবাহিত পতি যদি কৰ্ম, স্বাস্থ্য, ৰূপ আৰু বয়সৰ কালৰ পৰা অযোগ্য হয়, নাইবা পতি যদি কানীয়া, ৰঙুৱা নাইবা মদপী হয় আৰু বিবাহিত নাৰীয়ে পতিৰ পৰা আশা কৰা বস্তুখিনি যদি তেওঁৰ পৰা নেপায় তেতিয়া নাৰীৰ যোগ্য দেৱৰেক থাকিলে তেওঁৰ লগতেই প্ৰেম-পীৰিত কৰিবলৈ আৰম্ভ কৰি দিয়ে।

"ও মোৰ ভাবেৰ দেওৰা
তোক দেখং মুই
নিজেৰ মানুষেৰ মতন॥"
"আজি মন মোৰ হৰিয়া নিছে
ভাবেৰ দেওৰাই বে॥"
"ও মোৰ খাক্‌কাউ কৰিয়া
লাগিল চালেৰ বাতাস,
হুক্‌কুত কৰিয়া উঠিল দেওৰাৰ কথা।"

* * * *

"বাৰীৰ পাছিলাত আছে দেওৰা
কাইন কৰিবাৰ চায়,
এখান শাৰি দিলেক হয়,
হাতেৰ চুৰী দিলেক হয়,
গলাত মালা দিলেক হয়,
নাকত নোলো দিলেক হয়,
যদি কাইনত বসিনু হয়॥"

গীতিকাৰসকলে প্ৰকাশ কৰা ভাই বোৱাৰীয়েকৰ ভাই শুত্ৰেকৰ লগত হোৱা প্ৰেমৰ বৰ্ণনাহে তাতোকৈ এখোপ চৰা।

"ও বঙিলা বঙিলা ভাশুৰ বে
তুই কেনে মোৰ দেওৰ হলু না॥
হাট যান বাজাৰ যান বে ভাশুৰ

আমাৰ একটা কথা—
দিদিৰ জন্য আলোৱা তাঙ্‌খু
আমাৰ খম্পাৰ কাটা ভাণ্ডৰ ৰে।"

কিন্তু আমি সকলোতকৈ বিস্মিত হৈ পৰো তেতিয়াহে যেতিয়া বিবাহিত মাতৃয়ে পৰকীয়া প্ৰেমৰ জ্বালাত উন্মনা হৈ পূৰ্ব প্ৰেমিকক লাভ কৰা পথৰ কণ্টক স্বৰূপ নিজ স্বামীক আপোন হাতে বধ কৰিবলৈকো কুণ্ঠাবোধ নকৰে। প্ৰেমে মানুহক সাহসী কৰে সঁচা কথা, কিন্তু পৰকীয়া প্ৰেমে "কুসুমাদপি মৃদুনী" নাৰীকো যে স্বামী হত্যাৰ নিচিনা দুষ্কাৰ্যৰ প্ৰতি দুঃসাহসী কৰি তুলিব পাৰে তাৰ বিৰল উদাহৰণ গোৱালপৰীয়া লোকগীতত পোৱা যায় আৰু ইয়েই খুউব সম্ভৱ পৰকীয়া প্ৰেমৰ জ্বালাৰ সবাতকৈ শ্ৰেষ্ঠ নিদৰ্শন ঃ

"আৰ তোৰ বন্ধুৰ পীৰিতিৰ জ্বালায়,
বিয়াৰ স্বোৱামীৰ কাটিনু গলা ;
সিতাৰ সিন্দুৰ মুই মুচিনু আপোন হাতে
হয়া সংসাৰেৰ মাৰ,
ছাৰিনু মুই কোলাৰ ছাৰ ৰে ,
কান্দে ছাওৱা মোৰ পৰাৰ দুৱাৰে।"

নাট্য সম্ৰাট Shakespear. এ তেওঁৰ "Hamlet, Prince of Denmark নাটকত ডেনমাৰ্ক ৰাজাৰ ৰাণীৰ দেৱৰেকৰ লগত হোৱা প্ৰেম হেতুকে দেৱৰেক Claudius ৰ লগত যুক্তি কৰি, নিজ স্বামী, হেমলেটৰ পিতৃক বিষ খুৱাই হত্যা কৰাৰ কথা কল্পনা কৰিছে। দুয়োটি হত্যাতেই পৰকীয়া প্ৰেমেই মূল কাৰণ। কিন্তু চহা কবিয়ে এই ক্ষেত্ৰত Shakespeare তকৈ এখোপ বেছি আগবাঢ়ি যোৱা যেন লাগে। গীতত মাতৃজনীয়ে পতি হত্যা কৰা কথাটোত কল্পনাতকৈ বাস্তবৰ পৰশহে বেছি নে বাস্তবতকৈ কল্পনাৰ প্ৰাচুৰ্যহে বেছি এইয়া কিন্তু চিন্তাৰ বিষয়।

পৰকীয়া প্ৰেমৰ অলেখ চিত্ৰৰ পৰা কেইটিমান সৰু সৰু চিত্ৰ মাথোন ইয়াত দাঙি ধৰা হ'ল। এই চিত্ৰবোৰৰ পৰা এইটো স্পষ্টভাবে বুজিব পৰা গৈছে যে প্ৰেমত বিচ্ছেদ হৈ আনৰ লগত ঘৰ-সংসাৰ কৰিলে সি ঘৰ নহৈ বাঁহতলহে হয়। বিয়া হ'ল ল'ৰা-ছোৱালীৰ মাক দেউতাক হ'ল তথাপি পূৰ্ব প্ৰেমিক-প্ৰেমিকাক এৰিব পৰা নাই। গীতৰ এনেবোৰ কথাই প্ৰেম সত্য, শাশ্বত আৰু চিৰজয়ী বুলি ঘোষণা কৰিছে আৰু আনফালে প্ৰেমৰ বিচ্ছেদৰ কুফলবোৰ আঙুলিয়াই সমাজক

সাবধান কৰি দিছে। বাস্তব জীবনৰ পটভূমিত ৰচিত এই গীতযোৰ পৰকীয়া প্ৰেমৰ দুখ-বেদনাৰ দিকদৰ্শক। গীতত প্ৰকাশিত, প্ৰাণত অনুৰণিত চহা কবিৰ ভাবৰ মৌলিকতাও মন কৰিবলগীয়া।

সহজ লভ্য, সহজ লভ্য, সহজ গম্য বস্তুতকৈ অলভ্য, অলভ্য, অগম্য বস্তু পোৱাৰ আনন্দহে বেছি। স্বামীতো কাযত, প্ৰিয়হে আঁতৰত। সেয়ে স্বামীৰ সঙ্গ সুখতকৈ বহুদিন অপেক্ষিত প্ৰিয়ৰ এটি দৃষ্টিয়ে প্ৰেমিকাৰ মন বেছিকৈ শাত পেলায় আনৰ স্ত্ৰী হৈয়ো প্ৰেমিকা প্ৰেমিকৰ বাবে বাউলী। আৰু একে দশায় হয় প্ৰেমিকৰ। চহা কবিৰ গীতৰ মূৰ্চনাত মূৰ্ছিত এই চিৰজয়ী ভাবৰ অলেখ চোৰ মূল্য কোনে বাকি অস্বীকাৰ কৰিব?

৭। গ। ৩। দাম্পত্য প্ৰেম :

গোৱালপৰীয়া লোকগীতৰ প্ৰেম চিৰ মধুৰ আৰু সুখকৰ।

"আকাশতে নাইৰে চন্দ্ৰ
তাৰা কেমনে জ্বলে
যে নাৰীৰ পুৰুষ নাই ও
তাৰ ৰূপে কি কাম কৰে।"

দাম্পত্য জীবনৰ প্ৰেম-কলহ এই গীতযোৰত প্ৰতিফলিত। স্বামী-স্ত্ৰীৰ প্ৰেম, মান-অভিমান গীতৰ সুৰময়ী ঝঙ্কাৰত ফুটি উঠা ছবি অতি মধুৰ আৰু আমোদী।

ৰদিনাথন যৈণীয়েকে গিৰিয়েকক নোকোৱাকৈয়ে দেউতাকৰ ঘৰলৈ গ'ল। দেউতাকৰ ঘৰৰ পৰা উৎতি আহি দেখে যে গিৰিয়েকে খঙতে একো নাই হৈ তেম পাতি গণ্ডাটোপটো যেন হৈ আছে। তেওঁ যৈণীয়েকৰ লগতো কথা নকয়েই আনকি যৈণীয়েকৰ ফালে চকু তুলিয়ে নেচায় কিন্তু গিৰিয়েক যৈণীয়েকৰ ভিতৰত কথা-বতৰা নহ'লে ঘৰখন চলে কেনেকৈ? সেয়ে যৈণীয়েকে গিৰিয়েকক খং দুৰ কৰিবলৈ কলে :

"এক দিন গেইছং বাপেৰ বাৰী
তোমাক নাই ষাং কয়া,
তাৰ বাদে কি হইছেন গোসা
পতি ধণ! না দেখেন তাকেয়া বে॥

দদায়েকে নিবলৈ অহাত ঘৈণীয়েকে মাত্ৰ দুদিনৰ বাবে মাক-দেউতাকৰ ঘৰলৈ যাব ওলোৱাত গিৰিয়েকে মনৰ বেজাৰতে ভেম পাতি বিছনাত শুই থাকিল। ঘৈণীয়েকে বুজি পাই কিবা কবলৈ বিচাৰিলে। কিন্তু দদায়েক লগত থকা বাবে মুখ ফুটাই একো ক'বও নোৱাৰে। সেয়ে দদায়েকৰ লগত নঙলা মুখলৈ গৈ তামোলৰ টোপোলাটো বিছনাত এৰি থৈ যোৱা বুলি ফাক্কি দি ঘৰলৈ উভতি আহি গিৰিয়েকক অকলে লগ ধৰি গাত ঢকিয়াই এনেদৰে কলে :

"চউক মুজিয়া দুইটা বাতি
থাকেন কোনো মতে।"

দাম্পত্য প্ৰেমৰ এনে নিখুঁত আৰু প্ৰকৃততে সত্য কথা এনেদৰে প্ৰকাশ্যে অথচ ৰসভঙ্গ নোহোৱাকৈ প্ৰাণস্পৰ্শী কৰি তুলিব পৰা লোকগীত পৃথিবীৰ লোক সাহিত্যৰ বুৰঞ্জীতে বিৰল বুলি বিবেচিত হয়।

দাম্পত্য জীবন শান্তিপূৰ্ণ, সুখময় আৰু আনন্দ মুখৰ কৰি ৰাখিবৰ বাবে দাম্পত্য প্ৰেমৰ আবশ্যক— এই কথাৰ স্বাক্ষৰ বিচাৰি পোৱা যায় এই লোক-গীতবোৰত। দাম্পত প্ৰেম নষ্ট হৈ নেযাবৰ বাবে নাৰী আৰু পুৰুষক পৰকীয়া প্ৰেমৰ পৰা আঁতৰাই ৰাখিবলৈ গীতৰ চলেৰে সাবধান বাণী শুনোৱা হৈছে এনেদৰে :

"আঠুৱা কলাক কলা নাকং বে
তাৰ বিচি খোচ খোচ কৰে
পৰ পুৰুষক পুৰুষ নাকং বে
নিদান কালে ছাৰে বে॥"

আকৌ :

"কোচৰ কড়ি সাধু না কৰেন ৰায়,
পৰাৰ নাৰী সাধু আপোন না হয় বে,
পৰাৰ নাৰী সাধু বধিব পৰাণ বে॥"

মানুহৰ মন অধীৰ, অস্থিৰ, চঞ্চল। এনে সাবধান বাণীৰ পিছতো মন পিছলিব পাৰে। কথাতে কয় : বোলে হাতীৰো পিছলে পাৱ, সজ্জনৰো বুৰে নাৱ : তেনে ক্ষেত্ৰত পতি বা পত্নীয়ে আত্মহত্যাৰ ভয় দেখুৱাই বিপথে চলিত জনক ঘুৰাই আনিবলৈ যত্ন কৰাৰ দৃষ্টান্তও গীতত পোৱা যায়।

"বৌৱে আসি পতিক কয়
নাযান মোক ছাৰি॥
তোমৰা যদি ছাৰিয়া যান,
গলাত দিম মুই দৰি।"

দাম্পত্য প্ৰেম আছে বুলিয়েই পতি আৰু পত্নীয়ে ইজনে আনজনৰ বিচ্ছেদ সহ্য কৰি থাকিব নোৱাৰে। বেহা-বেপাৰ কৰিবলৈ দূৰ দেশলৈ যোৱা স্বামীৰ মন ঘৰত এৰি থৈ যোৱা যুবতী পত্নীৰ প্ৰতি উদ্‌বাউল হৈ পৰে। যুবতী পত্নীৰ সংগসুখৰ স্মৃতিবোৰে আমনি কৰে।

"আইয়োক ছাৰিলং বাইয়োক ছাৰিলং,
ছাৰিলং সোণাৰ পুৰী।
বিয়াও কৰিয়া ছাৰিয়া আসিলং ও
অল্প বয়সেৰ নাৰী সখি হে।।"

আনহাতে বিদেশলৈ যোৱা স্বামীৰ বাবে অপেক্ষা কৰি বাটলৈ চাই চাই ভাগৰি পৰা নাৰীৰ স্বামী বিৰহৰ জ্বালাও কম নহয়। :

"ওৰে পিয়া গেইছে পৰদেশ
বাৰীত নাই যায় কয়া.
ওৰে আৰ কতদিন থাকিম মুই ৰে,
পন্থেৰ ভিতি চায়া ৰে।।"

ৰূপ আছে, যৌবন আছে কিন্তু বিবাহিত স্বামী কাষত নাই। মনটোৱে নুবুজে, নেমানে। স্বামী বিৰহৰ জুই জ্বলে :

"ওৰে নলেৰ আগুন তলে-তলে,
কাঁশিয়াৰ আগুন জ্বলে :
আৰ মোৰ অভাগীৰ মনেৰ আগুন
দিনে ৰাতি জ্বলে ৰে।"

বিদেশত থকা পতিৰ স্মৃতিয়ে যেতিয়া নাৰীৰ দেহ মন-প্ৰাণ জৰ্জৰিত কৰে তেতিয়া সেই কৰুণ অবস্থাৰ সংবাদ দি পঠায় আকাশেৰে উৰি যোৱা বগলিৰ হাতত। গোৱালপৰীয়া লোকগীতৰ 'বগিলা' কালিদাসৰ মেঘদূতৰ সমপৰ্যায়ৰ। বিদেশত থকা স্বামী আহিব আহিব বুলি অপেক্ষা কৰিছে। কিন্তু বহাগ গ'ল জেঠ গুঁ'ল। চাওঁতে চাওঁতে আহাৰ-শাওণ, ভাদ-আহিন মাহ গ'ল। তথাপি পতিৰ দেখা-দেখি নাই। তাৰ পিছত কাতি আঘোণ গ'ল আৰু তাৰো পিছত পুহ, মাঘ পাৰ হ'ল। কিন্তু তেতিয়াও পতি উভতি নাহিল। আকৌ আহিল ফাগুন আৰু লগতে আহিল বসন্ত। ফাগুনে জ্বলালে মনত আগুন আৰু বসন্ত কৰিলে মন অশান্ত। প্ৰবাসী স্বামীৰে মিলনৰ আকাঙ্খাত তাইৰ মন জ্বলে, প্ৰাণ কান্দে।

"মুই নাৰী ফাগুন মাসে
জ্বলিয়া মৰং হা-হুতাশে।।"

স্বদেশ বিদেশত এৰা এৰি নোহোৱাকৈ বাস কৰা বগলিৰ মতা আৰু মাইকী-বোৰে ইটিয়ে সিটিক মৰম কৰি পাখিত পাখি লগাই আকাশেৰে উৰি যোৱা দেখি তাই আৰু ধৈর্য ধৰিব নোৱাৰা হয়। কিয়নো সিহঁতৰ এইকণ সুখ নাই। যদি বগলিৰ নিচিনাকৈ সিহঁতো স্বদেশ আৰু বিদেশত একেলগে বাস কৰিব পাৰিলে হয় .. । কিন্তু সেয়া অসম্ভব। সেয়ে উৰি যোৱা বগলিক তাইৰ মনৰ সংবাদ দি প্রবাসী পতিক জনাবলৈ এনেদৰে অনুৰোধ জনাইছে :

"ওকি বগিলা ৰে।
জাকে জাকে উৰি যাও উজানী দেশে॥

* * * *
* * * *

গদাধৰৰ উজানতে, দেৱধর্মাৰ পাটৰ কাছে,
বন্ধু গেইছে বণিজ কৰিবাৰে,
দেখা হইলে কবু তাৰে,
অভাগিনী বাচে নাৰে,
আউলাইছে মাথাৰ কাল কেশ॥"

এইয়াই নহয় প্রোষিতভর্তৃ নাৰীয়ে প্রবাসী স্বামীৰ সংবাদ জানিবলৈ, প্রবাসী স্বামীক, নিজৰ স্বামী বিৰহত দিন নেযায়, ৰাতি নুপুৱায় অবস্থাৰ সংবাদ দিবলৈ নদীক, বতাহকো আকুল সুৰে আবেদন জনাইছে :

"ও হায় নদীৰে।
দেখা হইলে বন্ধুক কইস্
মোৰ কথা দুই শাৰী।।"

এটা উর্দ্দু কবিতাত আছে : প্রণয়িনীৰ প্রিয়তম বিদেশত। প্রিয়তমক দেখিবলৈ বাট চাই থাকোঁতে প্রণয়িনীয়ে ওচৰতে কাউৰি এটা দেখি কাউৰিটোক সম্বোধন কৰি কৈছে, "হেৰ কাউৰি, তই মোৰ ওচৰলৈ কিয় আহিছ মই জানিছোঁ। মোৰ মৃত্যুকাল সন্নিকট। তই মোৰ মৰা শটো খাবলৈ আহিছ। খা-মোৰ শৰীৰৰ সকলো মঙহ টানি টানি খা। কিন্তু তোক কাৰোকৈ মাগিছোঁ মোৰ এটি মিনতি ৰাখিবি। মোৰ সেই মেল খাই থকা চকু দুটি তই নেখাবি, কাৰণ মোৰ প্রিয়তম উভতি আহিলে সেই দুটিয়ে তেওঁক এবাৰ আকৌ প্রাণভৰি দেখিব পাব।"

(লক্ষীনাথ বেজবৰুৱা উৰ্দ্দু কবিৰ এনে ভাবৰ সামঞ্জস্যও গোৱালপৰীয়া লোক-গীতত পোৱা যায়। কম বয়সতে পতি মৰি গৈছে। মৃত পতি উভতি নাহিব। সেই দুখতে ভাইও অচিৰতে মৰিব। তাইৰ মৰা লটো পানীত পেলাই দিব আৰু কুম্ভীৰে সেইটো খাই পেলাব। পতি বিচ্ছেদত তাইৰ বঙা কলিজা কলা হৈছে। তাইৰ গোটেই দেহটো খোৱাৰ পিছতো কলিজাটো মাত্ৰ নেখাবলৈ 'জলৰ কুমীৰক' কাৰো কৰিছে। কাৰণ তাইৰ পতি-ভক্তি আৰু পতি-প্ৰেমৰ সকলোখিনিয়ে খুপ খাই আছে তাইৰ কলিজাত। মৃত্যুৰ মাজেৰেও পতি-প্ৰেমক জীয়াই ৰাখিবলৈ যত্ন কৰাৰ মহান উদাহৰণ ইয়াতকৈ আৰু কি বেছি হব পাৰে?

"জলৰ কুমীৰ ৰে
তুই মোক খা ৰে খা।
অলপ বয়সে মোৰ পতিধন
গেইছেৰে মৰিয়া॥
আগত খা ৰে মোৰ ঠেং দুইটা
তাৰ পাছে খা ৰে মোৰ মাথাটা।
কলিজাটা না খাইস্ৰে কুমীৰ
পতি ধনেৰ আশায়।"

স্ত্ৰী-স্বামীৰ সুখ-দুখৰ অংশীদাৰ। পতিৰ সুখ-দুখেই পত্নীৰো সুখ-দুখ। পতিৰ সুখত পত্নী উৎফুল্লিত আৰু পতিৰ দুখত পত্নী গভীৰ মৰ্মাহত। সেয়ে আহাৰ মহীয়া চোকা ৰ'দত হাল বাই থকা পতিৰ দুখ কষ্ট দেখি পত্নীৰ প্ৰাণ জ্বলে। গিৰিয়েকৰ দেহত পৰা ৰ'দৰ চোকা তাপ যেনিবা তেওঁৰহে দেহত পৰিছে। সূৰ্যৰ প্ৰখৰ তাপে গিৰিয়েকৰ দেহে পুৰিছে। কিন্তু গিৰিয়েকৰ দেহৰ কষ্টই ঘৈণীয়েকৰ দেহো পুৰিছে, মনো পুৰিছে। পতিৰ দেহৰ কষ্টই পত্নীৰ দেহ-মনৰ কষ্ট। মৰমৰ খেতিয়ক গিৰিয়েকজনৰ দুখ-কষ্ট দেখিনো ঘৈণীয়েকজনী হে তেওঁ ধৈর্য ধৰি থাকে কেনেকৈ? সেয়ে গিৰিয়েকৰ কষ্ট লাঘৱ কৰিবলৈ হাল বোৱা চাকৰ এজনৰ কথা চিন্তা কৰে। কিন্তু চাকৰ ৰাখিবলৈ টকা ক'ত? সোণৰ অলঙ্কাৰৰ প্ৰতি নাৰী মাত্ৰেই দুৰ্বলতা আছে। কিন্তু পতিৰ তুলনাত সেই অলঙ্কাৰ একেবাৰে তুচ্ছ। সেয়ে পতি সৰ্বস্ব ঘৈণীয়েকে গিৰিয়েকৰ দুখ-কষ্ট দূৰ কৰিবলৈ কাণৰ সোণা ধনীৰ ঘৰত বন্ধক থৈ হ'লেও পালে এটি হাল বোৱা চাকৰ ৰাখিবলৈ মন মেলিছে। এইয়া দাম্পত্য প্ৰেমৰ মধুৰ চিত্ৰ।

"পতি মোৰ হাল মুৰিৰ গেইছে,
পতি মোৰ হাল ববাৰ গেইছে।
দুপুৰী বৈদত হাল বোৱায় পতি,
গাও জ্বালা কৰে মোৰে॥
যদি এখ্না মানুষি পানু হয়,
যদি এখ্না চেংৰা পানু হয়।
কাণৰ সোণা বন্ধক থুইয়া
চাকৰী বাখিনু হয়॥"

এনে টানৰ আঁৰত দাম্পত্য প্রেমৰ কি সংবাদ লুকাই আছে তাক নকলেও বুজিব পৰা যাব। গোৱালপৰীয়া লোকগীতৰ দাম্পত্য প্রেম স্বচ্ছ, নিভাঁজ কেঁচা সোণ যেন। ইয়াত মলিনতাৰ আঁচ নাই, আছে পবিত্রতাৰ ৰশ্মি, অপূর্ণতাৰ দুখ নাই, আছে পূর্ণতাৰ আনন্দ-উচ্ছ্বাস, প্রেমৰ অলীয়া-বলীয়া কোৰ নাই, আছে ধীৰ, মন্থৰ, মধুৰ গতি, পাই হেকওৱাৰ আশঙ্কা নাই, আছে নতুনকৈ পোৱাৰ আকর্ষণ, নোপোৱাৰ বেদনাৰে হিয়ালি-জিয়ালি প্রাণৰ নৈৰাশ্য নাই, আছে পাই পাই শেষ কৰিব নোৱাৰা সুদূৰ সঞ্চাৰি ভাব। পতি-পত্নীৰ সাময়িক বিচ্ছেদত যি কৰুণ ৰাগিণী গীতৰ সুৰত বাজি উঠে সিয়ে প্রমাণ কৰে নাৰীৰ প্রতি থকা পতিৰ দৃঢ় বিশ্বাস, অকৃত্রিম ভালপোৱা আৰু নিভাঁজ মৰম-চেনেহৰ কথা আৰু পতিৰ প্রতি থকা পত্নীৰ গভীৰ শ্রদ্ধা আৰু অতল ভক্তিৰ কথা। দাম্পত্য প্রেমৰ এনে চিত্রবোৰ সঁচাকৈ আদর্শৰ যোগ্য।

৭। গ। ৪। ৰাধা-কৃষ্ণৰ প্রেম ঃ

গোৱালপৰীয়া লোকগীতৰ প্রেম জীবন সঞ্চাৰিণী সুধা।

"আমেৰ গাছে কুকিল পৰে
কুহু কুহু ৰাৱ কৰে
ও প্রাণ বাচেনা ওৰে কুকিল
শ্যামৰ বিচ্ছেদে।"

গোৱালপৰীয়া লোকগীতৰ মাজত ৰাধাকৃষ্ণৰ প্রেম বিষয়ক এটি বুজন সংখ্যক গীত দেখিবলৈ পোৱা যায়। এই গীতবোৰৰ উৎস বড়ু চণ্ডীদাসৰ শ্রীকৃষ্ণ কীর্তন

যেন লাগে। শ্রীকৃষ্ণৰ কীর্তনৰ ৰাধা-কৃষ্ণৰ প্রেম লোক সমাজৰ অতি প্রিয়। ইয়াত প্রকাশিত ৰাধিকাৰ প্রেমো পৰকীয়া প্রেম। সেই বুলি আমি গোৱালপৰীয়া পৰকীয়া লোকগীতবোৰৰ ওপৰত ইয়াৰ প্রভাব পৰা বুলি কব নোৱাৰোঁ। কাৰণ সেইবোৰ গীতত চহা কবিৰ সৰল ভাবাবেগৰ স্ফুৰণহে আছে। চণ্ডীদাসৰ নিচিনা সুদক্ষ কবিৰ প্রভাবৰ কোনো ইঙ্গিত পোৱা নেযায়। কবি চণ্ডীদাসে ৰাধা-কৃষ্ণৰ পার্থিব প্রেমৰ মাজেৰে আত্মা-পৰমাত্মাৰ প্রেমৰ ইঙ্গিত দিবলৈ চেষ্টা কৰিছে। কিন্তু চহা কবিৰ ভাব কল্পনাই তিমান ওপৰলৈ নুউধাই কেৱল পার্থিব আৰু দৈহিক সীমাৰ মাজতেই বৈ গৈছে। বিশেষকৈ মন কৰিবলগীয়া কথা যে গোৱালপৰীয়া পৰকীয়া প্রেমৰ গীতবোৰৰ (আগত আলোচনা কৰা) চৰিত্র ৰাধা-কৃষ্ণ নহয়; গাওঁত বাস কৰা অনি-মনি ধনি, ফুনু-জুনু-ৰুনু হে। চণ্ডীদাসৰ শ্রীকৃষ্ণ কীর্তনৰ প্রভাবেৰে পৰিপুষ্ট নহৈ নিজস্ব বৈশিষ্ট্যৰ গৰ লৈ উঠাত এইবোৰ লোক-গীতৰ সৌন্দর্যও সোণত সুৰগা চৰা যেন হৈ পৰিছে। কিন্তু ৰাধা-কৃষ্ণৰ প্রেম বিষয়ক গীতবোৰৰ ওপৰত চণ্ডীদাসৰ প্রভাৱৰ কথা নুই কবিব নোৱাৰি; বৰং গাঢ় বুলিহে ক'ব পাৰি।

শ্রীকৃষ্ণ মুকলী ধাৰী। হাতত মোহন বাঁহী, মুখত মধুৰ হাঁহি আৰু চকুত প্রেমৰ দুষ্টালি হ'ল গোৱালপৰীয়া লোকগীতৰ শ্রীকৃষ্ণৰ বৈশিষ্ট্য। কৃষ্ণ আৰু ৰাধাৰ প্রেম হ'ল। এই প্রেমত কৃষ্ণতকৈ ৰাধিকাহে বেছি কাতৰা। কিয়নো কৃষ্ণৰ মনৰ ক্রিয়া-প্রতিক্রিয়াৰ বিশ্লেষণ আৰু বর্ণনাতকৈ ৰাধাৰ মনৰ বিভিন্ন অবস্থাৰ বর্ণনা বেছিকৈ দিয়া হৈছে।

কৃষ্ণৰ প্রেমত ৰাধিকা বাউলী। কৃষ্ণ আহিব আহিব বুলি দিনৰ পিছত দিন, ৰাতিৰ পিছত ৰাতি ৰাধাই অপেক্ষা কৰে। কৃষ্ণক যতন ধৰিবলৈ আবশ্যকীয় বস্তুবোৰ যতনাই থয়।

"শ্যাম কালা আসিবে বইলে
মালা গাঁথি মুই থুইছুং ঘৰে,
* * * * * *
শ্যাম কালা আসিবে বইলে
বিছনা পাৰিয়া থুইছুং ঘৰে॥"

কেতিয়াবা কৃষ্ণ আহে কেতিয়াবা নাহে। কৃষ্ণ আহিলে ৰাধাৰ আনন্দ, নাহিলে মুখ মেঘাচ্ছন্ন। কৃষ্ণৰ প্রেমৰ মূল মন্ত্র হ'ল বাঁহী। 'নামসমেতং কৃষ্ণসংকেতং

বাদয়তে বেণুম।' — জয়দেবৰ 'গীতগোবিন্দম'ৰ কৃষ্ণৰ নিচিনাকৈ ইয়াতো মুকলী-ধাৰীয়ে মুকলী বজায় আৰু তাৰে সুৰত ৰাধাক মাতে।

"একেতো বাঁশেৰ বাঁশী
পিতল দিয়া বান্ধা,
হাতেৰ টিপিনী মুখেৰ ফোঁকে
বোলে ৰাধা ৰাধা ॥"

বাঁহীৰ এনে সুৰ শুনি ৰাধাই জানো মন বান্ধিব পাৰে? কৃষ্ণও আকৌ কম নহয়। ছেগ চাই সুবিধা বুজিহে বাঁহীত ফুঁক দিয়ে। ৰাধিকাই যেতিয়া অকলশৰে নদীৰ ঘাটৰ পৰা পানী আনিব যায় তেতিয়াহে কৃষ্ণৰ বাঁহীৰ কোৰ চৰে। বাঁহীৰ সুৰ শুনি এইফালে ৰাধাৰ হয়গৈ একেবাৰে দুৰবস্থা।

'যখন আমি জলে আসি
তখন কালা বাজায় বাঁশী,
আৰে বাঁশীৰ সুৰে খসিয়া পৰে
কাঙ্কেৰ কলসি '

* * *

বাঁশীৰ সুৰে খসিয়া পৰে
আঞ্চলেৰ শাৰি ৰে ॥"

প্ৰেমৰ আমনিবোৰতো আনন্দ আছে। সেয়ে এনেবোৰ আমনি স্বত্বেও কৃষ্ণক নেদেখিলে নাইবা কৃষ্ণৰ বাঁহীৰ মাত নুশুনিলে ৰাধাৰ মনটো ভাঙি পৰে; উকা-উকা, বিঙা-বিঙা লাগে। কিবা এটা নাই নাই. কিবা এটা হেৰুৱা যেন লাগে। মনটো নিৰস হৈ পৰে। কৃষ্ণৰ বাঁহীয়েহে ৰাধাৰ নিৰস মন সৰস কৰি তুলিব পাৰে:

"কেনেহে ৰাধে তোৰ বিৰস মন
তোৰ কানাইয়া বাজায় বাঁশী।"

কৃষ্ণৰ বাঁহীত যাদু আছে। সেই বাঁহীৰ সুৰ ৰাধিকালৈ সম্মোহনী মন্ত্ৰ। বাঁহীৰ মাত শুনিলেই ৰাধাৰ মন উচাট্ বিচাট্ কৰে। উৰু উৰু মন একোতেই বান্ধিব নোৱাৰি কৃষ্ণক বাঁহী নবজাবলৈ অনুৰোধ কৰে:

"কানাই আৰ নাবাজান বাঁশৰী,
তোৰ বাঁশীৰ সুৰে মন বান্ধিতে নাপাৰি ॥"

ৰাধাই কেতিয়াবা যায় হাট কৰিব। বাটত আছে বাৰিষাৰ ভৰা নদী। এফালে নদীৰ সোঁত আনফালে বতাহৰ কোৰ। নদীৰ বুকু হুলুস্থুল। তেনে সময়ত ৰাধিকাই নদী পাৰ হয় কেনেকৈ? কিন্তু এটা কথা ৰাধাই ভালকৈ জানে যে ৰাধা ম'ত কৃষ্ণও ত'ত। সেয়ে আশে-পাশে কৰবাত কৃষ্ণ আছে— এই কথা বুজি পাই ৰাধাই গীতৰ ছলেৰে কয় :

"ধু ধু কাঁশিয়াৰ ফুল,
নদী হইলো কালা হুলুস্থুল বে,
নদী দেখিয়া পৰাণ কান্দেৰে।
যে নাইয়া কৰিব পাৰ,
তাকে দিবো কালা গলাৰ হাৰ বে,
পাৰ কৰিলে যৈবন কৰিব দান॥"

সেই ঘাটৰ ঘাটোৱাল আন কোননো হব? কৃষ্ণই। তেনেহলে কৃষ্ণক দিবলৈ ৰাধাৰনো বাকী থাকিল কি? প্ৰেমৰ মাজতেই ৰাধাই বিচাৰি পায় নিজৰ জীবনৰ অস্তিত্ব।

চণ্ডীদাসৰ শ্ৰীকৃষ্ণ কীৰ্তনৰ প্ৰভাব পৰিলেও গোৱালপৰীয়া লোকগীতত চণ্ডীদাসৰ ভাবৰ অখণ্ড প্ৰবাহ দেখিবলৈ পোৱা নেযায়। শ্ৰীকৃষ্ণ কীৰ্তনত আইহান পত্নী ৰাধিকাৰ মন বহুত কষ্ট কৰিহে কৃষ্ণই জয় কৰিছে। তাৰ পিছত কৃষ্ণই বন-উপবন, যমুনাৰ জল, যমুনাৰ বালি চাপৰি, নদীৰ ঘাট, মথুৰাৰ হাট য'তেই ৰাধিকাৰ লগ পাইছে ত'তেই প্ৰেম ভিক্ষা কৰিছে। ৰাধাহে ক'তই কৃষ্ণৰ মন তুষ্ট নকৰাকৈ থকা নাই। শেষত কৃষ্ণই ৰাধাৰ সম্পূৰ্ণ মন জয় কৰি অন্তৰ্ধান হৈছে আৰু ৰাধাই বিৰহ সাগৰত ডুবি কেবল মাত্ৰ অতীতৰ মধুৰ স্মৃতিবোৰ সুঁৱৰি দুখ কৰিছে। গোৱালপৰীয়া লোকগীতত ৰাধা-কৃষ্ণ-প্ৰেমৰ এনে অখণ্ড প্ৰবাহ আছেনে? হয়তো আছে, হয়তো নাই। কাৰণ ৰাধা-কৃষ্ণ বিষয়ক সকলোখিনি গীতেই আজিলৈকে উদ্ধাৰ হোৱা নাই। যদি ভবিষ্যতে তেনে ভাবৰ সামঞ্জস্য পূৰ্ণ গীতৰ উদ্ধাৰ আৰু প্ৰকাশ হয় তেনেহ'লে তাক আমি বড়ু চণ্ডীদাসৰ শ্ৰীকৃষ্ণ কীৰ্তনৰ গাঁৱলীয়া ভাওৰণ বুলিলে অত্যুক্তি কৰা নহ'ব যেন লাগে।

পৃথিবীৰ প্ৰত্যেক ভাষা-ভাষীৰেই প্ৰেম বিষয়ক লোকগীত আছে। কিন্তু সংখ্যা গৰিষ্ঠতাত গোৱালপৰীয়া লোকগীতক চেৰ পেলাব পাৰিবনে সন্দেহ হয়। কেবল সংখ্যাৰ ফালৰ পৰাই নহয় বাস্তব মানবৰ দেহজ প্ৰেমৰ সকলো দিশৰ নিখুঁত ছবি আঁকিব পৰা প্ৰেমৰ সূক্ষ্মাতিসূক্ষ্ম ভাবানুভূতিৰ সম্পূৰ্ণ প্ৰকাশ কৰিব

পৰা এনে লোকগীত জগতৰ সকলো জাতিৰ সাহিত্যত নোলাব যেন লাগে। বিহু গীত প্ৰেম সৰ্বস্ব। ইয়াত প্ৰেমৰ পূৰ্বৰাগ, মিলন, বিচ্ছেদ-বিৰহ আদিৰ উষ্মা গোন্ধ বিয়পি আছে। কিন্তু প্ৰেমৰ বাস্তৱ ৰূপৰ চাৰি দিশৰ আত্ম প্ৰকাশত, প্ৰেমানুভূতিৰ সহজ অথচ কোমলকাতৰ আবেগিক বিকাশত আৰু বিশেষকৈ যি কোনো মানুহৰে অতি সহজতে প্ৰাণস্পৰ্শ কৰিব পৰাকৈ মধুৰ আবেদনশীলতা আৰু অখণ্ড গতিশালতাৰ লাহ-বিলাহ পূৰ্ণ থোকি বাখৌসিত এই গীতবোৰে বিহুগীতকো চেৰ পেলোৱা যেন লাগে।

৭। গ। ৫। সাধাৰণ প্ৰেমমূলক গীত ঃ

১। প্ৰেম জানে না ৰসিক কালাচান্দ্,
সদায় ঝুৰিয়া থাকে মন।
আৰ ক'ত দিন বন্ধুৰ সঙ্গে,
হবে দৰিশন বন্ধু ৰে॥
ও বন্ধু ৰে, তোমাৰ বাৰী আমাৰ বাৰী,
যাওৱা আইসা অনেক দেৰি,
যাবো কি ৰবো কি সগায়[১] কৰে মানা।
হাটিয়া যাইতে নদীৰ পানী,
খাপ্লাং কি খুপ্লুং কি,
খালাউ খালাউ কৰে ৰে,
হায় হায় মোৰ পৰাণৰ বন্ধু ৰে॥
ও বন্ধু ৰে, একলা ঘৰে শুতিয়া থাকং
পালঙ্কৰ উপৰে,
মন মোৰ আগুন বিল্ বিল্ কৰে
গ'ৰ উলটিতে[২] মোৰ পালঙ্কি
কেৰ্ৰেত কি কাৰ্ৰেত কি
কেৰেং কেৰেং কৰে ৰে,
হায় হায় মোৰ পৰাণৰ বন্ধু ৰে॥

১। সকলোৱে ২। বাগৰ সলাওঁতে।

২। অ' মোৰ কন্যাৰে কন্যা,
তোৰ কন্যা পীৰিতিৰ আশে,
বাপ ভাই কন্যা ছাৰিনু দেশে বে।
কন্যাৰে মায়া লাগেয়া,
ছাৰিয়া গেইলেন মোকে বে॥
ও মোৰ কন্যা বে কন্যা,
ওৰে তোৰ কন্যা পীৰিতিৰ হানা[১],
ভাসিনু সাগৰৰ পানা[২] বে।
কন্যাৰে মায়া লাগেয়া,
ছাৰিয়া গেইলেন মোকে বে॥
ও মোৰ কন্যা বে কন্যা,
তোৰ কন্যা এমন মায়া,
ছাৰিতে নাযায় ছাৰা বে।
কন্যা মায়া লাগেয়া,
ছাৰিয়া গেইলেন মোকে বে॥
ও মোৰ কন্যাৰে কন্যা,
অভই যদি ছিলেক মনে,
দাৰুণ প্ৰেম লাগাইলেন কেনে বে।
কন্যাৰে মায়া লাগেয়া,
ছাৰিয়া গেলেন মোকে বে॥

১। জ্বালা, ২। পানী মেটেকা।

৩। ঢালুৱা খোপা মুটুক চুল,
শাৰিৰ আঞ্চল বাতাসে উৰায় না বে।
তোৰ নাৰী নব যৈবন,
তাকে দেখিয়া মন মোৰ ঢুল খেলায় বে॥
পূবৰ বেলা পইল ভাটী,
এলাও বন্ধুৱাৰ মোৰ নাই দেখা দেখি।
অ মুই আলে চালে পাছিলা বাৰী যায়া দেখং,
বন্ধু মোৰ আসিবাৰ লাগিছে॥

আঞ্চলে বান্ধিয়া গুৱা,
শাক তোলং মুই পাছিলা বাৰীত ভুলকি[২] মাৰিয়া।
ও মোৰ চউকে ঝিল্‌কি লাগে,
নয়া ৰং বেশ ধৰে মোৰ বন্ধুক দেখিয়া॥
ঢালুৱা খোপা মুটুক চুল॥

১। মুকুট সদৃশ, কেকোৱা, ২। ভুমুকিয়াই চোৱা।

৪। মোৰ বন্ধুধন গান গায়া যায় বে,
খিৱল নদীৰ পাৰে পাৰে গান গায়া॥
বন্ধুৰ হাতত মোহন বাঁশী বে,
বন্ধুৰ মাথাত বাবৰী[১] চুল।
হাতে নিয়া সখেৰ দোতৰা,
বন্ধুৰ কাণত চাম্পা ফুল বে॥
বন্ধুক লাগাল পাবাৰ বাদে,
জলেৰ ঘাটত আছং বসি।
কত জনে কত কথা কয়,
সেগুলা[২] কথা গাত নালাগং বে,
বন্ধুক লাগাল পাবাৰ কথা বে॥

১। দীঘলকৈ ৰখা চুলি, ২। সেইবোৰ।

৫। ও কি অ'ৰে পুবাল হাওৱা,
জোৰ কৰিয়া তোলাও[১],
বন্ধুৰ মতো শীতল কৰ বে হিয়া॥
আৰ মনেৰ আশা মনে ৰ'ইল,
দাৰুণ বিধি মোৰ যম হ'ইল,
পৰাণ বন্ধু মোৰ হয়া গেইল পৰ॥
নাজানিয়া প্ৰেম কৰিয়া,
দিবা নিশি ঝোৰে হিয়া,
বালুস ভেজে দুই নয়নেৰ জলে॥
নাৰী জনম মোৰ বেথায় গেইল,
হাউসেৰ পীৰিত নষ্ট হ'ইল,
পৰাণ বন্ধু মোৰ হয়া গেইল বে পৰ॥

১। বৈ অহা।

৬। আৰ মুই নাশোনোং,
আৰ মুই নাশোনোং নাশোনোং,
তোৰ বৈদেশীয়াৰ কথাবে।
ও মোক ছাৰিয়া গেইলেন কেনে?
আইলে[১] আইলে আইল কাঁশিয়া[২]
গাত পৰে ঢলিয়া,
বন্ধুৰ বাৰীতে কাছাৰী নদীতে,
নয়ন কৰিলু খালি বে।
ও মোক ছাৰিয়া গেইলেন কেনে?
বন্ধুৰ বাৰী নদীৰ ওপাৰে,
কেমনে হবে দেখা।
বাতিৰো নিশাকালে,
কত কথা উঠে মনে,
নয়ন কৰিলু খালিবে।
ও মোক ছাৰিয়া গেইলেন কেনে?

১। আলি, ২। কাঁহিবন।

৭। মন কান্দে মোৰ ভাউজী[১] লো।
সোণা ময়নাৰ বাদে[২] ॥
পীৰিত কৰিয়া গেইছেৰে ভুলিয়া,
আৰ নাচায় ফিৰিয়া বে।
ভাউজীলো কথা ক'ইলে,
আৰ নাচায় ফিৰিয়া ॥
আৰ যোৱা হাৰা[৩] চকোৱা যেমন
ডালত পৰিয়া কান্দে
সেই মতন মুই বসিয়া কান্দোং
সোণাৰ ময়নাৰ বাদে।

১। নবৌ, ২। কাৰণে ৩। এৰিধ চৰাই।

৮। বাৰীৰ আগিলা চম্পা নদী
শীতল হাওৱা বয়বে।

বন্ধু মোৰ বাখালিয়া
মুৰলী বাজায় যে ॥
যদি বন্ধু পীৰিত কৰো
যাইয়ো নদীৰ ঘাটে।
দুয়োজনে পীৰিত কৰিব
চউকেৰ ইশিৰাতে ॥
হাট যান বাজাৰ যান
কিনিয়া আনেন শাৰি
সেই শাৰি পিন্ধিয়া যাইম মুই
দয়াৰ বাপেৰ বাৰী ॥
হাট যান বাজাৰ যান
কিনিয়া আনেন কদু[১]।
বুকেৰ উপৰ বুক নাগেয়া
বন্ধু আস্তে খাইবেন মধু ॥

১। বঙা লাউ।

৯। জানিয়াও জানলেন না, শুনিয়াও শুনলেন না,
জ্বলেয়া গেইলেন মনেৰ আগুন,
নিবিয়া গেইলেন না।
অ মোৰ নয়নেৰ কাজল,
ভিলেক দণ্ড না দেখিলে,
মন হয় মোৰ পাগল ॥
বন্ধু কেন্‌চি[১] কাটা চুল,
হয় না পৰি চেংবা বন্ধু মোৰ,
খেল কদমেৰ[২] ফুল ॥
বন্ধু মোৰ নয়নেৰ সুৱা[৩],
বন্ধুৰ জন্যে বান্ধিয়া থুইছং,
আঞ্চলে গুৱা ॥

১। চুলি কটা অস্ত্র, ২। এবিধ সরু কদমৰ গছ, ৩। (পখী) প্রিয়জন।

১০। ও কন্যা হস্তে কদমেৰ ফুল,
তিন কন্যা জলত যায়,
কাৰ্‌বা কেমন ৰূপ কন্যা বে ॥
আগেৰ জনা যেমন তেমন বে কন্যা,
পাছেৰ জনা ওৰে মন্দ।
মধ্যেৰ জনাৰ কেশ খাটো,
আগেৰ জনাই ভাল কন্যা বে ॥
বলদ নৰাং বলদ চৰাং বে কন্যা,
বলদক মাৰং কোৰা[১]।
বলদেৰ পিঠিত তুলিয়া দিছং,
সাৰিন্দা[২] দোতৰা কন্যা হে ॥
টালাৰ[৩] মত গুৰা বন্ধু বে
বন্ধু কুলাৰ মত পাণ।
বাটা ভৰা পাণ সুপাৰী,
আমাৰ বাৰীত যান বন্ধু বে ॥
কোন দুৱাৰী ঘৰ কন্যা হে,
কন্যা কোন দিগ দিয়া ঘাটা[৪]।
সত্য কৰিয়া কও কন্যা,
কোথায় হবে দেখা কন্যা হে ॥
পূব দুৱৰী ঘৰ বন্ধু হে,
বন্ধু পশ্চিম দিয়া ঘাটা।
সত্য কৰিয়া কইলং কথা,
বাৰীত হবে দেখা বন্ধু হে ॥

১। চাবুক, ২। তাৰৰ বাদ্য যন্ত্ৰ, ৩। ধান চাউল জোখাৰ বাবে বাঁহ বা বেতৰ তৈয়াৰী সৰু পাত্ৰ, ৪। বাস্তা।

৭। গ। ৬। পৰকীয়া প্ৰেমৰ গীত ঃ

১। একবাৰ আসিয়া
সোণাৰ চান্দ মোৰ
যাও দেখিয়া বে।
আইলত ফোঁটে আইল কাঁশিয়া[১],
দোলাত[২] ফোঁটে হোলা[৩]।
ওৰ বাপ মাৰে বেচেয়া খাইছে,
সোৱামী পাগেলা বে।।
লোকে যেমন ময়না পোষে,
পিঞ্জিৰা ভৰেয়া।
ঐ মতন মোৰ নাৰীৰ যৈবন,
ৰাখিছং বান্ধিয়া বে।।
এদিয়া ওদিয়া যান বে বন্ধু,
ডাৰা[৪] নাহন পাৰ।
থাউক বোল তোমাৰ দিবাৰ-থুবাৰ
দেখায় পাওৱা ভাৰ[৫] বে।।
পাখা নাই মোৰ পাখা নাই মোৰ,
নাই ধৰিবাৰ ডাল।
ওৰে নাৰীৰ যৈবন পাণৰ বোটা[৬]
ৰাখিম কত কাল বে।।

১। কুহ জাতীয় বিৰিণা, ২। পানী থকা দ বা নামনি ঠাই। ৩। ভেট ফুলৰ গছ, ৪। পানী যোৱা নলা, বাৰিষা পানীত ডল যোৱা ৰাস্তা, ৫। কঠিন, টান, ৬। পাণৰ ঠাৰী।

২। অ মোৰ ৰসেৰ বিনোদ,
বিনোদ ছাইঞ্চা[১] দোৱাৰে আইসো।
ঝৰি পৰে ছিপো ছিপে।,
ৰাইৰা কেনে ভিজো,
ঘৰেৰ পাছিলাত মানাৰ[২] পাত বে
বিনোদ কাটিয়া মাথায় দেও।।

ঠেঙতে তোমাৰ ভৰিছে কাদো[৩],
বিনোদ খোপায় মুচৰে পাও ॥
মজিয়াত আছে তুষেৰ আগুন,
বিনোদ আস্তে ফেলাও বে পাও।
মোৰ হাউসেৰ বিনোদ।

১। ঘৰৰ বেৰ আৰু ঘৰৰ চালৰ পানী পৰা এই দুই ঠাইৰ মাজৰ ঠাইখিনি। ২। মান কচু। ৩। বোকা।

৩। এপাৰে আমাৰ বাৰী,
ওপাৰে বন্ধুৰ বাৰী সই,
মধ্যে হইল খিবল নদীৰ খেওৱা[১]।
আৰে কাজল ভোমোৰা,
গৰুৰ বাথোৱাল বে,
মোৰ নাৰীৰ কোলায় বাচ্চা ছাওৱা ॥
নাজানং সাতাৰ[২] নাজানং পৌৰীবাৰ[৩],
নাজানং ভুৰা[৪] বাহিবাৰে।
আজি অগম দৰিয়াৰ[৫] মাঝে,
কে দিবে খেওৱাৰে,
মুই নাৰী কেমনে দিবো পাৰি[৬] ॥
বালুতে বান্ধিনু বালুতে বাঢ়িনু সই,
জলে ভাসেয়া দিনু হাড়ী।
মোৰ বিয়াৰ সোৱামী মৰিলে,
মাছ ভাত মুই খাইম বে,
বন্ধু মৰিলে হ'ইম মুই বাৰী ॥

১। মানুহ নদী পাৰ হোৱা ঘাট। ২। সাঁতোৰ। ৩। এই শব্দটো বিভিন্ন জনে বিভিন্ন ধৰণে কয়। যেনে :— উৰিবাৰ, লঙ্ঘিবাৰ, আতাৰ, পাতাৰ, বইবাৰ। অৰ্থ হ'ল পাৰ হোৱা। ৪। কলৰ ভেল। ৫। নদী। ৬। পাৰ হোৱা।

৪। বুধ না বিমুদ বাৰে,
ছাওৱা নিয়া শুতিছং ঘৰে,
তুই বন্ধু সোন্দালু[১] আই মোৰ ঘৰে।

ভাগিনা বৌ দেখিয়া,
স্বামীৰ আগে দিছে বে কন্যা,
মাৰে স্বামী মোক দুই হস্ত বান্ধিয়া ॥
মাইৰেৰ চোটে মুই কবুল[২] দেওং,
আইসৰে মৰা বিৰি ধৰেবাৰ বাদে।
শোন দিদি ভাৰতী,
সপনে কাহিনী দেখি,
দেখি আজিকাৰ ৰাতি ॥
চেতন হয়া প্ৰাণ বন্ধুক নাদেখি,
বুকু ভিজিল মোৰ দুই নয়নেৰ জলে।
দিদি বে, বুক ভিজিল মোৰ দুই নয়নেৰ জলে ॥

১। সোমোৱা ২। স্বীকাৰ কৰা।

৫। কেশ কোনা তোৰ আউলা ঝাউলা ও,
ভাউজী[১] পিঠিত কেনে মাটি ?
কোন ৰসিয়াই ৰস কৰিছে,
ছিৰ্‌ছে গলাৰ কাটি[২] ভাউজী ও ॥
গোৱাইল[৩] ঘৰত ধুমা[৪] দিতে ও,
দেওৰা গৰু দিছে লাথিত্থ,
ভাশুৰ দেখি দৌৰ মাৰিতে,
ছিৰ্‌ছে গলাৰ কাটি দেওৰা ও ॥
আসুক দেওৱানী[৫] দাদা ও,
ভাউজী কয়া দিম তাৰ আগে।
গোৰা[৬] গাৱে বেতেৰ চৰি[৭],
মাৰিবে গোটে গোটে ॥
আসুক দেওৱানী দাদা ও,
দেওৰা বসিৰ দিম মুই মোৰা।
বুকুত হেজানি দিয়া,
বাজাইবে দোতৰা দেওৰা ও ॥

১। ননৰৌ । ২। মণিৰ মালা। ৩। গোহালি ঘৰ। ৪। ধোঁৱা।
৫। মেল মিটিং কৰি ফুৰা মানুহ। ৬। গোটেই। ৭। এচাৰি।

৬। অ মোৰ খাক্‌কাউ[১] কৰিয়া
লাগিল চালৰ বাতাস।
হুক্কুত কৰিয়া উঠিল দেওৱাৰ কথা॥
আৰ হুক্কুত কৰিয়া ভাণ্ডৰ দুৱাৰত কাঁসে।
কোটাই গেইল পানীয়া মৰা
এলাও না আইসে॥
মাসে মাসে কৰাং নিৰা[২],
চাঁদে চাঁদে[৩] মৰে,
মন মোৰ আবিল্‌ বিল্‌ বিল্‌ কৰে।
মন মোৰ কেমন কেমন কৰে
মন মোৰ উৰাং বাইৰাং কৰে,
আই মোৰ একেলা ঘৰে॥
বাৰীৰ পাছিলাত আছে দেওৱা,
কাইন[৪] কৰিবাৰ চায়।
এখান শাৰি দিলেক হয়,
হাতত চুৰি দিলেক হয়,
গলাত মালা দিলেক হয়,
কাণত অস্তি[৫] দিলেক হয়,
নাকত নোলো দিলেক হয়,
ঠেঙত খাৰু দিলেক হয়,
যদি কাইন বসিনু হয়॥

১। চালত হঠাৎ বতাহ লাগি হোৱা শব্দ, ২। বিধবা বিয়া, ৩। পথে পথে, ৪। বিধবা বিয়া, ৫। কাণত পিন্ধা অলঙ্কাৰ।

৭। দুঃখ মোৰ কপালৰ লেখা,
খণ্ডাইবে কোন বিধাতা,
আপোন দোষে মুই ভাসিনু সাগৰৰ জলে।
ওৰে হায়ৰে নিঠুৰ বন্ধু,
আৰ কত মোক দিবুৰে জ্বালা,
এ জ্বালা মোৰ নাসয় অভাগীৰ প্ৰাণে।

আৰ তোৰ বন্ধু পীৰিতিৰ জ্বালা,
বিয়াৰ সোৱামীৰ কাটিনু গলা,
সিতেৰ সিন্দুৰ মুই মুচিনু আপোন হাতে।
হয়া সংসাৰেৰ মাৰ,
ছাৰিনু মুই কোলাৰ ছাৰ ৰে,
কান্দে ছাওৱা মোৰ পৰাৰ দুৱাৰে॥
তবু নাপানু তোমাৰ মন,
কত কৰিস আৰ অপমান,
কত কান্দাইস মোক দিনে আৰ ৰাইতে।
ওৰে কি দিয়া দেও মুই ভাঙ[১],
থাকি নাই মোৰ বাপ-মাও,
তুই ছাৰা আৰ মোৰ কায় আছে কাণ্ডাৰী॥

১। বুজনি।

৮। আই মোৰ পাএ ৰা,
ঘুঙুৰা বাজে ৰে,
আই মুই কেমনে ৰাইৰা যাং॥
ঘৰে মোৰ শশুৰ,
বাইৰে মোৰ ভাশুৰ ও,
শিয়ৰে ননদী জাগে,
আই মুই কেমন কৰিয়া বাইৰা যাং॥
আই মোৰ পাএ ৰা,
ঘুঙুৰা বাজে ৰে,
আই মুই কেমনে বাইৰা যাং॥
পীৰিতিৰ আশে, পীৰিতিৰ বাদে ও
ঘুঙুৰা বানাইতে দিনু।
না জানিয়া বানিয়া বন্ধু ও,
ঘুঙুৰাত কালাই ৰা,
ভৰেয়া দিছে ৰে,
আই মুই কেমনে বাইৰা যাং॥

ঠাসিয়া[১] ধৰং, চিপিয়া[২] ধৰং ও,
আন্তে ফেলাং বে পাৱ।
আই মুই জলেৰ ঝাৰী,
কাঙ্কে নিয়া ও
আই মুই নদীৰ ঘাটে যাং বে॥
আই মুই কেমনে বাইৰা যাং॥

১। হেঁচি ধৰা, ২। চেপি ধৰা।

৯। ওৰে ও বন্ধুধন তোমাৰে ভৰসা
ঘৰে আছে মোৰ বিয়াৰ সোৱামী
সে হইল মোৰ পাগেলা বন্ধুহে॥
ঘৰে আছে মোৰ ভাশুৰ শশুৰ
আৰ আছে ছোট দেওৰা
আৰো আছে বিয়াৰ সোৱামী
সে হইল পাগেলা বন্ধুহে॥
দুয়োজনে যুক্তি কৰিয়া বে,
ও বন্ধু কৰিলং পীৰিতি।
একেলায় ফেলেয়া গেইলেন,
চউকেৰ জলে ভাসি বন্ধু বে॥
কিবা কৰাৰ চাইলেন বন্ধু বে,
ও বন্ধুধন বগলে বসিয়া।
আৰ মনেৰ কথা মনে ৰইল,
ছাৰিয়া গেইলেন মোক বন্ধু বে॥

১০। খৰিৰ বোজা মাথায় নিয়া
মুই নাৰী যাং ৰাস্তা দিয়া
দেখা পাইল মোৰ ভাগিনা বধুৱা॥
স্বামী হইল মোৰ গৰীব কামেলা
হাতীৰ মাহুতে দেয় মোক তেল চাবোন কিনিয়া
দেখা পাইল মোক ভাগিনা বধুৱা॥

ভাগিনা বধুৱা হয়া,
স্বামীৰ আগে দিলবে কন্যা,
মাৰে স্বামী মোক দুই হস্ত বান্ধিয়া ॥
মাইৰেৰ চোটে কবুল দিলুং
হাতীৰ মাহুতেৰ সাথ ছাৰিলুং
আৰো ছাৰিলুং গৌৰীপুৰেৰ চিনেমা ॥

১১। পীৰিতিৰ আগুনে সই
শূন্যে উৰাইলো ছাই
সেই আগুনে না উঠিলোৰে ধুমা
যেই দিকে দেখং সেই দিকে ধুৱা বে।
আজি কাৰবা হাতে পাঠাইম বে চান্দেৰ গুৱা।
কাঁশিয়াৰ তলে তলে
মধুৱাৰ[১] তলে তলে
মৈষাল বন্ধু যাওৱা আইসা কৰে
মইষেৰ পিঠিত ছৰিয়াৰে বন্ধু
বুক দেয় হালিয়া ॥
পাৰাৰ লোক মোৰ বৈৰী সই
পৰাণেৰ বৈৰী শশুৰী ননদী
বিয়াৰ সোৱামী সিয়ো পাৰে গালি
মুই নাৰীটো প্রেমাগুনে পোৰা ॥

১। বিৰিণা, বাটা

১২। নাকান্দিস নাকান্দিস বে ভেলোৱা,[১]
ৰাত্রি নিশা কালে।
তোৰ ভেলোৱাৰ কান্দোন শুনিয়া,
মন নাৰয় থৰেৰে ॥
ভেলোৱা কান্দিস কেনে ?
তখনে না কৈছুং বে ভেলোৱা,
না যাইস শশুৰ বাৰী।

শশুৰ বাৰী গৈলে বে ভেলোৱা,
তোক না দিবে ছাৰি বে ॥
ভেলোৱা কান্দিস কেনে ?
ছোট ছোট পাখি বে ভেলোৱা,
তাৰো আছেৰে যোৰা ।
তোৰে মোৰে দাৰুণ বিধি,
নাই লেখে আৰ যোৰা বে ॥
ভেলোৱা কান্দিস কেনে ?

১। এবিধ চৰাই, ৰাজহাঁহৰ নিচিনা, প্রেমিক অর্থত ব্যবহাৰ হৈছে।

১৩। যান বন্ধু ধন আমাৰ বাৰী,
স্বামী গৈছে ফুলবাৰী,
সাৰা ৰাত্রি কৰো দুঃখৰ কথা ॥
আমি নাৰীটা ভৰ যুবতী,
বিয়া দিছে বাপে ছাৰাল পতি,
থাকে পতি মোৰ ঘুমতে পৰিয়া ॥
মাসে মাসে মুই আইসং যাওং,
কত চেংৰাই কত কয় বে,
কত জনে চউক মাৰিয়া হাঁসে ।
নাহয় নাই মোৰ ঘৰ সংসাৰ,
যা আছে হবে মোৰ কপালে বে ॥

৭। গ। ৭। দাম্পত্য প্রেমৰ গীত ঃ

১। অ কি দৈয়ল[১] বে,
কাৰ জন্যে ৰাখিছং বে সোণাৰ যৈবন ॥
আৰ দোলা মাটিৰ হোলা যেমন বে,
আগা হল ফল কৰে ।
ওবে ঐ মতন নাৰীৰ যৈবন দিনে দিনে বাঢ়ে বে ॥
ওকি দৈয়ল বে ॥

আৰ আঠীয়া কলাক কলা নাকং বে,
ও তাৰ বিচি[২] খোঁচ খোঁচ কৰে।
ওৰে পৰ পুৰুষক পুৰুষ নাকং,
নিদান কালে ছাৰে বে॥
ওকি দৈয়াল বে॥
বালুচৰা পক্ষী কান্দেৰে,
দৈয়ল বালুতে পৰিয়া।
ও ৰ ভৰ যুবতী নাৰী কান্দে,
পালাঙ্কীতে শুইয়া বে॥
ওকি দৈয়ল বে॥

১। এবিধ চৰাই, ইয়াত পতি অর্থত ব্যবহাৰ হৈছে। ২। গুটি।

২। অ' কি[১] সোণাৰ বন্ধুৰে,
তোৰ জ্বালাই প্ৰাণ ঘৰে আৰ বাইৰে।
মানৰ যত কথা বন্ধু কইলে কওৱা যায়।
ও প্ৰাণ বন্ধুৰে বুজিলে সোনে হয়॥
অ' কি মনকি তোমাৰ এমন ফাকা[২]।
বন্ধু পৰকি আপোন হয়ৰে॥
অ' কি সোণাৰ বন্ধুৰে॥
একদিন গেইছং বাপেৰ বাৰী
তোমাক নাই যাং কয়া।
তাৰ বাদত[৩] কি হইছেন গোসা[৪]
বন্ধু নাদেখেন তাকেয়া[৫] বে॥
অ' কি সোণাৰ বন্ধু বে॥
আমৰ পাতা খুচুৰ মুচুৰ,
তেঁতুলেৰ পাতা সৰু।
মুই না সামটং[৬] বাইৰা খোলান[৭],
তোমৰা চৰান গৰুৰে॥
অ' কি সোণাৰ বন্ধু বে॥

১। হে, ২। শূন্য, ৩। কাৰণে, ৪। অভিমান, খং কৰা, ৫। চকুৰে চোৱা, ৬। সাৰা, ৭। ঘৰৰ বাহিৰৰ ফালে থকা চোতাল।

৩। কি মোৰ জঞ্জাল হইল বে,
পৰশীয়াৰ[১] সাথে বে ॥
অ'বে পিয়া গেইছে পৰদেশ,
বাৰীত নাই যায় কয়া।
অ'বে আৰ কত দিন থাকিম বে মুই,
পন্থেৰ ভিতি[২] চায়া বে ॥
কোড়া কান্দে কুড়ী বে কান্দে,
কান্দে কালি হাঁস।
আৰ বনেৰ হৰিণী কান্দে,
ফেলেয়া মুখৰ ঘাস বে ॥
অ'বে পিয়া গেইছে পৰদেশ,
কইয়া গেইছে কলা।
তাৰ পাত কাটিয়া ভাত নাই দেং
মোৰ ভৰা যৈবন বেলা বে ॥
অ'বে নলেৰ আগুন তলে তলে,
কাঁশিয়াৰ আগুন জ্বলে।
আৰ মোৰ অভাগীৰ মনেৰ আগুন,
দিনে ৰাতি জ্বলে বে ॥

১। প্রতিবেশী, স্বামী। ২। ফালে, পিনে।

৪। অ' সাধু বে অবে সাধু
যদি যান সাধু পৰবাস,
না কৰেন সাধু পৰাৰ আশ।
নিজ হাতে সাধু ৰান্ধিয়া খান ভাত বে ॥
কোচেৰ কড়ি সাধু না কৰেন ব্যয়,
পৰাৰ নাৰী সাধু আপোন না হয় বে।
পৰাৰ নাৰী সাধু বধিব পৰাণ বে ॥
যেইখানে সাধু কৰাঙ্গ[১] ধাৰ,
সেইখানে সাধু বাঘুচৰ বে।
অ'বে ঘোপা[২] চায়া সাধু বান্ধেন তোমাৰ নাও বে ॥

বণিজ কৰিয়া সাধু ভালে ভালে,
আইসেন ফিৰি সাধু বাৰিষা কাল ৰে।
মুই নাৰী থাকিম নদীৰ ঘাটে বসি ৰে॥

১। খৰস্রোত, ২। নৈষ ঘুলি।

৫। কত পাষাণ বান্ধাইছেন পতিৰ মনতে॥
আৰ জৈষ্ঠ মাসেৰ মিষ্টি ফল,
আষাৰ মাসেৰ নয়া জল ৰে।
শ্রাবণ মাস গেলো কন্যাৰ,
ভাবিতে আৰ গুণিতে॥
আৰ ভাদ্র মাসে আউলাইল কেশ,
আশিন মাসে বর্ষাৰ শেষ ৰে।
কাতি মাস গেলো কন্যাৰ,
কান্দিতে আৰ কাটিতে॥
আৰ আঘোণ মাসে কাটে ধান,
পৌষ মাসে শীতেৰ বান ৰে।
মাঘ মাস গেলো নাৰীৰ,
ভিজাইতে আৰ শুকাইতে॥
আৰ ফাগুন মাসেৰ দ্বিগুণ জ্বালা,
চৈত্র মাসে ৰৱণ কালা ৰে।
বৈশাখ মাস গেলো নাৰীৰ,
ঘসিতে আৰ মাজিতে॥
পাষাণ বান্ধাইছেন পতিৰ মনতে॥

৬। পতিধন প্রাণ বাচেনা যৈবন জ্বালায় মৰি॥
খোপতে[১] নাই ৰে কইতৰ[২],
কি কৰে সেই খোপে।
আৰ যেনা নাৰীৰ সোৱামী নাই,
কি কৰে তাৰ ৰূপে॥
আকাশতে নাইৰে চন্দ্র,
কি কৰে তাৰ তাৰা।

যেনা নাৰীৰ সোৱামী নাই,
তাৰ মিছা সাজপাৰা বে ॥
মাঘৰ বসন্ত কালেৰে, কৰে উজান ভাটী।
নদীৰ বসন্ত কালে নামায় পাৰেৰ মাটি ॥
নাৰীৰ বসন্ত কালেৰে তুলিয়া বান্ধে খোপা।
পুৰুষেৰ বসন্ত কালে বে,
নাৰী হইল তাৰ শোভা বে ॥
নদীৰ বসন্ত কালেৰে, ভাঙে পাৰেৰ মাটি।
নাৰীৰ বসন্ত কালে বে
তাৰ পুৰুষ গলাৰ কাটি বে ॥
নাৰীৰ বসন্ত কালে মুখে মধুৰ হাঁসি,
পুৰুষেৰ বসন্ত কালে হাতে মোহন বাঁশী বে ॥

১। পাৰ চৰাইৰ বাহ, ২। পাৰ চৰাই।

৭। পতিধন প্রাণ বাচেনা যৈবন জ্বালায় মৰি
ছাৰিয়া গেইছে প্রাণেৰ পতি মোৰ,
মোকে নাই যায় কয়া।
ভৰা যৈবন কেমনে বাখিম,
মুই আঞ্চলে বান্ধিয়া ॥
ছাৰিয়া গেইছে প্রাণেৰ পতি,
গাৰিয়া[১] গেইছে কলা।
তাৰ পাত কাটিয়া নাই দেং ভাত,
মুই ভৰা যৈবন বেলা ॥
যে নাৰীৰ সোৱামী আছে,
বান্ধে বাঢ়ে খায়।
যাৰ কপালে নাই সোৱামী
পৰাৰ মুখ চায়বে ॥

১। কৰা

৮। তোমৰা চউকৰ পানী মোচো,
ও মোৰ প্ৰাণৰ পতি ৰে।
আৰ নাযাইম মুই বাপৰ বাৰীতে॥
আৰ নাযাইম মুই বাপৰ বাৰী,
তোমাক ছাৰিয়া।
ওৰে নাকান্দেন প্ৰাণৰ পতি,
আমাৰে লাগিয়া ৰে॥
আৰ সতী নাৰী গৈৰব কৰে,
নিজেৰ পতিক নিয়া।
আৰ অসতী নাৰী গৈৰব কৰে,
বাপৰ বাৰী দিয়া ৰে॥
সতী নাৰীৰ পতি যেমন পৰ্বতৰ চূড়া।
ওৰে অসতীৰ পতি তেমন,
ভাঙা নাওৰেৰ পৰা ৰে॥
আৰ ভাঙা নাওৰেৰ গুৰা যেমন,
নৰবোধ থৰবোধ[১] কৰে।
অসতীৰ পতি তেমন
থৰক বৰক কৰে॥

১। অস্থিৰ, থৰক বৰক

৯। কিসেৰ মোৰ বান্ধোন
কিসেৰ মোৰ বাঢোন
কিসেৰ মোৰ হলদি বাটা
মোৰে প্ৰাণনাথ অন্যেৰ বাৰী যায়
মোৰে আঁগিনা দিয়া ঘাটা॥
প্ৰাণ স্বজনী কাৰ আগে কবো দুঃখেৰ কথা॥
নিন্দেৰ আলিসে হাত প'ইল মোৰ বালিছে
মনে কয় মোৰ বন্ধু বুজি আছে।
চেতন হয়া দেখোং বন্ধু নাই বগলে
বুকখান মোৰ চেং চেঙা হইছে॥
মোৰ বন্ধু গান গায় মাথা তুলি নাচায়।

মুই নাৰী যাং জলেৰ ঘাটে।
থমকি থমকি হাটং চোখে ইশিৰা কৰং
তবু বন্ধু নাদেখে মোকে॥
আৰ যদি দেখং আৰ যদি শোনং
অন্যেৰ সাথে হয়ে কথা।
এহেন যৈবন দৰিয়াই ভাসাইম মুই
পাষাণে ভাঙ্গিম মাথা॥

১০। অ' কি বগিলা বে
জাকে জাকে উৰি যাওবে উজানি দেশে।
তুই যাইস আগে আগে,
তোৰ বন্ধু যায়বে সাথে সাথে।
বৃক্ষেৰ ডালে কৰিস্‌বে পৰবাস॥
মুই নাৰী ফাগুন মাসে,
জ্বলিয়া মৰোং হা-হুতাসে।
পতিধন, মোৰ গেইছেবে পৰদেশে॥
গদাধৰেৰ উজানতে,
দেৱাধর্মাৰ[১] পাটেৰ[২] কাছে।
বন্ধু গেইছে বণিজ কৰিবাবে॥
দেখা হইলে কবু তাবে,
অভাগিনী বাচে না বে।
আউলাইছে মাথাৰ কাল কেশ॥

১। ভোটৰ ৰজা। ২। ৰাজধানী।

১১। আজি কি বে মজাৰ দক্ষিণা হাওৱা
বাইৰা খোলানে[১]॥
মনেৰ হাউসে বান্ধিনু খোপা,
আউলাইল বাতাসে।
ওবে আসিবাৰ চায়া সোণাৰ ময়না মোৰ,
এলাও না আইসে॥

সগাৰে[২] পতিধন বাৰীত আইসে,
মোৰ পতিধন থাকে বৈদেশে।
ও ও সখী ও .. ..
ও মোৰ কলিজা জ্বলে,
হায়ৰে হায় দক্ষিণা বাতাসে॥

১। ঘৰৰ আগফালে তৈয়াৰ কৰা চোতাল।
২। সকলোৰে।

৭। গ। ৮। ৰাধা-কৃষ্ণৰ প্ৰেমৰ গীত ঃ

১। ওকি দাৰাও[১] কালা তুই,
ঐ না বাজ পস্থে ৰে।
জনমৰ মত দেখিয়া নেওং,
মোৰ প্ৰাণ কালা ৰে॥
আমাৰ কালা বাৰী আইসে,
পীৰা দিলে কালা মাটিত বইসে।
মোৰ প্ৰাণ কালা ৰে,
হাতে হাতে গুৱা দিলে নাখায়॥
মোৰ শ্যাম কালা ৰে॥
আমাৰ কালা মানুষ ভাল,
না বুজে কালা সন্ধ্যা কাল।
মোৰ প্ৰাণ কালা ৰে,
কালা না বুজে যৈবনেৰ পীৰিতিৰে॥

১। থিয় হোৱা।

২। আমেৰ গাছে কুকিল পৰে,
কুহূ কুহূ ৰাৱ কৰে।
ও প্ৰাণ বাচেনা ওৰে কুকিল,
শ্যামেৰ বিচ্ছেদে॥
যখন আমি জলে আসি,
তখন কালা বাজায় বাঁশী।

আৰে বাঁশীৰ সুৰে খসিয়া পৰে,
কাঙ্কেৰ কলসী বে ॥
যখন আমি জলে আসি,
তখন কালা বাজায় বাঁশী।
আৰে বাঁশীৰ সুৰে খসিয়া পৰে,
আঞ্চলৰ শাৰি বে ॥
যখন আমি জলে আসি,
তখন কালা বাজায় বাঁশী।
আৰে বাঁশীৰ সুৰে খসিয়া পৰে,
গলাৰ হাঁসুলি[১] ॥
যখন আমি জলে আসি,
তখন কালা বাজায় বাঁশী।
আৰে বাঁশীৰ সুৰে খসিয়া পৰে,
মোৰ খোপাৰ মালতী ॥

১। গলত পিন্ধা এবিধ অলঙ্কাৰ।

৩। কি বাঁশী বাজাইলেন
মোৰ শ্যাম কালা বে ॥
একেতো বাঁশেৰ বাঁশী,
পিতল দিয়া বান্ধা।
হাতেৰ টিপিনি মুখেৰ ফোকে,
বোলে ৰাধা ৰাধা ॥
একেতো বাঁশেৰ বাঁশী,
মন কৰিলে চুৰি।
দুপুৰী ডাকাতি[১] দিয়া,
গলায় দিলেন ছুৰী ॥
মাছ মাৰা জালুৰাৰ মত,
গলায় দিলেন ফাঁচি।
কি বাঁশী বাজাইলেন,
মোৰ শ্যাম কালা বে ॥

১। দিন দুপৰতে ডকাইতি কৰা।

৪। ও ধন মোৰ কানাইয়া বে,
কেমন কৰিয়া দৰিয়া হব পাৰ ॥
ওৰে এলুৱা[১] কাঁশিয়াৰ ফুল,
নদী হৈছে কানাই হুলুস্থুল বে।
কেমন কৰিয়া দৰিয়া হব পাৰ,
ধন মোৰ কানাইয়া বে ॥
ও ধন মোৰ কানাইয়া বে ॥
ও বে আষাঢ় শ্রাবণ মাসে,
দেওৱা[২] ঝৰে কানাই মধু বসে বে।
কেমন কৰিয়া দৰিয়া হব পাৰ,
ধন মোৰ কানাইয়া বে ॥
ও ধন মোৰ কানাইয়া বে ॥
ওৰে পুৱাল পহিয়া বাও,
খেওয়া ঘাটে কানাই নাই নাও বে।
কেমন কৰিয়া দৰিয়া হব পাৰ,
ধন মোৰ কানাইয়া বে ॥
ও ধন মোৰ কানাইয়া বে ॥
কাম নদীত কুমীৰেৰ ৬য়,
মানুষ গৰু কানাই ধৰিয়া খায় বে।
কেমন কৰিয়া দৰিয়া হব পাৰ,
ধন মোৰ কানাইয়া বে ॥
ও ধন মোৰ কানাইয়া বে ॥
ধু ধু কাঁশিয়াৰ ফুল,
নদী হইছে কানাই হুলুস্থুল বে।
নদী দেখিয়া পৰাণ মোৰ কান্দে বে,
ধন মোৰ কানাইয়া বে ॥
যে নাইয়া কৰিবে পাৰ,
তাকে দিবো কানাই গলাৰ হাৰ বে।
পাৰ কৰিলে যৈবন কৰিব দান,
ধন্ মোৰ কানাইয়া বে ॥

১। উলু ২। মেঘ।

৫। ও তুই মোৰে নিদয়া কালিয়া বে।
ও কালিয়া খাৱাইয়া নাই মোৰ ঘৰে বে॥
আৰ ভাত না ৰান্ধিলু ভাত না বাঢ়িলু।
ও কালিয়া খাৱাইয়া নাই মোৰ ঘৰে বে॥
আৰ ঘৰ না মুচিলু ঘৰ না নিকালু[১]।
ও কালিয়া বেৰাইয়া নাই মোৰ ঘৰে বে॥
আৰ ছেকা[২] না পাৰিলু কাপোৰ না উসালু।
ও কালিয়া পিন্ধেয়া নাই মোৰ ঘৰেৰে॥
আৰ বিছিনা পাৰিলু মশাৰি[৩] টাঙালু।
ও কালিয়া থাকেয়া নাই মোৰ ঘৰে বে॥

১। পৰিষ্কাৰ কৰা ২। খাৰ, ছেকি কৰা বাবে ছেকা। ৩। মহৰি, আঠুৰা।

৬। নাযাইও নাযায়ো সই হে।
ঐ না যমুনাৰ জলে॥
বাৰ মাসে ছেৱ ফুল ফোঁটে।
বছৰি ফোঁটে হোলা সই হে॥
নন্দেৰ বেটা চিকন আৰো কালা।
ঘটাইছে বিষম জ্বালা সই হে॥
যে ঘাটে ভৰিব আৰো জল।
সেনা ঘাটে কালা সই হে॥
পদেৰ উপৰ পদ আৰো দিয়া।
গাঁথিছে ফুলেৰ মালা সই হে॥
হিদয় উপৰ হিদয় আৰো দিয়া
গাঁথিছে ফুলেৰ মালা সই হে॥
নাযায়ো যমুনাৰ জলে॥

৭। কেনেহে বাধে তোৰ বিৰস মন,
তোৰ কানাইয়া বাজায় বাঁশী॥
মুই গেনু যমুনাৰ জলে,
হেঁটা উঠল[১] মাটি।
ছিৰিল গলাৰ হাৰ, ভাঙিল কলসি॥

যমুনাৰ কূলে কূলে,
কদম শাৰী শাৰী।
ফুলো তুলে ডালো ভাঙে,
ৰাধা চন্দ্রাবালী॥
বাপ মাৱে ৰাখিছে নাম,
আলালী দুলালী।
আশ পৰশী ৰাখিছে নাম,
ৰাধা বিনেদিনী॥

১। ওখ চাপৰ, কিছুমানে আকৌ হেঁটা উঁচা মাটি বুলিও কয়।

৮। আগা নাৱে ডুবো ডুবো,
পাছা নাৱে বইসো,
কন্যা ঢোঙায় ঢোঙায় ছেকং[১] জল ৰে॥
জল ছেকিতে জল ছেকিতে ৰে,
কন্যা ছেউতেৰ[২] ছিৰিল দৰি।
গলাৰ হাৰ খসেয়া দেও ৰে,
কন্যা ছেউতেৰ নাগাং দৰি॥
গলাৰ হাৰ খসেয়া দেও ৰে॥
তোক সে বোলং ছাৱাল কানাই,
তোক সে বোলং নাও।
ভৰা গাঙেৰ খেওৱা[৩] দিয়া,
কানাই কেমন মজা পাও॥
ভাঙা নাৱেৰ খেওৱা দিয়া ৰে॥
ভাঙাও নাহয় ছিৰাও নাহয় ৰে,
কন্যা সোণা ৰূপায় বান্ধা।
ৰাজাৰ হস্তীক পাৰ কৰিছং ৰে,
কন্যা তোৰ বা কত ভৰা॥
ভৰা গাঙেৰ খেওৱা দিয়া যাও॥
আৰ সুন্দৰীক পাৰ কৰিতে ৰে,
কন্যা নিছং আনা আলা।

তোক সুন্দৰীক পাৱ কৰিতে ৰে,
কনা খসাইম কাণৰ সোণা ।।
ভৰা গাঙৰ খেওয়া দিয়া যাও ।।

১। পেলোৱা, ২। নাওৰ পানী পেলোৱা সঁজুলি, ৩। নাওৰে ঘাট পাৱ কৰা কাৰ্য বা নাও।

৯। ও কি কালাৰে কালা,
চন্দন কাষ্ঠৰ খৰি।
তাকে দিয়া কালা ভাত ৰান্ধি ।।
ধুমাৰ ছলে কালা,
দুৱাৰে বসিয়া কান্দি ৰে ॥
এ ভাত ৰান্ধিবাৰ কালে,
তোমাৰ কথা কালা মনত পৰে।
ৰান্ধা ভাত মোৰ না সোন্দায় শৰীলে ॥
যখন কালা তোমৰা ফোকান বাঁশী,
তখন নাৰী আমি জলে আছি।
বাঁশীৰ সুৱে কালা কলসি যায় ভাসি ॥
কোনজন দৰদী হবে,
সোণাৰ কলসি কালা ধৰিয়া দিবে।
তাকে দিম মুই গলাৰ চন্দ্ৰ মালা ৰে ।।

১০। আৰ নাৱাজান বাঁশী কালাৰে,
ঐনা কদমৰ ডালে।
তোৰ কালাৰ বাঁশীৰ সুৱে,
মন নাৱয় মোৰ ঘৰে ৰে ।।
খোলান[১] সামটাৰ[২] চলে আই মুই,
তাকাং বনৰ দিকে[৩]।
পৰাণ কান্দে কালা,
তোমাৰ বাঁশীৰ সুৱেৰে ॥
কালাৰ কথা ভাবিয়া থাকোং,
খসিয়া পৰে হাতৰ বাকণ[৪]।

এমন গতি দেখিলে শশুৰী,
মন কৰিবে ভাৰি বে ॥

১। আগ চোতাল ২। সাৰা, ৩। ফালে ৪। বাঢ়নি

১১। মৰিহে মৰিহে মৰিহে শ্যাম।
শয়নে সপোনে তোমাৰ নাম ॥
আনোহে গুৱাপাণ কাটোহে খাই।
হাঁসি মনে শ্যাম চলিয়া যাই ॥
ৰৱাইৰ[১] গাছেৰ সাচিৰে[২] পাণ।
পইসা দিয়া শ্যাম কিনিয়া খান ॥
ধুমাৰ ছলে মুই বাইৰা যাং।
তবু বন্ধুৰ দেখা নাপাং ॥
এক দিন দেখিছুং সপোনে।
বন্ধু নাই মোৰ বগলে[৩] ॥

১। বগৰী ২। এবিধ পাণ ৩। কাষত।

১২। কাণ্ণ ভুলিয়া ৰইতে পাৰি না বে,
কালা ভুলিয়া যাইতে পাৰি না বে,
ও মোৰ প্ৰাণেৰ কালা বে ॥
কালা বাঁশাতে ভৰেয়া গান,
অদিয়া অদিয়া চলিয়া যান।
ওৰে চিকণ কালাৰ বাঁশীৰ গান,
ঘৰে নাৰয় নাৰীৰ মন বে ॥
চিকণ কালাৰ এমন মায়া,
বুজাইতে নামানে দেহাৰে।
অ'ৰে ৰৱাইৰ গাছেৰ আলোকলতা[১],
দুৰেৰ বন্ধু আমাৰ কিসেৰ আশা ॥

১। ৰঘুমলা

১৩। ও কি, ওৰে কালা চান্দ,
সদায় শোনং তোৰ বাঁশীৰ গান বে ॥
ওৰে জানিয়াও তুই জানিস না,

শুনিয়াও তুই শুনিস না,
মনেৰ কথা তুই খুলিয়া কলুনা বে ॥
ওবে বাঁশী বাজাইস তুই কদম তলে,
গোপিনী নাচে তালে তালে,
আৰ কি জানিস তুই কয়া দে মোক বে ॥
এই কি তোৰ লীলা খেলা,
কদম তলায় গোপিনীবে মেলা,
লীলা খেলায় জীবন মোৰ কানাইয়াবে ॥

১৪। ও কি কালাবে পথ ছাবি দে,
জল ভৰিতে আসি ॥
জীবন নদীৰ পাবে পাবে,
বন্ধু যায় মোৰ বাঁশী হাতেবে।
নাচায় বন্ধু মোৰ,
বাৰীৰ দিকে চায়ায়ে ॥
খোপাৰ ফুল মোৰ ঝুৰিয়া পৰিল,
গাথা মালা মোৰ ঝেমৰ নিলবে,
শুকাইল মোৰ বাটাৰ গুৱা পাণ ॥

৭। গ। ৯। গোৱালপৰীয়া বিৰহৰ গীত ঃ

কালিদাসস্য সর্বস্বং অভিজ্ঞানম-শকুন্তলম্।
তত্রাপি চ চতুর্থোঽঙ্কো যত্র যাতি শকুন্তলম্ ॥

মহাকবি কালিদাসৰ সকলো ৰচনাই ৰসময়। হলেও সকলোবে ভিতৰত শ্ৰেষ্ঠ শকুন্তলা। শকুন্তলাৰ ভিতৰত বিচ্ছেদ বেদনাৰ মূৰ্ত প্ৰতীক চতুৰ্থ অংক সৰ্বোৎকৃষ্ট। এই অংকতে কন্বৰ পালিতা কন্যা শকুন্তলাই মুনি আশ্ৰমৰ বান্ধৱ-বান্ধবী, পূজনীয়-পূজনীয়া তাপসকল, ৰমনীয় আশ্ৰমৰ কমনীয় পৰিবেশ, মায়া-মমতা-শৃঙ্খলিত পোহনীয় জীব-জন্তু, লালিত পালিত পুষ্প ফলবতী গছ-লতিকা এৰি যাব ওলোৱাত গোটেই আশ্ৰমৰ পৰিবেশটোৱে শকুন্তলাৰ দবে মানবীয় গভীৰ অনুভূতিত চকুলো টুকিছিল। এই বিচ্ছেদ বেদনা যে শকুন্তলাৰ ভবিষ্যত জীবনৰ আৰু এক তাৎপৰ্যিক

বিচ্ছেদ বেদনাৰ আগলি বহুৱা ৎ আছিল সেই টো কোৱে ধাৰণা কৰা নাছিল। কিন্তু নিষ্পাপ শকুন্তলাৰ ভাগ্যৰ বিপৰ্য্যয়ত সেই টাৰে হৈছিল। পিতৃৰা কণ্ব মুনিৰ অজ্ঞাতে ৰজা দুষ্মন্তই শকুন্তলাৰ পাণি গ্ৰহণ কৰে। এই কথা জানি উদাৰ কণ্বই শকুন্তলাৰ কৰ্মৰ অনুমোদন জনালে আৰু যথা সময়ত সহচৰৰ সৈতে শকুন্তলাক পতিগৃহলৈ পঠায় দিয়ে। শান্ত কিন্তু চঞ্চল, আনন্দিত কিন্তু সাদৰ চিত্তেৰে শকুন্তলাই দুষ্মন্তৰ ওচৰ চপাত, ৰজাই পূৰ্ব কথা বিস্মৃত হৈ গৰ্ভবতী শকুন্তলাক প্ৰত্যাখান কৰে। পিছত পুনৰ মিলন নাটোৎপত্তিৰে উদ্ভূত দীঘলীয়া বিৰহ ভোগ।

কালিদাসৰ শকুন্তলা নাটকৰ নাটকীয় সংঘাত, চৰিত্ৰৰ জীৱন সংঘাত কিয় হৈছিল তাৰ জবাব চতুৰ্থ অংকত দিয়া আছে। কণ্বই আশ্ৰমৰ পৰা বিদায় গ্ৰহণ কৰাত, অতিথি আতিথ্যৰ দায়িত্ব শকুন্তলাৰ ওপৰত থকা সময়ত খঙাল দুৰ্বাসা ঋষি আহি উপস্থিত হয় কিন্তু দুষ্মন্তৰ চিন্তাত বৰ্তমান বিস্মৃত শূন্য হৃদয়া' শকুন্তলাই তেওঁৰ উপস্থিতিৰ গম নোপোৱাত উপেক্ষিত হৈ ক্ষুব্ধ ক্ষুব্ধ দুৰ্বাসা ঋষিয়ে অভিশাপ দিলে যাৰ অভিপ্ৰেত বিনা—

"বিচিন্তয়ন্তি যমনন্য মানসা তপোধনং বেৎসি ন মামুপস্থিতম্ ॥
স্মৰিষ্যতি ত্বাং ন স বোধিতোঽপি সন্কথা প্ৰসঙ্গঃ প্ৰথমং কৃতামিব।'

অৰ্থ : "ইমান আশ্ৰম, জীৱন যুৰি সাধনা, তপস্যা কৰা মহ দুৰ্বাসা দুবাৰত উপেক্ষিত, অথচ অতিথি অবমাননাকাৰিণী তোৰ খবৰেই নাই। যাৰ ভাবনাত আত্মহাৰা হৈ মোক অবমাননা কৰিলি, তেজাৰবাৰ মনত পেলাই দিলেও তেওঁ তোৰ মনত পেলাব নোৱাৰিব।"

এই দুৰ্বাসাৰ দুৰ্বাৰ অভিশাপেই শকুন্তলা দুষ্মন্তৰ জীৱন দুৰ্যোগৰ কাৰণ বুলি ভাব হয়। আচলতে কিন্তু দুৰ্বাসাই অভিশাপ দিবলগীয়া হোৱ কাৰণটে হে ইয়াৰ মূল কাৰণ অভিশাপৰ সময়ত শকুন্তলা দুষ্মন্তৰ চিন্তাত 'অদ্য পুনঃ হৃদয়েন অসন্নিহিতা আছিল। স্বামী সংগসুখ অন্তৰ্হিতা বিৰহ বেদনা দগ্ধা শকুন্তলা তেতিয়া বাহ্যজ্ঞান ৰহিতা আছিল আৰু সেয়েহে দুৰ্বাসাৰ উপস্থিতিও তেওঁৰ অননুভূত আছিল। সেয়ে দেখা যায় শকুন্তলাৰ আত্ম আৰু কৰ্তব্য বিস্মৃতিৰ মূল কাৰণ বিৰহ আৰু সেই বিৰহেই অভিশাপ আৰু জীৱন সংঘাতৰ কাৰণ।

বিৰহ শব্দটি নিষ্পন্ন হৈছে বি নাই + ৰহ (ৰস) অৰ্থাৎ ৰসহীন। ৰস ধাতুৰ অৰ্থ আস্বাদন কৰা। গতিকে যি আস্বাদ্য সিয়ে ৰস। ৰস হৃদয়ৰ আনন্দময় মানসিক অৱস্থা মাথোন। সেই অৱস্থাৰ অন্তৰায় হ'ল বিৰস, বিৰহ। সাধাৰণতে

বিৰহ হয় স্বামী-স্ত্ৰী, প্ৰেমিক-প্ৰেমিকাৰ দীৰ্ঘ দিনৰ অন্তৰাল বা বিচ্ছেদত। এনে বিচ্ছেদত পৰস্পৰ মিলন উদগ্ৰীব আৰু সান্নিধ্য অভিলাষী হিয়াত যি চিন্তা, অস্থিৰ অবস্থা আৰু বেদনাৰ সৃষ্টি হয় তাকে বিৰহ।

প্ৰাচ্য জগতৰ সাহিত্যত বিৰহ এ প্ৰতিষ্ঠিত বিষয়। ৰামায়ণৰ ৰাম-জানকীৰ বিচ্ছেদ বিৰহ এক হিয়া বিদাৰক বিষয়। পৰ্ণকুটিৰত জাননীক নেপায় বিচ্ছেদৰ যি ধুৱা জুই ৰামৰ হিয়াত জ্বলি উঠিল সেই বিৰহ জুইয়ে অৰণ্য পাহাৰ আৰু বানৰ হিয়াতো সন্তাপৰ ৰাগিণী সৃষ্টি কৰিলে। শেষত জানকীৰ বিৰহে অগ্নিৰূপ ধাৰণ কৰি স্বৰ্ণপুৰী লংকাকে পুৰি পেলালে। নল-দময়ন্তীৰ বিৰহ বেদনাই, কালিদাসৰ মেঘদূতৰ যক্ষৰ বিৰহ বেদনাই মানৱ হিয়া মানেই বঁপাই যায়। তেনে বিৰহ তাপদগ্ধ নায়ক বিৰহী বিৰহিণীৰ কৰুণ কাহিনী মহাভাৰত আৰু আন পৌৰাণিক গ্ৰন্থত দেখিব পোৱা যায়। পাশ্চাত্য জগতৰ ৰোমিও জুলিয়েটৰ প্ৰেম, বিচ্ছেদ-ব্যথা আৰু প্ৰাণ বিসৰ্জন জগতৰ হিয়া বিগলিত কৰা বিষয়। সুদক্ষ কবি সাহিত্যিকৰ দৰে লোকগীতিকাৰ সকলেও মানৱ জীবনৰ প্ৰেম-বিৰহৰ ভাব নিখুঁতকৈ প্ৰকাশ কৰিছে। এনে ভাব প্ৰকাশৰ ক্ষেত্ৰত গোৱালপৰীয়া লোকগীত অনুপম। বিৰহৰ গীতবোৰক বিষয় বস্তুৰ ফালৰ পৰা প্ৰেমিক-প্ৰেমিকাৰ বিৰহ, পোষ্যি-কৰ্ত্তৃৰ বিৰহ, পৰকীয়া প্ৰেমৰ বিৰহত ভাগ কৰিব পাৰি। গীতিকাৰসকলে এই শ্ৰেণীৰ গাতত বিৰহ অগ্নিদগ্ধা হিয়াৰ ভাব সাৰ্থকভাবে মূৰ্ত কৰি তুলিছে।

মানুহৰ যৌবন বসন্তত প্ৰেম-কুকিল আহিবই কম হওঁক বেছি হওঁক প্ৰেমৰ গান গাবই, প্ৰেমৰ কথা কবই। যৌবনলৈ প্ৰেমৰ অলিয়া-বলীয়া বা অহাটো অনিবাৰ্য, চিৰন্তন আৰু সংজাত। কোনোবাই লুকাই ঢাকি কৰিব পাৰে। কিন্তু অস্বীকাৰ কৰাৰ উপায় নাই। এনে বয়সতে নাৰী পুৰুষে মনে পছন্দ কৰা, প্ৰাণে বিচৰাজনৰ ওচৰ চাপে, সান্নিধ্যই প্ৰেমৰ বতৰা আনে, পুৰুষ নাৰীৰ প্ৰেম হয়। কিন্তু প্ৰেমৰ পথ কাঁইটীয়া, সংঘাত বহুল আৰু কষ্টকৰ, দুখময়। বেছিভাগ ক্ষেত্ৰত ব্যৰ্থতাই ইয়াৰ সংগী। প্ৰেমে সদায় পৰিপূৰ্ণতা বিচাৰে, কিন্তু ব্যৰ্থতাই তাক ক'লা ঢাকনি দি থয়।

তোৰ কন্যা পীৰিতিৰ আশে,
বাপ ভাই কন্যা ছাৰিলং দেশেৰে।

এই বুলি কৈ যিজনী গাভৰুৰ প্ৰেমত বিভোল হৈ আছিল সেইজনীয়ে সময়ত

ডেকা প্রেমিকক এৰি যৈ গ'ল। প্রিয়া বিচ্ছেদৰ আঘাতত ডেকা প্রাণ থৰক বৰক। সেয়ে ডেকাজনে প্রেয়সীৰ প্রেম আচলতে ললনাৰ ছলনাহে আছিল বুলি নেভাবিও ভাবিবলৈ বাধ্য হয়। কিন্তু সেই প্রেমৰ মায়া ইমান গভীৰ, ইমান মর্মস্পর্শী যে তাক চেষ্টা কৰিও পৰিত্যাগ কৰিব নোৱাৰে। সেয়ে ডেকাজনৰ হৃদয়ত প্রশ্ন যে যদি তেওঁক এৰি যৈ যোৱাৰ ভাবেই আছিল তেন্তে দাৰুণ প্রেমৰ মায়াৰচিৰে তেওঁক নিশ্ছিদ্রভাবে বান্ধিছিল কিয়?

নদী বা পুখুৰীত উঠি থকা ফুৰা মেটেকাই কেতিয়াবা পাৰ পাব বুলি আশা কৰিব পাৰে আৰু কেতিয়াবা পায়ও। কিন্তু পাৰ পাবলীন সাগৰত থকা ফুৰা পানী মেটেকাই পাৰ নেপায়, ঢৌৰ কোৰত তল ওপৰ কৰিয়ে সাগৰত নিশ্চিহ্ন হৈ যায়। এইজন ডেকা প্রেমিকেও প্রিয়া বিচ্ছেদৰ ভাব আৰু বিৰহ সাগৰত হাবুডুবু খাই ফুৰিছে। মিলনৰ ৰোমাঞ্চন আৰু বিচ্ছেদৰ দাহন ঢৌৰ কোঁতত আজি তেওঁ কূল কিনাৰা বিহীন। ছিন্নমূল পানী মেটেকাৰ দৰে শাৰীৰিক মানসিক ভাবে ছিন্নমূল, আত্ম চিন্তা বহিত সেই পৰিত্যক্ত প্রেমিকো বিৰহ-সাগৰৰ দাহন ঢৌত নিশ্চিহ্ন হৈ যাব। সেয়েহে বনফুলৰ বিৰহ কবি সুৰৰাই কৈছে ঃ

কত আহিঁ কত গ'ল
আহিছে আহিব,
সৰগৰ সিংহাসন মনতে পাতিব
চেনেহৰ মালাধাৰি মনতে গুঁথিব,
কালৰ সোঁতত পৰি,
ঢৌৰ লগতে মাথো নিজে ঢৌ হৈ,
এৰি যাব গুচি যাব,
জগতৰ কিনা বেচা জগততে থৈ।

ডেকা প্রেমিকৰ বিৰহ-বেদনাৰ ই এক সার্থক চহাগীত। আন এটি বিৰহৰ গীতত ডেকা ব্যর্থ প্রেমিকে বেদনাৰ জ্বালা প্রকাশ কৰিছে এনেদৰে ঃ

'ছোট ছোট পাখীৰে ভেলোৰা
তাৰো আছে বে যোৰা।
তোৰে মোৰে দাৰুণ বিধি
নাই লেখে আৰ যোৰা বে॥'

ধন-সম্পত্তি, জাত-পাত, ধর্মা-ধর্ম আদি সামাজিক বন্ধন আৰু নিষেধে প্রেমত

বিচ্ছেদ ঘটায়। তেনে প্রেমিক প্রেমিকাই বাধ্য হৈ অইন পুৰুষ নাৰীৰ লগত বিয়া-বিয়াত বহে। কিন্তু সিহঁতৰ বিগত জীবনৰ প্রণয়াসক্তি চিৰ জীবনৰ প্রণয় আৰু প্রণয়াসক্তি হৈ থাকে। বাস্তব জীবন সংঘাতে সেই প্রণয়ৰ ভাবত ক্ষণ্ডেকীয়া যতি পেলালেও জীবন ভোগৰ ক্ষেত্রত আৰু নির্জনতাত সেই ভাবে হৃদয় ঘুৰি মহাশূণ্যতাৰ সৃষ্টি কৰে। তেনে সময়তে বিগত প্রেমৰ বিমূর্ত ভাব মূর্ত হৈ উঠে আৰু সেই ভাবোন্মাদনাত অতীত প্রণয়ৰ বলীয়া জগতত প্রেমিক-প্রেমিকা উতি ভাহি ফুৰে। কেতিয়াবা সেই ভাবৰ তাড়নাত প্রেমিকাই প্রেমিকৰে গোপন সাক্ষাৎ কৰিবলৈ চেষ্টা কৰে। পাই হেৰুৱাজনক পুনঃ পাবলৈ দুর্বাৰ অভিলাষ জন্মে আৰু হেজাৰ সংকট অতিক্রম কৰিবলৈকো উন্মনা কৰি তোলে। কিন্তু দুর্ভাগিনীৰ পথ রুদ্ধ। কাৰণ ঃ

'বায়েৰা মোৰ ভাশুৰ
ভিতিৰা শশুৰ,
শিয়ঁৰে ননদিনী জাগে
আই মুই কেমন কৰিয়া
বায়ৰা যাং বে ॥'

বিবাহিত নাৰী-পুৰুষৰ পৰ নাৰী-পুৰুষেৰে হোৱা পৰকীয়া প্রেম অতিকৈ থাকে মধুৰ। প্রেম বা পৰকীয়া প্রেম-বিৰহৰ অনির্বান জ্বালাই 'সোণাৰ চান্দ' প্রেমিকক প্রেমিকাৰ মন মন্দিৰৰ জীবন্ত বিগহৰ দৰে জাগ্রত কৰি ৰাখে। এনেবোৰ প্রেমত থাকে স্বামীক লৈ পোৱা অশান্তি আৰু প্রিয় মিলনেচ্ছুক প্রাণৰ জ্বালা। এনে প্রেমিক প্রেমিকাৰ বিৰহৰ জ্বালাই মানৰ মন অভিভূত কৰে, প্রাণ সমবেদনাত বিগলিত হয় আৰু হৃদয়ত দুখানুভূতিৰ ঝঙ্কাৰ উঠে। মানৰ প্রাণৰ সেই কথা কবি Shelley য়ে এনেদৰে কৈছে ঃ

'Our sweetest songs are those
That tell of saddest thought.'

চণ্ডীদাসে শ্রীকৃষ্ণ কীর্তনৰ শেষ অধ্যায়ত ৰাধাৰ পৰকীয়া প্রেম-বিৰহৰ কথা বর্ণনা কৰিছে। আইহান পত্তা ৰাধাৰ শ্রীকৃষ্ণৰে প্রেম হয়। এয়া পৰকীয়া প্রেমৰ উজ্জ্বল আৰু নিখুঁত উদাহৰণ। ৰাধা কৃষ্ণৰ এই পৰকীয়া প্রেমে ভোগ-উপভোগৰ চৰম পর্যায় পোৱাৰ পিছত শ্রীকৃষ্ণ অন্তর্ধান হয়। তেতিয়া কৃষ্ণ পৰিত্যাজ্য আৰু পৰিত্যক্ত ৰাধাই আকুল অকুল বিৰহ সাগৰত ডুবি যায়। চণ্ডীদাসে

ৰাধিকাৰ প্ৰেম-বিৰহৰ যি চিত্ৰ কবি-তুলিকাৰে অংকন কৰিছে, সি পৰকীয়া প্ৰেমক কেন্দ্ৰ কৰি হোৱা বিচ্ছেদ বিৰহৰ সৰ্বশেষ মূৰ্ত প্ৰতীক। পৃথিবীৰ সকলোবোৰ জাগতিক-মানসিক বেথা-বেদনাৰ ভিতৰতে এই প্ৰেম-বিৰহৰ জ্বালা যে অধিক যন্ত্ৰণাদায়ক তাক বিৰহ কাতৰা ৰাধিকাই এনেদৰে কৈছে ঃ

'সকল সন্তাপ কাহ্ন সহিবাক পাৰি।
তোৰ বিৰহ সন্তাপ সহিতে নপাৰি॥'

কবি চণ্ডীদাসে ৰজকিনী ৰামীৰ প্ৰেমত পৰিছিল তেতিয়া তেওঁৰ অবস্থা 'নাদেখিলে মন কৰে উচাতন, দেখিলে পৰাণ জুৰায়।' কিন্তু সেই ৰজকিনীয়ে কবিৰ 'পিতৃ-মাতৃ, দেৱমাতা গায়ত্ৰী আৰু উপাসনাৰ ৰস।' কবিৰ এয়া বিদ্যুত অনন্ত সিন্ধুৰ উপলব্ধি আৰু আস্বাদন। ইটালীৰ কবি ডাণ্টেয়ে বিয়েট্ৰিছৰ ৰূপে অপৰূপা, ৰসে ৰসপূৰ্ণ দৈহিক মানবীয় প্ৰেমত পৰি, সেই প্ৰেমক স্বৰ্গীয় প্ৰেমলৈ লৈ গৈছে। কবিয়ে পাৰ্থিব প্ৰেমৰ পৰিমণ্ডল অতিক্ৰম কৰি গৈ স্বৰ্গীয় প্ৰেম-মহাৰ্ণবত সাতুৰি-নাতুৰি ফুৰিছে। স্বৰ্গীয় প্ৰেম সুধাত মগ্ন কবিয়ে পাৰ্থিব দেহজ বিয়েট্ৰিছক পাহৰি গৈছে। চণ্ডীদাসৰ আইহান পত্নী ৰাধিকাৰ কৃষ্ণৰে হোৱা জাগতিক প্ৰেমে শেষলৈ জাগতিক সীমা আৰু পৰিমণ্ডল অতিক্ৰম কৰি গৈছে। ই ঐশ্বৰিক ভগবান ভক্তৰ প্ৰেমত পৰিণতি লভিছে। প্ৰাকৃতজ মানুহৰ প্ৰাকৃত বিষয়েৰে অপ্ৰাকৃত বিষয়ৰ উপলব্ধি; প্ৰাকৃত মানুহৰ প্ৰেমেৰে কামগন্ধহীন অপ্ৰাকৃত ভাগবত প্ৰেমত উপস্থিত হোৱাৰ মহান আদৰ্শ এইবোৰত আছে।

সঙ্গমবিৰহ বিকল্পে ৰৰমিহ
বিৰহো ন সঙ্গমস্তস্যা।
সঙ্গে সৈব যদেকা ত্ৰিভুবনমপি
তন্ময়ং বিৰহে॥

অৰ্থাৎ সংযোগ আৰু বিয়োগ এই দুটিৰ ভিতৰত কোনটি শ্ৰেষ্ঠ বিচাৰ কৰিলে দেখা যায় যে সংসৰ্গতকৈ বিৰহেই শ্ৰেষ্ঠ। কিয়নো অবিয়োগ অৰ্থাৎ সংসৰ্গ অবস্থাত কেবল মাত্ৰ তেওঁক (প্ৰেমিক বা প্ৰেমিকাক) দেখা যায়। কিন্তু বিয়োগ অৰ্থাৎ বিৰহ অবস্থাত বিশ্ব ব্ৰহ্মাণ্ডকে তন্ময় (তেওঁৰ দৰে) দেখা যায়।

চণ্ডীদাস, ডাণ্টে এই পৰ্যায়ৰ কবি। তেওঁলোকৰ জাগতিক প্ৰেমে পাৰ্থিব পৰিমণ্ডল অতিক্ৰম কৰাৰ লগে লগে পাৰ্থিব মানব প্ৰেমৰ সংবেদনশীলতা হেৰাই

পেলাইছে। ভগবত প্ৰেম আৰু মানব প্ৰেম দুটি সুকীয়া বিষয় আৰু দুখনি বেলেগ হৃদয়েৰেহে সেই বিষয় অনুভূত আৰু আদৰণীয় হয়। চণ্ডীদাস বা ডাণ্টেৰ দৰে সৰ্বসাধাৰণৰ মানব প্ৰেমে ভগবত প্ৰেমত পৰিণতি লাভ নকৰে, সেই স্তৰলৈ নেযায় আৰু যাবও নোৱাৰে। গোৱালপৰীয়া প্ৰেমৰ লোকগীতবোৰত ঐশ্বৰিক প্ৰেমৰ সংবাদ নাই। ইয়াত মানুহৰ কামনা-বাসনাযুক্ত দৈহিক প্ৰেমৰ উৎকট গোন্ধ আছে; তাৰ মুকলি প্ৰকাশ আছে। এই প্ৰেম মানুহৰ দেহ-মন, ৰূপ-ৰসত আৰম্ভ হৈ প্ৰাপ্তি-অপ্ৰাপ্তিৰে মানুহতে পৰিসমাপ্তি লাভ কৰিছে। মানব প্ৰেমৰ সঁচা পৰশ আৰু পৰিণতি কেনদৰে হয়, তাৰ বাস্তব বৰ্ণনা এইবোৰ গীতত আছে। ইয়াত আছে সঁচা মাটিৰ মানুহৰ প্ৰেম, সঁচা মানুহৰ সঁচা কেঁচা মনৰ প্ৰেমৰ সংবাদ। প্ৰেমৰ উচ্ছল তৰঙ্গৰ উচ্ছ্বাস, হিয়া ভাগি মোহাৰি বিদাৰি দিয়া ব্যৰ্থতাৰ বিষাদ ও যন্ত্ৰণা গীতবোৰত জীবন্তৰূপে মূৰ্ত হৈ উঠিছে। ইযাত মানুহৰ দেহৰ ওপৰেদি পাৰ হৈ যোৱা দেহজ প্ৰেমৰ জোৱাৰ-ভাটা আছে, তাৰ ফলাফলৰ চিত্ৰৰূপ আছে। সেয়ে মানুহলৈ ইয়াৰ আকৰ্ষণ বৰ বেছি। এই আকৰ্ষণ কামনা বাসনাযুক্ত মানুহৰ বাবে অতি মহৎ। ডাণ্টে, চণ্ডীদাসৰ ভগবত প্ৰেমত এই আকৰ্ষণ নাই। এই ক্ষেত্ৰত গোৱালপৰীয়া লোকগীতে সুদক্ষ কবিৰ ৰচনাকো চেৰাই গৈছে বুলিব পাৰি।

গোৱালপৰীয়া লোকগীতৰ প্ৰোষিতভৰ্তৃৰ স্বামী-বিৰহৰ বেদনা বিধুৰ হিয়াৰ বেথা বেদনাৰ মৰ্মন্তুদ বাণীবোৰে মানুহৰ হিয়াই হিয়াই সেই বেথাৰ বেখাপাত কৰে, গুঞ্জন তোলে। প্ৰবাসত বেহা কৰি ফুৰা সাধু এক বিশিষ্ট চৰিত্ৰ। নাওৰে দেশান্তৰত বেহা কৰিবলৈ যাত্ৰা কৰা তেনে এক সাধুক নদীৰ ঘাটত বিদায় দিয়াৰ আগ মুহূৰ্তত দুৰ দুৰকৈ কপি উঠা হিয়াৰে সেই সাধুৰ মৰমী পত্নীয়ে কৈছে, 'প্ৰবাসত পৰলৈ আশা নকৰি নিজ হাতে ভাত ৰান্ধি খাবা। পৰ নাৰীৰ ওচৰ নেচাপিবা। তেনে নাৰীয়ে তোমাক ধনে বিতে সৰ্বস্বান্ত কৰি প্ৰাণে মাৰিব। ধাৰহীন নদীৰ ঘোপাত নাও বান্ধিবা। নাওৰীয়াসকলক ভাল ব্যবহাৰ কৰিবা, নহলে তোমাৰ শত্ৰুতা কৰিব।' বিদেশত হ'ব পৰা সকলো বিপদৰ কথা উল্লেখ কৰি আকৌ ক'লে, 'তুমি ভালে কুশলে বেহা কৰি উভতি আহিবা আৰু তোমাক আদৰিবলৈ মই আজিৰ দৰে সিদিনাও এই নদীৰ ঘাটতে বৈ থাকিম।'

স্বামী বেহা কৰিবলৈ প্ৰবাসলৈ গ'ল। প্ৰবাসত থকা স্বামীৰ দীৰ্ঘদিন ধৰি কোনো সংবাদ নোপোৱাত সেই নাৰীৰ মন উগুল-ধুগুল। স্বামীৰ চিন্তাত ক্লিষ্ট। সেয়ে সেই প্ৰোষিতভৰ্তৃয়ে নদীৰ ঘাটত থিয় হৈ বৈ যোৱা নদীক তাইৰ মনৰ খবৰ

প্ৰবাসী স্বামীক দিবলৈ লৈ যাবলৈ অনুৰোধ জনাইছে এনেদৰে :

"ও হায় নদীৰে
দেখা হইলে বন্ধুক ক'ইস মোৰ
কথা দুই শাৰী।
জলৰ ঘাটে ছাৰিলেন যাৰে
চায়া আছে সে নাৰী॥
ও হায় নদীৰে ॥
জল ভৰিতে যায় জল কলতা
ঘাটে বসি নাৰী কান্দে।
চোখৰ জলে কলসি ভৰি
ঘৰে ফিৰে সে নাৰী॥
ও হায় নদীৰে ॥"

স্বামী অপেক্ষামনা সেই নাৰী প্ৰাণ সদায়ত চিন্তা দুঃচিন্তাত উদ্বিগ্ন হৈ পৰিল। স্বামীক লৈ উদয় হোৱা নানা ভাব-দুভাবনাই নাৰী প্ৰাণত আউল লগাই যায়। স্বামীৰ সংগসুখ বঞ্চিত নাৰী-প্ৰাণ বিৰহ যাতনাত বৈ বৈ কান্দে। দিন যতেকে যায় ততেকে চিন্তাই সংশয় আৰু সন্দেহৰ ৰূপ লৈ প্ৰাণত আঘাত হানে। দেহ থৰক-বৰক, প্ৰাণ উলি জুলি। সেই সময়তে আকাশেৰে উৰি যোৱা বগলিৰ জাক দেখি নাৰী প্ৰাণ স্বামী চিন্তাত হৈ উঠে উদ্‌ভ্ৰান্ত। স্বামী স্ত্ৰীয়ে যোৰ পাতি উৰি যোৱা বগলিৰ দৃশ্যই স্বামী নিঃসংগতাৰ বেদনাৰে সেই নাৰী-হিয়া কৰি তোলে হিয়ালি জিয়ালি। স্বদেশ বিদেশত স্বামী স্ত্ৰীয়ে একে লগ জীবন কটোৱা বগলিৰ জীবনেৰে তাইৰ জীবনৰ বৈপৰীত্যৰ চিনছবি নিজ মানস পটত ভাঁহৰ হৈ উঠাত তাই বেথা-বেদনাত একো নাই হৈ পৰে। কুবেৰ পুত্ৰ যক্ষই অত্যন্তিক ভোগ বাসনাত মত্ত হৈ কৰ্তব্য পৰাঙ্মুখ হোৱাত কুবেৰৰ অভিশাপত অতি মৰমৰ প্ৰাণৰ দয়িতাক অলকাপুৰীত এৰি যৈ যক্ষসুলভ ক্ষমতা হেৰাই মানুহৰ স্বভাবযুক্ত হৈ ৰামগিৰি পৰ্বতত এবছৰ কটায়। তেতিয়া প্ৰাণৰ দয়িতাৰ বিচ্ছেদ বেথা আৰু প্ৰেমোন্মদনাত ধৰ নোৱাৰি মেঘকে দূত হিচাবে লৈ প্ৰেমিকাৰ ওচৰলৈ নিজ দেহ মনৰ সংবাদ দি পঠাইছে। গোৱালপৰীয়া লোকগীতত প্ৰোষিতভৰ্তৃয়ে দেহ-মনৰ, বিৰহ বেথা-বেদনাৰ শীতোষ্ণ ভাবৰ সংবাদ দি পঠাইছে উৰি যোৱা বগিলাৰ হাতত :

ও কি বগিলাৰে,
জাকে জাকে উৰি যাও,
উজানী দেশে ॥
* * * *
* * * *
গদধেৰেৰ উজানতে,
দেবধৰ্মাৰ পাটেৰ কাছে,
বন্ধু গেইছে বণিজ কৰিবাৰে।
দেখা হইলে কবু তাৰে,
অভাগিনী বাচে নাৰে,
আউলাইছে মাথাৰ কালো কেশ ॥

বিৰহিণীৰ বিৰহৰ ভাব প্ৰকাশৰ ক্ষেত্ৰত চহাগীতিকাৰসকলৰ সুদক্ষ কবিৰ ভাবেৰে মিল দেখি বিস্ময় নহৈ নোৱাৰি।

তত্ত্বাগমিষ্যসি ভবিষ্যতি সঙ্গ মনো
সম্পৎস্যতে চ ননু মে মনসোভিলাষঃ।
বিদ্যুদ্বিলাসচপলা নব যৌবন শ্ৰী,
ৰেষা গতা ন পুনৰেষ্যতি জীবিতেশ ॥

অৰ্থাৎ 'হে জীবিত নাথ! তুমি বিদেশৰ পৰা উভতি আহিবা, উভয়ৰ মিলনো হব, অভিলাষো পূৰ্ণ হ'ব। কিন্তু বিদ্যুত গতিৰ নিচিনাকৈ এই ভৰা যৌবন এবাৰ পাৰ হৈ গলে আকৌ উভতাই পোৱা নেযাব। এইয়েই দুঃখ।' সেই একেজনী নাৰীয়ে চহা গীতিকাৰৰ চহা পৰিবেশত যেন অতি দুঃখেৰে কৈছে ঃ

'নাৰীৰ যৈবন পানেৰ বোটা,
আৰ ৰাখিম কত কাল ৰে।'

এই গ্ৰন্থৰ ৯১ পৃষ্ঠাত আলোচনা কৰি অহা কম বয়সতে মইষালৰ লগত বিয়া হোৱা, স্বামী সঙ্গসুখৰ পৰা দীৰ্ঘদিন বঞ্চিত হোৱা, যৌবন পাৰ হৈ ভাটী বয়সত উপনিত হোৱা, অতৃপ্ত কামনা বাসনাৰে জৰ্জৰিত বিৰহ বিধুৰা দুখুনী মইষাল পত্নীৰ হৃদয়ৰ পুঞ্জীভূত বেদনাই আৰ্তনাদ হৈ প্ৰকাশ পাইছে গোৱালপৰীয়া চহাগীতিকাৰৰ গীতত এনেদৰে ঃ

ছোট কালে হইছে বে বিয়া।
মইষাল বয়স ভাটী গেলো॥
না হইলং ছাওৱাৰ মাওবে।
মোৰ মনে ৰইলো দুঃখ মইষাল বে॥

আন এজনী প্রোষিতভর্তৃয়ে স্বামী আহিব বুলি কোৱা দিনটোত বিৰহৰ সকলো বেথা কাতি কৰি থৈ পতিক আদৰিবলৈ উৎসুক হৈ পৰিছে আৰু প্রসাধনেৰে নিজকে সজাই পতিলৈ অপেক্ষা কৰিছে। তেনেতে প্রেম উদ্দীপক 'দক্ষিণ হাওৱা' অর্থাৎ মলয়া বতাহ তাইৰ আগ চোতাল, পিছ চোতাল অর্থাৎ দেহ আৰু মনৰ ওপৰেদি বৈ গ'ল। মলয়াৰ মিথা পৰশত নাৰীদেহ আন্দোলিত, মন-প্রাণ ৰোমাঞ্চিত হৈ উঠে আৰু তেনে সময়তে স্বামী সংগ সুখৰ দুর্দম্য বাসনাই কামদেবৰ পঞ্চশৰ হৈ তাইক আঘাত কৰে। কিন্তু দুর্ভাগ্য যে সেই দিনাখন স্বামী উপস্থিত নাহিল। তাইৰ দেহ অন্তৰ জ্বলিব পুৰিব ধৰিলে। মলয়া বতাহো তাইলৈ হৈ পৰিল বিষাক্ত বতাহ। সেই বতাহে তাইক অগ্নিবত, বিষবত জ্বলায়, পুৰে। সেয়ে তাই গীতৰ চলেৰে কৈছে ঃ

"ও মোৰ কলিজা জ্বলে
হায়ৰে দক্ষিণা বাতাসে।"

পতি বিৰহ দগ্ধা নাৰীৰ যৌবন জ্বালাই জীবন জ্বালা। তেনে দুঃসহ জ্বালাত ৰ'ব নোৱাৰি সেই নাৰীয়ে কৈছে ঃ

'পতিধন,
প্রাণ বাচেনা যৈবন জ্বালায় মৰি।'

বিৰহ বেদনাৰ সবাতকৈ মনোৰম চিত্র ফুটি উঠিছে 'কত পাষাণ বান্ধাইছেন পতিৰ মনতে।' গীতটিত। প্রবাসী স্বামী চিন্তাত বিৰহিণী নাৰী ক্লিষ্ট। স্বামীহীন নাৰী জীবন 'জীবন্তে মৰা।' সেয়ে স্বামীলৈ প্রতীক্ষা। অপেক্ষা কৰি থাকোঁতেই বহাগ জেঠ মাহ গ'ল। কিন্তু স্বামী নাহিল। আশামুখী নাৰী মনে আহাৰ শাওণ মাহত আহিব বুলি বাট চালে। কিন্তু নাৰী প্রাণৰ সেই আশাও দুখৰ হুমুনিয়াহ হৈ ওলাই গ'ল। ভাদ মাহৰ মলয়া বতাহে বিৰহিণীৰ দেহ-প্রাণ কোবাই স্বামী সঙ্গ সুখৰ শিহৰণেৰে পুলকিত কৰিলে। দেহ-মন অস্থিৰ। তেনে আশাৰে ভাদ আহিন মাহো গ'ল। আঘোণত সেউজ বুলীয়া ধাননি ঠোক মেলি সোণ বৰণীয়া হ'ল। ধান দাই চপোৱাৰ বতৰ। কিন্তু অভাগিনীৰ পকা দেহ তেতিয়াও পৰিত্যক্ত হৈয়ে ৰ'ল। সেই দেহ চন্তালি ল'বলৈ গিৰিহঁত নাই। শীতৰ বাণ আৰু প্রেমৰ

বাণ লৈ পুহ মাহ আহিল। স্বামী অনুৰাগী নাৰী প্ৰাণত স্বামীৰ দেহ-মনৰ উত্তাপেৰে নিজ দেহ মন উত্তাপিত কৰিবলৈ গভীৰ বাসনা জাগি উঠিল। কিন্তু দুৰ্ভাগিনীৰ সেই আশাও অপূৰ্ণ হৈ ৰ'ল। স্বামী বিৰহ অগনিত জ্বলি পুৰিয়ে পুহ মাঘ মাহো পাৰ কৰিলে। পিছত আহিল ফাগুন। ফাগুন জ্বসালে মনত আগুন। বিৰহিণীৰ প্ৰাণ হেজাৰ উকাপত উত্তাপিত হ'ল। 'ফাগুন মাসেৰ দ্বিগুণ জ্বালাত' চাটি ফুটি কৰে নাৰীৰ মন-প্ৰাণ। কাৰণ প্ৰতীক্ষাৰ যন্ত্ৰণা অতি গধুৰ। মুছাজালিলৰ কবিতাৰ অনুবাদ কবি অবনী চক্ৰবৰ্তীয়ে লিখিছে ঃ

"ইমান গধুৰ এই প্ৰতীক্ষাৰ বোজা,
ইমান অসহনীয় ক্ষয়ংকৰি
শুহি নিঃস্ব মগজুৰ প্ৰতে ক ভাবনা।"

চ'তত কুলি কেতেকীৰ কুজনেৰে তাহিনা বসন্ত বসন্তত নাৰী মন কৰি ভুলিলে অশান্ত। শান্তিৰ ঔষধী স্বামী ভাবনাত বিগলিত মন প্ৰাণ। সেয়ে নাৰী কণ্ঠ ভেদি ওলাই আহে ঃ

"ওৰে নলোৰ আগুন তলে তলে
কাঁশিয়াৰ আগুন জ্বলে
আৰ মুই অভাগীৰ মনেৰ আগুন
দিনে ৰাতি জ্বলে ৰে।"

প্ৰবাসী স্বামী চ'তলো উভতি নাহিল। বিৰহ বেদনাই হিয়া উনি ধুনি, হিয়াৰ দুকুল ভাগি অবিৰাম গতিত বৈ যায় আৰু বৈ যায় ঃ

"কত পাষান বান্ধাইছেন পতিৰ মনতে।
পাষাণ বান্ধাইছেন পতিৰ মনত॥"

গোৱালপৰীয়া লোকগীতত বিৰহৰ সৰ্বদিশৰ প্ৰকাশ দেখিব পোৱা যায়। গীতবোৰত নাৰীক প্ৰেম, প্ৰেমৰ ব্যৰ্থতা আৰু বিৰহৰ কথা মুকলিকৈ ক'বলৈ স্বাধীনতা দিয়া হৈছে। সেয়ে ইয়াত নাৰীয়ে বিৰহৰ সকলো কথা হিয়া ভাগি চিঞৰি চিঞৰি কৈছে। গীতবোৰৰ শ্ৰেষ্ঠ আকৰ্ষণ হ'ল এই যে ইয়াত সঁচা মানুহৰ সঁচা বিৰহৰ চিত্ৰই প্ৰাণ পাই উঠিছে। প্ৰোষিতভৰ্তৃৰ বিৰহৰ সংবাদ সবাতকৈ অনুপম। গীতিকাৰ সকলৰ এই বিষয়ত প্ৰকাশ পোৱা অন্তৰ্দৃষ্টিও বখানিবলগীয়া। লোক সাহিত্যৰ জগতত এখনি বিশিষ্ট আসন অধিকাৰ কৰিব পৰাৰ জোখেৰে গীতবোৰ সজীব আৰু ৰসোত্তীৰ্ণও হৈছে। এনে লোকগীত বিৰল বুলিব পাৰি।

৭। ঘ। বিবিধ বিষয়ৰ গীত ঃ

বিবিধ বিষয়ৰ গীত বুলি গীতৰ যি শ্ৰেণী বিভাজন কৰা হৈছে সি কেবল মাত্ৰ গীতৰ বিষয় বস্তুৰ ফালৰ পৰা কৰা বিভাজনহে। কিন্তু লোকগীতৰ চহা ৰচক-সকলে কেতিয়াও শ্ৰেণী বিভাজনৰ সীমাৰেখা আগত ৰাখি গীত ৰচনা নকৰে। লোকগীত তেনেকৈ ৰচনা কৰাটো ৰৰং অস্বাভাৱিকহে। কাৰণ চহা গীতিকাৰ-সকলৰ অন্তৰৰ কেতিয়া কি ভাৱৰ ক্ৰিয়া-প্ৰতিক্ৰিয়াৰ আবেগিক ঊৰ্মিমালাই গীতৰ সুৰময় মূৰ্চনাৰে ব্যক্ত হয় তাৰ কোনো ধৰা বন্ধা নিয়ম নাই। সেয়েহে কোনো দেশ কোনো কালতেই কিছুমান ধৰা-বন্ধা নীতি-নিয়মৰ মাজত লোকগীত ৰচিত নহয়। গতিকে লোকগীতবোৰক কেইটিমান নিৰ্দিষ্ট শ্ৰেণীৰ মাজত সীমাবদ্ধ কৰি ৰাখিবলৈ কৰা চেষ্টাটো সম্পূৰ্ণকৈ নিৰ্ভুল নহয়। কিয়নো জন্মৰ ক্ষেত্ৰত লোক-গীতকৈ ইয়াৰ শ্ৰেণী বিভাজন সদায় পিছত হয়। ইয়াৰ আলোচনাৰ সুবিধাৰ বাবেহে বিবিধ বিষয়ৰ গীতবোৰক কিছুমান উপভাগত বিভক্ত কৰি আলোচনা কৰা হ'ল।

৭। ঘ। ১। মাছ মাৰা বিষয়ৰ গীত ঃ

ক] ৰৰশী বোৱা গীত ঃ

ৰৰশীৰে মাছ মাৰা প্ৰথা আন ঠাইৰ নিচিনাকৈ ইয়াতো আছে। ৰৰশী বোৱা গীতবোৰ খণ্ডিত আৰু মাছ কেন্দ্ৰিক। একে জাতীয় লোকগীত কামৰূপ জিলাতো প্ৰচলিত আছে। দুয়োখন জিলাতে ৰৰশীত দাঁত লগা বুলি এটা কথা আছে। অৰ্থ হ'ল ৰৰশীত নজৰ লগা। নজৰ লাগি দোষযুক্ত হৈ যাতে ৰৰশীত মাছ নলগা নহয় তাৰ বাবে ৰৰশীত টোপ লগাই পানীত পেলাই দিয়াৰ আগমুহূৰ্তত থু থু কৰি দিয়ে। গোৱালপাৰাৰ পশ্চিম অঞ্চলত আকৌ 'থু আট্টা মাগুৰ মাছেৰ কাট্টা'— বুলি কৈ ৰৰশী পানীত পেলায়। কামৰূপ জিলাত আকৌ এনেদৰে কয় ঃ

'থু থু যাৰ যেনি দাঁত লাগ্‌ছে,
কইঠা১ বান্‌নীৰ কুৰ।'

ৰৱশী পানীত পেলাই মাছক লোভ দেখুৱাই ৰৱশীত ধৰাৰৱ বাবে গায় ঃ

'ফুল ৰৱশী বল্‌লাৰ[২] টোপ,
টেংনা[৩] মাৰো খোপ খোপ।
মোৰ ৰৱশীটা নিয়ে যা,
তোৰ ৰৱশীটা দিয়ে যা ॥'

বিলাসীপাৰা অঞ্চলত আকৌ ঃ

'ফুল ৰৱশী বল্‌লাৰ টোপ,
কই[৪] মাৰু গোট গোট্
আয় কই খায়া যা,
মোৰ ৰৱশীটা লয়া যা ॥'

ৰৱশীৰ চিপ হাতত লৈ কামৰূপ জিলাতো গায় ঃ

'চেং কাকা লৰি আহ্,
মোৰ ৰৱহত ধৰি আহ।
এক খুট মাৰি কোত গেলি,
ভায় লালেৰ[৫] মুৰা খালি ॥
অইনৰ ৰৱহ তিতা,
মোৰ ৰৱহ মিঠা।
ধৰ বংশী ধৰ,
একে খুটে লাও সমান কৰ ॥'

'এন্দুৰ বিলাই দুই ভাই। ৰৱশী বান্ধো বাবী যাই ॥' —বুলি ৰৱশী তৈয়াৰ কৰাৰ পৰা আৰম্ভ কৰি মাছ মাৰাৰ শেষলৈকে এনেকুৱা ধৰণৰ খণ্ডগীত কিছুমান গোৱা হয়। ৰৱশী বোৱা গীতবোৰ অৰ্থৰ বিচাৰৰ জোখেৰে ৰচিত হোৱা নাই। যেনে তেনে প্ৰকাৰে ৰৱশী বোৱা কাম চলাবলৈকেহে এইবোৰ ৰচিত হৈছে।

অৰ্থ ঃ ১। ঘৰৰ বাহিৰত ব্যবহাৰ কৰা বাৰ্চনি, গোৱালপৰীয়া ঝাটা। ২। ৰৱল। ৩। শিংৰা, শিঙৰা মাছ। ৪। কাঁৱৰ মাছ। ৫। স্বামী; হিন্দি 'লাল'— মৰম, এই অৰ্থত ব্যবহাৰ হয় স্বামীক বুজাবলৈ। কামৰূপত 'লালেক'ৰ অৰ্থ স্বামী।

খ] জাকৈ মাৰা গীত ঃ

গোৱালপাৰা জিলাত নানা প্ৰণালীৰে মাছ মাৰা হয় যদিও সকলোবোৰ ক্ষেত্ৰতেই গীত গোৱা নহয়। বৰশী বোৱাৰ উপৰিও জাকৈ মাৰা গীত দুই একাঁকি শুনিব পোৱা যায়। যেনে ঃ

'উলহি নদীৰ ভুলকি মাছ ৰে,
সদায় ভুলকায় ৰে,
তোৰ চুম চুম মোৰ চুম চুম
সদায় চুম চুম সাৰ।
জাখা নাই খলাই নাই,
গোলামৰ বেটা ৰে,
কি দিয়া মাৰিম মাছ ॥'

মাছ বিষয়ৰ দুই চাৰিটা গীতত বাৰিষাৰ ন পানী পাই বিভিন্ন জাতিৰ মাছ-বোৰে কেনেদৰে আনন্দতে খেল কৰি ফুৰে তাৰো বৰ্ণনা পোৱা যায়। কেতিয়াবা আকৌ তাৰে মাজতই সমাজৰ কথাৰো আভাস পোৱা যায়। যেনে ঃ

১। ৰাঙেৰা বন্ধুৰে, ৰসিয়া বন্ধুৰে,
আটো[১] দাৰাত[২] হেঙা[৩] পাৰি মাছ মাৰিয়া দে ॥
ঐ দেখা যায় ভৰা গাঙত ঐ নামিছে ঢল।
ওৰ বাসৰা[৪] বাৰীত চৌ খেলে যায় সদায় নয়া জল ॥
নয়া জলত পুঠি মাছ উজাই লাগিছে।
আটো দাৰাত হেঙা পাৰি মাছ মাৰিয়া দে ॥
ঝৰিৰ পানী চিপ্ চিপানী বাসৰা বাৰীত পায়া।
বইল[৫] মাছে খেইল কৰে কুইস্‌সা[৬] বেৰায় ধায়া ॥
হাউস কৰিয়া পুঠি মাছে সেন্দুৰ পিন্ধিছে।
আটো দাৰাত হেঙা পাৰি মাছ মাৰিয়া দে ॥
ঝৰিৰ পানী চিপ্ চিপনী চাইন্‌চা[৭] বাৰীত পায়া।
শোউল[৮] মাছে ঝাপেয়া বেৰায় ফেকায় বেৰায় ধায়া ॥
হাউস কৰিয়া পুঠি মাছে শাৰি পিন্ধিছে।
আটো দাৰাত হেঙা পাৰি মাছ মাৰিয়া দে ॥

মাছ মাৰিয়া ভোট্ কৰলু হেঙা জাল দিয়া।
মুই সুন্দৰী খেল কৰং ধাৰত গা ধুইয়া ॥
মাছেৰ সাথে নাংয়ৰ গালায় মোক বান্ধিয়া নে।
আটো দাৰাত হেঙা পাৰি মাছ মাৰিয়া দে ॥

২। বুঢ়া গেছে মাছ মাৰিবাৰ মাৰিয়া আইনছে ইছা।
দুই সতিনে বুদ্ধি কৰি বুঢ়াক দিছে ফিঁছা ॥
বুঢ়া গেছে মাছ মাৰিবাৰ মাৰিয়া আনছে কই।
দুই সতিনে বুদ্ধি কৰছে বুঢ়াক দিবাৰ নই ॥
বুঢ়া গেছে মাছ মাৰিবাৰ মাৰিয়া আনছে চেং।
দুই সতিনে বুদ্ধি কৰি বুঢ়াৰ ভাঙছে ঠেং ॥

৩। ভাউজী[৯] মোৰ মাছ মাৰে জাখা খলৈ দিয়া।
ভেৰ ভেৰিতে মাছ মাৰে দুই ঠেং খচিয়া ॥
মাছ মাৰে মোৰ সোণা ভাউজী মাছ নানান জাতি।
মাছ মাৰিতে মাছু মাৰিতে হয়া গেলো ৰাতি ॥
জাখা হাতে নিলেন ভাউজী চলিয়া গেইলেন বাৰী।
মাছ ভাজিয়া খায়া ভাউজী আসেন তাৰাতাৰী ॥

৪। আষাৰ শ্ৰাৱণ মাছে নদীত লাগিল চিপ।
কতো গোদায়[১০] যুক্তি কৰি কাটিল ৰৱশীৰ চিপ ॥
গোদা যায় মাছ মাৰিতে ॥
কেহো নিলো সূতা ৰৱশী কেহো নিলো চিৰা।
নদীৰ ধাৰত পৰিয়া আছে কণ্টিচাৰী[১১] মৰা ॥
যেমন গকৰ মতন ॥
মাছো নাপাইল শাকো নাপাইল ঘুৰিয়া আসিল বাৰী।
পাক ঘৰত বসিয়া গদা দিছে গল্প ছাৰি ॥

৫ কতো মাছ হুস্‌কি[১২] গেইছে ॥
সেই কথা শুনিয়া গুদিনী ৰাগে হইলো টং।
ভাত ঘাটানা[১৩] নাকুৰি[১৪] দিয়া মাথাত মাৰিলেক ডাং ॥
গোদা যায় গোসা হইয়া ॥

অৰ্থ : ১। ঠেক। ২। কম দ আৰু কম বহুল বাৰিষা পানীত বুৰ যোৱা

আৰু খৰালি শুকাই যোৱা ডাং। ৩। তিনি কোণীয়াকৈ সঁজা বাঁহ বা কাঠৰ সঁজুলিৰ ভিতৰফালে জাল লগাই সঁজা মাছ মাৰা সঁজুলি। ৪। বাকৰ, বকৰা, চন পৰি থকা মাটি। ৫। বৰালী মাছ ৬। কুঁহিয়া মাছ—কামৰূপী—কুইংৰা। ৭। ঘৰৰ ওচৰে-পাজৰে থকা ঠাই। ৮। শোল মাছ। ৯। নৰো। ১০। বিকলাংগ মানুহ। ১১। চুৰাৰ বাচ বিচাৰ নোহোৱা বামাণ। ১২। হুহুকি যোৱা, খুলি যোৱা। ১৩। ঘাটি দিয়া। ১৪। হেতা।

৭। ঘ। ২। খেল-ধেমালিৰ গীত ঃ

জৰা বাৰ্ধক্যৰে জৰ্জৰিত আৰু মৃত্যুৰে সীমিত মানৱ জীৱনৰ খেল-ধেমালি সঞ্জীৱনী সধা, চঞ্চা মানুহৰ শ্ৰমময় জীৱনৰ আনন্দৰ উৎস, কৰ্মময় জীৱনৰ হাঁহিৰ সঁৰা আৰু মানৱ জীৱনৰ আয়ু বৰ্ধনক।

ভাৰতীয় খেল পথাৰত বৰ্তমানে দেখা বেংকপটো কিছুমহৰ আগতে নাছিল। আমদানি কৰা বিদেশী খেলবোৰেই বৰ্তমান ভাৰতৰ গাওঁ আৰু নগৰৰ খেল পথাৰবোৰ দখল কৰি লৈছে। আমদানী কৰা খেলবোৰ খেলোৱাৰ আগতে জানো ই দেশীয় মানুহে কোনো খেল খেলোৱা নাছিল? খেলিছিল। কিন্তু বিদেশীয় খেলবোৰ হোৱা প্ৰতিযোগিতাত ই দেশীয় খলুৱা খেলবোৰ পৰাজিত হোৱাত সেই-বোৰ প্ৰায় লুপ্ত হ'ল।

বিদেশী বিজেতাৰ সকলোবোৰ ভাল, দেশী আৰু নিজৰবোৰ ভাল হ'লেও বেয়া— এনে দৃষ্টিভংগীৰ ফলতেই ভাৰতৰ বহুত নিজস্ব খেল লুপ্ত হ'ল। সেই খেলবোৰ বিজ্ঞানসম্মত দৃষ্টিৰে সংস্কাৰ সাধন কৰি আধুনিক খেল পথাৰৰ উপযোগী কৰি তোলা নহ'ল। একেই কথাই গোৱালপাৰা জিলাৰ ক্ষেত্ৰতো খাটে। আমি ইয়াত প্ৰাচীন কালৰ পৰা প্ৰচলিত আৰু আধুনিকতাৰ হেঁচাত লুপ্ত প্ৰায় কিছুমান গোৱালপৰীয়া খেল আৰু খেল-ধেমালিৰে জৰিত গীত-মাতৰ কথাহে আলোচনা কৰিম। বৰ্তমান গোৱালপাৰাৰ আধুনিক খেলবোৰৰ লগত এই আলোচনাৰ যোগসূত্ৰ নাই। এনেদৰে লুপ্তপ্ৰায় খেলবোৰ আজি আৰু অবিকল ৰূপত উদ্ধাৰ কৰাটো টান হৈ পৰিছে। পোৱাখিনিক লৈয়ে এই আলোচনা আগবঢ়োৱা হৈছে।

তেনে ধৰণৰ খেলবোৰ হ'ল ঃ

১। **নাও খেল** ঃ বাৰিষাকালত নৈ-নলাৰ বুকুত যেনেকৈ ঢৌৰ হিল্লোল উঠে ঠিক তেনেকৈয়ে মানৱ প্ৰাণত বৰ্ষাৰ আনন্দৰ ঢৌ উঠে। মানৱ প্ৰাণৰ আনন্দৰ ঢৌবোৰ নৈ-নলাৰ বুকুৰ ঢৌৰ সৈতে এক কৰি মিলাই দিবলৈ মানুহে নৈৰ বুকুত নাও-খেল পাতে। নাও খেলৰ সময়ত খেলুৱৈ সকলে কিছুমান গীত গায়। এই গীতবোৰেৰে প্ৰথমতে মানৱ মনৰ বৰ্ষাৰ আনন্দ প্ৰকাশ কৰা হয়। দ্বিতীয়তে খেলৰ প্ৰতিযোগীসকলে খেলত জিকিবলৈ দুৰ্বাৰ আশা মনত পোষণ কৰে। সেয়ে খেলুৱৈসকলক উৎসাহিত কৰিবলৈ কিছুমান গীত গাব লগা হয়। তৃতীয়তে খেলৰ প্ৰত্যেকখন নাওতে ২০ ২৬ জনকৈ বঠাৰৈ থাকে। এই বঠাৰৈসকলৰ বঠাৰ ছেৰত যাতে খেলি-মেলি নহয় তাৰ বাবে গীত পদৰ আৱশ্যক হয়। গীত পদৰ তালে তালে বঠাৰ ছেৰ পেলালে কোনো অসুবিধা নহয়। এই সকলোবোৰ কথা বিবেচনা কৰি এই খেলৰ উপযোগীকৈ কিছুমান গীত পদ ৰচনা কৰা হৈছে। এইবোৰ গীতেই নাওঁ খেলৰ গীত।

গোৱালপাৰাৰ কিছুমান ঠাইত নাও খেলক 'বাইস্' খেল আৰু গীতবোৰক 'বাইস খেলৰ গীত' বোলে। নাও খেলৰ সময়ত গীদাল (গীত লগাই দিয়া মানুহ) জন নাওৰ আগত থাকে। আন মানুহবোৰে হাতত বঠা লৈ নাওৰ দুয়ো কাষে শাৰীবদ্ধ হৈ বহে। শেষত বহে নাওৰ গুৰিয়ালজন। খেল আৰম্ভ হ'লে গীদালজনে গীত লগাই দিয়ে। বঠাৰৈসকলে গীত গোৱাৰ লগে লগে গীতৰ তালে তালে বঠাৰ কোৰ চৰাই দিয়ে আৰু খেলৰ নাও দ্ৰুতগতিত লক্ষ্য স্থানলৈ আগবাঢ়ে।

গোৱালপাৰা জিলাত সাধাৰণতে দুৰ্গা পূজাৰ দেবী বিসৰ্জন দিয়াৰ দিনাখন নাওখেল অনুষ্ঠিত হয়। ঠিক একে ধৰণৰ নাওখেল কামৰূপ, ৰংপুৰ, মৈমনসিং আদি জিলাবোৰতো হয়। পুৰণি কামৰূপ জিলাৰ শুৱালকুছি আৰু ৰৱপেটাৰ নাওখেল লেখত লৰলগীয়া। কিন্তু এইবোৰত নাওখেল শ্ৰীমন্ত শংকৰ মাধৱ আদি ধৰ্মগুৰুসকলৰ তিথি উৎসবত হ পতা হয়।

গোৱালপৰীয়া নাওখেলৰ লোকগীতবোৰৰ মাজত দুই প্ৰকাৰৰ গীত দেখিবলৈ পোৱা যায়। তাৰে এবিধত গোৱালপাৰাৰ নৈ-নলা, তাৰ বুকুৰ বন্যা, বন্যাৰ বুকুত সৃষ্টি হোৱা অজস্ৰ লহৰ আৰু সেই লহৰ ঠেলি নাওখেলত জয়যুক্ত হোৱাৰ উৎসাহ, অনুপ্ৰেৰণা আৰু কৰ্ম-প্ৰেৰণা আছে।

"হেইওৰে হেইও হেইওৰে হেইও,
আৰা জোৰে হেইও, আৰা জোৰে হেইও।
গঙ্গাধৰ নদীৰে ভাই ভীষণ জলেৰ ধাৰ,
গুণি গুণি মাৰো বৈঠা এলা হইবেন পাৰ ॥ (গিঃ বঃ)

আন শ্রেণীৰ গীতত পোৱা যায় শ্রীকৃষ্ণই নাওখনীয়া বেশ লৈ ৰাধিকাক যমুনা নদী পাৰ কৰা দৃশ্যৰ সুন্দৰ বৰ্ণনা।

"ও সাদেৰ কানাই কানাইৰে
পাৰ কৰি দে মথুৰাত যাই,
যখন কালা বাজায় বাঁশী
তখন আমৰা হলদি বাটি
সাদৰ কানাই ৰে .. ॥"

কামৰূপত নাওখলৰ সময়ত গোৱা কৃষ্ণ বিষয়ক গীতৰ লগত এইবোৰ গীতৰ সাদৃশ্যও আছে। তলৰ কামৰূপী গীতাংশই তাৰ প্রমাণ দিব :

কানাই পাৰ কৰাহ, বেলি পৰিল ঢলিয়া।
নষ্ট হৈলো দুধৰ ভাণ্ড, মাজাৰ হৈল মণ্ড ॥

নাওখল হিন্দু-মুছলমান উভয়ৰে ঐতিহ্যিয়া সম্পত্তি। সেয়ে হিন্দুৰ কৃষ্ণৰ লিচিনাকৈ মুছলমানৰ আল্লাৰ প্রার্থনাৰেও নাওখলৰ গীত ৰচনা হোৱা দেখা যায়।

আল্লাৰ নাম বলো, নাম বলো, বলো ৰ ভাই।
জোৰে জোৰে মাৰো বইঠা বাইস্ খেলাইতে যাই ॥'

নাওখলৰ গীতৰ মাজত আছে বঠাৰ[১] ছন্দ, পানীৰ কল কল কলৰব, শ্রম জীবনৰ প্রেৰণা, সামাজিক অনুষ্ঠানৰ স্বাক্ষৰ আৰু অৱসৰ সময়ৰ ডেকা প্রাণৰ আনন্দৰ প্রকাশ।

১। নাও খেলৰ গীত :

বইঠা মাৰে বইঠা মাৰো,
ও বাইসালৈ ভাইয়া ৰে,
ঝাৰিয়া বইঠা মাৰিয়া যাওঁৰ ॥
এলা কেনে বাইসাল ভাইয়াৰে,

১। বঠাৰৈ।

ও নৌকা আইগায় আৰ পউছায় বে।
সাবধানে যাও নৌকা বে,
ঝাবিয়া নৌকা মাবিয়া যাওব ॥
মায়ন গাছেব নৌকাবে তাব,
পবন সূতাব বইঠা বে।
ও বাইসাস ভাইয়া বে,
ঝাবিয়া বইঠা মাবিয়া যাওব ॥
নৌকাব নাম হাতাসী বে,
নৌকা চলে বাতাসে বে,
তোমাব ডিংগা আই লা বে,
যোব বইঠা বইযা,
চাইলন বাঁতি বাইব কবিয়া,
ডিংগা নেও ববিয়া ॥
তোমাব ডিংগা আইলাসে,
ও মাবিয়া বাড়িব হয়া দেখো বে
তোমাব ডিংগা জিতিয়া আইলা বে ॥

২। **ইকৃবি মিকৃবি খেল :**

চাবি পাঁচ বা ততোধিক খেলুবৈ খেলিব পাবে। খেলুবৈবোবে ঘুবণীয়াকৈ বহি হাতবোব মাটিত চেপেটাকৈ পাবি লয়। খেলুবৈবোবব ভিতবতে এজনে বুঢ়া বা 'বুঢ়ী' হব। এওঁ এখন হাত আন খেলুবৈবোবব নিচিনা'ক মাটিত পাবি আনখন হাত মুঠি মাবি ধবি মাটিত পাবি থোবা হাতবোবত ভুকুবাই যাব। প্রতোক ভুকুতেই তেওঁ তলব গীতটিব একো এ কাটি শব্দ উচ্চাবণ কবিব।

ইকৃবি মিকৃবি চাম্ চিকৃবি,
বৌব আজো[১] দালপাত লাব চবে,
ঢাল কাউবাটা[২] ঠোকব মাবে,
আয় গবৰী ভাত খাই,
নাখাই তোব সঙ্গে ভাত,
গবৰী গবৰী গোন্ধায় হাত,
এলেব পাত বেলেব পাত,
শ্রী আঙুল তোল হাত।

গীতৰ শেষৰ 'হাত' শব্দটি উচ্চাৰণ কৰাৰ লগে লগে হাতৰ মুকুটো যিখন হাতত পৰিব সেইখন হাত খেলুৱৈজন উঠাই কপাল স্পৰ্শ কৰি থাকিব। দ্বিতীয়বাৰতো যদি মুখৰ হাত শব্দটৰ সৈতে মুকুটো উক্ত খেলুৱৈজনৰ দ্বিতীয় হাতত পৰে তেন্তে তেওঁ সেইখন হাত নাভিত ৰাখিব লাগিব। যেতিয়ালৈকে প্ৰত্যেকজন খেলুৱৈৰে তেনে অবস্থা নহয়। 'বুটী' বা 'বুচা' জনে আগত কোৱা ধৰণে খেলটো বাৰ বাৰে কৰিব আৰু সদায় শেষত প্ৰত্যেকজনৰ হাত কপালত এখন আৰু নাভিত আনখন উঠিব। তেতিয়া তেওঁ প্ৰথমতে এজনক সুধিব আৰু সেইজনে উত্তৰ দিব এনেদৰে ঃ

প্ৰশ্ন ঃ তোৰ ওটাইত কি ?

উত্তৰ ঃ সেন্দুৰ।

প্ৰশ্ন ঃ ছিঃ ছিঃ মোৰ মামাৰ গু।

এই কথাত উত্তৰ দিওঁতাজনে কপালত দি থকা হাত খনৰ মুঠি পেলাব আৰু লগে লগে সেই হাতখন মুকলি পৰিব। তাৰ পিছত নাভিত থকা হাতখনেৰে আঙুলিয়াই সুধিব।

প্ৰশ্ন ঃ তোৰ ওটাইত কি ?

উত্তৰ ঃ ছাওৱা।

প্ৰশ্ন ঃ বান্দ কে ?

উত্তৰ ঃ দুধ বুলি।

প্ৰশ্ন ঃ সেলাই এক যোটি দুধ দিয়া গেনু।

উত্তৰ ঃ ছাওৱা খাইছে এজলাই, মুই খাইছং এজলা আৰু এজলা সিকিতাত থুইছং বিলাইয়ে খায়া ফেলাইছে।

প্ৰশ্ন ঃ সে বিলাই কুঠি গৈছিল ?

উত্তৰ ঃ খেৰবাৰী।

প্ৰশ্ন ঃ খেৰ চাইট্টি কি কৰলু ?

উত্তৰ ঃ পোৱা দিছং।

প্ৰশ্ন ঃ ছাই চাইট্টা কি কৰলু ?

উত্তৰ ঃ ধোবাক দিছং।

প্ৰশ্ন ঃ ধোবা তোক কি দেইল ?

উত্তৰ ঃ মাছ দেইল।

প্ৰশ্ন ঃ মাছটা কি কৰলু ?

উত্তৰ ঃ পোৱা দিছং।

প্ৰশ্ন : পোৱা দিয়া কি কৰহ ?

উত্তৰ : ছাওৱা খাইছে কবটা, মুই খাইছং মাত্ৰখান। 'বুটী' বা 'বুটা' জনে প্ৰত্যেকজন খেলুৱৈক এনেদৰে প্ৰশ্ন কৰিব আৰু খেলুৱৈসকলে উত্তৰ দিব। শেষৰ জনৰ উত্তৰ শেষ হোৱাৰ লগ লগে প্ৰত্যেকেই নিজৰ চকু টানি এজনে আনজনক চাই ক'ব :

সউকৈ পাখী দেখছং টুনী পাখী দেখ নাই

টুস্‌স্‌ টুস্‌স্‌।

এইদৰেই এই খেলৰ সামগ্ৰিণি মৰা হয়। অঞ্চল ভেদে এই খেলটো 'ইছন বিছন' খেল বুলিও কয়। খেলৰ পদ্ধতিৰ কোনো লৰচৰ নাই। কিন্তু গণনাৰ সময়ত ইকৃৰি মিকৃৰি বুলি গণনা নকৰি এনেদৰে গণনা ক'ব :

(ক) ইছন বিছন ধাপুৰী বিছন
গোৰী বাজাই দিছে পাতি
তাত চৰি যায় মঙ্গল হাতী
মঙ্গল হাতী নৰে চৰে
ঢাল কাউৰাটা ঠোক্কৰ মাৰে
আয় গোৰী হাটত যাই
ঝালৰ নাক কিনিয়া খাই
ঝালৰ নাক বৰাইৰ বিচ[৯]
ফুল ফুটিলো ধানৰ শীষ।

(খ) ইছন বিছন ধাপুৰী বিছন
সেও বিছন নৰ চৰে
ঢাল কাউৰাটা ঠোক্কৰ মাৰে
আয় গোৰী হাট যাই
দুদু[১০] মাখা ভাত খাই
নাখাং তোৰ দুদু মাখা ভাত
কাউৰা কাউৰা গোন্ধায় হাত
এল পাত বেল পাত
শিবি আঙুল ভোল হাত।

এই খেলটো কামৰূপ জিলাতো প্ৰচলিত। খেল আৰু খেলৰ কথাত কৰবাত সাধাৰণ পাৰ্থক্য থাকিব পাৰে। সেই পাৰ্থক্য মূলগত নহয় নিশ্চিতভাবে আঞ্চলিক পাৰ্থক্যহে হ'ব। কামৰূপ জিলাত গণনাৰ সময়ত গোৱা হয়।

ইছ্‌নি বিছ্‌নি খোৱাকা খিছ্‌নি
মো পৰে ধৰা পৰে
সৰ্‌গিদো মৰ্‌গিদো
ৰৰপীৰাখন পাৰি থো
কাচাটু লৰে চৰে
পকাটু ধুপুচকে সৰে।

পিছৰ প্ৰশ্নাওৰ বিষয়বস্তু খেলাটোৰ সাদৃশ্য আছে।

১। কৰাদেউলে ২। ঢোৱা বাউৰি ৩। তাত ৪। ভেভিয়া ৫। একাঞ্জলী, হাতৰ তলুৱাত ধৰা পৰিমাণৰ ৬। মেখুৰি ৭। গোটেইটো ৮। সৰলো ৯। বগৰীৰ গুটি ১০। গাখীৰ

১। এ' চুম বেৰ্‌ চুণ খেল ঃ

চাৰি পাছ বা ততোধিক খেলুৱৈয়ে খেলিব পাৰে। এই খেলত খেলুৱৈসকলে বৃদ্ধদেৱৰ নিচিনাকৈ আসন' কৰাৰ দৰে মাটিত বহে। খেলুৱৈৰ মাজৰে এজনী 'বুঢ়ী' হয়। তেওঁ তলত লিখা গীতটৰ প্ৰতিটো শব্দ উচ্চাৰণ কৰোঁতে খেলুৱৈসকলৰ এজনৰ পিছত এজনকৈ আঠু স্পৰ্শ কৰি যায়।

একাডুম বেৰাডুম ঘোৰাডুম সাজে
ভাল মোৰ নাগৰ কাটে
ঘাগৰ কাইট্টে লাগিল ছুৰী
অ'তি আছিল কমলা বুঢ়ী
কমলা বুঢ়ীৰ চিয়াটো, সূর্য মামাৰ বিয়াটো
আয় সূর্য হাট যাই, হাট যাই পাণ খাই
পাণ হইল বোকৰা, মাও মাসী ঝগড়া.

গীতটিৰ শেষ শব্দ 'ঝগড়া' উচ্চাৰণ কৰোঁতে খেলৰ 'বুঢ়ীয়ে' যিজনক স্পৰ্শ কৰিব তেওঁ বহাৰ পৰা উঠি যাব লগা হয়। বুঢ়ী এ গাতটি গাই গাই বাৰে বাৰে সেইটো কৰি যায় আৰু প্ৰত্যেক বাৰতেই এজন এজনকৈ খেলুৱৈ বহাৰ পৰা উঠি হয়। শেষত মাত্ৰ এজন মাত্ৰ বহি থাকে। তেওঁ হ'ব 'চাৰ।' এই 'চোৰ' জনে যদি যিয় হৈ থকা খেলুৱৈসকলৰ কোনো এজনক চুই সেইজন বহাৰ আগতে বহিব পাৰে তেতিয়া দ্বিতীয়জনেই চোৰ হব। এনে অবস্থাত খেলুৱৈসকলে যিয় হয় আৰু চোৰ আঁহিলেই থাকে। চোৰ জনে প্ৰাণপণ নিয়মমতে অন্য এজনক চোৰ বনাবলৈ যত্ন কৰে।

এনেদৰে খেলি খেলি ভাগৰি পৰাত যেতিয়া খেল ভঙ্গ কৰিব তেতিয়াও এজন 'চোৰ' হৈয়েই থাকিব। এই শেষ 'চোৰ' জনক খেলুৱৈসকলে এইবুলি জোকায় :

'চোৰ ধৰি বাৰী যাবু
বেং পোৱা ভাত খাবু।'

চোৰজনে তেতিয়া এডাল দীঘল মাৰি লৈ দুই ভৰিৰ মাজেৰে পিছফালে উলিয়াই দি নিজৰ চোৰৰ চুৰা কাটিবলৈ কয় :

'এবটা ধানেৰ দুইটা শীষ,
তাকো ভাঙং ঠাস্ ঠিস্,
মোৰ চুৰা তোক দিনু,
মুই বুঢ়ী বাৰীত গেনু।'

এনেদৰে খেলটিৰ সমাপ্তি হয়।

১। নেপুৰ ২। চিয়া : মুছলমানৰ এটি সম্প্রদায়, বংশ পৰম্পৰাভাবে চলি অহা যশস্যা, সচ বা বংশ।

৪। পানীৰ খেল :

এই খেলত খেলুৱৈৰ সংখ্যা নির্দিষ্টভা নেথাকে। প্রথমতে খেলুৱৈসকলে এবুকু পানীত হাতত ধৰাধৰি কৰি ঘুৰণীয়াকৈ ঠিয় দিব। এজনে মাজত সোমাব আৰু পানীত ডুব মাৰিব। বাকীবোৰে পানীত হাত উঠোৱা নমোৱা কৰি ঢৌ সৃষ্টি কৰিব আৰু মুখেৰে গাব :

ৰৱ নদীৰ ঢেউ সৰু নদীৰ ঢেউ
মাইঝলা[১] গাজেৰ ঢেউ উঠি ছে।

পানীত ডুব মাৰাজনে হাত উলিয়াই জোকাৰিব আৰু লগে লগে বাকীবোৰে গীত বন্ধ কৰি তেওঁক সুধিব : কি কৰলু?

উত্তৰ : নাঙল লাগে।

প্রশ্নকাৰীসকলে এজনে আনজনৰ পৰা নাঙল খুজিব আৰু শেষৰ জনে কব :

— 'আল্লাৰ টাইৰ'

ডুবি থকা জনে 'দেৱে আল্লা' বুলি কৈ আকৌ ডুব মাৰিব। কিছু সময় পিছত আকৌ উঠিব আৰু বাকীবোৰে প্রশ্ন কৰিব : কি কৰলু? তেতিয়া ডুব মাৰাজনে ক'ব : মৈ লাগে। বাকীবোৰে আগৰ নিচিনাকৈ 'আল্লাৰ টাই' বুলি ক'ব। এনেদৰে খেতিৰ সকলোবোৰ সঁজুলিৰ কথা কোৱাৰ পিছত ডুব দিয়া জনে পানীৰ তলত

বাঙী খেতি কৰিব, বাঙী ভাতৰ হ'ব, প্রথমটো তিতা, দ্বিতীয়টো তেতা আৰু তৃতীয়টো মিঠা বুলি ক'ব। তেতিয়া ৰাকীবোৰে বাঙী খাবলৈ পানীত ডুব মাৰিব। মাজিকজনে বাঙী ৰক্ষা কৰিবলৈ আনবোৰক খেদি ফুৰিব আৰু যিজনক ধৰিব সেইজনৰ মুখত চপনিয়াই ক'ব : 'মাছ মাছ কলাৰ গাছ'— এনেদৰে সকলোকে ধৰাৰ পিছত গা পা ধুই খেল ভঙ্গ কৰিব।

১। মধ্যম ২। টাই < ৭ মী বিভক্তি অৰ্থে

৫। গোলাপ টকৰ :

খেলুৱৈৰ সংখ্যা নির্দিষ্টতা নাই। প্রথমে খেলুৱৈসকল সমানে দুই ভাগত বিভক্ত হ'ব। দুয়ো দলৰ খেলুৱৈসকলৰ পৰা দুজন নায়ক বা ৰজা হ'ব। তেওঁলোক দুজনে নিজৰ নিজৰ দলৰ খেলুৱৈসকলক মুখা-মুখিকৈ ৮/১০ হাত মান আঁতৰত শাৰীবদ্ধভাবে বহিব দিব। তাৰ পিছত এজনৰ নায়ক বা ৰজাই বিপৰীত দললৈ আহি বহি থকা খেলুৱৈ সকলৰ দুচকু হাতেৰে বন্ধ কৰি ধৰিব। তেতিয়া বিপৰীত দলৰ বহি থকা এজনে আহি সেইজনৰ কপালত 'টোকৰ' মাৰি উভতি গৈ নিজৰ ঠাইত বহিব। তাৰ পিছত চকু দুটা খুলি দিব আৰু কোনে তেওঁৰ কপালত 'টোকৰ' মাৰিছে ক'ব দিব। যদি ঠিক 'টোকৰ' মৰাজনক নির্দিষ্টকৈ ক'ব পাৰে তেন্তে সেই খেলুৱৈজন খেলৰ পৰা বাহিৰ হৈ যাব। যদি নোৱাৰে তেন্তে তেওঁ নিজেই বাহিৰ হৈ যাব। এনেদৰে এজনৰ পিছত এজনৰ চকু বন্ধ কৰি ধৰিব আৰু প্রতি বাৰতে হয় ইপক্ষৰ নহয় সিপক্ষৰ এজন খেলুৱৈ মৰা পৰিব। তেনেদৰে খেলাতে যিপক্ষৰ খেলুৱৈ আটাইকেইজন বাহিৰ হৈ যায় সেই পক্ষই খেলত হাৰিব। এনেদৰে এই খেলটো বাৰে বাৰে অনুষ্ঠিত হ'ব পাৰে। অঞ্চলভেদে খেলৰ পদ্ধতিৰ সাধাৰণ তাৰতম্য দেখিব পোৱা যায়। গৌৰীপুৰ অঞ্চলত এনেদৰে খেলোৱা হয় :

দুয়ো দলৰ ৰজাই নিজ নিজ দলৰ খেলুৱৈসকলৰ একোটা মিছা নাম ৰাখিব। নাম ৰখা যাব আগতে হ'ব সিয়ে খেল আৰম্ভ কৰিব। খেলৰ ৰজা বা নায়কে বিপৰীত দলৰ এজনৰ চকুত ধৰিব আৰু মিছা নামেৰে নিজৰ দলৰ এজনক মাতিব। সেইজনে গৈ চকু বন্ধ কৰি ধৰি থকাজনৰ কপালত এটা 'টোকৰ' মাৰি আহি নিজৰ ঠাইত বহি থাকিব। তাৰ পিছত চকুত ধৰি থকা ৰজাই মুখেৰে সুৰ লগাই মাতিব :

ওকুল ঝোকুল কাৰ ফুল ফুটে
বানিয়া বাজাৰ দুল দুল কাঁপে
কাঁপে কুপ নিমেৰ ঠাঁস
ঢাপ ঢুপ নিঃচুপ
মৰা গৰু চমকি উঠ।

গীতাংশে গোৱাৰ অর্থ হ'ল এই যে খেলুৰৈজনে যাতে কপালত টুকুৰীয়াই গৈ পূৰৰ নিজৰ ঠাইত বহি ল'ব পাৰে। তাৰ পিছত চকুৰ পৰা হাত এৰি দিয়া হয়। যদি খেলুৰৈজনে কপালত টোকৰ মাৰাজনক চিনাক্ত কৰিব পাৰে তেনেহলে তেওঁ সম্মুখৰ ফালে এক জাপ মাৰি আগুৱাই যাব। নোৱাৰিলে টোকৰ মাৰাজনে তেনেদৰে জপিয়াই আগবাঢ়ি যাব। তাৰ পিছত বিপৰীত দলৰ বজাই আন দলৰ খেলুৰে এজনৰ চকুত ধৰি আগত কোৱাৰ নিচিনাকৈ খেলিব। এনেদৰে খেল চলি গৈ শেষত ষিটো দলে বিপৰীত দলৰ মানুহবোৰক জপিয়াই অতিক্রম কৰি যাব সেইটো দলেই খেলত জয় লাভ কৰিব।

এই খেলটো কামৰূপ জিলাতো হুবহু একে ৰূপত, ধৰণত খেলে। এইবোৰৰ উপৰিও গোৱালপাৰা জিলাত এন্দুৰ বিলাই, জো ঢু, হাঁস হাঁস খেল, কমাল চোৰ, এলেটিং খেলেটিং চেংকু দাণ্ডা কুকুৰ কুট, বং শলাই টোপা বৰাই, গাইয়া ঘুচুৰ, দাং গুটি, বেলেগ বেলেগ প্রকাৰৰ শৰ খেল, হাডু ডু খেল, ঘিলা খেল পাট্টি খেল, কড়ি খেল, শিল গুটি, কচু গুটিৰে খেল্লোৱা খেল, ছাগলগিৰি লক্ষ্মীগিৰি আদি বিভিন্ন ধৰণৰ খেল বৃহৎ গোৱালপাৰাৰ বিভিন্ন অঞ্চলত প্রচলিত আছে। সকলোবোৰ খেলৰ বিশদ বৰ্ণনা দিয়া এম পৰিসৰৰ ভিতৰত সম্ভবপৰ নহয়। আলোচনাৰ আবশ্যকৰ জোখেৰেহে কেইটিহান খেলৰ চমু বৰ্ণনা ইয়াত তুলি ধৰা হ'ল।

এই খেলবোৰৰ ধৰণ কৰণলৈ লক্ষ্য কৰিলে এটা কথা স্পষ্ট হৈ পৰে যে কিছুমান খেলত সা-সঁজুলী ব্যবহাৰ কৰা হয় আৰু আন কিছুমান খেল খালি হাতেৰেই খেলোৱা হয়। মানৱ সমাজৰ ক্রমোন্নতিৰ দৃষ্টিভঙ্গীৰ ফালৰ পৰা স-সঁজুলীৰে খেলোৱা খেলবোৰ আন শ্রেণীৰ তুলনাত পৰৱর্তি কালৰ সৃষ্টি যেন লাগে। দ্বিতীয়তে খেলৰ নাম আৰু খেলৰ পদ্ধতিলৈ চালে ভাব নহে নেথাকে যে খেলবোৰ মূলতঃ বা সামাজিক জীৱনক কেন্দ্র কৰিয়েই জন্ম হৈছে। বিলাই-এন্দুৰ, হাঁস হাঁস, ছাগলগিৰি-লক্ষ্মীগিৰি পানীৰ খেল আদিবোৰ মূলতঃ আৰু সামাজিক জীৱনেৰে ওতঃপ্রোতভাবে জড়িত আৰু তেনে জীৱনৰে প্রতিফলন যাথোন। এই খেলুৱা খেলবোৰ প্রাচীন ক্রীড়ামোদী মানুহৰ চিত্তোত্তৰ বুলি ক'ব

পাৰি। ইয়াৰ কোনোটো খেলেই নিৰৰ্থক নহয়। খেলুৱৈ সকলে অবসৰ সময়খিনি খেলত কটাই খেলৰ আনন্দ লাভ কৰিব পাৰে। তদুপৰি এই খেলবোৰে খেলুৱৈ-সকলৰ শাৰীৰিক আৰু মানসিক অবসাদ আঁতৰাই সজীৱ কৰি তোলে। আনহাতে এইবোৰে খেলুৱৈসকলৰ স্মৃতি শক্তি বঢ়ায়, বুদ্ধি প্ৰখৰ কৰে, প্ৰশ্নোত্তৰ বিষয়ৰ বাক পটুতা বঢ়ায় আৰু শাৰীৰিক শক্তি বৰ্ধনেৰে খেলুৱৈসকলক কৰ্মতৎপৰ কৰি তোলে।

ওপৰত উল্লেখ কৰা খলুৱা খেল ধেমালিৰ কথাখিনি প্ৰকৃত পক্ষে পশ্চিম গোৱালপাৰাৰ ভিত্তিত লিখি উলিওৱা হৈছে। ল'ৰা-ছোৱালীবোৰে খেলা এনে খেলৰ কোনো সীমা সংখ্যা নাই। তদুপৰি গাৱেঁ গাৱেঁ খেল বেলেগ আৰু একে খেলৰে বেলেগ নাম হয়। অধ্যাপক সন্ধিয়া ৰায়ে অসম সাহিত্য সভাৰ বঙাইগাওঁৰ 'সোণালী জয়ন্তী'ৰ স্মৃতি গ্ৰন্থত কোকৰাঝাৰ অঞ্চলত প্ৰচলিত বাটা খেল, কড়ি খেলা, হাটু ফুটা, দুগদুগ, ইচন বিচন, মঙ্গল পাঠ, ভাত-শাক, বৰ কইনা, মেন্দেৰ ঘৰ, গোসাঁই খেলা, চুৰা খেলা, ইখিনি ইখিনি, পানী খেলা, বান্দৰ খেলা, বেলগাড়ী খেলা, ভাই-বইনীৰ খেলা—আদি খেলৰ কথা পোহৰলৈ আনিছে। 'সাহিত্য সমন্বয়' নবম সংখ্যাত দ্বিজেন নাথ ডাঙৰীয়াই থোৱতে হা ডু ডু, বস্তা বইধান, দাবিয়া বান্ধা, চকু বান্ধা (কাণা ভাচকি) আকৰ মণি, বগল খোৱা, মোগল-পাঠান, খলিয়াচেপা, বাট্টা খেলা, ডবল দুৰা, ঢোল খেল, চিকিবিকি, লুকাচৰি, মানিমুণি, ধুসপাপিলী, টাকৰা ফাকৰা আদি খেলৰ নাম উলেখ কৰিছে।

সি যি কি নহওঁক অতীত সময়ত এইবোৰ খেল বা এনে ধৰণৰ খেলেই ল'ৰা ছোৱালীৰ বাবে প্ৰধান খেল আছিল। আজিৰ আধুনিক যুগত আধুনিক খেলবোৰে গাওঁ, নগৰ ছানি পেলাইছে। তথাপি পূৰ্বপুৰুষক্ৰমে জনসমাজত প্ৰচলিত লোক সংস্কৃতিৰ ঐতিহ্যপূৰ্ণ এনেবোৰ খেল জনসমাজৰ পৰা আঁতৰি যোৱা নাই; লোপ পোৱা নাই আৰু ভবিষ্যতেও নেপাব।

৭।৯।৩। হাস্য ৰসৰ গীত ঃ

'হাঁহি আৰু চকুলোৰ কৰুণ মিলন
এয়ে হায় মৰমৰ জীবন। —

এয়া কবিৰ বাস্তৱ অভিজ্ঞতাসিক্ত মানৱ জীবন বোধৰ দৰাচলি হৃদয়ৰ বিমুক্ত প্ৰকাশ। হাঁহি আৰু কান্দোনেই যদি মানৱ জীবন হয়, লোকগীতবোৰ যদি মানৱ জীবনৰ মূৰ্ত্ত-ৰূপ হয়, তেনেহলে গোৱালপৰীয়া লোকগীতবোৰতো এনে জীবনৰ

বাস্তৱ প্ৰকাশ দেখিব পোৱা যাব। গোৱালপাৰীয়া প্ৰেমমূলক লোকগীতবোৰত হিয়া-নধৰা প্ৰেমৰ নিৰবিচ্ছিন্ন প্ৰবাহ আছে, যৌবন-জ্বালাই জীবন-জ্বালা হোৱাৰ ৰূপ চিত্ৰন আছে আৰু আছে উচুপনি, কান্দোন, চকুপানী, জীবন ব্যাপ্ত বিষাদ বেদন। কিন্তু কেবল ককণভাত মানৱ জীবন অপূৰ্ণ ; ই ভেনেভাবে বিধি নিৰ্দেশিতও নহয়। 'চক্ৰবৎ পৰিবৰ্তন্তে সুখানি চ দুঃখানি চ।' ঘোপ মৰা এন্ধাৰ ৰাতিবো অবসান হয়, ডাঠ কলা মেঘৰ মাজ ভা বিজুলীৰ চমকনি উঠে। দুঃখ পৰিব্যাপ্ত মানৱ জীৱনতো ভঙিত গতিৰ দৰে হলেও আনন্দ, হাঁহি আছে। অপূৰ্ণ জীবনক পূৰ্ণ কৰিবলৈ হাঁহিবো আৱশ্যক। সেয়ে গোৱালপাৰীয়া চহা গীতিকাৰসকলে কিছুমান হাস্য ৰসপূৰ্ণ গীতো ৰচনা কৰি ছ। সন্ধিয় সময়ত গাঁৱে-ভুইয়ে বহা লোকগীতৰ বৈঠকবোৰত সাধাৰণতে বিষাদ-বেদনাপূৰ্ণ প্ৰেমমূলক গীত আৰু শান্ত ৰসৰ আধ্যাত্মিক ভাবমূলক গীত প্ৰথমতে গোৱা হয়। ই যেন যৌবন আৰু বাৰ্ধক্যৰ গাভ। কিন্তু যৌবন হওঁক, বাৰ্ধক্য হওঁক মানুহক হাঁহি লাগে। হাঁহি মানৱ জীৱনৰ সঞ্জীবনী সুধা। সেয়ে এই দুয়ো বিধ গীত গোৱাৰ পিছত হাস্যৰসৰ গীতবোৰ গাই হিয়াত হাঁহিৰ থুনুপাক ৰচে।

'ৰাক্যং ৰসাত্মকং কাব্যং'— ৰসপূৰ্ণ বাক্যই কাব্য। কাব্যত ৰস আত্মা স্বৰূপ। ৰস ন বিধ। হাস্যও এবিধ। ই সৱ ব্যাপক। ইংৰাজীত ইয়াক (hum ur) 'হিউমাৰ' বোলে। কোনোৱে কয়, 'humour is thinking in jest wh le feeling in earnest', কোনোৱে আকৌ কয়, 'humour is the kindl treatment of ludicrous.' সাধাৰণতে বৈপৰীত্য বা অসংগতিত এই ৰসৰ জন্ম হয়। ইচ্ছাৰ লগত অৱস্থাৰ, উদ্দেশ্যৰ লগত বিধেয়ৰ, কথাৰ লগত কাৰ্যৰ অসংগতি — এইবোৰেই হাস্যৰস সৃষ্টিৰ মূল উপজীব্য। এই অসংগতি ঘটনা আৰু চৰিত্ৰৰ লগতো জড়িত থাকিব পাৰে। বিস্ময়কৰ ঘটনা, দৈহিক বিকৃতি, বুদ্ধি বা জ্ঞানৰ দীনত, বিষয়বস্তু বা পদাৰ্থৰ ভ্ৰান্তি আদিৰ পটভূমিৰ ওপৰতো হাস্যৰস সৃষ্টি হ'ব পাৰে। সহানুভূতিৰ লগত হাস্যৰ নিগূঢ় সম্বন্ধ। হাস্যৰ দুটা পিঠি। এফালে হাঁহি আনফালে বিদ্ৰূপ, বিষাদ আৰু ককণা। কোনোবা পুতোঁৰ পাত্ৰই কোনোবাক হাঁহিৰ সমল দিয়ে। সেয়ে চকুলোত হাঁহি, ককণতাত হাঁহি।

সুখ-দুখ মানৱ জীৱনৰ চিৰ লগৰী। সুখ-দুখেই ককণ আৰু হাস্যৰ ভাব, মিতাব, অনুভাব, সঞ্চাৰী ভাব সৃষ্টি কৰি ৰসৰ উদ্ৰেগ কৰে। ৰস সৃষ্টি মানৱ মনৰ সমাজেই পূৰণি। কিন্তু প্ৰত্যেক জাতিৰ নিজস্ব সাহিত্য সৃষ্টি হোৱাৰ দিনৰ পৰাহে ইয়াৰ ৰূপ-বৈচিত্ৰ্য পৰম্পৰাগতভাবে ৰক্ষিত হৈ আহিছে। প্ৰাচীন ভাৰতীয় সাহিত্যত

ব্ৰহ্মদেৱ, নাৰদ, বিদূষক আদি চৰিত্ৰৰ কাৰ্যাকাৰ্যৰ পটভূমিত হাস্যৰস সৃষ্টি কৰা দেখা যায়। এই হাস্যৰস সৃষ্টিৰ পৰম্পৰা প্ৰাকৃত, অপভ্ৰংশৰ স্তৰৰ মাজেৰে নামি আহি নব্য ভাৰতীয় সাহিত্যৰ প্ৰাচীন অৰ্বাচীন সাহিত্যত জীপ লৈ থকা দেখা যায়। শিবৰ বিয়াত নাৰদৰ বহুৰালী, ভীমৰ সাত নাও ভাত, সাত নাও আজা খোৱা, শিব-পাৰ্বতীৰ ধকৰা কন্দল আদি হাস্যোদ্দীপক কথাবোৰ প্ৰাচীন ভাৰতীয় সাহিত্যৰ পৰাই বৈষ্ণৱ যুগৰ সাহিত্যলৈ বৈ আহিছে। বৰ্তমান সময়ৰ সাহিত্যত পাশ্চাত্য দেশৰ ৰসসৃষ্টিৰ ধাৰাৰো সমাগম হোৱা দেখা যায়।

যুগ নিৰপেক্ষ মৌখিক সাহিত্যত হাস্যৰস এটি মৌলিক উপাদান। ইংৰাজীত সমালোচকসকলে এই ৰসক হিউমাৰ (humour), উইট (wit , (s tire), আইৰ'নি (irony আৰু ছেৰ্কজম (arcas n) ভাগত বিভক্ত কৰিছে। আমাৰ দেশৰ পণ্ডিতসকলে বুদ্ধিনিষ্ট, ব্যঙ্গ আৰু সৰল এই তিনি ভঙ্গিমাত হাস্যৰস সৃষ্টি হ'ব পাৰে বুলি কয়। আন দুই প্ৰকাৰৰ ছিটিকনি নিশ্চয়কৈ থাকিলেও গোৱালপৰীয়া লোকগীতৰ হাস্যৰস প্ৰধানকৈ তৃতীয় বিধৰহে।

উদ্দেশ্যধৰ্মী হাস্যৰসৰ আঁৰত সংস্কাৰৰ মনোভাবো নিহিত হৈ থকে। গোৱালপৰীয়া লোকগীতৰ হাস্যৰসৰ আঁৰতেও সংস্কাৰৰ মনোভাব লুকাই থাকিব পাৰে। লঘু হাস্যৰসৰ চটকা আৰু খেমটা লোকগীতবোৰৰ আলোচনা প্ৰসঙ্গত অধ্যাপক উপেন্দ্ৰ নাথ চৰকাৰে লিখিছে, 'সমাজ বা ব্যক্তি জীবনৰ অসামঞ্জস্য, প্ৰবঞ্চনা সাধাৰণতে অসাধাৰণত্ব আৰোপ আৰু সামাজিক ৰীতি-নীতিত আউল লগা চিত্ৰ এই গীতবোৰৰ বিষয় বস্তু। এনেবোৰ বিষয় বস্তুকে গ্ৰাম্য গীতিকাৰে ৰচনা পদ্ধতিৰ অপূৰ্ব কৌশল প্ৰয়োগ কৰি হাস্যৰসৰ সমল যোগায়। হাস্যৰস উপজীব্য হলেও প্ৰায়বোৰ গীতৰ অন্তৰালত ব্যথা, অসহায়, প্ৰবঞ্চিত ককণ মুখ এখনে ভূমুকি নমৰাকৈ নেথাকে। চালৰ্চ লেম্বৰ ৰচনাৰ বিষয়ে ৰাম ও শ্যাম। ইয়াৰ চকুপানী মিশ্রিত হাঁহি) কথাষাৰ এই ক্ষেত্ৰতো অতিকৈ প্ৰযোজ্য।" ১। এনে বহুতো গীতত সমাজৰ ব্যতিক্ৰমবোৰৰ দাঁতি ধাৰ গীতিকাৰে দক্ষ সমালোচকৰ ভূমিকা গ্ৰহণ কৰে।

বৃদ্ধ কাল জৰা-ব্যাধি পৰিব্যাপ্তি। এই সময়ত জীবনৰ কামনা বাসনাৰ পৰিসমাপ্তি ঘটে। এই সময়ত পাৰ্থিৰ মায়া মুক্ত হৈ আত্মাৰ মুক্তিৰ আশাত মানুহৰ মন ভগৱদ্মুখী হয়। অস্থিৰ মনৰ স্থিৰতাৰ বাবে এনে বয়সতে মানুহে একাদশী আদি তিথিত উপবাসে থাকি ব্ৰত পালন কৰে। এই গ্ৰন্থৰ ৬৮ পৃষ্ঠাত উল্লিখিত গীতৰ চৰিত্ৰ বুঢ়াইও এইবোৰ কৰিছে। কিন্তু তেওঁ আচলতে

১। স্মৰণিকা, ৭ম অধিবেশন, ধুবুৰী জিলা ছাত্ৰ সংস্থা। ১৯৮৯

প্ৰবৃত্ত সত্যৰ বিচাৰত এইবাৰ কৰা নাই ; কৰিছে মাত্ৰ লোকক ভাওনা বৰ্ণিবলৈহে। কাৰণ তেওঁৰ স্বভাৱ আৰু কাৰ্যই প্ৰমাণ কৰিছে যে তেওঁৰ এই ধৰ্মীয় আচৰণবোৰ 'কঞ্চন লুব্ধ পথিক কথা' সাধুৰ 'গলিত নখ দন্ত' বাঘৰ আচৰণৰ দৰেহে। কিয়নো এই ধৰ্মীয় আচৰণ কৰা বুঢ়াই মনতে আকৌ বিধবা ছিমোহা গ্ৰহণ কৰাৰ মতলব কৰিছে। এই কথা জানি তেওঁৰ বেটাই ক'লে যে, দেউতাকে সেইজনীক নিব নোৱাৰে। কাৰণ তেওঁ নিজেই তাইক নিব। এনেদৰে কথা বাঢ়ি গৈ বাপ পুতেকৰ ভিতৰত তিৰোতাজনীক কেন্দ্ৰ কৰি অপ্ৰীতিকৰ ঘটনা ঘটাৰো উপক্ৰম হ'ল। শেষত জেঠাক, খুৰাকইতে এনে কাৰ্যত মধ্যস্থতা কৰিবলগীয়া হ'ল।

কামিনী কাঞ্চনৰ আসক্তি অতি ভয়ানক। এনে ক্ষেত্ৰত আনকি পিতা-পুত্ৰৰ মাজতো প্ৰতিদ্বন্দ্বিতা হ'লিব পাৰে। এনে প্ৰতিদ্বন্দ্বিতা নিকৃষ্টতম আৰু কুফলপ্ৰদ। গীতটিৰ তাৰেই সাবধান বাণী প্ৰকাশ কৰা হৈছে। গীতটিত বুঢ়াৰ হাবি ভঙ্গিক ব্যঙ্গ কৰাৰ উপৰিও, সমাজ সংস্কাৰৰ লক্ষ্য নিহিত হৈ আছে। স্থৈণ গিৰিয়েক পাই বুদ্ধিমতী কিন্তু ধূর্ত তিৰোতাই ঘৰৰ আৰু পথাৰৰ যা-যাবতীয় সকলো কাম গিৰিয়েকৰ দ্বাৰায় কৰাই কেনেদৰে মহাসুখ আৰামত জীবন নিৰ্বাহ কৰে— তাৰ হুবহু চিত্ৰ এই নম্বৰ গীতটিত হাস্যৰসৰ আচ্ছাদন হেঁপি মূৰ্ত হৈ উঠিছে। প্ৰেমৰ গভীৰ কৰুণ আৰু মৰ্মন্তুদ বিষাদ হাস্যমুখৰ হৈ উঠিছে গ্ৰন্থৰ ২২৩ পৃষ্ঠাৰ গীতটিত। চুবুকৈ প্ৰেম কৰিব গৈ খালত পৰি কঁকাল ভাঙি বাতি 'মানা' কচুৰ তলত বহি প্ৰেমিকাক গোপনে লগ ধৰিবলৈ অপেক্ষা কৰি থাকোঁতে ভাতৰ তপত মাৰ মাৰি দিয়াত প্ৰেমিকৰ পিঠিত পৰি পিঠি পুৰি গৈছে। পিছত সেই পুৰা ঠাইত মাখিয়ে ডিম পাৰি দিয়াত পোকা-পাগি হ'ছে। প্ৰেমৰ গোপন অভিসাৰৰ এই অতি বিষাদপূৰ্ণ দৃশ্য আৰু পৰিণতি কেনে হাস্যমধুৰ ভাৱে নকলেও সহজে বুজিব পাৰি।

গোৱালপাৰীয়া হাস্যৰসৰ গীতত জনজীবনৰ গৃহস্থালী একোখনৰ, কেতিয়াবা সমাজ আৰু কেতিয়াবা ব্যক্তি জীবনৰ একোটিকৈ মনোৰম চিত্ৰ ফুটি উঠিছে। যতেই হাস্য তাতেই কৰুণ। হাস্য আৰু কৰুণ ৰসৰ উৎস একেটাই হ'ব পাৰে। তলৰ তিনি নম্বৰ গীতটিত এনে কথাৰ স্বাক্ষৰ বিচাৰি পোৱা যায়। চাৰি নম্বৰ গীতটিত হাস্য আৰু কৰুণ ৰসৰ মিশ্ৰণ দেখিব পোৱা যায়। এই গীতৰ মূল চৰিত্ৰ 'পালোৱা দাদা' ককায়েক-বৌৰেকৰ কৰুণাৰ পাত্ৰ। বুধিয়ক ককায়েক আৰু বুদ্ধিমতী নবৌৰেকে ভোদাই ভাইক আৰু দেৱৰেক পালোৱাক বিয়া কৰাই দিম দিম বুলি ভুকুকিয়াই ভাব হতুৱাই কাম কৰাই থাকে। শেষত এবছৰেই বিয়া কৰাই দিম বুলি ঘটকৰ দ্বাৰাই গাওঁবে মণ্ডলক ভোৱালীজনীক পালোৱা লৈ ঠিক

কৰিলে। এই কথা শুনি বিয়ালৈ বুলি গভীৰ উদ্বিগ্নতাৰে আশা পালি থকা পানীয়াৰ পনীয়া মন তা জুই জ্বলিল। কিয়নো মণ্ডলৰ বেটী তাৰ মনৰ জোখাৰ সুন্দৰী নহয়। 'চেপচা মোটা নাক চেপটি' মণ্ডলৰ বেটীৰ লগত 'মোৰ যোৱাই হলাৰ নয়' বুলি পানীয়াই আপত্তি তুলিলে। পানীয়াৰ আপত্তি আছে, কিন্তু সামৰ্থ নাই। মণ্ডলৰ ছোৱালীজনী অসুন্দৰী বুলি আনৰ পুতৌ-কৰুণাৰ পাত্ৰ পানীয়াৰ আপত্তি কিমান হাস্যকৰ তাক সকলোৱে বুজিব পাৰিব।

গোৱালপাৰা জিলাত উদ্‌যাপন কৰা বিভিন্ন থলুৱা উৎসৱ যাঁহ পূজা, কাতি পূজা, ভূমে পূজা উপলক্ষ্যে গোৱা গীত পদবোৰৰ মাজতো হাস্যৰসৰ ডাঠ-ঘন ছিটিকনি আছে। পালাগান, দোকোৰাৰ গান, কুশান গান আদিৰ মাজতো হাস্য-ৰসৰ তৰঙ্গ সদৰে বৈ থকা দেখা যায়। বিয়া উপলক্ষ্যে গোৱা যোৱা নামবোৰতো হাস্যৰস প্ৰবাহিত হৈ আছে। বিশেষকৈ ঢুলীয়া-কালীয়া আৰু ব্ৰাহ্মণ পুৰোহিতক কেন্দ্ৰ কৰি গোৱা নামতীসকলৰ গীতত হাস্যৰস সৃষ্টি হোৱা দেখা যায়। এনেদৰে দেখা যায় যে গোৱালপাৰীয়া লোকগীতত হাস্যৰসে এখনি বিশেষ স্থান অধিকাৰ কৰি আছে। গীতিকাৰসকলে এই ৰসসৃষ্টি কৰিছে সমাজৰ বিভিন্ন বাস্তৱ চিত্ৰৰ ওপৰত। এই ক্ষেত্ৰত মানৱ সমাজ আৰু মানৱ চৰিত্ৰই মূল আধাৰ। 'চিন্তাই চিতা' তাঁহিয়ে মানুহক এনে চিন্তাৰ পথা নহত সকাহ দিয়ে। চিন্তামুক্ত অৱস্থাই মানুহৰ সুস্থতাৰ এটি ডাঙৰ কাৰণ। ইয়াৰ প্ৰধান পথ্য হ'ল হাস্যৰস। সেয়ে চহা গীতিকাৰসকলে হাস্যৰসৰ গীত ৰচনা কৰিছে।

হাস্যৰসৰ গান ঃ

১। ও কি বাপাৰে বাপ,
ও কি মাওৰে মাও,
নাপাং মুই কামাই[১] কৰিবাৰ॥
হাল বয়া আসিলু গোসাই ভালে কৰলু কাম।
ছাগলটা নিয়া যায়া ঘৰৰ ঢাপনাত[২] বান্ধ।
ছাগলটা বান্ধিলু গোসাই ভালে কৰলু কাম।
উকণ গাইন জোগাৰ আছে ধান পাঁচ সেৰ বান্ধ॥
ধান পাঁচ সেৰ বান্ধিলু গোসাই ভালে কৰলু কাম।
জলেৰ ভাৰাত[৩] ৰিৰ[৪] কৰিয়া দুইছৰ জল এক ভাৰ আন॥
জল ভাৰ আনিলু গোসাই ভালে কৰলু কাম।

খৰি খেৰ জোগাৰ আছে ভাত চাইট্টা বান্ধ ॥
ভাত চাইট্টা বান্ধিন্ গোসাই ভালে কৰলু কাম।
গৰম গৰম আনি দে মুই এক গাল খাম ॥
ভাত চাইট্টা খুৱালু গোসাই ভালে কৰলু কাম।
আটাৰ[৫] জাকিলী[৬] দাবাই[৭] আনি মোৰ কমৱত মাখ[৮] ॥

১। কৰ্ম, কাম। ২। ঘৰৰ ওচৰৰ ওখ ঠাই। ৩। পাৰ, ঘি কোনো ধাতুৰ, বাঁহৰ বা মাটিৰ ড'ৰ পাৰ। ৪। বাহিৰ কৰা। ৫। ওঁৰ। ৬। বনঔষধী। ৭। ঔষধ। ৮। সানা, মালিচ কৰা।

২। শোন বাঢ় দেওৱানীৰ[১] ছাওৱা,
মোৰ কমৱকতীৰ[২] দুখৰ কতা,
পাগুৰ হয়া মাইৰ খুৱাইলেন মোক।
ভাগুৰ হয়া দিলেন কয়া,
মাৰল মৰা দুপুৰ বেলা,
মাৰলে মৰা আঙনাত[৩] ফেলেয়া।
পতিধন বিয়াও কৰিয়া আনছেন হাতে[৪],
বাও নাকৰং কাঁৰ সাথে,
সদায় বেৰাং মুই মাথাত ঘুমটা দিয়া।
ঘাটা[৫] দিয়া মানুহি হাটে,
তাকো দেং মুই ঘাটা এৰে,
তেও বলে মোৰ স্বভাৱ ভাল নয়।
পতিধন শুট কৰিয়া[৬] কং মুই,
হালৰ গৰু বেচাও তুই,
কিনিয়া দে মোক পাছা পাৰি[৭] শাৰি।
ওৰ আশ-পৰশীৰ বাৰী যাইম,
বসত এখান পীৰা পাইম,
তবে সেনে[৮] মোক লোকে চিনিবে।

১। (< দেৱান) অভিভাবক স্বৰূপ মানুহ (কামৰূপী-মেলকী)। ২। কমৱকতী-স্ত্রী <কমৱকতা, দুৰ্ভগীয়া, অকৰ্মণ্য। ৩। চোতাঙ। ৪। হাতে<(হস্তে, পৰা)। ৫। ওৰণি। ৬। বাস্তা। ৭ গোগনে, কামৰূপী চুপ <শুপ্ত >শুত্ত >শুট, শুপ্ত>শুপ্ত চুপ। ৮। তিনিটা পাৰি থকা শাৰি। ৯। তেভিয়াহে, সেনে-আধিক প্রত্যয়।

৩। আষাৰ শ্ৰাবণ মাসে, চিপ্‌চিপীয়া ৰবি[১] আইসে,
পানীয়া দ'দা ঠাসিয়া[২] বয়ায় হাল।
হাল বয়ায় ঘুৰি ফিৰি, গাঁতৰ[৩] মাৰে শাৰী শাৰী
পানীয়া দাদাৰ মনটা নোৱায় ভাল॥
ওৰ চাপাৰ চুপুৰ বিচন[৪] ঝাৰ,
টাপাৰ টুপৰ কৰা গাৱে,[৫]
পানীয়া দাদাৰ কথাৰ কত চল।
দাদাৰ কতা ভাউজীয়ে[৬] জানে,
যুক্তি[৭] কৰে দুইজনে,
এইবাৰ তোক বিয়া দেওবায় খাৰ॥
ঘটক[৮] মাউসা[৯] এমন পাজী,
ভাকৰা আনিল গাৱৰ কাজী,[১০]
বিয়াৰ জোগাৰ কৰ্‌লে পানীয়াৰ।
গাঁউত আছে মণ্ডলৰ বেটী,
ঢেপাচা মোটা নাক চেপাটি
তাকে দিয়া মোক বিয়া দিবাৰ চায়॥
নাবৰং মুই এমন[১১] বিয়া,
দিন বাইতে ঝোৰে[১২] হিয়া,
ঐ কন্যা মোৰ যোৱায় হবাৰ নয়॥

১। ববষুণ। ২। হেঁচি ধৰা। ৩। শিবলু। ৪ বিধান। ৫। বোৱা। ৬ নৰ্যো (ভ্রাতৃজায়া>ভাউজী, ভাউজ)। ৭। বুদ্ধি। ৮। বিয়া ঠিক কৰা মানুহ match maker। ৯। মহাদউ। ১০। বিচাৰক। ১১। এনেকুৱা। ১২। বৈ থকা।

৪। নাক ভাঙ্‌বাৰ[১] মেটাটা,
চউক ভাঙ্‌বাৰ নাভিটা,
মোক ভুলালু সভেৰ[২] খাক দিয়া॥
তখন না ক'ইছিস তুই যে,
হাল চাইবখান গাই পাঁচটা,

হেইবীত গৰুৰ নেকা জোকায় নাই।
বাৰী আসিয়া দেখোং মুই,
চতুৰালী কইৰ্‌লু তুই,
বাৰীত হুনা[৪] তোৰ ছানি[৫] ফেলেবাৰ নাই॥
তখ'ন না ক'ইছিস তুই ৰে,
ওৰে মোটা চাউল খাই না,
সোৰু চাউলৰ নেগা জোখাৰ[৬] নাই।
বাৰী আসিয়া দেখোং মুই,
চতুৰালী কইৰ্‌লু তুই,
বাৰীত হুনা তোৰ খুদি[৭] গুবায় নাই॥
তখনে না ক'ইছিস তুই ৰে,
ওৰে মোটা কাপোৰ পিন্ধি না,
সৰু বা পাৰৰ নেকা জোকায় নাই,
বাৰী আসিয়া দেখোং মুই,
চতুৰালী কইৰ্‌লু তুই,
বাৰীত হুনা তোৰ ছেৱা তেনায়[৮] নাই।

১। সিমা। ২। ডাঙৰ। ৩। সৰু সুৱা বা কামত নলগোৱা। ৪। স্বাৰ্থিক প্ৰত্যয়—দে খান। ৫। বাতিপুৱা বাহি চোতালত ছটিয়াই দিয়া গোবৰ পানী। ৬। লেখা, জোখা(<খ> ক)। ৭। খুদ। ৮। ফটাটিটা কাপোৰ।

৫। ডাং নাবে ডাং
ধৰি দিয়া বান্দ,
মাৰ এক ডাং,
গুণ গুণ সৰকাৰ গান শুনি নাযে॥
কাটাল মাৰে আৰ সুতাৰ খানিবে,
ওৰে গঢ়েয়া দিলেক হাজাৰে মোক
বানেয় দিলেক ছাতা,
সেই দিন হাত আমাৰ নাকৰ কতাবে॥
হাউচত থাকি কৰিনু বিয়াবে,

ওবে ধানেৰ ভাতেৰ আশে,
মোৰ কাউনেৰ ভাতেৰ[৪] আশে;
ঐ ধানো নাই চাউলো নাই
কিলায় মাসে মাসে যে॥
কিলাইতে কিলাইতে ছেৱায়[৫] যে,
মোৰ পিটত কৰিল কুজ;
ঐ সৱকাৰ[৬] মশায় উটিয়া কয়,
কাইনেৰ[৭] মজা বুজ যে॥

১। ঢেঁকিশালৰ এবিধ থলুৱা সৰঞ্জাম; কামৰূপী→ নাড< নৃত্য। ২। মাছ ধৰিবলৈ নলীত দিয়া গছৰ ঠাল ঠেঙুলিবে গঢ়া মাছৰ আশ্রয় থান। ৩। মাছ ধৰা স্থানীয়ভাবে লাঁহেৰে নির্মাণ কৰা যন্ত্র; কামৰূপী— বানা। ৪। এক প্রকাৰ ধান, সৰু চিকণ। ৫। স্বামী। ৬। ৰাজ শাসনৰ এক প্রকাৰ কর্মচাৰীৰ পদপী। ইয়াত গাওঁৰ মুৰব্বী মানুহ। ৭। দ্বিতীয় বিয়া। সাধাৰণতে মুছলমান সমাজত এই শব্দটিৰ প্রচলন অধিক।

ছাম্বৱসৰ বিয়াৰ গীত ঃ

৬। গাবকৰ বাৰীৰ বওঁনাই[১] আসছে
ছালাম[২] মতন পেট,
(ও মা) দেখিস্ ভা দেখ।
তিন সেৰ চাউলেৰ ভাত আন্দিছং
তেবু[৩] নাভৰে পেট
(ও মা) দেখিস ভা দেখ।
ৰাবা বানুনুং গাইন দিয়া,
চিত কৰিয়া পেট
(ও মা) দেখিস্ ভা দেখ।
কইনাৰ বাৰীৰ বওঁনাই আসছে
ঢেঁকিৰ নাকান[৪] পেট,
(ও মা) দেখিস ভা দেখ॥

১। ভনীজোঁৱাই ২। অন্তাৰ ৩। তথাপি ৪। দৰে, নিচিনা ৫। পোন্ধাজী।

৭। "ৰামুণ আহিছে জোপটি[১] পাৰিছে
জোংটিও লৰিছে ও;

পক্ক বৈৰাতী[২] হাঁসিবা লাগিছ
কুৱাৰ পানী তুলি ধু।
+ + + +
+ + + +
ৰামুণৰ তিৰিৰ ছাৰা নাইক[৩]
ৰামুণ বসিয়া কান্দে ;
ভাল ভাল মাকাৰৰ[৪] ছান[৫]
ৰামুণ বোকা বান্ধে।

১। মাটিত লেপেটা কাৰি বহা ২। মাঙ্গলিক উৎসব, পূজা পাৰ্বণ ৰ সামাজিক অনুষ্ঠানত আৱশ্যক হোৱা বস্তুবোৰ যা-জোগাৰ কৰি যতনাই দিয়া তিৰোতা। ৩। নাই। ৪। মেকুৰী।

[গীতটিৰ বলি দুটি বটিয়ামাৰীৰ পৰিত্ৰ নাথৰ সংগ্ৰহৰ পৰা লোৱা হৈছে ৰত্নপীঠ— ১৯৮৭ ১০৮৮]

৭। ঘ। ৪। সামাজিক উৎসবৰ গীত ঃ

মানুহ সামাজিক প্ৰাণী। এনে হোৱাৰ আঁৰত হয়তো সৃষ্টিৰ ৰহস্য আছে। মানুহৰ শাৰীৰিক গঠন, মানসিক অৱস্থা, প্ৰকৃতি, জনন-প্ৰক্ৰিয়া আৰু সতি-সন্ততিৰ লালন-পালন আৰু প্ৰকৃতিৰ আঘাত আৰু বিপৰ্যয়ক প্ৰতিহত কৰা ক্ষমতাৰ পৰিপ্ৰেক্ষিতেই হয়তো মানুহ সামাজপ্ৰিয় হৈ পৰিছে। যুগ পৰিবৰ্তনত সমাজ পৰিবৰ্তন হোৱাটো স্বাভাৱিক। কিন্তু সকলো পৰিবৰ্তনতেই মানুহ সংখ্যাগতভাৱে কম বেছি যিয়েই নহওক সমাজবদ্ধ হৈয়ে আছে। মানুহে সমাজ পাতি বাস কৰিবলৈ লোৱাৰ দিনৰে পৰাই সামাজিক বন্ধন আহিছে আৰু সামাজিক ঐক্য সজায় ৰাখিবলৈ মানসিকতা গঢ় লৈ উঠিছে। ফলত সামাজিক আচাৰ-বিচাৰ, নীতি-নিয়ম গঢ় লৈ উঠিছে। সময়ত ব্যক্তি সমাজত আৰু ব্যক্তিত সামাজিকত্বত লীন হ'ল। সমাজৰ আচাৰ-বিচাৰবোৰক কেন্দ্ৰ কৰি, ব্যক্তিগত আৰু সামূহিক আনন্দক সামাজিকভাৱে প্ৰকাশ কৰিবলৈ, দেশে দেশে কিছুমান উৎসৱ উদ্‌যাপন কৰিবলৈ

মোৱা হয়। একে পটভূমিতেই গোৱালপাৰাতো কিছুমান সামূহিক উৎসৱৰ সৃষ্টি হয়। এইবোৰৰ কিছুমান বৈদিক আৰু পুৰাণৰ সমাজ আৰু সংস্কৃতিৰ ওপৰত সৃষ্টি হোৱা আৰু আন কিছুমান নৃগোষ্ঠীভুসক। ভৌগোলিক অৱস্থানেও কেতিয়াবা তেনে উৎসৱৰ কাৰক কাৰণ হব পাৰে। মূলৰ তং সূত্ৰ ধৰিব নোৱাৰি কিছুমান উৎসবক খলুৱা বুলি ধৰি লব লগা হয়। গোৱালপাৰা, জিলাৰ সাধাৰণতে এনেবোৰ সামাজিক উৎসব পালন কৰা হয়।—

১। বিয়া উৎসব ২। ধুবনি উৎসব

৩। এউৰী মাগা উৎসব ৪। কাকুৰা উৎসব

এনেবোৰ মাঙ্গলিক অনুষ্ঠানক কেন্দ্ৰ কৰি উদ্‌যাপন কৰা সকলো উৎসব কেন্দ্ৰিক মানুহবোৰৰ অন্তৰত আনন্দ নধৰা হয়। আনন্দই প্ৰকাশ বিচাৰে। তাতে গান আৰু নৃত্যৰ জন্ম হয়। তলত এনেবোৰ গীতৰ আলোচনা কৰা হ'ল।

ক। বিয়া উৎসৱৰ গীত :

এনে উৎসব সম্পৰ্কীয় গীতৰ ভিতৰত বিয়াগীত বা বিয়া নামেই মূলত প্ৰধান। গোটেই গোৱালপাৰা জিলাত কিমান যে বিয়াগীত প্ৰচলিত আছে তাৰ সীমা সংখ্যা নাই। বিয়াগীতবোৰত আয়তীসকলৰ কাব্য প্ৰতিভাৰ স্বাক্ষৰ আছে আৰু এই কাব্য প্ৰতিভাই যুগৰ লগত বজিতা খুৱাই ন ন বিয়া নাম সৃষ্টি কৰিয়েই আছে।

"সকলোবোৰ অনুষ্ঠানৰ ভিতৰতেই বিয়া অতিকৈ গুৰুত্বপূৰ্ণ আৰু দীৰ্ঘকাল ব্যাপ্ত। দৰা কন্যাৰ পক্ষৰ মাজত তৃতীয় এজন ব্যক্তিয়ে মধ্যস্থতা কৰি বিয়া ঠিক কৰি দিয়ে। সেই ব্যক্তিক 'ঘটক' বোলে। জ্যোতিষ মতে দৰা কন্যাৰ বাণী মোৰা মিলিলে 'গুৱাকটা' (তামোল পাণ কটা হয়। সাত দিনৰ পিছত কোনো পক্ষত অমঙ্গল নেদেখিলে বিয়াৰ দিন ঠিক কৰা হয়। তাক 'কথা দিয়া' বা 'বাক্‌দান' কৰা বুলি কয়। ইয়াৰ পিছত কোনো পক্ষই এই বিয়াত যদি কিবা কাৰণত অমাতি হয় তেনেহলে সেই পক্ষই সমাজক দণ্ড দিব লগা হয়।

বিয়াৰ আগ দিনাখন 'অধিবাস'। সিদিয়া সামাজিক প্ৰথা অনুযায়ী দৰা ঘৰত 'পঞ্চ বৈৰাতী' আৰু কন্যাঘৰত 'ষোল বৈৰাতী'ৰ হুতুৰাই কিছুমান শুভকৰ্ম কৰা হয়। উকসী ধুনিয়ে সৈতে সামাজিক প্ৰথা অনুযায়ী দাত জেল হালধি সানি দৰা কন্যাক গা ধোৱা হয়। সেই দিনাখনে দৰা পক্ষৰ পৰা বৈৰাতীৰ সৈতে মাতৃস্থানীয় কিছুমান মহিলাই গৈ কন্যাক অলঙ্কাৰ, শাখা আদি পিন্ধায়। ইয়াক

কন্যা সিওৱা বুলি কয়। সেই দিনাখনেই 'ভাৰ খোৱা' অনুষ্ঠানো হয়। ই কামৰূপৰ তেলৰ ভাৰৰ সমপৰ্যায়ৰ অনুষ্ঠান। অধিবাসত গৌৰীৰ পূজা, ষোল্ল মাতৃকাৰ পূজা, নান্দীমুখ, শ্ৰাদ্ধ কৰ্ম কৰা হয়। বৰ যাত্ৰীয়ে বৰ লৈ আহি কন্যা ঘৰত উপস্থিত হ'লে কন্যাৰ দেউতাক, পুৰোহিত, বৈৰাগী আৰু কন্যাৰ মাকে চাইলন বাঁতি লৈ গৈ দৰাক বৰণ কৰি আনে। তেতিয়া বৈৰাগীয়ে বৰণৰ গান গায়। :

ও তুই বৰণ কৰিয়া নেও শশুৰী হে,
মাকলা বাঁশেৰ চাইলনাৰ[১] শশুৰী পুতুৰাৰে বাঁতি।
যতনে ৰখিয়া নেও তোমাৰ গৌৰীৰ পতিৰে॥
ও তুই বৰণ কৰিয়া নেও শশুৰী হে॥
দইও নেও আৰ কলাও নেও শশুৰী আঞ্চলে ঢাকিয়া,
জামাই[২] ৰখিয়া নেও হে শশুৰী দুই কলা দিয়াৰে।
ও তুই বৰণ কৰিয়া নেও শশুৰী বে॥
পাণ ধৰ আৰ পাঙ্খা[৩] ধৰ শশুৰী আঞ্চল ধৰ তাৰ সাথে,
জামাই ৰখিয়া নেও হে শশুৰী পাঙ্খাৰ বাতাসেৰে।
ও তুই বৰণ কৰিয়া নেও শশুৰী হে॥

১। চালনি ২। জোঁৱাই। ৩। বিহনি, চোঁৱৰ।

ব্ৰাহ্মণে বেদ মন্ত্ৰ পাঠ কৰে আৰু মাকৰ পিছত আন আত্মীয়সকলেও দৰা বৰণ কৰে। পিছত কন্যা পক্ষৰ পৰা দিয়া পোহাক-পৰিচ্ছদ দৰাই পিন্ধে। এনে সময়তে বৈৰাগী আৰু আত্মীয়সকলে দৰা-জোকোৱা গীত গায়। :

বৰ ৰখিবাৰ গেনু[১] বাই হে
তোমাৰ ঘৰে ধাতিংতিঙ্গা
কোনো কালে নাই দেখং বাই
ঘৰে বাজায় শিঙা বাই বে।
ঘৰে বাজায় শিঙা॥
বৰ ৰখিবাৰ গেনু[১] বাই হে
তোমাৰ ঘৰে ধাতিংতিঙ্গা,
ভাল কৰিয়া দেখং বাই
ঘৰৰ গলাত[২] কদ্ৰ মালা।
বাইহে গলাত কদ্ৰ মালা॥

ৰৱ বষিবাষ গেনু বাই হে
তোমাৰ ঘৰে ধাতিংতিঙা
কাণত গুজিছে[৩] ধুতুৰাৰ ফুল
বাইহে গাৱে ভস্ম মাখা[৪] ॥
ৰৱ বষিবাষ গেনু বাই হে
তোমাৰ ঘৰে ধাতিংতিঙা
পিন্ধোনত দেখং বাঘৰ ছাল
বাইহে মাথাত সাপৰ ফেনা
বাইহে মাথাত সাপেৰ ফেনা ॥
আমাৰ গৌৰী কাঞ্চা[৫] সোণ
বাইহে ৰূপে ঝলমল কৰে
অভাগীৰ এ ৰৱক দেখং
ভূতেৰ নাকান[৬] দেখেৰে
বাইহে ভূতেৰ নাকান দেখে ॥" *

১। গলেঁ। ২। গলত ৩। গুজি লৈছে ৪। সানা, মিহলি কৰা ৫। কেঁচা। ৬। নিচিনা, দৰে।

তাৰ পিছত বৈদিক ক্রিয়া মতে বিবাহ-কার্য সম্পন্ন কৰা হয়। বৈদিক কৰ্মৰ পিছত দৰাৰ পছন্দ হোৱা এজন ডেকাৰ হাতত এটা ঘট তুলি দিয়া হয়। এই ঘটটোক 'মিতৰেৰ ঘট' আৰু ডেকাজনক মিতৰ (< মিত্র) বুলি গ্রহণ কৰা হয়। গোটেই বিয়া কৰ্মত দৰাৰ লগত থাকি যিজনে দৰাক এই কৰ্মত সহায় কৰি যায় তেওঁক 'কোলধৰা' বুলি কয়। বিয়া শেষ হোৱাৰ পিছত দৰাই কন্যাক লগত লৈ ঘৰলৈ উভতি যায়।

আমাৰ দেশত বিয়া এটি অত্যন্ত গুৰুত্বপূর্ণ উৎসব। ই নানা প্রকাৰৰ সৰু বৰ অনুষ্ঠানৰ সমষ্টি। এই সৰু বৰ অনুষ্ঠানবোৰত সুকীয়া সুকীয়া গীত গোৱা হয়। বিয়াৰ বিভিন্ন অনুষ্ঠানৰ লগত জবিত গীতবোৰক চলত দেখুওৱা ধৰণে বিভক্ত কৰিব পাৰি। যেনে ঃ

১। জোৰণৰ গীত। ২। পানী তোলা বা সুৱাগৰ গীত। ৩। মাহ

*'গোৱালপৰীয়া সমাজ, সভ্যতা আৰু সাংস্কৃতিক পৰিচয়'। প্রভাত বায়, ১৯৭৯ চন।

হালধিৰ গীত। ৪। দৱা-কন্যা সজোৱা গীত। ৫। অধিবাসৰ গীত। ৬। দৱা-কন্যা ধুওৱা গীত। ৭। দৱা যাত্ৰা কৰা, দৱাক কন্যা ঘৰত বৰণ কৰা গীত। ৮। দৱা-কন্যাক নাপিতে খেউৰী বা কামান১ কৰা গীত। ৯। দৱ-কন্যাক আশীৰ্বাদ দিয়া গীত। ১০। হোমৰ গুৱিত গোৱা গীত। ১১। দৱ-কন্যাৰ পাশা খেলৰ গীত। ১২। কন্যা উলিয়াই দিয়া গীত। ১৩। ইপক্ষে সিপক্ষক, ব্ৰাহ্মণক, বাদ্য বাদকক বা ঢুলীয়া-কালীয়াক খীচা গীত।

এনেবোৰ অনুষ্ঠানত আদি, ককণ, শান্ত আৰু হাস্য আদি কাৰিক ৰসৰে টুপ্‌টুপীয়া গীতবোৰ ভিন ভিন সুৰ, তাল, লয়ত গাই গোটেই বিয়া অনুষ্ঠানটকেই বাস্তবমুখী আৰু প্ৰাণবন্ত কৰি তোলা হয়। বিয়া কাৰ্যত অনুষ্ঠিত বৈদিক যাগ-যজ্ঞৰ তুলনাত লৌকিক আচাৰ-বিচাৰ আৰু গীত মাতে প্ৰাধান্য লাভ কৰি আহিছে। আনহাতে এই অনুষ্ঠান সমূহেই গাঁৱলীয়া আয়তীসকলক সংগীতমুখৰ কৰিছে আৰু সঙ্গীত কলাৰ প্ৰতি তেওঁলোকৰ ধাউতি বঢ়াইছে।

১। খেউৰী বা কামান— নখ, চুলি দাৰী কটা।

আশ্রম নিবাসী আৰু সংসাৰী মায়া-মোহৰ পৰা উৰ্ধত থকা কন্ব মুনিয়ে তেওঁৰ পালিত কন্যা শকুন্তলাক স্বামী গৃহলৈ বিদায় দিবৰ ওলোৱাত গভীৰ শোকে হিয়া খুণ্ডা মাৰি ধৰাত সংসাৰী পিতৃৰ নিজ কন্যাক ঘৰৰ পৰা উলিয়াই দিয়া হিয়া'-বিদাৰক নীলা বেদনাৰ কথা মৰ্মে মৰ্মে উপলব্ধি কৰি এনেদৰে কৈছিল :

যাস্যত্যদ্য শকুনতলেতি হৃদয়ম্ সংস্পৃষ্টমুৎকণ্ঠয়া
অন্তৰ্বাষ্প ভৱোপৰোধি গদিতম্ চিন্তাজৱদমৰ্শনম্।
বৈক্লব্যম মম তাৱদীদৃশমপি স্নেহাদৱণ্যৌকস্
পিড়ন্তে গৃহিন কথংনুতনয়া বিশ্লেষ দুঃখৈঃ নবৈঃ॥

'আজি শকুন্তলা স্বামী গৃহলৈ যাব ওলোৱাত মোৰ নিচিনা অৰণ্যবাসী আৰু গছৰ বাকলি পৰিহিত জনেৰেই হৃদয় উৎকণ্ঠিত, অন্তৰ বাষ্পাৱৃত আৰু মন জৰাজীৰ্ণ হৈ পৰিছে। তেনে ক্ষেত্ৰত সংসাৰী পিতৃয়ে কন্যা বিৰহৰ দুখ কেনেকৈ সহ্য কৰে বাক?'

বনবাসী মুনি অনুভূত, উপসৰ্গ আৰু বিশ্লেষিত জীয়াৰী উলিয়াই দিয়া পিতৃ-মাতৃৰ হিয়াৰ শোক বিয়ত তলীত মূৰ্ত হৈ উঠে আয়তীসকলৰ বেদনাসিক্ত বিয়া গীতৰ ককণ সুৰৰ মূৰ্চনাত। বিয়াগীতৰ জৰিয়তে বৈবাহিক জীবনৰ আদৰ্শ, স্বামী-স্ত্ৰীৰ ইজনৰ প্ৰতি সিজনৰ কৰ্তব্য আৰু আকৰ্ষণৰ কথা, পৰিয়াল আৰু সমাজৰ প্ৰতি নব-দম্পতিৰ কৰ্তব্যাকৰ্তব্যৰ কথা গীতৰ সুৰময় ঝঙ্কাৰেৰে ৰাজি ধৰা হয়। গীত-

যৌবন নাৰী-পুৰুষৰ দেহৰ বৰ্ণনা আছে, সাজপাৰ, অঙ্গ-অলঙ্কাৰৰ বৰ্ণনা আছে আৰু আছে গোৱালপাৰীয়া নাৰীৰ সৌন্দৰ্যবোধ আৰু স্নিগ্ধ কল্পনা প্ৰাচুৰ্যৰ পৰিচয়। এই গীতবোৰৰ ছন্দ আৰু সুৰত প্ৰকাশ হৈছে যৱৰ গাভৰু ছোৱালীক আনৰ ঘৰলৈ যোৱাৰী কৰি উলিয়াই দিয়া বিচ্ছেদৰ কৰুণ ৰাগিনী। আনহাতে প্ৰকাশ পাইছে নবদম্পতিৰ নব মিলনৰ আনন্দত বৈ অহা এক পৰম আনন্দৰ সম্মোহনী লহৰ। এই বিচ্ছেদ-যন্ত্ৰণা যিমানেই কৰুণ আৰু গভীৰ নহওঁক কিয় ইয়াৰ আঁৱত সৃষ্টিৰ মিলন প্ৰক্ৰিয়াৰ শুভ-আনন্দৰ ইঙ্গিত লুকাই আছে। সেয়ে বিচ্ছেদতো আনন্দ।

ধৰকৰা উপমা অলঙ্কাৰেৰে ভৰপুৰ, অ'দি শান্ত, কৰুণ-হাস্যৰে পৰিপুষ্ট এই বিয়া গীতবোৰে গোৱালপৰীয়া বিয়া উৎসবমুখী মানৱ সমাজৰ বিভিন্ন চিত্ৰ জ্ঞাপন কৰে আৰু মন-প্ৰাণৰ খবৰো দিয়ে। গীত-মাত আৰু উৎসবে বিবাহযোগ্য ভৰ যুবক যুবতীৰ প্ৰাণত এনে ধাৰৰ বাবে ডাঠ দাগ কাটি যায়। হাস্য ৰসেৰে সমৃদ্ধ ঘোৰা নাম আৰু খীচা গীতবোৰৰ উৎপাত• দুলীয়া-কালীয়া, ব্ৰাহ্মণ-পুৰোহিত আৰু দুয়ো পক্ষৰ ডেকা-ডেকেৱীৰ থৰকাচুটি হেঁচোৰা অৱস্থাটো বৰ আমোদজনক। বিয়া নমত আয়ত'সকলৰ হাস্যৰসোন্মত্ত কৌতুকী মনবো স্বাক্ষৰ বিজৰিত হৈ আছে। বিয়াৰ বিভিন্ন খণ্ড অনুষ্ঠানৰ লগত জৰিত কিছুমান গীতৰ নমুনা তলত উল্লেখ কৰা হ'ল। ঃ

জোৰণৰ গীত ঃ

ঘৰ নদীৰ পাৰে পাৰে কিসেৰ[১] বাইজন[২] বাজে।
বাবজনতো নাহয় বাবা বালিৰ জোযোণ আইসে॥
দুধ ভাত খায়া ময়না নিন্দ[৩] ভালা[৪] গেইছে।
কোননা মাৰেয়া[৫]ৰ বেটী হাওয়াই মাৰিয়া আইসে॥
বন্দুকেৰ হিবাৰে হিবি চমকিল ময়নাৰ গাও।
সুন্দৰ ময়না বালিৰ ৰে জোযোণ আইসে॥

১। কিহৰ ২। বজনা ৩। টোপনি ৪। ভাল ৫। গৃহস্থ।

কামানৰ গীত ঃ

আৰে আৰে নাউৱা[১]ৰ দুই চকু ধাওৱা ৰে,
আমাৰ বাছাক ভাল কৰিয়া কামা[২]ও কি অ' নাউৱাৰে।
যদি বাছা হাতে দুখ পায়, যদি বাছা পাত্ৰে দুখ পায়,
চকু কাটিয়া নাউৱাৰ প্ৰদীপ জ্বালাইম্।
নাউৱা শীতলঙে ওৱে নাউৱাৰ বাৰী ঘহুত দুৰ,
নখ কাটিতে নাপাৰে নাউৱা বাছাৰ চৰণে পেপুৰ।

১। নাপিত ২। নখ কটা।

বাইৰ কৰ সুবৰ্ণৰ ক্ষুৰ কামাও শিৱৰ চুল,
নতুন চুল কামেয়া নাপিত চালাক্ চুলুক্ ককে,
ৰ ৰৰ মামীক পাইলে দেশে চলিয়া যায় বে।
হলদি[১] দগ্‌মগ্ বাছাই বে মুখ ভৰিয়া যায়,
বুঢ়ি না গেলু কন্যাৰ মাসী বে,
আঞ্চলে মুচিয়া বাখ ৰূপ বে ;
গামোচায় মুচিয়া বাখ ৰূপ বে॥

১। হালধি

বিয়াৰ শ্রাদ্ধৰ গীত ঃ

ৰৰঘৰৰ পাছিলাতে বানা[১] ৰৰযে
সেই বানায় উপজিল ধান দশ গছি
সেই ধান কাটিয়া আনিয়া নান্দি শ্রাদ্ধ[২] ককে।
নান্দীমুখৰ পিতৃ শ্রাদ্ধ কিসৰ কাৰণে
সেই শ্রাদ্ধ কৰা হ'ইল বিয়াৰ কাৰণে।
নান্দীমুখৰ শ্রাদ্ধত বামুণ কি কি লাগে
এক পইসাৰ কল হ'ইলে নান্দী শ্রাদ্ধ ককে।
নান্দীমুখৰ শ্রাদ্ধতে বামুণ কি কিনা লাগে
এক পইসাৰ আতপ[৩] হ'ইলে নান্দী শ্রাদ্ধ ককে।
এক পইসাৰ ধূপ হ'ইলে নান্দী শ্রাদ্ধ ককে।
এক পইসাৰ পাণ হ'ইলে নান্দী শ্রাদ্ধ ককে।

১। বানপানী ২। শ্রাদ্ধ ৩। আৱৈ চাউল

দৰ-কন্যাক গা ধুওৱা গীত ঃ

খেইনা ঘাটে সাবয়[১] বালি বাটেৰে[২]।
ঐনা ঘাটে বালি ছিনান ককে॥
ছিনান কৰিতে পাইল ভেঙকল[৩] লাগাল বে।
লয়না লয়নোৰে ভেঙকল গামচায় বান্ধিয়াৰে।
খেইনা ঘৰে ৰৰৰ বাবা শুতেৰে[৪]
ঐনা ঘৰে দেন ও ভেঙকল ছাবিয়াৰে।
ভেঙকলৰ কাঁদোৰে ৰৰৰ মাও দোকাদৌড়ি ককে।

তাকে দেখিয়া বাজিনা[৫] গুলা কয়।
ববেৰ মাও ভালা নাচোল নাচেৰে ॥

১। শালিকা, চৰাই ২। বালি খেল খেলায় ৩। কপোৰবল, ৪। শুৱে ৫। বাদক

হলদি গোন্ধায়ৰে বাছাৰ গায়,
ওচৰতে আছে বে বাছা গৈৰাং[১] নদী,
দুই আনা ফেলাও বাছা যাব গায়েৰ হলদি।
হলদী দগমগ বাছাৰে,
বুক ভাঙিয়া পৰে বাছাৰ কপৰে।
কুতিনা গেল দৰদী ভাই বে,
আঞ্চলে মুচিয়া হলদি বাখো কপৰ।
ধুৱাই নুৱাই পঞ্চ ঘটেৰে পটুৱাতে ভৰি,
কুতি[২] আছে ববেৰ ভিন্‌সি লও কোলাত কৰি।

১। গৈৰাং ; পূৰ্বত নদীখনৰ নাম গৈৰাং আছিল। পিছত বঙালী কৰ্মচাৰীসকলে ইয়াক গৌৰাঙ্গ কৰিলে। তাৰে পৰাই ইয়াৰ নাম গৌৰাং নদী হ'ল। ২। ক'ত কন্যা উলিয়াই দিয়া গীত ঃ

বাইৰ হয়া দেখোৰে বাবা কিসেৰ বাইজ পৰে,
আগতে কইছং দয়াৰ বাবা নাখান বেচেয়া,
এলা[১] কেনে[২] কান্দেন বাবা মাথায় হাত দিয়া ॥
ময়না বিবি[৩] গেইলে বাবা মন্দিৰ হইবে খালি।
আগতে না খাইছেন বাবা কাঁচা দৈয়েৰ হাড়ী ॥
তায়[৪] না নিয়া যাইবে মোক মন্দিৰ কৰিয়া খালি।
এলা কেনে কান্দেন বাবা ভৰা সভায় বসি ॥

১। এতিয়া ২। কিয়, ৩। বাহিৰ হৈ ৪। তেওঁ

বাৰীৰ বাঁশ কাটিয়া আড়াৰ[১] বাঁশ কাটিয়া।
সাজানৰে[২] দয়াৰ বাবা এ নালো পিঞ্জৰা।
ঐ পিঞ্জৰাৰ খোপে[৩] তোক ময়নাক ভৰাইল।
যাবাৰ কালে ময়না না কৰিলেন বাও।
নদীত যেমন ভেলা[৪] ভাসে ঐমত জননীৰ শ'ইল।
না দেখিয়া মোকে[৫] ও মোৰ ময়না বে।
যাবাৰ কালে ময়না না কৰিলেন বাও ॥

১। খোপাৰ ২। সজোৱা ৩। চৰাই ৰখা খোটালি ৪। কলৰ ডুব ৫। বয়

বিভিন্ন গীত ঃ

মাৰেয়া[১] হেলে মাৰেয়া ঢোলে
ঐ বাঁশেৰ মাৰেয়াৰ তলে বে।
কন্যাৰ বৰ মা পেখেনা[২] কৰে,
বোম্বাই শাৰিৰ বাদেৰে।
দেম্ দেম্ বোম্বাই শাৰি,
আছে মাৰোৱাৰীৰ বাসায় বে॥
কন্যাৰ পিসাই[৩] পেখেনা কৰে,
কাণেৰ সোণাৰ বাদেৰে।
দেম্ দেম্ কাণেৰ সোণা,
আছে বানিয়াৰ দোকানে বে॥
কন্যাৰ খুৰাই পেখেনা কৰে,
গলাৰ[৪] মালাৰ বাদে বে।
দেম্ দেম্ গলাৰ মালা,
আছে বানিয়াৰ দোকানে বে॥
কি কি আইন্‌ছেন সদাগৰ,
ছুটকেছ্ খুলানতো দেখি।
আন্‌ছি আন্‌ছি কাণেৰ সোণা,
বালিক পৰাণ তো দেখি॥

১। গৃহস্থ, চায়না, বৰাতলি ২। পাৰলৈ জেদ ধৰা ৩। পেহী ৪ গলৰ

বৰেৰ বাবাৰ মুখখান বান্দৰ হেনা দেখুং,
দৰী[১] আনেক বান্দৰ বাহুং।
নাচিব বান্দৰ দেখিব সভাৰ লোকে,
লাগিব দৰী দিব কন্যাৰ বাবায়েৰে।
বাদ্যঘণ্টা থাকিতে ডম্বক বাজেয়া শিব,
বিয়াত সাজিছে বৰ বে।
বয়েৰ যৌবন চায়া বাচাক আজি দিনু বিয়াবে,
আৰো বৈবাতী থাকিতে চাল্লানীক[২] লিয়া শিব বিয়াত সাজিছে।

১। বচি, জৰি ২। চৰালনী

জটীয়া ভাঙুৰা কি মায়া পাতিছে
স্বৰগে লাগাইছে বাঁতি,
তোৰো ৰূপ দেখি মেনকা কান্দে
তোৰ ঘৰত নেদিব বেটী।
ভাং ধুতুৰা খায়া কৰে ঢুলাঢুলি
তাৰো ঘৰে দিবা চাইস্[১] দুধৰ ছোৱালী।
হেনো কালে গিৰিৰাজ দুয়ো চক্ষু খালি,
তপস্যীয়া গোটকে জামাই বুলি পালি।
পিন্ধিবাৰ বস্ত্ৰ নাই বাঘৰ চৰ্ম উৰে,
তাহাকে দেখিয়া বাচা ডৰাইয়া[২] মৰিব।

১। দিব ইচ্ছা কৰা। ২। ভয়, ভয়তে।

খ। ধোৱনি উৎসৱৰ গীত ঃ

অকুমাৰী ছোৱালী প্ৰথম ঋতুমতী হোৱা কথাটোক গোৱালপাৰা জিলাত অঞ্চলভেদে পুষ্পিতা হোৱা, শান্তি হোৱা, পুনৰ বিয়া হোৱা, পুনৰ বিয়া বা পাহ বিয়া হোৱা বুলি কয়। পিছৰ কথাখিনিৰ কামৰূপ জিলাৰ 'দোবিয়াৰ হোৱা' (< দ্বি-বিবাহ, দ্বিতীয় বিয়া) কথাৰ লগত সাদৃশ্য আছে। কথাখিনি অধ্যাপক সন্ধিয়া ৰায়ে এনেদৰে লিখিছে, "ধুৱনি বিবাহ অনুষ্ঠানৰ সদৃশ। কোনো ছোৱালী পুষ্পিতা হলে তৃতীয়ৰ দিনৰ দিনা জ্যোতিষৰ দ্বাৰাই গণনা কৰে। এজনী অকুমাৰী ছোৱালীৰ দ্বাৰা তিনিটা 'জপাত' (কামৰূপী জাপা) প্ৰথমটোত নতুন কাপোৰ, দ্বিতীয়টোত গহনা-গাঠুৰি আৰু তৃতীয়টোত ফল কটাৰী আৰু তামোল-পাণ ভৰাই ওচৰৰ মানুহৰ ঘৰত ৰাখে। এই অকুমাৰী ছোৱালীজনীক 'গাজি' বোলে। পঞ্চম দিনা আৰু দুটা জপা দি মুঠ পাঁচটা জপা সহ গাজিৰ হাতুৰাই 'লঘুণ খোৱা' ছোৱালী-জনীৰ ঘৰলৈ আহি ধোৱনি অনুষ্ঠান পাতে। গা ধুৱাই জপাৰ কাপোৰ গহনা-গাঠুৰি পিন্ধাই ফল কটাৰী সলায়। গা ধুওৱাজনীক ধুৱাণ্ডি বোলে। কন্যাক গা ধুওৱা, পূজা কৰা, কন্যালৈ খোৱা আদি পৰ্যায়ৰ লগত সঙ্গতি ৰাখি নামতীসকলে গীত গায়। ছোৱালীক সীতা, কক্মিণী আদিৰ লগত তুলনা কৰা গীতো গোৱা হয়।" এই উৎসৱকে ধোৱনি উৎসৱ আৰু গীতবোৰক ধোৱনি উৎসৱৰ গীত বোলা হৈছে।

১। স্মৃতিগ্ৰন্থ, অসম সাহিত্য সভা, অভয়াপুৰী অধিবেশন ১৯৭৭ চন।

১। যজ্ঞৰ কলৰ তলে
সীতা চিলান কৰে
সাত সাগৰৰ জলে
নৰকতে পৰি আছিলি কক্মিণী
জলে সে উদ্ধাৰ কৰে।

২। ধানৰ নাম মাগুৰি
মেখেলাত হাগুৰি
কিমতে ধুৱালি গাৱ
আগ দুৱাৰত খেৰৰ পুঁজি
গা ধুৱায় ঘাৰ কুঁজি
গাৱৰে নেগেল মলি।

৩। বৌ মাছ হেকেনা
খাবা জুতি জানা
ধুৱাবা নাজানা কিয়?

৪। কলৰ শাৰী শাৰী
মধ্যে ফুলৰ বাৰী
এই সে সীতাৰ বাৰী।
আহে সীতা দেবী
জনকেৰ জীয়াৰী
আজি শুভদিন হৈয়া
আজি সীতাৰ ঘৰে
ভাল যজ্ঞ কৰে
জোখাৰ পৰে ঘণে ঘণে।

পুহন বিয়া, পুনৰ বিয়া বা পাছ বিয়া কথাটোৱে দ্বিতীয় বিয়াৰ কথা বুজায়। লক্ষ কেওটিৰ পৰা এইটো বুজা যায় যে এবাৰ আগত আৰু এবাৰ পিছত বিয়া হয় অৰ্থাৎ জীয়াৰী পুষ্পিতা হোৱাৰ আগত আৰু পিছত। ভাৰতীয় প্ৰাচীন প্ৰথা অনুযায়ী জীয়াৰীক পুষ্পিতা হোৱাৰ আগতেই বিয়া দিয়া নিয়ম। পশ্চিম গোৱালপাৰাৰ কোচ ৰাজবংশীসকলে তেনে অবস্থাত হোৱালী বিয়া দিব পৰাটো আজিও সৌভাগ্য যুলি ভাবে। পুষ্পিতাৰ আগত হোৱা বিয়া 'বিয়া' পিছত হোৱা বিয়া, পুহন (পুহি বা প্ৰতিপালন কৰি ৰাখি পতা) বিয়া, পুনৰ (পুনৰ) বিয়া বা পাছ (ঋতুমতী হোৱাৰ পিছত হোৱা) বিয়াক বুজায়।

এই সামাজিক বিশেষ অনুষ্ঠানটিৰ স্বাক্ষৰ পশ্চিম গোৱালপাৰাত পাবলৈ নাই। পুষ্পিতা হোৱাৰ পিছত কেবল গা ধুওঁতেই শেষ বা তিনি দিনলৈ অপবিত্র হৈ থাকোঁতেই শেষ। কিন্তু মধ্য আৰু পূব গোৱালপাৰাত এই উৎসব সমাজৰ এক অপবিহার্য অঙ্গ হিচাবে পালন কৰা হয়। (ওপৰত উল্লখিত গীত কেইটি কাব্যেন্দ্র চক্রবর্তী আৰু অধ্যাপক সন্ধিয়া বায়ৰ প্রকাশিত প্রবন্ধৰ পৰা লোৱা হৈছে)

গ। এউৰী মাগা গীত ঃ

এউৰী বা অ'ৰী অনুষ্ঠান পশ্চিম গোৱালপাৰাৰ সোণাৰায় অনুষ্ঠান আৰু কামৰূপৰ 'মহোহো' অনুষ্ঠানৰ সমপর্যায়ৰ অনুষ্ঠান। আঘোণ মাহত নতুন ধান ধান কটাৰ সময়ত গাওঁৰ চেমনীয়া ল'ৰাবোৰে দল বান্ধি ধান, পইচা মাগি ফুৰে। সাধাৰণতে আঘোণৰ পূর্ণিমাৰ আগে আগে এই কাম কৰা হয়। ল'ৰাবোৰে হাতত দাং-লাঠি আৰু বাঁহেৰে সজা কিছুমান বাদ্য যন্ত্র লৈ যায় আৰু সেইবোৰ বজাই গীত গাই ঘৰে ঘৰে মাগি ফুৰে। ইয়াৰ পিছত সংগৃহীত ধান পইচাৰে দোমাহীৰ দিনাখন ল'ৰাবোৰে লগ ভাত খায়। কিছুমান অঞ্চলত লগভাত খোৱাৰ আগতে চৰণীয়া পথাৰৰ বিৰিণা বনৰ থোপাত বাখল ঠাকুৰক সেৱা জনায়। নতুনকৈ পোৱালী জগোৱা গাইৰ গাখীৰ আনি উক্ত বিৰিণাৰ থোপাত বাখল ঠাকুৰক উদ্দেশ্য কৰি ঢালি দিয়া হয়। এই অনুষ্ঠানকে এউৰী বা অ'ৰী আৰু এই অনুষ্ঠানৰ লগত গোৱা গীতবোৰক এউৰী বা অ'ৰী মগা গীত বোলে। এউৰী শব্দৰ মূল নির্ণয় কৰা বৰ কঠিন। "এটা সুৰত এই গীত গোৱা হয়। এক শব্দৰ 'ক' লুপ্ত হোৱা বহুতো শব্দৰ প্রচলনন এই অঞ্চলত আছে। 'সু'ৰ ঠাই 'ড' হোৱাটো সম্ভব। এনেকৈ এক-সুৰী শব্দৰ পৰা এউৰী শব্দ উদ্ভব হৈছে বুলি অনুমান হয়।" ১

এউৰী মগা অনুষ্ঠানত গোৱা গীতবোৰৰ কামৰূপত মহোহো অনুষ্ঠানত গোৱা গীতবোৰৰ লগত সাদৃশ্য দেখা যায়। মহোহো হ'ল শীত কালত মহ খেদা উৎসব। এই শ্রেণীৰ গীত এনে ধৰণৰ ঃ

১। স্মৃতি গ্রন্থ ঃ গোৱালপাৰা জিলা, সংস্কৃতি সংৰক্ষণ পৃষ্ঠা— ৪৪। সঃ শিবানন্দ শর্মা, ১৯৭১ চন।

এউৰী আগা গীত :

১। আইলঙবে অবণে
মাও লক্ষ্মীৰ চৰণে
মাও লক্ষ্মী দিলা বৰ
ধান কুলাটা বাইৰ কৰ।
আইলঙবে গৃহস্থৰ বাৰী
ধান কুলা দেও তাৰাতাৰি।
ধান কুলা দেবে
নাদিলে চোতাল খুন্দিমবে।
কাটিয়া আন আগলতি পাত
বাঢ়িয়া দে মোক আমোল ভাত,
আমোল ভাতত হাউৰা ডাউৰা[১]
ভাত প'ইল সাত কুৰি কাউৰা,
সাতকুৰি কাউৰাৰ লাকুৰি[২] পেট
কোন বদ্‌মাইসেৰ হাড়িয়া[৩] পেট,
হাড়িয়া পেটত মাৰলুং গুৰি
ছাওৱা হ'ইল তাৰ আঠাৰো কুৰি,
সোউগ্ ছাওৱা গেইল ভিতাভিতি[৪]
এক ছাওৱা ৰ'ইল মোৰে কাতি,[৫]
ছাওৱাক ধৰি মাৰলুং পাক
ছাওৱা কয় বোলে বাপ্‌ৰে বাপ। ১

১। মাতা মাতি ২। সক ৩। হাড়িৰ দৰে ৪। দিহাদিহি ৫। ফালে, ওচৰত।

২। অ'ৰি অ'ৰি,
আইলুং গিৰছেৰ[১] বাৰী।
লাউৰ পাত ঝালা[২] লাউ
তাক খায়া নিন্দ পালাউ[৩]।
নিন্দখিনি হাঁসেৰে
চকুখিনি নাচেৰে।
চকু চিপা লোহাৰ বীজ

১। পূৰ্বোক্ত স্মৃতি গ্ৰন্থৰ পৰা লোৱা হৈছে।

মাগেয়া আনিলুং ধান শীষ
ধান শীষ পায়া
ভিনীয়া[৪] বান্ধিলুং চায়া।
চ ভিনীয়া হাটত যাং
তোকে বেচেয়া লাক খাং।

১। গৃহস্থৰ ২। জাগি, পুৰঠ নোহোৱা ৩। টোপনি শেষ কৰা ৪। ভেৰোণীয়া, আনৰ ঘৰত মজুৰী লৈ কাম কৰা মানুহ।

৩। আইলংৰে আইলংৰে, ও-ৰি, ও-ৰি।

আইলংৰে ৰসেৰ বাৰী, „ „
ধান বিশ পায়া, „ „
বছৰেৰ খেলা, „ „
তাক নকৰিবি হেলা, „ „
হেলা কৰিলে যায় বেলা, „ „
চোতালত দুবাল বুন,[৫] „ „
হেঁচি হেঁচি এক ডুন। „ „

মহোহোত কামৰূপত গোৱা গীতৰ নমুনা ঃ

১। আইলংৰে অৰণে
লক্ষ্মী মাওৰ চৰণে
লক্ষ্মী মাই দিলাক বৰ
চাউল কথা অলে পৰ।

২। ওৰি মহোহো
মহ খেদৰা যাউঙ চো/ষো
মহ বলে মই ভেপুৰা
ভেপৰ পুৰা খাবুৰা
ভেপৰীত নহল নুন
চাউল কথা ডুন ডুন
চাউল দি দিলাক খৰি
আইঠেৰ ঘৰ লৰি চৰি
আইঠেৰ ঘৰক যাঅন্তে

সণাৰ কড়ি পাঅন্তে
সণাৰ কড়ি ৰূপাৰ মালা
দিগ্‌দিগ্‌কে উ ঠ ঘড়া ॥

৩। থুপ্‌ৰি হো ৰে থুপ্‌ৰি হো
মহ খেদবা যাউঙ্‌ চো/যো

এইখিনিক ধুৱা বা দিহা হিচাবে লৈ ২ নম্বৰ গীতৰ দিহাৰ পিছৰ খিনিও গোৱা হয়।

গীতৰ বিষয় বস্তুৰ ফালৰ পৰা গোৱালপাৰা আৰু কামৰূপৰ গীতৰ সামঞ্জস্য বিচাৰি পোৱা যায়। কিন্তু কামৰূপৰ গীতক 'মহ খেদা' গীত হিচাবে যেনেদৰে স্পষ্টভাবেঁ কোৱা আৰু গোৱা হয় তেনেদৰে গোৱালপাৰাৰ গীতক কোৱা নহয়। এউৰী শব্দৰ তাৎপর্য বৰ স্পষ্ট নহয়। সেয়ে এউৰীৰ উদ্দেশ্যও স্পষ্ট নহয়।

ঘ। দৌল যাত্রা বা ফাকু বা হোলী উৎসব ঃ

দৌল যাত্রা বা ফাকু বা হোলী সর্বভাৰতীয় উৎসব। বহুত দেশত এই উৎসবক বসন্ত উৎসব হিচাবেও উদ্‌যাপন কৰে। গোটেই অসমতে এই উৎসব বৰ সমাৰোহেৰে পালন কৰা হয়। মহাপুৰুষ শ্রীমন্ত শঙ্কৰ মাধবে ফাকু উৎসবৰ গীত ৰচনা কৰিছিল। কিন্তু নামনি অসমৰ কি কামৰূপী, কি গোৱালপৰীয়া উপভাষাত এই উৎসব কেন্দ্রিক লোকগীত কমেই ৰচিত হৈছে। শ্রীকৃষ্ণই নিজৰ ঘৰ এৰি প্রেয়সী ঘুনুচাৰ ঘৰত সাত দিন সাত ৰাতি আছিল। তাৰ পিছত তেওঁ নিজৰ ঘৰলৈ উভতি আহিব ওলায়। তেতিয়া ঘুনুচাই কান্দি কান্দি ক'লে ঃ

নাযাবা নাযাবা এৰি
হে প্রাণনাথ হৰি
মই বৰ অভাগিনী নাৰী
তোমাৰ বিৰহে দেব
কি মতে ৰাখিব প্রাণ
হৃদয় কঁপিছে থৰথৰি।

তেতিয়া বিদায় মুহূর্তত দুচকুৰে বে অহা চকুলো মচি দি কৃষ্ণই ক'লে ঃ

ঘুনুচাৰ হাতে ধৰি
ভকতবে দুচখহাৰি
মুচি দিলা চকুলো দুধাৰি।

নাকান্দা নাকান্দা দেৱা
তুনাই আহিম মই ঘূৰি
থাকা তুমি মনে ৰঙ্গ কৰি ॥

এনেদৰে প্ৰেয়সী ঘুণচাক বুজাই নিজ মন্দিৰ বা ঘৰলৈ উপস্থিত আহিল। এই যাত্ৰাকে দৌল অৰ্থাৎ শ্ৰীকৃষ্ণৰ বাসস্থানলৈ কৰা যাত্ৰা বোলে। সেয়ে বছৰৰ সেই সময়ত শ্ৰীকৃষ্ণৰ দৌল যাত্ৰাৰ সোঁৱৰণত এই উৎসৱ পতা হয়। এই যাত্ৰাত মনৰ আনন্দ প্ৰকাশ কৰিবলৈ ফাকু বা হোলী খেলোৱা হয়। সেয়ে ইয়াক ফাকু বা হোলী উৎসৱো বোলে।

পশ্চিম গোৱালপাৰাত এই উৎসৱত মেলা বহে। বিভিন্ন অনুষ্ঠান আৰু ব্যক্তিগত মন্দিৰত থকা গোবিন্দৰ পৰিমূৰ্তি বহুত উঠাহ পাৰিজনে লৈ যায়। এটা অঞ্চলৰ সকলোৰে 'ঠাকুৰ' লৈ গৈ এখন পূৰ্ব নিৰ্দিষ্ট মুকলি পথাৰত সজাই শাৰী পাতি বয় আৰু তাতেই ফাকু দি বাদ্যৰ সৈতে ফাকু বা হোলী খেলে। 'ঠাকুৰ' লৈ যোৱাৰ সময়ত বাদ্য বজোৱা হয়। বজাই গীত গাই যায়। পূৰ্ব গোৱালপাৰাৰ দৌল যাত্ৰা আৰু হোলী গীতৰ প্ৰসঙ্গত দ্বিজেন নাথ লিখিছে, "দৌল উৎসৱৰ লগত হোলী গীতৰ অঙ্গাঙ্গি সম্বন্ধ। এদা লোকৰ ঘৰে ঘৰে এই গীত গোৱা হয়। ইয়াত চুকুৰী আৰু বহুৱা দুজনৰ প্ৰধানৰ লগ লগে চলি থাকে। 'লীয়া বাজা আৰু মন্ত্ৰী'ৰ দৰে লোক দুজন নিজ নিজ আসনত বহি থাকে। এজনে গীত লগাই দিয়ে বাকী-বোৰে পিছত গাই যায়। ৰামায়ণৰ ৰাম বনবাসৰ কাহিনীৰে আৰম্ভ হোৱা হোলী গীতত শিৱ-পাৰ্বতী-দক্ষ-ৰাম লক্ষ্মণ-সীতা-হনুমান আদি পৌৰাণিক চৰিত্ৰ আৰতৰ স্বাধীনতা সংগ্ৰাম, স্বাধীনতা পাছ, মহাত্মা গান্ধীৰ চৰিত্ৰ আদি ঐতিহাসিক ঘটনাক্ৰম তথা ভালেমান লৌকিক গীতো হোলীৰ গীতত গোৱা হয়।" ১

হোলীৰ গীত ঃ

বেলাৰে তলতে,
পূজিব মহাদেবকে।
নবীন সন্ন্যাসে
যাবৰে কৈলাশে ॥
দক্ষ ৰাজাৰ জীয়াৰী,
পৰমা সুন্দৰী।
বিয়া দিব সদাশিবৰ কাষে ॥ (দ্বিজেন নাথৰ সংগ্ৰহৰ পৰা উদ্ধৃত)

১। গোৱালপাৰা ডায়েৰী, পৃষ্ঠা -- ৭৬

৭। ঘ। ৫। নিচুকনি গীত (নিন্দালি) ঃ

শিশুৱে কান্দে,হয়তো ব্যাধি ক্ষুধা ভয়ত, হয়তোবা নিৰাপত্তা, আশ্রয় শান্তি বিচাৰি। কিন্তু কান্দোন মাতৃ প্রাণে কেতিয়াও সহ্য কৰিব নোৱাৰে। মূক শিশুৰ অবুজ অথন্তবজনিত ক্রন্দন আঁতৰাই শান্ত কৰিবলৈ, টোপনি নিয়াবলৈ আই, বাই, বুঢ়ী আইসকলে শিশুক কোলাত নচুৱাই নচুৱাই গীত পদ গায়। এইবোৰেই নিচুকনি গীত। গোৱালপৰীয়া ভাষাত এনেবোৰ গীতক নিন্দালি বুলি কয়।

ৰচনাৰ ফালৰ পৰা নিচুকনি গীতবোৰ কোনো যুগৰ ভিতৰতে সীমাবদ্ধ কৰি ৰাখিব নোৱাৰি। এইবোৰ গীত যুগ নিৰপেক্ষ আৰু মানৱ জাতিৰ সমানেই পুৰণি। প্রথম মানৱ শিশুৰ পৰা আৰম্ভ কৰি শেষ মানৱ শিশুটিলৈকে সকলো শিশুৱে কান্দিব আৰু প্রথম মাতৃৰ পৰা আৰম্ভ কৰি শেষ মাতৃলৈ সকলোৱে নিচুকনি গীত গাব। গীত নথকা কালত মাতৃ য়ে হু-হা শব্দৰেই শিশুক নিচুকাইছিল। বিশ্বৰ সকলো দেশৰে নিচুকনি গীতৰ মূল সুৰ একেটা। কেবল মাত্র দেশ আৰু যুগৰ আলেপন প্রলেপনবোৰহে পৃথক। বেছি ভাগ নিচুকনি গীতৰ মূল বিষয় ঃ "শোৱা সোণধন! শোৱা, মাৰা ওচৰতে আছোঁ, ভয় নকৰিবা, সকলো কুশলে আছে।"

সংখ্যাৰ ফালৰ পৰা তাকৰ হলেও গোৱালপাৰাত এই শ্রেণীৰ লোকগীত প্রচলিত আছে। গীতবোৰ অদ্ভুত, বীৎস ৰস মিশ্রিত। চিনাকি অচিনাকি নানা ধৰণৰ রূপক উপমা আদি ব্যবহাৰ কৰি গীতবোৰ শিশু মনৰ ৰসোত্তীর্ণ কৰাৰ প্রচেষ্টাৰে পৰিপূর্ণ। কেতিয়াবা আকৃতি-প্রকৃতিহীন জীব-জন্তু, অসুৰ-দৈত্যৰ রূপদানো গীতবোৰত কৰা হৈছে। গীতবোৰ শিশুৰ কোমল প্রাণে সহজাত ধুকি পোৱাকৈ কোমল। কোনো গভীৰ ভাব বা জটিল চিন্তাৰ পৰিচয়ণ গীতবোৰত নাই। কথা আৰু উপমা সকলো চিনাকি। গীতবোৰ গূঢ়ার্থপূর্ণও নহয়। তেনে আদর্শ আগত ৰাখি গীতবোৰ ৰচনা কৰাও হোৱা নাই। শব্দ আৰু অর্থৰ ফালৰ পৰা গীতবোৰ শিশুৰ চিন্তা শক্তিৰ জোখেৰেই কোমল শিশুৰ কোমল অনুভূতিক স্পর্শ কৰিব পৰাকৈ কোমল। কাৰণ ইয়াৰ ভাব সৰল, ভাষা সহজ

১। আমাৰ মাইয়ো ভাল
পিন্ধে ফাৰা জাল
ঘৰে ঘৰে বিচৰি যেৱায়
কোন বুঢ়াটো ভাল।

২। আয়ৰে চান কাকা
আয়ৰে আয় আয়
দুধ দিম ভাত দিম
আমাৰ মাইয়োৰ লগত
চাঙেৰ তলত খেলা দিম।

৩। ফেউ কান্দিছে দুইটা শিয়ালেৰ মাথা
ঘোৰা লাগিছে।
একটা খাইল বামোণ ঠাকুৰ
একটা খাইল টিয়া
টিয়াৰ বেটীৰ বিয়া হয়
ঘোৰ ঢাক দিয়া॥

বিষয়বস্তুৰ ফালৰ পৰা নিচুকনি গাতবোৰক কিছু পৰিমাণে দুটি ভাগত ভাগ কৰি ল'ব পাৰি। সেয়া সৰল আৰু উদ্দেশ্যধৰ্মী। ওপৰত উল্লেখ কৰা আৰু তেনে পথাৰৰ বহুতে গীত আছে যিবোৰ সৰল, কেবল গীতৰ বাবে গাত। কিন্তু আন কিছুমান গীত আছে যিবোৰ নিচুকনি গীত হিচাপৰ উপৰিও সেইবোৰৰ ওপৰত কম বেছি পৰিমাণে বচকৰ উদ্দেশ্য নিহিত হৈ আছে। কিছুমান গীতৰ পৰা বচকসকলে বাস কৰা সমাজখনৰ গাঁত বিধি, আচাৰ বিচাৰ ৰীতি নীতিৰ ওমান ধৰিব পাৰি। কিছুমান গীতত সেই সময়ৰ শাসনৰ ইঙ্গিতো আছে। প্ৰকৃতি জগতৰ লগত মানুহৰ ওতঃপ্ৰোত সম্বন্ধ। চহা মানুহৰ সম্বন্ধ আৰু গাঢ়। সেয়ে চহাগীতিকাৰৰ বচনাৰ ভিত্তি প্ৰকৃতি। নিচুকনি গীতত্তো প্ৰকৃতি বিৰাজমান।

৪। আয়ৰে ঘুমানি মাসী
ঘুম দিয়া যা,
বাটা ভৰা পাণ সুপাৰী[১]
গাল ভৰেয়া খা।
বিছিনা পাৰিয়া দুইজং
শুইয়া নিদ্রা যা,
বাইয়ো নাচে ধায়া
সিদল[২] শুকুত[৩] খায়া।
কোটে[৪] কোনা[৫] আছিলু বাহয়ো,
কোকোৰ শোকোৰ[৬] হয় যা।

১। তামোল, শুকান তামোল। ২। সৰু মাছ শুকাই ঢেঁকিত খুন্দি লৈ পিছত তাৰে বনাৱা তৰকাৰী। ৩। মৰাপাটৰ শুকান পাত। ৪। ক'ত ৫। নিৰ্দেশক, কোটে নো। ক'তনো। ৬। সোত মোট খাই থকা।

৫। নদীৰ উদয় কি কৰং
ভুজুং ভুজুৰ ডুব পাৰোং
মাগু খায়া গা ঝাৰং
বালা বাবাৰ গা ঝাৰং

কিছুমান গীতত শিশুক ভালে কুশলে ৰাখিবলৈ সাধু পুৰুষ বা দেব-দেবীক স্তুতি প্ৰাৰ্থনাও জনোৱা হয়। কিছুমান গীতত আকৌ পোনাকণৰেই গুণানুকীৰ্তন কৰা হয়। কিছুমান গীতেৰে আকৌ শিশুক সংখ্যা গণিবলৈ, কিছুমানেৰে খোজ কাঢ়িবলৈ শিকাৱা হয়। কিছুমান গীতৰ যোগে লোৱাৰ ইঙ্গিত, কিছুমানেৰে পৰিশ্ৰমী, সৎ চাৰী হ'বলৈ নিৰ্দেশ দিয়ে। কোতৱালীৰ আকৌ খেল-ধেমালিৰ গীত গাইয়ো শিশুক নিচুকিওৱা হয়। নিচুকনি গীতবোৰ আকাৰত ছুটি, প্ৰকাৰত একে আৰু গঠন টিলা-শোলোক। গীত বোৰত অসঙ্গত আৰু অসামাঞ্জস্যপূৰ্ণ কথাও সংলগ্ন কৰি দিয়া হৈছে। এনে হোৱাৰ মূলত হাস্য বা বীভৎস ৰস সৃষ্টি। এইবোৰ গীতেৰে পৃথক মনত ভাবানুভূতিৰ সৃষ্টি কৰা নহয়, সামাজিক ৰূপ চিত্ৰনো কৰা নহয় বা পূজা-উপাসনাৰ স্তুতি বাণীৰ প্ৰকাশ নহয়। এইবোৰ গীতৰ একমাত্ৰ উদ্দেশ্য হৈছে অশান্ত শিশুক শান্ত কৰা। সেয়ে চপসা ৰায়ে লিখিছে, "এইবোৰকে গোৱালপৰীয়া উপভাষাৰ 'ছাওৱা ভুকুৰাৰ গান' নামেৰে উপস্থাপন কৰিব বিচৰা হৈছে। উপভাষাত ছাওৱা - শিশু, ভুকুৰা — নিচুকাৰা "১ সেইবাবে চহা কবিয়ে শিশুৰ কোমল মনে অতি সহজতে বুজি পোৱাকৈ সহজ ভাব, সৰল ভাষা, চিনাকি উপমা দি এই গীতবোৰ সহজকৈ ৰচনা কৰিছে। ইয়াতেই এই শ্ৰেণীৰ গীতৰ বৈশিষ্ট্য সাধাৰণতে নিহিত হৈ আছে। প্ৰত্যেকজনী মাকৰ বাবে নিজ সন্তান যেনে মৰমৰ প্ৰত্যেক জাতিৰ বাবে নিচুকনি গীতবোৰ তিমান মৰমৰ। এই কথাখিনি গোৱালপৰীয়া লোকগীতৰ ক্ষেত্ৰতো সুন্দৰভাবে প্ৰযোজ্য। কেইটিমান বিভিন্ন পৰ্যায়ৰ গীতৰ নমুনা তলত দিয়া হ'ল। ঃ

৬। আইসোৱে নিন্দৰাণি বইসোৱে কাছে,
আমাৰ ময়না বিছিনাতে আছে।
ঘাটৰ নিন্দ বাটৰ নিন্দ বিছিনাত পৰি কান্দে
আমাৰ ময়নাৰ চকু আইসে আন্ধে॥

১। স্মৃতিগ্ৰন্থ, গোৱালপাৰা (অবিভক্ত) সাহিত্য পৰিষদ। ১৯৮৮ পৃষ্ঠা— ৫১।

৭। আয়ৰে নিন্দাবালি[১] আয় আয় আয়
তয়[২] চাৰিপাত ময়[২] চাৰিপাত
ঘুগুৰা গাথং আয়।
ঘুগুৰা বাজে ঝুণুক-ঝাণাক
কইনা খুজে শাৰি,
আঠ মঙলা নাই ভাইঙতে,
নিত্যে পাৰে গালি॥

৮। বাবা নাচেৰে চন্দন গোপাল
ঘিয়ো ভাজা মধু গোপাল
টাটাৰা[৩] গালৰা।
আমাৰ মাইয়ো ভাল
পিন্ধে ফাৰা জাল
ঘৰে ঘৰে বিচ্‌ৰি বেৰায়
কোন বুঢাটা ভাল।
বাবা নাচে যেইখানে
সেইখানে মধুপুৰ
বাপে দিলে ভালা মালা
মায়ে চম্পা ফুল
বাপ হ'ইল অমিয় [৪] নাগৰ
মাও হ'ইল নেচ্‌ৰা[৫] পিন্দি
ভেলি ধৰিয়া যায়।

৯। হাটৰ চুৰচুৰা মাছ বাবাৰ বাহগন।
তাকে খায়া বাবা যুৰিছে নাচোন॥
নাচোন খোচন কৰিয়া বাবা
হাটোক নাগি যায়।
টুনী বেঙে[৬] নাগাল পায়া
চুমা চাটা খায়॥
ডল কুমাৰৰ ঘাটে
বগীলাই বেচে পাণ।
কৰ্তা বাবুই[৭] হুকুম দিছে

বগিলাক ধৰি আন।
বগী নাচেৰে কাঁকাইলে[৮] হাত দিয়া
কাপোৰ চাপোৰ কাঢ়িয়া নিছে
মুখত ছেকা[৯] দিয়া॥

১০। ঢোকাৰ পই[১০], মামাঘৰৰ দৈ
কায় খাইবে তোৰ দৈ মাথা চিৰা?
মামা খাইল কলাটা
মামী খাইল চোচাটা[১১]
ভুস কৰি বিৰাইল নাদাটা[১২]
মামা আছে, মামী আছে
তায় ফেলাইবে নাদাটা।

১১। হাৰা বাটং[১৩] কুৰা বাটং
তোৰ শহুৰৰ নাক চুল কাটং
নাক চুল কাটি দিলুং ছাৰি[১৪]
তোৰ শহুৰী বেৰায় বাৰী বাৰী।

১। নিন্দালি। ২। তই, মই। ৩। ফুলা। ৪। ৰসিয়া, ৰসিক ৫। ফটাচিটা কাপোৰ ৬। ৰঙচোৱা বেঙ। ৭। গৃহস্থ, মালিক ৮। কঁকালত ৯। খাৰ, ছেকি ক'লা বাবে ছেকা ১০। বাঁহ বা কাঠৰ খুঁটি, ঘৰত ঢোকা দিয়া খুঁটি ১১। বাকলি ১২। লাদাটো-গুৰ লাদা ১৩। বটা ১৪। এৰি দিয়া।

৭। ঘ। ৬। ঘকৰা জীবন বিষয়ক গীত ঃ

ঘকৰা জীবনৰ নানা ভৱহৰ কথা লৈ আই-মাইসকলৰ মুখৰপৰা সময়ে সময়ে দুই চাৰিটা গীত সংগ্ৰহ কৰা দেখা যায়। কিন্তু আধুনিকতাৰ হেঁচুকচিত এইবোৰ প্ৰায় লুপ্ত হ'ল বুলিব পাৰি। বিচাৰি খুচৰি দুই চাৰিটি গীতৰপৰা জনা কথা-খিনিৰহে ইজিত ইয়াত দিবলৈ যত্ন কৰা হৈছে। যদি এই শ্ৰেণীৰ গীত পৰ্যাপ্ত পৰিমাণত সংগ্ৰহ হৈছিল আৰু যদি গোটেইখিনি পোৱা গ'লহেঁতেন তেনেহলে ঘকৰা জীবনৰ এটি নিখুঁত চিত্ৰ তাৰ পৰা পোৱা গ'লহেঁতেন।

ক। ঘৰ-চোতাল সাৰা গীত ঃ

আঁগিনা সামটং বুকত কুকত
বাঁশেৰ ঝাটা দিয়া,
ও কি মা লো মা।
এমন সময়ে আসিল,
এক গাভুৰ সন্যাসী,
তাৰ হাতত নাঠি গাত ছেৱা গজি
কি মা লো মা।

খ। ফলমূল খোৱা গীত ঃ

হ্যাট্ তোৰ ভাই টিয়াক
এং দিন গেইছিস কুত্তি ?
আম কাঠালেৰ ভিতি।
আম খাইছিস কয়টা ?
ছয় কুৰি ছয়টা।
কিসেৰ মধ্যে বাস খাইছিস ?
ভাঙা ডোলেৰ মাঝে।
তোৰ সাক্ষী কায় ?
দাৰ্কা মশাইৰ খুৱা।
চিচকা মাচ চুণেৰ খুটি,
ঝিঙিলে ঝিঙিলে বে ॥

গ। ৰন্ধা-বঢ়া [যাচক] গীত ঃ

মোৰ মনত বৰ দুখ,
ভাত খায়া নাপাং সুখ,
ও মুই মৰোং ভোকতে,
মোৰ বৌটা ৰান্ধোন জানে না।

ডাকৰ বচনৰ বন্ধন প্ৰকৰণৰ নিচিনাকৈ কচিসন্মত বন্ধা-বঢ়াৰ উদ্দেশ্য আগত ৰাখি কিছুমান লোকগীত ৰচিত হৈছে। এইবোৰৰ কিছুমানত বন্ধনৰ নিৰ্দেশ আছে। কিছুমান ব্যঙ্গাত্মক ধৰণ আৰু আন কিছুমানত প্ৰশংসা কৰা হৈছে। গীতবোৰত প্ৰকাশিত ৰচকৰ বুদ্ধিমত্তা, কল্পনাৰ প্ৰাচুৰ্য, ঘৰুৱা জীবনৰ চিত্ৰ আৰু মানুহৰ কচিজ্ঞান বাৰুকৈয়ে প্ৰশংসনীয়। যেনে ঃ

১। ও মোৰ ভাউজীয়া কয়,
ও মোৰ ননদীয়া কয়,
মুই সুন্দৰী বান্ধোন জানং না ॥
কচু শাক পাক কৰিয়া দিছং,
তাত নহৈ দেওং আদা হায়ৰে।
তাৰ জন্য মাৰ মাৰিলেক,
ছোট ঠাকুৰেৰ দাদা বে ॥
আৰ দাইল পাক কৰিয়া দিছং,
হাটু পানা দিয়া হায়ৰে,
হাটু পানী দিয়া।
আৰ ননদীয়া সাতাৰ কাটে[১],
তাৰ উপৰ দিয়া বে ॥
মাইৰ মাৰিলু ভালেই কৰলু,
হাতেৰ ভাঙিল শাখা হায়ৰে
হাতেৰ ভাঙিল শাখা।
এইবাৰ নাইওৰ গেইলে,
আৰ হবে না দেখা বে ॥
আৰ উত্তৰ ঘৰে মাৰ মাৰিলে,
দক্ষিণ ঘৰ কাঁপে হায়ৰে
পশ্চিম ঘৰেৰ চাল কুমুৰা,
দুৰ দুৰিয়া[২] পৰে বে ॥
মুই সুন্দৰী বান্ধোন জানং না ॥

১। সাঁতোৰে, ২। ধন্যাত্মক শব্দ।

২। আৰ দোলা মাটিৰ বতুৰাৰে শাক
বতুৰা হলফল কৰে ॥
শাক তুলিবাৰ গেলুং আই মুই,
ছাওৱা কোলাত নিয়া।
শাক তোলা মোৰ যেমন তেমন,
হিয়া যায় ফাটিয়া ॥

ওৰে সেই শাক বান্ধিয়া মুই
তাতে না দিনু ঝিৰা।
একৃকে ডাঙে[১] বুঢাটা মোৰ,
হাটুৰ[২] ভাঙিল খিলা॥
ওৰে সেই শাক বান্ধিয়া মুই,
তাতে না দিলু নুন।
আমাৰ বাৰীৰ বুঢা খোনুৰে[৩],
গোদ-গোদানী শোন॥
ওৰে এত কৰি বান্ধিয়া দেং মুই,
তাত নাই মোৰ নাম।
গোলামেৰ বেটা শাৰি না আনেক,
বাপেৰ বাৰী যাং॥

৩। কোৰ, মাৰ, ২। আঠু, ৩। টো, নির্দেশক।

৩। ওৰে সাংনা[১] আইন্‌ছে ডাংনা মাৰি,
তাক নাইদেং মুই বান্ধিয়া।
তাৰ বাদে মাৰে সাংনা মোক,
দুৱৰ বান্ধিয়া॥
আৰ মোক মাৰিলু ভালেই কৰিলু,
ছাওৱা ৰইল কান্দিয়া।
কান্দে ছাওৱা মোৰ,
আঞ্চলে ধৰিয়া॥
পাকেৰ ঘৰত ধৰি মাৰে মোক,
ডাৰিঘৰটা[২] কাঁপে।
পাছিলা বাৰীৰ কেৰালি আম,
দেৰ্‌দেৰেয়া পৰে॥
আৰ সাংনা ভাতাৰেৰ,
মাংনা শালী[৩]।
বিয়াৰ স্বোৱামী মোক,
নাই পাৰে গালি বে॥

১। বিবাহিত পতিক এৰি আন পুৰুষৰে সংসাৰ কৰিলে সেই পুৰুষক তিৱোতাজনীৰ 'সাংনা' আৰু তিৱোতাজনাক সেই পুৰুষৰ 'সাঙানী' বোলে ২। চৰাযৰ। ৩। খুবশালী, মাংনা- এনেয়ে পোৱা অর্থাৎ এনেয়ে পোৱা খুবশালী।

৪। ও কি বাপৰে বাপ,
ও কি মাওৰে মাও,
কোন সতীনে কয় মুই,
কামাই[১] জানোং না ॥
সকালে উঠিয়া আঙ্গিনা সামটোং,
ডাবিয়া এবেয়া।
জাও সতীনে গালি পাৰে
বাপ মাও তুলিয়া ॥
সেহ দিনে মুই বান্ধিনু দাহল,
দাহ[২]ত ভাইসুছে[১] তেল।
তাক দেখিয়া শউৰ বাবা,
খাবাৰ বসি ডুবিছে পেচাল ॥
পতি দিন বিছনা পাৰোং,
ঝাৰিয়া বুবিয়া।
তাক দেখিয়া মোৰ পতিধন।
হয় দুহাসে প্ৰাণৰ পিয়া।

১। কাম-বন, ২। পাহি উঠা।

ঘ। ননৰ [illegible], অভাব-অনাটন [illegible] কথাই গাওঁত উলিয়াই [illegible] কৰ লোৱা যায়।

১। অ' মোৰ মনে মানে না,
অ' মোৰ দেহাত মানে না,
নাইন[১] ধৰা সংসাৰীতে মৰণ যাতনা ॥
কি দেখিয়া বেচেয়া খাইছে বে,
দয়াৰ খুৰা খুৰী বে,
অ' মোৰ দয়াৰ বাপ মাও।
শুকান কাঁচ খাইতে খাইতে,

শুকি গেইছে মোৰ গাও ॥
কি দেখিয়া বেচেয়া খাইছে ৰে,
দয়াৰ বাপ মাওৰে,
অ' মোৰ দয়াৰ খুৰা খুৰী ।
মাথায় চেনেনা তেনা চাৰোন,
গাওৰে ব্লাউজ শাৰি ॥
হালৰ গৰু বেচেয়া খাইছে ৰে,
অ' ৰে আৰো বেচাইছে ৰে,
যত ছেউটি[২] গৰু ।
এই নাট কুৰাৰত[৩] ঘৰত পৰি,
দুটি হইল মোৰ সৰু ॥

১। অভাব অনাটন। ২। কম বয়সৰ গৰু। ৩। কুৰা <কুৰীয়া—এলেহুৱা নাট · লাট - বৃহৎ অঞ্চল যুৰা চৰকাৰী ঠাই। লাটৰ ভিতৰতে বিখ্যাত এলেহুৱা।

২। বাপ্‌কি এবাৰ মঙ্গা[১] গেইলৰে,
হায়ৰে, আশ্বিন কাত্তিক মাস ;
চতুৰ্দিকে হাহাকাৰ,
ঘৰে ঘৰে উপাস ভাইৰে ॥
আলিৰ কচু তুলিয়া খাইলং,
হায়ৰে পেটৰ ভোকতে ;
মঙ্গাৰ ঠেলায় গেইলং
এবাৰ নঙ্গৰ খানাতে ॥
আলু খাইলং কচু খাইলং,
হায়ৰে খাইলং ভেটৰ ভাত ।
চেৰকা মাৰ হাগা হইল,
চুপ চুপা নাগিল পেট ॥
গৰু বেচায় বাচুৰ বেচায়,
হায়ৰে বেচায় কোলাৰ ছাওৱা ।
পেটৰ ভোকে কান্দিয়া বেৰায়,
নাই খাওৱা দাওৱা ॥

১। আকাল, দুর্ভিক্ষ ।

৩। নানী[১] তোৰ হাত ধৰিয়া কং,
নানী তোৰ পাও ধৰিয়া কং।
নাইওৰ ছাৰি নাদিস,
আৰ মুই যাবাৰ নওং ॥
দিনে বাতি থাকে মৰা ঝগৰা কৰিয়া।
মিছা দোষে মাৰে আই মোক দুৱাৰ বান্ধিয়া
আধা সেৰ চাউল আনে মৰা হাজিৰা খাটিয়া,
হাড়ী ভৰে বান্ধিয়া মুই পাততে দেং ঢালিয়া ;
পেট ভৰেয়া খায় মৰা ছাওৱাক ছাৰিয়া ॥
পুসিবাৰ নাপায় মৰা তালাক দিবাৰ চায়,
সেই কথাটা গয়া মানষি শুনিয়া ফেলায় ;
খাৰিচ[২] কৰিয়া খয়ৰে মৰাক কামাইয়ে নাপায় ॥
মুই ৰাগ কৰিয়া চলিয়া আসিছং ছাওৱাক ছাৰিয়া,
তাৰ বাদে কান্দে মৰা দুই হাত ধৰিয়া,
দোহাই আল্লাৰ কসম[৩] নাগে নাদিস মোক ছাৰিয়া ॥

১। আৰো / আৰু। ২। বাদ দিয়া। ৩। শপথ।

৬। বাৰা বানা (গান পদ্ধতি) বিষয় গীত ঃ

বৰ্তমান সময়ত মধ্য আৰু পূব গোৱালপাৰীয়াত ঢেঁকি আৰু পশ্চিম গোৱালপাৰীয়াত 'উৰুণ গাইনেৰে' ধান বন্ধা হয়। একালত এই বিষয়ক লৈ গাওঁৰ বাই-ভনী বা আই-মাইসকলে গীত ৰচনা কৰিছিল। বিয়া আদিৰ দৰে মাঙ্গলিক অনুষ্ঠানৰ সাৰে 'চিৰা-ভুকা' (চিৰা বনোৱা)ৰ সময়তো তেনে গীত গাইছিল। কামৰূপ জিলাতো এনে গীতৰ প্ৰচলন আছিল। মুখে মুখে চলি অহা তেনে গীতবোৰ প্ৰায় লুপ্ত হ'ল। তেনে গীতৰ নমুনা তলত দিয়া হ'ল ঃ

১। ইকৰি মিকৰি ধানেৰ বাৰা,
তিন গাইন নাহয় চাউল কাড়া।
বেঁতেৰ ডাণ্ডে শইল কইল তাইৰ কালা ॥
সৰগ দিয়া যায় হাত তুলিয়া কয়,
মন ঝোৰে মোৰ পাইকোক দেখিয়া।
চিত ঝোৰে মোৰ পাইকোক দেখিয়া ॥

২। ধেপৰা দাদাৰ বিয়া হইল,
ধেপৰী দাদাক দিয়া।
বাইজ পৰে তাৰ খুচুৰ খাটাৰ,
জাপি মাথাত দিয়া।
উকণ-গাহন সাজেয়া আনা,
ধেপৰী বাৰোক বাৰা।
তাৰাতাৰ পাত দেও১,
চাউল হয়া যাওক কাঁড়া॥
ধেপৰী দাদী পাত বান্ধে,
হোৰোণ ফোৰোণ দিয়া।
তাৰ বাচ বিৰিয়া যায়,
ছান্দৰি২ ফাটিয়া যে॥

১। গাৱেণেৰে উৰলত চাউল ধান ধনাৰা। ২। ঘৰৰ দীঘলে দুই ফালত চটিৰ ওপৰ অংশত আৰি দিয়া জোলাঙা থকা বেৰ।

চ। বোৰ-কটা বিষয়ৰ গীত ঃ

এই শ্রেণীৰ গীতৰ সংখ্যা নিচেই তাকৰ। গতিকে বয়ন শিল্পৰ, শিপিনীৰ কথা গীতৰ পৰা বিশেষভাবে জনা নেযায়। পশ্চিম গোৱালপাৰাত হাতশালৰ প্রচলনো নাই বুলিব পাৰি। বর্তমানত 'তাঁতিয়া ভাইয়াইহে' এই কাম কৰা দেখা যায়। তলত খণ্ড গীতৰ নমুনা দিয়া হ'ল ঃ

১। বাৰীৰ পাছিলাত তাঁতিয়া ভায়া,
শাৰিখান বানেয়া দিছে।
ঐ শাৰি পিন্ধিয়া গেইলং,
গৌৰীপুৰৰ হাটে॥
গৌৰীপুৰৰ পাইক চিপাই,
আঞ্চলে ধৰিয়া টানে।
কায় শাৰি বানেয়া দিছে,
তাৰ কথা কবাৰ বাদে॥

২। বাৰীৰ পাছিলা নয়া তাঁতটি,
কি সুন্দৰ শাৰি বানাইছেৰে,

আই মোক শাৰি কিনিয়া দে ॥
শাৰি উপুৰা মইয়ৰেৰ ছবিৰে,
ছবি কোন ধইয়া নাচে ৰে,
আই মোক শাৰি কিনিয়া দে ॥
শাৰিৰ উপুৰা সোণালী সুতাৰে,
সুতা ঝিলমিল ঝিলমিল জ্বলেৰে,
আই মোক শাৰি কিনিয়া দে ।

৭। ঘ। ৭। ঘটক আৰু ঘটকৰ গীত ঃ

গোৱালপৰীয়া লোকগীতত ঘটক চৰিত্রই এক বিশিষ্ট স্থান অধিকাৰ কৰি আছে কেৱল মাত্র গোৱালপাৰীয়া গীততেই নহয় উত্তৰবঙ্গ, বাংলাদেশ কামৰূপ আদি কৰি পূৰ্ব ভাৰতৰ এটি বৃহৎ অঞ্চলৰ লোকগীতত এই চৰিত্রটিৰ বিশেষ প্রাধান্য দেখা যায়। ঘটক কেৱল মাত্র কল্পনা প্রসূত লোকগীতৰ বাহন চৰোৱা চৰিত্রই নহয় ; মানুহৰ বাস্তব সমাজত আজিও জীয়ৰ ই এটি জীৱন্ত চৰিত্র। গোৱালপাৰা আৰু গোৱালপাৰাৰ গাতে লাগি থকা অঞ্চলবোৰত আজিও ঘটক চৰিত্রৰ ঘটকালীৰ কাৰ্যাকাৰ্য দেখিব পোৱা যায়। সেই সিদিনালৈকে অবিভক্ত কামৰূপ জিলাতে, এই শ্রেণীৰ চৰিত্র আৰু প্রথাৰ প্রচলন আছিল। কিন্তু আধুনিকতাৰ পৰশত আজি এই চৰিত্র লুপ্তপ্রায়।

ঘটক চৰিত্রৰ প্রকৃত উৎসলৈ কি— এনে প্রশ্ন আমাৰ মনত প্রথমে উদয় হোৱাটো স্বাভাৱিক। ইয়াৰ প্রধান কাৰ্য হ'ল সমাজত দৰা-কন্যাৰ বিয়া ঠিক কৰি দিয়া। ঘটকক ইংৰাজীত matchmaker বোলে। ঘটক দৰা আৰু কন্যা উভয় পক্ষৰে থাকিব পাৰে। কেতিয়াবা আকৌ তিৰোতাইয়ো এনে চৰিত্রৰ ভূমিকা গ্রহণ কৰে। বৰ্তমান সময়ত বাতৰি কাকতবোৰতেই দৰা-কন্যা বিচাৰি জাননী দিয়া প্রথা ওলাইছে। কিন্তু বাতৰি কাকত ওলোৱাৰ আগতে ঘটকসকলেই দূৰ দূৰান্তৰে দৰা-কন্যা বিচাৰি যাব লগা হৈছিল। এনেদৰে বিয়া ঠিক কৰি দিয়া বাবে দৰা নাইবা কন্যা পক্ষৰ পৰা ঘটকে এটি নিৰ্জন সংখ্যক টকা লৈছিল। সময়ত এইটোৱে ব্যবসায়িক ঘটক শ্রেণীৰ জন্ম দিছিল।

ঘটক চৰিত্রৰ কাৰ্যাকাৰ্যবোৰ চাই শৈৱ তাক স্কন্দ পুৰাণৰ কেৱা ঠাইতো উল্লেখ কৰা এটি কথা সততাই মনলৈ আহ। কথাটো এনে ধৰণৰ –

তাৰকাসুৰ ক্ষমতাত অধিষ্ঠিত হৈ মৰ্তৰ মানৱৰ উপৰি স্বৰ্গৰ দেৱতাসকলৰ ওপৰতো অত্যাচাৰ আৰম্ভ কৰে। উৎপীড়নত অতীষ্ঠ হৈ দেৱতাসকলে বিষ্ণুৰ ওচৰত তাৰকাসুৰৰ নিধনৰ আৱেদন নিবেদন কৰিলে। তেতিয়া বিষ্ণু দানৱৰাজ বলিৰ দ্বাৰৰক্ষা হিচাবে পাতালত আছিল। তেওঁ দেৱতাসকলৰ আগে আগুকাল দেখি উপদেশ দিছিল যে, তাৰকাসুৰে কঠোৰ তপস্যা কৰি বৰ প্ৰাপ্ত হৈছে আৰু সেই বৰ অনুসাৰে কেৱল সাত দিন বয়সপ্ৰাপ্ত বালকৰ হাতত সি বধ্য। তেনে এজন বালক লাভ কৰিবৰ বাবে তেওঁ দেৱতাসকলক মহাদেৱ-পাৰ্বতীৰ বিয়াখন পাতিবলৈ নিৰ্দেশ দিলে।

দক্ষযজ্ঞত অপমানিত পাৰ্বতীয়ে যজ্ঞ অগ্নিত নিজকে ত্যাগ কৰিছিল। সেয়ে দেৱতাসকলে হিমৰাজক কন্যা জন্ম দিবৰ লগত বিয়া দিবলৈ অনুৰোধ জনায়। অনুৰোধ ক্ৰমে হিমৰাজে পত্নী মনকাৰ গৰ্ভত উমাৰ জন্ম দিয়ে। সময়ত উমা বিবাহ যোগ্য হ'ল। তেতিয়া দেৱতাসকলে ৩ বক নিধনৰ বাবে মহাদেৱ পাৰ্বতীৰ বিবাহ কাৰ্য সম্পাদন কৰে। মহাদেৱ আৰু উমাৰ মিলন ঘটাবলৈ নাৰদক বিশেষকৈ আগ ভাগ লৈছিল। এই ক্ষেত্ৰত নাৰদৰ যি ভূমিকা তাৰ গোৱালপৰীয়া লোকগীতৰ ঘটক চৰিত্ৰৰ আদি ৰূপ বা প্ৰথম নিদৰ্শন বুলি ক'ব পাৰি। ঊষা-অনিৰুদ্ধৰ মিলন ঘটাবলৈ 'চিত্ৰলেখা', শ্ৰীকৃষ্ণ ৰুক্মিণীৰ মিলন ঘটাবলৈ 'বেদানিধি'ৰ চৰিত্ৰ প্ৰাচীন শাস্ত্ৰীয় গ্ৰন্থত সৃষ্টি কৰা দেখা যায়। এইবোৰ চৰিত্ৰৰ যিদৰে হওঁক ঘটক চৰিত্ৰ এটা বেলেগ ভাবে পৰিৱৰ্তন হৈ পৰে। কিন্তু ঘটক চৰিত্ৰৰ মূল ৰূপটো নাৰদ চৰিত্ৰৰ অনুৰূপতেই গঢ় লৈ উঠিছে।

সামাজিক বিবাহৰ ক্ষেত্ৰত দৰা-কন্যা খোজ-বিচাৰ কৰা প্ৰথাটো ভাৰতত প্ৰাচীন কালৰ পৰাই প্ৰচলিত হৈ আহিছে। সময় আগ বঢ়াৰ লগে লগে সামাজিক ৰীতি আৰু অনুশাসন ক্ৰমে জটিল হৈ আহিল। ফলত সমাজ সম্বন্ধেৰে বান্ধ খাই ল'ল। সময়ৰ সোঁতত সমাজত আভিজাত্যৰ পুলিটো শকত হৈ পৰিছিল। ফলত দৰা-কন্যা বিয়া যতে ততে পতাটোত বাধা নিষেধ আহি পৰিল। আধুনিকতাৰ পোহৰে সমাজত যেতিয়া শিক্ষাৰ পৰশ বোলাই গ'ল তেতিয়া আকৌ বিয়াৰ ক্ষেত্ৰত শিক্ষা-দীক্ষাৰ কথাও আহি পৰিল। পিছলৈ অৰ্থই এই ক্ষেত্ৰত দানৰূপে থিয় হ'ল। এনেবোৰ কাৰণতে অভিভাৱকসকলে দূৰ-দূৰান্তৰে দৰা, কন্যা বিচাৰি ফুৰিব লগীয়া হ'ল। এনে পৰিস্থিতিত তেওঁলোকে এই কাৰ্য সমাধানাৰ্থে কিছুমান মানুহ নিয়োগ কৰিছিল। তেওঁ দৰা-কন্যা খুজি মিলি বিবাহ কাৰ্যৰ আঁত লগাই দিছিল। এই চাম মানুহকে

সময়ত ঘটক বোলা হৈছিল। এওঁলোকে জীবিকাৰ বাবে দৰা, কন্যাৰ অভিভাবকৰ পৰা পইচা লৈছিল আৰু সময়ত এনেদৰেই ব্যবসায়িক ঘটক শ্রেণীৰ জন্ম হৈছিল।

ঘটক শব্দৰ বুৎপত্তিগত অর্থও মন কৰিব লগীয়া। ঘটক শব্দৰ জন্ম হৈছে সংস্কৃত ধাতু √ ঘট-অর্থ চেষ্টা কৰা। √ঘট + ণক (অক) কর্তৃ। ঘটয়তি ইতি ঘটকঃ অর্থাৎ যিজনে চেষ্টা কৰি কিবা এটি সংঘটিত কৰে তাকেই ঘটক বোলে। ঘটক শব্দৰ ঘট শব্দৰ লগত সম্বন্ধ পোনপতীয়া। ঘট শব্দটি দ্রাবিড় গোষ্ঠীৰ তামিল শব্দ 'কুডম'ৰ পৰাও আহিব পাৰে। কাৰণ কুডম আৰু ঘট দুয়োটি শব্দৰ অর্থ একে— পানী ৰখা বা পানী নিব পৰা মাটিৰ সৰু পাত্র। ঘট শব্দই প্রাকৃত ভাষা স্তৰত 'ঘড়া' হৈছে। ইয়াৰ অর্থও একেই। অবিভক্ত কামৰূপ-গোৱালপাৰা জিলাত একে অর্থত ঘড়া, ঘাগড়া, ঘাগড়ী আদি শব্দৰ প্রয়োগ বর্তমানেও হয়। ঘড়া শব্দই মাটিৰ উপৰিও ধাতুৰ পাত্রকো বুজায়। সাধাৰণতে ঘট শব্দটিয়ে মাঙ্গলিক অনুষ্ঠানত স্থাপন কৰা মাটিৰ পাত্রক বুজায়। মাঙ্গলিক অনুষ্ঠানত ঘট অপৰিহার্য। আনকি ঘট পূজাৰ প্রচলন আৰু বিধি ব্যবস্থাও আছে। এই কালৰ পৰা (ঘট + প্রত্যয় অক ->) ঘটক শব্দই মাঙ্গলিক অনুষ্ঠান সংঘটিত কৰা বাবে চেষ্টা কৰা ব্যক্তিক বুজায়। তেনেহলে বিবাহৰ নিচিনা সামাজিক শুভ কার্য সম্পাদন কৰিবলৈ চেষ্টা কৰা ঘটক শব্দ আৰু ব্যক্তিৰ জন্ম এনেদৰেও হ'ব পাৰে। কিন্তু লোকগীতৰ চৰিত্রলৈ চালে পুৰাণ প্রসিদ্ধ নাৰদ চৰিত্রৰ ভাব, আদর্শ আৰু কার্যকলাপেৰে ই পৰিপুষ্ট বুলি নিশ্চিতকৈ ক'ব পাৰি।

ঘটক এক চতুৰ আৰু টেঙৰ চৰিত্র। কেতিয়াবা ইয়াৰ টেঙবালি ধূর্তামিতো পৰিণত হয়। এনে ধৰণৰ ঘটকবোৰে কম বুধিয়ক দৰাবোৰক লগুৱা সজাই আৰু নিজে দৰা হৈ শহুৰেকৰ ঘৰৰ আগ ভাগ খোৱা আৰু কেতিয়াবা দৰা আৰু কন্যা পক্ষৰ মানুহক ঠগাই সুন্দৰী যুবতী কন্যা লৈ যোৱাৰ গল্পও জনসমাজত প্রচলিত আছে।

গোৱালপৰীয়া লোকগীতৰ ঘটক এক সুপৰিচিত চৰিত্র। ঘটক অহাৰ খবৰ পালেই দৰা আৰু কন্যাৰ মন বতাহত আগলি কলপাত কঁপাদি যৈ যৈ কঁপে। কেতিয়াবা পৰিচিতজনক এৰি থৈ যোৱাৰ ভাবনাত, কেতিয়াবা অপৰিচিতজনৰ লগত বৈবাহিক সম্বন্ধ পতাৰ ভাবনাত আৰু কেতিয়াবা ভবিষ্যত দাম্পত্য জীবনৰ বঙিন কল্পনাত।

শুনাছি ঘটকেৰ মুখে,
টাকা আছে পইসা আছে,

সোণা আছে ৰূপা আছে ;
সোণাৰ ডুল গঢেয়া দিবে,
মোক বলে বেচেয়া খাবে তেমেলা[১] ঘৰে।"

১। তিনি মহলা ঘৰ থকা ঘৰ বা তিনি ফালে ঘৰ থকা গৃহস্থৰ ঘৰ। (< ত্রি+মহল তে মলা)

কেতিয়াবা আকৌ বিয়া ঠিক কৰিবৰ বাবে ঘটকে মিছা কথাৰো আশ্রয় ল'ব লগা হয়। কেতিয়াবা দৰা বা কন্যা পক্ষৰ নথকা বস্তুবোৰো আছে বুলি কয়। কেতিয়াবা দৰা বা কন্যাক মিছাকৈয়ে বৰ সুন্দৰী বুলিও কয়। এই ক্ষেত্ৰত ঘটকৰ সবাতকৈ ডাঙৰ ধূর্তামি হ'ল সুন্দৰী গাভৰুক বিয়াৰ কন্যা হিচাবে দেখুৱাই পিছত অসুন্দৰী বা আৰ্হিক বা মানসিকভাবে দোষ থকা কন্যাক বিয়া দিয়া। এনে ঘটনা কেতিয়াবা আকৌ দৰাৰ ক্ষেত্ৰতো ঘটে এনে ক্ষেত্ৰত বিয়া হৈ যোৱাৰ পিছত ঘটকে এই কুকৰ্মৰ বাবে দৰা বা কন্যা পক্ষৰ গালি-শপনি খায়। কেতিয়াবা এনে বিয়াৰ বিষ ক্রিয়া হৈ বিয়া বিচ্ছেদ পর্যন্ত হয়। ঃ

"কন্যাৰ কিবা দোষ আছে বে
ঘটক শালা পাজি,
এক কন্যা যম (ধুম) পালাটী[১],
তাতে হ'ইল দাৰুণ টোপী[২],
ডাইন চ'উকটা ফুলি[৩] পৰা
বাম চ'উকে দেখে,
কন্যাৰ কিবা দোষ আছে বে ॥"

আকৌ ঃ "ঘটক শালা পাজি,
একে পাত্তৰ যম পালাটী
তা ত হ'ইল দাৰুণ টোপী ;
মুখত বসন্তৰ খাটি[৪],
চেঙটা হেস্‌কে[৫] হাটে,
পাত্তৰ[৬] কিবা দোষ আছে বে ॥"

১। পলৰীয়া। ২। কাণৰী। ৩। চকুত পৰা বগা দাগ। ৪। দাগ। ৫। খোৰাই। ৬। পাত্ৰ।

লালসা আৰু জীৱনৰ ভাঙৰ পক্ষ। কেতিয়াবা এনে সকলৰ বাবে ঘটকো অৰ্থিত

হয়। টকাৰ লালসাত বন্দি হৈ কেতিয়াবা ঘটকে নাবালক ল'ৰাৰ লগতো ভৰ যুবতী নাৰীৰ বিয়া ঠিক কৰি পেলায়। কেতিয়াবা বুঢ়া বা আদহীয়া বুঢ়াৰ লগতো পাট-গাভৰুৰ বিয়া ঠিক কৰি পেলায়। তেনে বিয়া হোৱাৰ ফলত বিবাহিত জীবনত আহি পৰা বিপৰ্যয় আৰু কেলেঙ্কাৰী। :

'আৰ নাবালক মোৰ স্বামী ধন বে
সন্ধ্যা হ'ইলে শোতে।
ওৰে নিদেৰ আলিসে স্বামী ধন মোৰ
মাও বুলিয়া ডাকে বে।'

বিবাহিত ভৰ-যুবতী নাৰীৰ ইয়াতকৈ আৰু কি বেছি দুখ হ'ব পাৰে বাক? নাৰীৰ জীবন যৌবন সৰ্ব্বস্ব। যৌবন পাৰ হলে জীবনৰ সৌৱঁ বা অন্ত পৰে। যৌবন সৌৱভহীন নাৰী-জীবন পোলৰ জাম। যুবতীৰ যৌবনে দুহাতেৰে ভৰ-পুকুষক বাউলী দিছে। কিন্তু দুৰ্ভাগ্য যে সমাজৰ পাকচক্ৰত তাইৰ যৌবনৰ আহুত যিজন প্ৰাণহী আছিল সি হ'ল নাবালক যি বাল্য, যৌবন, বাৰ্ধক্য কি একো নেজানে, নুবুজে। যৌবনে যৌবন বিচাৰে। যৌবনলৈ শৈশৱ অনাহুত, বাৰ্ধক্য অনাকাংক্ষিত। এজন বলিষ্ঠ পুকুষে হেচি ধৰি যৌবনৰ অদম্য বাসনাৰ অন্ত পেলোৱাটো যৌবনে বিচাৰে। কিন্তু সেয়া নহ'ল। তাইলৈ অহা নাবালক স্বামীলৈ তাইৰ যৌবনৰ মূল্য কি, অৰ্থইবা কি? যৌবন বাৰিষাতে যদি দুয়োকুল ভাঙিব বালিচৰ তেজেনো বাৰ্ধক্যৰ শীতত দুকুল উপচি যোৱা বন্যাৰ দাবি কি, আবশ্যক ক'ত? সেয়ে তাই নাৰী জীবনৰ অৰ্থ বিচাৰে। এক মহাশূণ্য চকুৰ আগত ভাহি উঠে। জীবন যৌবনৰ সকলো আশা-আকাঙ্খা নিৰৰ্থক মহাশূণ্যত লীন যোৱাটো তাইৰ মনে প্ৰাণে মানি ল'ব নোৱাৰে। সেয়ে মন প্ৰাণৰ দুখত তাই তিৰপাৰ কৰে, অভিশাপ দিয়ে মাক-দেউতাকক, ভায়েক-ককায়েক আৰু দুষ্ট অনৰ্থকাৰী ঘটকক এনেদৰে :

"বাপ মৰুক মাও মৰুক,
ভাইয়োক খাউক সাপে;
ঘটক মৰা পৰিয়া মৰুক,
নিধুৱা[১] পাথাৰ বে॥"

১। শূণ্য, মুকলি।

গোৱালপৰীয়া লোকগীতৰ ঘটক চৰিত্ৰৰ বিষয়ে আলোচনা কৰি দেখা যায় যে, ঘটক এটি ভাল বেয়া গুণৰ মিশ্ৰিত চৰিত্ৰ। ঘটকে সৃষ্টিৰ বিকাশৰ বাবে আৰু মানৱ জাতিৰ

জন্ম-প্রবাহক নিরবিচ্ছিন্নভাবে আগবঢাই নিবলৈ বিয়া পাতি ফুরে। এই কার্যব বাবে ঘটক প্রশংসার পা-। কিন্তু ঘটকব কলংকব দোষ হ'ল ভাল উপযুক্ত দৰা-কন্যা ঠিক কৰি নিদিয়াব বাবে। 'দোষ এবি গুণ মাত্র কহয়' এই বচন ফাকি মানুহে ওলোটাভাবে ব্যবহাব কৰে। সেয়ে বিয়াব সর্বদোষব দোষী ঘটক। গতিকে প্রত্যেকটি গীতব জৰিয়তে ঘটকক শাও-শপনি দিয়া হৈছে। কোনোবে গিৰিয়েক অকর্মণ্য হোব বাবে, কোনোবে গিৰিয়েক মদ খা-সুৰাৰী হোৱা বাবে, কোনোবে গিৰিয়েকব অত্যাচাব, উৎপীড়নত অতাষ্ঠ হৈ, কোনোবে বা আকৌ দুবাস্তবত বিয়া দিয়া বাবে ঘটকক তিৰস্কাব কৰিছে। ঘটক মানুহ জীবনব বিয়াব নিচিনা গুৰুত্বপূর্ণ শুভকার্য সম্পাদন কবে। এই শুভ কার্যব পৰিণতি শুভ হলে ভাল। তেতিয়া ঘটকব কার্যব প্রশংসাত সকলোবে পঞ্চমুখ। কিন্তু অশুভ হলে ঘটক বেয়া, দোষী, ঘটক গালি-শপনি খোৱা নাৰকী, পাতকী।

ঘটক-বেত্রিক গীত ঃ

১। "কতোৱ খবব দিনুব বাপাই
তোব কামাই ফুৰায়ে না।
এলাহ পাপাই হৈছে, হুনা ঘটক আসিছে,
এলা না জোৱণ দিছে,
চাঁদ উঠিলে হুই নব বিয়া
বাপাই এলা কি হইবে;
তোক না আগতে কইছং,
তুই ঘটক একটা ধব
তুই টাকাব জোগাব কব,
সুত কৰিয়া আনিয়াবে॥
বাপাই শুনিয়া যাইস খবব,
হুনা ঘটক আসিছে, কথা জোৱণ দিছে,
বিয়াব গুৰাও কাটিছে, বিয়াব চাহো খাইছে;
চাঁদ উঠিলে হইবেবে বিয়া,
বাপাই এলা কি হ'ইবে?
আব যা কবুবে কপালে কবুবে,
বাপাই নাদোষেং ডোকে বে,
তোব সাথে বাপাই যোৱা নানাগে,

গোসাঁও যেজাৰ মাহন বাপই,
বাপই টাকা নাগে দেঁ মুই,
ঘটক ধৰি এই মাসতে বিয়াও কথাও তুই ॥"

১। শেষ হোৱা। ২। এতিয়া। ৩। ৰাগ বা খং কৰা।

২। ও কি দাদাৰে,
আইছে ঘটক দাদা
মোক নাখান বেচেয়াৰে ॥
ওৰে দাদা,
ঘটক আইসে মাসে মাসে,
গুৱা কাটেন দাদা জপ[১] নাদেন ৰে,
ও কি দাদাৰে,
মনৰ আগুন দাদা, উঠিবে জ্বলিয়াৰে ॥
উঁচা ঘৰৰ দাদা নিচা চালি,
কতোয় শুনিম দাদা ভাউজীৰ[২] গালি।
ও কি দাদাৰে,
আইসে ঘটক দাদা
মোক নাখান বেচেয়াৰে[৩] ॥

১। বিয়া হ'ব বুলি কথা দিয়। ২। নৰো। ৩। গা ধন লৈ বিয়া দিয়া।

৩। ও মুই হওঁ না গৰীবৰ ছাওৱা
তোৰ সঙ্গে প্ৰেম কৰং না,
মোক বলে বেচেয়া খাইবে ভেমেলা ঘৰে ॥
শুনাছিস ঘটকৰ মুখে,
হস্তী আছে ঘোড়া আছে,
বাৰীত পুখুৰী আছে,
মটৰে নাইৰোৱ কৰিবে ॥
শুনাছিস ঘটকৰ মুখে,
টাকা আছে পইসা আছে,
সোণা আছে ৰূপা আছে,
সোণাৰ দুল গঢ়েয়া দিবে,
মোক বলে বেচেয়া খাইবে ভেমেলা ঘৰে ॥

৪। চিলমাৰীৰ চিকণ চিৰা গামচাত বান্ধা দৈ,
ওৰে ভাটাঃত[১] গামচাত বান্ধা দৈ ;
খাওৱাবাৰ যদি নাপাইলবে ভাটাইত,
কেনে নাইয়োৰ গোটাইলবে ভাটাইত ?
মাৰ্‌কেবাৰ[২] যদি নাপান বে ঘটক,
কেনে ঘটকী কৰেন ;
ছাগল বান্ধা ঠংলী[৩] দিয়া,
ফাটাইম ঘটকেৰ মাথাৰে ভাটাইত ॥
ৎৰা সভাত ক'ইছেন বে ঘটক,
দিম সোণাৰ মান্দলী,
দিবাৰ যদি নাপান বে ঘটক
কেনে দিছেন কথাৰে ভাটাইত ?
ভৰা সভাত ক'ইছেন বে ঘটক,
দিম সোণাৰ বাজু[৪] ;
এলা যদি দিবাৰ নাপান,
কেনে ঘটকী কৰ্‌লু বে ভাটাইতে ?

১। ৩ট্ট / ভর্ত্তৃ অয়—ইয়ক > ভাট + আইত > ভাটাইত। আলোচনা কৰি ঠিক কৰ ব্যক্তি। ২। চণ্ডালিৰ। ৩। বচি, বাজু। ৪। তিৰোতাই বাহুত পিন্ধা চেপেটা ধৰণৰ অলংকাৰ।

৫। নাবালক মোৰ স্বামী ধন বে
সন্ধ্যা হ'ইলে শোতে,
নিদেৰ আলিসে স্বামী ধন
মোক মাও বুলিয়া ডাকে বে ॥
আৰ ঘটক দুষ্ট, বাপবে দুষ্ট,
দুষ্ট পাৰাৰ লোক,
ওৰে টাকাৰ লোভে বেচেয়া খাইছে ;
স্বামী মোৰ নাবালক বে ॥
বাপ মৰুক মাওবে মৰুক,
ভাইয়োক খাউক সাপে ;

ওবে ঘটক গোলাম পৰিয়া মৰুক
নিধুৱা পাথাৰে বে ॥

৬। আস্তে বোলান মোৰ
গাড়ীৰ গাড়োৱান বে,
ধীৰে বোলান[১] মোৰ
এক নজৰ[২] দেখিয়া নেং মুই,
দয়াৰ বাপেৰ বাৰী বে ॥
আস্তে বোলান গাড়ীৰ গাড়োৱান
ধীৰে বোলান গাড়ী বে।
ছৈয়েৰ কাপোৰ চড়েয়াবে[৩] ধৰো,
দেখোং বাপেৰ বাৰী বে ॥
বাপ কান্দে মোৰ ঐ দেখা যায়,
ভাই কান্দে ডুকুৰিয়া[৪] বেৰায়,
আশ পৰশী নিশ্বাস ফেলায়,
বাচ্চা ব'ইনোক বোলাত নিয়াবে ॥
আশ পৰশী বেচেয়া খাইছে আমে পা য,
মোৰ বাপ বেচেয়া খাইছে দেশে বিদেশে বে ॥
মাও কয় মোক ছোটবে ছোট,
বৰ কয় মোক বাবা ;
ঘটক মৰা ফাঁকি দিল মোক
বাপে দিল মোক বিয়া ॥
বাপোক খাউক বুঢ়া বাঘে,
মাওক খাউক সাপে ;
ঘটক মৰা মৰিয়া থাকুক
নিধুৱা পাথাৰে বে ॥

১। চলোৱা (< √বল+আন। ২। দৃষ্টি। ৩। ওচাই দিয়া, দাঙি ধৰা।
৪। ডুকুৰি কান্দা, চাকুৰি কান্দা (কামৰূপী · ডুখুৰি কান্দা)।

৭। ঘ। ৮। কাহিনীমূলক গীত :

কাহিনীমূলক গীতক ইংৰাজী ভাষাত বেলাদ (bal'ad) বোলে। বেলাদ শব্দটি আহিছে ফৰাচী ভাষাৰ (Ballore) বেলোৰ শব্দৰ পৰা। ফৰাচী ভাষাত এই শব্দটিয়ে নাচি নাচি গোৱা গীতক বুজায়। G. L. K ttredge এ কৈছে যে বেলাদ হ'ল, "A song that tells a story, or to take the other point of view—a story told in song. More formally it may be difi d as a short narative poem adopted for singing, simple in p t and metrical in structure, divided into stanzas and character-ised by complete impersonality as far as author and singer s concerned." Prof Ker এ কৈছে, "It (ballad is not a narrative poem only it is a narrat ve poem in lyrical form or a lyrical poem with a narrative body in it" Prof Geronld এ আকৌ কৈছে, "what we l ve come to call ballad is always a narr ti e, is always sung to a rounded melody and is always learned from the lips of ot rs rather than by reading." বিচক্ষণ পণ্ডিতসকলৰ পৰ্যবেক্ষণশীল বিচাৰ বিবেচনে ballad সম্বন্ধে কোৱা কথা কেইষাৰৰ পৰা বুজা যায় যে এই বিধ গীত লোকগীতৰ সকলোবোৰ গুণযুক্ত হোৱাৰ উপৰিও তলত উল্লেখিত বৈশিষ্ট্যযুক্ত। :

১। অপৰিহাৰ্যভাবে এটি নাতিদীৰ্ঘ কাহিনীৰ প্ৰয়োজন।
২। প্ৰকাশত ছান্দিল ভঙ্গিমা আৰু বৰ্ণনাৰ গতি সুৰময়।
৩। বহুতো কসিৰ সমাবেশ আৰু বৰ্ণনাৰ আধিক্য।
৪। বচক গায়কৰ নৈৰ্ব্যক্তিকতা।

গোৱালপাৰাৰ অসংখ্য লোকগীতৰ মাজত এইবোৰ বৈশিষ্ট্য থকা কিছুমান গীত থকা দেখা যায়। 'প্ৰান্তবাসীৰ লোকসঙ্গীতত এজুমুকি।' নামৰ প্ৰবন্ধত এইবোৰ গীতক 'কেচ্ছা গীত' বুলি আলোচনা কৰা হৈছে। 'কেচ্ছা' শব্দৰ অৰ্থ হ'ল গল্প, কাহিনী, সাধুকথা। গতিকে যি গীতৰে গল্প বা কাহিনী কোৱা হয় সিয়েই 'কেচ্ছা' গীত। পৰিবেশন আৰু উপস্থাপন পদ্ধতিৰ ওপৰত ভিত্তি কৰি এনে পৰ্যায়ৰ গীতক থলুৱাভাবে পালাগান, দোভৰা গান, বন্দিল গান, ঝপতাল বোলে। প্ৰকৃতপক্ষে এনে ধৰণৰ নামেৰেহে এইবোৰ গান গোৱালপৰীয়া জিলাবাসীলৈ জনাজাত। কাহিনীগীত এই নামটো এই ক্ষেত্ৰত অপৰিচিত যেনিহে কৰ পাৰি। 'ballad বা কাহিনী গীত'

নাম-সাহিত্য আৰু সাহিত্যিক-সমালোচকৰহে, লোকগীতিকাৰ আৰু গায়কৰৈ নহয়। পৰিবেশন পদ্ধতিত তাৰতম্য থাকিলেও এই শ্রেণীৰ প্রত্যেকটো গীতেৰেই একোটা কাহিনী ব্যাখ্যা কৰা হয় যাৰে ইয়াত এইবোৰ গীতক সাধাৰণভাবে কাহিনীগীত নামটিৰে সামৰি আলোচনা কৰিব লোৱা হৈছে। এই শ্রেণীৰ গীতকৰা কবি ল'ৰ পৰা গোৱালপৰীয়া লোকগীত হ'ল : ময়নামতীৰ গীত, নয়ানশ্বৰীৰ গীত, পীৰ ফকিৰৰ মনাই যাত্ৰা, সত্যপীৰৰ গীত, ভেলোৱা সুন্দৰীৰ গীত।

১। নয়ানশ্বৰীৰ গীত :

কাশীধামৰ পৰা অহা বৈষ্ণৱ এজন গাঁওঁৰ ঘুটু পদ্ধানীৰ (প্রধানী ঘৰত উপস্থিত হ'ল। ঘুটুৱে সপৰিয়ালে গুৰুসেৱা কৰি জীয়েক নয়ানশ্বৰীক সেই বৈষ্ণৱজনৰ সেৱা-শুশ্রূষা কৰিব দিলে। কিন্তু শিক্ষা-দীক্ষা নোহোৱা নয়ানশ্বৰীৰ হাতেৰে বৈষ্ণৱে পানী এটোপা পর্যন্ত গ্রহণ নকৰিম বুলি এনেদৰে ক'লে :

'কন্যাৰ কথা কথু তুই এ আৰ কেমন।
শিক্ষা দীক্ষা নাথাকিলে জল নাকৰিম গ্রহণ॥'

তদুপৰি ঘুটু প্রধানীয়ে সামিষ আহাৰ খোৱা বাবে সেই বৈষ্ণৱে তেওঁক দণ্ড কৰিলে। নয়ানশ্বৰীয়ে এই কথাত প্রতিবাদ জনাই বৈষ্ণৱৰ লগত ধর্ম বিষয়ত তর্ক যুদ্ধত লাগি পৰিল। শেষত অশিক্ষিতা নয়ানশ্বৰীৰ হাতত সেই বৈষ্ণৱৰ পৰাজয় হ'ল আৰু তেওঁক বিয়া কৰাই বৈষ্ণৱ সংসাৰী হ'ল।

সহজ ভাষা, ধকৰা উপমা ব্যবহাৰ কৰি বৈষ্ণৱৰ ভণ্ডামীক শ্লেষ আৰু বক্রোক্তিৰে প্রকাশ কৰাত ই ৰসপূর্ণ হৈ পৰিছে।

২। সত্যপীৰৰ গীত :

সত্যপীৰে নিসন্তান শিশুপালৰ ৰাজ্যত প্রবেশ কৰি জানিলে যে তেওঁ সন্তান লাভৰ বাবে এক লক্ষ পশু বলি আৰু পাঁচ বাৰ নৰবলি দিব। ৰজাৰ এনে নিষ্ঠুৰ কথা জানি সত্যপীৰে বলি-বিধান নিৰর্থক ; তপস্যাহে সার্থক বুলি পাঁচজনা বাণীক তপস্যা কৰিব দিলে। ফলত সক বাণী গর্ভৱতী হ'ল। বাকী কেইজনী বাণীয়ে তেওঁক হিংসা কৰি বহুত যাতনা দিলে। তেওঁৰ এটি ল'ৰা সন্তান হ'ল। ৰজাই শেষত আন বাণীসকলে কৰা ষড়যন্ত্রৰ কথা বুজি পালে আৰু নিজৰ ল'ৰাক কোলাত তুলি ললে আৰু আন কেইজনী হিংসাকুৰীয়া বাণীক নাক-কাণ কাটি খেদি দিলে। সত্য-পীৰৰ ধূল-মূল কথা এই। গুস্রাবলীৰ গীতেৰে এই গী'ত কাহিনী অবিকল এক।

এই গীতৰ অভিনয় কৰিবলগীয়া দুটি কথাৰ প্রথমটি হ'ল ৰসি-বিধানতকৈ

তপস্যাৰ শ্ৰেষ্ঠত্ব প্ৰতিপন্ন কৰা আৰু দ্বিতীয়টি হ'ল হিন্দু মুছলমানৰ সহঅবস্থানৰ বাবে হিন্দুৰ সত্য আৰু মুছলমানৰ পীৰক অভিন্ন প্ৰতিপন্ন কৰা। ঃ

সত্যপীৰ বোলে ৰাজা শুনহ বচন।
কলিকালে অবতাৰ মুই সত্য-নাৰায়ণ॥
হিন্দুৰ দেবতা মুছলমানৰ পীৰ।
ঘৰে ঘৰে মোৰ নামে হৰিল জিকিৰ॥

৩। ময়নামতীৰ গান ঃ

ৰজা মাণিকচন্দ্ৰৰ পাটৰাণী ময়নামতীক বনবাস দিয়ে। সেই বনবাসত থকা সময়ত ৰাণী ময়নামতীয়ে গোপীচন্দ্ৰক জন্ম দিয়ে। পিছে ৰজাৰ মৃত্যু হোৱাত গোপীচন্দ্ৰই পিতৃৰ ৰাজসিংহাসনত বহে। পিছত তেওঁ অদুনা-পদুনাক বিয়া কৰায়। ময়নামতীয়ে গোপীচন্দ্ৰৰ অকাল মৃত্যুৰ বাৰ্তা জানিব পাৰি সন্যাস গ্ৰহণ কৰি হাড়ী সিদ্ধৰ ওচৰত গৈ মহামন্ত্ৰ ল'বলৈ নিৰ্দেশ দিয়ে। হাড়ী সিদ্ধই ন কড়ি লৈ হীৰা নটীৰ ঘৰত গোপীচন্দ্ৰক বান্ধা ৰাখিলে। গোপীচন্দ্ৰৰ তাতেই পৰীক্ষা আৰম্ভ হ'ল। মাতৃ আদেশ শিৰত লৈ গোপীচন্দ্ৰই জীবন সমস্যাত জয়যুক্ত হ'ল। পিছত হাড়া সিদ্ধই আহি গোপীচন্দ্ৰক মন্ত্ৰপূত প্ৰসাদ খুৱালে। এনেদৰে গোপীচন্দ্ৰই মৃত্যুঞ্জয় কৰি, মহাজ্ঞানী হৈ গৈ পুনঃ ৰাজপাটত বহে।

গীতটিৰ ওপৰত নাথ বা যোগী সম্প্ৰদায়ৰ সাধন মাৰ্গৰ প্ৰভাৱৰ স্পষ্ট স্বাক্ষৰ পোৱা যায়। ময়নামতীৰ গীত অলৌকিক কাৰ্য-কলাপৰ বৰ্ণনাৰে পৰিপুষ্ট। গোপীচন্দ্ৰৰ মৃত্যুৰ ভয়ৱহতা, নব-বিবাহিতা যুৱতী পত্নী অদুনা-পদুনাক এৰি থৈ যোৱাৰ বেথা, সন্যাস গ্ৰহণ, হাড়ী সিদ্ধৰ ওচৰত যোগ সাধন ময়নামতীৰ সতীত্বৰ পৰীক্ষা— এই ৰহস্যময় সকলোবোৰ কথাই পাঠক আৰু শ্ৰোতাৰ মন ময়নামতীৰ গীতত একনিবিষ্ট কৰি ৰাখিব পাৰে। অদুনাৰ প্ৰশ্নোত্তৰত ময়নামতীয়ে কোৱা কথাখিনিয়ে কাহিনী গীতটিৰ গাম্ভীৰ্যতা বঢ়াইছে আৰু সৌন্দৰ্য চৰাইছে। ঃ

"হিন্দে গয়া হিন্দে গঙ্গা হিন্দে বাৰানসী।
মাথাৰ চুল ভাবিয়া দেখ তোৰ অক্ষয় তুলসী॥
দন্তসব ভাবিয়া দেখ বাহা বিনা ধানেৰ খৈ।
মাথাৰ ঘিলু দেখ বাহা বিনা দুগ্ধেৰ দৈ॥
মন হইল ৰবশী বাহা পবন হইল সুতা।
মাটিৰ দেহা হইল ছিপ দুই আখি ফুলতা॥

মনে বান্ধে তনে বাঢ়ে আন্ধাই বসিয়া খায়।
জীতা ৰূপে শুই থাকে মোহতে নিদ্রা যায়॥"

৪। ভেলোৱা সুন্দৰীৰ গান ঃ

ভেলোৱা সুন্দৰীৰ গানত সুন্দৰী ভেলোৱাৰ দুখ-যাতনাৰ বৰ্ণনাই আকাশ চুইছে গৈ। দুখৰ নিশা যিমানেই দীঘল নহওঁক কিয় সি পুৱাবই। ভেলোৱাৰ দুখৰ জীবনবো ওৰ পৰিছিল যিদিনা তেওঁ স্বামীৰে মিলি আনন্দৰ ৰ'দ কাচলিত প্ৰাণ খুলি হাঁহিব পাৰিছিল। ভেলোৱা সুন্দৰীৰ গান পৰিবেশনে গায়ক আৰু শ্ৰোতাৰ চকু বাষ্পান্বিত কৰাই নহয় চকু পানী টুকিলৈকো বাধ্য কৰে।

গোৱালপাৰা জিলাৰ চুকে-কোণে লোক মুখত থকা এই শ্ৰেণীৰ গানবোৰ ৰসপূৰ্ণ আৰু মৰ্মস্পৰ্শী। বিশেষকৈ সুৰৰ ঢোৰে ঢোৰে বিভিন্ন বাদ্যযন্ত্ৰৰ সহায়েৰে পৰিবেশিত এই কাহিনীমূলক গীতবোৰৰ কাৰো অন্তৰ স্পৰ্শ নকৰাকৈ নেথাকে। গীতৰ ভিতৰত চৰিত্ৰবোৰৰ বেথা-বেদনা, দুখ যাতনাই মানুহক অভিভূত কৰে আৰু আনন্দই পৰিতৃপ্তি আনি দিয়ে। গাঁৱে ভূঁইয়ে লোক মুখত থকা এই শ্ৰেণীৰ গীতবোৰ উদ্ধাৰ কৰি ছপাই নুলিয়ালে আধুনিকতাৰ অত্যাচাৰত লোপ পোৱাৰ সম্ভাবনা আছে। এই বিষয়ৰ আগ্ৰহী পণ্ডিতসকলৰ অনুসন্ধানী মনক সংবাদ দিয়াৰ মানস আৰু উদ্দেশ্যেৰে কথাখিনি সংক্ষেপ যুগুত কৰি দিয়া হ'ল।

৭। ঘ। ৯। বাৰমাহী গীত ঃ-

বাৰমাহী গীত কাহিনী গীতৰেই অন্তৰ্গত বুলিব পাৰি। এই গীতত সাধাৰণতে বাৰ মাহ, ছয় ঋতুৰ বৰ্ণনা পোৱা যায়। বাৰ মাহ আৰু ছয় ঋতুৰ পৰিবৰ্তিত পৰিবেশ আৰু আবহাৱাৰ প্ৰভাৱত স্বামীৰ চিন্তাত প্ৰোষিতভৰ্তৃৰ মনত সৃষ্টি হোৱা ভয়-সন্দেহ, আশা-আকাঙ্খাৰ ভাব, স্বামী বিৰহৰ উজাগৰী নিশাৰ বিষাদী উত্তাপ এইবোৰ গীতেৰে মূৰ্ত কৰি তোলা হৈছে। (দাম্পত্য প্ৰেমৰ গান চাওক) বিভিন্ন উৎসৱৰ পৰা জানিব পৰা মতে গোৱালপাৰা জিলাত চাৰিটি বাৰমাহী গীত প্ৰচলিত আছে। যেনে ঃ কন্যা বাৰমাসী, শক্তি বাৰমাসী, নাৰী বাৰমাসী, দুলোভ বাৰমাসী।

১। কন্যা বাৰমাসী ঃ

কন্যা বাৰমাসী গীতত নাবালিকা স্ত্ৰীয়ে স্বাবালক পতিক উদ্দেশ্য কৰি কোৱা কথা প্ৰকাশ পাইছে। পতিৰ দেহত যৌবনৰ উত্তাপলি, মনত যৌবনৰ উন্মত্ততা। কিন্তু কাৱতে থকা পত্নীৰ দেহত যৌবনৰ উষাই উপস্থিত হোৱা নাই। যৌবনৰ

পয়োভৰেৰে উতলা তৰঙ্গৰ ঢল বাগৰিবলৈতো আৰু সুদীৰ্ঘ বাৰ বছৰ বাকী। বেউলা-লখিন্দাৰৰ যুগ্ম জীৱনতো এনে অৱস্থা হৈছিল। ফুলশয্যাৰ নিশা কামাতুৰ হৈ লখিন্দাৰে অপৰিপক্ক বেউলাৰ কাণসাৰ নকৰি উন্মত্তভাৱে ৰতি ভোগ কৰিবলৈ যোৱাত বেউলাই স্বামীত সাৰ পাই উঠা কামনা-দৈত ত পৰাভূত কৰিবলৈ কৈছিল ঃ

'কাঁচা ডালিম প্রভু খোনে নাৰ্য নহয়।
পকিলে খাইলে তাক অধিক পাই ৰস ॥
কাঁচা কল খাইলে প্রভু জিভাত বান্ধে কষ।
পকিলে খাইলে তাৰ অধিক চাপে ৰস।
তপত ভাত খাইলে প্রভু জিভাত যায় চাল।
জুৰে সাথে খাইলে প্রভু অধিক লাগে ভাল ॥
আমাৰ শৰীৰে প্রভু কামৰ নাই ৰতি।
নাজা না ইসব কৰ্ম আমি শিশু মতি ॥'

কন্যা বাৰমাহী গীতত নব-বিবাহিতা কন্যাজনীয়ে গিৰিয়েকৰ পুৰঠ দেহ আৰু পৰিপক্ক যৌবন দেখি বুজিছে তেওঁৰ মনত কি ক্ষুধাৰ জুই, তেওঁক কি লাগে। কিন্তু গিৰিয়েকক যি লাগে তাকে দিবলে তাই শাৰীৰিকভাবে অপাৰগ-অসমর্থ। কাৰণ তাইৰ দেহত যৌবন এতিয়াও অহা নাই। গোৱে গীতটিৰ জৰিয়ত গিৰিয়েকক দয়া অনুগ্রহেৰে তাইৰ দেহলৈ যৌবন নহালৈ অপেক্ষা কৰিব প্রার্থনা জনাইছে ঃ

'যৈবত নাৰীৰে দুই বছৰৰ এক।
ডাইন কাণৰ মদন কড়ি বাও কাণে ঠাট ॥
ডাইন কাণৰ মদন কড়ি বাও কাণে থুইয়া।
শিশুনা কালে প্রভু কৰাইছেন বিয়া ॥
দয়া না কৰো প্রভু ক্ষমা না কৰো।
যত দিন নাই হওঁ নাৰীৰে মুই ॥
বছৰেৰ বাৰ প্রভু দয়া কৰো ॥

এবছৰ দুবছৰকৈ পাঁচটি বছৰ পাৰ হ'ল। পেটত ক্ষুধা সম্মুখত আহাৰ। ক্ষুধাই কেঁচা-পকা, মিঠা-কেহাৰ বিচাৰ নকৰে। তেনেহলে গিৰিয়েকে পাঁচ বছৰ কেনেকৈ অপেক্ষা কৰিলে? যৌবনে ৰূপ নিৰিচাৰে, ৰূপে যৌবন; যুক্তি-

অপেক্ষা-প্রতীক্ষা নিবিচাৰে ; বিচাৰে উপশম। তেনে ক্ষেত্ৰত গিৰিয়েকেনো আকৌ সাত বছৰ অপেক্ষা কৰিব কেনেকৈ? মনত সন্দেহ হ'ল : ধৈর্যৰো এটা সীমা আছে, গিৰিয়েকৰ পথো বিচ্যুত হ'ব পাৰে। সেয়ে তাই সাবধান কৰি দিলে এনেদৰে :

'কোচেৰ কড়ি প্ৰভু নাকৰেন ব্যয়।
পৰাৰ তিৰি কখনা আপোনাৰ নয়॥'

বছৰবোৰ এটি দুটিকৈ আগবাঢ়িল। কন্যাজনীয়ে বছৰৰ সংখ্যা আৰু বৰ্ণনা দি গীত গাই গিৰিয়েকক সান্ত্বনা দি গ'ল মাথোন। আনহাতে স্থৈর্য্য হিচাবে নহয়, কিন্তু এজন দায়িত্বশীল সংযমী পতি হিচাবে গিৰিয়েকে অকুমাৰী পত্নীৰ দেহ মুখলৈ চাই চাহৰেই মাথোন সুদীর্ঘ বাৰ বছৰ কাল ধৈযেৰে কটাই দিলে। বাৰ বৎৰ পাৰ হ'ল।

এতিয়া কন্যাৰ দেহ যৌবনেৰে উঠুলি মুঠুলি। মনত যৌবনৰ ইন্দ্রধনু। দুচকুত শাৰদীয় অপাৰ নীলিমা। তাই বুজিলে তাই এতিয়া সক্ষম, সামর্থ। সক্ষম পতিৰ কামন-বাসনাৰ পৰিতৃপ্তি সাধনৰ বাবে। তেন্তেনো আৰু দেৰি কিয়? সেয়ে কলে :

যৈবত নাৰীৰে মুই বছৰেৰ বাৰ,
ডাৰীঘৰেৰ বিছিনা প্ৰভু বৰ ঘৰত পাৰো,
আপোনাৰ হাল কিম্বাষ আপুনি কৰো॥

এনেদৰে বাৰ বছৰ 'ডাৰি ঘৰত' (বাহিৰা ঘৰত) থকা গিৰিয়েকক নিজে থকা ডাঙৰ ঘৰলৈ বিছনা পেৰেৰে আহি দীর্ঘ দিন প্রতিক্ষিত শুভ যুগ্ম জীবনৰ শুভ পাতনি মেলিবলৈ আহ্বান জনাইছে আৰু এই শুভ লগ্নতেই ভবিষ্যত শুভ জীবনৰ ইঙ্গিত দি গীতটৰ সামৰণি মাৰিছে।

২। শান্তি নিবাসী :

শান্তি কন্যা বজাৰ বোৱাৰী। বজাৰ ঘৰত 'ইন্দিৰা' আছে। তাতে শান্তিয়ে গা ধুব পাৰে। কিন্তু শাহুয়েকৰ সকলো বাধা-নিষেধক নেওচা দি শান্তি কন্যাই সাধুৰ চাৰিওকাষ পকা কৰা আৰু চাৰিও কাষত ঘাট থকা থকা পুখুৰীত গা ধুবলৈ গ'ল। কন্যাই গৈ পশ্চিম ঘাটত থিয় হ'ল। সাধুৰে সেই ঘাটৰ পূজা নোহোৱাৰ বাবে কন্যাক সেই ঘাটেৰে পানীত নামিব মানা কৰিলে। তেতিয়া শান্তি কন্যাই ক্রমে উত্তৰ, পুব, দক্ষিণ ঘাটলৈ গ'ল। সাধুৰে প্রত্যেক বাৰতেই

ঘাটৰ পূজা নোহোৱা বুলি পুখুৰীৰ পানীত নামিব নিষেধ কৰিলে। শান্তিয়ে কিন্তু পশ্চিমফালৰ ঘাটলৈ গৈ সাধুৰ বাক-বচন নেমানি, আৰু অলংকাৰ খুলি থৈ পানীত নামিব ওলাল। কন্যাৰ আস্পৰ্ধা আৰু পৰাক্ৰম দেখি সাধুৱে ক'লে, 'এত বৰ যোৱান হইছিস এলাও নাই হয় বিয়া।' শান্তিয়ে নিজৰ বিয়া হোৱা বুলি ক'লে। কিন্তু সাধুৱে সেই কথাত পতিয়ন নগৈ ক'লে :

"ছাৰো তোমাৰ চতুৰালী মোৰ ঘৰে চলো।
লক্ষ টাকাৰ গণনা দিয়া বিয়া কৰিয়া নিবো॥

উত্তৰত শান্তিয়ে ক'লে :

'বাৰ বছৰ পাৰ লাগাল ধৰো মোৰে
এহেৰাল দিলাম তোৰে।
যদি স্বামী না আহিছে বাৰ বছৰ পৰে
বিয়া হ'ব তোৰে মোৰে॥'

দেশ দস্তুৰ মতে কাৰোবাৰ স্বামী নিৰুদ্দেশ হলে তিৰোতাজনীয়ে ১২ বছৰ কাল স্বামীলৈ অপেক্ষা কৰিব লাগে। ১২ বছৰতো স্বামী উভতি নাহিলে নাইবা স্বামী জীয়াই থকাৰ কোনো শুং-সূত্ৰ নেপালে তিৰোতাজনীয়ে ইচ্ছা কৰিলে সমাজত প্ৰচলিত নিয়ম অনুযায়ী আন পুৰুষৰ লগত ঘৰ কৰিব পাৰে। সেয়ে শান্তি কন্যাই সাধুক বাৰ বছৰ অপেক্ষা কৰিব কলে। কিন্তু সুদীৰ্ঘ বাৰ বছৰ কাল অপেক্ষা কৰাটো সাধুৰ মুঠেই সম্ভবপৰ নহয়। আনহাতে স্বামীলৈ বুলি শান্তি কন্যায় ১২ বাৰ কাল অপেক্ষা কৰাটোও উচিত নহয়। কাৰণ ১২ মাহত এবছৰ, ১২ বছৰত এযুগ। এযুগ কাল তেনদৰে থাকি যৌবন জীবনক প্ৰতাৰণা কৰাটো উচিত নহয়। সাধুৰ কোনো কথাই শান্তিৰ মন লৰাব নোৱাৰিলে। তেতিয়া সাধুৱে ক'লে : "তোমাৰ নামে নাম আৰু দেখাতো তোমাৰ দৰে সুন্দৰী কন্যা মইয়ো বিয়া কৰাইছো। কিন্তু বিয়ৰ ৰাতিতে সেই কন্যাক ত্যাগ কৰি মই দেশান্তৰী হৈছোঁ।' কথা শুনি শান্তিৰ সন্দেহ উপজিল। কাৰণ শান্তিয়ে স্বামীক নিজ চকুৰে দেখা নাই, মাক-দেউতাকৰ পৰাহে তেওঁ স্বামীৰ দৈহিক বিবৰণ শুনিছে। সাধুৰ ওচৰত চাপি গ'ল আৰু :

'হস্ত পদ মুখ কন্যা দেখিতে লাগিলো।
মাও বাপেৰ কাছে কন্যা যিখানি শুনিলো
দেখিতে কন্যা প্ৰমাণ পাইলো।'

তেতিয়া শালিয়ে খেপা ধুলি সাধুৰ চৰণত মূৰ থলে। সাধু আৰু শান্তি যে স্বামী-স্ত্ৰী এই পৰিচয় ওলাই পৰিল এই শুভ ক্ষণৰ শুভ মিলনতে গীতটিৰ মোখনিও মাৰা হৈছে।

'গোৱালপৰীয়া ডায়ৰী'ত শ্ৰদ্ধেয় দ্বিজেন নাথ মনাই যাত্ৰা, জুলুম যাত্ৰা, লেওতনী যাত্ৰা, আয়নামতী, গোৱালনী যাত্ৰা, কালুম যাত্ৰা, শ্বেতপৰা আদি আখ্যান প্ৰধান গীতৰ কথা উল্লেখ কৰিছে। আৰু পিয়া বাৰমাসী, সাধু বাৰমাসী, টিয়া বাৰমাসী, ফুল বাৰমাসী গীতৰ কথাও উল্লেখ কৰিছে।

গোৱালপাৰীয়া লোক-সংস্কৃতিৰ পথাৰখন দীঘলে-পুতলে-গভীৰে অথাউনী। চৰবাৰী বা বিশ্ব-বিদ্যালয়ৰ পৃষ্ঠপোষকতা হলেহে তাক দলং-দৰাবে চেষ্টা চলালেহে লোক সংস্কৃতিৰ আজিও বৰ্তি থকা উপাদান সমূহ উদ্ধাৰ কৰি নিৰ্ভাল আৰু সঠিক ৰূপত প্ৰকাশ কৰাটো সম্ভবপৰ হব লোক-সংস্কৃতিৰ তথ্যগত আৰু তত্ত্বগত আলোচনা অবিহনে দেশ-জাতিৰ ঐতিহ্যৰ পূৰ্ণ জ্ঞান বা নাপধ্যে সম্ভবপৰ নহয়। গোৱালপৰীয়া লোক-সংস্কৃতিয়ে তেনে পৃষ্ঠপোষকতাৰ আশা কৰে। নহলে দ্বিজেন নাথে উল্লেখ কৰা ধৰণে এই সংস্কৃতিৰ উপাদান সমূহৰ কেৱল নামবোৰহে ভবিষ্যতলৈ থাকিব।

৭। ঘ ১০। কুশান গান ঃ

কুশান এক লোকগীতি-নাট্য অনুষ্ঠান। গোটেই উত্তৰবঙ্গৰ লগতে পশ্চিম গোৱালপাৰাত ই এক অতি সৰলবহী অনুষ্ঠান। কুশান গানৰ উৎপত্তি সম্বন্ধে দুটা মতবাদ প্ৰচলিত আছে। কোচ ৰাজত্বৰ কালৰ গান বা কোচৰ গান বাবে কোশান গান। কোচৰ পৰা কোচৰ দেশৰ অপভ্ৰংশ 'কোচান'। কোচ শব্দটি অঞ্চল ভেদে কচ, কুচ হয়। সেয়ে কোচানৰ পৰা 'কুচান' হৈ শেষত 'কুশান' হৈছে। কিন্তু 'চ' ৰ 'শ' ধ্বনি হোৱাটো অস্বাভাবিক। আনহাতে কোচ ৰাজত্বৰ কালৰ গান বোলাতে কোচৰ দেশৰ নে কোচৰ ভাষাৰ গান সি অস্পষ্ট হৈ থাকে। দ্বিতীয় মতটি হ'ল 'কুশৰ' যি গান সিয়ে কুশৰ গান। লৱ সামৰিকভাবে আঁতৰি থকাত সীতাৰ সন্তাপ দূৰ কৰিবলৈ মহৰ্ষি বাল্মিকীয়ে কুশ বনৰ পৰা কুশক জন্ম দিছিল। পিছত বাল্মিকীৰ পৰা শিক্ষা পাই লৱ-কুশই ৰাম-জানকীৰ দুখবহ জীবন কাহিনীৰ গীত দেশ দেশান্তৰে গাই ঘুৰিছিল। এই গানেই সময়ত কামৰূপ-কমতা অঞ্চলত কুশান গান হিচাবে প্ৰচলিত হয়। এইয়া দ্বিতীয় মত।

কোচ ৰাজত্বৰ কালৰ গান বা কোচৰ গান বাবে কুশান গান বোলাৰ যথার্থতা নাই। ১৫১৫ চনত কোচ ৰাজত্ব আৰম্ভ হোৱাৰ বহুপূৰ্বৰ পৰা ই ইদেশত ৰামায়ণ কাহিনীৰ প্ৰচলন আছিল। ৰামায়ণ, মহাভাৰত, পুৰাণ আৰু আন পৌৰাণিক গ্ৰন্থৰ বিষয়ক কুশান গানত পৰিবেশন কৰা হয় বুলি বহুতে ভাবে আৰু কয়। ব্যক্তিগত অনুসন্ধানৰ উপৰি বিজ্ঞ ব্যক্তি আৰু ব্যোবৃদ্ধ অভিজ্ঞ কুশানীৰ (কুশান গানৰ মূল শক্তি) লগত আলোচনা কৰি জনা যায় যে, কুশান গান কেবল ৰামায়ণৰ গানৰ চাৰিসীমাৰ ভিতৰতে সীমাবদ্ধ। ৰামায়ণ ভিন্ন কোনো গানেই কুশান গান হ'ব নোৱাৰে। গতিকে লৱ-কুশৰ ৰামায়ণৰ পৰাই কুশান গানৰ জন্ম হোৱা মত গ্ৰহণযোগ্য। মৌলিক জ্ঞানৰ দৈন্যৰ বাবে ৰামায়ণ ভিন্ন অইন গ্ৰন্থৰ কাহিনীক কোনোবাই কুশান গান হিচাপে গ্ৰহণ কৰিব পাৰে। আচলতে সি ভুল।

পৰিবেশন পদ্ধতিৰ ফালৰ পৰা কুশান গানক লোকনাট্য বোলা যায়। এই গান পৰিবেশনৰ সময়ত কমেও ২০ ২৫ জন মানুহ লাগে। তেওঁলোক চাৰিভাগে বিভক্ত। যেনে : (১) পাইল (পালি) : গায়কে লগাই দিয়া গানবোৰ সুৰ ধৰি গাই সহায় কৰা মানুহ। (২) বাদক বা বাইন : খোল, তাল, বেণা, বাঁহী, দোতোৰা বজোৱা মানুহ। (৩) গীদাল (গীত + আল) বা মৌল (মূল) : গানৰ মূল গায়ক আৰু দোৱাৰী বা দেহোৰ (ধ্ৰুব | কাৰিকা, Singer and a chorus) : মূল পালি, কাহিনী ব্যাখ্যা কৰোঁতা, অনুষ্ঠান আৰু দৰ্শকৰ মাজত সংযোগ কৰোঁতা (৪) চুকুৰী : নাচনী ছোৱালী। ইয়াত উল্লেখ কৰা ভাল হ'ব যে, ওৰে ৰাতি চলা এনেবোৰ লোক নাট্য পৰিবেশনত অতীতৰ পৰা বৰ্তমানলৈ, ডেকা ল'ৰাই গাভৰুৰ বেশভূষা লৈ নাচনীৰ কাম চলাই আহিছে। কিন্তু বৰ্তমানে দিল্লী আদিলৈ গৈ কেবল প্ৰদৰ্শন কৰিব লগা ক্ষেত্ৰত গাভৰু ছোৱালী নাচনী হিচাপে লৈ যোৱা হয়।

পৰিবেশনৰ সময়ত ১ ১॥ ফুট ওখ মাটিত মঞ্চত হয়। মঞ্চৰ সোমাজত পালি আৰু বাদকসকলে মুখামুখীকৈ বহে। তেওঁলোকৰ বাহিৰকালে বৃত্তাকাৰে ৬ ৭ হাত মান বহল ঠাই মুকলি কৰি ৰখা হয়। তাৰ পিছৰ পৰা দৰ্শক শ্ৰোতাই ঠাই গ্ৰহণ কৰে। এই খালি ঠাইখিনি মঞ্চৰ অঙ্গ। সেই ঠাইতেই থিয় হৈ গীদাল-দোৱাৰীয়ে কুশান বা পালাগানৰ পদবোৰ অৰ্থজ্ঞাপক মুদ্ৰাৰে সৈতে পৰিবেশন কৰে। নাচনীবোৰে হাতত কমাল লৈ নাচে। মঞ্চৰ চাৰিওফালে সন্মুখ। পিছিকে চাৰিওফালৰ পৰা শ্ৰোতা-দৰ্শকে এই লোকনাট্য সমানে উপভোগ কৰিব পাৰে।

এই লোকনাট্য পৰিবেশনৰ দুটা অঙ্গ : অন্তৰঙ্গ আৰু বহিৰঙ্গ। গীদাল, দোৱাৰী আৰু পালিবোৰে পাৰস্পাৰিক সহযোগত মূল গীতৰ পদবোৰ গায় আৰু সুৰ অনুক্ৰমে

বাদকে বাদ্য বজায়। মূল কথা কিছু অংশ গোৱাৰ পিছত, ওজাপালি অনুষ্ঠানৰ ওজা-ডাইনাপা'লিৰ নিচিনাকৈ গীদাল-দোৱাৰী য়ে গাই থকা পদবোৰৰ অৰ্থ ৰসাল কথোপকথনেৰে দৰ্শক-শ্ৰোতাক বুজাই দিয়ে। এনেদৰে গান আৰু কথোপকথনেৰে গানৰ মূল কথা আগবাঢ়ি যায়। ইয়ে অন্তৰঙ্গ। মূল কথা কিছুদূৰ আগবাঢ়ি যোৱাৰ পিছত মূলৰ লগত সম্বন্ধ নথকা যি কোনো আদি বা হাস্য ৰসাত্মক গান গোৱা হয়। আৰু তেতিয়া চুকুৰীবোৰেৰে নানা ভঙ্গিমাত নাচে। কেতিয়াবা আকৌ গীদাল- দোৱাৰীয়ে কোনো উপকথা বা কাহিনী ৰসাল আলোচনাৰে উপস্থাপন কৰে আৰু মূল কাহিনীৰ পিছৰ অংশ শুনিবলৈ সাময়িকভাবে মানসিক বিশ্ৰাম দি দৰ্শক-শ্ৰোতাক প্ৰস্তুত কৰি তোলে। এয়া এক গ্ৰীক নাটকৰ ইণ্টাৰলুড, ইংৰাজী নাটকৰ ড্ৰামাটিক ৰিলিফ্ বা নাট্য বিৰামৰ পৰ্যায়ৰ কথা। এই লোকনাট্যৰ ওজাপালি অনুষ্ঠানৰ লগত বিশেষ মিল আছে। কাৰ্যকাৰণ, বেশভূষাৰ ফালৰ পৰা গীদাল-দোৱাৰী ওজা ডাইনাপালিৰ সমপৰ্যায়ৰ। দুয়ো অনুষ্ঠানৰ পাইল আৰু পালি একে সহায়কাৰী চৰিত্ৰ। কুশান গানৰ দৰে ওজাপালি অনুষ্ঠানতো ৰামায়ণৰ পদ গোৱা হয়। অৱশ্যে ওজাপালি অনুষ্ঠান ৰামায়ণৰ পদতে সীমিত নহয়।

কুশান আৰু লোকনাট্যৰ পাৰ্থক্য এনে ধৰণৰ ঃ কুশান গান ৰামায়ণৰ গানতে সীমিত। আনবোৰৰ তেনে সীমাবদ্ধনী নাই। কুশান গানত গীদালে হাতত চোঁৰৰ ব্যবহাৰ কৰে। আনবোৰত ব্যবহাৰ নকৰে। কুশান গানত 'বেণা' (বীণ-বেহেলা) অপৰিহাৰ্য ; কিন্তু আনবোৰত দোতোৰাহে ব্যবহাৰ কৰে। সেয়ে কুশান ভিন্ন এনে পৰ্যায়ৰ আন গানবোৰক সামূহিকভাবে দোতৰাৰ গান বোলে। এইবোৰত মূল গায়ককে গীদাল বোলাৰ দৰে কুশানতো গীদাল বোলে। কিন্তু কুশান গানত গীদাল অৰ্থে 'কুশানী' শব্দৰ প্ৰয়োগ মন কৰিব লগীয়া।

কমতাৰ ৰজা বিশ্বসিংহক বন্দনা কৰা কবি দুৰ্গাবৰৰ গীতি ৰামায়ণ এই অঞ্চলৰে সৃষ্টি। কিন্তু স্ব-স্থানৰ দুৰ্গাবৰী ৰামায়ণৰ লগত নহৈ পশ্চিমবঙ্গৰ কৃত্তীবাসী ৰামায়ণৰ লগত কুশান গানৰ সম্পৰ্ক হোৱাটো আশ্চৰ্যজনক। সত্য কথা ক'বলৈ হলে কৃত্তীবাসী ৰামায়ণৰ পদৰ ওপৰত ভিত্তি কৰি কুশান গানৰ পদবোৰ গোৱা হয়। কৃত্তীবাসী ৰামায়ণৰ সমসাময়িক কালত দুৰ্গাবৰী গীতি ৰামায়ণ আৰু তাৰ এক ডেৰ শ বছৰ আগত মাধব কন্দলিৰ ৰামায়ণ ৰচিত হয়। গতিকে কৃত্তীবাসী ৰামায়ণতকৈ আন দুজনৰ ৰামায়ণৰ প্ৰভাবহে এই অঞ্চলত বেছি হ'ব লাগে। সেই কালৰ পৰা ৰাম-জানকী বিষয়ক প্ৰচলিত লোককথা ও কাহিনীৰ ওপৰি দুৰ্গাবৰ, কন্দলীৰ ৰামায়ণহে কুশান গানৰ ভিত্তি হ'ব লাগে। কিয়নো পশ্চিমবঙ্গত অতীত, বৰ্তমানত

বিয়াও কৰিয়া ছাৰিয়া আসিলং ও,
সখী অল্প বয়সেৰ নাৰী সখী ও ॥
বালু টিল টিল পত্নী কান্দে,
ও কি বালুতে পৰিয়া।
গৌৰীপুৰীয়া মাহুত কান্দে ও,
সখী ঘৰবাৰী ছাৰিয়া সখী ও ॥

৩। আজি আউলাইলেন মোৰ বান্ধা মন্নাল বে ॥
হাতীৰ পিঠিত চৰিয়াৰে মাহুত,
কিসেৰ বাটুল মাৰো।
পৰাৰ ৰমণী দেখিয়া,
জ্বলিযা কেন মৰো বে ॥
হাতীৰ পিঠিত চৰিয়াৰে মাহুত,
কিসেৰ বাটুল মাৰো।
পৰাৰো ৰমণী দেখিয়া,
আস্থী কেন ঠাৰো বে ॥
হাতীৰ পিঠিত চৰিয়াৰে মাহুত,
পৰাৰ কলা ভাঙো।
পৰাৰ নাৰীৰ বেদনা,
তোমৰা কিবা জানো বে ॥
হাতীৰ পিঠিত থাকিয়াৰে মাহুত,
হাতীৰ মায়া জানো।
পৰাৰ ৰমণীৰ কথা,
তোমৰা কিবা জানো বে ॥

৪। ও মোৰ দান্তাল হাতীৰ মাহুত বে,
দল ভাঙিবাৰ যান বে মাহুত,
ঢাকা বিলেতে ॥
দোলায় দোলায় যান বে মাহুত,
দল ভাঙিবাৰে।
মুই নাৰীটা চাইয়া থাকোং
সকালে আৰ বিকালে বে ॥

বিমাতাৰ কুচক্রান্তে বনে হইলো বাসা ॥
সীতা মইল সীতা পাব প্রতি ঘৰে ঘৰে।
ৰামেৰ ভাই লক্ষ্মণ মইলে ভাই বলিব কাৰে ॥
শ্রীৰামেৰ ক্রন্দনতে বৃক্ষেৰ পাত পৰে।
দৰিয়া ভাটীৰ জল সিয়ো উজান ধৰে ॥
দেব দানব কান্দে কত দৰিয়াৰ কুম্ভীৰে।
পশু পক্ষী কান্দি কত হইয়াছে অস্থিৰ ॥
অন্তৰীক্ষে ডাকি বলে যত দেবগণ।
নাকান্দ নাকান্দ ৰাম পাইবে লক্ষ্মণ ॥
সুশানো বলেন প্রভু নহও কাতৰ।
বাচিবে অবশ্য তোমাৰ লক্ষ্মণ ধনুৰ্ধৰ ॥
হস্ত পদে ৰক্ত আছে প্রসন্ন বদন।
নাসিকায় শ্বাস বহে প্রফুল্ল লোচন ॥
হেনজন নাহি মৰে সবাকাৰো জ্ঞানে।
ঔষধ আনিতে প্রভু পাঠাও হনুমানে ॥
শ্রীৰামে সুশানক কন যোৰ হাত কৰি।
লক্ষ্মণে বাচাও আগে শোক পৰিহৰি ॥
আমাৰ লক্ষ্মণ বিনা আঁৰ নাহি গতি।
জীয়াও লক্ষ্মণ যদি তবে অব্যাহতি ॥
সুশান বলেন শোন পবন নন্দন।
ঔষধ আনিতে যাও সে গন্ধ মাদন ॥
শীঘ্রি গন্ধ মাদন সর্ব্বলোকে জানি।
তাহাতে ঔষধ আছে বিশল্যকৰণী ॥
নয়শৃঙ্গে ধৰে তাৰ অদ্ভুত নির্মাণ।
প্রথম শৃঙ্গতে আছে মহাদেব স্থান ॥
আৰ শৃঙ্গে উদয় কৰে শশধৰ।
আৰ শৃঙ্গে তিনি কোটি গন্ধর্বেৰ ঘৰ ॥
আৰ শৃঙ্গে বৃক্ষ আছে শাল ও পিয়াল।
আৰ শৃঙ্গে সিংহ ব্যাঘ্র চৰে পালে পাল ॥

আৰ শৃঙ্গে আছে এক খৰতৰ নদী।
নদীৰ দুকূলে আছে বিস্তৰ ঔষধি ॥
নীল বর্ণ ফলমূল পিঙ্গল বর্ণ পাতা।
ৰক্তবর্ণ ডাটা আৰ স্বর্ণ বর্ণ লতা ॥
আনহে ঔষধ হেন বিশল্যকৰণী।
ৰাত্রি মধ্যে আনহ যাবত আছে প্রাণী ॥
ৰাত্রিতে ঔষধ আন বাচাব সহজে।
ৰজনী প্রভাতে প্রাণ যাব সূর্য তেজে ॥
বিলম্ব নাকৰ বীৰ যাও এই ক্ষণে।
তোমাৰ প্রসাদে জীয়ে ঠাকুৰ লক্ষ্মণে।

[শ্রীপ্রফুল্ল বায়ৰ সহায়ত কুশানী শটেপু মদকৰ পৰা কুশান গানৰ অংশটি লৈছোঁ।]

৭। ঘ। ১১। অন্যান্য গান ঃ

এই শিতানত কিছুমান অতি জনপ্রিয় গাত সংযোগ কৰি দিয়া হ'ল।

১। হস্তী-মাহুতৰ গান ঃ

তোমৰা গেইলে কি আসিবেন,
মোৰ মাহুত বন্ধু ৰে ॥
হস্তী নৰান হস্তী চৰান,
হস্তীৰ গলায় দৰি[১]।
সত্য কৰিয়া কনৰে মাহুত,
কোনবা দেশে বাৰী ৰে ॥
হস্তী নৰাং হস্তী চৰাং,
হস্তীৰ পাৰে বেৰি[২]।
ওৰে সত্য কৰিয়া ক'ইলং কন্যা
গৌৰীপুৰে বাৰী ৰে ॥
হস্তী নৰান হস্তী চৰাণ,
হস্তীৰ গলায় দৰি

বাচ্চাত থাকি[১] বাপ-মাওৰ ঘৰে,
খাইছং আলা ভোলা[২]।
পৰাৰ মায়ে কি কৰিবেৰে মায়া,
নিজেৰ মাও মোৰ হয়া।
বান্ধান বাঢোন নাই শিকায় মাও,
গাওত নাই দেয় টোকাত।
পৰাৰ বেটা মাৰিৰে এলা,
দুইহাত বান্ধিয়াৰে গাড়ীয়াল॥

১। পৰা ২। আদৰতে ভোল ত। টিকিলা মাৰা। চাওক— ঘটকৰ গীত)

লাইয়া কোন ধৰণৰ গান ঃ

১। আজি নাও চাপাও নাও চাপাও
ও মোৰ সুন্দৰ নাইয়া বে॥
নাও চাপাও নাও চাপাও নাইয়া,
নাও চাপাও বগলে।
কামেৰ কলস ঘাটে থুইয়া,
যাবো তোমাৰ সাথেৰে॥
নাও চাপাও নাও চাপাও নাইয়া,
চলো আমাৰ বাৰী।
বিধাতায় কৰিছে মোৰে,
কাচা চুলেৰ আৰী[১] বে॥
নাও বায় যায় নাইয়া ভাইৰে,
মোৰা বাদাম[২] দিয়া।
ও মুই অভাগী চায়া থাকোং,
খিৰকি দুৱৰ দিয়া বে॥

১। বাৰী, বিধবা। ২। পাল।

মৌইষ-মইষালৰ গান ঃ

১। ধিকো ধিকো মইষাল বে
মইষাল ধিকো গাভুৰালী।
এহেন যুবতী নাৰী,
কেমনে যাইবেন ছাৰি মইষাল বে॥

কুশান গান প্রচলনৰ স্বাক্ষৰ নাই। তেনেহলে কুশান গান কিমান এক ৰূপ আৰু পর্যায়ত এই অঞ্চলতে সৃষ্টি হৈ প্রচলিত হৈ আছিল। কিন্তু কৃত্তীবাসী ৰামায়ণ আগতীয়াকৈ ছপা হৈ ওলাই থাকি উত্তৰবঙ্গ আৰু অসম প্লাবিত কৰাত, কুশানী-সকলে ছপা ৰূপৰ কৃত্তীবাসী ৰামায়ণৰ পদবোৰ গ্রহণ কৰিলে আৰু বর্তমানেও সি অপৰিবর্তিত হৈ থাকিল। গোৱালপৰীয়া অনুষ্ঠান আৰু গীতিধর্মী গুণৰ বাবৰ পৰা গীতি ৰামায়ণ, কুশান গীতি লোকনাট্য আৰু ওজাপালি অনুষ্ঠান সমপর্যায়ৰ। তেনে ক্ষেত্রত গীতি ৰামায়ণৰ পদ কুশান গান অনুষ্ঠানে গ্রহণ নকৰা যুক্তি খাটে। কষ্টকৰ হয়।

কুশান গান অসমৰ লোককৃষ্টিমূলক অনুষ্ঠান হিচাবে এই অঞ্চলতে প্রচলিত হৈ প্রতিষ্ঠিত হৈছে আৰু অসমত ই গোৱালপৰীয়া লোককৃষ্টিৰ এক গুৰুত্বপূর্ণ উপাদান হিচাবেও স্বীকৃত হৈছে।

কুশান গান ঃ ৰাবণ শক্তিশেল ঃ (একাংশ মাত্র)

শ্রীৰাম ৰাবণ যুদ্ধ লাগিল আবাৰ।
বাচিয়া বাচিয়া ৰাম কৰেণ প্রহাৰ॥
শ্রীৰামৰ বাণে ৰাজা কৰে ধৰফৰ।
সহিতে নাপাৰি ৰাজা উঠে দিল লৰ॥
সাৰথিৰে আজ্ঞা দিল ৰাজা দশানন।
লঙ্কাতে চলাও ৰথ ত্বৰিত গমন॥
লঙ্কাতে পালায় গেল ৰাজা লঙ্কেশ্বৰ।
পশ্চাতে ৰাবণ যায় বলে ধৰ ধৰ॥
সেইদিন মাৰিতেন ৰাবণ ৰাজায়।
ৰঘুনাথ বাক্য কভু খণ্ডন নাযায়॥
লক্ষ্মণ পৰিয়া আছে শক্তিশেল বাণে।
ৰণ ছেৰ আইলেন বাছাইতে লক্ষ্মণে॥
ৰণ জিণি ৰঘুনাথ পেয়ে অবসৰ।
লক্ষ্মণে ধৰিয়া কোলে কান্দিলে বিস্তৰ॥
পিতৃসত্য পালিতে আইনু বনবাস।
বিধিবাধি হইলো হইলাম সর্বনাশ॥
ৰাজা হৰ ৰাজ্য পাৰ মনে ছিলো আশা

ৰাজাৰ ঘৰৰ মাহুত তুই,
মণ্ডল ঘৰৰ বেটী মুই।
মোক নিয়া যান মাহুত,
তোৰে সাথেৰে ॥
হস্তী বান্ধেন হস্তী ছান্দেন,
হস্তীৰ জানেন মায়া।
দিনে ৰাতি মোৰ নাৰীৰ,
ঝুৰিয়া থাকে হিয়া বে ॥
৫। হাতীত চৰিয়া যানৰে মাহুত,
কোনবা দেশৰ বনে।
মুই নাৰী জ্বলিয়া মৰোং,
যৈবন আগুনে বে ॥
ৰাজাৰ ঘৰে নিয়া চাকিৰি,
ছাৰিলেন ঘৰ বাৰী।
পাষাণ দিয়া বান্ধিলেন হিয়া,
তোমৰা না আইসেন ফিৰি বে ॥
ঘৰ ছাৰিলেন বাৰী ছাৰিলেন,
ছাৰিলেন গোৰীপুৰ।
বিয়াও কাৰিয়া ছাৰিয়া গেইলেন,
তোমৰা হইলেন দেশান্তৰী বে ॥

গাড়ীয়াল গোত্রিৰ গান ঃ

১। বাৰীটাৰ বগল দিয়া,
কাৰবা গাড়ী যায় হৈ তাঙেয়া[১]।
পৰাণটা মোৰ আউলাৰে আউলিকৰে,
ও গাড়ায়াল পাও ধৰোং।
একনা[২] কথা তোক পুছিং কৰোং,
কেমন আছে মোৰ দয়াৰ বাপ মাও ॥
বাপ মাও না বুজিয়া,
দূৰান্তৰে খাইল বেচেয়া[৩],

কেমন কৰিয়া পাইম মুই উমাৰ খবৰ।
আশ পৰশী মান্‌সী গুলা,
কেমন আছে মোক কন ভাঙেয়া,
কেমন আছে মোৰ দয়াৰ ছোট ভাই।
তোৰ গাড়ীটাৰ ছৈ দেখিয়া,
পৰাণটা মোৰ যায় উৰিয়া,
নাকৰং মুই এভৰ সংসাৰ।
বাপ মাওৰ বাৰী যায়া,
বাৰা বানেয়া[৪] খাইম বে মুই,
গছ কাটিম মুই বুকেৰ পাষাণ দিয়া॥

১। টানি, ২। এটি এটা, ৩। বিয়া দিয়া, গা ধন লৈ বিয়া দিয়া, ৪। আনৰ ঘৰত ধান বান্ধি খোৱা।

২। ও কি গাড়া বোলেয়া যান গাড়ীয়াল,
গাড়ীয়াল বাৰীৰ আগিলা দিয়া।
খবৰ দেন মোৰ দয়াৰ বাবাক,
মোকো যাইবে নিয়া গাড়ীয়াল বে॥
আৰ আশ পৰশী নাইওৰ যায়,
ও কি গাড়ীয়াল হাঁসিয়া খিলিয়া।
মুই নাৰীটা বসিয়া কান্দোং,
পন্থেৰ দিকে চায়া গাড়ীয়াল বে॥
আৰ বান্ধা মন মোৰ আউলায় গাড়ীয়াল,
ও কি ও গাড়ীয়াল গাড়ীৰ ছৈ দেখিয়া।
কয়া দেন মোৰ দয়াৰ বাবাক,
মোক যাইবে নিয়া গাড়ীয়াল বে॥

৩। আৰ কতদূৰ শশুৰ বাৰীৰে গাড়ীয়াল,
আৰ কতদূৰ বাৰীৰে।
কেমন ভাশুৰ শশুৰ,
শশুৰী মায়েৰ কেমন দয়া।
কেমন ননন্দ দেওৰাৰে গাড়ীয়াল,
আৰ কতদূৰ শশুৰ বাৰী॥

বাচ্চাত থাকি[১] বাপ-মাওৰ ঘৰে,
খাইছং আলা ভোলা[২]।
পৰাৰ মায়ে কি কৰিবেৰে মায়া,
নিজেৰ মাও মোৰ হয়া।
বান্ধান বাঢোন নাই শিখায় মাও,
গাওত নাই দেয় টোকাত।
পৰাৰ বেটা মাৰিবে এলা,
দইহাত বান্ধিয়াৰে গাডীয়াল॥

১। পৰা ২। আদৰতে তোল ৩। টিকিলা মাৰা। চাওক— ঘটকৰ গীত)

ৰাইজৰ গোৱালকৰ গান ঃ

১। আজি নাও চাপাও নাও চাপাও
ও মোৰ সুন্দৰ নাইয়া বে॥
নাও চাপাও নাও চাপাও নাইয়া,
নাও চাপাও বগলে।
কাষৰ কলস ঘাটে থুইয়া,
যাবো তোমাৰ সাথেৰে॥
নাও চাপাও নাও চাপাও নাইয়া,
চলা আমাৰ বাৰী।
বিধাতায় কৰিত মোৰে,
কাচা চুলৰ আৰী[১] বে॥
নাও বায় যায় নাইয়া ভাইৰে,
মোৰা বাদাম[২] দিয়া।
ও মুই অভাগী চায়া থাকোং,
খিৰকি দুৱৰ দিয়া বে॥

১। বাৰী, বিধবা। ২। পাল।

মোইষ-নইষালৰ গান ঃ

১। ধিকো ধিকো মইষাল বে
মইষাল ধিকো গাভুৰালী।
এহেন যুবতী নাৰী,
কেমনে যাইবেন ছাৰি মইষাল বে॥

কুশান গান প্রচলনৰ স্বাক্ষৰ নাই। তেনেহলে কুশান গান কিবা এক ৰূপ আৰু পৰ্যায়ত এই অঞ্চলতে সৃষ্টি হৈ প্রচলিত হৈ আছিল। কিন্তু কৃত্তীবাসী ৰামায়ণ আগতীয়াকৈ ছপা হৈ ওলাই আহি উৎকলঙ্গ আৰু অসম পাবিত কৰাত কুশানী-সকলে ছপা ৰূপৰ কৃত্তীবাসী ৰামায়ণৰ পদবোৰ লৈ কৰিলে আৰু বৰ্তমানে সি অপৰিবৰ্তিত হৈ আছে। সেই পৰিপ্রেক্ষিতত কুশান গীতিধৰ্ম গুণৰ যাৰ পৰা গীতি ৰামায়ণ কুশান গীতি লোকনাট্য আৰু ওজাপালি অনুষ্ঠান সমগোত্রীয়। তেনে ক্ষেত্রত গীতি ৰামায়ণৰ পদ কুশান গান অনুষ্ঠানে গ্রহণ নকৰা বুলি ক'বলৈ টান হয়।

কুশান গান পূৰ্ব লোকসংস্কৃতিমূলক অনুষ্ঠান হিচাবে এক অন্য ৰূপত প্রচলিত হৈ প্রতিষ্ঠিত হৈছে আৰু অসমত ই গোৱালপৰীয়া লোকসংস্কৃতিৰ এক গুৰুত্বপূর্ণ উপাদান হিচাবেও স্বীকৃত হৈছে।

কুশান গান ঃ । নমো শান্তিশেল ঃ (একাংশ মাত্র)

শ্রীৰাম ৰাবণ যুদ্ধ লাগিল আবাৰ।
ৰাচিয়া ৰাচিয়া ৰাম কৰেণ প্রহাৰ॥
খৰা মৰ ৰাণে ৰাজা ৰ ৰ থৰথৰ।
সহিতে নাপাৰি ৰাজা উঠি দিল লৰ।
সাৰথিৰে আজ্ঞা দিল ৰাজা দশানন।
লঙ্কাতে চলাও ৰথ ত্বৰিত গমন॥
লঙ্কাতে পালায় গেল ৰাজা লঙ্কেশ্বৰ।
পশ্চাতে ৰানৰ যায় বলে ধৰ ধৰ॥
সেইদিন মাৰিতেন ৰাবণ ৰাজায়।
ৰঘুনাথ বাক্য কভু খণ্ডন নাযায়॥
লক্ষ্মণ পৰিয়া আছে শক্তিশেল বাণে।
ৰণ ছেৰি আইলেন ৰাছাইতে লক্ষ্মণে॥
ৰণ জিণি ৰঘুনাথ পেয়ে অবসৰ।
লক্ষ্মণে কৰিয়া কোলে কান্দিলে বিস্তৰ॥
পিতৃসত্য পালিতে আইনু বনবাস।
বিধিবাধি হইলো হইলাম সর্বনাশ॥
ৰাজ্য হৰ ৰাজ্য পাৰ মনে ছিলো আশা।

বাজাৰ ঘৰৰ মাহুত তুই,
মণ্ডল ঘৰৰ বেটী মুই।
মোক নিয়া যান মাহুত,
তোৰে সাথেৰে ॥
হস্তী বান্ধেন হস্তী ছান্দেন,
হস্তীৰ জানেন মায়া।
দিনে বাতি মোৰ নাৰীৰ,
ঝুৰিয়া থাকে হিয়া বে ॥

৫। হাতীত চৰিয়া যানৰে মাহুত,
কোনবা দেশৰ বনে।
মুই নাৰী জ্বলিয়া মৰোং,
যৈবন আগুনে বে ॥
বাজাৰ ঘৰে নিয়া চাকিৰি,
ছাৰিলেন ঘৰ বাৰী।
পাষাণ দিয়া বান্ধিলেন হিয়া,
তোমৰা না আইসেন ফিৰি বে ॥
ঘৰ ছাৰিলেন বাৰী ছাৰিলেন,
ছাৰিলেন গোৰীপুৰ।
বিয়াও কৰিয়া ছাৰিয়া গেইলেন,
তোমৰা হইলেন দেশান্তৰী বে ॥

গাড়ীয়াল কেন্দ্রিক গান ঃ

১। বাৰীটাৰ বগল দিয়া,
কাৰবা গাড়ী যায় হৈ তাঙেৰা[১]।
পৰাণটা মোৰ আউলাবে আউলিকবে,
ও গাড়ীয়াল পাও ধৰোং।
একনা[২] কথা তোক পুছিং কৰোং,
কেমন আছে মোৰ দয়াৰ বাপ মাও ॥
বাপ মাও না বুজিয়া,
দূৰান্তৰে খাইল বেচেয়া[৩],

কেমন কৰিয়া পাইম মুই উমাৰ খবৰ।
আশ পৰশী মান্‌সী গুলা,
কেমন আছে মোক কন ভাণ্ডেয়া,
কেমন আছে মোৰ দয়াৰ ছোট ভাই॥
তোৰ গাড়ীটাৰ ছৈ দেখিয়া,
পৰাণটা মোৰ যায় উৰিয়া,
নাকৰং মুই এভৰ সংসাৰ।
বাপ মাওৰ বাৰী যায়া,
বাৰা বানেয়া[৪] খাইম বে মুই,
গছ কাটিম মুই বুকেৰ পাষাণ দিয়া॥

১। টানি, ২। এটি / এটা, ৩। বিয়া দিয়া, গা ধন লৈ বিয়া দিয়া, ৪। আনৰ ঘৰত ধান বান্ধি খোৱা।

২। ও কি গাড়া বোলেয়া যান গাড়ীয়াল,
গাড়ীয়াল বাৰীৰ আগিলা দিয়া।
খবৰ দেন মোৰ দয়াৰ বাবাক,
মোকো যাইবে নিয়া গাড়ীয়াল বে॥
আৰ আশ পৰশী নাইওৰ যায়,
ও কি গাড়ীয়াল হাঁসিয়া খিলিয়া।
মুই নাৰীটা বসিয়া কান্দোং,
পন্থেৰ দিকে চায়া গাড়ীয়াল বে॥
আৰ বান্ধা মন মোৰ আউলায় গাড়ীয়াল,
ও কি ও গাড়ীয়াল গাড়ীৰ ছৈ দেখিয়া।
কয়া দেন মোৰ দয়াৰ বাবাক,
মোক যাইবে নিয়া গাড়ীয়াল বে॥

৩। আৰ কতদূৰ শশুৰ বাৰীৰে গাড়ীয়াল,
আৰ কতদূৰ বাৰীৰে।
কেমন ভাশুৰ শশুৰ,
শশুৰী মায়েৰ কেমন দয়া।
কেমন ননন্দ দেওবাৰে গাড়ীয়াল,
আৰ কতদূৰ শশুৰ বাৰী॥

সত্য কৰিয়া কনৰে মাহুত,
ঘৰে কয়জন নাৰী ৰে ॥
হস্তী নৰাং হস্তী চৰাং,
চম্পা নদীৰ পাৰে।
সত্য কৰিয়, ক ইলং কথা,
বিয়াও নাই হয় মোৰে ৰে ॥

১। ৰচি। ২। ঘুৰা, ফুৰা।

২। মাহুত ফান্দিবোৰে বনৰীয়া দুৰ্দান্ত হাতী ধৰি অনাৰ পিছত মানুহৰ বহতীয়া কৰিবলৈ সেই হাতীবোৰক প্ৰশিক্ষণ দিয়া হয়। সেই প্ৰশিক্ষণৰ সময়ত বিশেষকৈ পশ্চিম গোৱালপাৰা অঞ্চলত এই গীতটি গোৱা হয়ঃ

হস্তী কন্যা হস্তী কন্যা বামোনেৰ নাৰা,
মাথাই নিয় তাম কলসী ও,
সখী ঘৰে কয়জন নাৰী সখী ও।
ও মোৰ হায় হস্তী কন্যাৰে,
খানিক দয়া নাই মাহুতক লাগিয়া ৰে ॥
পাত্তিৰা কাৰিয়াৰে হস্তীৰ,
বাৰেয়া দিলং পাও।
মাথাৰ উপৰ কাল জিঠী ও,
সখী কৰে পঞ্চ ৰাও ॥
ফান্দ লাদিলং ফাৰা লাদিলং,
লাদিলং ভাতেৰ হাড়ী।
মাহুত ফান্দি যুক্তি কৰিয়া ও,
সখী চলিলং চিকাৰ বাৰী সখী ও ॥
আকাশতে নাই ৰে চন্দ্ৰ,
তাৰা কেমনে জ্বলে।
যেৰা নাৰীৰ পুৰুষ নাই ও,
তাৰ ৰূপে কি কাম কৰে সখী ও ॥
আইয়োক ছাৰিলং বাইয়োক ছাৰিলং,
ছাৰিলং সোণাৰ পুৰী।

মোৰ বয়সৰ ৰংবীগুলা,
নাইয়ৰ খাবাৰ যায়।
মোৰ মনটায় কিবা কিবা কয়,
এমন হইলে মুইয়ো নাইয়ৰ গেনু হয়॥
একদিন দেখওং আৱো আয়না দিয়া,
পৰাখ ছাওৱা কোলাত নিয়া।
অনুমাৰী নাৰী আৱো নাসাজে এলাই॥
এইবাৰ বেচেয়া খাৰে আৱো,
মাঘ ফাগুন মাসে নিয়াৰ দিন আইসে।
এইবাৰ বেচেয়া না খাইলে,
না তাই যাৱো কাৰৰ সাথে॥

১। পাংযোৰ ভাল যোৱা ২। এতিয়া ৩ নহলে।

১। নদী না যাইয়োৱে বৈদো,
নদী না যাইয়াৱে বৈদো,
নদীৰ ঘোলাৰে ঘোলা পানী॥
এক লোটা জল তুলিতে বে বৈদো,
দুয়ো লোটা জল তুলিতে বে বৈদো,
খসিয়া প'ইল মোৰ গলাৰে চন্দ্রমালা॥
নদীৰে বদলীৰে বৈদো,
বাৰীত দিম মুই পানীৰে বৈদো,
মুই নাৰী তুলিয়াৰে দিবো পানী॥
তোৰষা নদীৰ পাৰে পাৰে বে বৈদো,
ৰাজহংস পক্ষী চৰে বে বৈদো,
পক্ষীৰ গলায় গজমতি[১] মালা॥
ৰাজহংসৰ কান্দোনেৰে বৈদো,
বাৰী ঘৰ মোৰ নালাগে মনে,
দাকণ চিত মোৰ উৰাং বে বাইবাং কৰে॥

১। গজমুকুতা।

৩। আজি ছাবিয়া নাযান
চেঙেৰা মইষাল বে ॥
মইষেৰ পিঠিত ছাবিয়া[১] বে মইষাল,
ছেৰেণ কাঁশিয়াৰ ফুল।
আষাৰ শ্ৰাবণ মাসে,
নদী হুলস্থুল বে ॥
মইষেৰ পাল চৰেয়াৰে মইষাল
তোলেন সৰিসাৰ[২] ফুল।
ও তুই ৰসিয়া মইষাল,
আমাৰ খালু জাতি-কুলৰে ॥
চম্পা নদীৰ পাৰেৰ মইষাল,
কান্ন বাজায় দোতৰা।
ভাসেয়া নিল চম্পা নদী,
মোৰ কাঙ্খেৰ[৩] কলসী বে ॥

১। উঠি ২। সৰিয়হ ৩। কাষৰ।

৪। আজি প্ৰাণ কান্দে মোৰ মইষাল বন্ধুৰে ॥
আগতে না কইছং মইষাল বে,
ও মইষাল চাকিৰি নাহয় ভাল।
নলেৰ গুতায়[১] খাগাৰাৰ গুতায়,
গাওৱেৰ যাইবে ছাল মইষাল বে ॥
একাৰী[২] ধানেৰ চাউলীয়া ভাত,
ও মইষাল কুইয়া[৩] নদীৰ পানী।
জ্বলিয়া জ্বলিয়া উঠে মইষাল,
মনেৰ আগুণখানি মইষাল বে ॥
বাথান ছাৰো বাথান ছাৰো বে,
ও মইষাল ফিৰিয়া আইসো বাৰী।
গালাৰ হাৰ বেচেয়া দিম মুই,
ঐ চাকিৰিৰ কড়ি মইষাল বে ॥

১। খোচ ২। ধান নেবাচা চাউল ৩। ধোলা।

৫। আৰি ও মইষাল,
মইষেৰ দাপাদাৰ[১] ভাই
ভালা সাজাও ভালা সাজাও
চল মইষেৰ বাথানে যাই মইষাল বে ॥
দুধ খোৱাইলেন সেৰে সেৰে বে,
ও মইষাল দৈ খোৱাইলেন হাড়ী।
মুইনা হইছোং মইষাল বে,
ও মইষাল অল্প বয়সেৰ আৰী[২] ॥
আমাৰ বাৰী যান মইষাল বে,
ও মইষাল বসিতে দিবো পীৰা।
খাইতে দিবো দৈ চিৰা,
আৰো গুৱা পাণ মইষাল বে ॥
ভোলা মাটিৰ মালভোগ কলা বে,
ও মইষাল বন্নি[৩] ধানেৰ খৈ।
শাইল ধানেৰ চিকণ চিৰা,
গামচা বান্ধা দৈ মইষাল বে ॥
গৌৰীপুৰেৰ গুৱা মইষাল বে,
ও মইষাল গোলোকগঞ্জেৰ পাণ।
নিগম দুপৰ বেলা আসিয়া,
খাইয়া যান মইষাল বে ॥

১। ম'হ গুৱালৰ প্ৰধানজন। ২। বাৰী, বিধবা। ৩। বৰা চাউল।
(চাওঁক— দাম্পত্য প্ৰেমৰ গীত)।

জীব-জন্তু বিষয়ক গান :

মানুহে বিভিন্ন কাৰণ আৰু পৰিবেশত, বিভিন্ন সময়ত বিভিন্ন জীব-জন্তুৰ সংস্পৰ্শ আৰু সান্নিধ্যলৈ আহিব লগীয়া হয়। এইবোৰ জীব-জন্তুক কেন্দ্ৰ কৰি কিছুমান লোকগীত ৰচনা কৰা হৈছে। তাৰে কিছুমানত জীব-জন্তুবোৰক প্ৰতীক চৰিত্ৰ ৰূপে ভাব প্ৰকাশৰ ক্ষেত্ৰত ব্যবহাৰ কৰা হৈছে। কিছুমানত জীব-জন্তুৰ কথাই কৈছে। জীব-জন্তু, চৰাই-চিৰিকতিৰ প্ৰতীকি ব্যবহাৰৰ যথেষ্ট গীত ৰচিত হৈছে আৰু সেই বিষয় গ্ৰন্থৰ আন ঠাইত আলোচনাও কৰা হৈছে। দ্বিতীয় বিধৰ গীতৰ সংখ্যা কম।

সাৰা দিন হা.ুৰা হাল বাই.ব,
সপ ৰাতি হা.ুৰা দৰি পাৰাইবে।
তা ত মন মোৰ উৰং ৰে বাইৰা কৰে ।।
ও ও মোৰ সোণা'ৰ দাদ,
বেচেয়া নাখাইস মোক জালুৰাৰ সাথে ৰ।
সাৰা দিন জালুৰা জাল মাৰে,
সপ ৰাতি জালুৰা আগুন পুৰাইলে,
তাতে মন মোৰ উৰাং ৰে বাই ং কৰে ।।
ও... ও মোৰ সোণাৰে দাদা,
বেচেয়া নাখাইস মোক চকৰাৰ সাথেৰে।
চকৰা মানুষেৰ ঘৰ নদীৰ কূল,
ৰাৰিষা হইলে হুলস্থুল ৰে,
তাতে মন মোৰ আউলাৰে আইলি কৰে ।।
ও ...ও মোৰ সোণাৰে দাদা,
বেচেয়া খা মোক চখেৰ বন্ধুৰাৰ সাথেৰে।
চখেৰ বন্ধুৰা দোতৰা ভাঙাইবে,
তাতে মন মোৰ নাচিয়া উঠিবে,
তাতে হইবে মোৰ হাউচেৰ বিয়া

৭। ৰাৰীৰ পাছিনা দোঁতেৰ আউৰা,[১]
হাল যুৰিছং ভাউজী ৰ ৰায় দোলা,
এত বেলা ভাউজী, পন্তা না আইল খেতেৰে ।।
বেলা হইছে ভাউজী খৰতৰ,
পেটেৰ ভোকে ভাউজী প্ৰাণ যায় ৰে,
এলাও ভাউজী পন্তা না আইলো খেতে ।।
সকালে বিনাইছোং পন্তে,
পন্তাৰ খোৰা[২] দেওৰা নিছং মাথে,
হাঠিবাৰ নাপাং দেওৰা কমোৰেৰ বিয়ে ।।
তোমাৰ পন্তা ভাউজী তোমৰায় খাও,
পন্তাৰ খোৰা ধৰি ঘুৰি বাৰী যাও,

ভাৰা বান্ধিলেন বিছিনা বান্ধিলেন,
মইষাল বান্ধিলেন ভাতেৰ হাড়ী।
এলাসে জানিলং মইষাল,
আমাক যাইবেন ছাৰি মইষাল বে॥
তখনে না কইছোং মইষাল বে,
মইষাল নাযান গোৱালপাৰা।
গোৱালপাৰাৰ চেংৰীগুলা,
জানে ধূলা পোৰা[১] মইষাল বে॥
তখনে না কইছোং মইষাল বে,
মইষাল নাযান গোৱালপাৰা।
কাটিয়া নিবে হাতেৰ শাশা,
হিৰিবে গলাৰ মালা মইষাল বে॥
তখনে না কইছোং মইষাল বে,
মইষাল নাযান গোৱালপাৰা।
খাইতে দিবে মাধুৰ[২] দৈ,
খোৱাইবে পাশ পোৰা মইষাল বে॥

১। মন্ত্রপুত কৰা, জাৰা। ২। ম'হ খিৰাওতে পাৰে ওপৰ ভাগত উঠা গাখীৰৰ ফেন থৈ থৈ কৰা দৈ

২। ও কি সুন্দৰ মইষাল,
কি বাণ মাৰিলেন,
নাৰীৰ হৃদে চাইয়াবে॥
বাৰাৰ পাছিলা গদাধৰ নদী,
গান গায়া যান আঁদ আদিবে,
ও কি মইষাল বে নাদেখেন মোৰ
বাৰীৰ দিকে চায়াবে॥
আৰ ঝাউ কাঁশিয়াৰ অগম চৰ,
তাতে মইষাল বান্ধিলে ঘৰ বে।
ও কি মইষাল, বান্ধা মন্নাল[১] মোৰ,
আউলাইলেন[২] পাৰিচ্ছিৰ আশায় বে॥

১। নির্জন গছ-গছনিৰ বাগান বা চুবুৰী ২। খেলি-মেলি কৰা।

৩। আবো নওদানীটা[১] মৰিয়া
মোৰ যে হইছে হানী।
আন্ধাৰ ঘৰত পৰিয়া থাকোং,
চউকেৰ পৰে পানী॥
ও কি টাপ্পাস কি টুপ্পুস কৰিয়া॥
সগাই বেৰায় টাৰী টাৰী[২],
নাল শাৰি পিন্ধিয়া।
তোলা আছে ঢাকাই শাৰি,
কায় যাইবে পিন্ধিয়া॥
ও কি হাম্মাস কি হুম্মুস কৰিয়া॥
আসিলেক গ্ৰীষ্মকাল,
শুইয়া নিদ্রা যাও।
মোৰ নওদানীটা থাকিল হয়,
বগলতে বসিল হয়,
গাও হাকাইল[৩] হয়,
কেৰ্‌ৰেত কি কুৰ্‌কুত কৰিয়া॥
আসিল যে বৰ্ষা কাল,
মাছ মাৰিয়া আনিলু হয়,
মোৰ নওদানীটা থাকিল হয়,
মাছ কাটিল হয়,
ঘেচ্চেং কি ঘুচ্চুং কৰিয়া॥
আবো নওদানীটা মৰিয়া,
মোৰ যে হইছে হানী।
নদীৰ কাষাৰেৰ মত ভাঙিয়া পৰে বুক,
ও কি হাৰ্ডং কি হুৰ্ডুং কৰিয়া॥

১। নতুনকৈ বিয়া কৰোৱা পত্নী < নবদ্বাৰ > নওদানী। ২। বাৰী বাৰী, পাৰা পাৰায়। ৩। বিছনীৰে বিচা।

৪। ভৰা দুপৰ বেলা,
লেবুৰ তলে কিসেৰ খেলা।

ছিবিয়া বাইগনেৰ বোটা মাৰো নাৰে,
তোমৰা কাৰ ঘৰেৰ চোকোৰা বে ॥
কি শাৰি আইন্‌ছেন ভৈৰব চান,
বালিৰ নালাগে মনে বে,
অবলাৰ ভৈৰব চান বে ॥
কি শাৰা আইনছেন ভৈৰব চান,
বালিৰ নালাগে মনে বে,
অবলাৰ ভৈৰব চান বে ॥
আমাৰ ৰঘু হাট যায়,
কতয় মালা কিনিয়া দেয়।
মনেৰ গৈৰবে মালা পিন্ধি নাৰে,
তোমৰা কাৰ ঘৰেৰ চোকোৰা বে ॥

৫। আৰে ওহাৰে দিদি লো
প্ৰাণ কান্দে দিদি,
শাল ময়নাৰ বাদে।
শাল ময়নাৰ তলে তলে দিদি,
যাওং নদীৰ, ঘাটে।
শাল ময়না পখী কান্দে,
ঐনা বৃক্ষেৰ ডালে বে ॥
শুনিয়া ময়নাৰ কান্দোন দিদি,
চউকে ঝৰেৰে পানী।
ওবে কলসি ভৰিয়া যায় মোৰ,
দুই নয়নেৰ পানী দিদি লো ॥
কুনজন দৰদী হবে দিদি,
ময়না ধৰিয়া দিবে।
ওবে এহেন সোণাৰ যৈবন,
দান কৰিব তাবে দিদি লো ॥
৬। ও...ও মোৰ সোণাৰ দাদা,
বেচেয়া নাখাইস মোক হালুৱাৰ সাথেবে ॥

১। মশাৰ গীত ঃ

মঙ্গলেৰ মাও, আগুন জ্বলাও,
মশা মাৰি পন্‌পনেয়া কৰে ॥
বাঁশ বাৰীয়া মশাৰে তোৰ লম্বা লম্বা ঠোঁট।
এমোন কামোৰ কাম্‌ৰাইল মশা হেম্‌কুৰালেৰ চোট[১] ॥
মশাৰ কামোৰে আঃ মুই গেনু[২] বাপেৰ বাৰী।
সেও মশা বেৰায় টাৰা টাৰী ॥
মশাৰ কামোৰে আই মুই ঘৰে দিনু[২] ধুমা।
তবু শালা মশা খাইল গালত চুমা ॥
মশাৰ কামোৰে আই মুই গায়ে দিনু খেটা।
তবু শালা মশা কাণত কয় পীৰিতিৰ কথা ॥
মশাৰ ভয়ত মুই জলে বাঞ্চিনু[২] টং।
সেও অভাগিনী মশা বাচেয়া দিছে ঠেং ॥

১। আঘাত ২। ক্রিয়া রূপ কেইটিত অসমীয়া মাধ্য ক্রিয়া বিভক্তি লৈ। হৈছে। অইন ঠাইতো এনে রূপ আছে।

মানুহে ভয়ত পূজে। নৰখাদক বাঘলৈ মানুহৰ স্বাভাবিক ভয় বাবে 'সোণাবায় নাম দি বাঘক পূজে আৰু গায় ঃ

বাঘ নামিলোৱে চিতিৰা পাখলা[১] পখৰা ।
ভৰ বিয়ানে[১] নামিল বাঘ মানুষ কামেৰা ॥
মূলাৰ মত দুইটা দাঁত ডেলিৰ মত মাথা।
ভাটীহাতে[২] নামিল বাঘ মানুষ কামেৰা ॥

১। ৰাতিপুৱা ২। পৰা, ভাটীৰ পৰা।

বিভিন্ন ভাবজ্ঞাপক গান ঃ

১। দয়াৰ আৰে, আৰো হে,
নাকমুৰি[১] ক'ইতেৰৰ মতন,
যোৰা মিলেয়া দে ॥
বেচেয়া খাৰে আৰো বেচেয়া খা,
গাভুৰ বয়সে মন বান্ধিয়া,
না যায় যে বওৱা ॥

কাইল সকালে জুদা[৩] হইয়া যাইম বে ॥
হাতে ধৰি দেওবা পাত্তে পৰি,
পন্তাৰ খোৰা দেওবা নাদেন ঘুৰি,
খান পন্তা দেওবা মোৰ বগলতে বসিয়া বে ॥
দাদা গেইছে ভাউজী কুমিগ্রাম,
বকন গৰুৰ হালখান দিছে মোকে,
সেও বকন গৰু চিবিত চিবিত মুতে বে ॥

১। জোপোহা, ২। পাত্র, ৩। বেলেগ হোৱা।

৮। মন মোৰ কান্দেৰে, শুনিয়া সানাইৰ ফোক,
দিদিৰ বিয়াৰ বাইজন বাজে,
মোৰ কপালত নাই, মন মোৰ কান্দেৰে ॥
দিদিৰ বিয়াৰ বাইজন বাজেৰে,
ঝম ঝম কৰিয়া ;
হেলিয়া দুলিয়া নাচেৰে চাইলন ডালা নিয়া।
মাৰোৱা[১] কেনে ঢোলেৰে,
ঐনা মাৰোৱাৰ তলে বে।
পাশা খেলা কৰে বে,
সানাইৰ কাউলানে[২] আউজাইল মন মোৰে ॥
আৰো কং ভোৰ আগে,
ও মোক কইতে সৰম লাগে।
দিদিৰ বিয়াৰ বাইজন বাজে,
মোৰ কপালত নাই, মন মোৰ কান্দেৰে ॥
ঢুলীয়া না বাজায় ঢোল,
মন কৰে মোৰ গণ্ডগোল।
কাসিয়া[৩] না কৰে টং,
দিদি কয় মুই বাহিৰ হং,
কোৰ্‌কায়[৪] না কৰে কোৰ্‌ৰোড,
মন নাবয় মোৰ ঘৰত ॥

১। বিয়াৰ বা পূজা পার্বণৰ মণ্ডপ। ২। কৰুণ সুৰ। ৩। এষিধ বাদ্যযন্ত্র।
৪। এষিধ বাদ্য যন্ত্র।

৯। ঘটক দা মৰণ নাহয় কেনে,
কানা যম মোকে নাদেখে,
খুলিয়া কবাৰ মানষি নাই,
কতয় কইম আৰ তোক।
একে সাথেৰ চেঙ্‌ৰা গুলাৰ,
সগাৰে হইল বিয়া।
মুই কোন অভাগা হলুং
যুৱান বয়সটা মোৰ যাৰ চলিয়া।
সাথেৰ চেঙেৰা চিনেমাত যায়,
শালা শালীক নিয়া।
উমাৰ যাওৱা দেখিলে কালে,
মোৰ মন যায় ভাঙিয়া॥
ঘটক দা, বাবাক তুই জোৰ কৰিয়া ক,
বেটাক দেউক বিয়া।
যুগ জামানা খাৰাপ হৈছে,
পৰাৰ চেঙ্‌ৰীক আনিবে পালেয়া॥

১০। ওৰে দিনে দিনে গাভুৰ বয়স মোৰ
গত হয়া যায়।
তবু কেনে বিয়া নাদে মোক,
দয়াৰ বাপ মায়॥
আৰ এইবাৰ যদি বিয়া নাদেয়
দয়াৰ বাপ মায়।
নাকৰং আৰ নেখা-পঢ়া,
সংসাৰেৰ কামাই॥
মাসে মাসে আইসে বনু[১]
বিয়াৰ ঘটক ধৰিয়া।
মোক বোলে বেচেয়া খাইবে
। [illegible] ৰ হালুৱা দেখিয়া॥

১। তিনি, তিনিদেউ।

১১। ও কি নাইয়াৰে, চাপাত নৌকা তুই,
কমলা সুন্দৰীৰ ঘাটে।
নাও বয়া যান নাইয়া ভাই ৰে,
তোৰ সে মনে সুখ।
নাওৰেৰ বাদাম তুলিয়াৰে নাইয়া,
দেখাত চান্দ মুখ ৰে॥
নাওৰেৰ মাজে থাকেন নাইয়াৰে,
তোমৰা নাওৰেৰ কাণ্ডাৰী।
স্বামী বিনা কি ধন আছে,
যৈবনেৰ বেপাৰী ৰে॥

চুলতান বাদছাহ্ ফকিৰ হোৱাৰ পিছত মানাই বাদছাহ হয়। ভোগ বিলাস শেষ হোৱাত মানাইয়ে মনত শান্তুনা দি গোৱা গীতৰ ওপৰত ভিত্তি কৰিয়ে গীতিনাট্য মনাই যাত্ৰা ৰচিত হৈছে। তাৰ পৰাই তলত ১৩ নং গীতটি উদ্ধৃত কৰা হ'ল :

১২। তোৰ বাপে খাইছেৰে মনাই হাটৰ মোলা মুৰি।
তোৰ মাথাত দেখং ৰে মনাই মনিৰাজ পাগুৰি॥
ছোট লোকেৰ ছাইলা[১] যদিৰে মনাই বৰ বিষয় পায়।
টেৰিয়া কৰি সিতা কাটি[২] ছেয়াৰ[৩] দিকে চায়॥
মাও বৰ ধনৰে মনাই মাও সে বৰ ধন।
যাৰ ঘৰে নাইৰে মাও তাৰ নিষ্ফল জীবন॥
এক চক[৪] ভিজিছে মাওৰেৰ মাঘ মাসীয়া শীতে।
আৰ এক চক ভিজিছে মাওৰেৰ গু আৰ মুতে॥
মাছে চিনে গহীন গাঙুৰে[৫] মনাই পক্ষী চেনে ডাল।
মাওসে জানে পুতৰ দয়া যাৰ হানে বুকে শেল॥

১। ল'ৰা-ছোৱালী। ২। সেওঁতা, কাটফাল ; সেওঁতা তুলি মাথা চুচা। ৩। ছায়া।
৪। উৰত। ৫। গঙ্গা নদী।

দোভবার গীত :

১। দোভবা ভোলো ভং,
দোভবা ভোলো ভং,
দোভবা ভোলো ভং করে ॥
কাঠল কাটিয়া খালামু দোভবা,
দোভবা ভোলো ভং করে ॥
যদি দোভবা তুই যাবিস মান,
সোণা দিয়া তোর বান্ধাইম কাণ।
রূপা দিয়া তোর বান্ধাইম দুই নয়ন ॥
যেদিন দোভবা তোক নিলং হাতে,
পাবার লোকে মোক নিষেধ করে।
দোভবা তুই করিলু মোক জনমের বাউদিয়া[১] ॥

১। ইয়াস ভাবে ঘরবারী এবি ফুরা মানুহ।

নাচোনর গীত :

১। ঘুর ঘুর ঘুর, ঘুর ঘুর ঘুর,
উবাণি ক'ইতর উবি পরে চালে ॥
মদিনা চহরে বাসাইছে বানিয়া,
বাটা ভরা পাণ।
পাণের উপর লেখা আছে,
জহীরা সুন্দরীর নাম রে ॥
খাইয়া যান মোর সোণার বন্ধু,
জহীরা সুন্দরী পাণ।
খাইয়া যান মোর মাহুত বন্ধু,
জহীরা সুন্দরীর পাণ ॥
পাণো না খিলিয়া, মনো না ভুলিয়া,
ওরে সোণার চান্দ রে।
খায়া যান রে দরার দাদা,
জহীরা সুন্দরীর পাণ ॥

খাইয়া যান বে দয়াৰ বন্ধু,
জহীৰা সুন্দৰীৰ পাণ।
ওৰ যেইনা ৰঙেৰ জহীৰা সুন্দৰ,
সেইনা ৰঙেৰ পাণ বে।

২। ও কি আইসো হে প্রাণনাথ আইসো,
আইসো হে প্রাণনাথ বইসো॥
শেওৱাৰ গাছে যেমন ঘুণ্ডৰ[১] ভাসা[২],
দূৰেৰ বন্ধুৰ আমাৰ কিসেৰ,
আশা হে প্রাণনাথ বইসো॥
গঙ্গাধৰেৰ যেমন ধূ ধূ বে বালা,
পীৰিত কৰিলেন বন্ধু গালাৰ,
মালাৰে প্রাণনাথ বইসো॥
গঙ্গাধৰেৰ যেমন চিটকাৰে[৩] মাটি,
পীৰিত কৰিলেন বন্ধু গালাৰ,
কাটিহে প্রাণনাথ বইসো॥

১। কপৌ চৰাই, ২। বাঁহ, ৩। আলতীয়া মাটি, ৪। জ্বালা।

—×—

৮। শ্লোক/শোলোক, ফাকিলি বা ছিল্লি কা ঃ

লোক সাহিত্যৰ এইটো দ্বিতীয় ভাগ। মান্য ভাষাত ইয়াক সাঁথৰ (সান্তৰ) বোলে। এই শ্রেণীৰ লোক সাহিত্যই জাতি একোটিৰ প্রসাৰিত মানসিক দিগন্ত আৰু উচ্চ উৰ্বৰ মস্তিষ্কৰ স্বাক্ষৰ বহন কৰে। এটা জাতি এবিধ সাহিত্যত যিমানেই চহকী সেই জাতি বুদ্ধি আৰু জ্ঞানত সিমানেই পাৰদর্শী বুলি ভাবিব পাৰি। লোক-সাহিত্যৰ অন্তর্গত এইবিধ সাহিত্যত গোৱালপাৰা অতি চহকী। তলত ইয়াৰ কিছু উদাহৰণ দিয়া হ'ল ঃ

১। এক ফুল ফুলিছে,
কাও নাই ছেৰেইয়া।—(তাৰা)
এক মৰা মৰিছে,
কাও নাইয়া কান্দেয়া।-- (সাপ)
এক বিছনা পৰি আছে,
কাও নাই থাকেয়া।— (নদী

২। চিং পংখী বুক ঢাউলা,
মহং নাই তাৰ এক ফালুলা। (আঁথে)

৩। সাগৰত ঘৰ নাগৰত বাঁতি,
হইলা ছাওয়া তাৰ নাই পোৱাতি। (কাছ ও কণি)

৪। নিঃডিম পখী, নিঃফুলা শাক,
কোন প্রাণীৰ আঠাৰটা নাক? (বাদুলি, ঢেকিয়া শাক, গৰৈ মাছ)

৫। আঠাৰ ছাওয়াৰ একটা পকৰ। (নহক)

৬। শিং কোকৰী গাই
ঘাটে ঘাটে পানী খাই (ৰবশী)

৭। পাঁচ মদ্দে ধৰে, এক মদ্দে ঠেলে
পুৰাণি কালীয়া পাগাৰ, দেইখতে হা মেলে। (ভাত খোৱা)

৮। কুড়ি ঘাইস বুঢ়াৰ বেটা টঙস টঙস
হাৰা নাই কাটা নাই বেৰাইস বঙস বঙস। (জোক)

৯। পাৱ পৃষ্ঠ মাথাটা
দুই হাত কুৰি আঙুল নাকটা
চকু কাণ নাই। (মানুহ)

১০। বুঢাৰ বাৰ বাৰ
চেংৰাৰ একবাৰ। (বেজীত সূতা ভৰোৱা)

১১। উপৰেত থাকি প'ইল ভেট
ভেট কয় মোৰ কাটো পেট। (তামোল)

১২। একটা গাছ ঝাপাৰ ঝুপুৰ
তাতে আছে কালা কুকুৰ। (ওকণি)

১৩। মামা ঘৰৰ বাৰীত গেনু
নাচতে নাচতে নেংটা হনু। (চৰখা)

১৪। দিলে না নেওং
নাদিলে নেওং। (মৈ)

১৫। এনু এনু এনু ধৰিবাৰ নাই ঠেনু। (কণি)

১৬। সন্দৰা পাইলুং ওলাবা নাপাইলুং (টেপা'চেপা)

গোৱালপাৰা জিলাৰ গাৱেঁ-ভূঁইয়ে, নগৰে-চহৰে অসংখ্য ছিলুকা, ফাকিলি বা সাস্তৰ আছে। উদাহৰণৰ বাবে বেইটমান ইয়াত উল্লেখ কৰা হ'ল মাত্ৰ। ল'ৰা-ছোৱালীইতৰ মাজত সাস্তৰ ধৰা আৰু তাৰ উত্তৰ দিয়া পদ্ধতিটো একপ্ৰকাৰ মানসিক খেল বুলিব পাৰি। দহ-পাঁচে গোট খাই ঘণ্টাৰ পিছত ঘণ্টা ঘুৰি এই সাস্তৰ ধৰা আৰু তাৰ উত্তৰ দিয়া খেল খেলা দেখা যায়। এইবোৰে সমাজ জীবনৰ বহু কথাৰ উমান দিয়াৰ উপৰি সমাজ জীবনৰ তীক্ষ্ণ ধীৰো সংবাদ দিয়ে। আন আন বিষৰ জন সাহিত্যৰ দৰে ইয়ো সমাজ জীবনৰে অবিচ্ছেদ্য ৰূপে সমাজত প্ৰচলিত হৈ আছে।

প্ৰবাদ বাক্য ঃ

১। নামতে গগণ ফাটে,
হাড়ীৰ ভাত কুকুৰে চাটে।

২। দাওত শান কুঠাৰত শিল,
মাসে পখে তিৰিত কিল।
ভাত কাপোৰ শাসন
এই তিনে নাৰী আপোন।

৩। যদি থাকে মনত
হয়না কেনে দেশৰ কোণত।
৪। বন্দাই আনিল ডিবি, শিয়াল হইল গিবি।
৫। দুই নৌকাত পাৱ যাব, সৰ্ব্ব বুদ্ধি নাশ তাব।
৬। পুটুকিত[১] নাই চাম[২] বাখলী।
মদ খায় টেকেলা টেকেলী।

১। টিকা ২। ছাল।

৭। ৱাইভ পাইল কামাব, দাও গবেয়া দে আমাব।
৮। কাজেব বেলা কাজী, কাজ ফুবাইলে পাজী।
৯। নিজেব চায়া পবাই ভাল,
পবাব ছায়া জঙ্গলেই ভাল।
১০। সকাল বেলাব মুঠি, দিনটাব জন্য খুটি।
বা
বিহানেব মুঠি, দিনমানেব খুটি।
১১। অল্প পইসা যাব,
গেলা বাইগন ভাব।
১২। পাপ কথা চাপ নাবয়,
অদ[১] বাতাসেব আগত যায়। ১। ব'দ।
১৩। আছে গক নাবোৱায় হাল
তাব দুঃখ চিবকাল।
১৪। জান বাঙা যায়, কাণ বাঙা দায়।
১৫। আগা হাল যেদি যায়,
পাছা হালো সেদি যায়।
১৬। উমা ভাতে দুনা বল, ভবা ভাতে বসাতল।
১৭। কাজ নহা ডিবি, বেবাস বাবী বাবী।
১৮। খবাব পাৱ খালত, মাছ পবে জালত।
১৯। অধিক সন্তানীব গাঞা নষ্ট।
২০। অব নষ্ট কবে বুঢ়ী, পেট নষ্ট কবে মুবী।
২১। ঘোঁবাক মাপে ঘাসীক কিলায়।

২২। টাকায় করে কাম মদ্দের হয় নাম।

২৩। তিরি লাতা তিরি পাতা,
তিরিক নকরি সঁচা কথা।

২৪। নিজের ভাল পাগলেও বুজে।

২৫। পাগলের গোবধে আনন্দ।

২৬। ভাত ফেলাইলে কাউরার আকাল নাই।

২৭। সাধুর চিন মরিবার দিন।

সমাজ জীবনর বাস্তব অভিজ্ঞতার ওপরত ভিত্তি করি প্রবাদ বাক্যবোরর সৃষ্টি হয় আরু ভবিষ্যত সমাজ জীবনক এইবোরে পরিচালিত করে। প্রতিটো প্রবাদ বাক র আঁরত একোটাকৈ গুঢ়ার্থ আরু সত্য নিহিত হৈ থাকে। সমাজ জীবন বিভিন্ন দিশের ছিমানেই বিস্তৃত হয় প্রবাদ বাক্যর পরিমাণো সিমানেই বেছি হয়। সমাজ জীবনর সর্বদিশ সামরি থকা এই জন সাহিত্য বিধে জন সমাজক সর্ব দিশত সত্য আরু সঠিক পথর সন্ধান দিব পারে। সেইমতেই সমাজ জীবন চলে। দৈনন্দিন জীবন যাত্রাত এইবোরে জনজীবনক বেদাদি গ্রন্থর দরে মহৎ উপকার সাধন করি আছে। তিরি-পুরুষ শিক্ষিত-অশিক্ষিত সকলোরে ওপরত এইবিধ জন-সাহিত্যর গভীর প্রভাবর স্বাক্ষর পোরা যায়।

মানষের লোভ শ্মশান পর্যন্ত ঃ

মণ্ডলের গ্রামত এটা বুঢ়া আর একটা বুঢ়ী আছিল। উমার বেটা ছাওরা নাছিল। এখ্‌না কন্যা ছাওরা আছিল। চেংরীখোনাক অনেক দিনে বেচেরা খাইছে দুরান্তরত। একদিন বুঢ়ার হুচ উঠাত বিকাল করি জাখা খলৈ নিয়া ঢাকা বিলত মাছ মারিবর গেইল। বুঢ়াই একটা বর কই মাছ পাইল। কই মাছটা পায়া বুঢ়ীর মনত খুব আনন্দ আর যত্ন করি মাছটা রান্ধিল। কই মাছের বাচ্‌না চান্দরী ফাটিয়া গেইল। ঐ মাছটা খাওরার কথা নিয়া বুঢ়া-বুঢ়ী আলাপ করে। ঃ

বুঢ়ী ঃ মাছটা মুই একলায় খাইম।

বুঢ়া ঃ তুই কেনে খাবু? মুই খাইম।

বুঢ়ী ঃ না, তুই খাবার পাবার নোইস্‌। মাছটা বাচি কাটি ধুই, নুন-হলদি মাখিয়া, ভাজিয়া বাইন্ধছোং। এত করিয়াও মুই নাখাইম কেনে?

বুঢ়া ঃ আরে মুই যুত্ন মাছটা মারিয়া নাআনোং তুই মাছ পাইস কোটায়? মাছটা মুই একলায় খাইম।

মাছ খাওৱা নিয়া কথাৰ সিদ্ধান্ত না হওৱাত বুঢ়াই ক'ইল, "ঠিক আছে, মাছ আজকে খাওবাৰ হবাৰ নয়া কালকে ঘুমে থাকি যায় পাছোত উঠবে উৱাই মাছটা খাইবে। মাছটা ঢাকি-ঢুকি ৰাখিয়া দে।"

বুঢ়ীও এই কথা মানিয়া নিল আৰ উমৰা খালি ভাত খায়া শুতিল। পৰৰ দিন বুঢ়া-বুঢ়ী আৰ ঘুমে থাকি নাউঠে। গ্ৰামৰ মানষিগুলা হেৰ দেখে, হেৰে দেখে ; কিন্তু বুঢ়া-বুঢ়ী নাউঠে। থাকতে থাকতে, দেইখতে দেইখতে ১০।১১ টা বাজিল। 'বুঢ়া-বুঢ়ীৰ হইল কি এলা'—ভাবি মানষিগুলা চিন্তাত প'ইল। কতকগুলা মানষি যায়া দজ্জা ভাঙি ঘৰৰ ভিতৰা সোন্দেয়া দেখে বুঢ়া-বুঢ়ী মইচ্চে। মণ্ডলৰ গ্ৰামত হাহাকাৰ, হুলুস্থুল লাগিল। কি হইছিল, কেনে মৰিল ইগলা কথা নিয়া নানা জনৰ মুখত নানা কথা। পৰে গ্ৰামৰ কতকগুলা দেৱানী আসিয়া বুঢ়া-বুঢ়ীক শ্মশানত নিয়াৰ ব্যবস্থা ক'ইল। যা হউক, শেষত শ্মশান নিয়া, চিতা সাজিয়া মৰা দুইটা এক সাথে উঠিয়া দিয়া আগুন ধৰেয়া দিল। আগুনৰ তাও যেলা মৰা দুইটাৰ গাত লাগিল সেলা বুঢ়া-বুঢ়ী ঝাপেয়া উঠি কয়, 'মুই খাইম, মুই খাইম।' বুঢ়া-বুঢ়ীৰ ভাও দেখি মানষিগুলা দেও-ভূত ভাবি দাও কোদাল নিয়া বাৰী বুলিয়া দৌবাইল। পৰে বুঢ়ায় কয় 'মুই খাইম' আৰ বুঢ়ীও কয় 'মুই খাইম' আৰ বাৰী বুলি দৌবায়। এমন কৰতে কৰতে বুঢ়া-বুঢ়ী আৰ গ্ৰামৰ বেটা ছাওৱা বেটী ছাওৱা, চেংৰা-চেংৰী সগাই যায়া বুঢ়া-বুঢ়ীৰ আইগনা ভৰি পৰিল। চিতাত থাকিয়া মৰা উঠি বাৰী আসিছে— এই কথা নিয়া ঘুল্লা পৰগণাত হুলুস্থুল লাগিল। এই দিগে মুই খাইম মুই খাইম কৰতে কৰতে বুঢ়া-বুঢ়া আসিয়া বাৰী পৌচিল। ঐ সময়ে কই মাছটা আনিয়া এক ধওলা ওন্দা বিলেই আইগনাৰ কাণিত বসিয়া খাবাৰ ধইচ্ছে। বুঢ়া বুঢ়ায় বিলেই মুকত মাছটা দেখিল। সেলা বুঢ়ায় কয়— তুই খাইস।

বুঢ়ী কয়— তুই খাইস।

বুঢ়ায় কয়— মাছেৰ জন্তে চিতাত উঠলু, নাখাইস ক্যে ?

বুঢ়ী কয়— মুই একলায় উঠং নাই, তুইয়ো উঠছিস।

সেলা ঘটনাৰ গোৰ আগাল বুজিয়া সেলটু দেৱানী কয়, "বাপৰে বাপ, কই মাছৰ নোভ চিতা পৰ্যন্ত।" ১

১। গৌৰীপুৰৰ শ্ৰীৰত্নেশ্বৰ বায়ৰ পৰা সংগ্ৰহ কৰা।

॥ সহায় লোৱা গ্ৰন্থ সমূহ ॥

১। গোৱালপাৰা জিলা সংস্কৃতি সংৰক্ষণ স্মৃতিগ্ৰন্থ ১৯৭১ ইংৰাজী চন। — সম্পাদনা শ্ৰীশিৱানন্দ শৰ্মা

২। গোৱালপাৰা জিলাৰ ইতিহাস। ১৯৭৬ ইং

৩। গোৱালপৰীয়া সমাজ, সভ্যতা আৰু সাংস্কৃতিক পৰিচয়। ১৯৭৯ ইং — ৺ প্ৰভাত ৰায়

৪। গোৱালপৰীয়া ডায়েৰী। ১৯৭৭ ইং — শ্ৰীৰিজেন নাথ

৫। ৰত্নপীঠত এভূমুকি, ৰত্নপীঠ প্ৰকাশন। ১৯৭৭ — শ্ৰীঅম্বিকা চৰকাৰ

৬। কাঠেৰ দোতৰা কৰে ৰাও। ১৯৯২ ইং — শ্ৰীগৌৰীমোহন ৰায়

৭। গোৱালপৰীয়া লোকগীত প্ৰথম, দ্বিতীয়, তৃতীয় খণ্ড। — ধীৰেন দাস

৮। অসমীয়া ভাষাৰ ব্যাকৰণ। — ড° উপেন্দ্ৰনাথ গোস্বামী

৯। আলপাইন কলিতা গোষ্ঠীৰ ইতিহাস। ১৯৮৯ — কিংকৰ

১০। অসমীয়া লোক সাহিত্য। ১৯৮৫ ইং — অতুল চন্দ্ৰ বৰুৱা

১১। বিহুগীত আৰু বনঘোষা। — ড° লীলা গগৈ।

১২। সোভিয়েত বঙ্গ সংস্কৃতি। ১৩১৭ বঃ — আশুতোষ ভট্টাচাৰ্য

১৩। বাঢ়ৰ সংস্কৃতি। ১৯৭২ — ড° অমলেন্দু মিত্ৰ

১৪। প্ৰসঙ্গ : উত্তৰ বঙ্গ লোক সাহিত্য প্ৰথম পৰ্ব। ১৯৮৮ বঃ — দিবিজাশঙ্কৰ ৰায়

১৫। An Introduction to the Study of Literature. — Hudson

১৬। The Ballads and tales of Assam. 1960. — Dr. P. D. Goswamy

১৭। The Kamatai language. 1990 — Dr. D. Das

১৮। অসমীয়া ভাষা আৰু সংস্কৃতি। — বিৰিঞ্চি কুমাৰ বৰুৱা।

: আলোচনী :

১। স্মৃতিগ্ৰন্থ : অসম সাহিত্য সভা, বঙাইগাওঁ অধিবেশন। ১৯৮৩ চন — প্ৰকাশক শ্ৰীশৈলেন পাঠক

২। স্মৃতিগ্ৰন্থ : অসম সাহিত্য সভা ৩৯ তম ধুবুৰী অধিবেশন। ১৯৭২ চন — সম্পাদক শ্ৰীশিৱানন্দ শৰ্মা

৩। পচোৱা, বঙালী বিহু সংখ্যা। ১৯৭৬ — সম্পাদনা ভবানী প্ৰসাদ অধিকাৰী

৪। স্মৃতিগ্রন্থ : অসম সাহিত্য সভা, ২৪ তম অধিবেশন, সম্পাদনা
অভয়াপুৰী। ১৯৭৭ শ্রীঅম্বিকাচৰণ চৰকাৰ।
৫। স্মৃতিগ্রন্থ : নবম লেখক শিবিৰ— কবি সন্মিলন প্রকাশক
১৯৮১, অসম সাহিত্য সভা। কোকৰাঝাৰ সাহিত্য সভা পৰমানন্দ ৰৰা
৬। স্মৃতিগ্রন্থ : গোৱালপাৰা সাহিত্য পৰিষদ। ৬ষ্ঠ বার্ষিক, সম্পাদক
কোকৰাঝাৰ অধিবেশন, ১৯৮৮ ইং ৰমেন মজুমদাৰ
৭। ৰত্নপীঠ : মুখপত্র, গোৱালপাৰা জিলা সম্পাদনা
সাহিত্য পৰিষদ। ১৯৮২-৮৩ শ্রীনিখিল সিংহ
৮। ৰত্নপীঠ : মুখপত্র, গোৱালপাৰা সাহিত্য পৰিষদ। সম্পাদনা
১৯৮৭-৮৮ ইং শ্রীসন্ধিয়া ৰাম ৰায়
৯। ৰত্নপীঠ : গোৱালপাৰা জিলা সাহিত্য পৰিষদৰ ঐ
মুখপত্র। ১৯৮১-৮২ ইং
১০। সমন্বয়, কোকৰাঝাৰ— তৃতীয়, পঞ্চম, অষ্টম, নবম সংখ্যা। ১৯৭৫-৮৩
১১। কোণকোষ— নবেম্বৰ, ডিচেম্বৰ, ফেব্রুৱাৰী, মার্চ, এপ্রিল সংখ্যা। সম্পাদনা
ৰমণী মোহন ডেকা

: বাতৰি কাকত :

১। প্রান্তবাসী, ২। প্রান্তপ্রহৰী, ৩। গণচাবুক ইত্যাদি।